। পূৰ্ণ পৰমাত্মনে নমঃ॥



# জ্ঞান গঙ্গা



-ঃ প্ৰচাৰ সমিতি ঃ-

সৎলোক আশ্ৰম, হিসাৰ-টোহানা ৰোড, বৰৱালা,

জিলা-হিসাৰ (হাৰিয়ানা)

প্ৰাৰ্থনা ঃ- এই পুথিখন অসমৰ ভক্ত সমাজে সৰল ভাষাত বুজিবলৈ সন্ত ৰামপালজী মহাৰাজৰ দ্বাৰা সকলো ধাৰ্মিক গ্ৰন্থৰ আধাৰত হিন্দীত লিখা জ্ঞান-গঙ্গা পুথিৰ জ্ঞানৰ সৰল অসমীয়া অনুবাদ হয়। পুথিখনত লিখা সকলো প্ৰমানৰ বিৱৰণ আৰু পৃষ্ঠা সংখ্যা হিন্দী ধাৰ্মিক গ্ৰন্থৰ লগত সত্যাপন কৰিব পাৰে।

(Assamese)

## অৱশ্য চাওক
## সন্ত ৰামপালজী মহাৰাজৰ মঙ্গল প্ৰবচন

চেনেলত প্ৰতিদিন সন্ধ্যা ৭.৩০-৮.৩০ লৈ।

চেনেলত প্ৰতিদিন ৰাতি ৮.৩০-৯.৩০ লৈ।

চেনেলত প্ৰতিদিন পুৱা ৬.০০-৭.০০ লৈ।

চেনেলত প্ৰতিদিন পুৱা ৫.৫৫-৬.৫৫ লৈ।

চেনেলত প্ৰতিদিন দুপৰীয়া ২.০০-৩.০০ লৈ।


- ঃ প্ৰকাশকঃ-

- ঃ প্ৰচাৰ প্ৰসাৰ সমিতিঃ-

সৎলোক আশ্ৰম, হিসাৰ-টোহানা ৰোড, বৰৱালা,

জিলা-হিসাৰ (হাৰিয়ানা)

ধৰ্মাৰ্থ মূল্য মাথোন- ২০/-

সৎলোক আশ্ৰম

সৎলোক আশ্ৰম, হিসাৰ-টোহানা ৰোড, বৰৱালা, জিলা-হিসাৰ (হাৰিয়ানা)।

সম্পৰ্ক সূত্ৰঃ- (হোজাই - ৮০১১১৫৫৬৯১) (নাহৰকটীয়া - ৯৩৬৫৫৮৯৫৬১)

(জাগুন -৭৬৩৬৮৩৫২৫৭)

৮২২২৮৮০৫৪১, ৮২২২৮৮০৫৪২, ৮২২২৮৮০৫৪৩

৮২২২৮৮০৫৪৪ ৮২২২৮৮০৫৪৫

visit us at: www.jagatgururampalji.org

e-mail: jagatgururampalji@yahoo.com

## -ঃ বিষয় সুচী ঃ-


1. ভক্তি মৰ্য্যাদা (প্ৰস্তাৱনা) 1
   * নাম কোনজন ৰামৰ জপ কৰিব লাগে? 5
   * নাম (দীক্ষা) লোৱা মানুহৰ বাবে আৱশ্যক সুচনা- 7
2. সৃষ্টি ৰচনা 19
   * আত্মা কেনেকৈ কালৰ জালত বন্দী হল? 22
   * শ্ৰী ব্ৰহ্মাদেৱ, শ্ৰীবিষ্ণুদেৱ তথা শ্ৰী শিৱদেবৰ উৎপত্তি- 25
   * তিনি গুণ কি ? প্ৰমাণৰ সৈতে 27
   * ব্ৰহ্ম (কাল)ৰ অপ্ৰকাশ থকাৰ প্ৰতিজ্ঞা 28
   * ব্ৰহ্মা নিজ পিতা ব্ৰহ্মক বিচাৰি পোৱাৰ বাবে চেষ্টা 29
   * মাতৃ (দূৰ্গা)ৰ দ্বাৰা ব্ৰহ্মাক অভিশাপ দিয়া 30
   * বিষ্ণুদেবৰ নিজ পিতা ব্ৰহ্মদেবক বিচাৰি পোৱাৰ বাবে প্ৰস্থান তথা মাতৃৰ আশীৰ্বাদ লাভ। 32
   * পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডৰ স্থাপনা 38
   * পৱিত্ৰ অথৰ্ববেদত সৃষ্টি ৰচনাৰ প্ৰমাণ 40
   * পৱিত্ৰ ঋগবেদত সৃষ্টি ৰচনাৰ প্ৰমাণ 44
   * পৱিত্ৰ শ্ৰীমদদেৱী মহা পুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ 49
   * পৱিত্ৰ শিৱ মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ 50
   * পৱিত্ৰ শ্ৰীমদভাগৱত গীতাত সৃষ্টি ৰচনাৰ প্ৰমাণ 51
   * পৱিত্ৰ বাইৱেল তথা পৱিত্ৰ কোৰাণ শ্বৰীফত সৃষ্টি ৰচনাৰ প্ৰমাণ 53
   * পূজ্যপাদ কৱীৰ পৰমেশ্বৰ (কবীৰ দেৱ) দেৱৰ অমৃত বাণীত সৃষ্টি ৰচনা 54
   * আদৰণীয় গৰীবদাস চাহেৱজীৰ অমৃত বাণীত সৃষ্টি ৰচনা প্ৰমাণ 57
   * আদৰণীয় নানক চাহেৱজীৰ অমৃত বাণীত সৃষ্টি ৰচনাৰ সংকেত 63
   * অন্য সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ দন্ত কথা (কাল্পনিক কথা) 66
3. কুলৰ মালীক কোন তথা কেনেকুৱা ? 67
   * আদৰণীয় ধৰ্মদাস চাহেব “কৱীৰ পৰমেশ্বৰ”ৰ সাক্ষী 68
   * আদৰণীয় দাদু চাহেব “কৱীৰ পৰমেশ্বৰ”ৰ সাক্ষী 69
   * আদৰণীয় মলুকদাস চাহেব “কৱীৰ পৰমেশ্বৰ”ৰ সাক্ষী 69
   * আদৰণীয় গৰীব দাস মহাৰাজৰ “কৱীৰ পৰমেশ্বৰ”ৰ সাক্ষী 70
   * আদৰণীয় নানক দেব মহাশয়ৰ দ্বাৰা “গুৰু গ্ৰন্থ চাহেব” ত “কবীৰ পৰমেশ্বৰৰ” প্ৰমাণ 71
   * প্ৰভূ কবীৰে স্বামী ৰামানন্দ দেৱক তত্বজ্ঞান বুজালে 74
4. পৱিত্ৰ শাস্ত্ৰও কবিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) ৰ সাক্ষী 85
5. কবীৰ চাহেব চাৰিও যুগত আহে 92
   * সত্য যুগত কবিৰ্দেৱ (কৱীৰ পৰমেশ্বৰ) সৎসুকৃত নামেৰে অৱতৰণ 92
   * ত্ৰেতাযুগত কবিৰ্দেৱ (কৱীৰ চাহেব) মুনিন্দ্ৰ নামেৰে অৱতৰণ 98
   * দ্বাপৰ যুগত কবিৰ্দেৱ (কৱীৰ পৰমেশ্বৰ) কৰুণাময় নামেৰে অৱতৰণ 101

* দ্বাপৰ যুগত ইন্দ্ৰমতীক শৰণত লোৱা 101
* কবীৰ পৰমেশ্বৰ (কৱীৰ্দেৱ) কলিযুগত অৱতৰণ 106
6. পূৰ্ণ সন্তৰ পৰিচয় (পৱিত্ৰ সৎগ্ৰন্থৰ পৰা পূৰ্ণ সাধুৰ পৰিচয়) 111
* তিনি বাৰত নাম জাপ দিয়াৰ প্ৰমাণ 114
7. সন্তক দুঃখ দিয়াৰ শাস্তি 120
8. দিশা হীনৰ মাৰ্গ বিষয় 123
* ঈশ্বৰ আতুৰ ভকত বসন্ত সিংহ সৈনীৰ মাৰ্গ দৰ্শন। 123
* অদভূত চমৎকাৰ 128
* পৰমেশ্বৰে অসম্ভৱক সম্ভৱ কৰিলে। 129
* প্ৰভূৱে দুঃখীৰ দুঃখ শুনিলে 131
* ভগবান এনেকুৱা হব লাগে 132
* সৰ্বস্ব হীনৰ আশ্ৰয়দাতা 133
* সাধু এনেকুৱা হব লাগে 134
* নিজৰ ভকতক যম ৰাজৰ সভাৰ পৰা মুক্ত কৰি অনা 135
* পূৰ্ণ পৰমাত্মাই সাধকক ভয়ংকৰ ৰোগৰ পৰা মুক্ত কৰি আয়ুস বঢ়াই দিয়ে 136
* ভক্তমতী সুশীলাৰ চকু ঠিক কৰি দিয়া 138
* তিনি তাপক পূৰ্ণ পৰ্মাত্মাই সমাপ্ত কৰিব পাৰে 139
9. কৱীৰ দেৱৰ লগত কালৰ বাৰ্তালাপ 143
10. "বিশ্ব বিজয়ী সন্ত" (সাধু ৰামপাল দাস মহাৰাজৰ অধ্যক্ষতাত । হিন্দুস্থান বিশ্বৰ ধৰ্মগুৰু ৰূপত প্ৰতিষ্ঠিত হ'ব) 145
* সন্ত ৰামপালজী মহাৰাজৰ বিষয়ে নষ্ট্ৰাদ্ৰামচৰ ভৱিষ্যৎ বাণী 145
* সাধু ৰামপালজী মহাৰাজৰ সমৰ্থনত অইন ভৱিষ্যৎ বক্তাৰ ভৱিষ্যৎ বাণী 150
* সন্ত ৰামপালজী মহাৰাজৰ চমু পৰিচয় 152
11. প্ৰমাণৰ বাবে চাওক ফটো কপি 158-173
12. যথাৰ্থ জ্ঞান প্ৰকাশ বিষয় (পৰমেশ্বৰৰ বিষয়ে শাস্ত্ৰই কি বৰ্ণনা দিয়ে) 174
* পবিত্ৰ গীতাৰ জ্ঞান কোনে কৈছে ? 175
* শ্ৰীমদ্ ভাগৱত গীতা সাৰ 182
* তিনি গুণ কি ? প্ৰমাণৰ সৈতে 188
* পূৰাণ বাক্যৰ সাৰ কথা 189
* ত্ৰিগুণ মায়াই জীৱক মুক্ত হবলৈ নিদিয়ে। 189
* অন্য দেৱতা (ৰজগুণী ব্ৰহ্মা, সৎগুণী বিষ্ণু, তম গুণী শিৱ) ৰ পূজা অৰ্চনা অজ্ঞানীয়ে কৰে। 193
* পৱিত্ৰ চাৰি বেদ অনুসৰি ভক্তি সাধনাৰ পৰিনাম কেৱল মাথো স্বৰ্গ, মহাস্বৰ্গ প্ৰাপ্তিহে, মুক্তি নহয় 193
* শাস্ত্ৰ বিধি বিৰুদ্ধ ভক্তি সাধনা পতনৰ কাৰণ 194
* শ্ৰাদ্ধ কৰোৱা সকল প্ৰেত হব মুক্তি নহয় 194
* সত্য কথা। 198
* তত্বজ্ঞান প্ৰাপ্তিৰ পিচতহে ভক্তিৰ আৰম্ভনী হয়। 200

* গীতা জ্ঞান দাতা ব্ৰহ্মৰ ইষ্টদেৱ (পূজ্যদেৱ) পূৰ্ণব্ৰহ্ম কবিৰ পৰমেশ্বৰ 201
* ব্ৰহ্মৰ সাধক ব্ৰহ্মক প্ৰাপ্তি তথা পূৰ্ণব্ৰহ্মৰ সাধকৰ পূৰ্ণ ব্ৰহ্ম প্ৰাপ্তি হয় 202
* ব্ৰহ্ম (ক্ষৰপুৰুষ)ৰ সাধনা অনুত্তম (অতি বেয়া) 203
* শংকা সমাধান। 206
* গাদী আৰু মহন্তৰ পৰম্পৰাৰ খবৰ 207
* পবিত্ৰ তীৰ্থ তথা ধামৰ বিষয় 209
* স্বৰ্গৰ পৰিভাষা কি ? 217
* গীতা জ্ঞানদাতা ব্ৰহ্ম (কাল)ৰ উৎপত্তিৰ সংকেত 223
* কবীৰ চাহেৱৰ দ্বাৰা বিভিষণ তথা মন্দোদৰীক শৰণত লোৱা 226
* দ্বাপৰ যুগত ইন্দ্ৰমতীক শৰণত লোৱা 228
* পৱিত্ৰ পুৰাণৰ ৰহস্য 233

13. শাস্ত্ৰাৰ্থ বিষয় 249
14. পথ ভ্ৰষ্ট সকলৰ সৎমাৰ্গ দৰ্শন 257

## ভূমিকা

অনাদি কালৰ পৰা মানুহে পৰম সুখ-শান্তি আৰু অমৃতৰ সন্ধান কৰি আহিছে। তেওঁলোক নিজৰ সামৰ্থ অনুসৰি প্ৰচেষ্টা চলাই আছে কিন্তু তেওঁলোকৰ এই হাবিয়াস পূৰণ হোৱা নাই। এনেকুৱা এই বাবেই যে, এই হাবিয়াস পূৰ্ণ কৰা মাৰ্গৰ সঠিক জ্ঞান নাই। সকলো প্ৰাণীয়ে বিচাৰে যে কোনো কাম নকৰাকৈ, খাবলৈ তৃপ্তিকৰ আহাৰ পায়, পিন্ধিবলৈ ধুনীয়া বস্ত্ৰ পায়, থাকিবলৈ বিলাসী ঘৰ, ঘুৰি ফুৰিবলৈ মনোৰম পাৰ্ক, মনোৰঞ্জনৰ বাবে মধুৰ ম ধুৰ সঙ্গীত, নাচগান, খেলা-ধুলা, আমোদ-ফুৰ্তি পায় আৰু কেতিয়াও যেন বেমাৰ-আজাৰ নহয়, আকৌ বুঢ়া অথবা মৃত্যু যেন নহয় ইত্যাদি। কিন্তু যিখন সংসাৰত আমি আছো তাত এনেকুৱা দৃষ্টি গোচৰ নহয় নাইবা এনেকুৱা সম্ভৱ নহ'ব। কিয়নো এই ভুলোক বিনাশী, এই ভুলোকৰ সকলো বস্তুৱেই বিনাশী আৰু এই সকলো ৰজা হ'ল কাল/ব্ৰহ্ম, যিয়ে প্ৰতিদিন এক লাখ সুক্ষ্ম মানৱ শৰীৰৰ বিকাৰ ভক্ষণ কৰে। তেওঁ সকলা প্ৰাণীক কৰ্ম-ভ্ৰম* আৰু পাপ-পূণ্য ৰূপী জালত পেলাই তিনিও লোকত পিঞ্জৰাত (সজাত) সুমুৱাই বন্দী কৰি ৰাখিছে। কবীৰ চাহেব কয় যে -

কবীৰ তিন লোক পিঞ্জৰা ভয়া- পাপ পূণ্য দো জাল॥
সভী জীৱ ভোজন ভয়ে, এক খানেৱালা কাল॥
গৰীব, এক পাপী এক পূণ্যী আয়া, এক হ্যায় সুম দলেল ৰে
বিনা ভজন কোই কাম নহী আৱৈ, সব হ্যায় জম কী জেল ৰে।

কৰ্ম-ভ্ৰম* কৰ্ম=সিদ্ধান্ত যেনে ঃ- কৰ্ম তেনে ফল (পাব) ভ্ৰম- সন্দেহযুক্ত জ্ঞান যিটো বেদ আৰু গীতাত কালব্ৰহ্মই প্ৰদান কৰিছে।

উদাহৰণ ঃ- গীতা অধ্যায় ১৫ শ্লোক ১ ৰ পৰা ৪ ত আৰু অধ্যায় ৪ শ্লোক ৩১, ৩২, ৩৪ অধ্যায় ৭ শ্লোক ১৮ ত গীতা জ্ঞান দাতা ব্ৰহ্মাই কৈছে যে "এইটো সংসাৰ ৰূপী বৃক্ষ হয়। ইয়াৰ শিপা (Roots) ওপৰত আছে আৰু তিনি গুণ ৰূপী শাখা সমূহ তলত আছে। যি এই সংসাৰ ৰূপী বৃক্ষৰ বিষয়ে বিতংকৈ কব পাৰে তেওঁ পূৰ্ণ সন্ত অৰ্থাৎ তত্বদৰ্শী সন্ত হয়। গা-গছ কোন প্ৰভু ? ইয়াত বৰ্তমান বিচাৰ কালত অৰ্থাৎ তোমাক গীতা জ্ঞান কৈ থকাৰ সময়ত মোৰো এই সংসাৰ ৰচনাৰ জ্ঞান নাই। কাৰণ ইয়াৰ আদি (আৰম্ভনি) আৰু অন্তৰ জ্ঞান মোৰ নাই। এই কাৰণে কোনো তত্বদৰ্শী সন্তৰ বিচাৰ কৰা। সেই সন্তই কোৱা ভক্তিমাৰ্গ (way of worship) অনুসৰি সাধনা কৰি সেই পৰম পদ আৰু পৰমেশ্বৰৰ অনুসন্ধান কৰিব লাগিব যত যোৱাৰ পাছত সাধক পুনৰ ঘূৰি সংসাৰত নাহে। অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্ত কৰে। যিজন পূৰ্ণ পৰমাত্মাৰ দ্বাৰা এই সংসাৰ ৰূপী বৃক্ষৰ বিস্তৃতি হৈছে অৰ্থাৎ যিজন পৰমেশ্বৰে এই সৃষ্টিৰ ৰচনা কৰিছে, তেওঁৰেই পূজা কৰিব লাগিব। মই (গীতা জ্ঞান দাতা) সেইজন পৰমেশ্বৰৰ শৰণত আছোঁ। গীতা অধ্যায় ৩ শ্লোক ৩১-৩২ ত কৈছে গীতাত যি জ্ঞান দিছোঁ সেইটো মোৰ মত (কথা)। এই জ্ঞান সম্পূৰ্ণ নহয়, তথাপি অন্য শাস্ত্ৰবিধিহীন সাধনাত কৈ এই জ্ঞান শ্ৰেষ্ঠ। যিজনে মোৰ মতে সাধনা নকৰে তেওঁ ব্যৰ্থ চেষ্টা চলাই আছে। পূৰ্ণ পৰমাত্মাৰ সাধনাৰ পৰা পোৱা লাভৰ তুলনাত গীতা অধ্যায় ৭ শ্লোক ১৮ ত গীতা জ্ঞান দাতাই নিজৰ সাধনাৰ পৰা পোৱা লাভক অনুত্তম কৈছে। এই

ধৰণে কালব্ৰহ্মৰ দ্বাৰা কোৰা জ্ঞান ভ্ৰমযুক্ত।”

তেওঁ (কালব্ৰহ্মই) নিবিচাৰে যে কোনা প্ৰাণী এই পিঞ্জৰা ৰূপী জেলখানাৰ পৰা ওলাই যাওক। তেওঁ এইটোও নিবিচাৰে যে জীবাত্মাই নিজৰ ঘৰ অৰ্থাৎ সৎলোকৰ জ্ঞান পাওক। এইবাবে তেওঁ নিজৰ ত্ৰিগুণী মায়াৰ দ্বাৰা প্ৰত্যেক জীবক ভ্ৰমিত কৰি ৰাখিছে। আকৌ মানুহৰ ওপৰত উল্লেখিত হাবিয়াস বিলাক কৰ পৰা উৎপন্ন হ’ল ? ইয়াত এনেকুবা একো নাই। ইয়াত আমি সকলো এদিন মৰিবই লাগিব; সকলোৱে দুঃখী আৰু অশান্ত। যি অৱস্থা আমি ইয়াত পাব খোজো, ঠিক এনে অৱস্থা আমি আমাৰ নিজৰ ঘৰ সৎলোকত অৱস্থান কৰিহে পাম। কাল ব্ৰহ্মৰ লোকত স্বইচ্ছাই আহি বন্দী হৈ নিজ ঘৰৰ পথ পাহৰি গলো। কবীৰ চাহেবে কয় যে -

ইচ্ছাৰূপী খেলন আয়া, তাতৈ সুখ সাগৰ নহী পায়া

এই কাল ব্ৰহ্মৰ লোকত সুখ-শান্তিৰ একো চিন-চাব নাই। ত্ৰিগুণী মায়াৰ পৰা উৎপন্ন কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ, খং ৰাগ, ঈৰ্ষা-নিন্দা, হৰ্ষ-শোক, লাভ-লোকচান, মান-সম্মান ৰূপী অৱগুন বিলাকে প্ৰত্যেক জীৱকে আমনি কৰি আছে। ইয়াত এক প্ৰাণীয়ে আন এক প্ৰাণীক কাটি-মাৰি খাই আছে, শোষণ কৰে, সন্মানহীন কৰে, ধন-সোণ লুটি লয় আৰু সুখ-শান্তিও কাঢ়ি লয়। ইয়াত চাৰিওফালে যেন জুইয়েই জুই। আপুনি শান্তিত থাকিব খুজিলেও বেলেগে আপোনাক শান্তিত থাকিব নিদিয়ে। আপুনি নিবিচাৰিলেও চোৰে চুৰ কৰে, ডকাইতে ডকাইতি কৰে, দুৰ্ঘটনা ঘটি যায়, খেতিয়কৰ ফচল নষ্ট হৈ যায়, বেপাৰীৰ বেপাৰ ধ্বংস হৈ যায়, ৰজাৰ ৰাজত্ব কাঢ়ি লোৱা হয়, সুস্থ শৰীৰত বেমাৰ হয় অৰ্থাৎ ইয়াত কোনো বস্তুয়েই সুৰক্ষিত নহয়। ৰজাৰ ৰাজত্ব, মানীৰ মান, ধনৱানৰ ধন, শক্তিমানৰ শক্তি আৰু আনকি আমাৰ সকলোৰে শৰীৰ পৰ্য্যন্ত হঠাতে কাঢ়ি লোৱা হয়। মাক-দেউতাকৰ সন্মুখতে জোৱান ল’ৰা-ছোৱালীৰ মৃত্যু হয়, হাঁহি কান্দি পিয়াহ পি থকা সন্তানক এৰি মাকদেউতাক মৃত্যু হয়, যুৱতী ভনী বিধবা হয় আৰু পাহাৰ-পৰ্বত তুল্য দুঃখৰ বোজা সহিবলৈ বাধ্য হয়। বিচাৰ কৰি চাওক এই স্থান বসবাস কৰাৰ উপযুক্তনে ? কিন্তু আমি উপায় নোহোৱা হেতু ইয়াত বসবাস কৰি আছো। কিয়নো এই কাল ব্ৰহ্মৰ পিঞ্জৰাৰ পৰা ওলাই যোৱাৰ পথ চকুত নপৰে আৰু আমি ইজনে সিজনক দুঃখ দিয়া বা দুঃখ সহ্য কৰা অভ্যস্থ হৈছো। যদি আপুনি এই লোকত হোৱা বা ঘটা দুঃখৰ পৰা ৰক্ষা পাব বিচাৰে তেনেহলে ইয়াৰ প্ৰভু বা ঈশ্বৰ কালতকৈ পৰম শক্তিযুক্ত পৰমেশ্বৰ (পৰম অক্ষৰ ব্ৰহ্ম)ৰ শৰণাপন্ন হ’ব লাগিব। যি পৰমেশ্বৰলৈ ভয় কাল প্ৰভূৰো আছে। যাৰ ভয়ত এই ওপৰোক্ত কষ্ট বিলাক সেই জীৱ বা প্ৰাণীক দিব নোৱাৰে যদিহে পূৰ্ণ পৰমাত্মা অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্ম (সত্য পুৰুষৰ শৰণ পূৰ্ণ সাধুৱে প্ৰদান কৰা উপদেশ মতে গ্ৰহণ কৰে। তেওঁ যেতিয়ালৈকে সংসাৰত ভক্তি পথত থাকিব তেতিয়ালৈকে আজীৱন ওপৰোক্ত কষ্ট বিলাক নহয়। যিজনে এই “জ্ঞান গঙ্গা” কিতাপখন পঢ়িব তেওঁৰ জ্ঞান হব যে কেনেকৈ আমি নিজৰ ঘৰখনক পাহৰি গৈছোঁ। সেই পৰম সুখ শান্তি ইয়াত নাই নিজ ঘৰ সৎলোকতহে আছে যত জনমো নাই মৃত্যুও নাই, নাই বৃদ্ধাৱস্থা, নাই কোনো দুঃখ, নাই হাইকাজিয়া, নাই বেমাৰ-আজাৰ, নাই টকা-পইচাৰ লেন-দেন নেলাগে কিনিব মনোৰঞ্জনৰ কোনো আহিলাপাতি। তাত সকলো পৰমাত্মাৰ

দ্বাৰা নিঃশুল্কত এই সকলো অখণ্ড ভাৱে প্ৰাপ্ত হয়।মুক্তিদাতা গৰীবদাস জী মহাৰাজৰ বানীত প্ৰমাণ হয় যে ঃ-

বিন হি মুখ সাৰঙ্গ ৰাগ সুন, বিন হি তন্তী তাৰ। বিনা সুৰ অলগোজে বজৈ, নগৰনাঁচ ঘুমাৰ॥
ঘন্টা বাজৈ তাল নগ, মঞ্জীৰে ডফ ঝাঁঝ। মুৰলী মধুৰ সুহাৱনী, নিজবাসৰ অউৰ সাঁঝ॥
বিন বিহংগম বাঁজহি, তৰক তম্বুৰে তীৰ। ৰাগ খণ্ড নহী হোত হেয়, বন্ধ্যা ৰহত সমীৰ॥
তৰক নহী তোৰা নহী, নাঁহী কশিস কবাব। অমৃত পেয়ালে মধ পিবৈ, জো ভাটী চৱৈ শৰাব॥
মতৱালে মস্তানপুৰ, গলী গুলজাৰ। সংখ শৰাবী ফিৰত হ্যায়, চলো তাস বজাৰ॥
সংখ-সংখ পত্নী নাচে, গাৱৈ শব্দ শুভান। চন্দ্ৰ বদন সুৰজমুখী, নাঁহী মান গুমান॥
সংখ হিন্ডোলে নুৰ নগ, ঝুলৈ সন্ত হুজুৰ। তখত ধনী কে পাস কৰ, এয়সা মলুক জহুৰ॥
নদী নাৱ নালে বগৈঁ, ছুটৈঁ ফুহাৰে সুন্ন। ভৰে হোদ সৰোবৰ সদা, নঁহী পাপ নহী পূণ্য॥
না কোই ভিক্ষুক দান দে, না কোই হাৰ ব্যৱহাৰ না কোই জন্মে মৰে, এয়সা দেশ হমাৰ॥
জহা সংখো লহৰ মেহৰ কী উপজৈ কহৰ জঁহা নহী কোই
দাস গৰীব অচল অবিনাশী, সুঃখ কা সাগৰ সোই।

সৎলোকত কেৱল মাথোন এটা ৰস, সেইটো হ'ল পৰম সুঃখ আৰু শান্তি। যেতিয়ালৈকে আমি সৎলোকলৈ নেযাওঁ তেতিয়ালৈকে আমি পৰম শান্তি, সুঃখ তথা অমৰত্ব প্ৰাপ্ত নহওঁ। সৎ লোকলৈ যোৱা তেতিয়াই সম্ভৱ হ'ব যেতিয়া আমি পূৰ্ণ সাধু সন্তৰ পৰা উপদেশ লৈ আজীৱন ভক্তি পথত অবিচল থাকিম। এই “জ্ঞান গঙ্গা” পুথিৰ জৰিয়তে আমি যি শুভ সংবাদ বিলাব বিচাৰিছো সেইটো কোনো দেৱী-দেৱতা অৰু ধৰ্মৰ নিন্দা-চৰ্চা নকৰাকৈ সকলো পৱিত্ৰ ধৰ্ম গ্ৰন্থত লুকাই থকা গুঢ় ৰহস্যক জাগৰিত কৰি যথাৰ্থ ভক্তি মাৰ্গ প্ৰকাশ কৰা যিটো বৰ্তমানৰ সকলো সন্ত-মহন্ত, আচাৰ্য, গুৰু, মুনি, ঋষি, শাস্ত্ৰকাৰ সকলে শাস্ত্ৰত লুকাই থকা গুঢ় ৰহস্যক বুজি পোৱা নাই। পৰম পূজ্য কবীৰ চাহেবে নিজৰ বানীত কৈছে যে- বেদ কতেৱ ঝুঠে না ভাই, ঝুঠে হ্যায় সো সমঝে নাঁহী।

ভাবাৰ্থ এয়ে যে- হে ভাই বন্ধু সকল বেদ-শাস্ত্ৰ মিছা নহয়। মিছা সিবিলাক যিয়ে বুজা নাই।

যি কাৰণে ভক্ত সমাজত যথেষ্ট হানি হৈছে। সকলোৱে নিজৰ অনুমান অনুযায়ী ঠগ গুৰুৰ দ্বাৰা নিৰ্দেশীত শাস্ত্ৰ বিৰুদ্ধ সাধনাত লিপ্ত হৈ আছে। যাৰ দ্বাৰা মানসিক শান্তি নহয়, শাৰিৰীক সুখ, ঘৰ আৰু কাৰোবাৰ লাভ, পৰমেশ্বৰৰ সাক্ষাৎকাৰ নহয় আৰু মোক্ষ প্ৰাপ্তি ইত্যাদি নহয়। এই সকলো বিলাক সুখ কেনেকৈ পায় আৰু এইবিলাক জানিবৰ বাবে মই কোন, কৰ পৰা আহিছো, কিয় জনম লওঁ, কিয় মৃত্যু হওঁ, আৰু কি কাৰণে দুঃখ ভোগ কৰো ? পিছে এই সকলো বিলাক কোনে ঘটাইছে ? আৰু পৰমেশ্বৰ কোন ? কেনেকুৱা, কত থাকে, আৰু কেনেকৈ প্ৰাপ্তি ? ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ পিতৃ-মাতৃ কোন ? আৰু কেনেকৈ কাল ব্ৰহ্মৰ জেলখানাৰ পৰা মুক্তি পাম তথা নিজৰ ঘৰলৈ (সৎলোক) উভতি যাব পাৰিম। এই সকলো বিলাক এই “জ্ঞান গঙ্গা” পুথিৰ জৰিয়তে দৰ্শাই দিয়া হৈছে। যাতে সকলো ভক্ত আত্মাই ইয়াক পঢ়ি আত্ম কল্যাণ কৰিব পাৰে। এই পুথি সৎগুৰু ৰামপালজী মহাৰাজৰ মুখ নিসৃত বাণী সমূহৰ সংকলন আৰু পৱিত্ৰ সৎগ্ৰন্থৰ লিখিত তথ্যৰ ওপৰত আধাৰিত। আমি পূৰ্ণ বিশ্বাস কৰো যে যি পাঠকে ৰুচিৰে সৈতে নিৰপেক্ষ আন্তৰিক ভাৱনাৰে অধ্যায়ন কৰি অনুসৰণ কৰিব তেওঁৰ

কল্যাণ অৱশ্যে সম্ভৱ হব ঃ-

আত্মপ্ৰাণ উদ্ধাৰ হী, এয়সা ধৰ্ম নহী অউৰ।
কোটী অশ্বমেধ যজ্ঞ, সকল সমানা ভৌৰ॥
জীৱ উদ্ধাৰ পৰম পুণ্য, এয়সা কৰ্মনহী অউৰ।
মৰু স্থল কে মৃগ যো, সব মৰ গয়ে দৌৰ-দৌৰ॥

ভাবাৰ্থ- যদি এটা আত্মাক সৎভক্তি মাৰ্গত লগাই তাৰ আত্ম কল্যাণ কৰা হয় তেনেহলে কোটি অশ্বমেধ যজ্ঞৰ ফল পায় তাৰ সমান একো ধৰ্ম নাই।

জীৱাত্মা উদ্ধাৰৰ বাবে কৰিবলগা কাৰ্য্য অৰ্থাৎ সেৱাতকৈ কোনো কাৰ্য্য শ্ৰেষ্ঠ নহয়। নিজৰ উদৰ পূৰণ কৰিবলৈ পশু–পক্ষীয়ে গোটেই দিনটো ভ্ৰমি ফুৰিব লগীয়া হয়। ঠিক তেনেকৈ সিজন ব্যক্তিয়ে যি পৰমাৰ্থী কাৰ্য্য নকৰে তেওঁ ভ্ৰমি ফুৰিব লাগে। পৰমাৰ্থী কৰ্ম সৰ্বশ্ৰেষ্ঠ কৰ্ম যিটো জীৱ কল্যাণৰ বাবে কৰিবলগীয়া কৰ্ম। জীৱ কল্যাণৰ কৰ্ম নকৰি সকলো মানুহ মৰুস্থলত হৰিণৰ নিচিনা দৌৰি দৌৰি মৰি যায়। কিছু দূৰত পানীয়েই পানী দেখা পাই আৰু দৌৰি গৈ দেখে যে পানী নাই বালি হে। আকৌ কিছু দূৰত বালিৰ ওপৰত পানী দেখা পাই শেষত সেই হৰিণৰ পানীৰ কাৰণে দৌৰী পিয়াহত অণ্ঠ কণ্ঠ শুকাই মৰে। ঠিক এনেকৈ যি প্ৰাণী এই কাল লোকত যত আমি বসবাস কৰি আছোঁ। তেওঁ সেই হৰিণৰ নিচিনা সমানে সুখৰ আশা কৰে, যেনেকৈ নিঃসন্তানে ভাৱে যে সন্তান হলে তেওঁৰ সুখ হৈ যাব। সন্তান থকা বিলাকক সুধি চোৱা তেওঁলোকৰ অনেক সমস্যা শুনিবলৈ পাব, নিৰ্ধনীয়ে ভাবে যে তেওঁ ধন পালে সুখী হ'ব। য়েতিয়া ধনবানৰ কুশল-মঙ্গল জানিবলৈ সোধ পোছ কৰিবা তেতিয়া সিহঁতৰ বহুত সমস্যা, প্ৰয়োজনৰ কথা শুনিবলৈ পাবা। কোনোৱাই ৰাজ্য পালেই সুখ পালে বুলি ভাবে। এইটো তাৰ মহাভূল। ৰজা (মন্ত্ৰী, মূখ্যমন্ত্ৰী, প্ৰধান মন্ত্ৰী, ৰাষ্ট্ৰপতি) ৰ সপোনতো সুখ নহয়। যেনেকৈ চাৰি পাঁচ সদষ্যৰ এটা পৰিয়ালৰ মূৰব্বীৰ নিজৰ পৰিয়ালৰ সকলো যা-যোগাৰ কৰোঁতে কিমান অসুবিধাৰ সমুখীন হবলগীয়া হয় ? ৰজাতো এটা ক্ষেত্ৰৰহে মুৰব্বী। তাৰ যোগাৰ যন্ত্ৰত সুখ সপোনতো নহয়। ৰজা বিলাকে মদ্যপান কৰি কিছু দুখ পাহৰি পেলায়। ৰাজকোষ ভৰাবলৈ জনসাধাৰণৰ পৰা কৰ আদায় কৰি লয়। অহা জনমত যি ৰজাই সত্য ভক্তি নকৰে, আকৌ পশু যোনী প্ৰাপ্ত হৈ প্ৰত্যেক ব্যক্তিৰ পৰা আদায় কৰা কৰৰ বিনিময়ত পশু হৈ পৰিশোধ কৰিব লাগে। যি মানুহ মনমুখী হৈ আৰু ঠগ গুৰুৰ দ্বাৰা দীক্ষিত হৈ ভক্তি আৰু ধৰ্ম কৰে তেওঁ ভাৱে যে ভৱিষ্যতে তাৰ সুখ হব, কিন্তু ইয়াৰ বিপৰীতে তাৰ দুঃখ পাবলগীয়াহে হয়। মহাত্মা কবীৰে কয় যে মোৰ এই জ্ঞান এনেকুৱা যে যদি জ্ঞানী ব্যক্তি হয় তেনেহলে ইয়াক শুনি অন্তৰত গাঁথি লব আৰু যদি মূৰ্খ হয় তেনেহলে ই তাৰ পক্ষে অবোধগম্য।

*"কবীৰ, জ্ঞানী হো তো হৃদয় লগাই, মুৰ্খ হো তো গম না পাই"।*

অধিক জানিবৰ বাবে অনুগ্ৰহ কৰি প্ৰৱেশ কৰক "জ্ঞান গঙ্গাৰ ভিতৰলৈ। এই কিতাপ পঢ়ি চুপ্ৰিম কোৰ্টৰ বৰিষ্ঠ অধিবক্তা শ্ৰী সুৰেশ চন্দ্ৰৰ বক্তৱ্যৰদ্ধএই কিতাপৰ নামটো "জ্ঞান সাগৰ" হব লাগিছিল॥

## “কলিযুগত সত্যযুগ”

(সন্ত ৰামপালজীৰ সৎসঙ্গৰ বচনৰ পৰা উদ্ধৃত)

সত্যযুগ সেই সময়টোক কোৱা হয় যি যুগত অধৰ্ম নহয়। শান্তি থাকে। পিতাৰ আগত পুত্ৰৰ মৃত্যু নহয়, স্ত্ৰী বিধৱা নহয়। নীৰোগী শৰীৰ থাকে। সকলো মানুহে ভক্তি কৰে। পৰমাত্মাক ভয় কৰে কিয়নো তেওঁ আধ্যাত্মিক জ্ঞানৰ দ্বাৰা সকলো কৰ্মৰ লগত পৰিচিত। মন, কৰ্ম, বাক্যৰ দ্বাৰা কাকো দুখ নিদিয়ে তথা দুৰাচাৰী নহয়। সতী সত্যবান স্ত্ৰী-পুৰুষ হয়। গছ-গছনিৰ আধিক্য থাকে। সকলো মনুষ্যই বেদৰ বিহিত ভক্তি কৰে। বৰ্তমান কলিযুগ। এতিয়া অধৰ্ম বাঢ়ি গৈছে। কলিযুগত মানুহৰ ভক্তিৰ প্ৰতি আস্থা কমি গৈছে অথবা ভক্তি নকৰেই যদি কৰে সেয়া শাস্ত্ৰ বিধি বিপৰীত মনমনা ভক্তি কৰে। যিটো শ্ৰীম দ্ভাগৱত গীতাৰ অধ্যায় ১৬ শ্লোক ২৩-২৪ মতে সেইয়া বৰ্জিত। যি কাৰণে পৰমাত্মাৰ পৰা বঞ্চিত হৈ সেইয়া প্ৰাপ্ত নহয়। এই বাবে অধিকতৰ মানুহ নাস্তিক হৈ গৈছে। সোনকালে ধনী হবৰ বাবে ঘোছ, চুৰী, ঠগোবা চাতুৰী কৰিবলগীয়া হয়। কিন্তু এই বিধিৰে ধন লাভ নোহোৱাৰ বাবে পৰমাত্মাৰ ওচৰত দোষী হৈ যায় আৰু প্ৰাকৃতিক দুঃখ কষ্ট সহিবলগীয়া হয়। পৰমেশ্বৰৰ বিধি লিখন মানুহে পাহৰি যায় যে ভাগ্যত যিখিনি আছে তাতকৈ অধিক কেতিয়াও প্ৰাপ্ত নহয়। যদি অইন অবৈধ উপায়ে ধন অৰ্জিত কৰা হয় সেয়াও নিটিকে বা নেথাকে। যেনেকৈ এজন ব্যক্তি নিজৰ পুত্ৰক সুখী কৰিবৰ বাবে অবৈধ উপায়ে ধন উপাৰ্জন কৰিছিল। কিছু দিনৰ পিছত সেই পুতেকৰ দুয়োটা মুত্ৰাশয বিকল হ'ল। যেনে তেনে কৰি মুত্ৰাশয় বদলাই ললে, তিনি লাখ টকা খৰচ হ'ল। যি ধন তেখেতে অবৈধ উপায়ে অৰ্জন কৰিছিল সেইখিনি সোপাকে খৰচ হৈ ওলাই গল ওপৰঞ্চি কিছু ধন ঋণ লবলগীয়া হ'ল। আকৌ পুতেকক বিবাহ কৰোৱাই দিলে। ছয় মাহৰ পিছত এক বাছ দূৰ্ঘটনাত এক ম াত্ৰ পুতেকৰ মৃত্যু হ'ল। এতিয়া তেখেতৰ পুতেক আৰু অবৈধ উপায়ে অৰ্জন কৰা ধন নাথাকিল। বাকী কি থাকিল ? অবৈধ উপায়ে অৰ্জন কৰা ধনৰ পাপ, যি এতিয়াও বাকী আছে, তাক ভুগিবলৈ যাৰ যাৰ পৰা ধন আদায় কৰিছিল, সিহঁতৰ ওচৰত পশুহৈ জন্মি (যেনে - গাই, বলদ, গাধ) পৰিশোধ কৰিব লাগিব। কিন্তু পৰম অক্ষৰ ব্ৰহ্মৰ ভক্তি সাধনা কৰা ভকতৰ ভাগ্য পৰমেশ্বৰে সলাই দিব পাৰে। কিয়নো পৰমেশ্বৰৰ গুণ বিলাকত লিখা আছে যে পৰমাত্মাই নিৰ্ধনীক ধনবান কৰিব পাৰে।

সত্য যুগত কোনো প্ৰাণীয়েই মঙহ, ধপাত, মদ্যপান সেৱন তথা ভক্ষণ নকৰিছিল। কিয়নো তেওঁবিলাকে ইয়াৰ পৰা হোৱা অপকাৰৰ বিষয়ে জ্ঞাত আছিল।

মঙহ খোৱাৰ পাপ - এসময়ত এজন সাধু নিজৰ শিষ্যৰ লগত কৰবালৈ ফুৰিবলৈ গৈছিল। তাত এজন ধীৱৰে (মাছ মৰা লোক) পুখুৰীৰ পৰা মাছ ধৰি আছিল। মাছ বিলাকে পানীৰ বাহিৰত ছটফটাই প্ৰাণ ত্যাগ কৰিছিল। শিষ্যই সুধিলে হে গুৰুদেৱ! এই অপৰাধী প্ৰাণীটোৰ কি দণ্ড হ'ব ? গুৰুৱে কলে হে পুত্ৰ সময় আহিলে মই তোমাক অৱগত কৰিম। চাৰি পাঁচ বছৰৰ পিছত দুয়ো গুৰু শিষ্যই কৰবালৈ যাবলৈ হাবিৰ ম াজেৰে গৈ আছিল। বনৰ ভিতৰত এটা হাতী পোৱালী চিঞৰী আছিল। খেলা-ধুলা কৰিবৰ সময়ত হাতী পোৱালীটো দুজুপা গজি উঠা গছৰ মাজত সোমাই পৰিছিল আৰু যেনে

তেনে ওলাই যাওঁতে তাৰ শৰীৰৰ ছাল উৰাঁলি গৈছিল আৰু সেইবোৰ ঘাঁ হৈছিল। তাৰ শৰীৰৰ গোটেই ঘাঁ বিলাকত পোকে ধৰিছিল। যি পোক বিলাকে তাক খাই আছিল। সেই হাতী পোৱালীটোৱে আৰ্তনাদেৰে চিঞৰি আছিল। শিষ্যই গুৰুদেৱক সুধিলে, হে গুৰুদেৱ। এই প্ৰাণীটোৱে কোনটো পাপৰ কাৰণে দণ্ড ভুগিছে ? গুৰুদেৱে কলে হে পুত্ৰ! এইটো সেই ধীৱৰজন যিয়ে পুখুৰীৰ পৰা মাছ ধৰিছিল আৰু তুমি দেখিছিলা।

**মদ্যপান (মদ, চুলাই) কিমান পাপ -** মদ্যপান কৰা সকলে ৭০ জনম কুকুৰ হৈ ভ ূগিব লাগিব। মল-মুত্ৰ খাই ফুৰিব লাগে। অইন কষ্টও ভূগিব লাগে আৰু মদে শৰীৰৰ বহুত হানিও কৰে। শৰীৰৰ চাৰিটা গুৰুত্ব পূৰ্ণ অঙ্গ আছে। হাওঁফাওঁ, যকৃত, মুত্ৰাশয় আৰু হৃদয়। মদে এই চাৰিও অঙ্গ হানি কৰে। মদ্যপান কৰি মানুহ, মানুহ হৈ নেথাকি পশুতুল্য আচৰণ কৰিবলগীয়া হয়। নলা-নৰ্দমাত বাগৰি পৰা, ব্যৱহাৰ্য্য বস্ত্ৰত মলমূত্ৰ কৰা, বমি কৰা সাধাৰণ ঘটনা। ধন হানী, মান হানী, ঘৰত অশান্তি বিয়পোৱা মদ্য পান কৰাৰ কাৰণে হয়। মদ্যপান সত্যযুগত নহৈছিল। সত্যযুগত সকলো মানুহেই পৰমাত্মাৰ বিধান অৱগত আছিল। যি কাৰণে সুখৰ জীৱন যাপন কৰিব পাৰিছিল।

গৰীব ঃ মদিৰা পিঁৱৈ কড়ৱা পানী, সত্তৰ জনম শ্বোৱান কে জানী।

**দূৰাচাৰ কৰা কিমান পাপ ঃ-**

পৰদ্বাৰ স্ত্ৰী কা খোলৈ, সত্তৰ জনম অন্ধা হো ডোলে॥

পূজনীয় কবীৰ পৰমেশ্বৰে বৰ্ণনাইছে যে যি ব্যক্তি কোনো পৰস্ত্ৰীৰ লগত দুস্কৰ্ম কৰে, তেওঁ ৭০ জনম অন্ধ হৈ ভূগিব লাগে। বুদ্ধিমান ব্যক্তিয়ে এনে আপদ কেতিয়াও চপাই নলয়। মুৰ্খই এনে কাৰ্য্য কৰে। যেনেকৈ জুইত হাত সুমুৱাই দিয়াৰ অৰ্থ মৃত্যু চপাই লোৱা। যেনেকৈ যদি কোনো ব্যক্তিয়ে বেলেগৰ খেতি পথাৰত বীজ সিছে তেনেহলে তেওঁ এজন মহা মূৰ্খ। বুদ্ধিমান ব্যক্তিয়ে এনে কাম কেতিয়াও নকৰে। বেশ্যা গমনো এনেকুৱাই যেনেকৈ মোনাৰ ভিতৰত বহুমূল্য গোমৰ বীজ ভৰাই নৰ্দমাত পেলাই দি অহা। এনে কাম বুদ্ধিম ান ব্যক্তিয়ে কেতিয়াও নকৰে অথৱা হয়তো মহামূৰ্খ নাইবা নিলাজ মদাহী আৰু দুৰ্জন ব্যক্তিয়েহে কৰিব পাৰে। বিচাৰ কৰিবলগীয়া বিষয় এইটোৱে যে যি পদাৰ্থ শৰীৰৰ পৰা নিৰ্গিত হৈ আনন্দ অনুভৱ কৰায় যদি সেইটোক শৰীৰত সুৰক্ষিত ৰাখিব পৰা যায় তেনেহলে কিমান আনন্দ দিব। দীৰ্ঘায়ু, সুস্থ শৰীৰ, সুস্থ মস্তিষ্ক, শূৰ বীৰতা তথা আনন্দ ফুৰ্তি প্ৰদান কৰিব। যি পদাৰ্থৰ দ্বাৰা অমূল্য শিশুৰ উৎপন্ন হয়। তাক নষ্ট কৰা শিশু নিধন তুল্য। এই বাবে দুৰাচাৰ কৰা তথা অনাৱশ্যক ভোগ বিলাস বৰ্জনীয়।

**ধপাত সেৱন কিমান পাপ ?** পৰমেশ্বৰ কবীৰ মহাত্মাই বৰ্ণনাইছে যে ঃ-

সুৰাপান মদ্য মাংসাহাৰী, গমন কৰৈ ভোঁগৈ পৰ নাৰী।
সত্তৰ জনম কটত হ্যায় শিশম, সাক্ষী সাহিব হ্যায় জগদীশম।
পৰদ্বাৰা স্ত্ৰী কা খুলৈ, সত্তৰ জনম অন্ধা হো ডালৈ॥

সৌ নাৰী জাৰী কৰৈ, সুৰা পান সৌবাৰ। এক ছিলুম হুককা ভৰে, ডুবৈ কালী ধাৰ।

ওপৰত বৰ্ণিত হৈছে যে মদ্যপান কৰা সকল ৭০ জনম কুকুৰ হৈ ভূগিব লাগিব। আকৌ মল-মুত্ৰ খাই ঘুৰি ফুৰিব লাগিব। পৰস্ত্ৰী গমন কৰা সকলে ৭০ জনম অন্ধ হৈ ভ ূগিব লাগিব। মঙহ খোৱা সকলে মহাকষ্টৰ ভাগী হব লাগিব। ওপৰোক্ত সকলো পাপ শ শ বাৰ কৰা সকলৰ যি পাপ হয়, সেইটো এবাৰ হোঁকা সেৱন কৰাতো অৰ্থাৎ ধপাত সেৱন কৰোৱাত যিয়ে সহয়োগ দিয়ে তাৰো হয়। ধপাত সেৱন কৰা সকলে হোঁকা, বিৰি, ছিগাৰেট নাইবা অইন উপায়ে সেৱন কৰা ধপাত পান কৰা সকলৰ কি পাপ লাগিব ? ঘোৰ পাপৰ ভাগী হ'ব। এজন ব্যক্তি যি ধপাত সেৱন কৰে তেওঁ যেতিয়া হোঁকা নাইবা বিৰি ছিগাৰেট সেৱন কৰি ধোঁৱা এৰি দিয়ে তেতিয়া সেই ধোঁৱাই তাৰ ওচৰৰ কন কন শিশু বিলাকৰ শৰীৰত প্ৰৱেশ কৰি প্ৰচুৰ হানি কৰে। আকৌ সেই শিশু বিলাকে দেখা-দেখিকৈ বেয়াটোকে গ্ৰহণ কৰে আৰু সিহঁতৰ স্বাস্থ্য দিনক দিনে বেয়াৰ ফালে ঢাল খায়। এজন বৃদ্ধাই সন্ত ৰাম পালজী মহাৰাজৰ শিষ্যক সুধিলে যে তোমালোকৰ গুৰুৱে বৃদ্ধ সকলৰ সেৱা-শুশ্ৰুষা কৰা মানা কৰিছে। মোৰ নাতিয়ে মোক কলে যে, "ককা মই আৰু আপোনাক হুক্কাত ধপাত সজাই দিব নোৱাৰিম। মোৰ পাপ লাগিব আৰু কলে ককা এৰি দিয়ক। হুক্কা হুপিলে ঘোৰ পাপ লাগে।"

**অৱতাৰৰ পৰিভাষা**

"অৱতাৰ" শব্দৰ অৰ্থ হৈছে ওপৰ স্থানৰ পৰা তলৰ স্থানলৈ নামি অহা। বিশেষকৈ এই শুভ শব্দখিনি সেই উত্তম আত্মাৰ বাবে প্ৰয়োগ হয় যিয়ে পৃথিবীত কিছুমান অদ্ভূত চম ৎকাৰ কাৰ্য্য কৰে। যাক পৰমাত্মাই পঠোৱা বুলি মনা হয় বা স্বয়ং পৰামাত্মাই ধৰাতললৈ আগমন হয়। শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১৫ শ্লোক ১ৰ পৰা ৪ তথা ১৬-১৭ ত তিনি পুৰুষ (প্ৰভূ-ঈশ্বৰ)ৰ জ্ঞান আছে।

১) ক্ষৰ পুৰুষ যাক ব্ৰহ্ম কোৱা হয়। যাক ওঁ নামেৰে ভক্তি কৰা হয়। যাৰ প্ৰমাণ গীতা অধ্যায় ৮, শ্লোক ১৩ বৰ্ণিত আছে।

২) অক্ষৰ পুৰুষ যাক পৰব্ৰহ্ম বুলি কোৱা হয় যাৰ ভক্তি মন্ত্ৰ হ'ল তৎ যিটো সাংকেতিক প্ৰমাণ গীতা অধ্যায় ১৭ শ্লোক ২৩ ত বৰ্ণিত আছে।

৩) উত্তম পুৰুষ তুঃ অন্য - শ্ৰেষ্ঠ পুৰুষ পৰমাত্মা তো ওপৰোক্ত দুয়ো পুৰুষ (ক্ষৰ পুৰুষ তথা অক্ষৰ পুৰুষ)ৰ পৰা অইন এজন। তেওঁ পৰম অক্ষৰ পুৰুষ হয় যি গীতা অধ্যায় ৮ শ্লোক ১ৰ উত্তৰত অধ্যায়, ৮ৰ শ্লোক ৩ ত কৈছে যে তেওঁৱে পৰম অক্ষৰ ব্ৰহ্ম। এওঁৰ জাপ মন্ত্ৰ "সৎ" যি সাংকেতিক। এই পৰমেশ্বৰক পালেহে সাধকে পৰম শান্তি আৰু সনাতন পৰম ধাম প্ৰাপ্ত হয়। প্ৰমাণ গীতা অধ্যায় ১৮ৰ শ্লোক ৬২ত এই পৰমেশ্বৰ (পৰম অক্ষৰ ব্ৰহ্ম) গীতা জ্ঞান দাতাৰ পৰা বেলেগ অইন এজন। অধিক জ্ঞান পাৱলৈ অনুগ্ৰহ কৰি সৎলোক আশ্ৰম বৰৱালাৰ পৰা "জ্ঞান গঙ্গা" পুথিখন প্ৰাপ্ত কৰক। অৱতাৰ দুই প্ৰকাৰে হয়। ওপৰত কোৱাৰ দৰে এতিয়া আপোনালোকে জানিছে যে মুখ্যত তিনি পুৰুষ প্ৰভূ। যাৰ উল্লেখ কৰা হৈছে। আমাৰ বাবে মূখ্যত দুই প্ৰকাৰ প্ৰভূৰ ভূমিকা থাকে।

১. ক্ষৰ পুৰুষ (ব্ৰহ্ম) ঃ- যি গীতা অধ্যায় ১১ৰ শ্লোক ৩২ত নিজকে কাল বুলি কৈছে।

২. পৰম অক্ষৰ পুৰুষ (পৰম অক্ষৰ ব্ৰহ্ম) ঃ- যাৰ বিষয়ে গীতাত ৮ অধ্যায়ৰ শ্লোক

৩ তথা ৮, ৯, ১০ আকৌ গীতা অধ্যায় ১৮ শ্লোক ৬২ অধ্যায় ১৫ শ্লোক ১ৰ পৰা তথা ১৭ত বৰ্ণনাইছে।

**ব্ৰহ্ম (কাল) ৰ অৱতাৰৰ বিষয়ে**

গীতা অধ্যায় ৪ শ্লোক ৭.

यदा यदा हि धर्मस्य ग्लानिर्भवति भारत।
अभ्युत्थानमधर्मस्य तदात्मानं सृजाम्यहम्। ७।

যদা, যদা, হি, ধৰ্মস্য্য, গ্লানিঃৰ্ভবতি, ভাৰত,
অভ্যুৎথানম, অধৰ্মস্য্য, তদাত্মানাম, সৃজাম্যিহম্। ৭॥

অনুবাদ :- (ভাৰত) হে ভাৰত। (যদা, যদা) যেতিয়াই, যেতিয়াই, (ধৰ্মস্ব) ধৰ্মৰ (গ্লানি) হানি আৰু (অধৰ্মস্ব) অধৰ্মৰ (অভ্যূৎথানম) উৎপত্তি (ভৱতি) হয় (তদা, হি) তেতিয়াই (অহম) মই (আত্মানম) নিজ অংশৰ অৱতাৰ (সৃজামি) ৰচনা কৰো অৰ্থাৎ উৎপন্ন কৰো। (৭)

যেনে শ্ৰীমদ্ভগৱত গীতা অধ্যায় ৪ শ্লোক ৭ গীতা জ্ঞান দাতাই কৈছে যে যেতিয়াই যেতিয়াই ধৰ্মৰ গ্লানি উৎপন্ন হয়, ধৰ্মৰ ক্ষতি হয় আৰু অধৰ্ম বাঢ়ি গৈ থাকে তেতিয়া মই (কালব্ৰহ্ম-ক্ষৰ পুৰুষ) নিজ অংশ অৱতাৰ ৰচনা কৰো অৰ্থাৎ উৎপন্ন কৰো।

যেনে শ্ৰীৰামচন্দ্ৰ আৰু শ্ৰীকৃষ্ণদেৱ যাক কাল ব্ৰহ্মই পৃথিৱীত অৱতৰণ কৰোৱাইছিল। যাক স্বয়ং বিষ্ণুদেৱ বুলি মনা হয়।

ইয়াৰোপৰি আৰু ৮ অৱতাৰৰ কথা কোৱা আছে যি শ্ৰীবিষ্ণুদেৱে স্বয়ং নিজে নাহি তাৰ পৰিৱৰ্তে নিজৰ লোক (ধাম) ৰ পৰা তাৰ কৃপা পাত্ৰ পৱিত্ৰ আত্মাক পঠাই দিয়ে। সিহঁতকো অৱতাৰ কোৱা হয়। কোনো কোনো পুৰাণত ২৫ অৱতাৰৰ উল্লেখ পোৱা যায়। কালব্ৰহ্ম (ক্ষৰ পুৰুষ) ই পঠোৱা অৱতাৰে পৃথিবীত বাঢ়ি অহা অন্যায়, অধৰ্মৰ বাবে হত্যা, নিধন যজ্ঞ অৰ্থাৎ সংহাৰ কৰে।

উদাহৰণস্বৰূপে :- শ্ৰীৰামচন্দ্ৰ দেৱ আৰু শ্ৰীকৃষ্ণ চন্দ্ৰ দেৱ, শ্ৰী পৰশুৰাম দেৱ তথা শ্ৰী নিস্কলংক দেৱ (যি এতিয়াও আহিবলৈ বাকী আছে, কলিযুগৰ অন্তত আহিব)। এই সকলো অৱতাৰে ঘোৰ সংহাৰ কাৰ্য্য কৰোৱাই অধৰ্মক নাশ কৰিব। বিধৰ্মী সকলক নিধন কৰি জগতত শান্তি স্থাপনৰ চেষ্টা কৰে। কিন্তু শান্তিতকৈ অশান্তিহে বাঢ়ি যায়। যেনে শ্ৰীৰাম চন্দ্ৰই ৰাৱনক মাৰিবৰ বাবে যুদ্ধ কৰিছিল। যুদ্ধত কোটি কোটি মানুহৰ মৃত্যু হৈছিল। যত ধৰ্মী-অধৰ্মী উভয়ে নিধন হৈছিল। আকৌ সিবিলাকৰ বিধৱা স্ত্ৰী, সৰু ডাঙৰ লৰা-ছোৱালী অৱশেষ ৰৈ যায়। সিবিলাকৰ জীৱন নৰকত পৰিণত হয়। বিধৱা সকলক অইন পুৰুষে নিজৰ কামনাৰ চিকাৰ বনায়। জীয়াই থকাৰ সমস্যাই বহুতো সমস্যাৰ সৃষ্টি কৰে। এই বিধি শ্ৰীকৃষ্ণই প্ৰয়োগ কৰিছিল, আৰু পৰশুৰামেও কৰিছিল। এই বিধিৰে কাল ব্ৰহ্ম (ক্ষৰ পুৰুষ)ৰ দশম অৱতাৰ উৎপন্ন হ'ব। তেওঁৰ নাম নিস্কলংক হব। তেওঁ কলিযুগৰ অন্তত অৱতাৰ হব। যিটো হৰিশ চন্দ্ৰ ৰজাৰ আত্মা হব। তেওঁ সম্বল নগৰৰ শ্ৰীবিষ্ণু দত্তৰ ঘৰত জন্ম গ্ৰহণ কৰিব। সেই সময়ত সকলো মানুহ অন্যায়, অত্যাচাৰী হৈ যাব। সেই সকলক নিধন কৰিব। সেই সময়ত যি মনুষ্যই পৰমাত্মাক ভয় কৰি চলিব সেই সকল সদাচাৰীক এৰি বাকী সকলোকে নিপাত কৰিব। এই বিধি হ'ল কাল ব্ৰহ্মাৰ (ক্ষৰ পুৰুষ) দ্বাৰা উৎপন্ন

অৱতাৰৰ যুগে যুগে অধৰ্মক নাশ কৰি শান্তি স্থাপন কৰা বিধি।

**পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ সৎপুৰুষ অৱতাৰৰ সুচনা**

১. পৰম অক্ষৰ ব্ৰহ্ম স্বয়ং পৃথিৱীত অৱতৰণ কৰে। তেওঁ স্বশৰীৰে আহে। আকৌ স্বশৰীৰে উভতি যায়। এনেকুৱা লীলা তেওঁ দুই ধৰণেৰে কৰে।

ক = প্ৰত্যেক যুগত শিশুৰূপে কোনো সৰোবৰৰ পদুম ফুলৰ ওপৰত অৱতৰণ হয়। তাৰ পৰা কোনো নিঃসন্তান দম্পতিয়ে তেওঁক তুলি লৈ যায়। আকৌ লীলা কৰি ডাঙৰ হয় আৰু আধ্যাত্মিক জ্ঞানৰ প্ৰচাৰ কৰি অধৰ্মক নাশ কৰে। সৰোবৰৰ মাজত পদুম ফুলৰ ওপৰত অৱতাৰিত হোৱা কাৰণে পৰমেশ্বৰক নাৰায়ণ বুলি কোৱা হয় (নাৰ - জল, পানী, আয়ন-অহা, আগমন কৰা অৰ্থাৎ যাক পানীত নিবাস কৰা নাৰায়ণ বুলি কোৱা হয়।

খ = যেতিয়াই ইচ্ছা কৰে জীৱিত সাধু সন্তৰ ৰূপত নিজ ধাম সৎলোকৰ পৰা পৃথিৱীত পদাৰ্পন কৰে আৰু দৃঢ়পুণ্যৱান আত্মক জ্ঞান প্ৰদান কৰে। সেই পুন্যত্মাই জ্ঞান প্ৰচাৰ কৰি অধৰ্মক নাশ কৰে। তেওঁকো পৰমেশ্বৰে পঠোৱা অৱতাৰ বোলা হয়।

কলিযুগত পূণ্য জেঠ মাহৰ পূৰ্ণীমাৰ সম্বত ঃ ১৪৫৫ (চন ১৩৯৮)ত পূৰ্ণব্ৰহ্ম কবীৰ পৰমেশ্বৰে সত্যলোকৰ পৰা আহি কাশী চহৰৰ কাষৰ লহৰ তাৰা নামৰ সৰোবৰৰ পদুম ফুলৰ ওপৰত কনমানি শিশুৰূপে বিৰাজমান হয়। তাৰ পৰা নীৰু আৰু নীমা যি শিপীনী (তাঁতশাল বোৱা) দম্পত্তি আছিল, তেওঁক উঠাই লৈ আহে। শিশু ৰূপ ধাৰী পৰমেশ্বৰ (কবীৰ পৰমেশ্বৰ) ২৫ দিন পৰ্য্যন্ত একো আহাৰ কৰা নাছিল। নীৰু তথা নীমা জন্মত বামুণ আছিল। তেওঁ বিলাকে শিৱৰ পূজাৰী আছিল। মুছলমানৰ দ্বাৰা বল পূৰ্ব্বক মুছলমান সজোৱা কাৰণে শিপিনীৰ কাম কৰি জীৱন নিৰ্বাহ কৰিবলগা হৈছিল। শিশুৱে একো নোখোৱা অৱস্থা দেখি নীমাই নিজৰ ইষ্টদেৱ শিৱক স্মৰণ কৰিছিল। শিৱই সাধুবেশত তালৈ আহে আৰু শিশুৰূপী কবীৰ পৰমেশ্বৰক দেখে। শিশুৰূপী কবীৰে শিৱক কলে যে আপুনি এওঁলোকক কওক যাতে এজনী কুমাৰী গাই যোগাৰ কৰি আনে। তাই আপোনাৰ আশীৰ্বাদত গাখীৰ দিব। সেইমতেই কৰা হ'ল। কবীৰ পৰমেশ্বৰৰ আদেশানুযায়ী ভগৱান শিৱই কুমাৰী গাইৰ ককালত এচাপৰ মাৰি দিলে। সেই সময়তে কুমাৰী গাইয়ে গাখীৰ নিগৰাবলৈ ধৰিলে। এটা মাটিৰ কলহ তলত ৰখা হ'ল। পাত্ৰটো উপচি পৰাত গাখীৰ পৰা বন্ধ হ'ল। আকৌ প্ৰতিদিন কুমাৰী গাইৰ ওহাৰৰ তলত পাত্ৰ ৰাখিলেই গাখীৰ ওলাই পৰে। তাক বাল্যৰূপী কবীৰ পৰমেশ্বৰে গ্ৰহণ কৰে। বোৱনী (শিপিনী, তাতী) ৰ ঘৰত পালন পোষণ হোৱা কাৰণে ডাঙৰ হৈ কবীৰ পৰমেশ্বৰে তাতশাল বৱলৈ ধৰিলে আৰু নিজৰ পবিত্ৰ আত্মাক লগ কৰিবলৈ ধৰিলে। সিহঁতক তত্বজ্ঞান বুজালে তথা নিজেও তত্বজ্ঞান প্ৰচাৰ কৰি অধৰ্মক নাশ কৰিলে। আকৌ যিয়ে পৰমেশ্বৰক জীৱিত মহাত্মা ৰূপত পোৱা সকলক সচখণ্ড (সত্যলোক)ত লৈ গৈ দেখুৱাই ওভোতাই আনিলে। তেওঁ বিলাকক আধ্যাত্মিক জ্ঞান প্ৰদান কৰি নিজৰ লগত পৰিচয় কৰোৱালে। তেওঁ সেই পৰমেশ্বৰ (সত্যপুৰুষ)ৰ অৱতাৰ আছিল। সিবিলাকেও পৰমেশ্বৰৰ পৰা পোৱা জ্ঞানৰ আধাৰত অধৰ্মক নাশ কৰিছিল। সেইবিলাক অৱতাৰ কোন কোন হ'ল ?

(১) আদৰণীয় ধৰ্মদাস জী (২) আদৰণীয় মুলুকদাসজী (৩) আদৰণীয় নানক দেৱ চাহেৱ জী (শিখ ধৰ্মৰ প্ৰবৰ্তক) (৪) আদৰণীয় দাদু চাহেৱ জী (৫) আদৰণীয় গৰীবদাস সাহেব

জী, গাওঁ- চুড়ানী, জিলা - ঝজ্জৰ (হৰিয়ানাৱালা) তথা আদৰণীয় ঘীসা দাস চাহেৱ জী গাওঁ - খেখড়া, জিলা - মেৰঠ (উত্তৰ প্ৰদেশ) এই সকল পৰম অক্ষৰ ব্ৰহ্ম (সত্য পুৰুষ)ৰ অৱতাৰ আছিল। নিজৰ কাৰ্য্য সমাপন কৰি গুচি গৈছিল। অধৰ্মক নাশ কৰিছিল। যি কাৰণে জনতাই বহু সময়লৈ দোষযুক্ত হোৱা নাছিল। বৰ্তমানে সাধু সন্তৰ অভাৱ নাই কিন্তু শান্তিৰ নাম নাই। কাৰণ এইটোৱে যে এই সাধু সকলৰ ভক্তি সাধনা শাস্ত্ৰ বিৰুদ্ধ। যি কাৰণে সমাজত অধৰ্ম বাঢ়ি গৈছে। এই সাধু মহন্তৰ পথ, মত জ্ঞান প্ৰচাৰ কৰোতে হেজাৰ বছৰ পাৰ হৈ গল কিন্তু অধৰ্ম নকমি বাঢ়িহে গৈ আছে।

**সত্যপুৰুষৰ বৰ্তমান অৱতাৰ**

যি সত্য ভক্তি তথা তত্বজ্ঞানৰ প্ৰচাৰ পূৰ্বোক্ত পৰমেশ্বৰৰ অৱতাৰ সন্ত সকলে কৰিছিল, যত সকলোৰে মাজত প্ৰেম, অসহায়, দুৰ্বল ব্যক্তিক সহায় কৰা, এজনৰ দুঃখত দুঃখী হোৱা আদি সেই শাস্ত্ৰবিধি অনুসৰি সাধনা তথা আধ্যাত্মিক যথাৰ্থ জ্ঞান বৰ্তমান সাধু ৰাম পাল দাস জী মহাৰাজক পৰমেশ্বৰ কবীৰে দান কৰিছে। মাৰ্চ ১৯৯৭ ইং ফাগুণ মাহৰ শুক্ল পক্ষৰ প্ৰথম দিনাই দহ বজাত জীৱিত মহাত্মা ৰূপত সত্য লোকৰ পৰা আহি সাধু ৰাম পাল দাস মহাৰাজক সত্য নাম তথা সাৰ নাম দান কৰাৰ আদেশ দি অৰ্ন্তধান হয়।

সাধু ৰামপাল দাস মহাৰাজো পৰমেশ্বৰ (পৰম অক্ষৰ ব্ৰহ্ম)ৰ সেই অৱতাৰ বিলাকৰ এজন যি আধ্যাত্মিক জ্ঞানৰ দ্বাৰা অধৰ্মক নাশ কৰে। এতিয়া বিশ্বলৈ শান্তি আহিব। সকলো ধৰ্ম আৰু পন্থৰ মানুহে এক হৈ প্ৰেম আৰু ভক্তি ভাবে বসবাস কৰি থাকিব। ৰাজ নেতাও নিৰ্ভিমানী, ন্যায়কাৰী তথা পৰমাত্মাক ভয় কৰি কাম কাজ কৰিব। ৰাইজৰ সেৱক হৈ নিৰপেক্ষ ভাৱে কাম কাজ কৰিব। পৃথিৱীত পুনঃ সত্যযুগৰ নিচিনা স্থিতি হ'ব। বৰ্তমান পৃথিৱীৰ সেই অৱতাৰ সাধু ৰামপাল দাস জী মহাৰাজ। এতিয়া ঘৰে ঘৰে পৰমেশ্বৰৰ জ্ঞানৰ চৰ্চা হ'ব। যত গাওঁ, চহৰ আৰু পাৰ্কত বহি তাচ খেলে, কোনোৱাই ৰাজনীতিৰ কথা কয় কোনোৱাই নিজৰ পো-বোৱাৰীৰ ভাল-বেয়া চৰ্চা কৰে তাত পৰমেশ্বৰৰ মহিমাৰ কথা চৰ্চা হ'ব তথা “জ্ঞান গঙ্গা” কিতাপৰ লিখিত জ্ঞানৰ ওপৰত বিচাৰ বিশ্লেষণ হ'ব। পৰমাত্মাৰ মহিমাৰ কথা চৰ্চা কৰা মাত্ৰেই জীৱ পুন্যৰ ভাগী হ'ব। পিছত শাস্ত্ৰবিধি মতে ভক্তি সাধনা কৰি জীৱন সুখী কৰিব তথা আত্ম কল্যান কৰিব। আকৌ কলিযুগত পৃথিৱীত সত্যযুগ, আহিব। সাধু ৰামপাল দাস জী মহাৰাজ বাস্তৱিক বৰ্তমান সময়ত পৃথিৱীৰ ওপৰত অৱতাৰ। অধিক জানিবৰ কাৰণে অনুগ্ৰহ কৰি পঢ়ক “জ্ঞান গঙ্গা” (সম্পূৰ্ণ)।

ফ্লোৰেঞ্চে বাৰে-বাৰে এই সন্তৰ অথৱা দিব্য মহাপুৰুষজনৰ উল্লেখ কৰিছে। লগতে এইটোও কৈছে যে ভাৰতবৰ্ষৰ উত্তৰৰ ফালে কোনো এক পবিত্ৰ স্থানত তেওঁ উপস্থিত আছে।

বান্ধৱ সকল ওপোৰোক্ত ভৱিষ্যবানী আৰু বৰ্তমানৰ বাণী আছে যি থিয়ৈ-থিয়ৈ পৰম সন্ত ৰামপাল দাস মহাৰাজৰ ওপৰত বিদ্যমান হয় আৰু ইয়াৰ সমৰ্থন অইন ভবিষ্য বানী বোৰেও কৰে। যি আগলৈ লিখা হৈছে।

প্ৰশ্নঃ- এজন সংস্কৃত পণ্ডিতে কয় আপোনাৰ গুৰু দেৱ সন্ত ৰামপাল দাস মহাৰজে সংস্কৃত নাই পঢ়া। আৰু কোৱা যে তেও শ্ৰীমদ ভাগৱত গীতাৰ যথাৰ্থ অনুবাদ কৰি ভক্তৰ সমাজক দিছে। কেনেকৈ সম্ভৱ হব পাৰে।

উত্তৰঃ- সন্ত ৰাম পাল দাস মহাৰাজৰ ভকতে উত্তৰত কয় পণ্ডিত (শাস্ত্ৰী) তেওঁকে

পৰমেশ্বৰ অৱতাৰ বুলি কয়। যি ভাষা জ্ঞান নোহোৱা সত্বেও যথাৰ্থ অনুবাদ কৰিব পাৰে। কাৰণ পৰমেশ্বৰ সৰ্বজ্ঞ। সেই গুণৰ দ্বাৰা পঠোৱা অৱতাৰ হয়। তেনে অৱতাৰেই সন্ত ৰাম পাল দাস মহাৰাজ। আপুনি গীতা আৰু বেদৰ অনুবাদ অসম্ভৱ বুলি কয় তেওঁতো বাইবেল আৰু কোৰাণৰ যথাৰ্থ ৰূপত বুজাইছে। যি নেকি খৃষ্টীয়ান ধৰ্মৰ, ফাডৰ পাদৰী আৰু মুছলমান ধৰ্মৰ মুল্লা আৰু কাজী সকলে আজিলৈকে বুজিব পৰা নাই।

**আমেৰিকা মহিলা ভৱিশ্যত বক্তা ফ্লোৰেন্সৰ মহত্ব পূৰ্ণ ভৱিশ্য বাণী**

আমেৰিকা বিশ্ব বিখ্যাত ভৱিশ্য বক্তা ফ্লোৰেন্সৰ নিজৰ ভৱিশ্যত বাণীত বহুত বাৰ ভাৰতৰ কথা উল্লেখ কৰিছে। দ. ফাল আফ সেনশ্বাসেনল কালচাৰ নামৰ নিজৰ কিতাপত উল্লেখ কৰিছে ২০০০ চন আৰম্ভ হোৱাৰ আগতে প্ৰাকৃতিক ভাৰসাম্য বেয়াকৈ বিঘিনি ঘটিব আৰু মানুহৰ মাজত আক্ৰোশ ভাব জাগিব। অন্যায়, অনিতি নিজৰ সিমা পাৰ কৰিব। পশ্চিম দেশৰ ভোগ বিলাসত জীৱন ধাৰণ কৰা সকলৰ জীৱনলৈ হতাশা, ম নৰ চঞ্চলতা আৰু অশান্তি হব। মানৱক তৃপ্ত কৰিব নোৱাৰা অভিলাশে চানি ধৰিব। যাৰ বাবে সমাজত মানৱতা অৱনতি হব। চাৰিওফালে হিংসা, অত্যাচাৰ পৰিৱেশ হব। পৰিণতি স্বৰূপে জন সাধাৰণৰ মাজতে হাহাকাৰ পৰিষ্ঠিতি সৃষ্টি হ'ব। ঠিক সেই সময়তে ভাৰতবৰ্ষত জাগৃত হোৱা এটা নতুন বিচাৰ ধাৰাই হাহাকাৰ কৰুণ পৰিষ্ঠিতিক সমাপ্তি কৰিব। এই বিচাৰ ধাৰাক বৈজ্ঞানিক দৃষ্টিভঙ্গীয়েও সৃকিতি দিয়ে আৰু এজনে আনজনৰ প্ৰতি উদাৰ ভাৱৰ ম হত্বক বুজাব। ধৰ্ম আৰু বিজ্ঞানৰ মাজতো যে মত বিৰোধ নাই তাকো সৰল ভাৱে বুজাব আধ্যাত্মিকতা বাদৰ উচ্চতা আৰু ভৌতিক বাদৰ ফোপোলা স্বৰূপ সকলোৰে আগত দাঙি ধৰিব। সমাজৰ মধ্য শ্ৰেণী মানুহে এই বিচাৰ ধাৰাত বহুত প্ৰভাৱিত হ'ব।

এই মধ্য শ্ৰেণী মানুহে সকলো শ্ৰেণী মানুহক ভাল সমাজৰ নিৰ্মাণৰ বাবে প্ৰেৰণাৰে উচ্চাসিত কৰিব। এই নতুন বিচাৰ ধাৰায়ে সম্পূৰ্ণ বিশ্বতে চমৎকাৰ পৰিৱৰ্তন আনিব।

মই নিজৰ ষষ্ঠ অতিইন্দ্ৰিয় শক্তিৰে অনুভৱ কৰিছো এই মহান বিচাধাৰাক জন্ম দিয়া মহান সন্ত ভাৰতত জনম হ'ল। মহান সন্তৰ অজস্বী ব্যক্তিত্বই সকলোকে প্ৰভাৱ আৰু চমৎকাৰ কৰিব। তেখেতৰ বিচাৰ ধাৰাই লুপ্ত অধ্যাত্ম বাদক পুনৰ নতুন কৈ সবল স্থিতিত আনিব। চাৰিওফালে অধ্যাত্ম বাদৰ পৰিৱেশ হ'ব। মহান সন্ত বিচাৰ ধাৰাৰে প্ৰভাৱিত মানৱ বিশ্ব কল্যাণৰ বাবে পশ্চিম দেশলৈ যাব। লাহে লাহে এচিয়া, ইউৰোপ আৰু আমেৰিকাত এই বিচাৰ ধাৰাই বিস্তাৰ কৰিব। মহান সন্তৰ নতুন বিচাৰ সমগ্ৰ বিশ্ব প্ৰভাৱিত হব আৰু তেওঁ চৰণৰ চিহ্নতে সমাজ চলিব। পশ্চিম দেশৰ লোকে তেওঁক যীচু মুচলমানে সত্য দয়ালু, আল্লা আৰু এচিয়াৰ লোক সকলে তেওঁক ভগৱানৰ অৱতাৰ বুলি মানিব।

মহান সন্তৰ বিচাৰ ধাৰাই বৌদ্ধিক ক্ৰান্তী হ'ব। বুদ্ধিজীৱি সকলৰ মান্যতা বদলি হ'ব। ভ গৱানৰ প্ৰতি শ্ৰদ্ধা আৰু বিশ্বাস কোঁহ ফুটিব, ফ্লোৰেন্সে কৈছে , সেই মহান সন্ত ভাৰতত জনম হল। তেওঁ এই মহান সন্তৰ দ্বাৰা বৰ প্ৰভাৱিত। নিজৰ দ্বিতীয় পুথি গল্ডেন লাইট অফ ন্যু এৰা তেওঁ লিখিছে - যেতিয়া মই ধ্যান লগাও প্ৰায়ে এজন সন্তক দেখা পাঁও। বগা বৰণ, চুলি পকা তেওঁ মুখ মণ্ডলত দাড়ী আৰু গোঁফ নাই। তেওঁ চেহেৰা প্ৰকাশ শক্তিৰে আবৃত। তেওঁ শৰীৰ ওপৰত আকাশৰ নক্ষত্ৰ পোহৰে একেৰাহে প্ৰভাৱিত কৰি থাকে। মই দেখি আছো সেই মহান সন্তই নিজৰ কল্যাণময় বিচাৰ ধাৰা আৰু নিজৰ সৎ চৰিত্ৰৰ প্ৰৱল

অনুযায়ীৰ শক্তিৰে সম্পূৰ্ণ বিশ্বতে নতুন জ্ঞান প্ৰকাশ প্ৰসাৰিত কৰিছে।

তেওঁ ইমান শক্তিশালী প্ৰকৃতি পৰিৱৰ্তন কৰিব পাৰে। নিজৰ কাৰ্য্য বৈজ্ঞানিক দৰে কৰিব। তেখেতৰ কৃপা আৰু যত্নৰে মানৱৰ সভ্যতাত নতুন জাগৃতি আহিব। বিশ্বৰ জন সমুদায়লৈ নতুন চেতনা সম্প্ৰসাৰ হ'ব। লোকশক্তি এটা নতুন ৰূপত প্ৰতিফলিত হব যাৰ দ্বাৰা দেশৰ শাসন কৰ্তা সকলৰ মইমতালিৰ ওপৰত প্ৰতিবন্ধ লাগিব। মানসিক চিকিৎসক আৰু সন্মোহন কলা বিশ্ব প্ৰসিদ্ধ জ্ঞাতা ডাঃ মৌৰে বসৎটীন ফ্লোৰেন্স লগত ভাল বন্ধু আছিল। এবাৰ ফ্লোৰেন্সে তেওঁৰ বন্ধুক কলে, ডাঃ সেই সময় অতি সোনকালে আহিব দেশৰ অত্যাচাৰী শাসক প্ৰশাসকক সম াজে গুৰুত্ব নিদিব আৰু প্ৰকৃত আপোনাৰ দৰে সমাজ সেৱকৰ কথাত গুৰুত্ব দিব। ২১ শতিকা অহাৰ লগে লগে নতুন বিচাৰ ধাৰাই সম্পূৰ্ণ বিশ্বকে প্ৰভাম্বিত কৰিব। সকলো দেশতে সঁচা ধামি ৰ্ক মানৱৰ সংগঠন হ'ব আৰু মানুহৰ মগজুত ঠাই পোৱা ভুল মান্যতা আতৰাই পেলাৱ। এই নতুন কল্যাণকাৰী বিচাৰ ধাৰা ভাৰতৰ পৰা আৰম্ভ হ'ব সম্পূৰ্ণ বিশ্বলৈ যা'ৱ। মই সেই পৱিত্ৰ স্থানত এজন প্ৰৱল তপৰ্স্বীক দেখি আছোঁ। যাৰ শৰীৰ পৰা তেজস্বী শক্তি তীব্ৰ গতিৰে বিয়পিছে। ম ানুহৰ দেহত নিদ্ৰা অৱস্থাত থকা দেৱত্বক শক্তি জগাই এই ধৰা তলক স্বৰ্গ দৰে কৰিবলৈ দিনে ৰাতি যত্ন কৰিছে।

এজন পত্ৰকাৰে ১৯৬৪ চনত ফ্লোৰেন্সক সুধিলে - তুমি সংসাৰৰ ভৱিষ্যৎৰ কথা কব পৰা। ফ্লোৰেন্সে কলে ১৯৭০ চনৰ আৰম্ভতে সংসাৰত নানা পৰিস্থিতিৰে তল ওপৰ হ'ব। ১৯৭৯-৮০ চনৰ পাছত ভুইকম্প আহিব, আমেৰিকা ন্যুজৰ্সী কিছু অংশ আৰু এচিয়া কেইবাখনো দেশত এই ভুইকম্পত বহুতো হানি বিঘিনী হ'ব। কিছু জেগাই জলমগ্ন হ'ব। তৃতীয় বিশ্ব যুদ্ধ আতংক পৰিৱেশ সকলোৰে ওপৰত থাকিব সকলোৱে তাৰ বাবে প্ৰস্তুতি চলাব। কিন্তু ভাৰতৰ ৰাজনেতাৰ প্ৰভাৱ আৰু বুদ্ধিৰে তৃতীয় বিশ্বযুদ্ধ অবসান ঘটিব। তৃতীয় বিশ্ব যুদ্ধ আৰম্ভ হোৱা আগতে ভাৰতৰ শাসন ভাৰ আধ্যাত্মিক প্ৰবৃতি ব্যক্তি হাতত আহিব। তাৰ কাৰণে বিশ্ব যুদ্ধ অৱসান ঘটিব। ভাৰতৰ শাসন ভাৰ কাৰ্য্য। চলোৱা পদত যি সকল ব্যক্তি হব তেওঁলোক সকলোৱে সেই মহান সন্তৰ অজস্বী আৰু ক্ৰান্তি কাৰী বিচাৰ ধাৰা প্ৰভাৱিত হৈ কাৰ্য্য চলাব। মহান সন্তৰ ওচৰত তেওঁলোকে এনে ভাৱে সমপণ হৈ শাসন ভাৰ চলাব যেনেকৈ আমেৰিকা বাসী ৱাশিংটন স্বতন্ত্ৰতা আৰু মানৱতা প্ৰতি সমৰ্পণ হয়।

আমেৰিকা ন্যুজৰ্সী চহৰ বাসী ফ্লোৰেন্স প্ৰকৃততে ঐশ্বৰিক লক্ষণৰ মহিলা আছিল। এবাৰ নেৱেল নামৰ ব্যক্তি এজনে টি. ভি (T.V) কাৰ্য্যক্ৰমৰ সময়ত তেওঁক কলে - আপোনি ভ াৰতত জন্ম গ্ৰহণ কৰা মহান সন্তৰ বিষয়ে ইমান ন দি কয় ভৱিষ্যতৰ সম্পৰ্কে। মই নিজৰ বিষয়ে অলপ জানিব বিচাৰো ফ্লোৰেন্সে তেওঁ সোঁ-হাতত ধৰি কলে তুমি বহুত সোনকালে প্ৰসাৰণ বাবে অন্য ৰাজ্যলৈ যাবা। নেবেল প্ৰসাৰণ সেৱা কৰ্মচাৰী আছিল। ফ্লোৰেন্সৰ এই কথাত নেবেল হাঁহি হাঁহি কলে আপোনি মোৰ লগত ভাল ধেমালি কৰিছে। এই কথা আমাৰ সেৱা অধিকাৰীয়ে এই কাৰ্য্যক্ৰম চাই আছে যদি মই অন্য ৰাজ্যলৈ যোৱা, নোযোৱাত পাছৰ কথা কিন্তু মোক সেৱা পৰা সোনকালে বহিস্কাৰ অৱশ্যেই কৰিব।

কিছু সময় পাছত টি.ভি. কন্টোল ৰোমত ফোন আহিল। এই ফোন নেবেললৈ তেওঁৰ কোম্পানীৰ জেনেৰেল মেনেজাৰে তেওঁ লগত কথা পাতিব বিচাৰে। নেবেল ফোনত কথা হল তেওঁ কলে আমাৰ কোম্পানীয়ে ন্যুয়ৰ্কত প্ৰসাৰণ কাৰ্য্য আৰম্ভ কৰিবলৈ সিধান্ত

ললে আৰু তালৈ তোমাক পঠোৱা হব। এই কথা বৰ্তমান গুপ্তভাৱে আছে ইয়াৰ ঘোষণা কালিলৈ কৰা হ'ব। মই টি.ভি. ফ্লোৰেন্সৰ লগত তোমাৰ কথা বাৰ্তা সকলো চাই আছো। ফ্লোৰেন্সে তোমাৰ বিষয়ে যি কৈছে সকলো সঁচা। মই আচৰিত হৈছো এই কথা ফ্লোৰেন্সে কেনেকৈ জানিলে ? নেবেল ফ্লোৰেন্সৰ ফালে চাই হতবাক হল।

কিছু পত্ৰকাৰে তেওঁক সুধিলে আপোনি ভৱিষ্যতৰ কথা কেনেকৈ জানে হেৰাই যোৱা ব্যক্তি আৰু বস্তু কেনেদৰে সন্ধান কৰে। ফ্লোৰেন্সে কলে মই নিজে নাজানো ? মই ভ বিষ্যতৰ বিষয়ে এক মহত্ব পূৰ্ণ কথা কৈছো ২০ শতিকাৰ পাছত ভাৰতত এক প্ৰবল তেজস্বী, অজস্বী শক্তি আৱিৰ্ভাৱ হব। এই পৱিত্ৰ কল্যাণ কাৰী অজিস্বী শক্তিয়ে সম্পূৰ্ণ বিশ্বতে দৈৱী শক্তি বিষয়ে বিস্তাৰিত ভাৱে মানৱক জনাব। যি নেকি অনাদি কালৰ পৰা সকলো মানুহৰ বাবে ৰহস্যময় হৈ আছে। (দৈৱী শক্তি বিষয়ে জানকাৰি সন্ত ৰামপাল দাসে মহাৰাজৰ দ্বাৰা উজাগৃত কৰিছে অনুগ্ৰহ কৰি পঢ়ক এই পুথিতে ২২পৃষ্ঠা সৃষ্টি ৰচনা।) এজন দিব্য মহাপুৰুষ দ্বাৰা এই প্ৰকাশ (জ্ঞান) সম্পূৰ্ণ বিশ্বতে বিয়পিৱ। সেই মহান সন্তই সকলোকে সত্য মাৰ্গত চলা প্ৰেৰণা কৰিব। সম্পূৰ্ণ বিশ্বতে এক নতুন বিচাৰ ধাৰাৰ পোহৰ বিয়পিব যেতিয়া মই ধ্যানত থাকো এই মহান সন্তক দেখা পাওঁ।

ফ্লোৰেন্সে বাৰে বাৰে এই দিব্য পুৰুষৰ কথা অৱগত কৰিছে লগতে ইয়াকো কয় উত্তৰ ভ াৰতৰ এক পৱিত্ৰ স্থানত তেওঁ উপস্থিত। সৰ্জন সকল ওপৰোক্ত ভৱিষ্যবাণী আৰু বৰ্তমান বাণী যি পৰম সন্ত ৰাম পাল মহাৰাজৰ ওপৰত প্ৰয়োগ হয় আৰু ইয়াৰ সমৰ্থন অন্য ভৱিষ্য বাণীত কোৱা আছে। আগত লিখা আছে।

**ভাইৱালে ৱালী জনম সাখীত প্ৰমাণ**

"এজন মহাপুৰুষৰ বিষয়ে ভাইৱালে ৱালী জনম সাখীত প্ৰহ্লাদ ভকতৰ ভৱিষ্যবানী"

ভাইৱালে ৱালী সাখীত লিখিত প্ৰমাণৰ পৰা স্পষ্ট যে সাধু ৰামপাল দাস মহাৰাজেই হ'ল সেইজন অৱতাৰ যি পৰমেশ্বৰ কবীৰদেৱ আৰু সন্ত নানকদেৱৰ পিছত পঞ্জাৱৰ ভূমিত অৱতাৰ হব লগা আছিল। সন্ত ৰামপাল দাস মহাৰাজ চেপ্তেম্বৰ ইং ১৯৫১ চনত গাওঁ-ধনানা, জিলা-সোনীপত, হাৰিয়ানা ৰাজ্যৰ (সেই সময়ত পঞ্জাব ৰাজ্য) ভাৰত বৰ্ষৰ পৱিত্ৰ ভূমিত শ্ৰী নন্দৰাম ঝাঠৰ জাঠ বৰ্নত শ্ৰী মতী ইন্দ্ৰাদেবীৰ গৰ্ভত জনম লৈছিল।

এই বিষয়ে "জনম সাখী ভাইৱালে ৱালী" হিন্দীত থকা যাৰ প্ৰকাশক হ'ল- ভাই জৱাহৰ সিংহ কৃপাল সিংহ এণ্ড কোম্পানী পুস্তকালয়, বজাৰ মাই সেৱা, অমৃতসৰ (পাঞ্জাৱ) তথা পাঞ্জাবী প্ৰকাশক ও ভাই জৱাহৰ সিং কৃপাল সিংহ পুস্তকালয় গলী ৮ বাগ ৰামানন্দ অমৃতসৰ (পঞ্জাৱ)।

ইয়াত লিখিত অমৰ বিৱৰণ এনে ধৰণৰ - এসময়ত ভাইৱালা তথা মৰদানাক লগত লৈ সৎগুৰু নানকদেৱ ভক্ত প্ৰহ্লাদ দেৱৰ লোকলৈ গৈছিল। যি পৃথিৱীৰ পৰা কেবা লাখ ক্ৰোশ দূৰ মহাকাশত অৱস্থিত। প্ৰহ্লাদে কলে, - হে নানক দেৱ! পৰমাত্মাই আপোনাক দিব্য দৃষ্টি প্ৰদান কৰিছে আৰু কলিযুগত ডাঙৰ ভকত কৰিছে। আপোনাৰ কলিযুগত বৰ প্ৰতাপ হব। ইয়ালৈ (প্ৰহ্লাদৰ লোকত) প্ৰথমে কবীৰদেৱ আহিছিল আৰু আজি আপুনি আহিছে আৰু আন এজনো আহিব, তেওঁও আপোনাৰ দুজনৰ নিচিনা মহাপুৰুষে হ'ব। মোৰ এই লোকত এই তিনি জনৰ অতিৰিক্তে কোনো আহিব নোৱাৰে। ভকত বহুত হৈছে আৰু আগলৈও হব কিন্তু ইয়াত মোৰ এই লোকত মাথোন তেওঁৱে আহিব পাৰিব, যিবোৰে তেওঁলোকৰ দৰে পূন্যৱান হব অন্যথা

কোনেও নোৱাৰে। এইবাবে ইয়াত এই তিনিও জনৰ অতিৰিক্ত আন কোনেও আহিব নোৱাৰে। মৰদানে সুধিলে, হে প্ৰহ্লাদ দেৱ! কবীৰদেৱ তাতী আছিল, নানকদেৱ ক্ষত্ৰীয় সেই তৃতীয়জন কোন বৰ্ণৰ (জাতি) আৰু কোনখন ভূমিত অৱতাৰিত হব ?

ভক্ত প্ৰহ্লাদে কলে ভাই শুনা - নানক দেৱ সত্যলোকলৈ যোৱাৰ শ শ বছৰ পিছত পঞ্জাৱৰ ভূমিত সেইজন জাঠ বৰ্ণত জন্ম লব আৰু তেখেতৰ প্ৰচাৰ ক্ষেত্ৰ বৰৱালা চহৰ হব। (লিখনী সমাপ্ত)

বিবেচন - সন্ত ৰামপাল দাস মহাৰাজেই হ'ল সেইজন অৱতাৰ যি অইন অইন প্ৰমাণৰ সৈতে জনম সাখীত লিখিত বৰ্ননাৰ সৈতে মিলিয়ায়। জনম সাখীত “এশ বছৰ পিছত” লিখিছে। ইয়াত শ শ বছৰ পিছত কোৱা হৈছিল যাক পাঞ্জাৱী ভাষাত লিখাৰ সময় এশ বছৰ লিখি দিছে। কিয়নো মৰ্দানে সুধিছিল যে সেইটো কোন যুগত হব ? তেতিয়া ভক্ত প্ৰহ্লাদে কলে যে, শ্ৰীনানক দেৱৰ শ শ বছৰ পিছত কলিযুগত সেইজন সাধু জাট বৰ্ণত জন্ম ল'ব। এইবাবে ইয়াত এশ বছৰৰ ঠাইত শ শ বছৰ ন্যায়োচিত হব আৰু প্ৰচাৰ ক্ষেত্ৰ বৰৱালাৰ ঠাইত বটালা লিখি দিয়া হৈছে। ইয়াৰ দুটা কাৰণ থাকিব পাৰে যে “চহৰ বৰৱালা” জিলা হিসাৰ হাৰিয়ানা (সেই সময় পঞ্জাৱ) ৰাজ্যত সুপ্ৰসিদ্ধ নাছিল তথা বটালা চহৰ পাঞ্জাৱ ৰাজ্যত প্ৰসিদ্ধ আছিল। লেখকে এই কাৰণে “বৰৱালা”ৰ ঠাইত “বটালা” লিখি দিছে আনহাতে ছপোৱাৰ সময় “বৰৱালা”ৰ ঠাইত “বটালা” ছপোৱা হৈছে। আৰু এটা বিশেষ বিচাৰনীয় বিষয় হল যে পাঞ্জাৱৰ বটালা চহৰত কোনো জাট সাধু সন্ত হোৱা নাই। যি এই (পৰমেশ্বৰ কবীৰদেব আৰু শ্ৰীনানকদেব) মহাপুৰুষৰ সমান মহিমাবান আৰু এওঁলোকৰ সমান জ্ঞানৱান হব। এই দৃষ্টিকোন আৰু অইন প্ৰমাণৰ আধাৰৰ পৰা আৰু এই জন্ম সাখিৰ আধাৰত স্পষ্ট হয় যে সেইজন ত্ৰয় মহাপুৰুষ সন্ত ৰামপাল দাস মহাৰাজেই হয় আৰু এওঁৰ আধ্যাত্মিক জ্ঞানো এই দুজন মহাপুৰুষৰ (পৰেমশ্বৰ কবীৰ দেব আৰু নানকদেব) লগত মিল খায়। আপোনালোকে দেখিব যে দুখন ফটো কপি যি ভাইৱালে সাক্ষীৰ এটা পাঞ্জাবী ভাষাত তথা আনটো হিন্দি ভাষাত আছে যিটো পাঞ্জাবী ভাষাৰ পৰা অনুদিত। ইয়াৰ ভিতৰ কিছুমান বাক্যাংশ ঠিক ভাবে লিখা হোৱা নাই। “যো ইস জীহা কোই হোবেগা তাঁ এইসে পহুচেগা হোৰ দা এথে পহুচদা কম নহী” কিন্তু হিন্দীত থকা জনম সাখিত এই বিৱৰণ নাই যিটো বৰ গুৰুত্বপূৰ্ণ। ইয়াৰ পৰা সিদ্ধ হয় যে লিখিবৰ সময়ত কিছু বাক্যাংশ পৰিৱৰ্তন হৈছে। আকৌ বহুত প্ৰমাণ আছে যি এই পুথিত অইন মহাপুৰুষৰ দ্বাৰা সন্ত ৰাম পাল দাস মহাৰাজৰ বিষয়ে কৈছে সেই বোৰেও ইয়াকে প্ৰমাণ কৰে।

বিশেষঃ- যদি কোনোৱে কয় জন্ম সাখীত লিখা সন্ত গৰীব দাস, গাঁও ছুড়ানি তেওঁক লৈহে। যিহেতু সন্ত গৰীব দাসোজাট জাতি আছিল। ছুড়ানি গাঁও সেই সময়ত পঞ্জাব প্ৰান্তত আছিল গৰীব দাস মহাৰাজে নিজৰ অমৃত ময় বাণিত “অসুৰ নিকন্দন ৰমেনীত উল্লেখ কৰিছে “সৎগুৰু দিল্লী মণ্ডল আয়ুসী সুতি ধৰণী সুম জগায়সি” ভাৱাৰ্থ গৰীব দাসৰ সৎগুৰু পূজ্য কবীৰ চাহেব আছিল। ৰোহতক জিলা দিল্লী প্ৰান্তত আছিল। দিল্লী কোনো ৰজাৰ অধীনত নাছিল ইংৰাজৰ শাসনৰ সময়ত দিল্লী অধিন কৰে। সন্ত গৰীব দাসে স্পষ্ট কৰি কয় সৎগুৰু পৰমেশ্বৰ কবীৰ) দিল্লী মণ্ডললৈ আহি ভক্তি হীন প্ৰাণীক জগাব। মনত ৰাখক-কবীৰ সাগৰক কালৰ দূৰ্ত সকলে নিজৰ অজ্ঞান বিচাৰ লগ কৰি সত্য নেজানি অসত্য প্ৰমাণ কৰাইছে। সেই অসত্য সমাপ্তি

কৰিব বাবে পৰমেশ্বৰ কবীৰ দেবে নিজৰ অংশ অৱতাৰ গৰীব দাসৰ দ্বাৰা যথাৰ্থ জ্ঞান প্ৰচাৰ কৰায়। যি জ্ঞান সন্ত গৰীব দাসৰ বাণীত আছে, শ্ৰীযুগলানন্দ বিহাৰীয়ে দিয়া টিপ্পনীত স্পষ্ট হয় অনুৰাগ সাগৰ, জ্ঞান সাগৰত ভুমিকাত কয় কবীৰ পন্থা সকলে কবীৰ পন্থা শাস্ত্ৰ (কবীৰ সাগৰ) নষ্ট কৰিলে। তেওঁ দুই হিচাব অনুসৰি নিৰ্ণয় লৈ নিজৰ বিচাৰ সংযোগ কৰিছে। তেওঁ ওচৰত অনুৰাগ সাগৰ আৰু জ্ঞান সাগৰৰ কেইবাটাও প্ৰতিলিপি ৰখা আছে। যি নেকি এটা আনটোৰ লগত নিমিলে।

সন্ত ৰাম পাল দাস মহাৰাজৰ জন্ম শ্ৰী নন্দৰাম জাটৰ ঘৰত ৮ চেপ্তেম্বৰ ১৯৫১ চনত গাঁও ধনানা জিলা সুনীপত (সেই সময়ত দুয়ো মিলি মাত্ৰ পঞ্জাৱ হে আছিল। পৰমেশ্বৰ কবীৰ দেবে কৈছিল যেতিয়া কলি যুগ ৫৫০০ বছৰ পাৰ হব মই গৰীব দাসৰ বাৰ (১২) পন্থত নিজে আহিম। সন্ত গৰীব দাসৰ দ্বাৰা মোৰ (পৰমেশ্বৰ কবীৰ) মহিমাৰ অমৃত বাণী পুনৰ উজাগৰ হব, আৰু গৰীব দাসৰ বাৰ পন্থী সাধকে মোক আধাৰত লৈ বাণীক বুজিবলৈ চেষ্টা কৰিব। কিন্তু অমৃত বাণীক নুবুজি সত্য লোক, (সানাতন পৰম ধাম) প্ৰাপ্তী নহয়। গৰীব দাসৰ বাৰহ পন্থত মই নিজে আহিম। গৰীব দাসৰ অমৃত বাণী সকলোকে বুজাম। ইয়াৰ পৰা স্পষ্ট হয় যে জন্ম সাখীত যি জাট সন্তৰ বিষয়ে উল্লেখ কৰিছে নিঃসন্দেহ তেওঁ সন্ত ৰামপাল দাস ম হাৰাজ। তথাপিও আমি সন্ত গৰীব দাস মহাৰাজক বিশেষ সন্মান কৰো কাৰণ তেওঁ পৰমেশ্বৰ কবীৰ দেবৰ অমৰ সংবাদ জনালে। যদি কোনোবাই শিখ ধৰ্মৰ দহজন গুৰু সকলৰ ভিতৰত কোনো এজনৰ কথা উল্লেখ কৰিছে বুলি কয় সেইটোও অসম্ভৱ কথা। কাৰণ আমি জানো যে শিখ ধৰ্মৰ দহ জন গুৰু ভিতৰত কোনো এজনো জাট জাতিৰ পৰা অহা নহয়। দ্বিতীয় গুৰু শিখ শ্ৰী অংগদ দেব ক্ষত্ৰিয় আছিল, তৃতীয় গুৰু শ্ৰী অমৰ দাস ক্ষত্ৰিয় চতুৰ্থ শ্ৰীৰাম দাস ক্ষত্ৰিয়। পঞ্চম গুৰু শ্ৰী অজুনদেব পৰা শেষ গুৰু শ্ৰী গোবিন্দ সিংহ, সকলো ক্ষত্ৰিয় আছিল। তথাপিও আমি শিখ ধৰ্মৰ সকলো গুৰু দেবক বিশেষ আদৰ কৰো।

সন্ত ৰামপাল দাস মহাৰাজে কয়।

জীৱ আমাৰ জাতি, মানৱ আমাৰ ধৰ্ম, হিন্দু, মুচলিম, শিখ, খৃষ্টান ধৰ্মৰ পৃথক নহয় মৰ্ম।

পৰমেশ্বৰ কবীৰ দেবে কয় জাতি না পুছো সন্ত কী, পুছ লীজিয়ে জ্ঞান। মৌল কৰৌ তলবাৰ কা, পড়ি ৰহন দৌ ম্যান।

কৃপা কৰি - প্ৰমাণৰ বাবে চাঁওক ফটো কাপী জনম সাখী পঞ্জাৱী গুৰু মুখি (পাঞ্জাৱী ভাষাত) ভাইৱালী আৰু হিন্দী দুই ভাষাত সহজে বুজিব বাস্তৱিকতা। জনম সাখিয়া প্ৰকাশক ভাই জবাহৰ সিংহ অমৃত সৰ (পঞ্জাৱ) অনুগ্ৰহ কৰি চাঁওক জনম সাখী ভাইৱালে পঞ্জাৱী ভাষাত পৃষ্ঠা - ২৭২

(੨੭੨) ਸਾਖੀ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਨਾਲ ਹੋਈ

ਕਾਜ ਸਵਾਰਿਆ ॥੪॥ ਤਾਂ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਕਹਿਆ ਨਾਨਕ ਤਪਾ ਜੀ ਤੈਨੂੰ ਕਲਜੁਗ ਵਿਚ ਰਾਮ ਜੀ ਨੇ ਵਡਾ ਭਗਤ ਕੀਤਾ ਹੈ ਔਰ ਆਪਕੇ ਸੰਜੋਗ ਬਹੁਤਿਆਂ ਕਾ ਉਧਾਰ ਹੋਵੇਗਾ ਤੇਰੀ ਸ੍ਰੀ ਰਾਮ ਨੇ ਵਡੀ ਨਦਰ ਖੋਲੀ ਹੈ ਤੇਰਾ ਵਡਾ ਪ੍ਰਤਾਪ ਹੋਵੇਗਾ ਇਸ ਕਲਜੁਗ ਵਿਚ ਅਗੇ ਕਬੀਰ ਭਗਤ ਏਥੇ ਆਯਾ ਹੈ ਅਤੇ ਜਾਂ ਆਪਕੇ ਕਰਤਾ ਨੇ ਆਂਦਾ ਹੈ ਤਾਂ ਮਰਦਾਨੇ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਨੂੰ ਪੁਛਿਆ ਹੈ ਭਗਤ ਜੀ ਤੁਸੀਂ ਭੀ ਵਡੇ ਭਗਤ ਹੋ ਅਤੇ ਤੁਸਾਡੇ ਪਿਛੇ ਰਾਮ ਜੀ ਵਡਾ ਬਲਤ ਦਿਖਾਇਆ ਹੈ ਤੇਰੀ ਰਾਮ ਜੀ ਨੇ ਵਡੀ ਨਦਰ ਖੋਲੀ ਹੈ ਭਗਤ ਜੀ ਏਥੇ ਹੋਰ ਕੋਈ ਭੀ ਪਹੁੰਚਿਆ ਹੈ ਕਿ ਕਬੀਰ ਅਤੇ ਨਾਨਕ ਤਪਾ ਹੀ ਪਹੁੰਚਿਆ ਹੈ ਤਾਂ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਬੋਲਿਆ ਭਾਈ ਨਾਨਕ ਤਪੇ ਪਾਸੋਂ ਪੁਛ ਲੈ ਹੋਰ ਭੀ ਆਵਸੀ ਕਿ ਨਾ ਆਵਸੀ ਕੋਈ ਤਾਂ ਮਰਦਾਨੇ ਕਹਿਆ ਜੀ ਤੁਸੀਂ ਵਡੇ ਭਗਤ ਹੋ ਅਗਲੀ ਤੇ ਪਿਛਲੀ ਸਭ ਆਪ ਨੂੰ ਸਤਿ ਜੁਗ ਥੋਂ ਆਦਿ ਲੈਕੇ ਮਾਲੂਮ ਹੈ ਤਾਂ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਨੇ ਕਹਿਆ ਸੁਣ ਭਾਈ ਇਸ ਜਿਹਾ ਕੋਈ ਹੋਵੇਗਾ ਤਾਂ ਏਥੇ ਪਹੁੰਚੇਗਾ ਹੋਰਸ ਦਾ ਏਥੇ ਪਹੁੰਚਣਾ ਕੰਮ ਨਾਹੀਂ ਹੋਰ ਅਗੇ ਵਡੇ ਵਡੇ ਭਗਤ ਹੋਏ ਹੈਨ ਅਤੇ ਹੋਵਨਗੇ ਪਰ ਪਹੁੰਚਿਆ ਕੋਈ ਨਾਹੀਂ ਤਾਂ ਫੇਰ ਮਰਦਾਨੇ ਪੁਛਿਆ ਜੀ ਓਹ ਕਦ ਹੋਸੀ ਕਿਤੇ ਨੇੜੇ ਜੁਗ ਵਿਚ ਹੋਸੀ ਤਾਂ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਕਹਿਆ ਸੁਣ ਭਾਈ ਕਲਜੁਗ ਵਿਚ ਹੋਵੇਗਾ ਜਦ ਨਾਨਕ ਤਪਾ ਸਚਖੰਡ ਜਾਵੇਗਾ ਤਾਂ ਇਸ ਤੋਂ ਪਿਛੇ ਸਉ ਵਰੇ ਹੋਸੀ ਅਤੇ ਏਹਨਾਂ ਤੇਹਾਂ ਤੋਂ ਬਗੈਰ ਹੋਰ ਕੋਈ ਨਾ ਆਵਸੀ ਤਾਂ ਮਰਦਾਨੇ ਪੁਛਿਆ ਜੀ ਤਿੰਨ ਕੇਹੜੇ ਹੈਨ ਤਾਂ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਕਹਿਆ ਭਾਈ ਅਗੇ ਕਬੀਰ ਹੋਇਆ ਹੈ ਤੇ ਹੁਣ

অনুগ্ৰহ কৰি চাঁওক জনম সাখী ভাইবালে পঞ্জাবী ভাষাত পৃষ্ঠা - ২৭৩

ਸਾਖੀ ਇਕ ਪਹਾੜ ਦੀ ਚਲੀ (੨੭੩)

ਨਾਨਕ ਤਪਾ ਹੂਆ ਹੈ ਅਤੇ ਫੇਰ ਉਹ ਹੋਸੀ ਤਾਂ ਮਰਦਾਨੇ ਪੁਛਿਆ ਜੀ ਕਬੀਰ ਜੁਲਾਹਾ ਹੋਯਾ ਤੇ ਨਾਨਕ ਖਤ੍ਰੀ ਹੋਏ ਅਤੇ ਜੋ ਉਹ ਕਿਸ ਵਰਨ ਹੋਵੇਗਾ ਜੀ ਤੇ ਕਿਸ ਧਰਤੀ ਤੇ ਹੋਸੀ ਕੇਹੜੇ ਸ਼ਹਿਰ ਤਾਂ ਪ੍ਰਹਿਲਾਦ ਭਗਤ ਕਿਹਾ ਭਾਈ ਪੰਜਾਬ ਧਰਤੀ ਤੇ ਵਰਨ ਜਟ ਤੇ ਸ਼ਹਿਰ ਬਟਾਲੇ ਵਿਚ ਹੋਸੀਗਾ। ਤਾਂ ਮਰਦਾਨਾ ਸੁਣ ਗੁਰੂ ਜੀ ਦੇ ਚਰਨਾਂ ਤੇ ਢਹਿ ਪਿਆ ਗੁਰੂ

অনুগ্ৰহ কৰি চাঁওক জনম সাখী ভাইৱালে হিন্দী ভাষাত পৃষ্ঠা - ৩০৫

जन्म साखी (३०५) भाई बाले वाली

तब भक्त प्रहलाद ने कहा—हे नानक देव। आप को इस कलियुग में बड़ा भक्त बनाया है। आप की ही संगति से अनेकों प्राणियों का भला होगा। और आप का अनंत प्रताप होगा। तब मरदाने ने कहा—हे प्रहलाद जी। आप भी तो परम भक्त हैं तथा भगवान ने आप के लिये ही अवतार धारन किया था। प्रहलाद जी ने कहा—हे भाई मरदाना। इस स्थान पर या तो कबीर पहुँचा है, और या यह गुरु नानक आया है। यहाँ आना कोई आसान कार्य नहीं है। एक और महा पुरुष होगा जो पहुँच सकेगा। मरदाने ने कहा—हे भक्त वर। वह पुरुष कौन और कब होगा। प्रहलाद ने उत्तर दिया, कि जब गुरु नानक देव यहाँ आयेंगे तो इन के सौ वर्ष पश्चात आयेगा। अर्थात यहाँ केवल तीन आदमी ही आने हैं। एक तो भगत कबीर और दूसरे श्री गुरु नानक देव जी इन के पश्चात वह तीसरा आयेगा। तब मर्दाने ने कहा हे प्रहलाद जी। कबीर तो जुलाहा था, और नानक देव—खत्री है। परंतु वह तीसरा किस जाती का होगा. उत्तर में प्रहलाद जी ने कहा—हे मर्दाना। पंजाब की धरती और वहाँ उस का जाट होगा। तथा नगर बटाला में होगा। उस समय मर्दाना गुरु जी के चर्णों

অনুবাদ :- ভক্ত প্ৰহ্লাদে কলে, নানক দেৱ আপোনাক এই কলি যুগত সৰ্ব্বশ্ৰেষ্ঠ ভকত বনালে । আপোনাৰ সংগ লৈ অহা বহুত প্ৰাণীৰ উদ্ধাৰ হব। আপুনি প্ৰতাপী হব। তেতিয়া মৰদানাই কলে প্ৰহ্লাদে দেৱ আপুনিও ভগৱানৰ পৰম ভক্ত, আপোনাৰ কাৰণে ভগৱানে অৱতাৰ ললে। প্ৰহ্লাদে কলে মৰদানা মোৰ স্থান লৈ কবীৰ দেৱ আহিছিল, এতিয়া নানক দেৱ আহিছে, ইয়ালৈ অন্য কোনো আহিব নোৱাৰে আৰু এজন মহান পুৰুষ হব তেওঁ ইয়ালৈ আহিব। মৰদানাই কলে ভকত বৰ সেইজন মহা পুৰুষ কোন আৰু কেতিয়া আহিব ? প্ৰহ্লাদে কলে নানক দেৱ অহাৰ এশ বছৰ পাছত। এই তিনিজন হে মোৰ স্থান লৈ আহিব। এজন কবীৰ দেৱ, দ্বিতীয় গুৰু নানক দেৱ তৃতীয় জন তেওঁ, মৰদানে প্ৰহ্লাদক কলে কবীৰ দেৱ জুলাহা জাতিৰ, নানক দেৱ ক্ষত্ৰিয় আছিল, যিজন আহিবলৈ বাকী আছে তেওঁ কোন জাতিৰ হব ? প্ৰহ্লাদে কলে পঞ্জাৱ ভুমিৰ, জাট জাতি আৰু স্থানৰ নাম বটালা, সেই সময় মৰদানা গুৰু দেৱৰ চৰণত।

## ভক্তি মৰ্য্যাদা

"জীৱ আমাৰ জাতি, মানৱধৰ্ম আমাৰ।
হিন্দু, মুছলিম, শিখ, খৃষ্টান ধৰ্মৰ পৃথক নহয় মৰ্ম॥"

হে প্ৰিয় ভকত জন,

আজিৰ পৰা প্ৰায় পাঁচ হেজাৰ বছৰ পূৰ্বে কোনো ধৰ্ম অথবা সম্প্ৰদায় নাছিল। হিন্দু, মুছলিম, শিখ, খৃষ্টান আদি নাছিল। মাথোন মানৱ ধৰ্মহে আছিল। সকলোৰে এটাই ধৰ্ম সেইয়া মানৱ ধৰ্ম। তেতিয়াও আছিল এতিয়াও আছে। কিন্তু লাহে লাহে কলিযুগৰ প্ৰভাৱ বাঢ়ি গ'ল ঠিক তেনেকৈ আমাৰ মাজত মত ভেদো বাঢ়ি গল। কাৰণ এইটোৱে যে ধৰ্মীয় কুল গুৰুৰ দ্বাৰা শাস্ত্ৰত বৰ্ণিত সত্যক ঢাকি ৰখা হ'ল। কাৰণ যি, স্বাৰ্থ ৰক্ষাই হওক নাইবা মানুহক উপৰি দেখুৱাকে হওক। যাৰ পৰিনাম স্বৰূপ আজি মানৱৰ চাৰিটা ধৰ্ম আৰু অনেক সম্প্ৰদায়ৰ সৃষ্টি হ'ল। ফলস্বৰূপে নিজৰ ভিতৰতে মতভেদ হোৱাটো স্বাভাৱিক। সকলোৰে প্ৰভু/ভগৱান/ৰাম/আল্লা/ৰব/গড/খোদা/পৰমেশ্বৰ এজনাই/ই ভাষা ভিন্ন পৰ্য্যায়ৱাচী বা সমাৰ্থক শব্দহে। সকলোৱে জানে যে মালিক এজনাই সেয়ে এইবোৰ বেলেগ বেলেগ ধৰ্ম সম্প্ৰদায় কিয়?

এটা কথা ঠিক যে সকলোৰে গৰাকী/ৰব/খোদা/আল্লাহ/গড/ৰাম/পৰমেশ্বৰ এজনাই, যাৰ ৱাস্তৱিক নাম কবীৰদেব আৰু তেওঁ নিজৰ সৎলোক/সৎধাম/সচ্‌খণ্ডত মানৱ সদৃশ আকাৰত বিৰাজমান হৈ আছে। কিন্তু এতিয়া হিন্দুৱে কয় যে আমাৰ ৰামেই ডাঙৰ, মুছলিমে কয় যে আমাৰ আল্লাই ডাঙৰ, খৃষ্টান সকলে কয় যে আমাৰ যীশুৱেই ডাঙৰ, আৰু শিখ সকলে কয় যে আমাৰ নানক দেৱেই ডাঙৰ। চাৰিটা নিৰ্বোধ শিশুৰ দৰে এইজন মোৰ পিতা, আনজনে কয় যে মোৰ হে দেউতা, তোমাৰ নহয়, তৃতীয় জনাই কয় যে ইজনতো মোৰ হে পিতাই যি সকলোতকৈ ডাঙৰ। চতুৰ্থ জনাই কয় যে হেৰা নিৰ্বোধ সকল এইজন মোৰ ডেডী তোমালোকৰ নহয়। যি হওক সেই চাৰিজনাৰ পিতা কিন্তু এজনাই। এই নিৰ্বোধ শিশু বিলাকৰ দৰে আজি আমাৰ মানব সমাজত মতভেদ হৈ আছে।

"কোই কহে হমাৰা ৰাম বড়া হ্যায়, কোই কহে খোদাৰে।
কোই কহে হমা ইসা মসীহ বড়া, এ বাটা ৰহে লগাই ৰে॥"

যেনেকৈ আমাৰ সকলো ধাৰ্মিক গ্ৰন্থ তথা শাস্ত্ৰত এজনেই প্ৰভু/মালিক/ৰব/ খোদা/ৰাম চাহেব/গড /পৰমেশ্বৰ প্ৰত্যক্ষ নাম লিখি তেওঁৰ মহিমা গাই আছে। তেওঁ এজনেই মালিক/প্ৰভু কবীৰ চাহেব যি সৎ লোকত মানব সদৃশ আকাৰে বিৰাজমান হৈ থাকে।

বেদ, গীতা, কোৰাণ, বাইবেল আৰু গুৰু গ্ৰন্থ চাহিবত এই সকলো মিলি থকাৰ প্ৰমান দেখা পোৱা যায়। যজুৰ্বেদৰ অধ্যায় ৫ ৰ শ্লোক নং ৩২ সামবেদৰ সংখ্যা নং ১৪০০, ৮২২ অথৰ্বৱেদৰ কাণ্ড নং ৪ ৰ অনুবাক ১ৰ শ্লোক নং ৭, ঋগবেদ মণ্ডলৰ ১অঃ ১ৰ পৱিত্ৰ বানী ১১ৰ শ্লোক নং ৪ত কবীৰ দেবৰ নাম লিখি বৰ্ণাইছে যে পূৰ্ণ ব্ৰহ্ম কবীৰ দেব যি সৎলোকত বাস্তৱিক আকাৰত থাকে। পৱিত্ৰ গীতা চাৰিও বেদৰ সংক্ষিপ্ত সাৰ। গীতাই সেই সত্য পুৰুষ পূৰ্ণব্ৰহ্ম কবীৰ দেবৰ ফালে ইঙ্গিত দিয়ে। গীতা অধ্যায় ১৫ শ্লোক নং ১৬, ১৭ অধ্যায় ১৮ৰ শ্লোক নং ৪৬, ৬২ অধ্যায় ৮ৰ শ্লোক নং ৮ৰ পৰা ১০ তথা ২২ত অধ্যায় ১৫ৰ শ্লোক নং ১, ২, ৪ত সেই পূৰ্ণ পৰমাত্মাক ভক্তি কৰিবলৈ ইঙ্গিত বা সংকেত দিছে। শ্ৰীগুৰু গ্ৰন্থ চাহেব পৃষ্ঠা নং ২৪ আৰু পৃষ্ঠা নং ৭২১ত কবীৰৰ নাম লিখি মহিমা বৰ্ণাইছে। ঠিক এনেদৰে কোৰাণ আৰু বাইবেল একেই শাস্ত্ৰ। দুয়ো প্ৰায় একেই জ্ঞান দিয়ে যে সেই কবীৰ আল্লাহ মহিমা ব্যাখ্যা কৰা যাৰ শক্তিৰ সহায়ত এই সকলো সৃষ্টি গতিশীল হৈ আছে। কোৰাণ স্বৰীফত সূৰত ফুৰ্কানি নং ২৫ আয়াত নং ৫২ ৰ পৰা ৫৯ লৈ কবীৰন, খবীৰা,

কবিৰা আদি শব্দ লিখি সিজনা এজন কবীৰ আল্লাহৰ বৰ্ণনা কৰা হৈছে যে এ পয়গম্বৰ (মহম্মদ) সিজন কবীৰ আল্লাহ পৱিত্ৰ বানী ব্যাখ্যা কৰা যিয়ে ছয় দিনত নিজ শক্তিৰে এই সৃষ্টি ৰচনা কৰি সপ্তম দিনত সিংহাসনত গৈ বিৰাজিলে। অৰ্থাৎ সৎলোকত গৈ বিশ্ৰাম কৰিলে। সেই আল্লাহ (প্ৰভু) কবীৰ। এই প্ৰমাণ পৱিত্ৰ বাইবেলৰ ভিতৰত উৎপত্তি গ্ৰন্থৰ সৃষ্টি ক্ৰম বাইৱেলৰ প্ৰাৰম্ভ সাত দিনৰ ৰচনা ১:২০-২:৫ ত সন্নিবিষ্ট আছে।

সকলো সাধু-সন্ত তথা পৱিত্ৰ গ্ৰন্থৰ সাৰ এইটোৱে যে, যি পূৰ্ণ গুৰু তেওঁ তিনি নামৰ তত্ব জানে আৰু শিষ্যক সেই নাম প্ৰদান কৰাৰ আদেশ প্ৰাপ্ত। তেওঁৰে পৰাই নাম লৈ জন্ম-মৃত্যু ৰূপী ৰোগৰ পৰা মুক্তি পাব পাৰি। কিয়নো আমাৰ উদ্দেশ্য আপোনালোকক কালৰ কাৰাগাৰৰ পৰা মুক্ত কৰি নিজৰ মূল মালিক কবীৰ দেব (কবীৰ চাহেব)ৰ সৎলোকলৈ লৈ যোৱা। কবীৰদেবে নিজ বানীত কৈছে যে এটা জীৱক কালৰ ভক্তি সাধনা কৰা পথৰ পৰা আঁতৰাই পূৰ্ণ গুৰুৰ ওচৰত লৈ আহি সৎ উপদেশ দিয়াৰ ইমানেই পুণ্য হয় যে যেনেকৈ কোটি গৰু ছাগলী আদি প্ৰাণীক কচাইৰ হাতৰ পৰা আনি মুক্ত কৰা। কিয়নো এই মানৱ শৰীৰ ধাৰী প্ৰাণী অনুপযুক্ত গুৰুৰ দ্বাৰা উপদেশিত হৈ শাস্ত্ৰ বিৰুদ্ধ ভক্তি কৰি কালৰ জালত বন্দী হৈ নেজানে কিমান দুঃখদায়ী চৌৰাশী লাখ যোনী ভ্ৰমি কষ্ট সহিবলগীয়া হৈছে। যেতিয়া এই জীৱাত্মা পূৰ্ণ গুৰুৰ মাধ্যমেৰে কবীৰ দেবৰ শৰণত যাব আৰু নাম দীক্ষাৰে যুক্ত একাকী হ'ব তেতিয়া এই জন্ম মৃত্যুৰ কষ্ট চিৰদিনৰ বাবে সমাপ্ত হ'ব আৰু সৎলোকত গৈ বাস্তৱিক পৰম শান্তি প্ৰাপ্ত হ'ব।

এতিয়া প্ৰশ্ন আহে যে আজিকালিৰ গুৰুৱে বেছিকৈ শিষ্য বনাই নিজৰ যোগ্যতাৰ প্ৰমাণ দেখুৱায় অৰ্থাৎ কোনোৱাই দুই-চাৰি কথা শিকিলৈ কয় যে মইও নাম দীক্ষা দান কৰো। আৰু এনেকৈ নিৰীহ অজ্ঞ আত্মাক কাল (ব্ৰহ্ম)ৰ জালত পেলাই দিয়ে। যিয়ে নহওক শাস্ত্ৰ বিৰুদ্ধ নাম উপদেশ দিওঁতাজন আৰু তাক গ্ৰহণ কৰি জপ কৰা (ভক্তি সাধন) জন উভয়ে নৰক গামী হ'ব আৰু নৰকত ওলোটাকৈ ওলোমাই থোৱা হ'ব। এই বচন সকলো শাস্ত্ৰই (গীতা, বেদ তথা সকলো গ্ৰন্থ) বৰ্ণায়। এই বচন সিদ্ধ কৰিবলৈ এটা চমু কাহিনী কওঁ।

এসময়ৰ কথা সকলোৱে জানিছিল যে ৰজা পৰিক্ষীতক সপ্তম দিনৰ শেষত সৰ্পই দংশন কৰিব আৰু তাৰ মৃত্যু হ'ব। এই কথা বিয়পি পৰাত সকলোৱে চিন্তিবলৈ ধৰিলে যে ৰজা পৰিক্ষীতক সাত দিনলৈ ভাগৱত কথা শ্ৰবন কৰোৱা হওক তেতিয়াহে তেওঁৰ সংসাৰৰ মায়া মোহ গুচি প্ৰভুৰ চিন্তনত লাগিব। কিয়নো মৰন কালত যাৰ যেনেকুৱা ভাবনা হয় তাৰ তেনেকুৱাই গতি হয়। সকলোৱে কলে অতি উত্তম। কিন্তু এতিয়া পাঠক হয় কোন? এই প্ৰশ্নত প্ৰশ্নবাচক চিহ্ন লাগি গল। সেই সময়ত তাত উপস্থিত থকা মহৰ্ষি বিলাকে আনকি শ্ৰীমদ্‌ভাগৱত সুধা সাগৰৰ ৰচয়িতা মহৰ্ষি বেদব্যাসো নিজকে পাঠকদাৰ হবলৈ উপযুক্ত নেভাৱিলে। কিয়নো তেখেতে জ্ঞাত আছিল যে তেওঁৰ ভিতৰত সেইখিনি সামৰ্থ নাই। সেই কাৰণে এক জীৱৰ জীৱন নষ্ট কৰি কিয় পাপৰ ভাগী হ'ব ? যিহেতু সপ্তম দিনত পৰিনাম আহিব। এই বাবে সাত দিন কথা প্ৰবচন শুনাবলৈ কোনেও সাহস নকৰিলে। কিয়নো সকলো সাধু সন্ত নিজৰ নিজৰ সামৰ্থৰ বিষয়ে অৱগত আছিল। স্বৰ্গৰ পৰা মুনি সুখদেৱক মাতি আনি ভাগৱত কথা প্ৰৱচন কৰা হ'ল, তেতিয়াহে পৰিক্ষীত ৰজাৰ মোহ গুচি স্বৰ্গ প্ৰাপ্তি হল। স্বৰ্গত সুখ ভোগ কৰাৰ পিচত নৰক ভোগ আকৌ পিচত চৌৰাশী লাখ যোনীৰ চক্ৰাকাৰ ভ্ৰমণ। এইটো ইয়াৰ হাৰ্ড এণ্ড ফাষ্ট ৰুল অৰ্থাৎ (অচল) অটল নিয়ম। এই উপলব্ধি তিনিও লোকত পূৰ্ণ গুৰু নোহোৱাকৈ প্ৰাপ্ত কৰিব নোৱাৰি।

ঠিক এনেদৰে যেতিয়া কোনো স্থানত প্ৰধানমন্ত্ৰীৰ আগমন হয় তাৰ দুই তিন দিন পূৰ্বেই উক্ত স্থানত গায়ন-বায়ন বক্তাই সুমধুৰ গীত সঙ্গীতেৰে জনতাক মোহিত কৰি প্ৰভাৱ বিস্তাৰ

কৰে। কিন্তু সিবিলাকে যি কৰে, যি কয় সেই বিলাক কথাৰ দ্বাৰাই কোনো কাম কৰিবলৈ সক্ষম নহয়। কিন্তু যেতিয়া প্ৰধান মন্ত্ৰী আহে তেতিয়া তেওঁ কম শব্দ কয়, যেনে- আগ্ৰাত আন্তৰ্জাতীক কলেজ বণাই দিয়া, চণ্ডীগড়ত আন্তৰ্জাতীক বিশ্ববিদ্যালয় বনাই দিয়া আদি আদি। তেওঁ মাথোন ইয়াকে কৈ গুচি যায়। তেওঁ কোৱাৰ পিচ দিনৰ পৰাই সেই কাম আৰম্ভ হৈ যায়। কিয়নো তেওঁৰ বচনত শক্তি আছে। সেই বচন যদি আপুনি আৰু মোৰ নিচিনা সাধাৰণ ব্যক্তিয়ে কয় তেতিয়া সেইটো আমাৰ বাবে বৰ মুৰ্খতা হ'ব। কিয়নো আমাৰ বচনত ইমান ক্ষমতা নাই। যেনেকৈ ই প্ৰধান মন্ত্ৰীৰ বাবে সাধাৰণ কথা।

এই তথ্য প্ৰমাণ কৰিবলৈ তলত বৰ্ণিত বানীসমূহ নিশ্চয় পঢ়িব আৰু গম্ভীৰ ভাবে বিচাৰ কৰিব তথা অতি সোনকালে গুৰু মন্ত্ৰ গ্ৰহণ কৰিব।

কবীৰ, পণ্ডিত অউ মশালচী, দোনো সুজৈ নাহি অউৰো নে কৰৈ চান্দনা, আপ অন্ধেৰে মাহী॥
কবীৰ, কৰনীতজ কথনী কথৈ, অজ্ঞানী দিন ৰাত। কুকুৰ জো ভৌকত ফিৰৈ, সুনী সুনাইবাত॥
গৰীব, বীজক কী বাঁতা কহৈ, বীজক নাহি হাত। পৃথিৱী ডোবন উতৰে, কহে মিঠী বাত॥
গৰীব, বীজক কী বাঁতা কহৈ, বীজক হী পাস। অউৰো কো প্ৰমোধ হী, আপন চলে নিৰাশ॥
গৰীব, কথনী কে শুৰে ঘনে, কৰ্থৈ অটম্বৰ জ্ঞান। বাহৰ জবাব আওবে নহী, লীদ কৰৈ মৈদান॥

কথা প্ৰৱচন কৰা তথা নাম উপদেশ দিয়া কোনো শিশুৰখেল নহয় যে কাষলতিত পুথি লৈ বলা মইয়ে প্ৰৱচন শুনাওঁ। ৰামায়ন পাঠ কৰি দিওঁ, গীতাপাঠ কৰি দিওঁ, গ্ৰন্থ চাহেব পাঠ কৰি দিওঁ অৰ্থাৎ সৎসঙ্গ কৰো আৰু নাম দীক্ষা কৰাই দিওঁ ইত্যাদি। কথা প্ৰৱচন আৰু নাম উপদেশ দান কৰা অধিকাৰ একমাত্ৰ পুৰ্ণ গুৰুৱে সম্পন্ন কৰিব পাৰে। কিয়নো পূৰ্ণ সাধু সন্ত (সিদ্ধ ব্যক্তি)ৰ মুখৰ শব্দত শক্তি আছে। যেনেকুৱা সুখদেৱৰ বাক্যত আছিল। যদি কোনোৱাই সৎসঙ্গ কৰে আৰু ধৰি লোৱা তেওঁ আম ফলৰ মহিমা বৰ্ণাই আছে, যে আম বহুত মিঠা, ফলৰ ৰজা, তাৰ ৰং হালধীয়া ইত্যাদি। তেনে সময়ত কোনোৱাই যদি কয় ককাই আমটো দিয়াচোন ? তেতিয়া সৎসঙ্গ কৰাজনে কয় যে মোৰ ওচৰত তো আম নাই। আকৌ আম বিচৰা জনে কয় যে, কত পোৱা যাব তাৰ উত্তৰ পায়, "নেজানো"। আম তো নিৰাকাৰ তাক কি দেখা পোৱা যায়। তেতিয়া আম বিচৰা জনে কব যে, হেৰা নিৰ্বোধ। তোমাৰ ওচৰত যেতিয়া আম আৰু তাৰ ঠিকনা নাই ? আকৌ কৈ আছা যে আম নিৰাকাৰ তেনেহলে মিছায়ে কিয় চিঞৰ-বাখৰ কৰি ফুৰা ? এইখিনি কোৱাাৰ অভি প্ৰায় হ'ল - তত্বজ্ঞান হীন তথা অধিকাৰ নোপোৱাকৈ কথা প্ৰৱচন দিয়া আৰু তাৰ মুখৰ পৰা শুনা শ্ৰোতা সকলেও নৰক গামী হ'ব।

যদি কোনো ব্যক্তি নিজে গুৰু হৈ শিষ্য বনাই লয় তেন্তে বুজিবা তেওঁ নিজৰ মুৰত বোজা চপাই লৈছে। কিয়নো পৰমেশ্বৰৰ বিধান আছে যে যেতিয়ালৈ শিষ্য পাৰ নেপায় তেতিয়ালৈ গুৰু বাৰে বাৰে জনম লব লগীয়া হয়। পূৰ্ণ গুৰুৱে অজ্ঞানী শিষ্যৰ পৰা এৰা পাবলৈ এনেকুৱা লীলা কৰে যাতে অজ্ঞানী শিষ্যৰ গুৰুৰ প্ৰতি ঘৃনাৰ উৎপত্তি হয়। যেনে কবীৰ চাহেব যেতিয়া কাশীত অৱতৰণ হৈছিল সেই সময়ত কবীৰৰ ৬৪ লাখ শিষ্য হৈ গৈছিল। তেওঁবিলাকৰ (শিষ্যসকলৰ) পৰীক্ষা লোৱাৰ বাবে কবীৰ চাহেবে কাশী চহৰৰ এক কুখ্যাত বেশ্যাক সৎসঙ্গ শুনাবলৈ তেওঁৰ ঘৰলৈ অহা যোৱা কৰিবলৈ আৰম্ভ কৰিলে। যিটো দেখি আৰু শুনি শিষ্য সকলৰ অন্তৰত গুৰুৰ প্ৰতি ঘৃনাৰ উদ্ৰেক হ'ল আৰু বিশ্বাস ভাঙি গল। মাথোন দুজন বাদে সকলো শিষ্যই গুৰু বিহীন হৈ গল। সৎগুৰু গৰীবদাস ম হাৰাজৰ বানীত প্ৰমাণ আছে যে, -

গৰীব, চণ্ডালীকে চোঁক মে সৎগুৰু বৈঠ যায়। চৌষঠ লাখ গাৰত গয়ে, দো ৰহে সৎগুৰু পায়॥
ভড়ৱা ভড়ৱা সব কঁহৈ, জানত নাহি খোজ। দাস গৰীব কবীৰ কৰম সে, বাঁটত সিৰকা বোঝ॥

আমি আপোনাক এইটোয়ে প্ৰাৰ্থনা কৰো যে ভাবি চিন্তি কিনা বেচা কৰক।

সামবেদৰ শ্লোক নং ৮২২ ত বৰ্নাইছে যে তিনি নামৰ দ্বাৰা জীৱৰ মুক্তি হয়। প্ৰথম ওঁ, দ্বিতীয় সতনাম (তৎ) আৰু তৃতীয় সাৰ নাম (সৎ)। এইটো গীতাই প্ৰমাণ দিয়ে যে ওঁ-তৎ সত্ত আৰু শ্ৰীগুৰু গ্ৰন্থ চাহেবতো এই সতনাম জপ কৰিবলৈ ইঙ্গিত দিছে। সৎনাম সৎনাম কবলৈ কোনো নাম নাই। এইটো তো সেই নামক কবলৈ ইঙ্গিত দিছে যিটো সঁচায়ে সত্য নাম হয়। এনে দৰে সাৰ নামো। অকলে ওঁ মন্ত্ৰ কোনো কামৰ নহয়। এই তিনি নাম তথা নাম দীক্ষা দিয়াৰ আজ্ঞা মোক মোৰ গুৰদেৱ স্বামী ৰামদেবানন্দজী মহাৰাজে দিয়া উপহাৰ যিটো কবীৰ পৰমাত্মাৰ পৰা বংশানুক্ৰমে চলি আহিছে। প্ৰথমে আপোনালোকে সৎসঙ্গ শুনক, সেৱা কৰক যাৰ দ্বাৰা আপোনাৰ ভক্তি ৰূপি খেতি সুৰক্ষিত হব।

কবীৰ, মানুষ জন্ম পায় কৰ, নঁহী ৰটে হৰি নাম। জেয়সে কুৱাঁ জল বিনা, খুদৱায়া কিস কাম॥

কবীৰ, এক হৰি কে নাম বিনা, এ ৰাজা ঋষভ হো। মাটি ঢুৱে কুম্হাৰ কী, ঘাস ন ডালেকো॥

ইয়াৰ পিচত আপোনাৰ ভক্তি ৰূপি খেতিত বীজ সিঁচিব লাগিব। শাস্ত্ৰৰ (কবীৰ পৰমাত্মাৰ বানী, বেদ, গীতা, কোৰাণ, পুৰাণ, ধৰ্মদাস চাহেব আদি সাধু সন্তৰ বাণী) অধ্যয়নেৰে মোক্ষ (মুক্তি) প্ৰাপ্ত নহব। এই সকলো শাস্ত্ৰৰে মূল কথা এইটো যে পূৰ্ণ মুক্তি পাবৰ বাবে পূৰ্ণ পৰমাত্মা কবীৰ চাহেবৰ প্ৰতিনিধি সন্ত মহাত্মা (যাক তেখেতৰ গুৰুৱে নাম দান প্ৰদান কৰিবৰ আজ্ঞা দিছে)ৰ পৰা নাম উপদেশ লৈ আত্মকল্যাণ কৰিব লাগে। যদি নাম নলয় তেতিয়া-

নাম বিনা সুনা নগৰ, পড়য়া সকল মে শোৰ॥
লুট ন লুটি বন্দী, হো গয়া হংসা ভোৰ॥
অদলী আৰতী অদল অজুনী, নাম বিনা হ্যায় কায়া সুনী।
ঝুঠী কায়া, খাল লুহাৰা, ইঙ্গলা, পিঙ্গলা সুষমন দ্বাৰা॥
কৃতঘ্নী ভুলে নৰলোই, যা ঘট নিশ্চয় নাম ন হোই।
সো নৰ কীট পতঙ্গ ভূজংঙ্গা, চৌৰাশী, মে ধৰ হেয় অঙ্গা।

যদি বীজ নিসিঁচে তেনেহলে আত্মাৰূপী খেতিৰ কৰ্ষণ অৰ্থাৎ প্ৰস্তুতি ব্যৰ্থ হ'ল। কোৰাৰ এইটো অভিপ্ৰায় যে ইয়াৰ দ্বাৰাই আপোনাৰ আত্মজ্ঞান হ'ব যিটো আৱশ্যক। কিন্তু পূৰ্ণ গুৰুৰ দ্বাৰাই নাম উপদেশ লোৱা অৰ্থাৎ বীজ সিঁচা অতি আৱশ্যক। নাম মন্ত্ৰ সেইটোৱে ল'ব লাগিব যিটো গুৰু নানক দেব, গৰীব দাস দেব, ধৰ্মদাস দেৱ আদি সাধু সন্তবোৰে লৈছিল। ইয়াৰ বাহিৰে অইন নামৰ দ্বাৰা জীৱৰ মুক্তি নহব।

এই কাৰণে আপোনালোকে নাম উপদেশ লৈ ভক্তিৰূপী ধন আহৰণ কৰিব লাগে আৰু আনকো বুজাব লাগে। যিমান সোনকালে পাৰে সিমানেই ভাল। কিয়নো কোনোৱেই নেজানে কেতিয়া প্ৰান বায়ু ওলাই যায়। গুৰু নানক দেৱে কৈছে যে -

"না জানে এ কাল কি কৰ ডাৰৈ, কিস বিধি ঢল যা পাসা ওৱে।
জিন্যাদে সিৰ তে মৌত খুড়গদী, উনানুঁ কেড়া হান্সা ওৱে।"

কবিৰ পৰমাত্মাই কয় যে -

কবীৰ, শ্বাঁষ, শ্বাঁস মে নাম জপো, ব্যাৰ্থা শ্বাঁস মত খোৱে॥
ন জানে ইস শ্বাঁস কা, আৱন হো কে না হোৱে॥
সৎ গুৰু সোই জো সাৰনাম দৃঢ়াৱৈ, অউৰ গুৰু কোই কাম ন আৱৈ।
"সাৰ নাম বিন পুৰুষ (ভগৱান) দ্ৰোহী"।

অৰ্থাৎ যি গুৰুৱে সাৰনাম বা সাৰ শব্দ নিদিয়ে নাইবা তেওঁৰ গুৰুৱে নাম উপদেশ দিয়াৰ অধিকাৰ দিয়া নাই অৰ্থাৎ কেৱল শাস্ত্ৰ অধ্যয়নেৰে যদি কোনেৱাই মনেসজা গুৰু সাজি নাম উপদেশ দিয়ে তেন্তে সেই গুৰু আৰু তেওঁৰ শিষ্য বৰ্গই নৰকগামী হবই। সিজন গুৰু ঈশ্বৰৰ

শত্রু, বিশ্বাস ঘাটক বুলি জানিবা। তেওঁক ঈশ্বৰৰ সভাত ওলোটাই ওলোমাই থোৱা হব।

বৰ্তমানে ভক্ত সমাজত নকলী গুৰুৰ দ্বাৰা এটা ভুল ধাৰণা এনেদৰে বিস্তাৰ কৰা হৈছে যে এবাৰ গুৰু ধাৰণ কৰাৰ পিচত আকৌ গুৰু সলনি কৰা অনুচিত। অলপ বিচাৰ বিবেচনা কৰি চাওক যে, গুৰু হ'ল আমাৰ জন্ম-মৃত্যু ৰূপী ৰোগৰ পৰা পৰিত্ৰাণ দিয়া (উদ্ধাৰ কৰা) বৈদ্যহে। যদি এজন বৈদ্যৰ (বেজ) দ্বাৰা আমাৰ বেমাৰ নিস্তাৰ নহয় তেনেহলে আমি বৈদ্য সলনি কৰি ভাল বেজৰ (চিকিৎসক) কাষলৈ যাম যাতে আমাৰ বেমাৰ ভাল হয়। ধৰ্মদাস দেৱৰ প্ৰথম গুৰু ৰূপদাস জী আছিল। কিন্তু যেতিয়া ধৰ্মদাস দেৱে উমান পালে যে এই গুৰু পূৰ্ণ মুক্তি দাতা নহয় তেতিয়াই তেওঁক ত্যাগ কৰি পূৰ্ণ ব্ৰহ্ম পৰমেশ্বৰ সৎপুৰুষ কবীৰ দেৱক নিজৰ গুৰু ৰূপে ললে আৰু পূৰ্ণ মুক্তি ধাম সত্যলোক প্ৰাপ্ত হ'ল। ঠিক এনেদৰে অপূৰ্ণ গুৰুক অতি শীঘ্ৰেই ত্যাগিব লাগে।

"ঝুঠে গুৰু কে পক্ষকো, তজত ন কীজৈ বাৰি"

অৰ্থ ঃ- "মিছা গুৰুক ত্যাগিবলৈ বিলম্ব নকৰিব"।

(গুৰু তথা নাম মহিমাৰ বানী)

গৰীব, বিন উপদেশ অচম্ভ হেয়, কেওঁ জীবত হ্যায় প্ৰান। বিন ভক্তি কঁহী ঠৌৰ হ্যায়, নৰ নাহি পাষান॥ ১॥
গৰীব, এক হৰিকে নাম বিনা, নাৰি কুতিয়া হো। গলী গলী ভোকত ফিৰৈ, ঢুটক না ডালৈ কো॥ ২॥
গৰীব, বিবি পৰদে ৰহৈ থী, ডয়োঢ়ী লগতী বাৰ। গাত উঘাড়ে ফিৰতী হ্যায়, বন কুতিয়া বাজাৰ॥৩॥
গৰীব, নকবে সৰ নক সে বনী, পহৰত হাৰ হমেল। সুন্দৰী সে সুনহী (কুত্তিয়া) বনী, সুনী সাহেব কে খেল॥৪॥
কবীৰ, হৰি কে নাম বিনা, ৰাজা ঋষভ হোৱে। মাটি লদৈ কুমহাৰ কৈ, ঘাস না ডালে কোৱে ॥ ৫॥
কবীৰ, ৰাম কৃষ্ণ সে কৌন বড়া, উন্নহে ভী গুৰু কীনহা। তীন লোক কে ওবে ধনী, গুৰু আগে আধীন॥ ৬॥
কবীৰ, গৰ্ভ যোগেশ্বৰ গুৰু বিনা, লাগা হৰি কী সেব। কহৈ কবীৰ স্বৰ্গ সে ফেৰ দিয়া সুখদেৱ॥৭॥
কবীৰ, ৰাজা জনক সে নাম লে, কিনহী হৰি কী সেব (পুজা)। কহৈকবীৰ বৈকুণ্ঠ মে উল্ট মিলে সুখদেৱ॥ ৮॥
কবীৰ, সৎগুৰু কে উপদেশ কা, লায়া এক বিচাৰ। জো সৎগুৰু মিলতা নহী জাতা নৰক দ্বাৰ॥৯॥
কবীৰ, নৰক দ্বাৰ মে দূত সব, কৰতে খেচা তান। উনতে কবহু না ছুটতা, ফিৰ ফিৰ্তা চাৰো খান॥ ১০॥
কবীৰ, চাৰ খানো মে ভ্ৰমতা, কবহু না লগতা পাৰ। সো ফেৰা সব মিট গয়া, সৎগুৰু কে উপকাৰ॥ ১১॥
কবীৰ, সাত সমুদ্ৰ মসি কঁৰু, লেখনী কঁৰু বনৰায়। ধৰতী কা কাগজ কৰু, গুৰু গুণ লিখা ন যায়॥ ১২॥
কবীৰ, গুৰু বড়ে গোবিন্দ সে, মন মে দেখ বিচাৰ। হৰি সুমৰে সো ৰহ গয়ে, গুৰু ভজে হুয়ে পাৰ॥ ১৩॥
কবীৰ, গুৰু গোবিন্দ দোনো খড়ে কাকে লাগু পাৱঁ। বলিহাৰী গুৰু আপনে, জিন গোৱিন্দ দিয়া মিলায়॥ ১৪ ॥
কবীৰ, হৰি কে ৰূঠতা, গুৰু কী শৰণ মে যায়। কবীৰ গুৰু যো ৰুঠ জাঁ, হৰি নহী হোত সহায়॥ ১৫॥

**কোনজনা ৰামৰ নাম জাপ কৰিব লাগে?**

শ্ৰীমদ্‌ভাগৱৎ গীতাৰ অধ্যায় নং ১৫ৰ শ্লোক নং ১৬

দ্বৌ, ইমৌ, পুৰুষৌ, লোকে, ক্ষৰঃ, চ, অক্ষৰঃ, এব, চ, ক্ষৰঃ, সৰ্বানি, ভূতানি, কুটস্থঃ, অক্ষৰঃ, উচ্চতে

অনুবাদ ঃ এই জগতত দুই প্ৰকাৰৰ ভগৱান আছে। বিনাশী আৰু অবিনাশী আৰু এই সকলো ভূত-প্ৰাণীৰ শৰীৰ বিনাশী কেৱল জীৱাত্মাকহে অবিনাশী বোলা হয়।

গীতা অধ্যায় নং ১৫ৰ শ্লোক নং ১৭

উত্তমঃ, পুৰুষঃ, তু, অন্যঃ, পৰমাত্মা, ইতি, উদাহৃতঃ, ইয়ঃ, লোকত্ৰয়ম আৱিশ্য, বিভৰ্ত্তি, অব্যয়ঃ, ঈশ্বৰঃ॥

অনুবাদ :- উত্তম ভগৱান অইন এজন হে, যি তিনিও লোকত প্ৰৱেশ কৰি সকলোকে ধাৰণ পোষণ কৰে সেই অবিনাশী পৰমাত্মাক এনেদৰে কোৱা হৈছে -

কবীৰ, অক্ষৰ পুৰুষ এক পেড় হ্যায়, নিৰঞ্জন বাকী ডাৰ॥
ত্ৰিদেবা (ব্ৰহ্মা, বিষ্ণু, শিৱ) শাখা ভয়ে, পাত ভয়া সংসাৰ॥

কবীৰ, তিন দেবকো সব ধাওঁৰে, চৌথা দেৱকা মৰম না পাওঁৰে॥
চৌহা ছাঁৰি পঞ্চম ধাওঁৰে, কহৈ কবীৰ সৌ হমৰে আওয়ে॥
কবীৰ, তিন গুনন কি ভক্তি মে, ভুলি পৰিও সংসাৰ॥
কহৈ কবীৰ নিজ নাম বিন, কৈসে উত্তৰে পাৰ॥
কবীৰ, ঔঙ্কাৰ নাম ব্ৰহ্ম (কাল) কা, ইয় কৰ্তা মতি জানি।
সাঁচা শব্দ কৱীৰ কা, পৰদা মাঁহি পহিচানি॥
কবীৰ, তিন লোক সব ৰাম জপত হ্যায়, জান মুক্তি কো ধাম।
ৰামচন্দ্ৰ বশিষ্ঠ গুৰু কিয়া, তিন কহি শুনায়ো নাম॥
কবীৰ, ৰাম কৃষ্ণ অৱতাৰ হ্যায়, ইনকা নাঁহি সংসাৰ॥
জিন সাহেব সংসাৰ কিয়া, সো কিনহু ন জন্মায়া নাৰি॥
কবীৰ, চাৰ ভূজাকে ভজন মে, ভূলি পৰে সব সন্ত।
কবীৰা সুমিৰৈ তাসু কো, জাকৈ ভুজা অনন্ত॥
কবীৰ, বশিষ্ট মুনি সে তত্ববেত্তা জ্ঞানী, শোধ কৰ লগ্ন ধৰৈ।
সীতা হৰণ মৰণ দশৰথ কো, বন-বন ৰাম ফিৰৈ॥
কবীৰ, সমুদ্ৰ পাটি লংকা গয়ে, সীতা কো ভৰতাৰ॥
তাহি অগস্ত মুনি পিয় গয়ো, ইনমে কো কৰতাৰ॥
কবীৰ, গোবৰ্ধন কৃষ্ণজী উঠায়া, দ্ৰোনাগিৰি হনুমন্ত।
শেষ নাগ সব সৃষ্টি উঠাই, ইনমে কো ভগৱন্ত॥
গৰীব, দুৰ্বাসা কোঁপে তঁহা, সমঝ ন আই নীচ।
ছপ্পন কোটি যাদব কটে, মচী ৰুধীৰ কী কীচ॥
কবীৰ, কাটে বন্ধন বিপত্তি মে, কঠিন কিয়া সংগ্ৰাম।
চিনহোঁ ৰে নৰ প্ৰাণীয়া, গৰুড় বড়ো কী ৰাম॥
কবীৰ, কহ কবীৰ চিত চেত, শব্দ কৰো নিৰুবাৰ।
শ্ৰী ৰামচন্দ্ৰকো কৰ্ত্তা কহত হ্যায়, ভুলি পৰয়ো সংসাৰ॥
কবীৰ, জিন ৰাম কৃষ্ণ নিৰঞ্জন কিয়া, সো তো কৰতা নেয়াৰ॥
অন্ধা জ্ঞান না বুঝই কহে কবীৰ বিচাৰ॥
কবীৰ, তিন গুন (ব্ৰহ্মা, বিষ্ণু, শিব) কী ভক্তি মে ভূলি পড়য়ো সংসাৰ।
কহে কবীৰ, নিজ নাম বিনা, কৈছে উতৰো পাৰ॥

**। শব্দ॥ (সন্তু ৰাম পাল দাস মহাৰাজৰ দ্বাৰা ৰচিত)**

যুদ্ধ জীত কৰ পাণ্ডব, খুশী হুয়ে অপাৰ। ইন্দ্ৰপ্ৰস্থ কী গদ্‌দী পৰ, যুধিষ্ঠীৰ কী সৰকাৰ॥ ১॥
এক দিন অৰ্জুন পুঁছতা, সুন কৃষ্ণ ভগৱান। একবাৰ ফিৰ শুনা দিয়ো উ নিৰ্মল গীতা জ্ঞান॥ ২॥
ঘমাশান যুদ্ধ কে কাৰণ, ভূল পড়ী হায় মেহে জোঁ, কা তেবোঁ ক ভগবন, তনিকনা অন্ত হেৰে॥ ৩॥
ঋষি মুনি অউৰ দেৱতা, সবকো ৰহে তুম খায়। ইকো ভী নহী ছোড়া আপনে, ৰহে তুমৰা হী গুণ গায়॥ ৪॥
কৃষ্ণ বোলে অৰ্জুন সে, ইয় গলতী কেওঁ কিন। এয়সে নিৰ্মল জ্ঞান কো ভূল গয়া বুদ্ধিহীন॥ ৫॥
অব মুঝে ভী কুছ এয়াদ নঁহী, ভূল পড়ী নিদান। যে কা তেওঁ উস গীতা কা মেয় নহী সকতা গুণগান॥ ৬॥
স্বয়ং শ্ৰীকৃষ্ণকো এয়াদহী অউ অৰ্জুন কো ধমকাঁয়ে। বুদ্ধি কাল কে হাত হায়, চাহে ত্ৰিলোকীনাথ কহলাবে॥ ৭॥
জ্ঞান হীন প্ৰচাৰ কা, জ্ঞান কঁথে দিন ৰাত। যো সৰ্ব কা খানেওবালা, কঁহে উসি কী বাত॥ ৮॥
সব কহেঁ ভগবান কৃপালু হ্যায়, কৃপা কৰে দয়াল। জিসকী সব পুজা কৰে, উব স্বয়ং কহে ম্যায় কাল॥ ৯॥
মাৰে খাওৰে সব কো, উৱ কৈস্য কৃপাল। কুত্তে, গধে, সুবৰ বনাবে হ্যায়, ফিৰ ভী দীন দয়াল॥ ১০ ॥
বাইৱেল, বেদ, কুৰাণ হ্যায়, যৈছে চাঁদ প্ৰকাশ। সুৰজ জ্ঞান কবীৰ কা, কৰে তিমৰ কা নাশ ॥ ১১ ॥

ৰাম পাল, সাচ্চা কহে, কৰো বিবেক বিচাৰ। সতনাম ওৰ সাৰনাম, এহী মন্ত্ৰ হ্যায় সাৰ॥ ১২ ॥
কবীৰ হমাৰা ৰাম হ্যায়, উৱ হ্যায় দীন দয়াল। সংকট মোচন কষ্টণ হৰন , গুণ গাওৱে ৰাম পাল॥ ১৩ ॥

**॥ শব্দ॥ (সন্ত ৰামপাল দাস মহাৰাজৰ দ্বাৰা বিৰচিত)**

ব্ৰহ্মা, বিষ্ণু, শিৱ, হ্যায় তিনো লোক প্ৰধান। অষ্টাঙ্গী ইনকি মাতা হ্যায়, অউৰ পিতা কাল ভগৱান॥ ১॥
এক লাখ কো কাল, নিত খাওৱে সিনা তান। ব্ৰহ্মা বনাওৱে বিষ্ণু পালৈ, শিৱ কৰ দে কল্যান॥ ২॥
অৰ্জুন ডৰ কেপুছতা হ্যায়, ইয় কৌন ৰূপ ভগৱান ? কহৈ নিৰঞ্জন ম্যাঁয় কালহুঁ সবকো আয়া খান॥৩॥
ব্ৰহ্ম নাম ইসি কা হ্যায়, বেদ কৰে গুন গান। জনম, মৰন চৌৰাশী, ইয় ইসকা সংবিধান॥ ৪॥
চাৰ ৰাম কি ভক্তি মেঁ লগ ৰহা সংসাৰ। পাঁচৱে ৰাম কা জ্ঞান নঁহী, যো পাৰ উতাৰণ হাৰ॥ ৫॥
ব্ৰহ্মা, বিষ্ণু, শিৱ তিনো গুণ হ্যায়, দুসৰা প্ৰকৃতি কা জাল। লাখ জীৱ নিত ভক্ষন কৰে, ৰাম তীসৰা কাল ॥৬॥
অক্ষৰ পুৰুষ হ্যায় ৰাম চৌথা, জৈসে চন্দ্ৰমা জান। পাঁচৱা ৰাম কবীৰ হ্যায় জৈসে উদয় হুৱা ভান॥৭॥
ৰামদেৱানন্দ গুৰুজী, কৰ গয়ে নজৰ নিহাল। সৎনাম কা দিয়া খজানা, বৰতে ৰামপাল॥ ৮॥

**নাম (দীক্ষা) লোৱা মানুহৰ বাবে আৱশ্যকীয় জাননী।**

পূৰ্ণ গুৰুৰ পৰিচয় ঃ- দীক্ষা লব বিচৰা সকলে সৰ্বপ্ৰথমে গুৰুজনাৰ চিনাক্তকৰণ কৰিব। তাৰ পাছত হে দীক্ষা লব। বৰ্তমান কলিযুগত ভকত সমাজৰ কাৰণে জটিল প্ৰশ্ন হৈছে পূৰ্ণ গুৰুক চিনি পোৱাটো। কিন্তু ইয়াৰ অতি লঘু আৰু সাধাৰণ উত্তৰ হ'ল যি গুৰুৱে শাস্ত্ৰ বিধি অনুযায়ী ভক্তি সাধনা কৰে আৰু নিজৰ অনুগত বিলাককো (শিষ্যবিলাকক) তেনে কৰোৱায় সেই জনেই পূৰ্ণ গুৰু বা পূৰ্ণ সন্ত। কিয়নো ভক্তি মাৰ্গৰ সংবিধান হ'ল, ধাৰ্মিক শাস্ত্ৰ যেনে- কবীৰ চাহেবৰ বাণী, নানক চাহেবৰ বাণী, সন্ত গৰীব দাস মহাৰাজৰ বাণী, সন্ত ধৰ্মদাস চাহেবৰ বাণী, বেদ, গীতা, পুৰাণ, কোৰাণ, পৱিত্ৰ বাইৱেল আদি। যি সাধু সন্তই শাস্ত্ৰ অনুসৰি ভক্তি সাধনা বৰ্ণনা কৰে আৰু ভকত সমাজক তেনে মাৰ্গ দেখুৱায় তেওঁৱে পূৰ্ণ সাধু বা সন্ত। ইয়াৰ বিপৰীতে যিয়ে শাস্ত্ৰ বিৰুদ্ধ ভক্তি শিকাই আছে, তেওঁ ভকত সমাজৰ ঘোৰ শত্ৰু। এই অমূল্য মানৱ জীৱনৰ লগত ধেমালি কৰি আছে। এনেকুৱা গুৰু বা সাধুক ঈশ্বৰৰ সভাত ঘোৰ নৰকৰ শাস্তিৰে ওলোটাকৈ ওলোমাই থোৱা হ'ব।

উদাহৰণ হিচাবে যদি কোনো অধ্যাপকে পাঠ্যক্ৰমৰ বাহিৰৰ শিক্ষা প্ৰদান কৰে তেন্তে তেওঁ ছাত্ৰ সকলৰ দোৰ্ঘোৰ শত্ৰু বুলি প্ৰতিপন্ন হ'ব।

গীতা অধ্যায় নং- ৭ৰ শ্লোক নং- ১৫

ন, মাম, দুষ্কৃতিনঃ, মুঢ়াঃ, প্ৰপদ্যন্তে, নৰাধমাঃ,
মায়য়া, অপহৃতজ্ঞানাঃ, আসুৰম, ভাৱম আশ্ৰিতাঃ॥

অনুবাদ ঃ- ত্ৰিগুণময়ী মায়া অৰ্থাৎ ৰজগুণী ব্ৰহ্মা, সৎগুণী বিষ্ণু আৰু তমগুণী শিৱৰ দ্বাৰা যাৰ জ্ঞান হৰণ কৰা হৈছে অৰ্থাৎ যি সকলে এই তিনিজন দেৱতাৰ ওপৰৰ কোনো প্ৰভুক পূজা নকৰে, সেই ব্যক্তি সকল এই তিনিজনৰ ওপৰতেই সম্পূৰ্ণ আসক্ত হয়। এই সকল ব্যক্তি অসুৰ স্বভাৱৰ আৰু মানুহৰ ভিতৰত নীচ, দুষিত কৰ্ম কৰা এই মূৰ্খ সকলে মোক নভজে অৰ্থাৎ তেওঁলোকে তিনিও গুণ (ৰজগুণী ব্ৰহ্মা, সৎগুণী বিষ্ণু, তমগুণী শিৱ)ৰ সাধনাহে কৰি থাকে।

যজুৰ্বেদ অধ্যায়-৪০ শ্লোক ১০ (সন্ত ৰামপাল দাসৰ দ্বাৰা ভাষা-ভাষ্য)

অন্যদেবাহুঃ সম্ভৱাদন্যদাহুৰ সম্ভৱাত, ইতি শুশ্ৰুম ধীৰাণাম য়ে নস্তদ্বিচচক্ষিৰে॥১০॥

অনুবাদ ঃ- পৰমাত্মাৰ বিষয়ে সাধাৰণতে নিৰাকাৰ অৰ্থাৎ কেতিয়াও জন্ম নোহোৱা বুলি কোৱা হয়। কিছুমানে আকৌ আকৃতি ধৰি অহা অৰ্থাৎ জন্ম লৈ অৱতাৰ ৰূপত অহা বুলি কয়। এই বিষয়ে (ধীৰাণাম) পূৰ্ণ জ্ঞানী জনে ভালদৰে শুনায় যে সেইজন পৰমাত্মাই জন্ম লয় নে জন্ম নলয়, এই বিষয়ত সঠিক কৈ অৰ্থাৎ যথাৰ্থ ৰূপে বিভিন্ন প্ৰকাৰে প্ৰতক্ষ

জ্ঞান কৰায়। সেই মহাত্মা সকলৰ পৰা পৰমেশ্বৰৰ বিষয়ে শুদ্ধ জ্ঞান শুনি লব। (যজুৰ্বেদ অধ্যায়-৪০ শ্লোক-১০)

গীতা অধ্যায় নং- ৪ ৰ শ্লোক নং- ৩৪।

তৎ, বিদ্ধি, প্ৰণিপাতেন, পৰি প্ৰশ্নেন, সেবয়া,
উপদেশ্যয়ন্তি, তে, জ্ঞানম্, জ্ঞানিনঃ, তত্বদৰ্শিনঃ ॥

অনুবাদ ঃ- হে অৰ্জুন! গীতা অধ্যায় ৪ শ্লোক ৩২ ত কৈছে যে (ব্ৰহ্মণঃ) সচ্চিদানন্দ ঘন ব্ৰহ্ম অৰ্থাৎ পৰম অক্ষৰ ব্ৰহ্মই (মুখে) নিজৰ মুখ কমলেৰে উচ্চাৰিত বাণীত যি যথাৰ্থ অধ্যাত্ম জ্ঞান বৰ্ণনা কৰে, সেইটো তত্ত্বজ্ঞান হয়। সেই জ্ঞানক তুমি বুজি লোৱা। সেইপূৰ্ণ পৰমাত্মাৰ জ্ঞান ও সমাধান জনা জ্ঞানী সন্তক ভালদৰে দণ্ডৱৎ প্ৰণাম কৰিলে, তেওঁৰ সেৱা কৰিলে আৰু কপট এৰি সৰল ভাৱে প্ৰশ্ন কৰিলে পৰমাত্মা তত্ত্বক ভালদৰে জনা সেই জ্ঞানী মহাত্মাই তোমাক সেই তত্ত্বজ্ঞানৰ উপদেশ দিব। পূৰ্ণ গুৰুদেৱৰ অন্য পৰিচয় ঃ-

সুক্ষ্মবেদত গুৰুৰ লক্ষণ বৰ্ণোৱা আছে ঃ-

গৰীব, সৎগুৰু কে লক্ষণ কহু, মধুৰে বৈন বিনোদ। চাৰ বেদ ছঃ শাস্ত্ৰ, কহ অঠাৰহ বোধ।।

সন্ত গৰীবদাস (গাওঁ-ছুড়ানী, জিলা-ঝজ্জৰ, হাৰিয়ানা) দেৱক পৰমেশ্বৰ কবীৰ দেৱে লগ পাইছিল। তেওঁৰ আত্মাক ওপৰৰ নিজৰ সত্যলোক (সনাতন পৰম ধাম)ত লৈ গৈছিল। ওপৰৰ সকলো লোক দেখুৱাই আকৌ পৃথিৱীত এৰি দিছিল। তেওঁক সম্পূৰ্ণ অধ্যাত্ম জ্ঞান কৈ দিছিল। পৰমেশ্বৰ কবীৰ দেৱে তেওঁৰ জ্ঞানযোগ খুলি দিছিলে। সেই জ্ঞানৰ আধাৰত সন্ত গৰীবদাস দেৱে গুৰুৰ পৰিচয় দিছে যে যিজন গুৰু সঁচা অৰ্থাৎ সদগুৰু হব তেওঁ এনেকুৱা জ্ঞান কব যে তেওঁৰ বচনে আত্মাক আনন্দিত কৰিব, অতি মধুৰ বোধ হব কাৰণ সেয়া সকলো সত্যৰ ওপৰত প্ৰতিষ্ঠিত হয়। ইয়াৰ কাৰণ এই যে সদগুৰুৱে চাৰিবেদ আৰু সকলো শাস্ত্ৰৰ জ্ঞান বিস্তাৰিত ভাৱে বৰ্ণায়। এই প্ৰমাণ পৰমেশ্বৰ কবীৰদেৱে সুক্ষ্মবেদত কবীৰ সাগৰৰ “জীৱ ধৰ্ম বোধ” অধ্যায়ত ১৯৬০ পৃষ্ঠাত দিয়া আছে ঃ-

গুৰুকে লক্ষণ চাৰ বখাণা, প্ৰথম বেদ শাস্ত্ৰ কো জ্ঞানা (জ্ঞাতা)।
দুজে হৰি ভক্তি মন কৰ্ম বাণী, তীসৰে সমদৃষ্টি কৰ জানি।
চৌথে বেদ বিধি সব কৰ্মা, য়হ চাৰ গুৰু গুণ জানো মৰ্মা।

ভাৱাৰ্থ ঃ-যিজন তত্ত্বদৰ্শী সন্ত (পূৰ্ণ সদগুৰু) হব তেওঁৰ নিম্নোক্ত চাৰিটা মুখ্য গুণ থাকিব।

১। তেওঁ বেদ আৰু অন্য সকলো গ্ৰন্থৰ পূৰ্ণ জ্ঞানী হব।

২। দ্বিতীয়তে তেওঁ পৰমাত্মাৰ ভক্তি মন-কৰ্ম বচন সহিতে স্বয়ং কৰিব, তেওঁ কেৱল ভাষণ দি নুফুৰে, তেওঁৰ কাম আৰু কথাত কোনো পাৰ্থক্য নাথাকে।

৩। তেওঁ সকলো অনুগামীক সমান দৃষ্টিৰে চায়। উচ্চ নীচৰ ভেদ-ভাৱ নকৰে।

৪। চতুৰ্থতে তেওঁ সকলো ভক্তি কৰ্ম বেদৰ মতে কৰে আৰু কৰায় অৰ্থাৎ শাস্ত্ৰানুকূল ভক্তি সাধনা কৰে আৰু কৰায়। এই উপৰোক্ত প্ৰমাণ সুক্ষ্মবেদত আছে যিবোৰ পৰমেশ্বৰে নিজ মুখ কমলেৰে কৈছে। এতিয়া আপোনাক শ্ৰীমদভাগৱত গীতাত প্ৰমাণ দেখুৱাম যে তত্ত্বদৰ্শী সন্তৰ পৰিচয় সম্পৰ্কে গীতাই কি কৈছে ? শ্ৰীমদভাগৱত গীতা অধ্যায় ১৫ শ্লোক ১ ত স্পষ্ট আছে ঃ-

ঊৰ্দ্ধৱ মূলম্ অধঃ শাখম্ অশ্বত্থম প্ৰাহুঃ অব্যয়ম।
ছন্দাসি য়স্য পৰ্ণানি, য়ঃ তম বেদ সঃ বেদবিত।।

অনুবাদ ঃ- ওপৰত মূল (শিপা) থকা, তলত তিনিগুণ ৰূপী শাখা থকা ওলোটাকৈ ওলমি থকা সংসাৰ ৰূপী আঁহতৰ বৃক্ষ বুলি জানিবা, ইয়াক অবিনাশী বোলা হয় কাৰণ উৎপত্তি প্ৰলয় চক্ৰ সদায় চলি থাকে যদিও এই বৃক্ষৰ অস্তিত্ব সদায় থাকে। এই সংসাৰ

ৰূপী বৃক্ষৰ পাত আদি হল ছন্দ অৰ্থাৎ ভাগ (Part) (য় তম বেদ) যিজনে এই সংসাৰ ৰূপী বৃক্ষৰ সম্পূৰ্ণ অংশ বোৰক তত্ত্বেৰে জানে, (সঃ) তেওঁ (বেদবিত) বেদৰ তাৎপৰ্য্যক জানে অৰ্থাৎ তেওঁ তত্ত্বদৰ্শী সন্ত হয়। উদাহৰণ স্বৰূপে গীতা অধ্যায় ৪ শ্লোক ৩২ ত কৈছে যে পৰম অক্ষৰ ব্ৰহ্মই স্বয়ং পৃথিৱীত প্ৰকট হৈ নিজৰ মুখ কমলেৰে তত্ত্বজ্ঞান বহলাই বৰ্ণায়।

উপদেশ প্ৰাপ্ত (দীক্ষিত) জনৰ বাবে মৰ্য্যদা

১) নিচা জাতীয় বস্তুৰ সেৱন নিষেধঃ হোঁকা, মদ্যপান, বীয়েৰ, তামোল, বিৰি, ছিগাৰেট, আফিং সেৱন, গুটকা, আমোদ-প্ৰমোদৰ আভাস লোৱা, গাঞ্জা পান কৰা, মঙহ, কণী আদি আৰু অইন নিচা জাতীয় বস্তুৰ ভক্ষণতো দূৰ আনকি কাকো আনি দিয়াও উচিত নহয়। মুক্তিদাতা গৰীব দাস মহাৰাজে এই সকলো বস্তুক বহুত বেয়া বুলি বৰ্ণাই নিজৰ বাণীত কৈছে যে —

সুৰাপান, মদ্য, মাংসাহাৰী, গমন কৰে ভোগৈ পৰনাৰী। সত্তৰ জনম কটত হ্যায় শীসম, সাক্ষী সাহীৱ হ্যায় জগদীশম॥ পৰ দ্বাৰা স্ত্ৰী কা খোলৈ, সত্তৰ জনম অন্ধা হো ডোলে। মদিৰা পীৱে কড়ৱা পানী, সত্তৰ জনম শ্বৱান কে জানি॥

গৰীব, হুককা হৰদম পিৱতে, লাল মিলাৱে ধুৰ। ইসমেঁ সংশয় নঁহী, জন্ম পিছলে সুৰ॥ ১॥
গৰীব, সোনাৰী জাৰি কৰে, সুৰা পান সৌবাৰ। এক চিলম হুককা ভৰৈ, ডুবৈ কালী ধাৰ॥ ২॥
গৰীব, সুৰ গউ কুঁ খাত হ্যায়, ভক্তি বিহুনে ৰাড়। ভাং তম্বাকু খা গঁয়ে, সো চাবত হ্যাঁয় হাড় ॥ ৩॥
গৰীব, ভাং তম্বাকু পীৱ নঁহী, সুৰা পান সে হেত। গোস্ত মট্টী খায় কৰ, জঙ্গলী বনে প্ৰেত॥ ৪ ॥
গৰীব, পান তম্বাকু চাব হী, নাস নাক মেঁ দেত। সো তো ইৰানে গয়ে, যেঁউ ভৰভূজে কা ৰেত॥ ৫ ॥
গৰীব, ভাং তম্বাকু পিৱ হী, গোস্ত গলা কবাব। মোৰ মৃগ কুঁ ভক্ষত হ্যাঁয় দেঙ্গে কঁহা জবাব॥ ৬ ॥

২। তীৰ্থ স্থানত যোৱা নিষেধ - কোনো ধৰণৰ ব্ৰত পালিব নেলাগে। যি কোনো তীৰ্থ যাত্ৰা, গঙ্গা স্নান কৰা, অন্য ধাৰ্মিক স্থানত স্নান কৰা তথা দৰ্শন কৰিবলৈ যাব নেলাগে। কোনো মন্দিৰ নাইবা মঠ, বা ধামত পূজা তথা ভক্তি ভাবেৰে যাব নেলাগে যে, ইয়াত ভ গৱান আছে। ভগৱান কোনো পশু নহয় যে তাক পুজাৰীয়ে মন্দিৰত বান্ধি ৰাখি থৈ দিছে। ভগৱান প্ৰত্যেক প্ৰাণীৰ হৃদয়তে ব্যাপী আছে। এইবিলাক সকলো শাস্ত্ৰ বিৰুদ্ধ ভক্তি।

অলপ বিচাৰ বিবেচনা কৰি চাওক যে এই সকলো তীৰ্থ স্থান সমূহ যেনে - (জগন্নাথ মন্দিৰ, বদ্ৰীনাথ, অয়োধ্যা ৰাম মন্দিৰ, কাশী ধাম, ছুড়ানী ধাম আদি) মন্দিৰ, মছজিদ, গুৰু দুৱাৰ, চাৰ্চ তথা ধাম আদি এনে ঠাই সমূহ যত এসময়ত কোনো সাধু সন্তই অৱস্থান কৰি আছিল। তেখেতে তাত নিজেই ভক্তি সাধনা কৰি নিজৰ ভক্তি ৰূপি পূণ্য ধন সংগ্ৰহ কৰি দেহ ত্যাগ কৰি নিজৰ ইষ্ট দেৱৰ লোক ধামলৈ গতি কৰিলে। তাৰ পিচত সেই সাধু সন্তৰ স্মৰণীয় প্ৰমাণ কৰি ৰাখিবলৈ তাত কোনোৱাই মন্দিৰ, মচ্‌জিদ, কোনোৱাই গুৰুদুৱাৰ, কোনোৱাই চাৰ্চ বা ধৰ্মশালা বনাই দিলে। যাতে তেখেতৰ স্মৃতি যুগমীয়া হৈ থাকে আৰু আমাৰ নিচিনা নিৰীহ-নিচলা প্ৰাণীয়ে প্ৰমাণ পাওঁ যে আমিও এনে ভক্তি সাধনা কৰিব লাগে যেনেকৈ সেই সাধু মহাত্মাই ভক্তি সাধনা কৰিছিল। এই সকলো ধাৰ্মিক ঠাই সমূহে আমাক জনাই দিয়ে যে যেনেকৈ ভক্তি সাধনা এইবিলাক সাধু সন্তই কৰিছিল ঠিক তেনেকৈ আপোনালোকেও কৰক। ইয়াৰ পৰা জনা গল যে সাধু সন্তক বিচাৰি উলিয়াই তেওঁৰ পথেৰে ভক্তি সাধন কৰিব লাগে। কিন্তু পৰৱৰ্তী কালত এই স্থান সমূহ পূজাৰ থলীলৈ ৰূপান্তৰ হল। এইয়া সম্পূৰ্ণ ব্যৰ্থ চেষ্টা আৰু শাস্ত্ৰবিৰোধী।

এই সকলো ঠাই এনে এখন ঠাইৰ নিচিনা যত কোনো মিঠাই বনোৱা কাৰিকৰে জুইশাল বনাই তাত জেলেপি, লাৰু আদি বনাই স্বয়ং নিজে খাই আৰু সঙ্গী সকলক খুৱাই ইহলোক এৰি গুচি গল। তাৰ পিছত সেই ঠাইত সেই মিঠাই বনোৱা কাৰিকৰ জন নতুবা সেই সুস্বাদ মিঠাই নাই। মাথোন জুইশালখনহে দেখিবলৈ পাব। সিখনে আমাক মিঠাই বনোৱা

শিকাবও নোৱাৰে নাইবা আমাক মিঠাইৰ স্বাদ দিবও নোৱাৰে। এতিয়া যদি কোনোৱাই কয় - আহা ভাইটি আপোনাক সেই জুইশালখন দেখুৱাই লৈ আহোঁ য'ত এসময়ত এজন মিঠাই বনোৱা কাৰিকৰে সুস্বাদ মিঠাই বনাইছিল। বলা যাওঁ। তাত গৈ সেই জুইশালখন দেখিলে আৰু মনৰ বিশ্বাসত সাত পাক মাৰিলে। সঁচাই কি আপুনি মিঠাই পালে জানো? নাই বা মিঠাই বনোৱা কাৰিকৰ জনক, যিয়ে মিঠাই বনোৱাৰ পদ্ধতি শিকাব পাৰে। ইয়াৰ বাবে আপুনি তেনেকুৱা মিঠাই বনোৱা কাৰিকৰ জনক বিচাৰি উলিয়াব লাগিব যিয়ে প্ৰথমে আপোনাক সুস্বাদ মিঠাই খুৱাব পাৰিব আৰু বনোৱাৰ বিধি বিধান শিকাব পাৰি। আকৌ তেওঁ যেনেকৈ কয় ঠিক তেনেকৈ কৰিবা, বেলেগকৈ নহয়।

ঠিক এনেদৰে তীৰ্থ স্থান পূজা নকৰি তেওঁৰ নিচিনা সাধু সন্তক বিচাৰ কৰি উলিয়াবা যিয়ে শাস্ত্ৰ অনুসৰি পূৰ্ণ পৰমাত্মা কবিৰদেৱক পূজা কৰিবলৈ বা ভক্তি সাধন কৰিবলৈ কয়। আকৌ যেনেকৈ তেওঁ কয় ঠিক তেনেকৈয়ে কৰিবা, নিজৰ ইচ্ছামতে একো নকৰিবা॥

সামবেদ সংখ্যা নং ১৪০০ উৰ্তাচিক অধ্যায় নং- ১২ খণ্ড নং ৩ শ্লোক নং ৫ (সন্ত ৰাম পাল দাসৰ দ্বাৰা ভাষা-ভাষ্য ঃ-

ভদ্ৰা বস্ত্ৰা সমান্যাওৱসানো মহান্ কবি নিৰ্ৱচনানি শমসন॥
আ বশ্চয়ষ্য চম্বোহ পুয়মানো বিচক্ষনো জাগৃৱিদেৱৱীতৌ॥ ৫॥

অনুবাদ - চতুৰ ব্যক্তিয়ে পূৰ্ণ পৰমাত্মা (পূৰ্ণ পৰম ব্ৰহ্ম)ৰ পূজাৰ সত্যমাৰ্গ দৰ্শন নকৰি অমৃতৰ ঠাইত অইনৰ পূজা উপাসনা (যেনে - ভূতৰ পুজা প্ৰেতৰ পুজা, শ্ৰাদ্ধ কৰা, তিনি গুণৰ পূজা (ৰজগুণ ব্ৰহ্মা, সগুণ - বিষ্ণুদেৱৰ, তমগুণ - শিৱৰ) তথা ব্ৰহ্ম কালৰ পুজা মন্দিৰ-মচ্‌জিদ গুৰুদুৱাৰ গীৰ্জা তথা তীৰ্থ উপবাস আদিৰ উপাসনা) ৰূপী ফোঁহা আৰু ঘাঁৰ পৰা ওলোৱা তেজ পুঁজক অতি আদৰেৰে আচমন কৰাই থাকে। এই ভেদ পৰম সুখদায়ক পূৰ্ণ ব্ৰহ্ম কবীৰে সশৰীৰে সাধাৰণ বেশভূষাত (বস্ত্ৰ ৰ অৰ্থ বেশভুষা, সন্তৰ ভাষাত ইয়াক চোলা বুলি কয়। যেনে ঃ- কোনো সন্তই শৰীৰ ত্যাগ কৰিলে কোৱা হয় যে মহাত্মাই চোলা এৰি গুচি গল।) সত্য লোকৰ শৰীৰৰ সমান অন্য তেজোময় শৰীৰ ধাৰণ কৰি সাধাৰণ মানুহৰ দৰে জীৱন যাপন কৰি কিছুদিন সংসাৰত থাকি নিজৰ শব্দ-সাক্ষী-দোহাৰ মাধ্যমেৰে বৰ্ণনা কৰে। পূৰ্ণ পৰমাত্মাৰ বিষয়ে অৰ্থাৎ নিজৰ বিষয়ে লুকাই থকা বাস্তৱিক সত্যজ্ঞান আৰু ভক্তি নিজেই জাগ্ৰত কৰে।

গীতা অধ্যায় নং- ১৬ ৰ শ্লোক নং ২৩

যঃ, শাস্ত্ৰবিধিম, উৎসৃজ্যয়, বৰ্ততে, কাম কাৰতঃ, ন, সঃ,
সিদ্ধিম, অৱাপ্নোতি, ন, সুখম, ন, পৰাম, গতিম্॥

অনুবাদ ঃ- যি ব্যক্তিয়ে শাস্ত্ৰবিধি ত্যাগ কৰি নিজৰ ইচ্ছামতে আচৰণ কৰে তেওঁৰ কোনো সুঃখ, সিদ্ধি আৰু পৰম গতি প্ৰাপ্ত নহয়।

গীতা অধ্যায় নং ৬ ৰ শ্লোক নং ১৬।

ন, অতি, অশ্ৰুনতঃ তু, যোগঃ, অস্তি, ন, চ, একান্তম্,
অশ্ৰুনতঃ, ন, চ, অতি, স্বপ্নশীলষ্য, জাগ্ৰতঃ, ন, এব, চ, অৰ্জুন॥

অনুবাদ ঃ- হে অৰ্জুন! এই যোগ অৰ্থাৎ ভক্তি যি অধিক ভোজনাহাৰী আৰু যি অত্যন্ত অনাহাৰী ব্ৰত ৰখা সকলৰ একান্ত নিৰ্জন ঠাইত বহি ভক্তি কৰে তথা বেচিকৈ টোপনি যোৱা নাইবা সদায় উজাগৰে থকা সকলৰ সিদ্ধি নহয়।

পুঁজে দেই ধাম কো, শীশ হলাওৱে যো। গৰীবদাস সাঁচী কহে, হদ কাফিৰ হ্যায় সো॥
কবীৰ, গঙ্গা কাঠৈ ঘৰ কৰৈ পিঁৱৈ নিৰ্মল নীৰ। মুক্তি নঁহী হৰি নাম বিন, সৎগুৰু কহৈ কবীৰ॥
কবীৰ, তীৰ্থ কৰ-কৰ জগ মুৱা, উড়ে পানী নেহায়। ৰাম হী নাম না জপা, কাল ঘসীটে যায়॥

গৰীব, পিতল হী কা থাল হ্যায়, পিতল কা লোটা। জড় মুৰত কো পুজতেঁ, আওৱেগা টোটা॥
গৰীব, পিতল চমচ্চা পুজিয়ে, যো থাল পৰোসে। জড় মুৰত কিস কাম কি, মতিৰহো ভৰোসে॥
কবীৰ, পর্বত-পর্বত মে ফিৰয়া, কাৰণ অপনে ৰাম। ৰাম সৰীখে জন মিলে, জিন সাৰে সব কাম॥

৩) দেৱ-দেবী বা পূর্ব-পুৰুষৰ পুজা নিষেধ ঃ- কোনো ধৰণৰ প্রেতৰ পুজা, শ্রাদ্ধ (শৰাধ) কৰোৱা আদি একো কৰিব নেলাগে। ভগৱান শ্রী কৃষ্ণইও ভূত-প্রেতৰ পূজা একেবাৰে মানা কৰিছিল। গীতাৰ অধ্যায় নং ৯ ৰ শ্লোক নং ২৫ বর্ণাইছে যে -

. যান্তি, দেৱব্রতাঃ, দেবান, পিতৃঋণ, য়ান্তি, পিতৃব্রতাঃ॥
ভূতানি, য়ান্তি, ভূতেয্যাঃ, মদ্ধ্যাজিনঃ, অপি, মাম্॥

অনুবাদ ঃ- দেৱতাক পূজা কৰা সকলৰ দেৱত্ব প্রাপ্তি হয়। প্রেতক পূজা কৰা সকলে প্রেতত্ব প্রাপ্তি, ভূতক পূজা কৰা সকলে ভূত যোনী প্রাপ্তি আৰু মতানুসৰি পূজন কৰা ভ কত সকলে মোকেই পাই লাভান্বিত হ'ব।

মুক্তিদাতা গৰীবদাস মহাৰাজে আৰু কবিৰ পৰমাত্মাই কয় যে -

গৰীব, ভূতৰমৈ সো ভূত হ্যায়, দেব ৰমৈ সো দেৱ। ৰাম ৰমৈ সো ৰাম হ্যায়, সুনো সকল সুৰ ভেৱ॥

এই কাৰণে সেই (পূর্ণ পৰমাত্মা) পৰমেশ্বৰক ভক্তি কৰা যাৰ দ্বাৰা পূর্ণ মুক্তি হ'ব। সেই পূর্ণ ব্রহ্ম হ'ল সৎপুৰুষ কবীৰ পৰমাত্মা। ইয়াৰ প্রমাণ গীতা অধ্যায় নং ১৮ শ্লোক নং ৪৬ ত বর্ণিত আছে।

য়তঃ, প্রবৃত্তির্ভূতানাম, যেন, সর্বমিদম, ততম্।
স্বকর্মনা, তমভ্যয়চর্য্য, সিদ্ধিম, বিন্দতি, মানৱঃ॥ ৪৬॥

অনুবাদ- যি পৰমেশ্বৰৰ দ্বাৰা সম্পূর্ণ প্রাণী জগতৰ উৎপত্তি হৈছে আৰু যিয়ে এই সম স্ত জগত ব্যাপী আছে, সেই পৰমেশ্বৰক স্বাভাৱিক কর্মৰ দ্বাৰা পূজা-সেৱা কৰি মনুষ্যই পৰম সিদ্ধিকো পাব পাৰে॥৪৬॥

গীতা অধ্যায় নং ১৮ ৰ শ্লোক নং- ৬২

তমেব, শৰম, গচ্ছ, সর্বভাবেন ভাৰত।
তৎ প্রসাদাৎ পৰাম, শান্তিম, স্থানম, প্রাপয়স্যি স্বাস্বতম্।। ৬২।।

অনুবাদঃ- হে ভৰত বংশোদ্ভব অর্জুন! তুমি সর্বতো ভাবে সেই পৰম ঈশ্বৰৰ শৰণ লোৱা। তেওঁৰ কৃপাত তুমি পৰম শান্তি (মোক্ষ) আৰু অবিনাশী পৰম পদকো লাভ কৰিবা।

ওপৰত বর্ণিত সর্বতোভাব শব্দটোৰ তাৎপর্য্য হ'ল - অইন যি কোনো দেব-দেবীৰ পূজা সেৱা নকৰি মন কর্ম বচনৰ দ্বাৰা এক পৰমেশ্বৰৰ ওপৰত আস্থা (বিশ্বাস) ৰখা।

গীতা অধ্যায় নং- ৮ ৰ শ্লোক নং ২২ঃ

পুৰুষ স পৰঃ পার্থ ভক্ত্যা লভ্যস্তনন্যয়া। য়স্যান্ত স্থানি ভূতানি য়েন সর্বমিদম ততম।।২২।

অনুবাদ ঃ- হে পৃথা নন্দন অর্জুন। সম্পূর্ণ প্রাণী যাৰ অন্তর্গত আৰু যাৰ দ্বাৰা এই গোটেই জগত ব্যাপ্ত সেই পৰম পুৰুষ পৰমাত্মাক অনন্য ভক্তিৰ দ্বাৰা লাভ কৰিব পাৰি।

অনন্য ভক্তিৰ তাৎপর্য্য হ'ল- এক পৰমেশ্বৰ (পূর্ণ ব্রহ্ম)ৰ ভক্তি সাধন কৰা। অইন দেৱ দেৱী অর্থাৎ তিনি গুণ থকা যেনে (সৎগুণ- বিষ্ণুদেৱ, ৰজগুণ - ব্রহ্মা, তমগুন - শিৱ) আদিৰ পুজা-সেৱা ৰূপত ভক্তি সাধন নকৰা। গীতা অধ্যায়য় নং ১৫ শ্লোক নং ১-৪ লৈ ঃ-

গীতা অধ্যায়য় নং ১৫ শ্লোক নং ১

উর্দ্ধমূল, অধঃশাখম, অশ্বত্থাম, প্রাহুঃ, অব্যয়ম,
ছান্দামসি, য়ষ্য, পর্নানি, যঃ, তম্, বেদ, সঃ, বেদবিৎ।।১।।

অনুবাদ ঃ- ওপৰফালে মূল শিপাৰে সৈতে আঁহত গছৰ গা-গছ, তলৰ ফালে ডাল, তাৰ তলত শাখা ডাল, তাৰ তলত উপশাখা ডালৰ সৈতে পাত ৰূপী এই জগত

সংসাৰ বৃক্ষ (গছক)ক যিয়ে জানিব পাৰিছে বা জ্ঞাতবান হৈছে সেই ভক্তাত্মাই পূর্ণ জ্ঞানী (বেদজ্ঞ)।

গীতা অঃ ১৫ শ্লোক নং ২ -

অধঃ, চ, উর্ধম্, প্রসৃতাঃ , তস্য, শাখাঃ, গুণ প্রবৃদ্ধাঃ, বিষয় প্রবালা,
অধঃ, চ, মুলানি, অনুসন্ততানি, কর্মানুবন্ধিনী, মনুষ্যলোকে।। ২।।

অনুবাদ - সেই সংসাৰ ৰূপী গছৰ তলৰ আৰু ওপৰৰ তিনি গুণ ৰজগুণব্রহ্মা, সৎগুন-বিষ্ণু, তমগুণ-শিৱৰ দৰে বিয়পি পৰা বিকাৰ যেনে কাম, ক্রোধ, লোভ, মোহ, অহংকাৰ ৰূপী ৰিপু থকা ডালৰ ব্রহ্মা, বিষ্ণু, শিৱই জীৱৰ কর্ম বন্ধনৰ মূল কাৰণ। সেয়ে মনুষ্য লোক, স্বর্গলোক, নৰকলোক পৃথিৱী লোক তলে উপৰে (চৌৰাশী লাখ যোনী ভ্রমন) ব্যস্থিত হৈছে।

গীতা অধ্যায় নং ১৫ শ্লোক নং ৩

ন, ৰূপম, অস্য, ইহ, তথা, উপলভ্যয়তে, ন, অন্তঃ, ন, চ, আদিঃ,
ন, চ, সম্প্রতিষ্ঠা, অশ্বতথ্যম্, এন, সুবিঢ়মূল, অসঙ্গশস্ত্রেন, দৃঢেন, চিত্তবা ।। ৩।।

অনুবাদ ঃ- এই ৰচনাৰ আদি-অন্ত নাই বা তেনে স্বৰূপ পোৱা নাযায়। তথা ইয়াত বিচাৰাধীন অৱস্থাত অর্থাৎ মোৰ দ্বাৰা দি থকা গীতা জ্ঞানৰ পূর্ণ জ্ঞান মোৰ নাই কিয়নো সর্ব্ব ব্রহ্মাণ্ড ৰচনাৰ সুন্দৰ স্থিতিৰ সৃষ্টিৰ বিষয়ে ময়ো অজ্ঞাত। এই ধুনীয়া স্থায়ী-স্থিত থকা মজবুত স্বৰূপী নির্মল তত্বজ্ঞান ৰূপী দৃঢ় অস্ত্রৰ দ্বাৰা অর্থাৎ নির্মল তত্বজ্ঞানৰ দ্বাৰা ছেদন কৰি অর্থাৎ নিৰঞ্জনৰ ভক্তিক খন্তেকীয়া জানিব পাৰি। (৩)

গীতা অধ্যায় নং- ১৫ ৰ শ্লোক নং- ৪

ততঃ, পদম তৎ পৰিমার্গিতব্যম য়স্মিনগতা ন নিবর্তন্তি ভূয়ঃ।
তমেব চাদ্যম পুৰুষম প্রপদ্যে য়তঃ প্রবৃত্তিঃ প্রসৃতা পুৰাণী।। ৪।।

অনুবাদঃ- তাৰ পিচত সেই পৰম পদ পৰমাত্মাৰ বিচাৰ কৰিব লাগে। যাক পালে মানুহে আকৌ সংসাৰলৈ উভটি আহিব নালাগে। সেই অনাদি কালৰ পৰা আৰু যাৰ পৰা এই সকলো প্রৱর্তন আৰু বিস্তাৰ হৈছে, সেই আদি পুৰুষ পৰমাত্মাৰ মইও শৰণাগত। এইদৰে স্বয়ং ভগৱান শ্রীকৃষ্ণই, দেবী দেৱতাৰ পূজা বন্ধ কৰাই সেই পূর্ণ পৰমাত্মাক ভক্তি সাধন কৰিবলৈ প্রেৰণা দিছিল। যি কাৰণে তেখেতে গোবর্ধন পর্ৱতক হাতেৰে উঠাই লৈ ইন্দ্রৰ কোপানলৰ পৰা ব্রজ বাসীক ৰক্ষা কৰিছিল।

গৰীব, ইন্দ্র চঢ়া ব্রীজ ডুবোবন, ভীগা ভীত ন লেও।
ইন্দ্র কঢ়াই হোত জগত মে, পুজা খা গয়ে দেও।
কবীৰ, ইস সংসাৰ কো, সমঝাঁউ কৈ বাৰ।
পুঁছ যো পকৰে ভেৰ কী, উতৰা চাহৈ পাৰ।।

৪। গুৰু আজ্ঞা পালন ঃ- গুৰু দেৱৰ আজ্ঞা নোহোৱাকৈ ঘৰত কোনো ধৰণৰ ধার্মিক অনুষ্ঠান কৰিব নালাগে।

মুক্তিদাতা কবীৰ পৰমাত্মাই নিজৰ বাণীত কৈছে যে -

“গুৰু বিন যজ্ঞ হবন যো কঁৰহী, মিথ্যা যায়ে কবহু নঁহী ফলহি।”
কবীৰ, গুৰু বিন মালা ফেৰতে, গুৰু বিন দেতে দান।।
গুৰু বিন দোনো নিস্ফল হ্যাঁয়, পুছো বেদ পুৰান।।

অনুবাদঃ- গুৰু নোহোৱাকৈ যি হোম যজ্ঞ আদি কৰে সেইবোৰ একো ফল নধৰে। মিছা হৈ যায়। বেদ পুৰাণত প্রমাণ চোৱা- গুৰু নোহোৱাকৈ মালা জপি ভক্তি সাধন আৰু দান দক্ষিণা কৰা দুয়ো নিস্ফল।

গুৰু কী আজ্ঞা নিশ্চয় কৰ মানৈ। পূৰ্ণ গুৰুকী সেৱা ঠানৈ।।

পীঢ়ী সহিত নৰক মে পড়হি। গুৰু আজ্ঞা শিষ্য লোপ জো কৰহী।।

অৰ্থাৎ গুৰুৰ আদেশ নিশ্চয়কৈ মানি চলি পূৰ্ণ গুৰুৰ সেৱা কৰিব। শিষ্যই গুৰু আদেশ লোপ (নাশ) কৰিলে সবংশে নৰকত পৰিব।

৫। আই-শীতলা আৰু অন্য দেৱীৰ পূজা নিষেধ- খেতি পথাৰত সাজি থোৱা কোনো দেৱ-দেৱীৰ বা স্থানৰ পুজা অৰ্চনা কৰিব নেলাগে। মা কালী আৰু দুৰ্গা পুজা, শ্মশান, থান যি নহওক একেবাৰে পুজিব নেলাগে। অন্য কোনো পুজা উপাসনা কৰিব নেলাগে। আনকি তিনি গুণৰ ব্ৰহ্মা, বিষ্ণু, শিৱৰ পুজা কৰিব নেলাগে। মাথোন গুৰুদেৱৰ উপদেশ মতে চলিব লাগে।

গীতা অধ্যায় নং ৭ শ্লোক নং ১৫

ন, মাম্, দুস্কৃতিনঃ, মূঢ়াঃ, প্ৰপদ্যন্তে, নৰাধমাঃ,

মায়য়া, অপহৃতজ্ঞানাঃ, আসুৰম্, ভাবম্, আশ্ৰিতাঃ।।

অনুবাদ ঃ- মায়াৰ দ্বাৰা যাৰ জ্ঞান হৰণ কৰা হৈছে অৰ্থাৎ যি সকল ত্ৰিগুণময়ী মায়া অৰ্থাৎ ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, আৰু তমগুণ শিৱৰ ভক্তিত দৃঢ় হৈ আছে তেওঁলোকৰ বুদ্ধিও এই ত্ৰিদেৱৰ ভিতৰতে দৃঢ়ভাৱে সীমিত। এই ত্ৰিদেৱৰ ওপৰৰ কোনো প্ৰভুৰ পূজা নকৰে। এনে ব্যক্তি স্বভাৱতে আসুৰিক, এনে দূষিত কৰ্ম কৰা নীচ, মূৰ্খ সকলে মোক (গীতা জ্ঞান দাতা কাল ব্ৰহ্মক) নভজে অৰ্থাৎ তিনিও গুণ (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱ)ৰ সাধনাহে কৰি থাকে।

কবীৰ, মাইমশানী শেৰ শীতলা, ভৈৰব ভূত হনুমন্ত

পৰমাত্মা উনসে দূৰ হ্যাঁয়, যো ইনকো পুজন্ত ।

কবীৰ, সৌবষতো গুৰুকী সেৱা, একদিন আন উপাসী।

উৱো অপৰাধী আত্মা, পৰৈ কাল কী ফাঁসী।।

গুৰুকো তজৈ ভজৈ যো আনা। তা পশুৱা কো ফোকট জ্ঞানা।।

৬। সংকট মোচন কবীৰ পৰমাত্মা- কৰ্ম কষ্ট (সংকট) উদ্ভৱ হলে অন্য কোনো ইষ্ট দেৱৰ বা শ্মশান-মশান-শক্তি পূজা আদিৰ কেতিয়াও কৰিব নেলাগে। কোনো তাবিজ কবজ, মাদুলী পকাই দিয়া সুতা আদি পিন্ধিব নেলাগে। মাথোন মুক্তিদাতা কবীৰ পৰম াত্মাৰ পূজা কৰিব লাগে যি সকলো দুঃখকষ্টক হৰণ কৰে।

সামবেদ সংখ্যা নং ৮২২ উৰ্তাচিক অধ্যায় ৩, খণ্ড নং ৫, শ্লোক নং ৮ (সন্ত ৰামপাল মহাৰাজ দ্বাৰা ভাষা ভাষ্য) ঃ

মনীষিভিঃ পৱতে পূৰ্ব্বঃ কবিৰ্নৃভিয়তঃ পৰি কোশাম অসিষ্যদত।

ত্ৰিতষ্য নাম জনয়ন্মধু ক্ষৰন্নিন্দ্ৰষ্য বায়ুম সখ্যায় বৰ্দ্ধয়ন।। ৮।।

অনুবাদ-সনাতন অৰ্থাৎ অবিনাশী কবীৰ পৰমেশ্বৰক মনে-প্ৰাণে বিচৰা তথা শ্ৰদ্ধা ভক্তি কৰা ভক্তাত্মাক তিনি মন্ত্ৰ জপ উপদেশ দি পৱিত্ৰ কৰি জনম মৃত্যুৰ পৰা ৰহিত কৰে তথা তাৰ প্ৰাণ অৰ্থাৎ জীৱন নিশ্বাসক যি সংস্কাৰবশ নিজৰ মিত্ৰ অৰ্থাৎ ভকতৰ শাৰীত প্ৰাপ্তি আৰু নিজৰ ভঁৰালৰ পৰা পূৰ্ণ ৰূপেৰে প্ৰাণ শক্তি বঢ়ায়। যি কাৰণে পৰমেশ্বৰৰ বাস্তৱিক আনন্দকো নিজৰ আশীৰ্বাদ প্ৰসাদেৰে প্ৰাপ্ত কৰোৱায়।

কবীৰ, দেৱী-দেৱ ঠাৰে ভয়ে, হমকো ঠৌৰ বতাও।

যো মুঝ (কবীৰ) কোপুজৈনহাঁ, উনকো লুটো খাও।।

কবীৰ, কাল জো পীষে পিষনা, জোৰা হ্যায় পনীহাৰ।

এদো আসল মজুৰ হ্যাঁয়, সৎগুৰু কে দৰৱাৰ।।

৭।অনাৱশ্যক দান নিষেধ - কৰবাত আৰু কাকো দান ৰূপে একো দিব নালাগে। পইছা, চিলাই নোহোৱা বস্ত্র আদি একো দিব নালাগে। যদি কোনোৱাই দান হিচাবে কিছু খুজিবলৈ আহে তেন্তে তাক আহাৰ খুৱাই দিয়া, গাখীৰ, চাহ, দৈ, পানী আদিৰে আপ্যায়ন কৰা। কিন্তু একো নিদিবা। নাজানো ভিখাৰীয়ে পইচাৰে উপয়োক্ত কৰিব নে নাই ? যেনে কোনো এক ব্যক্তি কোনো এক ভিখাৰীৰ মিছা কাহিনী শুনি যেনে তাৰ ল'ৰা চিকিৎসা অবিহনে কষ্ট পাই আছে। কৃপা কৰি কিছু সাহায্য কৰক এই কথা শুনি ভাবনাবশ হৈ ১০০ টকাৰ নোট এখন দিলে। সেই ভিক্ষাৰী আগেয়ে মদাহী আছিল। সেই দিন তেওঁ আধা বটল মদ ধাৰণ কৰি নিজৰ পত্নীক অত্যাচাৰ কৰিলে। তাৰ পত্নীয়ে সন্তানৰ সৈতে আত্মহত্যা কৰিলে। আপোনাৰ দ্বাৰা দিয়া দান সেই পৰিয়ালটোৰ বিনাশৰ কাৰণ হ'ল। যদি আপুনি এনে দুঃখী ব্যক্তিক সহায় কৰিব খোজে, তেন্তে তেওঁৰ লৰাক ডাক্তৰ দেখুৱাই ঊষধ কিনাই দিয়ক, কিন্তু পইচা নিদিব।

কবীৰ, গুৰু বিন মালা ফেৰতে, গুৰু বিন দেতে দান।।
গুৰু বিন দোনো নিস্ফল হ্যাঁয়, পুছো বেদ পুৰান।।।

৮। জুঠা খাদ্য খোৱা নিষেধ - এনে ব্যক্তিৰ জুঠা খাদ্য নেখাব যি মদ, মঙহ, কণী, বিৰি, ছিগাৰেট, বিয়েৰ তামোল, আফিং, গাঞ্জা আদি সেৱন কৰে।

৯। সত্যলোক গমন (দেহ ত্যাগ)ৰ পিছত, পৰলৌকিক ক্রিয়া কৰ্মকাণ্ড নিষেধঃ- যদি পৰিয়ালৰ কাৰোবাৰ মৃত্যু হয়, তেন্তে চিতাত যি কোনোৱে জুই দিব পাৰে। বামুণ, নাপিত মাতিব নেলাগে। চিতাত দাউ দাউ কৈ অগ্নি প্রজলিত হোৱাৰ সময়ত ঘৰৰ মানুহ নাইবা অইনে মঙ্গলাচাৰন কৰিব। চিতা ভষ্ম, অস্থি আন একো উঠাব নেলাগে। যদি চিতা স্থান পৰিস্কাৰ কৰিবলৈ আৱশ্যক মন কৰে তেন্তে মৰাশ দাহন হোৱাৰ পিছত অৱশিষ্ট ভস্ম, ছাই ইত্যাদি সকলো বোবতী নৈত উটুৱাই দিয়ক। সেই সময়ত মঙ্গলাচাৰন কৰিব। পৰিস্কাৰ, পৰিচ্ছন্নতা বজাই ৰাখিব। দশা, পিণ্ড, শ্রাদ্ধ শৰাধ, গোদান, খাট-পালং, পাদুকা দান একো কৰিব নেলাগে। দহ দিনীয়া, তেৰদিনীয়া, মাহেকীয়া অশৌচ বিধান পালিব নেলাগে। অইন কোনো ব্যক্তিৰ দ্বাৰা পূজা, হোম, যজ্ঞ একো কৰিব নেলাগে। আত্মীয়-স্বজ্জন, সামাজিক সমজুৱা আদি, সৎলোক গত পুন্যাত্মাৰ শোক-শান্তি প্ৰাৰ্থনাৰ বাবে এটা দিন ধাৰ্য্য কৰিব। সেই দিন, দৈনন্দিন কৰা নিত্য নিয়ম যেনে বন্তি দিয়া (জ্যোতি, বন্তি জলোৱা) প্ৰাৰ্থনা কৰা পিছত সকলোকে এসাজ উত্তম ভোজন খুওৱাব। যদি আপুনি তাৰ (বিদেহী পুন্যাত্মাৰ) নামত কিছু ধৰ্ম কৰিব বিচাৰে তেন্তে নিজৰ গুৰু দেবৰ আজ্ঞা লৈ মুক্তিদাতা গীবদাসজী মহাৰাজৰ অমৃতময়ী বাণীৰ অখণ্ড পাঠ কৰাব। যদি পাঠ কৰিবলৈ আজ্ঞা নিমিলে তেন্তে পৰিয়ালৰ নাম দীক্ষীত ভক্তই চাৰি দিন অথবা সাত দিন ঘৰৰ ভিতৰত অখণ্ড জ্যোতি (অখণ্ড বাতি) দেশী ঘিউৰ জলাব তথা ব্রহ্ম গায়ত্রী মন্ত্র প্রতিদিন চাৰিবাৰকৈ পাঠ কৰিব। তিনি নাইবা এবাৰৰ মন্ত্ৰ সৎলোক বাসী পুন্যাত্মালৈ দান সংকল্প কৰিব। যেনেকুৱা উচিত চিন্তে এবাৰ, দুবাৰ, তিনিবাৰ মন্ত্ৰ জপ ফল তাক দান কৰিব। প্রতিদিনৰ নিচিনাকৈ, বন্তি জলাব, আৰতী, নাম স্মৰণ প্ৰাৰ্থনা কৰি থাকিব। এইটো মনত ৰাখিব যে--

কবীৰ, সাথী হমাৰে চল গয়ে, হম ভী চালন হাৰ। কোবে কাগজ মে বাকী ৰহৰহী, তাতে লাগৰহীবাৰ।।
কবীৰ, দেহ পড়ী তো ক্যায়া হুৱা, ঝুটা সভী পটাট। পক্ষী উৰয়া আকাশ কুঁ, চলতা কৰ গয়া বীট।।

**"কৰ্ম কাণ্ডৰ বিষয়ে সত্য কথা"**

মোৰ (সাধু ৰাম পাল দাসৰ) পূজ্য গুৰুদেৱ স্বামী ৰাম দেবানন্দ মহাৰাজৰ ১৬ বছৰ বয়সত কোনো সাধুৰ সৎসঙ্গ শুনি বৈৰাগ্য হৈ গৈছিল। এদিন তেওঁ খেতি পথাৰত কাম

কৰিবলৈ গৈছিল। ওচৰতে এখন হাবি আছিল। বনৰ ভিতৰত সোমাই কোনো মৰা জন্তুৰ হাড়ৰ কাষত নিজৰ পৰিধান কৰা বস্তু ফালি চিৰি পেলাই থয় আৰু স্বয়ং সাধু মহাত্মাৰ লগত গুচি যায়।

যেতিয়া তাক (স্বামী ৰামানন্দৰ) বিচৰা হ'ল পৰিয়ালৰ মানুহে বনৰ ভিতৰত মৰা জন্তুৰ হাড়ৰ কাষত তাৰ ফটা-চিঙা কাপোৰ দেখি ভাবিলে যে তাক কোনো হিংস্র জন্তুৱে মাৰি খাই পেলাইছে। সেই ফটা-চিটা কাপোৰ আৰু হাড়খিনী উঠাই গাবঁলৈ আহি অন্তিম সংস্কাৰ কৰি দিয়ে। তাৰ পিছত দহা, তেৰ দিনিয়া দশা, শ্রাদ্ধ, পিণ্ড আদিৰ পৰ্ব আৰম্ভ হৈ যায়।

যেতিয়া মোৰ পূজনীয় গুৰুদেৱ বৃদ্ধাৱস্থা পাইছিল তেখেতে এবাৰৰ নিজৰ ঘৰখনলৈ উভতি গৈছিল। তেতিয়া ঘৰৰ মানুহে বুজি পালে যে এখেতে জীৱিত আছে আৰু ঘৰ এৰি গুচি গৈছিল। তেওঁবিলাকে কলে যে এখেত যেতিয়া ঘৰ এৰি গুচি গৈছিল তেতিয়া তাৰ বিচাৰ হৈছিল। বনত তাৰ পৰিধেয় বস্ত্র আৰু হাড়ৰ টুকুৰা পোৱা হৈছিল। আমি ভাবিলো যে তাক কোনো হিংস্র জন্তুৱে বধ কৰি খাই পেলাইছে আৰু সেই কাপোৰ আৰু হাড়খিনি উঠাই লৈ আনি চিতা সংস্কাৰ কৰি দিয়া হৈছে।

আকৌ মই (ৰাম পাল দাস) মোৰ পূজনীয় গুৰুদেৱৰ সৰু ভাইৰ পত্নীক সুধিলোঁ যে যেতিয়া আমাৰ পূজনীয় গুৰুদেৱ ঘৰ এৰি গুচি গৈছিল, তেতিয়া তোমালোকে কি কৰিছিলা? তেওঁ কৈছিল যে মই যেতিয়া এই ঘৰখনলৈ বিয়া হৈ আহিছিলো পিছত ঘৰখনত শ্রাদ্ধ পিণ্ড দিয়া দেখিছো। মই নিজৰ হাতেৰে এখেতৰ প্রায় ৭০ শ্রাদ্ধ পিণ্ড দিছো। তেওঁ আকৌ কৈছিল যে যেতিয়া ঘৰখনত কোনো লোকচান হৈছিল যেনে ম'হে গাখীৰ নিদিয়া, ওহাৰ বেয়া হৈ যোৱা অইন কিছু লোকচান হোৱা তেতিয়া আমি ওচৰৰ বয়সীয়াল সকলোৰে কাষত পৰামৰ্শ বিচাৰি গৈছিলো। সিহঁতে কৈছিল যে তোমালোকৰ ঘৰত কোনোৱা নিঃসন্তান (অবিবাহীত) মৰিছে সিয়ে দুখ দি আছে। তেতিয়া আমি তাক কাপোৰ দি দিওঁ।

তেতিয়া মই কৈছিলো যে এখেতে সংসাৰৰ দুখীক উদ্ধাৰ কৰি আছে। এওঁনো কাক দুঃখ দিব পাৰে ? এওঁতো সুখ দাতা হে। আকৌ মই (সাধু ৰাম পাল দাস মহাৰাজ) সেই বৃদ্ধাক কলো যে এতিয়া তো তেখেত আপোনাৰ সন্মুখত, এতিয়া তো এই বৃথা সাধনা যেনে শ্রাদ্ধপিণ্ড দিয়া বন্ধ কৰি দিয়া। তেতিয়া তেওঁ কলে যে, এয়া এক পুৰণি চলি অহা প্রথা কেনেকৈ এৰি দিওঁ ? অৰ্থাৎ আমি নিজৰ পুৰণি প্রথাত এনেদৰে লীন হৈ গৈছো যে চকুৰ সন্মুখত প্রত্যক্ষ প্রমাণ দেখিও তেওঁ নিজৰ ভূল কৰ্মটোক এৰিব পৰা নাই। ইয়াৰ পৰা প্রমান হয় যে শ্রাদ্ধ পিণ্ড দিয়া, প্রেত পূজা কৰা আদি সকলো ব্যৰ্থ।

১০। শিশুৰ জন্মত শাস্ত্র বিৰুদ্ধ পূজা নিষেধ - শিশুৰ জন্মত কোনো ধৰণৰ পৰ্ব পালিব নেলাগে। নবজাতকৰ কাৰণে প্রতিদিনৰ দৰে নিত্য পূজা, ভক্তি, আৰতি, বন্তি প্রজলন আদি বন্ধ কৰিব নেলাগে।

এই সন্দৰ্ভত এটা চমু কথা কওঁ এজন ব্যক্তিৰ বিয়াৰ দহ বছৰ পিছত পুত্র সন্তান হ'ল। পুত্রৰ জন্মৰ আনন্দত তেখেত মতলীয়া হ'ল আৰু বিশ পঁচিশ খন গাঁবক ভে াজনৰ বাবে আমন্ত্রণ কৰিলে আৰু বহুতো নাচ গান হ'ল অৰ্থাৎ টকা-পইচা খৰচ হ'ল। আকৌ এবছৰ পিছত সেই সন্তানৰ মৃত্যু হ'ল। আকৌ সেই পৰিয়াল কপাল চপৰিয়াই কান্দিবলৈ ধৰিলে আৰু নিজৰ দুৰ্ভাগ্যক দূষিবলৈ ধৰিলে। এইবাবে কবীৰ পৰমাত্মাই আমাক বৰ্ণাইছে যে -

কবীৰ, ব্যৌ পায়া খুশী হৈ, বহুত বজায়ে থাল।

আনা যানা লগ ৰহা, যো কীড়ী কা নাল।।
কবীৰ, পতঝড়আৰত দেখ কৰ,বন ৰোৱে মন মাঁহি।
উচী ডালী পাত থে, অব পিলে হো হো জাঁহি।।ত্ত
কবীৰ,পাতঝড়ইয়ুকহে, সুন ভাইতৰুবৰ ৰায়।
অব কেবিছুৰেহী নহী মিলা, ন জানে কাহা গিৰেঙ্গে যায়।।
কবীৰ, তৰুবৰ কহতা পাত সে, সুনো পাত এক বাত।।
ইহাঁ কে এহী ৰীতি হ্যাঁয়, এক আৰত এক জাৰত।।

১১। দেবী ধামত চুলি কটাই উচৰ্গ কৰিবলৈ যোৱা নিষেধ -শিশুক কোনো দেৱী ধামত মূৰৰ চুলি কটাই উৎসৰ্গা কৰিবলৈ যোৱা নিষেধ। যেতিয়া দেখা যে চুলি বাঢ়ি ডাঙৰ হৈছে কটাই পেলাই দিয়া। এটা মন্দিৰত দেখা গ'ল যে শ্ৰদ্ধালু ভক্তই নিজৰ ল'ৰা ছোৱালীৰ মূৰৰ চুলি খুৰাবলৈ আহিছে। তাত উপস্থিত নাপিতে বাহিৰত চুলি কটা দামতকৈ তিনি গুণ দাম বেচি লৈ চুলি কটাই মাক-পিতাকক দি দিলে। তেওঁ বিলাকে শ্ৰদ্ধাৰে মন্দিৰত চুলি, টকাপইচা উৎসৰ্গ কৰি আহিলে। পূজাৰীয়ে সেইখিনী মোনাত ভৰাই ললে। ৰাতি কোনোৱা সময়ত একান্ত স্থানত পেলাই থৈ আহিলে। এইটো মাথোন এটা নাটক বাজী। কিয়নো প্ৰথমৰ দৰেই স্বাভাবিক ভাবে চুলি কটোবাই বাহিৰত পেলাই দিলেই হ'ল। অখণ্ড ব্ৰহ্মাণ্ডৰ কবীৰ পৰমাত্মা পৰমেশ্বৰ নামেৰেই প্ৰসন্ন হয় কোনো ঠগপ্ৰবঞ্চনাৰ দ্বাৰা নহয়।

১২। যৌতুকৰ লেন-দেন নিষেধ ঃ- দীক্ষা লোৱাৰ পিছত যৌতুক দিবও নালাগে, লবও নালাগে।

১৩। আত্ম কল্যাণৰ বাবেহে দীক্ষা লব ঃ- নাম দীক্ষা (উপদেশ)ক মাথোন দুঃখ কষ্ট নিবাৰণ কৰিবলৈ লোৱা ঠিক নহয় আত্ম কল্যাণ কৰিবৰ হেতু লব লাগে। পিছত দেখিবা সুমিৰণ, মনন, জপন, আদি ভক্তি সাধনাৰে সুঃখ আপোনা আপুনি আহিব।

"কবীৰ, সুমিৰণ সে সুঃখ হোত হ্যায়, সুমিৰণ সে দুঃখ যায়।
কহৈ কবীৰ সুমিৰ কিয়ে, সাঁই মাঁহি সমায়।।"

১৪। ব্যভিচাৰ কৰা নিষেধ - পৰ নাৰীক মা-ভনী আদি দৃষ্টি ভঙ্গীৰে চাব লাগে। ব্যভীচাৰ মহাপাপ। যেনে - মহাৰাজ গৰীবদাস জীৰ বাণীত ঃ-

গৰীব,পৰ দ্বাৰা স্ত্ৰী কা খোলৈ।সত্তৰ জনম অন্ধা হো ডোলৈ।সুৰাপান মদ্য মাংসাহাৰী।
গমন কৰে ভোগৈ পৰ নাৰী।সত্তৰ জনম কটত হ্যাঁয় শীষম সাক্ষী সাহেব জগদীশম।।
পৰনাৰী না পৰসিও, মানো বচন হমাৰ। ভূবন চতুদৰ্শ তাস, সি, ত্ৰিলোকী কা ভাৰ।।
পৰ নাৰী না পৰসীও, সুনো শব্দ সলতন্ত। ধৰ্মৰায় কে খম্ব সে, অৰ্দ্ধমুখী লটকন্ত।।

১৫। নিন্দা কৰা আৰু শুনা নিষেধ - নিজ গুৰুৰ নিন্দা ভুলতো নকৰিবা আৰু নুশুনিৰা। শুনাবৰ অভিপ্ৰায়েৰে কোনোৱাই যদি আপোনাৰ গুৰুদেৱৰ বিষয়ে মিছা কথা কয়, তেতিয়া আপুনি কাজিয়া নকৰিব। যি নহওক এইটো বুজিব যে বক্তাই বিনা বিচাৰে মিছা কৈ আছে।।

"গুৰু কি নীন্দা শুনৈ যো কানা। তাকে নিশ্চয় নৰক নিদানা।।
অপনে মুখ যো নিন্দা কৰহী। শুকৰ স্বৰান গৰ্ভ মে পৰহী।।।

ভাবাৰ্থ- গুৰু নিন্দা চুপচাপ যি শুনি থাকে সি নৰকবাসী হবই। আৰু যি নিজ মুখেৰে গুৰু নিন্দাত লিপ্ত সি গাহৰি যোনী প্ৰাপ্ত হ'ব। নিন্দা-চৰ্চা কাকো কৰিব নেলাগে আৰু শুনিবও নেলাগে। তেওঁ যি ব্যক্তিয়ে নহওক। পৰমাত্মা কবীৰে বৰ্ণাইছে যে -

"তিনকা কবহু না নিন্দিয়ে,যো পাব তলে হো।কবহু উঠ আখিন পড়ে,পীৰ ঘনেৰী হো।।"

১৬। সৎসঙ্গ শুনা আৰু সেৱা কৰা অনিবাৰ্য্য- সৎ সঙ্গৰ বাবে সময় পালেই আহিবলৈ

চেষ্টা কৰিব। সৎ সঙ্গত গৌৰৱ, অভিমান দেখুৱাৰ মনোভাৱেৰে নাহিব। পাৰিলে নিজকে এজন বেমাৰী হিচাবে চিন্তি আহিব। যেনেকুৱা বেমাৰী মানুহ যিমানেই ধনী আৰু মানী নহওক কিয় ? তেওঁ যেতিয়া চিকিৎসালয়ত আহিব তেতিয়া তেওঁৰ মূল উদ্দেশ্য হ'ল আৰোগ্য হোৱাহে। যত চিকিৎসকে শুৱলৈ কয় ততেই শুই যায়, বহিবলৈ কলে বহি যয়, বাহিৰলৈ যাবলৈ নিৰ্দেশ দিলে ওলাই যায়। আকৌ ভিতৰলৈ আহিবলৈ দিলে আহি পৰে। ঠিক এইদৰেই আপুনি যদি সৎ সঙ্গলৈ আহে তেতিয়া আপোনাৰ সৎ সঙ্গলৈ অহাৰ উদেশ্য সফল হ'ব অন্যথা নিস্ফল। সৎসঙ্গত য'ত বহিবলৈ ঠাই পাব তাতেই বহি যাব, যি খাবলৈ পায় তাকেই কবীৰ পৰমাত্মাৰ কৃপাৰে পোৱা প্ৰসাদ বুলি ভাবি ভোজন কৰি প্ৰসন্ন চিত্তে থাকিব। গুৰু দৰ্শনৰ পৰা বহুতো লাভ হয়। কবী পৰমেশ্বৰে কৈছে যে ঃ-

কবীৰ, সন্তমিলন কুঁচলিয়ে, তজমায়া অভিমান। যো-যো কদম আগে ৰাখে, ৰহ হী যজ্ঞ সমান।।
কবীৰ, সন্তমিলন কুঁইয়ে, দিন মে কোই কোইবাৰ। আসোজ কে মেহ যোঁ, ঘনা কৰে উপকাৰ।।
কবীৰ, দৰ্শন সাধু কা, পৰমাত্মা আওয়ে এয়াদ। লেখে মে উবহে ঘড়ী, বাকী কে দিন বাদ।।
কবীৰ, দৰ্শন সাধু কা, মুখ পৰ বসে সুহাগ। দৰ্শ উনহী কো হোত হ্যাঁয়, জিনকে পূৰ্ণ ভাগ।।

১৭। গুৰুজনাৰ সমান মহত্ব কাকো দিব নালাগে ঃ- যদি কৰবাত সৎ সঙ্গ বা পাঠ চলি আছে নাইবা গুৰু দৰ্শন কৰিবলৈ যোৱা তেতিয়া সৰ্ব প্ৰথমে গুৰুদেৱক দণ্ডবত প্ৰণাম কৰা উচিত। পিছত সৎগ্ৰন্থ চাহেব তথা চিত্ৰবোৰ যেনে পৰমাত্মা কবীৰদেৱৰ ছবি, গৰীবদাস মহাৰাজৰ ছবি, স্বামী ৰাম দেবানন্দ মহাৰাজৰ ছবি তথা গুৰুদেৱৰ ছবিক প্ৰণাম কৰিবা যাৰ দ্বাৰা অন্তৰত ভাবনা ৰৈ যাব। মূৰ্তি পূজা কৰিব নেলাগে। মাথোন প্ৰণাম কৰা পুজা নহয়, ভকতৰ শ্ৰদ্ধা অন্তৰত থাপনা হোৱাৰ সুযোগ দিয়ে। পূজা গুৰু তথা নাম মন্ত্ৰৰ হে কৰিব লাগে যিটোৱে মোক্ষ পোৱাত সহায় কৰিব।

কবীৰ, গুৰু সে অধিক ন কোই ঠহৰাই। মোক্ষ পন্থ নহী গুৰু বিন পাই।।
কবীৰ, গুৰু কো তজৈ, ভজৈ জো আনা। তা পশুৱা কা ফোকট জ্ঞানা।।
কবীৰ গুৰু গোবিন্দ দোউ খড়ে, কাকে লাগু পাঁয়ে। বলীহৰী গুৰুআপনে, যন গোবিন্দ দিয়ো মিলায়।।
কবীৰ, গুৰুবড়ে হ্যায় গোবিন্দ সে, মন মেঁ দেখ বিচাৰ।
হৰি সুমৰে সো ৰহ গয়ে, গুৰুভজে হোয়ে পাৰ।।
কবীৰ, হৰিকে ৰুঠতা, গুৰুকে শৰন মে যায়। কবীৰ গুৰু যো ৰূঠ জা, হৰি নহী হোত সহায়।।
কবীৰ, সাতসমুদ্ৰ মসি কৰো, লেখনি কৰো বনিৰায়। ধৰতীকা কাগজ কৰো, তো গুৰু গুন লিখা না যায়।।

১৮। মঙহ ভক্ষণ নিষেধ- ডিম তথা মাংস খোৱা আৰু প্ৰাণী বধ নাইবা হিংসা কৰা নিষেধ। এইবোৰ মহাপাপ। যেনে- কবীৰ পৰমাত্মা আৰু গৰীব দাস মহাৰাজে বৰ্ণনাইছে যে-

**কবীৰ, জীবনে হিংসা কৰে, প্ৰকট পাপ সিৰ হোয। নিগম পুনি এয়সে পাপ তেঁ, ভিৰতগয়া নহী কোয়।।১।।**
**কবীৰ, তিলভৰ মছলী খায়কে, কোটী গৌ দে দান। কাশী কৰোঁত লে মৰে, তো ভীনৰক নিদান।।২।।**
**কবীৰ, বকৰী পাতী খাত হ্যায়, তাকী কাঢ়ীখাল। যো বকৰী কোখাতহ্যায়, তিন কা কৌন হৱাল ।।৩।।**
**কবীৰ, গলা কাটি কলমা ভৰে, কিয়া কহে হলাল। সাহেব লেখা মাঁগসী, তব হোসী কৌন হৱাল।৪।।**
**কবীৰ, দিনকো ৰোজা ৰহত হ্যায়, ৰাত হনত হ্যাঁয় গায়। ইয় খুন উব বন্দগী, কহু কিউ খুশী খুদায়।।৫।।**
**কবীৰ, কবিৰা তেই পীৰ হ্যায়, যো জানৈ পৰ পীড়। যো পৰ পীড় ন জানি হ্যায়, সো কাফিৰ বেপীৰ।।৬।।**
**কবীৰ, খুব খানা হ্যায় খিচৰী, মহী পৰী টুক লৌন। মাংস পৰায়া খায়কে, গলা কটাবে কৌন।।৭।।**
**কবীৰ, মুসলমান মাৰৈ কৰদ সো, হিন্দু মাৰৈ তৰবাৰ। কহৈ কবীৰ দোনো মিলি, যায় যমকেদ্বাৰ।।৮।।**
**কবীৰ, মাংস আহাৰী মানৱ, প্ৰত্যক্ষ ৰাক্ষস জানি। তাকি সঙ্গতি মতি কৰৈ, হৈভক্তি মেঁ হানি।।৯।।**

**কবীৰ, মাংস খায় ঢেড় সব, মদ পিঁৱৈ সো নীচ। কুলকী দুৰমতি পৰ হৰৈ, ৰাম কহেঁ সো ঊচঁ।।১০।।**
**কবীৰ, মাংস মছলীয়া খাত হ্যায়, সুৰাপান সে হেত। তে নৰ নৰকে জাঁহিঙ্গে, মাতা পিতা সমেত ।।১১।।**
**গৰীব, জীব হিংসা যো কৰতে হ্যায়, এয়া আগে ক্যায়া পাপ। কন্টকজুনী য়িহনমে সিংহভেৰিয়া ঔৰ সাপ ।।১২।।**
**ঝোটে বকৰে মুৰগে তাই। লেখা সব হী লেত গুসাই। মৃগ মোৰ মাৰে মহমন্তা। অচৰা চৰ হায় জীব অনন্তা।।১৩।।**

জিহবা স্বাদ হিতে প্ৰানা। নীমা নাশ গয়া হম জানা।।
তিতৰ লবা বুটেৰী চিড়িয়া। খুনী মাৰে বড়ে অগড়িয়া।।
অদলে বদলে লেখে লেখা। সমঝ দেখ সুন জ্ঞান বিবেকা।।
গৰীব,শব্দ হমাৰা মানিও, অউৰ সুনতে হো নৰ নাৰী।।
জীর দয়া বিন কুফৰ হ্যায়, চলে জমানা হাৰি।।

অজানিতে হোবা হিংসাত পাপ নেলাগে। মুক্তিদাতা কবীৰ পৰমেশ্বৰে কয় যে-

“ইচ্ছা কৰ মাঁৰৈ নহী, বিন ইচ্ছা মৰ যায়ে। কহৈ কবীৰ তাসু কা, পাপ নহী লগায়ে।।”

১৯। গুৰু দ্ৰোহীৰ সম্পৰ্ক নিষেধ- যদি কোনো ভকত বা শিষ্যই গুৰুৰ প্ৰতি দ্ৰোহ কৰে (গুৰু বিমুখ হোৱা) তেন্তে তেওঁ মহা পাপৰ ভাগী হ’ব। যদি কাৰো মাৰ্গ পচন্দ নহয় তেতিয়া নিজৰ গুৰু সলনি কৰিব পাৰে। যদি তেওঁ পূৰ্বৰ গুৰুৰ লগত শত্ৰুতা তথা নিন্দা কৰে তাক গুৰুদ্ৰোহী বুলি কোৱা হয়। এনে ব্যক্তিৰ লগত ভক্তি চৰ্চা কৰিলে উপদেশীৰ (নাম দীক্ষা লোৱা জনৰ) দোষ লাগে। তাৰ ভক্তি সাধনা নষ্ট হৈ যায়। গৰীব, গুৰুদ্ৰোহী কী পেড় পৰ, জে পগ আবে বীৰ। চৌৰাশী নিশ্চয় পড়ৈ, সৎগুৰু কহৈ কবীৰ।।

কবীৰ, জান বুজ সাচী তজৈ, কৰৈ ঝুঠ সে নেহ। জাকি সঙ্গত হ্যায় প্ৰভু, স্বপ্ন মে ভী না দেহ।।

অৰ্থাৎ গুৰু দ্ৰোহীৰ ওচৰত যোৱা জনো ভক্তি ৰহিত হৈ নৰক তথা চৌৰাশী লাখ যোনীত ভ্ৰমিব লাগে।

২০। জুৱা খেলা নিষেধ - জুৱা, তাঁচ কেতিয়াও খেলিব নেলাগে।

কবীৰ, মাংস ভখৈ অউৰ মদ পিয়ে, ধন বেশ্যা সো খায়। জুৱা খেলি চোৰী কৰৈ, অন্ত সমুলা যায়।

ভাবাৰ্থ ঃ মদ, মাংস, বেশ্যা গমন, জুৱা খেলি নিৰ্ধন হৈ বাধ্যত পৰি চুৰি কৰিব লগা হয়। শেষত ভিক্ষাৰী লৈ পৰিৱৰ্তন হয়।

২১। নাচ-গান-নিষেধ - কোনো ধৰণৰ সুখৰ অবসৰ পালে অশ্লীল নৃত্যগীত উপভো াগ কৰাটো ভক্তি ভাব বিৰুদ্ধ। যেনে - এসময়ত এজনী বিধবা ভনীয়ে কোনো এক নিজৰ আত্মীয়ৰ ঘৰলৈ গৈছিল। সকলোৱে আনন্দত মতলীয়া হৈ নাচি গাই আছিল কিন্তু বিধবা ভনী জনীয়ে এফালে বহি প্ৰভু চিন্তনত লাগি আছিল। আকৌ তাইৰ আত্মীয় স্বজনে সুধিলে, তাই কিয় নিৰাশ হৈ বহি আছে? তাইয়ো আমাৰ দৰে নাচক গাওক, আনন্দ ফুৰ্তি কৰক। ইয়াকে শুনি ভনীজনীয়ে কলে মইনো কাৰ কাৰণে আনন্দ ফুৰ্ত্তি কৰোঁ। মোৰ এজন মাথোন পুত্ৰ আছিল, তাকো ঈশ্বৰে নিলে। এতিয়া মোৰ নো কি আনন্দ? ঠিক এইদৰে এই কাল ব্ৰহ্মৰ লোকত প্ৰত্যেক ব্যক্তিৰ এই দশা। এই খিনিতে গুৰু নানক দেবৰ বাণীত বৰ্ণাইছে যে-

না জানে কাল কি কৰ ডাৰৈ, কিস বিধি ঢল পাস বে।
জিন্নাদে সিৰতে মৌত খুৰগদী, উনানু কেড়া হানসা বে।।
সাধ মিলে সাড়ী শাদী (খুশী) হোন্দী, বিছৰ দাঁ দিল গিৰি (দুঃখ) বে।
অখদে নানক শুনো জিহানা, মুস্কিল হাল ফকিৰী বে।।

কবীৰ পৰমাত্মাই কয় যে ঃ-

কবীৰ, ঝুঠে সুঃখ কো সুঃখ কহৈ, মান ৰহা মন মোদ।
সকল চবীনা কাল কা, কুছ মুখ মে কুছ গোদ।।

কবীৰ, বেটা জায়া খুশী হুই, বহুত বজায়ে থাল।
আবন জানা লগ ৰহা, যোঁ কিড়ি কা নাল।।

বিশেষ ঃ- স্ত্ৰী-পুৰুষ দুয়ো পৰমাত্মা প্ৰাপ্তিৰ অধিকাৰী। স্ত্ৰী সকলৰ মাহেকীয়া ঋতুমতী (Menses) হলেও নিজৰ দৈনিক পুজা, বন্তি প্ৰজ্জলন কৰা আদি বন্ধ কৰিব নেলাগে, নাইবা কাৰো জন্ম বা মৃত্যুতে দৈনিক পূজা কৰ্ম বন্ধ কৰিব নেলাগে।

নোট ঃ- যি ভকত বা শিষ্যই এই একৈশ সুত্ৰীয় নীতি নিয়মৰ আদেশ পালন নকৰে তেওঁৰ নাম খণ্ডণ হয়। যদি অজানিতে কোনো ভুল হৈ যায় সেইটো ক্ষমা হ'ব পাৰে আৰু যদি জানি বুজি ভুল কৰি পেলায়, তেন্তে সেই ভকতজন নাম ৰহিত হৈ যাব। ইয়াৰ সমাধান মাথোন গুৰুদেবৰ ওচৰত ক্ষমা বিচাৰি পুনঃৰাই নাম উপদেশ লব পাৰে।

লেখক
সন্ত ৰামপাল দাস মহাৰাজ
সতলোক আশ্ৰম, বৰৱালা
জিলা-হিসাৰ, হৰিয়ানা (ভাৰত)

## সৃষ্টি ৰচনা

### (সুক্ষ্ম বেদৰ পৰা নিস্কৰ্ষ ৰূপ সৃষ্টি ৰচনাৰ বৰ্ণনা)

ঈশ্বৰ প্ৰেমী আত্মাই যেতিয়া তলত বৰ্ণিত সৃষ্টি ৰচনা প্ৰথম বাৰৰ বাবে পঢ়িব তেতিয়া এনে লাগিব য়েন এইয়া মিছা। কিন্তু সকলো পৱিত্ৰ সদগ্ৰন্থৰ প্ৰমাণ পঢ়ি আচৰিত হৈ যাব যে, সঁচাই এই বাস্তৱিক অমৃত জ্ঞান ইমান দিনে কত লুকাই আছিল? অনুগ্ৰহ কৰি ধৈৰ্য্যৰে সৈতে মনোযোগেৰে পঢ়ি থাকক আৰু এই অমৃত জ্ঞানক হৃদয়গত কৰক। আপোনাৰ এশ পুৰুষলৈ কামত আহিব। হে পুন্যাত্মা সকল, অনুগ্ৰহ কৰি সত্যনাৰায়ণ (অবিনাশী প্ৰভু/সৎপুৰুষ) দ্বাৰা ৰচিত সৃষ্টি ৰচনাৰ ৱাস্তৱিক জ্ঞান পঢ়ক।

১। পূৰ্ণ ব্ৰহ্ম ঃ- এই সৃষ্টি ৰচনাত সপুৰুষ সৎলোক স্বামী (প্ৰভু), অলখ পুৰুষ-অলখলোক স্বামী (প্ৰভু), অগম পুৰুষ-অগম লোকৰ স্বামী (প্ৰভু) তথা অনামী পুৰুষ অনামী অকহী লোক স্বামী (প্ৰভু) এই জনেই পূৰ্ণ ব্ৰহ্ম, যি বাস্তৱত অবিনাশী প্ৰভু আৰু যি ভিন্ন ভিন্ন ৰূপ ধাৰণ কৰি চাৰিও লোকত থাকে। যাৰ অন্তৰ্গত অসংখ্য ব্ৰহ্মাণ্ড অৱস্থিত।

২। পৰব্ৰহ্ম - ই মাথোন সাত সংখ্যা ব্ৰহ্মাণ্ডৰ স্বামী (প্ৰভু), ইয়াক অক্ষৰ পুৰুষ বোলে। এওঁ তথা ইয়াৰ ব্ৰহ্মাণ্ডো ৱাস্তৱত অবিনাশী নহয়।

৩। ব্ৰহ্ম - ই কেৱল একৈশ ব্ৰহ্মাণ্ডৰ স্বামী (প্ৰভু)। ইয়াক ক্ষৰ পুৰুষ, জ্যোতি নিৰঞ্জন, কাল আদি উপমাৰে ৰিজোৱা হয়। এওঁ তথা ইয়াৰ সৰ্ব ব্ৰহ্মাণ্ডও বিনাশী।

(ওপৰৰক্ত তিনি পুৰুষৰ (প্ৰভু) প্ৰমাণ পৱিত্ৰ শ্ৰী মদ্ভগৱত গীতা অধ্যায় ১৫ শ্লোক নং ১৬-১৭ উপলব্ধ।

৪। ব্ৰহ্মা ঃ- ব্ৰহ্মা ই ব্ৰহ্মৰ জেষ্ঠ পুত্ৰ, বিষ্ণুঃ দ্বিতীয় পুত্ৰ আৰু শিৱ অন্তিম তৃতীয় পুত্ৰ। এওঁলোক তিনিও ব্ৰহ্মৰ পুত্ৰ, মাথোন এটাকৈ বিভাগ (গুণ)ৰ স্বামী (প্ৰভু) তথা নাশবান। বিস্তৃত বিৱৰণৰ বাবে অনুগ্ৰহ কৰি নিম্ন লিখিত সৃষ্টি ৰচনা পঢ়ক :

(কবিদেৱ (কবিৰ পৰমাত্মা) সুক্ষ্মবেদ অৰ্থাৎ কবীৰ বানীত নিজৰ দ্বাৰা ৰচিত সৃষ্টি ৰচনাৰ জ্ঞান স্বয়ং নিজে বৰ্ণনাইছিল সেয়া এনেধৰণৰ)

সৰ্ব প্ৰথম মাথোন এখন স্থান অনামী (অনাময়) লোক আছিল। যাক অকহ লোক বুলি কোৱা হয়, পূৰ্ণ পৰমাত্মা সেই অনামী লোকত অকলেই আছিল। সেই পৰমাত্মাৰ ৱাস্তৱিক নাম কবীৰ্দেৰ্ব অৰ্থাৎ কবীৰ পৰমেশ্বৰ। সকলো আত্মাই সেই পূৰ্ণ পৰমাত্মাৰ শৰীৰত নিহিত হৈ আছিল। এই কবীদেৱৰ উপমাত্মক নাম (পদবী) অনামী পুৰুষ। (পুৰুষৰ

অৰ্থ হ'ল প্ৰভু বা ঈশ্বৰ। ঈশ্বৰে মানুহক নিজৰ স্বৰূপত জনম দিছে, এই বাবে ম ানুহৰ নাম পুৰুষ হৈছে।) অনামী পুৰুষৰ এডাল নোমৰ (শৰীৰৰ নোম) ৰশ্মিৰ প্ৰকাশ কড়োৰ সূৰ্য্যৰ ৰশ্মিতকৈও অধিক। বিশেষ ঃ- যেনেকুবা কোনো দেশৰ আদৰণীয় প্ৰধানমন্ত্ৰী মহাশয়ৰ শৰীৰৰ নাম এটা কিন্তু তাৰ পদবীৰ উপামাত্মক নাম হ'ল প্ৰধানম ন্ত্ৰী। কেতিয়াবা প্ৰধান মন্ত্ৰীয়ে নিজৰ কাষত একাধিক বিভাগ ৰাখে। য়েতিয়া যি বিভাগৰ নথি পত্ৰত চহী কৰিবৰ প্ৰয়োজন তেতিয়া সেই বিভাগৰ পদবীৰ ওপৰত চহী কৰে। যেনে ঃ- গৃহমন্ত্ৰলয়ৰ নথি পত্ৰত গৃহমন্ত্ৰীৰ চহী কৰিব তেতিয়া সেই ব্যক্তিৰ চহীৰ ক্ষম তাৰ আধাৰত কাম হ'ব। এইদৰে কবীৰ পৰমেশ্বৰ দেবৰ ক্ষমতা ভিন ভিন লোকত সুচাৰুৰূপে সম্পন্ন হয়।

ঠিক এনেদৰে পূৰ্ণ পৰমাত্মা কবীৰ্দেবে তলৰ আৰু তিনিটা লোক (অগম লোক, অলখ লোক, সৎ লোক)ৰ ৰচনা শব্দ বচনেৰে কৰিছে। এই পূৰ্ণ ব্ৰহ্ম কবীৰ পৰম াত্মা (কবীৰ পৰমেশ্বৰ) অগম লোকত প্ৰকট হৈ অগম লোকৰ স্বামী (প্ৰভু) হ'ল তথা ইয়াত তেখেতেৰ উপমাত্মক (পদবী) নাম অগম পুৰুষ অৰ্থাৎ অগম প্ৰভু। এই অগম প্ৰভূৰ মানৱ সদৃশ শৰীৰ বহুত তেজোময় যাৰ এডাল নোমৰ (শৰীৰৰ নোম) ৰশ্মি কোটি-কোটি সূৰ্য্যৰ পোহৰতকৈও অধিক। এই পূৰ্ণ পৰমাত্মা কবীৰ্দেব (কবীৰ দেব কবীৰ পৰমেশ্বৰ) অলখ লোকত আৰ্বিভাৱ হৈ তথা অলখ লোকৰ প্ৰভু হ'ল তথা উপমাত্মক (পদবী) নাম অলখ পুৰুষ এই পৰমেশ্বৰৰ তথা এই পূৰ্ণ প্ৰভুৰ মানব সদৃশ শৰীৰৰ পৰা তেজোময় জ্যোতি স্বয়ং প্ৰকাশিত হয়। ইয়াৰ এডাল নোমৰ (শৰীৰৰ নোমৰ) জ্যোতি (আলো) কোটি সূৰ্য্যৰ পোহৰতকৈও অধিক।

এই পূৰ্ণ প্ৰভু সৎ লোকত প্ৰকট হৈছে তথা এওঁয়েই সৎলোকৰ অধিপতি। এই বাবে ইয়াৰ উপমাত্মক (পদবীৰ) নাম হ'ল সৎপুৰুষ (অবিনাশী ঈশ্বৰ)। তেওঁৰ আন নাম বোৰ হ'ল অকালমূৰ্তি, শব্দ স্বৰূপী ৰাম-পুৰ্ণ ব্ৰহ্মপৰম অক্ষৰ ব্ৰহ্ম আদি। এই সৎপুৰুষ কবীৰ দেবৰ মানব সদৃশ শৰীৰ তেজোময় আভাৰে দীপ্ত। তেওঁৰ এডাল ৰোমৰ ৰশ্মিৰ প্ৰকাশ কোটি-কোটি চন্দ্ৰ সূৰ্য্যৰ পোহৰতকৈও অধিক।

এই কবীৰ দেবে (কবীৰ প্ৰভুৱে) সৎপুৰুষ ৰূপত সৎলোকত প্ৰকট হৈ প্ৰথমে সৎলোকত অন্য ৰচনা কৰিলে। এটা শব্দৰে (বচন) যোল্ল দ্বীপৰ ৰচনা কৰিলে। আকৌ যোল্ল শব্দৰে যোল্ল পুত্ৰৰ উৎপত্তি কৰিলে। অমৃতৰে ভৰা এটা মান সৰোবৰ ৰচনা কৰিলে। যোল্ল পুত্ৰৰ নামবোৰ এনে ধৰণৰ ঃ- (১)কুৰ্ম (২) জ্ঞানী (৩) বিবেক (৪) অগ্নি (৫) সহজ (৬) সন্তোষ (৭) সুৰতি (৮) আনন্দ (৯) ক্ষমা (১০)নিষ্কাম (১১) জলৰঙ্গী (১২) অচিন্ত (১৩) প্ৰেম (১৪) দয়া(১৫) ধৈৰ্য্য (১৬) যোগ সন্তায়ন অৰ্থাৎ যোগজীৎ।

সৎপুৰুষ কবিৰদেৱে নিজ পুত্ৰ অচিন্তক শক্তি প্ৰদান কৰি সৎলোকৰ অন্য ৰচনাৰ সৃষ্টিৰ দায়িত্ব অৰ্পণ কৰিলে। অচিন্তই অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ক শব্দ শক্তিৰে উৎপত্তি কৰি কলে যে মোক সহায় কৰিব। অক্ষৰ পুৰুষ গা ধুবলৈ মানসৰোবৰ লৈ গল, তাতে আনন্দত টোপনিয়ালে। বহু সময়লৈ তাৰ পৰা ওলাই নাহিল। তেতিয়া অচিন্তই অক্ষৰ পুৰুষক টোপনিৰ পৰা জগাবলৈ কবীৰ পৰমেশ্বৰক প্ৰাৰ্থনা কৰিলে। কবিৰদেৱে (কবিৰ পৰমেশ্বৰ) সেই মান সৰোবৰৰ পৰা কিছু অমৃত জল লৈ এটা কণী সাজিলে। সেই কণীটোত এটা আত্মা প্ৰবেশ কৰাই তাক মান সৰোবৰৰ অমৃত জলত এৰি দিলে। কণীটো বাগৰী গৈ অক্ষৰ পুৰুষৰ টোপনি ভাঙিলে। তেখেতে কণীটোক খঙেৰে দেখিলে য়ি কাৰণে কণীটো ফাটি দুভাগ হৈ গল। তাৰ পৰা জ্যোতি নিৰঞ্জন (ক্ষৰ পুৰুষ) ওলালে যাক আগলৈ 'কাল' বোলা হ'ল। ইয়াৰ বাস্তৱিক নাম 'কৈল'। তেতিয়া সৎ পুৰুষ (কবিৰদেব) দৈৱবানী কৰিলে

# পৰমেশ্বৰ কবীৰ পৰমাত্মাৰ অসংখ্য ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ

অনামী লোক :- এই লোকত কবীৰ সাহেব অনামী পুৰুষ ৰূপে থাকে। ইয়াত অকলে থাকে।

অগম লোক :- এই লোকতো কবীৰ পৰমাত্মাই অগম পুৰুষৰ ৰূপত থাকে।

অলখ লোক :- এই লোকতো কবীৰ পৰমাত্মাই অলখ পুৰুষ ৰূপত থাকে।



য়ে তোমালোক দুয়ো বাহিৰলৈ ওলাই আহা আৰু অচিন্তৰ দ্বীপত বাস কৰা। আজ্ঞা পাই অক্ষৰ পুৰুষ তথা ক্ষৰ পুৰুষ (কাল) দুয়ো অচিন্তৰ দ্বীপত থাকিবলৈ ললে। (শিশুৰ নিৰ্বুদ্ধিতা সিহঁতক দেখুবালে, কৰবাত আকৌ প্ৰভু যাতে নহয় কিয়নো সামৰ্থ্য অবিহনে কোনো কাৰ্য্য সফল নহয়) আকৌ সৰ্বশক্তিমান কবীৰদেবে সকলো সৃষ্টি ৰচনা স্বয়ং নিজে কৰিলে। নিজৰ শব্দ শক্তিৰে এক ৰাজেশ্বৰী (ৰাষ্ট্ৰীয়) শক্তি উৎপন্ন কৰি সৰ্বৰ ব্ৰহ্মাণ্ডক স্থাপন কৰিলে। ইয়াকে পৰাশক্তি পৰানন্দনীও বোলে। পূৰ্ণ ব্ৰহ্মই সকলো আত্মাকে নিজৰ ভিতৰতে নিজ বাক শক্তিৰে নিজ মানৰ শৰীৰ সদৃশ উৎপন্ন কৰিলে। প্ৰত্যেক হংস আত্মাক (জ্ঞানী আত্মাক) পৰমাত্মাৰ যেনেকুৰা শৰীৰ তেনেকুৰা কৰি সৃষ্টি কৰিলে যাৰ তেজ ষোল্ল সুৰুযৰ নিচিনা মানৰ সদৃশ হ'ল। কিন্তু পৰমেশ্বৰৰ শৰীৰৰ এডাল নোম কুপৰ প্ৰকাশ ৰশ্মি কোটি সুৰ্য্যতকৈও অধিক। বহুত সময়ৰ পিচত ক্ষৰ পুৰুষে (জ্যোতি নিৰঞ্জন/কাল) ভাবিলে যে আমি তিনিও (অচিন্ত-ক্ষৰ পুৰুষ-অক্ষৰ পুৰুষ) এটা দ্বীপত অৱস্থান কৰি আছো আৰু অন্য এক এক দ্বীপত আছে। মইও সাধনা কৰি বেলেগ দ্বীপ লাভ কৰো। তেওঁ এনেকৈ চিন্তা বিচাৰ কৰি এটা ভৰিৰ ওপৰত থিয় হৈ সত্তৰ (৭০) যুগ ধৰি তপ কৰিলে।

**"আত্মা কেনেকৈ কালৰ জালত বন্দী হ'ল"**

বিশেষ - যেতিয়া ব্ৰহ্মই (জ্যোতি নিৰঞ্জন/কাল) তপ কৰি আছিল, আমি সকলো আত্মাই, যি সকলে আজি জ্যোতি নিৰঞ্জনৰ একৈশ ব্ৰহ্মাণ্ডত বাস কৰো ইয়াৰ সাধনাত আসক্ত হৈ অন্তৰ আত্মাৰে সৈতে ইয়াকে বিচাৰিবলৈ ধৰিলো। নিজৰ সুখদাতা প্ৰভু (ঈশ্বৰ) সত্য পুৰুষৰ পৰা বিমুখ হলো। যি কাৰণে পতিব্ৰতা পদৰ পৰা পতিত হৈ গলো। পূৰ্ণ প্ৰভু (পৰমেশ্বৰ কবীৰদেবে) সঘনাই সাবধান কৰি দিয়া স্বত্বেও ক্ষৰ পুৰুষৰ পৰা আমাৰ আসক্তি নুগুচিল। (এই প্ৰভাব আজিও কালৰ (ক্ষৰ পুৰুষৰ) সৃষ্টিত বিদ্যমান। যেনে ডেকা-গাভৰু, কিশোৰ-কিশোৰী অভিনেতা-অভিনেত্ৰীৰ কৃত্ৰিম অভিনয় চাই (যি সকলে পেটৰ কাৰণে অভিনয় কৰে) আসক্ত হয়, বাধা দিলেও নামানে। যদি কোনো অভিনেতা-অভি নেত্ৰী ওচৰৰ চহৰলৈ আহে সিহঁতক দৰ্শন কৰিবলৈ নিৰ্বোধৰ দৰে একত্ৰিত হৈ বহু সংখ্যকে ভিৰ কৰেহি। 'লেনদেন একো নাই' ৰোজগাৰ অভিনেতাই কৰি আছে আৰু লৰা ছোৱালীক লুটি আছে। আই, দেউতাই কিমান বুজায় কিন্তু নামানে। কৰবাত কেনেবাকৈ লুকাই চুৰকৈ হলেও ৰং চাবলৈ যায়।

পূৰ্ণ ব্ৰহ্ম কবীৰদেব (কবিৰ পৰমাত্মা) ক্ষৰ পুৰুষৰ জপ-তপত তুষ্ট হৈ সুধিলে যে কি বিচৰা? তেওঁ কলে পিতৃ, এই স্থান মোৰ বাবে কম হৈছে, মোক বেলেগকৈ দ্বীপ প্ৰদান কৰক। সৎপুৰুষ কবীৰ পৰমাত্মাই তেওঁক (২১) একৈশ ব্ৰহ্মাণ্ড দান কৰিলে। কিছু সময় পিছত জ্যোতি নিৰঞ্জনে ভাবিলে যে ইয়াত কিবা নহয় কিবা সৃষ্টি কৰা উচিত। খালী ব্ৰহ্মাণ্ড (ফ্লেট/আবাস) কি কামত আহিব? ইয়াকে বিৱেচনা কৰি ৭০ (সত্তৰ) যুগ তপ কৰি কবিৰদেব পৰমাত্মাৰ পৰা সৃষ্টি সামগ্ৰীৰ বাবে প্ৰাৰ্থনা কৰিলে। সৎপুৰুষে তাক তিনি গুণ, আৰু পাচ তত্ত্ব প্ৰদান কৰিলে। যাৰ দ্বাৰা ব্ৰহ্মই (জ্যোতি নিৰঞ্জন) তেওঁৰ নিজ ব্ৰহ্মাণ্ডত কিছু সৃষ্টি কৰিলে। আকৌ চিন্তা কৰিলে ইয়াত কিছু জীৱ থাকিব লাগে নহলে অকলে ভাল নালাগে। এইটো বিচাৰ কৰি আকৌ ৬৪ (চৌষ্ঠি) যুগ তপ কৰিলে। পূৰ্ণ পৰমাত্মা কবিৰদেৱে জানিব খোজাত কলে যে মোক কিছুমান আত্মা দিয়া নহলে মোৰ ইয়াত অকলে মন নবহে। তেতিয়া সৎপুৰুষৰ কবীৰগ্নিয়ে (কবীৰ পৰমেশ্বৰে) কলে যে ব্ৰহ্ম তোমাৰ তপৰ ফলস্বৰূপে আৰু ব্ৰহ্মাণ্ড দিব পাৰো, কিন্তু মোৰ আত্মা বিলাকক কাৰো জপ-তপ সাধনাৰ ফলস্বৰূপে দিব নোৱাৰো। যদি কোনোবাই স্বইচ্ছাই তোমাৰ লগত যাব খোজে তেন্তে তেওঁ যাব পাৰে। যুবা কবীৰ (সমৰ্থ

কবীৰ )ৰ বচন শুনি জ্যোতি নিৰঞ্জন আমাৰ কাষলৈ আহিল। আমি সকলো হংস আত্মা (জ্ঞানী আত্মা) আগৰে পৰাই তাৰ প্ৰতি আসক্ত আছিলো। আমি তাক চাৰিওফালে বেৰি ধৰি থিয় দিলো। জ্যোতি নিৰঞ্জনে কলে যে মই পিতাশ্ৰী (কবিৰ পৰমাত্মা) ৰ পৰা ২১ ব্ৰক্ষাণ্ড বেলেগকৈ প্ৰাপ্ত কৰিছো। তাত নানা প্ৰকাৰৰ সুবিধাৰে সৈতে ৰমণীয় স্থান আছে। আপোলোকে মোৰ লগত যাব নে? আমি সকলো হংসই, যি আজি ২১ ব্ৰহ্মাণ্ডত বিড়ম্বনাত আছো, কলো যে আমি সকলো যাবলৈ প্ৰস্তুত যদি পৰম পিতাই (কবিৰ পৰমেশ্বৰ) আজ্ঞা দিয়ে। তেতিয়া ক্ষৰ পুৰুষ (কাল) পূৰ্ণ ব্ৰহ্ম পৰম পিতাৰ (কবিৰ পৰমেশ্বৰ) কাষলৈ গল আৰু সকলো কথা খুলি কলে। তেতিয়া কবীৰগ্নিয়ে (কবীৰ পৰমেশ্বৰ) কলে যিয়ে মোৰ সন্মুখত ৰাজী হ’ব মই তাকেহে যাবলৈ আজ্ঞা দিম। ক্ষৰ পুৰুষ তথা পৰম অক্ষৰ পুৰুষ (কবিৰ পৰমাত্মা) দুয়ো হংসাত্মাৰ কাষলৈ আহিল। সৎ কবিৰদেৱে কলে যে যি হংসাত্মা ব্ৰহ্মাৰ (কাল) লগত যাব খোজে তেওঁ নিজৰ হাত ওপৰলৈ দাঙক। নিজ পিতৃৰ সমুখত কাৰো সাহস নহল। কোনোৱেও হাত নাদাঙিলে। বহুত সময় নিস্তব্ধ হৈ ৰলো। তাৰ পিছত এজন হংসাত্মাই বুকুত সাহস যোগাই কলে, পিতাই মই যাব খোজো। আৰু কি চাবা? তাক দেখা দেখি (যি সকলে আজি কালৰ (ব্ৰহ্ম) একৈশ ব্ৰহ্মাণ্ডত বন্দী হৈ থকা) আমি সকলো হংসাত্মাই স্বীকৃতি দিলো। কবিৰ পৰমেশ্বৰে জ্যোতি নিৰঞ্জনক নিজ স্থানলৈ গুচি যাবলৈ আজ্ঞা দিলে আৰু কলে যি সকল তোমাৰ লগত যাব খুজিছে মই সেই সকলো হংসাত্মক তোমাৰ কাষলৈ পঠিয়াই দিম। জ্যোতি নিৰঞ্জনে নিজৰ ২১ ব্ৰহ্মাণ্ডলৈ গুচি গ’ল। সেই সময়ত এই ব্ৰহ্মাণ্ড সৎলোকত আছিল।

তাৰ পিছত পূৰ্ণ ব্ৰহ্মই প্ৰথমে স্বীকৃতি দিয়া হংসাত্মাক ছোৱালীৰ ৰূপ দিলে কিন্তু স্ত্ৰী যোনী নকৰিলে তথা সকলো আত্মাক (যিবিলাকে জ্যোতি নিৰঞ্জন (ব্ৰহ্ম)ৰ লগত যাবলৈ ৰাজি হৈছিল) সেই ছোৱালীৰ শৰীৰত প্ৰবেশ কৰাই দিলে তথা তাইৰ নাম অষ্টাঙ্গী (আদি মায়া/প্ৰকৃতি দেবী/দুৰ্গা দেবী) ৰাখিলে আৰু সত্যপুৰুষে (কবীৰদেব) কলে হে পুত্ৰী মই তোমাক শব্দ শক্তি প্ৰদান কৰিলো যিমান জীব ব্ৰহ্মই বিচাৰে সিমানেই উৎপন্ন কৰিবা। পূৰ্ণ ব্ৰহ্ম কবীৰদেব নিজ পুত্ৰ সহজ দাসৰ দ্বাৰা প্ৰকৃতি দেবীক ক্ষৰ পুৰুষৰ ওচৰলৈ পঠাই দিলে। সহজ দাসে ক্ষৰ পুৰুষক কলে যে পৰম পিতাই এই ভনী জনীৰ শৰীৰত সেই সকলো আত্মাক প্ৰবেশ কৰাই যি সকলে আপোনাৰ লগত যাবলৈ সন্মতি ব্যাক্ত কৰিছিল তাইক শক্তিৰে সিদ্ধ কৰাই দিছে, আপুনি যিমান জীব পাবলৈ হাবিয়াস কৰে এই প্ৰকৃতি দেবীয়ে নিজ শব্দ বচনেৰে উৎপন্ন কৰি দিব। এই কথা কৈ সহজ দাস নিজৰ দ্বীপলৈ উভ তি আহিল। যুৱতী হোবা কাৰণে ছোৱালীজনীৰ (প্ৰকৃতি দেবী) ৰং, ৰূপ, চেহেৰা জিলিকি আছিল। ব্ৰহ্মাৰ ভিতৰত বিষয় বাসনা (কাম ভাব) জাগি উঠিল তথা প্ৰকৃতি দেবীৰ লগত অশিষ্ট আচৰণ কৰিবলৈ ধৰিলে। তেতিয়া দুৰ্গাই কলে, জ্যোতি নিৰঞ্জন, পৰম পিতাই প্ৰদান কৰা বাকশক্তি মোৰ ওচৰত আছে। আপুনি যিমান প্ৰাণী বিচাৰে মই মুখৰ বাক্যৰে উৎপন্ন কৰি দিম। আপুনি মৈথুন পৰম্পৰা আৰম্ভ নকৰিব। আপুনিও সেই পৰম পিতাৰ শব্দৰ দ্বাৰা কণীৰ (অণ্ড) পৰা উৎপন্ন হৈছে তথা মইও শব্দৰ দ্বাৰা পিছত উৎপন্ন হৈছোঁ। আপুনি মোৰ ডাঙৰ ভাই, ভাই ভনীৰ এনে মিলন মহাপাপৰ কাৰণ হব। কিন্তু জ্যোতি নিৰঞ্জনে প্ৰকৃতি দেৱীৰ কাকুতি মিনতি একো নুশুনিলে তথা নখেৰে নিজ শব্দ শক্তিৰ দ্বাৰা স্ত্ৰী যোনী প্ৰকৃতিদেবীৰ (দুৰ্গা দেবী) শৰীৰত লগাই দিলে আৰু বলৎকাৰ কৰিবলৈ চেষ্টা কৰিলে। সেই সময়ত দুৰ্গা দেবীয়ে নিজৰ লাজ ৰক্ষা কৰিবলৈ আন কোনো উপায় নেদেখি সূক্ষ্ম ৰূপ

# এখন ব্ৰহ্মাণ্ডৰ লঘু চিত্ৰ



ধাৰণ কৰিলে তথা জ্যোতি নিৰঞ্জনৰ খোলা মুখেৰে তাৰ পেটত প্ৰবেশ কৰি পূৰ্ণব্ৰহ্ম কবীৰ দেৱক স্মৰণ কৰি আত্মৰক্ষাৰ কাৰণে প্ৰাৰ্থনা কৰিলে। সেই সময়ত কবীৰদেৱ নিজ পুতেক যোগ সত্যায়ন অৰ্থাৎ যোগজীতৰ ৰূপ ধাৰণ কৰি তাত উপস্থিত হল আৰু দুৰ্গাক ব্ৰহ্মৰ পেটৰ পৰা বাহিৰলৈ উলিয়াই আনিলে তথা কলে যে জ্যোতি নিৰঞ্জন আজিৰ পৰা তোমাৰ নাম কাল হ'ব। তোমাৰ জন্ম-মৃত্যু হৈ থাকিব। এই বাবে তোমাৰ নাম ক্ষৰ পুৰুষ হ'ব তথা প্ৰতিদিনে এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰৰ বিকাৰ খাবা আৰু ১.২৫ লাখ উৎপন্ন কৰিবা। তোমালোকে দুজনকে ব্ৰহ্মাণ্ডৰ সৈতে বহিস্কাৰ কৰা হ'ল। এইখিনি পৰম পিতাই কওঁতেই ২১ ব্ৰহ্মাণ্ড বিমানৰ দৰে গতি কৰিলে। সহজ দাসৰ দ্বীপৰ কাষেদি যাওঁতেই সৎলোকৰ পৰা ষোল্ল শংখ কচ (এক ক্ৰোশ মোটামুটি ৩কিঃ মিঃ) দূৰত গৈ ৰ'ল।

বিশেষ বিবৰণ ঃ- এতিয়া তিন শক্তিৰ বিবৰণৰ কথা।

১। পূৰ্ণ ব্ৰহ্ম যাক আন উপমাত্মক নামেৰে জনা যায়, যেনে সৎপুৰুষ, অকাল পুৰুষ, শব্দ স্বৰূপী ৰাম, পৰম অক্ষৰ পুৰুষ, পৰম অক্ষৰ ব্ৰহ্ম আদি। এই পূৰ্ণব্ৰহ্ম অসংখ্য ব্ৰহ্মাণ্ডৰ গৰাকী আৰু বাস্তৱত অবিনাশী।

২। পৰব্ৰহ্ম, যাক অক্ষৰ পুৰুষ বুলি কোৱা হয়। এওঁ বাস্তৱত অবিনাশী নহয়। এওঁ সাত সংখ ব্ৰহ্মাণ্ডৰ গৰাকী।

৩। ব্ৰহ্ম, যাক জ্যোতি নিৰঞ্জন, কাল, কৈল, ক্ষৰ পুৰুষ তথা ধৰ্মৰাজ আদি নামেৰে জনা যায়, যি কেৱল ২১ ব্ৰহ্মাণ্ডৰ গৰাকী। এতিয়া আগলৈ এই ব্ৰহ্ম (কাল)ৰ সৃষ্টিৰ এটা ব্ৰহ্মাণ্ডৰ পৰিচয় দিয়া হ'ব, য'ত তিনিটা আৰু নাম পঢ়িবলৈ পাব ব্ৰহ্মা, বিষ্ণু, তথা শিৱ।

ব্ৰহ্ম তথা ব্ৰহ্মাৰ পাৰ্থক্য ঃ- এটা ব্ৰহ্মাণ্ডত সৰ্বোপৰি স্থানৰ ওপৰত ব্ৰহ্ম (ক্ষৰ পুৰুষ) স্বয়ং তিনিটা গোপন স্থান ৰচনা কৰি ব্ৰহ্মা, বিষ্ণু তথা শিৱৰূপত থাকে আৰু নিজ পত্নী প্ৰকৃতি (দুৰ্গা)ৰ সহযোগত তিনি পুত্ৰক জন্ম দিয়ে। তেওঁলোকৰ নামো ব্ৰহ্মা, বিষ্ণু তথা শিৱ ৰাখে। যি ব্ৰহ্মৰ পুতেক ব্ৰহ্মা তেওঁ এটা ব্ৰহ্মাণ্ডত কেৱল তিনি লোকৰ (যেনে, পৃথিবী, স্বৰ্গ , পাতাল) এটা ৰজগুণ বিভাগৰ গৰাকী। ইয়াক ত্ৰিলোকীয় ব্ৰহ্মা কোৱা হয় আৰু যি ব্ৰহ্ম ব্ৰহ্মলোকত ব্ৰহ্মা ৰূপে থাকে তাক মহাব্ৰহ্মা তথা ব্ৰহ্মলোকীয় ব্ৰহ্মা কোৱা হয়। এই ব্ৰহ্মক (কাল) সদাশিৱ, মহাশিৱ, মহা বিষ্ণুও কোৱা হয়।

শ্ৰী বিষ্ণুপুৰাণৰ প্ৰমাণঃ - চতুৰ্থ অংশ অধ্যায় ১ পৃষ্ঠা ২৩০-২৩১ ৰ শ্ৰী ব্ৰহ্মাই কলে যি অজন্মা, সৰ্বময় বিধাতা পৰমেশ্বৰৰ আদি, মধ্য, অন্ত, স্বৰূপ, স্বভাব আৰু মৰ্ম আমি নাজানো (শ্লোক ৮৩)। যি মোৰ ৰূপ ধাৰণ কৰি সংসাৰ সৃষ্টি কৰে, স্থিতিৰ সময়ত যি পুৰুষ ৰূপ হয় তথা যিয়ে ৰুদ্ৰ ৰূপেৰে গোটেই বিশ্ব গ্ৰাস কৰে, অনন্ত ৰূপেৰে গোটেই জগতক ধাৰণ কৰে (শ্লোক নং ৮৬)।

### শ্ৰী ব্ৰহ্মাদেৱ, শ্ৰী বিষ্ণুদেৱ, তথা শ্ৰী শিৱদেৱৰ উৎপত্তি

কালে (ব্ৰহ্ম) প্ৰকৃতি দেৱীক (দূৰ্গা) কলে এতিয়া কোনে মোৰ কি হানি কৰিব ? যি ইচ্ছা তাকেই কৰিম, প্ৰকৃতিয়ে আকৌ বিনতী কৰি কলে-আপুনি অলপ লাজ কৰক। প্ৰথমে আপুনি মোৰ জেষ্ঠ ভাই, কিয়নো সেই পূৰ্ণ পৰমাত্মাই (কবীৰদেৱ) আপোনাক বাক শক্তিৰে কণীৰ পৰা উৎপন্ন কৰিছে আৰু পিছত মোৰো উৎপত্তি সেই পূৰ্ণ পৰমাত্মাৰ বাক শক্তিৰ দ্বাৰাই হৈছে। দ্বিতীয়তে মই আপোনাৰ গৰ্ভৰ পৰা ওলাই আহিলো। এই কাৰণে মই আপোনাৰ জীয়ৰী আৰু আপুনি মোৰ পিতা, এই পৱিত্ৰ সম্পৰ্ক নষ্ট কৰিলে মহাপাপ হ'ব। মোৰ ওচৰত পৰম পিতাই প্ৰদান কৰা বাক্ শক্তি আছে। যিমান প্ৰাণী আপুনি কব

মই মোৰ মুখৰ বচনেৰে উৎপন্ন কৰি দিম। জ্যোতি নিৰঞ্জনে দুৰ্গাৰ একো কাকুতি মিনতি নুশুনিলে আৰু কলে যে মোৰ (ব্ৰহ্মৰ) যি শাস্তি পাব লগা আছিল তাক তো পালোৱেই, মোক সৎলোকৰ পৰা বহিস্কাৰ কৰিলে। এতিয়া মনে যি বিচাৰে তাকেই কৰিম। এই কথা কৈ কাল পুৰুষে (ক্ষৰ পুৰুষ) বল পূৰ্বক দুৰ্গা দেৱীক (প্ৰকৃতি) বিয়া কৰিলে তথা তিনি পুতেক (ৰজগুণ যুক্ত ব্ৰহ্মাদেৱ, সতগুণ যুক্ত-বিষ্ণুদেৱ তথা তম গুণ যুক্ত - শিৱ দেৱ) উৎপত্তি হল। যুৱক হোৱালৈকে তিনিও পুতেকক দুৰ্গাৰ দ্বাৰা অচেতন কৰোৱাই দিলে, আকৌ যুৱক হোৱাত শ্ৰী ব্ৰহ্মা দেৱক পদুম ফুলৰ ওপৰত শ্ৰী বিষ্ণু দেৱক শেষনাগৰ শয্যাৰ ওপৰত আৰু শ্ৰী শিৱ দেবক কৈলাশ পৰ্বত শিখৰত অৱস্থান কৰাই চেতন কৰিলে। তাৰ পিছত প্ৰকৃতিৰ (দুৰ্গা) দ্বাৰা এই তিনিও জনৰ বিবাহ কৰাই দিয়া হয় আৰু এক ব্ৰহ্মাণ্ডত তিনি লোক (যেনে - স্বৰ্গ লোক, পৃথিবী লোক আৰু পাতাল লোক)ত এটা এটা বিভাগৰ প্ৰভু নিযুক্ত কৰে। যেনে শ্ৰী ব্ৰহ্মাদেব ৰজোগুণ বিভাগৰ শ্ৰী বিষ্ণুদেব সত্বগুণ বিভাগৰ আৰু শ্ৰী শিব শঙ্কৰক তমোগুণ বিভাগ আৰু স্বয়ং গুপ্ত (মহাব্ৰহ্মা-মহাবিষ্ণু-ম হাশিব) ৰূপে মুখ্য মন্ত্ৰীৰ পদ চম্ভালি এখন ব্ৰহ্মাণ্ডত এখন ব্ৰহ্মলোকৰ সৃষ্টি কৰিছে। তাতেই তিনিখন গোপন ঠাই সজালে। এখন ৰজগুণ প্ৰধান ঠাই যত এই ব্ৰহ্ম (কাল) স্বয়ং মহাব্ৰহ্মা (মুখ্যমন্ত্ৰী) ৰূপত থাকে তথা নিজ পত্নী দুৰ্গা দেৱীক মহাসাবিত্ৰী ৰূপত ৰাখে। এই দুজনৰ মিলনৰ ফলত যি পুত্ৰ এই স্থানত উৎপত্তি হয় সিজন আপোনা আপুনি ৰজগুণী হৈ যায়। দ্বিতীয় স্থান সতগুণ প্ৰধান ঠাই সজালে। তাত এই ক্ষৰ পুৰুষ স্বয়ং ম হাবিষ্ণুৰ ৰূপত থাকে আৰু নিজ পত্নী দুৰ্গাক মহালক্ষ্মী ৰূপত ৰাখি যি পুত্ৰ উৎপন্ন কৰে তেওঁৰ নাম বিষ্ণু ৰাখে, সিজন পুত্ৰ সৎগুণ যুক্ত হয়। তৃতীয়তে এই কালে সেইখিনিত এখন তম গুণ প্ৰধান ঠাই সৃষ্টি কৰিলে। তাত এওঁ স্বয়ং সদাশিৱ ৰূপ বনাই থাকে আৰু নিজ পত্নী দুৰ্গাক মহা পাৰ্বতী ৰূপত ৰাখে। এই দুজনাৰ পতী-পত্নীৰ ব্যবহাৰত যি পুত্ৰৰ উৎপন্ন হ'ল তেওঁৰ নাম শিব ৰাখিলে আৰু তেওঁক তমোগুণ যুক্ত কৰি দিলে। (প্ৰমাণৰ বাবে চাওক পৱিত্ৰ শ্ৰী শিৱ মহাপুৰাণ বিদ্যবেশ্বৰ সংহিতা পৃষ্ঠা নং ২৪-২৬ যত ব্ৰহ্মা, বিষ্ণু, ৰুদ্ৰ তথা মহেশ্বৰৰ পৰা অইন সদাশিৱ আছে তথা ৰুদ্ৰ সংহিতা অধ্যায় নং ৬ তথা ৭, পৃষ্ঠা নং ১০০ৰ পৰা ১০৫তথা ১১০ ওপৰত অনুবাদ কৰ্তা শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, গীতা প্ৰেচ গোৰখ পুৰৰ পৰা প্ৰকাশিত তথা পবিত্ৰ শ্ৰীম দ দেৱী মহাপুৰাণ তৃতীয় স্কন্দ পৃষ্ঠা নং ১১৪ পৰা ১২৩ লৈ, গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত যাৰ অনুবাদ কৰ্তা শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ, চিমনলাল গোস্বামী) আকৌ এই তিনিওক অন্ধকাৰত ৰাখি নিজৰ খাবৰ বাবে শ্ৰীব্ৰহ্মা দেবৰ দ্বাৰা জীবৰ উৎপত্তি, শ্ৰী বিষ্ণু দেবৰ দ্বাৰা স্থিতি (এজনে আনজনৰ ওপৰত মোহ মায়াৰ জালত বন্দী কৰা) তথা শ্ৰী শিবৰ দ্বাৰা সংহাৰ (কিয়নো কাল পুৰুষ অভিশপ্ত হোৱাত এক লাখ মানব শৰীৰ ধাৰী প্ৰাণীৰ সূক্ষ্ম শৰীৰৰ পৰা মলি বাহিৰ কৰি খাব লাগে। তাৰ কাৰণে একৈশ ব্ৰহ্মাণ্ডত এটা তপ্ত শিলাখণ্ড আছে যি সকলো সময়তে গৰম হৈ থাকে। তাৰ ওপৰত গৰম কৰি মলি উলিয়াই খাব লাগে। জীব নমৰে কিন্তু অসহনীয় কষ্ট সহিব লাগে। আকৌ প্ৰাণীৰ কৰ্মৰ আধাৰত অইন শৰীৰ প্ৰদান কৰে। যেনে কোনো ঘৰৰ ভিতৰত তিনিটা কোঠালী আছে। এটা কোঠালীৰ ভিতৰত অশ্লীল চিত্ৰ ওলোমাই থোবা আছে। সেই কোঠালীত সোমোৱাৰ লগে লগেই মনৰ ভিতৰত তেনে বেয়া ভাৱ উপজে। দ্বিতীয় কোঠালীত সাধু-মহন্তৰ চিত্ৰ ওলোমাই থোবা আছে। তাক দেখাৰ লগে লগেই মনত ভ াল বিচাৰ, ঈশ্বৰ চিন্তন আহি পৰে। তৃতীয় কোঠালীত দেশ প্ৰেমীক তথা বীৰ শ্বহীদৰ ফটো ওলোমাই থোবা আছে। তেনে চিত্ৰ দেখাৰ লগে লগেই মনত বীৰত্বৰ বিচাৰ

আহি পৰে। ঠিক এইদৰে ব্ৰহ্মাই (কাল) নিজৰ বিচাৰ-বুদ্ধিৰে ওপৰোক্ত তিনিগুণ প্ৰধান স্থানৰ সৃষ্টি কৰিছে।

**তিনি গুণ কি? প্ৰমাণৰ সৈতে**

"তিনিগুণ যেনে - ৰজগুণ-ব্ৰহ্মাদেব, সতগুণ-বিষ্ণুদেৱ, তমগুণ-শিৱদেৱ। ব্ৰহ্ম (কাল) তথা প্ৰকৃতিৰ (দূৰ্গা) পৰা উৎপন্ন হোবা তিনিও নাশাবান।" যাৰ বিনাশ আছে।

প্ৰমাণ - গীতা প্ৰেচ গৌৰখ পুৰৰ প্ৰকাশিত শ্ৰী শিৱ মহাপুৰাণ যাৰ সম্পাদক শ্ৰীহনুমান প্ৰসাদ পোদ্ধাৰ পৃষ্ঠা সংখ্যা ২৪ পৰা ২৬ লৈ বিদ্যাৰেশ্বৰ সংহিতা তথা পৃষ্ঠ নং ১১০ অধ্যায় ৯ ৰুদ্ৰ সংহিতা এনেদৰে ব্ৰহ্মা, বিষ্ণু তথা শিৱ তিনিও দেৱতাৰ গুণ আছে তদুপৰি শিৱক (ব্ৰহ্ম- কাল) গুণাতীত কোৱা হৈছে।

২ য় প্ৰমাণ ঃ- গীতা গৌৰখ পুৰৰ পৰা প্ৰকাশিত শ্ৰীমদদেবী ভাগবত পুৰাণ যাৰ সম্পাদক শ্ৰীহনুমান প্ৰসাদ পোদ্ধাৰ চিমন লাল গোস্বামী, তৃতীয় স্কন্ধ অধ্যায় পৃষ্ঠা ১২৩ ভগৱান বিষ্ণুবে দুৰ্গাক স্তুতি কৰি কলে মই (বিষ্ণু), ব্ৰহ্মা তথা শংকৰ তোমাৰ কৃপাতে বিদ্যমান হৈ আছো। আমাৰ আবিৰ্ভাব (জন্ম) তথা তিৰোভাব (মৃত্যু) হয়। আমি নিত্য (অবিনাশী) নহওঁ। তুমিয়ে নিত্য, জগত জননী, প্ৰকৃতি আৰু সনাতনী দেৱী। ভগৱান শংকৰে কলে যদি ভগৱান ব্ৰহ্মা তথা ভগৱান বিষ্ণুও তোমাৰ পৰাই উৎপন্ন হৈছে তেনেহলে তাৰ পিছত উৎপন্ন হোবা মই তমোগুণী লীলা কৰা শংকৰ কি তোমাৰ সন্তান নহয়? অৰ্থাৎ মোৰো জন্মদাত্ৰী মাতৃ তুমিয়েই। এই জগতৰ সৃষ্টি - স্থিতি - সংহাৰত তোমাৰ গুণ সদা সৰ্বদা বিদ্যমান। এই তিনিও গুণৰ পৰা উৎপত্তি হোৱা আমি ব্ৰহ্মা, বিষ্ণু, শংকৰ নিয়মানুসাৰে কাৰ্য্যত ৰত হৈ থাকো।

উপৰোক্ত এই বিৱৰণ হিন্দিত অনুবাদিত শ্ৰীদেবী মহাপুৰাণত আছে যত কিছু তথ্য লুকাই ৰখা হৈছে। এই বাবে এইটো প্ৰমান চাওক শ্ৰীমদ্ দেৱী ভাগৱত মহাপুৰান সভাষ্টিকম স্বমাহত্যম, খেমৰাজ শ্ৰীকৃষ্ণ দাস প্ৰকাশন মুম্বাই, ইয়াত সংস্কৃতৰ সৈতে হিন্দিত অনুবাদ আছে। তৃতীয় স্কন্দ অধ্যায় ৪ পৃষ্ঠা ১০ শ্লোক নং ৪২ ব্ৰহ্মা-অহম ঈশ্বৰঃ ফিল তে প্ৰভাৱৎ সৰ্বে বয়ম জনি যুতা ন যদা তু নিত্যাঃ, কে অন্যে সুৰাঃ শতমুখ প্ৰমুখাঃ চ নিত্যা নিত্যা তমেৱ জননী প্ৰকৃতিঃ পুৰাণা। (৪২)

অনুবাদঃ- হে মাতা, মই তথা শিৱ তোমাৰ প্ৰভাৱতে জন্মৱান। অমৰ নহওঁ অৰ্থাৎ নিত্য বা অবিনাশী নহওঁ । আকৌ অন্য ইন্দ্ৰাদি, দেবতাবোৰ কেনেদৰে নিত্য হব পাৰে? তুমিয়েই অবিনাশী, প্ৰকৃতি তথা সনাতনী দেৱী ।(৪২)

পৃষ্ঠা নং ১১-১২, অধ্যায় ৫, শ্লোক নং ৮ঃ - যদি দয়াদ্ৰমনা ন সদায়েহমবিকে কথমহম বিহিত ও চ তমোগুন ঃ কমলজশ্চ ৰজোগুন সম্ভৱ সুবিহিতঃ কিমু সত্বগুনো হৰি ঃ (৮ )

অনুবাদ ঃ- ভগবান শংকৰে কলে - হে মাতা যদি আপুনি আমাৰ ওপৰত দয়াৱান তেনেহলে মোক কিয় তমোগুণযুক্ত কৰিলে, পদুম ফুলৰ ওপৰত উৎপন্ন হোবা ব্ৰহ্মাক ৰজোগুণ আৰু বিষ্ণুক কিয় সত্বগুণ কৰিলে? অৰ্থাৎ জীবৰ জন্ম-মৃত্যু ৰূপী দুস্কৰ্মত কিয় জড়িত কৰিলে?

শ্লোক নং ১২ ঃ- ৰময়সে স্বপতিম পুৰুষম সদা তব গতিম ন হি বিহ বিদম শিবে (১২)।

অনুবাদ ঃ- নিজ পতি পুৰুষ অৰ্থাৎ কাল ভগৱানৰ লগত সদায় ভোগ বিলাস কৰি সময় যাপন কৰা। আপোনাৰ লীলা কোনেও নাজানে।

বিশেষ ঃ- ওপৰোক্ত প্ৰমানৰ দ্বাৰা প্ৰমান হয় যে ৰজগুন ব্ৰহ্মা, সত্বগুনবিষ্ণু, তম গুন-শিব এওঁলোক তিনিও নাশৱান। দুৰ্গাৰ পতি ব্ৰহ্ম (কাল) ই তেওঁৰ লগত ভোগ

বিলাস কৰি কটায়। এইটো সিদ্ধ হল যে দুৰ্গা আৰু ব্ৰহ্ম (কাল) ও সাকাৰ।

**ব্ৰহ্ম (কাল/ব্ৰহ্ম)ৰ অপ্ৰকাশ থকাৰ প্ৰতিজ্ঞা**

**(সুক্ষ্ম বেদৰ শেষ সৃষ্টি ৰচনা)**

তিনিও সন্তানৰ উৎপত্তিৰ পিছত ব্ৰহ্মই নিজ পত্নী দূৰ্গাক কলে- মই প্ৰতিজ্ঞা কৰো যে ভৱিষ্যৎ লৈ মই কাকো নিজৰ বাস্তৱিক ৰূপত দেখা নিদিওঁ। যি কাৰণে মোক অব্যক্ত বুলি জনা যাব। দুৰ্গাক কলে যে তুমি মোৰ এই ৰহস্য কাকো প্ৰকাশ নকৰিবা। মই গোপনে থাকিম। দুৰ্গাই কলে- তেন্তে সঁচাই আপুনি নিজৰ পুত্ৰ সকলকো দৰ্শন নিদিব? ব্ৰহ্মাই কলে- মই নিজৰ সন্তানক আৰু অন্য সাধককো দৰ্শন নিদিওঁ, এইটো মোৰ অলৰ-অচৰ নিয়ম বৰ্তি থাকিব। দূৰ্গাই কলে- এই টো তো আপোনাৰ উত্তম নিয়ম নহল, যে আপুনি নিজৰ সন্তানৰ পৰাও লুকাই থাকিব। তেতিয়া কালে দূৰ্গাক কলে এইটো বাধ্য বাধকতা (উপায় নাই)। মোক এক লাখ মানব শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰ ভক্ষন কৰাৰ অভি শাপ লাগিছে। যদি মোৰ সন্তানে (ব্ৰহ্মা, বিষ্ণু, মহেশ) জানে তেন্তে সিহঁতে সৃষ্টি, স্থিতি, সংহাৰ কাৰ্য্য বন্ধ কৰি দিব। এইবাবে এইটো মোৰ অনুত্তম (একেবাৰে বেয়া) নিয়ম সদায় বৰ্তি থাকিব। যেতিয়া এওঁলোক তিনিও অলপ ডাঙৰ হ'ব তেতিয়া তেওঁলোক অচেতন কৰি দিবা। মোৰ বিষয়ে একো নকবা, নহলে মই তোমাকো শাস্তি দিম। দুৰ্গাই ভয়তে এই ৰহস্যৰ বাস্তবিকতা প্ৰকাশ নকৰিলে।

প্ৰমানঃ- এই বাবে গীতা অধ্যায় ৭ শ্লোক নং ২৪ ত বৰ্ণিত আছে যে বুদ্ধিহীন নৰ মনুষ্যই মোৰ এই অনুত্তম (একেবাৰে বেয়া) নিয়মৰ বিষয়ে অপৰিচিত; সেয়েহে মই কেতিয়াও কাৰো সমুখত ওলাই নাহো, নিজৰ যোগ্ মায়াৰে লুকাই থাকো। এই কাৰণে মোৰ এই অব্যক্ত আৰু অপ্ৰকাশিতক মনুষ্য ৰূপত অৱতাৰ হোবা অৰ্থাৎ কৃষ্ণ বুলি মানে।

(অবুদ্ধয়ঃ) বুদ্ধিহীন মানুহে (মম) মোক (অনুত্তমম) একেবাৰে বেয়া (অব্যয়ম) অবিনাশী (পৰম্ ভাবম্) বিশেষ ভাবক (অজানন্তঃ) নেজানি (মাম অব্যাক্তম) মোৰ অব্যাক্ত/অপ্ৰকাশ (ব্যাক্তিম) মনুষ্য ৰূপত (আপন্ন) অহা (মন্যন্তে) মানে অৰ্থাৎ মই কৃষ্ণ নহওঁ। (গীতা অধ্যায় ৭ শ্লোক নং ২৪)।

গীতা অধ্যয ১১ শ্লোক ৪৭ আৰু ৪৮ কৈছে যে এইটো মোৰ বাস্তৱিক কাল ৰূপ। ইয়াৰ দৰ্শন অৰ্থাৎ ব্ৰহ্ম প্ৰাপ্তি বেদৰ বৰ্ণিত বিধিৰ দ্বাৰা, বা জপ তপৰ দ্বাৰা, বা কোনো ক্ৰিয়াৰ দ্বাৰা নহয়।

যেতিয়া তিনিও সন্তান যুৱক হৈ গল তেতিয়া মাতা ভবানী (প্ৰকৃতি, অষ্টাঙ্গী, দূৰ্গা) যে কলে যে তোমালোকে সাগৰ মন্থন কৰা। প্ৰথম বাৰ সাগৰ মন্থন কৰিলে তেতিয়া (জ্যোতি-নিৰঞ্জনে নিজৰ উশাহ নিশাহৰ দ্বাৰা চাৰি বেদ সৃষ্টি কৰিলে। গুপ্ত বাণীৰ দ্বাৰা আজ্ঞা দিলে যে সাগৰতে নিবাস কৰক।) চাৰি বেদ ওলাই পৰিল তাক ব্ৰহ্মাই নিলে। বস্তুলৈ তিনিও সন্তানে মাকৰ ওচৰলৈ আহিল, মাকে কলে যে চাৰিও বেদক ব্ৰহ্মাই ৰাখক আৰু পঢ়ক।

টোকা- বাস্তৱত পূৰ্ণব্ৰহ্মই, (কবিৰদেব) ব্ৰহ্ম অৰ্থাৎ কালক পাঁচখন বেদ প্ৰদান কৰিছিল। কিন্তু ব্ৰহ্মই মাথোন চাৰিখন বেদক হে উলিয়াই দিলে। পঞ্চম বেদখনক লুকুৱাই ৰাখিলে। যাক পূৰ্ণ পৰমাত্মাই স্বয়ং প্ৰকট হৈ কবিৰ্গিভীঃ অৰ্থাৎ কবিৰ বানীৰ দ্বাৰা লোক উক্তি বা পদাৱলীৰ মাধ্যমত প্ৰকাশ কৰিছিল।

দ্বিতীয় বাৰ সাগৰ মন্থন কৰাত তিনিজনী যুবতীক পালে। মাকে তিনিও পুতেকক ভগাই দিলে। প্ৰকৃতিয়ে (দুৰ্গাই) নিজৰ অইন তিনি ৰূপ (সাবিত্ৰী, লক্ষী তথা পাৰ্বতী)

ধাৰন কৰাই সাগৰৰ তলীত লুকাই ৰাখিছিল। সাগৰ মন্থন কৰাৰ সময়ত ওলাই পৰিল। সেই প্ৰকৃতিয়ে তিনি ৰূপ হৈ তথা ভগৱান ব্ৰহ্মাক সাবিত্ৰী, ভগৱান বিষ্ণুক লক্ষী, ভগৱান শংকৰক পাৰ্বতী পত্নী ৰূপত দিলে। তিনিও পত্নী পাই ভোগ বিলাস কৰিলে। সিহতৰ পৰা অসুৰ আৰু দেৱতা দুয়োৰে উৎপন্ন হ'ল।

যেতিয়াই তৃতীয় বাৰ সাগৰ মন্থন কৰিলে তেতিয়া ব্ৰহ্মাই চৈধ্য ৰত্ন আৰু বিষ্ণু আৰু দেৱতাই অমৃত আৰু সুৰা (মদ), অসুৰ বিলাকে তথা হলাহল বিষ পৰমাৰ্থ শিবই গলত ধাৰণ কৰিলে। এইটো বহুত পিছৰ কথা।) যেতিয়া ব্ৰহ্মাই বেদ পঢ়িলে তেতিয়াহে জানিব পাৰিলে আৰু অন্য বহুতো ব্ৰহ্মাণ্ড আছে যাৰ সৃষ্টি কৰ্তা কুলৰ মালিক এজনেই। আৰু তেতিয়া ব্ৰহ্মাই, বিষ্ণু আৰু শিৱক কলে বেদত বৰ্ণিত সৃষ্টিকৰ্তা অইন কোনোবা প্ৰভু আছে। বেদে কয় যে ইয়াৰ ভেদ (ৰহস্য) আমিও নাজানো তাৰ বাবে সঙ্কেত আছে যে কোনো তত্বদৰ্শী সাধু মহন্তক সুধি চোবা। তাৰ পিছত ব্ৰহ্মা মাকৰ ওচৰলৈ আহিল আৰু সকলো বৃত্তান্ত শুনালে। মাকে কলে যে মোৰ বাহিৰে আৰু অইন কোনো নাই। মইয়ে একমাত্ৰ কৰ্তা। মই যে সৰ্ব শক্তিমান। কিন্তু ব্ৰহ্মাই কলে যে এই বেদ ঈশ্বৰ প্ৰদত্ত, ই মিছা হব নোবাৰে। দুৰ্গাই কলে তোমাৰ দেউতাই (পিতাক) তোমাক দৰ্শন নিদিয়ে, কিয়নো তেওঁ প্ৰতিজ্ঞা কৰিছে। তেতিয়া ব্ৰহ্মাই কলে হে জননী! আপোনাৰ কথাত মোৰ অবিশ্বাস হৈছে। মই সেই পুৰুষৰ (প্ৰভুক) ঠিকনা (উৱাদিহ) উলিয়ামেই উলিয়াম। দুৰ্গাই কলে, যদি তেখেতে তোমাক দৰ্শন নিদিয়ে তেন্তে কি কৰিবা? ব্ৰহ্মাই কলে, মই মোৰ চেহেৰা আপোনাক নেদেখাম। আনফালে জ্যোতি নিৰঞ্জনে (ব্ৰহ্ম/ক্ষৰ পুৰুষ/কাল) প্ৰতিজ্ঞা কৰিছে যে মই অব্যক্ত / অপ্ৰকাশ্যহৈ থাকিম কাকো দৰ্শন নিদিম অৰ্থাৎ ২১ ব্ৰহ্মাণ্ডৰ ভিতৰত কেতিয়াও নিজৰ বাস্তৱিক কাল ৰূপ আকাৰত ওলাই নাহো।

গীতা অধ্যায় নং ৭ শ্লোক নং ২৪।

অব্যক্তম ব্যক্তিম, আপন্ন, মন্যয়ন্তে, মাম্ অবুদ্ধয়ঃ।।
পৰম্, ভাব, অজানন্তঃ, মম, অব্যয়ম, অনুত্তমম্। ২৪

অনুবাদঃ- (অবুদ্ধয়ঃ) বুদ্ধিহীন লোকে (মম) মোৰ (অনুত্তমম) অতি বেয়া, অশ্ৰেষ্ঠ (অব্যময়) অটল (পৰ) পৰম (ভাব) ভাবক (অজানন্তঃ) নাজানে (অব্যক্ত) অদৃশ্যমান। (মাম) মই কালক (ব্যক্তিম) আকাৰত কৃষ্ণ অবতাৰ (আপ) প্ৰাপ্ত হোবা (মন্যয়ন্তে) মানে।

গীতা অধ্যয় নং ৭ শ্লোক নং ২৫

ন, অহম প্ৰকাশঃ, সৰ্বস্য,যোগমায়া সমাবৃতঃ।।
মূঢ়ঃ, অয়ম্, ন, অভিজানাতি, লোকঃ, মাম, অজম, অব্যয়ম্। ২৫ ।।

অনুবাদঃ- (অহম) মই (যোগমায়া সমাবৃতঃ) যোগমায়াৰ দ্বাৰা লুকাই থকা (সৰ্বস্য) সকলো ফালে (প্ৰকাশঃ) প্ৰত্যক্ষ (ন) নহওঁ অৰ্থাৎ অদৃশ্য অৰ্থাৎ অব্যক্ত থাকো এই বাবে (অজম) জনম নোলোৱা (অব্যয়ম) অবিনাশী অটল (অয়ম) এইটো (মূঢ়ঃ) অজ্ঞানী, মূৰ্খ (লোকঃ) সংসাৰৰ জন সমুদায়ে (মাম) মোক (ন) না (অভিজানাতি) জানে অৰ্থাৎ মোক অৱতাৰ ৰূপত অহা বুলি ভাবে। কিয়নো ব্ৰহ্মই নিজৰ শব্দ শক্তিৰে নিজৰ নানা ধৰণৰ ৰূপ সৃষ্টি কৰি লয়। এওঁ দুৰ্গাৰ পতি এই বাবে এই মন্ত্ৰ কৈ আছে যে মই শ্ৰীকৃষ্ণ আদিৰ দৰে দুৰ্গাৰ পৰা জন্ম নলওঁ।

**ব্ৰহ্মাৰ নিজৰ পিতা (কাল/ব্ৰহ্ম) ব্ৰহ্মক বিচাৰি পোবাৰ বাবে চেষ্টা**

তেতিয়া দুৰ্গাই ব্ৰহ্মাদেৱক কলে যে অলখ নিৰঞ্জন তোমাৰ দেউতা। তেওঁ তোমাক দৰ্শন নিদিয়ে। ব্ৰহ্মাই কলে মই দৰ্শন কৰিহে উভতি আহিম। মাকে কলে যদি

তোমাৰ দৰ্শন নহয় তেন্তে কি কৰিবা? ব্ৰহ্মাই কলে মই প্ৰতিজ্ঞা কৰো যদি পিতাৰ দৰ্শন নহয় মই আপোনাৰ সন্মুখলৈ নাহো। এই কথা কৈ ব্ৰহ্মাই ব্যাকুল হৈ উত্তৰ দিশৰ ফালে অগ্ৰসৰ হ'ল যিফালে এন্ধাৰে এন্ধাৰ। তাত ব্ৰহ্মাই চাৰি যুগ ধৰি ধ্যান কৰিলে কিন্তু একো নাপালে। কালে আকাশবাণী কৰিলে যে দুৰ্গা, সৃষ্টি ৰচনা কিয় কৰা নাই? ভবানীয়ে কলে, আপোনাৰ জেষ্ঠ পুত্ৰ ব্ৰহ্মা জেদ কৰি আপোনাক বিচাৰি উলিয়াবলৈ গৈছে। ব্ৰহ্মই (কালে) কলে তাক ওভোতাই লৈ আহা। মই তাক দৰ্শন নিদিওঁ। ব্ৰহ্মা নোহোৱাকৈ জীব উৎপত্তিৰ কাৰ্য্য অসম্ভৱ তেতিয়া দুৰ্গাই (প্ৰকৃতি) নিজ শব্দ শক্তিৰে গায়ত্ৰী নামৰ এজনী ছোৱালী উৎপন্ন কৰিলে আৰু তাইক ব্ৰহ্মক ওভোতাই আনিবলৈ কলে। গায়ত্ৰী ব্ৰহ্মাদেবৰ ওচৰলৈ গল কিন্তু ব্ৰহ্মা সমাধিস্থ আছিল বাবে একো গমেই নেপালে যে কোনোবা আহিছে। তেতিয়া আদি কুমাৰীয়ে (প্ৰকৃতি) গায়ত্ৰীক ধ্যান যোগে জনাই দিলে ইয়াৰ ভৰি স্পৰ্শ কৰা। তেতিয়া গায়ত্ৰীয়ে তাকে কৰিলে। ব্ৰহ্মাৰ ধ্যান ভঙ্গ হোৱাত খঙতে কলে কোন পাপিষ্ঠ যিয়ে মোৰ ধ্যান ভঙ্গ কৰিলে? মই তোমাক অভিশাপ দিম। গায়ত্ৰীয়ে কবলৈ ধৰিলে মোৰ দোষ নাই, প্ৰথমে মোৰ কথা শুনা পিছত শাপ দিবা। মোৰ আয়ে তোমাক ওভোতাই নিবলৈ কৈছে কিয়নো আপুনি নহলে জীৱৰ উৎপত্তি নহয়। ব্ৰহ্মাই কলে মই কেনেকৈ যাওঁ? পিতৃৰ দৰ্শন হোৱা নাই। গলে মোৰ উপহাস কৰিব। যদি তুমি আইৰ সমুখত এইখিনি কৈ দিয়া যে ব্ৰহ্মাৰ পিতা (জ্যোতি নিৰঞ্জন)ৰ দৰ্শন হৈছে, মই নিজ চকুৰে দেখিছো তেতিয়াহে মই তোমাৰ লগত যাম। তেতিয়া গায়ত্ৰীয়ে কলে যে আপুনি মোৰ লগত সম্ভোগ কৰিলেহে মই আপোনাৰ মিছা সাক্ষী দিম। তেতিয়া ব্ৰহ্মাই ভাবিলে যে পিতাৰ দৰ্শন নহল, এনেয়ে গলে মাতৃৰ সমুখত লাজ লাগিব আৰু একো উপায় নেদেখি গায়ত্ৰীৰ লগতে ৰতি ক্ৰিয়া (সম্ভোগ) কৰিলে।

তেতিয়া গায়ত্ৰীয়ে কলে কিয়নো আৰু এটা সাক্ষী তৈয়াৰ নকৰো ব্ৰহ্মই কলে বৰ ভাল। তেতিয়া গায়ত্ৰীয়ে শব্দ শক্তিৰে এজনী ছোৱালী (পুহপৱতী নামৰ) উৎপন্ন কৰিলে তাইক দুয়ো কলে যে আপুনি সাক্ষী দিব যে ব্ৰহ্মাই পিতাৰ দৰ্শন কৰিছে। তেতিয়া পুহপৱতীয়ে কলে মই কেলেই মিছা সাক্ষী দিম? হয়, যদি ব্ৰহ্মাই মোৰ লগত ৰতি ক্ৰিয়া কৰে তেন্তে সাক্ষী দিব পাৰো। গায়ত্ৰীয়ে ব্ৰহ্মাক বুজালে যে আৰু কোনো উপায় নাই তেতিয়া ব্ৰহ্মাই পুহপৱতীকো সম্ভোগ কৰিলে তিনিও মিলি মায়াৰ (প্ৰকৃতি) ওচৰলৈ আহিল। দুয়ো দেৱীয়ে ওপোৰোক্ত চৰ্ত এই কাৰণে ৰাখিছিল যে যদি ব্ৰহ্মাই মাতৃৰ সমুখত আমাৰ মিছা সাক্ষী কৈ দিয়ে তেন্তে মাকে আমাক শাপ দিব। এইবাবে তাকো দোষী কৰি ৰাখিলে।

ইয়াত গৰীব দাস মহাৰাজে কয় যে - "দাস গৰীব ইয় চুক ধুৰোঁ ধুৰ"

ভাৱাৰ্থ ঃ- এই কাল (ব্ৰহ্ম) ৰ লোকত এই কুকৰ্ম আৰম্ভণিৰ পৰাই আছে আৰু ইয়াত কালৰ লোকত দেৱতাও এই কুকৰ্মৰ পৰা বাদ যোৱা নাই। যেনে-শ্ৰী শ্ৰীবিষ্ণুৱে জালন্ধৰ ৰাক্ষসৰ পতিব্ৰতা পত্নী তুলসীক প্ৰৱঞ্চনা কৰি তুলসীৰ লগত ৰতিক্ৰিয়া (sex) কৰি তেওঁৰ পতিব্ৰতা ভঙ্গ কৰিলে। ভগৱান শিৱইও শ্ৰীবিষ্ণুৱে মোহিনী ৰূপ ধাৰণ কৰাত তেওঁৰ লগত সম্ভোগ (Sex) কৰিববলৈ তেওঁৰ হাতত ধৰিলে। তাৰ ফলত শ্ৰীশিৱৰ বীৰ্য্য স্খলিত হল (পৰিল)। শ্ৰীবিষ্ণু নিজৰ বাস্তৱিক ৰূপত প্ৰকট হল।

**মাতৃ দুৰ্গাৰ দ্বাৰা ব্ৰহ্মাক অভিশাপ দিয়া**

ব্ৰহ্মাই বেদত পঢ়িলে যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ১ ঃঅগ্নেঃ তনুঃ অসি। ইয়াৰ অৰ্থ এনে-পৰমেশ্বৰ তেজোময় শৰীৰযুক্ত। বিষ্ণৱে ত্বা সোমস্য তনুঃ অসি। অৰ্থ ঃ- সকলোৰে

প্ৰতিপালনৰ বাবে সেই অবিনাশী পৰমাত্মাৰ শৰীৰ আছে (সাকাৰ)। এই কাৰণে ব্ৰহ্মাই সেই দুজনী তিৰোতাক বুজাই দিছিল যে পৰমাত্মা মানৱ সদৃশ তেজোময় শৰীৰযুক্ত বুলি কবা।

মাতৃ দূৰ্গাই ব্ৰহ্মাক সুধিলে তোমাৰ পিতৃৰ দৰ্শন হৈছে নে? ব্ৰহ্মাই কলে হয় মোৰ পিতাৰ দৰ্শন হৈছে। তেওঁ মনুষ্য সাদৃশ তেজোময় শৰীৰযুক্ত হয়। দুৰ্গাই কলে সাক্ষী দিয়ক । তেতিয়া ব্ৰহ্মাই কলে এই দুজনীৰ সন্মুখত সাক্ষাৎ হৈছে। দেবীয়ে দুয়ো যুবতীক সুধিলে সঁচাই তোমালোকৰ সন্মুখত ব্ৰহ্মৰ দৰ্শন হৈছে নে? তেতিয়া দুয়ো কলে হয়, আমি নিজ চকুৰে দেখিছো। আকৌ ভৱানীৰ (প্ৰকৃতি) সংশয় হল যে মোক তো ব্ৰহ্মই কৈছিলে যে মই কাকো দৰ্শন নিদিম, তথাপিও যে দৰ্শন হৈছে বুলি কৈছে। তেতিয়া অষ্টাঙ্গীনিয়ে (দুৰ্গা) ধ্যান কৰিলে আৰু কাল/জ্যোতি নিৰঞ্জনক সুধিলে এয়া কি কাহিনী? জ্যোতি নিৰঞ্জনে কলে এওঁলোক তিনিও মিছা মাতিছে। তেতিয়া মাকে কলে তোমালোকে মিছা কৈছা। আকাশবানী হ'ল এওঁলোকৰ দৰ্শন হোৱা নাই। এই কথা শুনি ব্ৰহ্মাই কলে আই মই অঙ্গীকাৰ কৰি পিতাক বিচাৰি উলিয়াবলৈ গৈছিলো। কিন্তু দেউতাৰ দৰ্শন নহল। আপোনাৰ ওচৰলৈ আহিবলৈ লাজ লাগিছিল। এই বাৰে আমি মিছা কলো তেতিয়া মাতা দুৰ্গাই কলে মই অভিশাপ দিম।

ব্ৰহ্মাক অভিশাপ - তোমাৰ পূজা জগতত নহব, আগলৈ তোমাৰ যি বংশজ হব সিবিলাক দুৰাচাৰী কপটী হব। মিছা কথাৰে জগতক ঠগিব। ওপৰে ওপৰে কৰ্ম কাণ্ড কৰা যেন লাগিব, ভিতৰি ব্যভিচাৰ কৰিব। শাস্ত্ৰ পুৰানক পঢ়াই শুনাব, স্বয়ং নিজৰে জ্ঞান নহব যে সদগ্ৰন্থত কি বাস্তৱিকতা আছে। আকৌ মান সন্মান আৰু ধন অৰ্জনৰ দায়ত গুৰু সাজি অনুগত বিলাকক (শিষ্য/উপাসক) লোকবেদ (শাস্ত্ৰবিৰুদ্ধ নীতি নিয়ম) শুনাব। দেব-দেবীৰ পুজা কৰি আৰু কৰোবাই অইনৰ নিন্দা-চৰ্চা কৰি কষ্টৰ উপৰি কষ্ট সহিব। যিবিলাকে তাৰ অনুগত হব তাক পৰমাৰ্থ নকৈ দান-দক্ষিনাৰ বাবে জগতক প্ৰবঞ্চনা কৰিব। নিজকে নিজে সকলোতকৈ উত্তম (ব্ৰাহ্মন/বামুন বৰ্ণ) বুলি ভাবিব, অইনক নীচ (যেনে -জাতি, বৰ্ণ, কুল, বংশ) বুলি ভাবিব। মাতৃৰ মুখৰ পৰা এই কথা শুনা মাত্ৰেই ব্ৰহ্মাই মুৰ্চ্ছিত হৈ মাটিত পৰি গল। বহু সময় পিচতহে গালৈ চেতন আহিল।।

গায়ত্ৰীক অভিশাপ - তোমাৰ বহুতো দমৰা গৰু পতি হব। তুমি পৃথিবী লোকত গাই গৰু হৈ জনম লভিবি।

পুহপবতীক অভিশাপ ঃ- তোমাৰ স্থান লেতেৰা ঠাইত হব। তোমাৰ ফুলক কোনেও পূজাত নলগাব। এই মিছা সাক্ষীৰ বাবে তোমাৰ এই নৰক ভুগিব লাগিব। তোমাৰ নাম কেৱড়া কেতেকী হব (হৰিয়ানাত কুসসান্ধী ফুল বোলে। ই বৰ লেতেৰা ঠাইত গজে)।

এনেদৰে তিনিওকে অভিশাপ দি আই দুৰ্গাই বহুত অনুতাপ (খেদ) কৰিলে। (এই দৰে জীৱই প্ৰথমে নভবা নিচিন্তাকৈ মনৰ (কাল নিৰঞ্জন) প্ৰভাবত ভুল কাম কৰি পেলায়, কিন্তু য়েতিয়া আত্মাৰ (সৎপুৰুষৰ অংশ) প্ৰভাবত জ্ঞান হয় তেতিয়া অনুতাপ কৰিব লগা হয়। যিদৰে মাক-দেউতাকে নিজৰ শিশুক সৰুসুৰা ভুলৰ কাৰণে মাৰ পিট কৰে (খঙৰ বেগত) আৰু পিছত অনুতপ্ত হয়। এই প্ৰক্ৰিয়া মনৰ (কাল নিৰঞ্জন) প্ৰভাবৰ দ্বাৰা সকলো জীৱ ক্ৰিয়াযুক্ত হৈ থাকে।) আকৌ ইয়াত এটা বিশেষ কথা আছে। নিৰঞ্জনেও (কাল ব্ৰহ্ম) নিজৰ আইন বনাই ৰাখিছে। যদি কোনো জীৱই দূৰ্বল জীবক দুঃখ-পীড়া দিয়ে তেন্তে তাকো তাৰ সলনি প্ৰতিদান দিব লাগে। যেতিয়া আদি ভবানী (প্ৰকৃতি/দূৰ্গা) যে ব্ৰহ্মা, গায়ত্ৰী তথা পুহপৱতীক অভিশাপ দিছিল তেতিয়া অলখ নিৰঞ্জনে (কাল-ব্ৰহ্ম) কৈছিল

যে ভবানী (প্রকৃতি/অষ্টাংগী) এইটো আপুনি ভাল কাম কৰা নাই। এতিয়া মই (নিৰঞ্জন) তোমাক অভিশাপ দিওঁ যে দ্বাপৰ যুগত তোমাৰো পাঁচজন পতি হ'ব। (দ্রৌপদী আদি মায়াৰ অৱতাৰ) যেতিয়া এই আকাশবানী আদিমায়াই শুনিলে তেতিয়া কলে- হে জ্যোতি নিৰঞ্জন (কাল) মই আপোনাৰ অধীনত, যি বিচৰা তাকেই কৰা।

{সৃষ্টি ৰচনাত দুৰ্গা দেৱীৰ অন্য নামবোৰ বাৰে বাৰে লিখাৰ উদ্দেশ্য হল পুৰাণ, গীতা আৰু বেদ সমূহত প্ৰমাণ চাওঁতে যাতে কাৰো ভ্ৰম নহয়। উদাহৰণস্বৰূপে গীতা অধ্যায় ১৪ শ্লোক ৩-৪ ত কাল ব্ৰহ্মই কয় প্ৰকৃতি হৈছে গৰ্ভ ধাৰণ কাৰিণী সকলো জীৱৰ মাতৃ। মই (কাল ব্ৰহ্ম) প্ৰকৃতিৰ গৰ্ভত বীজ স্থাপিত কৰা পিতৃ। একে অধ্যায়ৰ শ্লোক ১৫ ত কয় যে প্ৰকৃতিৰ পৰা উৎপন্ন হোৱা তিনিগুণে জীৱক (আত্মাক) কৰ্ম বন্ধন ৰূপী ৰছীৰে শৰীৰত বান্ধি ৰাখে। (লিখা সমাপ্ত)।

এই প্ৰকৰণত প্ৰকৃতি হ'ল দুৰ্গাদেৱী আৰু তিনিও গুণ অৰ্থাৎ ৰজগুণ, সৎগুণ আৰু তমগুণ হ'ল ক্ৰমান্বয়ে ব্ৰহ্মা, বিষ্ণু, শিৱৰ সাংকেতিক নাম।}

**বিষ্ণুদেৱৰ নিজ পিতৃ ব্ৰহ্মদেৱক পোৱাৰ বাবে প্ৰস্থান তথা মাতৃৰ আশীৰ্বাদ লাভ**

ইয়াৰ পিছত প্ৰকৃতিয়ে বিষ্ণুদেৱক কলে, হে পুত্ৰ তুমিও তোমাৰ পিতৃক বিচাৰি উলিওবা। তেতিয়া বিষ্ণুৱে নিজ পিতৃক বিচাৰি বিচাৰি পাতাল লোক গৈ পালে যত শেষনাগ আছিল। তেওঁ তাৰ সীমাৰ ভিতৰত বিষ্ণুদেৱক প্ৰবেশ কৰা দেখি খঙতে বিষ ভৰা শ্বাস ফোঁচ কৈ এৰি দিলে। তাৰ বিষৰ (বৰ বিহ) প্ৰভাবত বিষ্ণুদেৱৰ গাৰ বৰণ নীলা হৈ গ'ল, যেনেকৈ স্প্ৰেপেইন্ট হৈ যায়। তেতিয়া বিষুৱে ভাবিলে এই বিষাক্ত সাপকো এসেকা দিয়া যাওক। তেতিয়া জ্যোতি নিৰঞ্জনে (কালে) দেখিলে য়ে কথা বিষম, এতিয়া বিষ্ণু দেৱক শান্ত কৰা উচিত। তেতিয়া আকাবাণী হ'ল যে, হে বিষ্ণু! এতিয়া তুমি নিজৰ মাতৃৰ কাষলৈ উভতি যোৱা আৰু সত্য ঘটনা বিৱৰি কোবা, কষ্ট তুমি শেষ নাগৰ দ্বাৰা পাইছা তাৰ প্ৰতিশোধ দ্বাপৰ যুগত লবা। দ্বাপৰ যুগত তুমি (বিষ্ণুদেব) শ্ৰীকৃষ্ণ অবতাৰ ধাৰণ কৰিবা আৰু কালিন্দী হ্ৰদত কালিয়া নামৰ সৰ্পৰ, এই শেষ নাগৰ অৱতাৰ হ'ব।

উচঁহোই কে নীচ সতাৱে, তাকৰ ওৱেল (বদলা) মোহী সো পাওয়ে
যো জীব দেই পীৰ পুনী কাঁহু, হম পুনি ওৱেল দিওঁৱাৰে তাঁহু ।

তেতিয়া বিষ্ণুদেৱে মাকৰ ওচৰলৈ গৈ সঁচা কথা কৈ দিলে যে মোৰ পিতৃৰ দৰ্শন হোবা নাই। এই কথা শুনি প্ৰকৃতি দেবী (দুৰ্গা) বৰ আনন্দিত হ'ল আৰু কলে বোপাই তুমিহে সত্যবাদী। মই তোমাৰ ওপৰত প্ৰসন্ন। এতিয়া মই মোৰ শক্তিৰে তোমাৰ পিতৃৰ লগত সাক্ষাৎ কৰাই দিওঁ আৰু তোমাৰ সংশয় দুৰ হওক ।

কবীৰ, দেখ পুত্ৰ তোহি পিতা ভেটাঁউ, তৌৰে মন কা ধোখা মিটাঁউ ।
মন স্বৰূপ কৰ্তা কহ জানো, মন তে দুজা অউৰ নমানো।
স্বৰ্গ পাতাল দৌৰ মন কেৰা, মন অস্থিৰ মন অহৈ অনেৰা।
নিৰংকাৰ মন হী কো কহিয়ে, মন কি আস নিশ দিন ৰহিয়ে।
দেখ হু পলটি সুন্ন মহ জ্যোতি, জহাঁ পৰ ঝিলমিল ঝালৰ হোতী।।

এইদৰে আই দুৰ্গাই (প্ৰকৃতি) বিষুক কলে যে মনেই জগতৰ কৰ্তা, ইয়ে জ্যোতি নিৰঞ্জন। ধ্যানৰ সময়ত যি এহেজাৰ জ্যোতি চকুৰ আগত ভাহি আহে সেইটোবে তাৰ ৰূপ। যি অসংখ্য, ঘন্টা ধ্বনি আদি শুনিছা, এইটো মহাস্বৰ্গত নিৰঞ্জনৰ স্থানত বাজি

আছে। বোপাই, তুমি সকলো দেব-দেৱীৰ শিৰোমনি হবা আৰু তোমাৰ প্ৰত্যেক কাম না আৰু কাৰ্য্য মইয়ে পূৰ্ণ কৰিম। তোমাৰ পূজা জগতত সৰ্বত্ৰ হব। তুমি মোক সঁচা কৈছা। কাল ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডত থকা প্ৰাণীৰ এটা বিশেষ অভ্যাস আছে যে সিহঁতে নিজৰ ব্যাৰ্থ মহিমা বৰ্ণায়। যেনেকৈ দুৰ্গা দেবীয়ে শ্ৰীবিষ্ণুঃদেবক কৈ আছে যে জগতত তোমাৰ পূজা হব। মই তোমাৰ পিতাৰ দৰ্শন কৰাই দিলো। দুৰ্গাই মাথোন প্ৰকাশ দেখুবাই শ্ৰীবিষ্ণু দেৱক ফুচুলালে। শ্ৰীবিষ্ণুদেৱেও এই স্থিতি নিজৰ অনুগত উপাসক বিলাকক বুজাব ধৰিলে যে পৰমাত্মাৰ মাথোন প্ৰকাশ হে দেখা পায়। পৰমাত্মা নিৰাকাৰ। ইয়াৰ পিছত দূৰ্গাই (আদি ভবানী/প্ৰকৃতি) শিৱৰ (মহেশ/ৰুদ্ৰ) ওচৰলৈ গল তথা কবলৈ ধৰিলে বোপা মহেশ, তুমিও তোমাৰ পিতৃক বিচাৰি উলিওৱা। তোমাৰ দুয়ো ভাতৃৰ পিতৃৰ দৰ্শন নহল। সিহঁতক যি দিব লগা আছিল সেইটো দিলো এতিয়া তুমি খোজা যি খুজিব বিচৰা। তেতিয়া মহেশে (শিৱ) কলে হে জননী! দুয়ো ডাঙৰ ভাইৰ পিতৃৰ দৰ্শন নহল আকৌ মই চেষ্টা কৰা অৰ্থহীন। অনুগ্ৰহ কৰি মোক এনে বৰ দিয়ক যাতে মই অমৰ (মৃত্যুঞ্জয়) হওঁ। তেতিয়া মাকে কলে মই এইটো কৰিব নোবাৰো। এটা উপায় কব পাৰো যাৰ দ্বাৰা তুমি দীৰ্ঘায়ু হবলৈ পাৰিবা। সেইটো হল যোগ সমাধি। (এইবাবে মহাদেবে বেচি সময় যোগ সমাধিত থাকে)। এই দৰে দুৰ্গাই তিনি পুতেকক একো একোটা বিভাগ ভগাই দিলে।

ভগবান ব্ৰহ্মাদেৱক কাল লোকত চৌৰাশী লাখ শৰীৰ সৃষ্টি কৰিবলৈ অৰ্থাৎ ৰজোগুন প্ৰভাবিত কৰি সন্তান উৎপত্তিৰ কাৰণে বাধ্য কৰি জীব সৃষ্টি কৰা বিভাগ দিলে। ভগবান বিষ্ণুদেৱক কৰ্ম অনুসাৰে জীবৰ পালন পোষণ তথা মোহ-মায়া সৃষ্টি কৰি তাৰে দ্বাৰা আবদ্ধ কৰি ৰখা (স্থিতি) বিভাগ দিলে।

ভগৱান শিবক (মহাদেব) সংহাৰ কৰাৰ বিভাগ প্ৰদান কৰিলে। কিয়নো এওঁলোকৰ পিতা নিৰঞ্জনে (কাল-ব্ৰহ্ম) প্ৰতিদিনে এক লাখ মানব শৰীৰধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰ খাব লাগে।

এইখিনিতে মনত এটা প্ৰশ্ন উদয় হয় যে ব্ৰহ্মা, বিষ্ণু তথা মহেশ্বৰ (শংকৰ) ৰ দ্বাৰা সৃষ্টি, স্থিতি আৰু সংহাৰ কেনেকৈ সম্পন্ন হয়? এওঁলোক তিনিও নিজৰ নিজৰ লোকত বাস কৰে। যেনেকৈ আজিকালি দূৰ সঞ্চাৰ প্ৰণালী মহাকাশত কৃত্ৰিম উপগ্ৰহ এৰি দি তাৰ পৰাই পৃথিবীৰ ওপৰত সঞ্চাৰ প্ৰণালী, পৰিচালিত হয়। ঠিক তেনেকৈ এই তিনিও দেৱতাই যতেই অবস্থান নকৰক কেলেই ইহঁতৰ শৰীৰৰ পৰা ওলোবা সুক্ষ্ম গুণৰ তৰঙ্গই তিনিও লোকত আপোনা আপুনি প্ৰত্যেক প্ৰাণীৰ ওপৰত প্ৰভাৱ পেলাই থাকে।

ওপৰৰ বৰ্ণনাটো ব্ৰহ্মৰ (কাল) এটা ব্ৰহ্মাণ্ডৰ সৃষ্টি ৰচনা। এনেকুবা ক্ষৰ পুৰুষৰ (কাল ব্ৰহ্ম) একৈশ ব্ৰহ্মাণ্ড বিদ্যমান।

ইয়াৰোপৰি ক্ষৰ পুৰুষ (কাল) স্বয়ং ব্যক্ত অৰ্থাৎ বাস্তৱিক শৰীৰ ৰূপত সকলোৰে সমুখলৈ নাহে। তেখেতক পাৱলৈ তিনিও দেৱতাই (ব্ৰহ্মা, বিষ্ণু শিৱ) বেদত বৰ্ণিত বিধিৰে (যথা শক্তি) সাধনা কৰিও ব্ৰহ্মৰ (কাল) দৰ্শন নহল। পিছত ঋষি বিলাকে বেদ পঢ়িলে। তাত লিখা আছে যে "অগ্নেঃ তনৰ অসি" (পবিত্ৰ যজুৰ্বেদ অধ্যায়- ১ মন্ত্ৰ ১৫) পৰমেশ্বৰ সশৰীৰে বিদ্যমান তথা যুজুৰ্বেদ অধ্যায় ৫মন্ত্ৰ ১ ত লিখা আছে যে "অগ্নেঃ তনুৰ অসি বিষ্ণুৰে ত্বা সোমষ্য তনুৰ অসি"। এই মন্ত্ৰত বেদে দুইবাৰ সাক্ষী দিছে য়ে সৰ্ব ব্যপক, পালন কৰ্তা সৎ পুৰুষ (কৱীৰ দেব) সশৰীৰে বিদ্যমান। পৱিত্ৰ যুজুৰ্বেদ অধ্যায় নং ৪০ মন্ত্ৰ ৮ ত বৰ্ণিত আছে যে যি পৰম পৰমেশ্বৰৰ আকৰ্ষন সকলো প্ৰাণীৰ

আছে তেওঁ কবিৰ অৰ্থাৎ কবিৰদেৱ। তেওঁৰ শৰীৰ বিনা নাড়ী (অন্নাবি), (শুক্ৰম) বিনা বীৰ্য্যৰ আৰু পাঁচ তত্ত্বৰ দ্বাৰা ভৌতিক (অকায়ম) কায়া ৰহিত। তেওঁ সৰ্ব ব্ৰহ্মাণ্ডৰ মালীক সৰ্বোপৰি সত্যলোকত বিৰাজমান হৈ থাকে। সেই পৰম পৰমেশ্বৰৰ শৰীৰৰ জ্যোতি স্বয়ং প্ৰকাশিত হৈ থাকে যি শব্দ ৰূপী অৰ্থাৎ অবিনাশী সেইজন কবীৰ দেব (কবিৰ পৰমেশ্বৰ) তেও সৰ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা (ব্যাদ ধাতা) সৰ্ব ব্ৰহ্মাণ্ডৰ স্ৰষ্টা (স্বয়ম্ভু) স্বয়ং প্ৰকাশিত হোৱা (যথা তথ্য অৰ্থান) বাস্তৱিক (স্বাশ্বত) অবিনাশী। (গীতা অধ্যয় ১৫ শ্লোক ১৭ প্ৰমান আছে) ভাবাৰ্থ যে পূৰ্ণ ব্ৰহ্মৰ শৰীৰৰ নাম কবিৰ (কবিৰদেব) সেই পৰমেশ্বৰৰ শৰীৰ আভা (পোহৰ, আলল, ৰশ্মি) তত্ত্বৰে তৈয়াৰী। পৰমাত্মাৰ শৰীৰ অতি সুক্ষ্ম যি সাধকক দেখা দিয়ে, যাৰ দিব্য দৃষ্টি আছে। এইদৰে জীৱৰ সুক্ষ্ম শৰীৰ আছে যাৰ ওপৰত পাঁচ তত্ত্বৰ আবৰণ আছে অৰ্থাৎ পাঁচ তত্ত্বৰ শৰীৰ যি মাতা-পিতাৰ শুক্ৰানু + ডিম্বানুৰ সংয়োগত তৈয়াৰ হয়। মৃত্যুৰ পিছতো জীৱৰ সুক্ষ্ম শৰীৰ লগতে থাকে। সেই সুক্ষ্ম শৰীৰ যি সাধকৰ দিব্য দৃষ্টি খুলিছে তেওঁহে দেখিব পাৰে। এনেদৰে আত্মা আৰু পৰমাত্মাৰ স্থিতি বুজিব। বেদত ওঁ নাম স্মৰণৰ প্ৰমাণ আছে যি কেৱল ব্ৰহ্ম (কাল)ৰ সাধনা। এই উদ্দেশ্য ওঁ নামৰ জপক পূৰ্ণ ব্ৰহ্মৰ (কবিৰদেৱ) মানি ঋষি মুনি সকলে হেজাৰ বছৰ হঠযোগ (সমাধি লগোৱা) কৰি প্ৰভু প্ৰাপ্তিৰ চেষ্টা কৰিছিল। কিন্তু প্ৰভুৰ দৰ্শন নহল, সিদ্ধি প্ৰাপ্ত হল। সেই সিদ্ধিৰূপী খেলৰ আহিলাৰে খেল খেলি মুনি ঋষিও জন্ম-মৃত্যুৰ চক্ৰত আবদ্ধ হয় আৰু সিহঁতৰ অনুভৱৰ দ্বাৰাই শাস্ত্ৰত পৰম াত্মাক নিৰাকাৰ বুলি লিপিবদ্ধ কৰি ৰাখিলে। ব্ৰহ্মই (কালে) প্ৰতিজ্ঞা কৰিছিল যে ম ই নিজৰ বাস্তৱিক ৰূপত কাকো দৰ্শন নিদিওঁ। মোক অব্যক্ত (অপ্ৰকাশ্য) জানিব। (অব্যক্তৰ ভাবাৰ্থ হ'ল যে, যিকোনো আকাৰ আছে কিন্তু ব্যক্তিগত ৰূপেৰে স্থূল ৰূপত দৰ্শন নিদিয়ে। যেনেকুবা আকাশখন মেঘেৰে ঢাকি ধৰিলে দিনৰ সময়ত সূৰ্যটো অদৃশ্য হৈ যায়। সেইটো দৃশ্যমান নহয়, কিন্তু বাস্তৱত মেঘৰ সিফালে মানে ওপৰত যেনেকুবা তেনেকুবাই আছে, এই অৱস্থাটোকে অব্যক্ত বোলে।(প্ৰমানৰ বাবে গীতা অধ্যায় ৭, শ্লোক নং ২৪-২৫ অধ্যায় ১১ শ্লোক নং ৪৮ তথা ৩২)

পবিত্ৰ গীতা কওঁতা ব্ৰহ্ম (কাল) শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰেত হৈ সোমাই কৈছে যে হে অৰ্জুন মই ডাঙৰ কাল আৰু সকলোকে গ্ৰাস কৰিবৰ বাবে আহিছোঁ। (গীতা অধ্যায় ১১ ,শ্লোক নং ৩২) এইটো মোৰ বাস্তৱিক ৰূপ, ইয়াক তোমাৰ বাহিৰে প্ৰথমে কোনেও দেখা পোৱা নাই আৰু নাইবা কোনেও আগলৈ দেখা নাপাব। অৰ্থাৎ বেদত বৰ্ণিত যজ্ঞ-জপ-তপ তথা নাম আদি বিধিৰ দ্বাৰা মোৰ এই বাস্তৱিক স্বৰূপ দৰ্শন নহয়। (গীতা অধ্যায় ১১ শ্লোক নং ৪৮) মই কৃষ্ণ নহওঁ, এইবোৰ মূৰ্খ মানুহে কৃষ্ণ ৰূপত মই অব্যক্তক ব্যক্ত (মানুহ ৰূপ) বুলি মানে কিয়নো মোৰ এই অনুত্তম (অতি বেয়া/বাজে) নিয়মক নাজানে যে মই কেতিয়াও বাস্তৱিক এই কাল ৰূপত সকলোৰে সমুখত ওলাই নাহো। নিজ যোগ মায়াৰে লুকাই থাকো (গীতা অধ্যায় ৭ শ্লোক নং ২৪-২৫ অধ্যায় ১১, শ্লোক নং ৪৮ আৰু ৩২)। বিবেচনা কৰক - নিজে লুকাই থকা নিয়মক নিজেই অশ্ৰেষ্ঠ (অনুত্তম) কিয় কৈ আছে?

যদি পিতৃয়ে নিজৰ সন্তানক দৰ্শন নিদিয়ে তেন্তে কিবা ক্ৰুটী আছে যি কাৰণে লুকাই থাকি সুবিধা প্ৰদান কৰি থাকে। কাল (ব্ৰহ্ম) অভিশপ্ত হোৱা বাবে প্ৰতিদিনে এক লাখ মানব শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰৰ বিকাৰ খাব লাগে তথা শতকৰা ২৫% প্ৰতিদিন

যি অধিক উৎপন্ন হয় অৰু কৰ্মভোগৰ দণ্ড দিবলৈ চৌৰাশী লাখ যোনীৰ সৃষ্টি কৰিছে। যদি সকলোৰে সমুখত বহি কাৰোবাৰ জীয়েক, কাৰো, ঘৈণীয়েক, কাৰোবাৰ পুতেক, পিতা-মাতাক খাই দিয়ে তেন্তে সকলোৰে ব্ৰহ্মৰ ওপৰত ঘৃণা হব আৰু কেতিয়াবা পূৰ্ণ পৰমাত্মা কবীৰুগ্নি (কবিৰদেব) স্বয়ং আহে অথবা নিজৰ কোনো বাৰ্তাবাহক (দুত) ক পঠাই দিয়ে তেতিয়া সকলো প্ৰাণী সত্যভক্তি কৰি কালৰ জালৰ পৰা ওলাই যাব।

সেই কাৰণে চাতুৰালি কৰি (ঠগোবা) ৰাখে তথা পবিত্ৰ গীতা অধ্যায় শ্লোক নং ১৮,২৪,২৫ নিজৰ সাধনাৰ দ্বাৰা হোবা মুক্তিকো (অনুত্তম) অশ্ৰেষ্ঠবুলি কৈছে তথা নিজৰ নিয়মকো অনুত্তম বুলি বৰ্ণাইছে।

প্ৰত্যেক ব্ৰহ্মাণ্ডত তৈয়াৰী ব্ৰহ্মলোকত এখন মহাস্বৰ্গ সৃষ্টি কৰিছে। মহা স্বৰ্গৰ এখন স্থানত নকলী সত্যলোক, নকলী অলখলোক, নকলী অগমলোক তথা নকলী অনামী লোকৰ সৃষ্টি প্ৰাণীক ঠগিবৰ বাবে প্ৰকৃতি (দুৰ্গা/আদিমায়া)ৰ দ্বাৰাই সৃষ্টি কৰি ৰাখিছে। কবীৰ পৰমেশ্বৰৰ বাণীত - “কৰ নেয়নোঁ দীদাৰ মহল মে প্যাৰাহ্যায়,” বাণীত আছে যে “কায়া ভেদ কিয়া নিৰবাৰা, ইয় সব ৰচনা পিণ্ড মঞ্জাৰা হ্যায়। মায়া অবিগত জাল পসাৰা, সো কাৰিগৰ ভাৰা হ্যায়। আদি মায়া কিনাহী চতুৰাই, ঝুঠী বাজী পিণ্ড দিখাই, অবিগত ৰচনা ৰচি অণ্ড মাহি বাকা প্ৰতিবিম্ব ডাৰা হ্যায়।”

এটা ব্ৰহ্মাণ্ডত অন্য লোকৰো সৃষ্টি আছে। যেনে - ব্ৰহ্মলোক, বিষ্ণুলোক আৰু শিবলোক। যত বহি তিনি প্ৰভুৱে তলৰ তিনি লোকৰ (স্বৰ্গলোক অৰ্থাৎ ইন্দ্ৰলোক - পৃথিবী লোক তথা পাতাল লোক) ওপৰত এটা বিভাগৰ গৰাকী হৈ প্ৰভুত্ব কৰে আৰু নিজৰ পিতৃয়ে খাবৰ বাবে প্ৰাণীৰ উৎপত্তি, স্থিতি তথা সংহাৰ কাৰ্য্য পৰিচালনা কৰে। তিনিও প্ৰভুৰ জন্ম আৰু মৃত্যু হয়। তেতিয়া কালে ইহঁতকো খায়। এই ব্ৰহ্মাণ্ডত (ইয়াক অণ্ড বুলিও কোৱা হয় কিয়নো ব্ৰহ্মাণ্ডৰ আকাৰ গোলাকাৰ, ইয়াক পিণ্ড বুলিও কয়, কিয়নো শৰীৰত (পিণ্ড) এক ব্ৰহ্মাণ্ডৰ ৰচনা পদুম ফুলত টি. ভিৰ দৰে দেখা যায়) এখন মান সৰোবৰ তথা ধৰ্মৰাজৰ (ন্যায়াধীশ/যমৰাজ) লোক আছে তাত এক গোপন স্থানৰ ওপৰত পূৰ্ণ পৰমাত্মাই অন্য ৰূপ ধাৰন কৰি থাকে যেনেকৈ প্ৰত্যেক দেশৰ ৰাজদূত ভবন থাকে। তালৈ কোনেও যাব নোবাৰে। তাত সেই সকল আত্মাই অৱস্থান কৰে যাৰ সত্যলোকৰ ভক্তি আধৰুৱা হৈ থাকে। যেতিয়া ভক্তি যুগ আহে তেতিয়া সেই সময়ত এই পুন্যাত্মা সকলৰ পৃথিৱীত মানবশৰীৰ প্ৰাপ্ত হয় তথা তেওঁবিলাকে সোনকালেই সৎ ভক্তি পথত লাগি যায় আৰু পূৰ্ণ মোক্ষ প্ৰাপ্ত কৰি পেলায়। সেই স্থানত থকা হংস (জ্ঞানী) আত্মাৰ নিজা ভক্তি অৰ্জনৰ ফল (পূণ্য) হানি নহয়। পূৰ্ণ পৰমাত্মাৰ ভাণ্ডাৰৰ পৰা সকলো সুবিধা হয়। ব্ৰহ্ম (কাল)ৰ উপাসকৰ ভক্তি অৰ্জনৰ ফল (পূণ্য) স্বৰ্গ-মহা স্বৰ্গতে সমাপ্ত হয় কিয়নো এই কাল লোক তথা পৰব্ৰহ্ম লোকত প্ৰাণীয়ে নিজ কৃত কৰ্মৰ ফল পায়।

ক্ষৰপুৰুষ (কাল/ব্ৰহ্ম) নিজৰ ২০ ব্ৰহ্মাণ্ডক চাৰিটাকৈ মহাব্ৰহ্মাণ্ডত বিভাজিত কৰিছে। এখন মহাব্ৰহ্মাণ্ডত পাচখন ব্ৰহ্মাণ্ডৰ সমূহ সৃষ্টি কৰি তাৰ চাৰিওফালে ডিম্বাকৃতিৰ (গোলাকাৰ পৰিধি) আকাৰে বান্ধিছে।

# ব্ৰহ্ম লোকৰ লঘু চিত্ৰ



# জ্যোতি নিৰঞ্জন (কাল) ব্ৰহ্মাৰ লোক (একৈশ ব্ৰহ্মাণ্ড)ৰ লঘু চিত্ৰ



আকৌ চাৰি মহা ব্ৰহ্মাণ্ডক এটা ডিম্বাকৃতিৰ পৰিধিৰ ভিতৰত ৰাখিছে। একৈশ ব্ৰহ্মাণ্ডৰ ৰচনা এক মহাব্ৰহ্মাণ্ড যিমান স্থান লৈ বনাইছে তাত এই একৈশ ব্ৰহ্মাণ্ডত প্ৰবেশ হোবাৰ বাবে তিনিটা পথ বনাইছে। একৈশ ব্ৰহ্মাণ্ডৰ বাওঁফালে নকলী সলোক, নকলী অলখ লোক, নকলী অগম লোক নকলী অনামী লোকৰ ৰচনা প্ৰাণী সমূহক ঠগাই ৰাখিবৰ বাবে আদি মায়া (দুৰ্গা)ৰ দ্বাৰা কৰাই লৈছে। সোঁফালে সৰ্বশ্ৰেষ্ঠ ব্ৰহ্ম সাধকক (ভকতক) ৰাখে। আকৌ প্ৰত্যেক যুগত তেওঁলোকক নিজৰ বাৰ্তাবাহক (সাধু, গুৰ, সদগুৰু) বনাই পৃথিবীত পঠাই দিয়ে, যিয়ে শাস্ত্ৰবিধি বিৰুদ্ধ সাধনা তথা জ্ঞান প্ৰচাৰ কৰে আৰু নিজেও ভক্তিহীন হয় আৰু তাৰ অনুগত (শিষ্য) বিলাককো কালৰ জালত আবদ্ধ কৰি পেলায়। আকৌ সিবিলাকে গুৰু শিষ্যৰে সৈতে নৰকলৈ যায়। আকৌ সমুখত এক তলা লগাই ৰখা হৈছে। সিটো পথ কাল (ব্ৰহ্ম) লোকলৈ যোৱা পথ। যত এই ব্ৰহ্ম (কাল) নিজৰ বাস্তৱিক মানব সদৃশ ৰূপত থাকে।এই স্থানতে এটা ডাঙৰ শিলৰ টুকুৰা যিটো তাৱা আকাৰৰ (তাৱা ৰুটি সেকা লোৰ পাত্ৰ) সকলো সময়তে গৰম হৈ থাকে। তাৰ ওপৰত একলাখ মানব শৰীৰধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰক ভাজি (ফ্ৰাই) কৰি দুৰ্গন্ধ বাহিৰ কৰি খায়। সেই সময়ত সকলো প্ৰাণীৰ আত্মাৰ কষ্ট অনুভব হয় আৰু হাহাকাৰ কৰি চিঞৰি উঠে। কিছু সময় পিছত অচেতন হৈ যায়। জীব নমৰে (আত্মা অমৰ)। আকৌ ধৰ্মৰাজৰ লোকত গৈ কৰ্ম অনুযায়ী আন জনম প্ৰাপ্ত কৰে আৰু জন্ম-মৃত্যুৰ (৮৪ লাখ যোনী ভ্ৰমন) চক্ৰ চলি থাকে। ওপৰোক্ত সমুখত লগোৱা তলা ব্ৰহ্মৰ (কাল) নিজৰ আহাৰৰ বাবে অহা প্ৰাণীৰ কাৰণে কিছু সময় খোলে। পূৰ্ণ পৰমাত্মা প্ৰদত্ত সত্যনাম তথা সাৰনামৰ দ্বাৰা এই তলা স্বয়ং খুলি যায়। এনেকুৱা কালৰ জাল পূৰ্ণ পৰমাত্মা কবীৰদেৱে নিজ ভকত ধৰ্মদাস জীক স্বয়ং বুজাইছিল।

**পৰব্ৰহ্মৰ সাত সংখ ব্ৰহ্মাণ্ডৰ স্থাপনা**

কবীৰ পৰমেশ্বৰে আগেয়ে কৈছে য়ে পৰব্ৰহ্মই নিজৰ কামত ক্ৰুটী কৰিছিল কিয়নো এওঁ মানসৰোবৰত টোপনি গৈছিল, যেতিয়া পৰমেশ্বৰে (মই অৰ্থাৎ কবীৰ পৰমাত্মা) সেই সৰোবৰত কণী পেলাই দিলে তেতিয়া অক্ষৰ পুৰুষে (পৰব্ৰহ্ম) তাক ক্ৰোধেৰে দৃষ্টিপাত কৰিলে। এই দুই অপৰাধৰ বাবে ইয়াকো সাত সংশ ব্ৰহ্মাণ্ডৰ সৈতে সৎলোকৰ পৰা বাহিৰ কৰি দিলে। দ্বিতীয় কাৰণ অক্ষৰ পুৰুষ (পৰব্ৰহ্ম) নিজৰ লগৰী ব্ৰহ্ম (ক্ষৰ পুৰুষ)ৰ বিদায় বেলাত ব্যাকুল হৈ পৰম পিতা কবীৰ দেবক (কবীৰ পৰমেশ্বৰ) পাহৰি তাকে স্মৰণ কৰিবলৈ ধৰিলে তথা চিন্তা কৰিলে যে ক্ষৰ পুৰুষে (ব্ৰহ্ম) বহুত আনন্দ উপভোগ কৰি আছে হবলা, মইহে পিছ পৰি গলো তথা অইন কিছু আত্মাই যি পৰব্ৰহ্মৰ লগত সাত সংশ ব্ৰহ্মাণ্ডত জন্ম-মৃত্যুৰ কৰ্মদণ্ড ভুগি আছে, সেই হংসাত্মাৰ বিদায়ৰ ক্ষণত বিভোৰ হ'ল যিবিলাকে ব্ৰহ্ম (কাল)ৰ লগত একৈশ ব্ৰহ্মাণ্ডত আবদ্ধ হৈছে আৰু পূৰ্ণ পৰমাত্মা কবীৰদেবৰ স্মৰণ, আৰু মনন পাহৰাই দিলে। পৰমাত্মা কবীৰদেৱে বাৰে বাৰে বুজোবাৰ সত্বেও আস্থা নকমিল। পৰব্ৰহ্মই (অক্ষৰ পুৰুষ) ভাবিলে মই ও বেলেগ স্থানলৈ যাওঁ তেন্তে বৰ ভাল হব। এইদৰে অইন আত্মা বিলাকে (যি পৰব্ৰহ্মৰ সাত সংশ ব্ৰহ্মাণ্ডত আবদ্ধ হৈছে) ভাবিলে যে যিবোৰ আত্মাই ব্ৰহ্মৰ লগত গৈছে সিবোৰে তাত আমোদ ফুৰ্তি কৰিছে, আমিহে পিছ পৰি গলো। পৰব্ৰহ্মৰ মনত এই ধাৰণা হৈ গল যে ক্ষৰ পুৰুষ বেলেগ হৈ বহুত সুখী হৈছে। ইয়াকে বিবেচনা কৰি অন্তৰ আত্মাৰ পৰা ভিন্ন স্থান পাবলৈ ঠাবৰ কৰিলে। পৰব্ৰহ্মই (অক্ষৰ পুৰুষ) হঠযোগ কৰা নাই, কিন্তু অইন ৰাজ্য প্ৰাপ্তিৰ বাবে সহজ ধ্যান যোগ বিশেষ প্ৰচেষ্টাৰে কৰিবলৈ ধৰিলে। বেলেগ স্থান পাবলৈ পাগলৰ দৰে বিচৰণ কৰিবলৈ ধৰিলে, খোৱাও এৰি দিলে। অইন কিছু

আত্মাই তাৰ বৈৰাগ্য দেখি তাৰ ওপৰত আসক্ত হৈ তাকে পাবলৈ হাবিয়াস কৰিলে। পূৰ্ণ প্ৰভুৱে সোধাত পৰব্ৰহ্মই বেলেগ স্থান বিচাৰিলে আৰু কিছু হংসাত্মাক বিচাৰিলে। তেতিয়া কবীৰদেৱে কলে যে যিবোৰ আত্মাই তোমাৰ লগত স্বইচ্ছাই যাব খোজে তাকে পঠিয়াম। পূৰ্ণ প্ৰভুৱে সুধিলে কোন হংসাত্মা পৰব্ৰহ্মৰ লগত যাব খোজে, সহমতি প্ৰকাশ কৰা। বহু সময় পিছত এক হংসাত্মাই স্বীকৃতি দিলে, তেওঁক দেখা-দেখি অইন কিছু আত্মাইও সহমতি ব্যক্ত কৰি দিলে। সৰ্বপ্ৰথমে স্বীকৃতি দিয়া হংসক স্ত্ৰী ৰূপ দিলে, তাইৰ নাম ঈশ্বৰী মায়া (প্ৰকৃতী সুৰতী) ৰাখি তথা অন্য আত্মক সেই ঈশ্বৰী মায়াৰ ভিতৰত প্ৰবেশ কৰাই অচিন্তৰ দ্বাৰা অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ৰ কাষলৈ পঠালে। (পতিব্ৰতা পদ পতনৰ শাস্তি পালে।) কেইবা যুগলৈ দুয়ো সাত সংখ্য ব্ৰহ্মাণ্ডত কটালে কিন্তু পৰব্ৰহ্মই দুৰ্ব্যৱহাৰ নকৰিলে। ঈশ্বৰী মায়াক স্বেচ্ছাই অঙ্গীকাৰ কৰি নিজ শব্দ শক্তিৰ দ্বাৰা নখেৰে স্ত্ৰী যোনী সৃষ্টি কৰিলে। ঈশ্বৰী দেৱীৰ সহমতিত সন্তান উৎপত্তি হ'ল। এই বাবে পৰব্ৰহ্মৰ লোকত (সাত সংখ্য ব্ৰহ্মাণ্ড) প্ৰাণীৰ তপ্ত শিলাখণ্ডত জ্বলি পুৰি যোৱা কষ্ট নাই তথা তাত থকা পশু পক্ষীও ব্ৰহ্মলোকৰ দেৱতাতকৈও ভাল চৰিত্ৰযুক্ত। আয়ুস দীৰ্ঘ কিন্তু জন্ম- মৃত্যু কৰ্মাধাৰৰ ওপৰত কৰ্মদণ্ড তথা পৰিশ্ৰম কৰি পেট ভৰাব লাগে। স্বৰ্গ তথা নৰকও এনেকৈ তৈয়াৰ হৈছে। পৰব্ৰহ্মই (অক্ষৰ পুৰুষে) সাত সংশ ব্ৰহ্মাণ্ড তাৰ ইচ্ছা ৰূপী ভক্তি ধ্যান অৰ্থাৎ সহজ সমাধি বিধিৰ কষ্টৰ প্ৰতিফল হিচাপে পালে তথা সত্যলোকৰ পৰা অইন স্থানত গোলাকাৰ পৰিধিৰ ভিতৰত আবদ্ধ কৰি সাত সংশ ব্ৰহ্মাণ্ডৰ সৈতে অক্ষৰ ব্ৰহ্ম আৰু ঈশ্বৰী মায়াক বহিস্কাৰ কৰিলে।

পূৰ্ণ ব্ৰহ্ম (সৎ পুৰুষ)ৰ অসংখ্য ব্ৰহ্মাণ্ড যি সত্যলোক আদিত আছে তথা ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড তথা পৰব্ৰহ্মৰ সাত সংশ ব্ৰহ্মাণ্ডৰ প্ৰভু (ঈশ্বৰ) অৰ্থাৎ পৰমেশ্বৰ কবীৰদেৱ কুলৰ গৰাকী।

শ্ৰী ব্ৰহ্মাদেৱ, শ্ৰী বিষ্ণুদেৱ তথা শ্ৰী শিৱদেৱ আদিৰ চাৰিটাকৈ হাত তথা ১৬ কলা আছে। প্ৰকৃতি দেৱী (দূৰ্গা)ৰ আঠখন হাত তথা ৬৪ কলা আছে। ব্ৰহ্ম (ক্ষৰ পুৰুষ)ৰ এহেজাৰ হাত তথা এক হেজাৰ কলা তথা একৈশ ব্ৰহ্মাণ্ডৰ প্ৰভু। পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) ৰ দহ হেজাৰ হাত তথা দহ হেজাৰ কলা তথা সাত সংশ ব্ৰহ্মাণ্ডৰ প্ৰভু। পূৰ্ণব্ৰহ্ম (পৰম অক্ষৰ পুৰুষ অৰ্থাৎ সৎ পুৰুষৰ অসংখ্য হাত তথা অসংখ্য কলা তথা ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড আৰু পৰব্ৰহ্মৰ সাত সংশ ব্ৰহ্মাণ্ডৰ সৈতে অসংখ্য ব্ৰহ্মাণ্ডৰ ঈশ্বৰ/প্ৰভু। প্ৰত্যেক প্ৰভুৱে নিজৰ সকলো হাতক গোটাই লৈ মাথোন দুটা হাত ৰাখি দিয়ে তথা যেতিয়াই আৱশ্যক বাকী হাতবোৰক প্ৰকট কৰিব পাৰে। পূৰ্ণ পৰমাত্মাই পৰব্ৰহ্মৰ প্ৰত্যেক ব্ৰহ্মাণ্ডত বেলেগ স্থান বনাই অন্য ৰূপত গোপনে থাকে। ধৰি লোৱা যে এটা চলমান কেমেৰা বাহিৰত লগোৱা হৈছে আৰু ভিতৰত টি. ভি. (টেলিভিজন) ৰখা হৈছে। টিভিত বাহিৰৰ সৰ্বদৃশ্য দেখা পোৱা যায় তথা আন এটা টিভি বাহিৰত ৰাখি আৰু ভিতৰত স্থায়ী কেমেৰা ৰাখি দিলে ভিতৰত থকা বিষয় ববীয়াৰ ছবি বাহিৰৰ টিভিত দেখা পোৱা যায়। যাৰ দ্বাৰা সকলো কৰ্মচাৰী সাৱধান হৈ থাকে।

এইদৰে পূৰ্ণ পৰমাত্মা নিজৰ সত্যলোকত বহি থাকি সকলোকে নিয়ন্ত্ৰণ কৰি থাকে তথা প্ৰত্যেক ব্ৰহ্মাণ্ডতো সৎগুৰু কবীৰদেৱ বিদ্যমান হৈ থাকে যেনেকৈ সূৰ্য্য দূৰত অৱস্থান কৰিও অইন লোকতো নিজৰ প্ৰভাৱ বিস্তাৰ কৰি থাকে।

## পৱিত্ৰ অথৰ্ববেদত সৃষ্টি ৰচনাৰ প্ৰমাণ

কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ নং ১ ঃ

ব্ৰহ্ম জ্ঞানম প্ৰথম পুৰস্তাদ বি সীমতঃ সুৰুচো বেন আবঃ।
স বুধন্যা উপমা অস্য বিষ্ঠাঃ সতশ্চ যোনিম্ সতশ্চ বি বঃ।।১।।

ব্ৰহ্ম-জ-জ্ঞান প্ৰথম-পুৰস্তাদ-বিসিমিতঃ- সুৰুচঃ- বেনঃ- আবঃ- সঃ- বুধন্য স্পমা -অস্য-বিষ্ঠাঃ- সতঃ- চ -যোনিম-অসতঃ- চ-বি বঃ।

অনুবাদ ঃ- (প্ৰথম) প্ৰাচীন অৰ্থাৎ সনাতন (ব্ৰহ্ম) পৰমাত্মাই (জ) প্ৰকট হৈ (জ্ঞান) নিজ বিচাৰ বুদ্ধিৰে (পুৰস্তা) শিখৰত অৰ্থাৎ সৎলোক আদিক (সুৰুচঃ) স্বইচ্ছাই বৰ আগ্ৰহেৰে স্বপ্ৰকাশিত (বিসিমতঃ) সীমা ৰহিত অৰ্থাৎ বিশাল সীমাহীন ভিন্ন লোকৰ সেই (বেনঃ) শিপিনিয়ে অৰ্থাৎ কাপোৰৰ দৰে বনাই (আবঃ) সুৰক্ষিত কৰিলে (চ) তথা (সঃ) সেই পূৰ্ণ ব্ৰহ্মই সকলোৰে সৃষ্টি কৰ্তা এই কাৰণে সেই মূল মালিকে মূল স্থান সত্যলোকৰ ৰচনা কৰিলে (অস্য) এই বাবে সেই (বুধন্যা) মূল মালীকে (যোনীম) মূল স্থান সৎলোকৰ ৰচনা কৰিছে (অস্য) ইয়াৰ (উপমা) সদৃশ অৰ্থাৎ একে ধৰণৰ (সৎ) অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্মৰ কিছু লোক স্থায়ী (চ) তথা (অসতঃ) ক্ষৰপুৰুষৰ অস্থাই লোক আদি (বি ৱঃ) আবাস স্থান ভিন্ন (বিষ্ঠা) স্থাপিত কৰিছে।

ভাবাৰ্থ :- পৱিত্ৰ বেদ বক্তা ব্ৰহ্মই (কাল) কৈ আছে যে সনাতন পৰমেশ্বৰে স্বয়ং অনাময় (অনামী) লোকৰ পৰা সত্যলোকত প্ৰকট হৈ নিজৰ বিচাৰ বুদ্ধিৰে বস্তু তৈয়াৰ কৰাৰ দৰে ৰচনা কৰি ওপৰৰ সত্যলোক আদিক সীমা ৰহিত স্বপ্ৰকাশিত অজৰ অমৰ অৰ্থাৎ অবিনাশী কৰিলে তথা তলৰ ফালে পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড তথা ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ড আৰু ইয়াৰ সৰু-সৰু অস্থায়ী ৰচনাৰ সৃষ্টি সেই পৰমাত্মাই কৰিলে।

প্ৰাৰ্থনা ঃ- পাঠক সকলে চিত্ৰত ওপৰৰ লোকৰ সীমা দেখিলে মনত শংকা উৎপন্ন হব, কিয়নো বেদত সীমা নাই বুলি লিখা আছে। গতিকে চিত্ৰ শুদ্ধ নহয়। সীমাহীন লোক হলে এটাহে হব; অন্য লোক থাকিলে সীমা অৱশ্য থাকিব। এই কাৰণে ইয়াত স্পষ্ট কৰি দিওঁ যে পৰমাত্মাৰ লীলা অদ্ভুত। তেওঁ অনামী লোকক বাদ দি অন্য লোকৰ বিস্তৃতি কম বেছি কৰি থাকে। এই কাৰণে এইবোৰৰ ব্যাস (পৰিধি) সীমিত নহয়।

কাণ্ড নং ৪ অনুবাক নং ১, মন্ত্ৰ নং ২ ঃ-

ইয়ম পিত্ৰয়া ৰাষ্ট্ৰবেত্বগ্ৰে প্ৰথমায় জনুষে ভূবনেষ্ঠাঃ।
তস্মা এতম সুৰচম হামহম ধৰ্ম শ্ৰীসন্ত প্ৰথমায় ধাস্বৰে।। ২।।

ইয়ম-পিত্ৰয়া ৰাষ্ট্ৰি-এতু অগ্ৰে প্ৰথমায়-জনষে-ভূবনেষ্ঠাঃ-
তস্মা-এতম সুৰু চম-হৰাৰহ্যম্-ধৰ্মম - শ্ৰীনান্তু প্ৰথমায়-ধাস্বৰে।

অনুবাদঃ- (ইয়ম) এই (পিয়া) জগত পিতা পৰমেশ্বৰে (এ) এই (অগ্ৰে) সৰ্বোত্তম (প্ৰথমায়) সকলোৰে প্ৰথম মায়া পৰা নন্দিনী (ৰাষ্ট্ৰী) ৰাজেশ্বৰী শক্তিক অৰ্থাৎ পৰা শক্তি যাক আকৰ্ষণ শক্তিও কোৱা হয় (জনুষে) উৎপন্ন কৰি (ভুবনেষ্ঠাঃ) লোক স্থাপনা কৰি (তস্মা) সেই পৰমেশ্বৰে (সুৰচম) বৰ আগ্ৰহেৰে স্বইচ্ছাই (এম) এই (প্ৰথমায়) প্ৰথম উৎপত্তি শক্তি অৰ্থাৎ পৰা শক্তিৰ দ্বাৰা (হবাৰমহাম) ইজনে সিজনৰ বিয়োগ ৰহিত কৰিবলৈ অৰ্থাৎ আকৰ্ষন শক্তিৰ (শ্ৰীনান্তু) গুৰুত্ব আকৰ্ষনেৰে পৰমাত্মাই আদেশ দিলে সদায় থকা যিটো কেতিয়াও সমাপ্ত নহয় (ধৰ্ম) স্বভাবৰ দ্বাৰা (ধাস্বৰে) ধাৰন কৰি অৰ্থাৎ বস্ত্ৰৰ দৰে বনাই থামিলে।

ভাবাৰ্থ ঃ- জগতপিতা পৰমেশ্বৰে নিজৰ শব্দ শক্তিৰ দ্বাৰা প্ৰথম মায়া ৰাজেশ্বৰী

উৎপন্ন কৰিলে তথা সেই পৰা শক্তিৰ দ্বাৰা ইজনে সিজনক আকৰ্ষণ শক্তিৰ দ্বাৰা ৰখাবৰ বাবে কেতিয়াও সমাপ্ত নোহোবা গুণেৰে ওপৰোক্ত সৰ্ব ব্ৰহ্মাণ্ডক ৰচনা কৰিলে।

অথৰ্ববেদ কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ নং ৩ ঃ

প্ৰ যো জজ্ঞে বিদ্যানস্ব বন্ধুৰ্বিশ্যা দেবানাম জনিমা বিবক্তি।

ব্ৰহ্ম ব্ৰহ্মন উজ্জভাৰ মধ্যান্নীচৈৰুচ্চৈঃ স্বধা অভি প্ৰ তস্থৌ।। ৩।।

প্ৰ-য়ঃ- জজ্ঞে-বিদ্যানস্ব-বন্ধুঃ- বিশ্বা-দেবানাম-জনিমা-বিবক্তি-ব্ৰহ্ম-ব্ৰহ্মনঃউজ্জভাৰ-মধ্যাত নিচৈঃ- উচ্চৈঃ- স্বধা-অভিঃ- প্ৰতস্থৌ।

অনুবাদ ঃ- (প্ৰ) সৰ্বপ্ৰথম (দেবানা) দেবতা তথা ব্ৰহ্মাণ্ডৰ (জজ্ঞে) উৎপত্তিৰ জ্ঞানক (বিদ্যানস্য) জিজ্ঞাসু ভকতৰ যঃ) যি (বন্ধু) বাস্তবিকমিত্ৰ অৰ্থাৎ পূৰ্ণ পৰমাত্মাই নিজে নিজৰ সেবকক (জনিমা) নিজৰ দ্বাৰা ৰচিত সৃষ্টিক (বিবক্তি) স্বয়ং ঠিক বিস্তাৰ পূৰ্বক বনায় যে (ব্ৰহ্মনঃ) পূৰ্ণ পৰমাত্মাই (মধ্যাত) নিজৰ মধ্যৰ পৰা অৰ্থাৎ শব্দ শক্তিৰ দ্বাৰা (ব্ৰহ্মঃ) ব্ৰহ্মাক্ষৰ পুৰুষ অৰ্থাৎ কালক (উজ্জভাৰ) উৎপন্ন কৰি (বিশ্যবৰা) গোটেই সংসাৰ অৰ্থাৎ সৰ্বলোকৰ (উচ্চৈঃ) উপৰ সত্যলোক আদি (নিচৈঃ) তলত পৰব্ৰহ্ম তথা ব্ৰহ্মৰ সৰ্ব ব্ৰহ্মাণ্ড (স্বধা) নিজে ধাৰণ কৰা (অভিঃ) আকৰ্ষণ শক্তিৰ দ্বাৰা (প্ৰতস্থো) দুয়োকে ভালদৰে স্থিত কৰিলে।

ভাবাৰ্থ - পুৰ্ণ পৰমাত্মা নিজৰ দ্বাৰা ৰচিত সৃষ্টিৰ জ্ঞান তথা সকলো আত্মাৰ উৎপত্তিৰ জ্ঞান নিজৰ সেবকক স্বয়ং শুদ্ধকৈ বৰ্ণায় যে পূৰ্ণ পৰমাত্মাই নিজৰ মাজত অৰ্থা নিজৰ শৰীৰৰ পৰা নিজা শব্দ শক্তিৰ দ্বাৰা ব্ৰহ্ম (ক্ষৰ পুৰুষ/কাল)ৰ উৎপত্তি কৰিছে তথা সৰ্ব ব্ৰহ্মাণ্ডৰ ওপৰত সৎলোক, অলখ লোক, অগম লোক, অনামী লোক আদি তথা তলফালে পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড তথা ব্ৰহ্মৰ ২১ ব্ৰহ্মাণ্ডক নিজে ধাৰণ কৰা আকৰ্ষন শক্তিক সাব্যস্ত কৰিছে।

যেনেকুৱা পূৰ্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰে (কবীৰ্দেব) নিজেই নিজৰ সেবক অৰ্থাৎ বান্ধৈ শ্ৰী ধৰ্মদাস মহাশয়, আদৰণীয় শ্ৰী গৰীব দাস মহাশয আদিক নিজৰ দ্বাৰা ৰচিত সৃষ্টিৰ জ্ঞান স্বয়ং বৰ্ণনা কৰিছিল। ওপৰোক্ত বেদমন্ত্ৰই ইয়াকে সমৰ্থন কৰে।

অথৰ্ববেদ কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ নং ৪

স হি দিবঃ স পৃথিব্যা ঋতস্থা মহী ক্ষেমম্ ৰোদসী অস্কভায়।

মহান মহী অস্কয়দ বি জাতো দ্যাম সদ্ম পাৰ্থিবম চ ৰজঃ ।। ৪।।

হি দিবঃ-স-পৃথিব্যা-খৃতস্থা-মহী-ক্ষেমম্-ৰোদসী-অস্কাভায় মহান মহী-অস্কভায় -

বিজাতঃ- ধামসদম-পাৰ্থিব-চ ৰজঃ

অনুবাদ ঃ- (স) সেই সৰ্ব শক্তিমান পৰমাত্মাই (হি) নিঃসন্দেহে ওপৰৰ চাৰিও দিব্যলোক যেনে সত্য লোক, অলখ লোক, অগম লোক তথা অনামী অৰ্থাৎ অকহ লোক অৰ্থাৎ দিব্য গুন যুক্ত লোকৰ (ঋতস্থা) সত্য স্থিৰ অৰ্থাৎ অজৰ অমৰ ৰূপৰ দ্বাৰা স্থিৰ কৰিলে (স) তেওঁৰে সমান (পৃথিব্যা) তলৰ পৃথিৰীৰ সৰ্বলোকৰ যেনে পৰব্ৰহ্মৰ সাত সংখ্য ব্ৰহ্মাণ্ড তথা কাল/ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড (মহী) পৃথিবী তত্ব দ্বাৰা (ক্ষেমম) সুৰক্ষাৰে সৈতে (অস্কভায়ত) সাব্যস্ত কৰি (ৰোদসী) আকাশ তত্ব তথা পৃথিবী তত্বৰ দুয়োৰে উপৰ তলৰ ব্ৰহ্মাণ্ডক (যেনে আকাশ এক সুক্ষ্ম তত্ব, আকাশৰ গুণ হ'ল শব্দ, পূৰ্ণ পৰমাত্মাই ওপৰৰ লোক শব্দ ৰূপেৰে ৰচিলে যিটো জ্যোতিৰে বনালে তথা তলৰ পৰব্ৰহ্মৰ (অক্ষৰ পুৰুষৰ সাত




ওপৰত মূল শিপা তলত শাখা ডালৰ সৈতে ওলোটাকৈ ওলোমাই থকা জগত সংসাৰ ৰূপী বৃক্ষৰ চিত্ৰ।

সংখ্য ব্ৰহ্মাণ্ড তথা ব্ৰহ্ম/ক্ষৰ পুৰুষৰ ২১ ব্ৰহ্মাণ্ডকো অস্থায়ী পৃথিবী তত্বৰে ৰচিলে) (মহান) পূৰ্ণ পৰমাত্মাই (পাৰ্থিবম) পৃথিবীৰ (বি) ভিন ভিন (ধাম) লোক (চ) আৰু (সদম) বাসস্থান (মহী) পৃথিবী তত্বৰ দ্বাৰা (ৰজঃ) প্ৰত্যেক ব্ৰহ্মাণ্ডত সৰু সৰু লোকৰ (জাতঃ) ৰচনা কৰি (অস্কয়ত) স্থিৰ কৰিলে।

ভাবাৰ্থ ঃ- ওপৰৰ চাৰি লোক সত্যলোক, অলখ লোক, অগম লোক, অনামী লোক, এইবোৰ অজৰ অমৰ স্থায়ী অৰ্থাৎ অবিনাশী কৰি ৰচিলে তথা তলৰ ফালে ব্ৰহ্ম তথা পৰব্ৰহ্মৰ লোকক অস্থায়ী ৰচনা কৰি আৰু অইন সৰু সৰু লোককো পৰমেশ্বৰে সৃষ্টি কৰি স্থিৰ কৰিলে।

অথৰ্ববেদ কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ ৫ ঃ-

সবুধন্যাদাষ্ট্ৰ জনুষোয়ভ্যগ্ৰম বৃহস্পতিদেবতা তস্য সম্ৰাট।
অহছুক্ৰম য্যোতিষো জনিষ্ঠাথ দ্যুমন্তো বি বসন্তু বিপ্ৰাঃ ।। ৫।।

স-বুধন্যাত-আষ্ট্ৰ-জনষেঃ- অভি-অগ্ৰম বৃহস্পতিঃ দেবতা-তষ্য সম্ৰাট-অহঃ- যত শুক্ৰম-জ্যোতিষঃ- জনিষ্ট-অথ-দুমন্তঃ- বি-বসন্তুবিপ্ৰাঃ ।

অনুবাদ ঃ- (সঃ) সেই (বুধন্যাত) মূল মালিকৰ দ্বাৰা (অভি অগ্ৰ) সৰ্ব প্ৰথম স্থানৰ ওপৰত (আষ্ট) অষ্টাঙ্গী মায়া অৰ্থাৎ দুৰ্গা/প্ৰকৃতি দেবী (জনুষেঃ) উৎপন্ন হল কিয়নো তলৰ ফালে পৰব্ৰহ্ম তথা ব্ৰহ্ম লোকৰ প্ৰথম স্থানত সৎলোক, ইয়াক তৃতীয় ধাম বুলি কোৱা হয় (তস্য) এই দুৰ্গাৰো মালিক এওঁ (সম্ৰাট) ৰাজাধিৰাজ (বৃহস্পতিঃ) সকলোতকৈ ডাঙৰ পতি তথা জগতগুৰু (দেবতা) পৰমেশ্বৰ। (যত) যাৰ দ্বাৰা সকলোৰে বিয়োগ হল (অথ) ইয়াৰ পিছত (জ্যোতিষঃ) জ্যোতি নিৰঞ্জন অৰ্থাৎ কালৰ (শুক্ৰম) বীৰ্য্য অৰ্থাৎ বীজ শক্তিৰ দ্বাৰা (জনিষ্ট) দুৰ্গাৰ গৰ্ভত উৎপন্ন হ'ল (বিপ্ৰাঃ) ভক্ত আত্মা সকল (বি) বেলেগকৈ (দ্যুমন্তঃ) মনুষ্য লোক তথা স্বৰ্গ লোকত জ্যোতি নিৰঞ্জনৰ আদেশত দুৰ্গাই কলে নিবাস কৰা অৰ্থাৎ বসবাস কৰা।

ভাবাৰ্থ ঃ- পূৰ্ণ পৰমাত্মাই ওপৰৰ চাৰিও লোকৰ ভিতৰত তলৰ পৰা সকলোৰে প্ৰথম অৰ্থাৎ সত্যলোকত আষ্ট্ৰ অৰ্থাৎ অষ্টাঙ্গী (দুৰ্গাদেবী/প্ৰকৃতি। দেবী)ক উৎপত্তি কৰিলে। এওঁবেই ৰাজাধিৰাজ, জগতগুৰু, পূৰ্ণ পৰমেশ্বৰ (সৎপুৰুষ) যাৰ পৰা সকলোৰে বিয়োগ হল। আকৌ সকলো প্ৰাণী জ্যোতি নিৰঞ্জন (কাল)ৰ (বীৰ্য্) বীজৰ দ্বাৰা দুৰ্গা (আষ্ট্ৰা) গৰ্ভত উৎপন্ন হৈ স্বৰ্গলোক তথা পৃথিবী লোকত বসবাস কৰিবলৈ ধৰিলে।।

অথৰ্ববেদ কাণ্ড নং ৪, অনুবাক নং ১, মন্ত্ৰ ঃ ৬ ঃ-

নূনম্ তদষ্য কাব্যো হিনোতি, মহো দেবষ্য পূৰ্বেয়স্য ধাম।
এষ জজ্ঞে বহুভিঃ সাকমিথ্যা পূৰ্বে অৰ্ধে বিষিতে সসন্ নু।। ৬।।।
নুনু-তত-অষ্য কাব্যো- মহো- দেবষ্য-পূৰ্বেয়স্য-ধাম-
হিনোতি-পুৰ্বে বিষিতে-এজজ্ঞেবহুভিঃ- সাম-ইতথা-অৰ্ধে-সসন্নু।

অনুবাদঃ- (নুনম) নিসন্দেহে (তত) সেই পূৰ্ণ পৰমেশ্বৰ অৰ্থাৎ পূৰ্ণ ব্ৰহ্মই (অস্য)। এই (কাব্যঃ) ভক্তাত্মা যি পূৰ্ণ পৰমেশ্বৰৰ ভক্তি বিধিবত ভাবে সাধন কৰে তাক আকৌ (মহঃ) সৰ্বশক্তিমান (দেবস্ব) পৰমেশ্বৰে (পূৰ্বষ্য) প্ৰথম (ধাম) লোকত অৰ্থাৎ সত্যলোকত (হিনোতি) পঠাই দিয়ে।(পূৰ্বে) আগেয়ে (বিষিতে) আগ্ৰহেৰে বিচৰা (এষ) এই পৰমেশ্বৰৰ (জজ্ঞে) সৃষ্টি উৎপত্তিৰ জ্ঞান জানি (বহুভিঃ) বহুত আনন্দৰে (সাক) সৈতে (অৰ্ধে) আধা (সসন)। টোপনীওবা (ইথ্যা) বিধিবত এনে ধৰণে (নু) সঁচা আত্মাৰে স্তুতি কৰে।

ভাবাৰ্থ ঃ- সেই পূৰ্ণ পৰমেশৰে সত্য সাধনা কৰা ভকতক প্ৰথম স্থান সত্যলোকলৈ

লৈ যায়, যাক সিহঁতে এৰি আহিছিল। তাত আগৰ বাস্তৱিক সুখদায়ক প্ৰভূক প্ৰাপ্ত কৰি আনন্দত আত্ম বিভোৰ হৈ বৰ আনন্দৰে প্ৰাৰ্থনা কৰে আৰু ব্যক্ত কৰে যে, হে পৰমাত্মা অসংখ্য জনমৰ ভূল আৰু উৰাদিহ নোপোৱা দিশ ভুল হোৱা ভকতৰ বাস্তবিকতে ঠিকনা পাইছে। ইয়াৰ প্ৰমাণ ঋগবেদ মণ্ডুল নং ১০, সুক্ত ৯০ , মন্ত্ৰ ১৬ ৰ ভিতৰত আছে।

আদৰণীয় গৰীবদাস মহাশযক এইদৰে পূৰ্ণ পৰমাত্মাই (কবীৰদেব) স্বয়ং সত্যভক্তি প্ৰদান কৰি সৎলোকলৈ লৈ গৈছিল, তেতিয়া আদৰণীয় গৰীবদাস মহাশয়ে নিজ চকুৰে দেখা বিবৰণ নিজৰ অমৃত বানীত কৈছিল ঃ

গৰীব, অজব নগৰ মে লে গয়ে, হমকু সতগুৰু আন।
ঝিলকে বিম্ব অগাধ গতি, সুতে চাদৰ তান।।

অথৰ্ববেদ কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ ৭

যঃ অথৰ্বানম পিত্তৰ-দেববন্ধুম বৃহস্পতিম -নমসা-অব-চ-গচ্ছা-তৃম-বিশ্বেজনিতা যথা সঃ- কবিদেবঃ- নদভায়-স্বধাবান।

অনুবাদ ঃ- (যঃ) যিয়ে (অথবানম) অচল অৰ্থা অবিনাশী (পিত্ত) জগত পিতা (দেববন্ধুম) ভকতৰ বাস্তবিক লগৰী অৰ্থাৎ আত্মাৰ আধাৰ (বৃহস্পতিম) জগতগুৰু (চ) তথা (নমসা) বিনম্ৰ পুজাৰী অৰ্থাৎ বিধিৰত সাধকক (অব) সুৰক্ষাৰ সৈতে (গচ্ছা) সৎলোকলৈ লৈ যাবা সকলক(বিশ্বেষাম) সৰ্ব ব্ৰহ্মাণ্ডৰ (জনি) সৃষ্টি কৰ্তা জগদম্বা অৰ্থাৎ মাতৃ গুনেৰেও ভৰপুৰ (নদভায়) কালৰ দৰে নঠগোৰা (স্বধাবান) স্বভাব অৰ্থাৎ গুনযুক্ত (যথা) যেনে তেনে (সঃ) তেওঁ (ত্বম) আপুনি (কবিদেবঃ/কবিৰদেবঃ) কবীৰদেব ভাষা ভিন্ন ইয়াক কবীৰ পৰমেশ্বৰ বোলে।

ভাবাৰ্থ ঃ- এই মন্ত্ৰত এইটোও স্পষ্ট কৰি দিছে যে সেই পৰমেশ্বৰৰ নাম কবীৰ্দেব অৰ্থাৎ কবিৰ পৰমেশ্বৰ যিয়ে সকলোকে সৃষ্টি কৰিছে।

যি পৰমেশ্বৰ বাস্তৱত অবিনাশ্বী (গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ প্ৰমাণ আছে) জগতগুৰু আত্মাধাৰ, যিয়ে পূৰ্ণ মুক্ত হৈ সৎলোকলৈ যায়, সিহঁতক সৎলোকলৈ লৈ যোৱা সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচক, কাল (ব্ৰহ্ম)ৰ দৰে নঠগোৰা, তেওঁ স্বয়ং কবীৰ্দেব অৰ্থাৎ প্ৰভু কবীৰ। এই পৰমেশ্বৰক সৰ্ব ব্ৰহ্মাণ্ড তথা সৰ্ব প্ৰাণীক নিজ শব্দ শক্তিৰে সৃষ্টি কৰা কাৰণে (জনি) মাতৃ বুলিও কোৱা হয় আৰু (পিতৰম) পিতা তথা (বন্ধু) পৰম বান্ধৱ বাস্তৱত এওঁবেই তথা (দেব) পৰমেশ্বৰৰ এওঁবেই। এই বাবে এই কবিদেৱ (কবিৰ পৰমেশ্বৰ)ক স্তুতি কৰা হয়। ত্বমেব, মাতা চ পিতা ত্বমেব, ত্বমেব বন্ধু চ সখা ত্বমেব, ত্বমেব বিদ্যা চ দ্ৰবিনম ত্বমেব, ত্বমেব সৰ্ব মম দেব দেব। এই পৰমেশ্বৰ মহিমা পবিত্ৰ ঋগবেদ মণ্ডুল নং ১ সূক্ত নং ২৪ ত বিস্তৃত বিবৰণ আছে।

## পৱিত্ৰ ঋগবেদত সৃষ্টি ৰচনাৰ প্ৰমাণ

ঋগবেদ মণ্ডুল নং ১০, সুক্ত ৯০, মন্ত্ৰ নং ১ ঃ

সহস্ৰশীৰ্ষা-পুৰুষহ সহস্ৰাক্ষহ সহস্ৰপাত-স-ভূমিম্ - বিশ্বতঃ-বৃত্যা - অত্যাতিষ্ঠৈ-দশাঙ্গুলম্।।

অনুবাদ ঃ- (পুৰুষঃ) বিৰাট ৰূপ কাল ভগবান অৰ্থাৎ ক্ষৰপুৰুষ (সহস্ৰ শীৰ্ষা) হেজাৰ মুৰ থকা (সহস্ৰাক্ষঃ) হেজাৰ চকু থকা (সহস্ৰপাত) হেজাৰ ভৰি থকা (স) সেই কাল (ভূমি) পৃথিবীৰ নিচিনা এৰৈশ ব্ৰহ্মাণ্ডৰ (বিশ্বতঃ) সকলোৰে (দশাঙ্গুলম) দহ আঙুলিৰে অৰ্থাৎ পূৰ্ণ ভাবে আয়ত্ব কৰি (বৃত্যা) গোলাকাৰ পৰিধিৰ ভিতৰত (অত্যাতিষ্ঠৈ) ইয়াতকৈও বেচি অৰ্থাৎ নিজৰ কাল লোকত সকলোতকৈ ভাল এৰৈশ ব্ৰহ্মাণ্ডত বিৰাজিত হৈ থাকে।

ভাবাৰ্থ ঃ- এই মন্ত্ৰত বিৰাট কাল (ব্ৰহ্ম)ৰ বৰ্ণনা আছে। (গীতা অধ্যায় ১০-১১ এই কাল/ব্ৰহ্মৰ বৰ্ণনা অধ্যায় ১১ মন্ত্ৰ নং ৪৬ অৰ্জুনে কৈছে যে হে সহস্ৰবাহু অৰ্থাৎ হেজাৰ বাহু (হাত) থকা আপুনি আপোনাৰ চতুৰ্ভূজ ৰূপত দৰ্শন দিয়ক।)

যাৰ হেজাৰ হাত, ভৰি, হেজাৰ চকু, কাণ, মুখ আদি সেই বিৰাট ৰূপৰ কাল প্ৰভূবে নিজৰ অধীন সকলো প্ৰাণীক বশ কৰি অৰ্থাৎ ব্ৰহ্মাণ্ডত গোলাকাৰ পৰিধিৰ ভিতৰত আবদ্ধ ৰাখি ইয়াৰ ওপৰত ২১ ব্ৰহ্মাণ্ডত স্বয়ং বিজিত হৈ থাকে।

ঋগবেদ মণ্ডল ১০ সুক্ত ৯০ মন্ত্ৰ ২

পুৰুষ এৱেদ সৰ্ব য়দ্ভূতঃ য়চ্চ ভাব্যম্। উতামৃতত্বস্যেশানো য়দন্নেনাতিৰোহতি।।২।।

পুৰুষ - এৱ - ইদম্ - সৰ্ৱম্ - য়দ্ - ভূতম্ - য়দ্ - চ - ভাব্য়ম্

উত - অমৃতত্বস্য - ইশানঃ - য়ত্ - অন্নেন - অতিৰোহতি

অনুবাদ ঃ- (এৱ) এইদৰে কিছু (পুৰুষ) ভগৱান আছে সেইটো অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্ম (চ) আৰু (ইদম) এওঁ (যত) যি (ভূতম) উৎপন্ন হৈছে বা জনম লৈছে (যত) যি (ভাব্যম) ভৱিষ্যতেও হব (সৰ্বম) সকলো (যত) প্ৰযত্নৰ দ্বাৰা অৰ্থাৎ পৰিশ্ৰমৰ দ্বাৰা আৰু (অন্নেন) অন্নৰ দ্বাৰা (অতিৰোহিত) বিকসিত হয়। এই অক্ষৰ পুৰুষো (উত) সন্দেহ যুক্ত (অমৃত তৃস্য) মোক্ষৰ (ইশানঃ) স্বামী। অৰ্থাৎ ভগৱান অক্ষৰ পুৰুষ অলপ কিছু মোক্ষৰ গৰাকী কিন্তু পূৰ্ণ মোক্ষ দায়ক নহয়।

ভাবাৰ্থ ঃ- এই মন্ত্ৰত পৰব্ৰহ্ম (অক্ষৰ পুৰুষ)ৰ বিৱৰণ আছে যি অলপ কিছু ঈশ্বৰ গুণ যুক্ত, কিন্তু ইয়াৰ ভক্তি সাধনেৰে পূৰ্ণ মুক্তি বা মোক্ষ নহয়, এই বাবে ইয়াক সন্দেহ যুক্ত মুক্তিদাতা কোৱা হয়। ইয়াক এই কাৰণে অলপ কিছু ভগবান গুণ যুক্ত কোৱা হয় কাৰণ ই কাল (ব্ৰহ্ম)ৰ দৰে তপ্ত শিলাখণ্ডত ভাজি (ফ্ৰাই) কৰি নেখায়। কিন্তু এই পৰব্ৰহ্মৰ ধামত বা লোকতো প্ৰাণীৰ পৰিশ্ৰম কৰি কৰ্মাধাৰৰ ওপৰত ফল প্ৰাপ্ত হয় তথা অন্ন বা খাদ্যৰে শৰীৰৰ বিকাশ হয়। জন্ম-মৃত্যুৰ সময় যদিও কাল (ক্ষৰ) পুৰুষতকৈ অধিক, আকৌ কিন্তু উৎপত্তি প্ৰলয় তথা চৌৰাশী লাখ যোনী ভ্ৰমনৰ যাতনা বিদ্যমান।

মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ৩ -

এতাৱান-অস্য-মহিমা-অতঃ-জায়ান-চ-পুৰুষঃ-পাদঃ-অস্য-বিশ্বা-ভূতানি-ত্ৰিপাদ্-অস্য-অমৃতম-দিবি।

অনুবাদ ঃ- (অস্য) এই অক্ষৰপুৰুষ অৰ্থাৎ পৰব্ৰহ্মৰ (এবান) ইমানেই (মহিমা)প্ৰভুত্ব। (চ)তথা(পুৰুষঃ) সেই পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ ব্ৰহ্ম পৰমেশ্বৰ তো (অতঃ) ইয়াতকৈও (জায়ান) ডাঙৰ যি (বিশ্বা) সমস্ত (ভূতানি) ক্ষৰপুৰুষ তথা অক্ষৰপুৰুষ তথা ইবিলাকৰ লোক বা ধাম তথা সত্যলোক তথা এই লোকত যিমান প্ৰাণী আছে (অস্য) এই পূৰ্ণ পৰমাত্মা পৰম অক্ষৰ পুৰুষৰ (পাদঃ) এখন ভৰি অৰ্থাৎ এটা অংশ মাত্ৰ। (অস্য) এই পৰমেশ্বৰৰ (ত্ৰি) তিনিখন (দিবি) দিব্যলোক আছে যেনে - সত্যলোক-অলখলোক - অগম লোক (অবিনাশী) (পাদ) দ্বিতীয়খন ভৰি অৰ্থাৎ যিয়ে সৰ্ব ব্ৰহ্মাণ্ডত উৎপন্ন হয় সিবিলাক সত্য পুৰুষ পূৰ্ণ পৰমাত্মাৰ অংশ বা অঙ্গ মাথোন।

ভাবাৰ্থ ঃ- এই ওপৰৰ ২ নং মন্ত্ৰত বৰ্ণিত অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ৰ ইমান খিনি মহিমা। কিন্তু সিজন পূৰ্ণ পুৰুষ কবীৰ্দেব ইয়াতকৈও ডাঙৰ অৰ্থাৎ সৰ্বশক্তিমান তথা সৰ্ব ব্ৰহ্মাণ্ড তাৰে অংশ মাত্ৰৰ ওপৰত বৰ্তি আছে, এই মন্ত্ৰত তিনি লোকৰ বৰ্ণনা এই বাবে যে ইয়াতকৈও চতুৰ্থ অনামী (অনাময়) লোকৰ প্ৰথমতেই সৃষ্টি হৈছিল। এই তিনি প্ৰভুৰ (ক্ষৰ পুৰুষ-অক্ষৰ পুৰুষ, এই দুজনতকৈ ভিন্ন পৰম অক্ষৰ পুৰুষ) বিৱৰণ শ্ৰীমদভগৱত গীতা অধ্যায় ১৫ , শ্লোক নং ১৬-১৭ বৰ্ণিত আছে। ইয়াৰ প্ৰমাণ আদৰনীয়

গৰীব দাস মহাৰাজ কৈছে যে -

গৰীব, জাকে অৰ্ধৰূম পৰ সকল পসাৰা, এয়সা পূৰ্ণ ব্ৰহ্ম হমাৰা।।
গৰীব, অনন্ত কোটীব্ৰহ্মাণ্ড কা, এক ৰতি নাহি ভাৰ।
সৎগুৰু পুৰুষ কবীৰ হ্যাঁয়,কুল কে সৃজন হাৰ।।

ইয়াৰ প্ৰমাণ আদৰণীয় দাদু চাহেব মহাশয়ে কৈছে যে ঃ-

জিন মোঁকু নিজ নাম দিয়া, সোই সৎগুৰু হমাৰ।
দাদু দুসৰা কোইহী কবীৰ সৃজন হাৰ।।

ইয়াৰ প্ৰমাণ নানক চাহেব জীয়ো কৈছে ঃ-

ইয়ক অৰ্জ গুফতম পেশ তো দকুন কৰতাৰ।
হক্কা কবীৰ কৰীম তু, বে এব পৰবৰ দিগাৰ।।

(শ্ৰীগুৰু গ্ৰন্থ চাহিব, পৃষ্ঠ নং ৭২১ , মহলা ১ ৰাগ তিলঙ্গ)

কুন কৰতাৰৰ অৰ্থ হল সকলোৰে সৃষ্টি কৰ্তা, অৰ্থাৎ শব্দ শক্তিৰে সৃজন কৰোতা শব্দ স্বৰূপী প্ৰভু,হক্কা কবিৰৰ অৰ্থ হল সকবীৰ, কৰীমৰ অৰ্থ হল দয়ালু, পৰবৰ দিগাৰ। অৰ্থ হল পূৰ্ণ পৰমাত্মা।

মূলভাব ঃ- ওপৰৰ তিনিও মহাপুৰুষৰ বাণীত এইটো স্পষ্ট যে সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচোতা, সৃজনকৰ্তা, তথা কুলৰ মালিক এজন তেওঁ পূৰ্ণ পৰমাত্মা। কবীৰ পৰমেশ্বৰ।

মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ - ৪

ত্ৰি-পাদ-উদ্ধঃ- উদৈত-পুৰুষঃ- পাদঃ- অস্য-ইহ-অভব-পুনঃ- ততঃ- বিশ্বঙ-ব্যাক্ৰাম ত -সঃ- অশনান শনে-অভি।

অনুবাদ ঃ- (পুৰুষঃ) এই পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ অবিনাশী পৰমাত্মাই (উদ্ধঃ) ওপৰৰ (ত্ৰি) তিনি লোক যেনে - সত্যলোক-অলখলোক- অগমলোক ৰূপ (পাদ) ভ ৰি অৰ্থাৎ ওপৰৰ ভাগত (উদৈত) আবিৰ্ভাব হয় অৰ্থাৎ বিৰাজমান হয়। (অস্য) এই পূৰ্ণব্ৰহ্ম পৰমেশ্বৰৰ (পাদঃ) আন এটা ভৰি অৰ্থাৎ আন এক ভাগ জগত ৰূপ (পুনৰ) আকৌ (ইয়) ইয়াত (অভবত) আৰ্বিভাব হয় (ততঃ) এই কাৰণে (সঃ) সেই অবিনাশী পূৰ্ণ পৰমাত্মা (অশনান শনে) খকুৰা কাল অৰ্থাৎ ক্ষৰ পুৰুষ আৰু নোখোৰা পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰপুৰুষৰো (অভি) ওপৰত (বিশ্বাঙ) সৰ্বত্ৰ (ব্যাক্ৰামত) ব্যাপ্ত আছে অৰ্থাৎ তেওঁৰ প্ৰভুত্ব সৰ্ব ব্ৰহ্মাণ্ড তথা সৰ্ব প্ৰভুৰো ওপৰত আছে তেওঁবেই কুলৰ মালিক। যিয়ে নিজৰ শক্তিক সকলোৰে ওপৰত বিস্তাৰ কৰিছে।

ভাবাৰ্থ ঃ- এই সকলোৰ সৃষ্টি কৰ্তা প্ৰভুবে নিজৰ সৃষ্টিৰ ওপৰ ভাগত তিনিও স্থানত (সৎলোক, অলখলোক, অগমলোক) তিনি ৰূপত স্বয়ং আবিৰ্ভাব হয় অৰ্থাৎ বিৰাজমান হৈ থাকে। ইয়াত অনামী লোকৰ বৰ্ণনা এইবাবে কৰা। নাই কিয়নো অনামী লোকত কোনো সৃষ্টি নাই তথা অকহ (অনাময়) লোক পূৰ্বৰে সৃষ্টি। আকৌ কৈছে যে সেই পৰমাত্মাৰ সত্যলোকৰ পৰা বহিস্কাৰ হোৱা তলত ব্ৰহ্ম তথা পৰব্ৰহ্মৰ লোক (ধাম) উৎপন্ন হৈছে আৰু সেই পূৰ্ণ পৰমাত্মাই, ভক্ষক ব্ৰহ্ম অৰ্থাৎ কালৰ দ্বাৰা (কিয়নো ব্ৰহ্ম/ কাল ভয়ঙ্কৰ অভিশপ্ত হোবা বাবে এক লাখ মানব শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰ ভক্ষন কৰিব লাগে) তথা নোখোৰা পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰ পুৰুষৰ (পৰব্ৰহ্ম প্ৰাণীক নাখায়, কিন্তু জন্ম-মৃত্যু, কৰ্মদণ্ড আদি থকা) আদিৰ ওপৰত সৰ্বত্ৰ ব্যাপ্ত অৰ্থাৎ এই পূৰ্ণ পৰমাত্মাৰ প্ৰভূত্ব সকলোৰে ওপৰত, এওঁ কবীৰ পৰমেশ্বৰ যি কুলৰ মালিক (গৰাকী)। যিয়ে নিজৰ ক্ষমতা, প্ৰভূত্ব সকলোৰে ওপৰত বিস্তাৰ কৰে। এনে পূৰ্ণ পৰমাত্মাই নিজৰ

শক্তিৰূপী ক্ষমতা সৰ্ব ব্ৰহ্মাণ্ডক নিয়ন্ত্ৰিত ৰাখিবৰ বাবে এৰি দিয়ে যেনেকুৱা মোবাইল ফোনৰ ক্ষমতা টাবাৰে চাৰিওফালে বিয়পাই দিয়ে। এনেকৈ পূৰ্ণ পৰমাত্মা প্ৰভুৱে নিজৰ নিৰাকাৰ শক্তি সৰ্ব ব্যাপক কৰিছে যাৰ দ্বাৰা পূৰ্ণ পৰমাত্মাই সৰ্ব ব্ৰহ্মাণ্ডক এটা স্থানত বহি নিয়ন্ত্ৰিত কৰে।

ইয়াৰ প্ৰমাণ আদৰণীয় গৰীব দাস জী মহাৰাজে দিছে। (অমৃতবাণী ৰাগ কল্যান)

তিন চৰন চিন্তামনী সাহেব, শেষ বদন পৰ ছায়ে।
মাতা, পিতা, কুল ন বন্ধু, না কিনহেঁ জননী জায়ে।।

মণ্ডল ১০ঁ, সুক্ত ৯০, মন্ত্ৰ ৫ ঃ

তস্মাৎ বিৰাট-অজায়ত-বিৰাজঃ-অধি-পুৰুষঃ-স-জাতঃ-অত্যৰিশ্চত-পশ্চাৎ-ভূমি-অথঃ-পুৰঃ।

অনুবাদ ঃ- (তস্মাত) তাৰ পিছত সেই পৰমেশ্বৰ সত্য-পুৰুষৰ শব্দ শক্তিৰ দ্বাৰা (বিৰাট) বিৰাট অৰ্থাৎ ব্ৰহ্ম, যাক ক্ষৰপুৰুষ বা কাল বুলি কোৱা হয় (অজায়ত) উৎপন্ন হ'ল। (পশ্চাত) ইয়াৰ পিছত (বিৰাজঃ) বিৰাট পুৰুষ অৰ্থাৎ কাল ভগবানতকৈ (অধি) ডাঙৰ (পুৰুষ) পৰম পৰমেশ্বৰে (ভূমিম) পৃথিবী লোক, কাল ব্ৰহ্ম তথা পৰব্ৰহ্মৰ লোকক (অত্যৰিশ্চত) ভালকৈ স্ৰজিলে (অথঃ) আকৌ (পুৰঃ) অইন্য সৰু সৰু লোক (স) সেই পূৰ্ণ পৰমেশ্বৰে (জাতঃ) উৎপন্ন কৰিলে অৰ্থাৎ স্থাপিত কৰিলে।

ভাবাৰ্থ - উপৰোক্ত মন্ত্ৰ ৪ ত বৰ্ণিত তিনিলোক (অগমলোক, অলখলোক তথা সৎলোক ৰচনাৰ পিছত পুৰ্ণ পৰমাত্মাই জ্যোতি নিৰঞ্জন (ব্ৰহ্ম)ৰ উৎপত্তি কৰিলে, অৰ্থাৎ সেই সৰ্ব শক্তিমান পৰমাত্মা পুৰ্ণ ব্ৰহ্ম কবীৰদেব (কবীৰ প্ৰভু)ৰ পৰাই বিৰাট অৰ্থাৎ ব্ৰহ্ম (কাল)ৰ উৎপত্তি হ'ল। এই প্ৰমাণ গীতা অধ্যায় ৩ মন্ত্ৰ ১৫ ত বৰ্ণিত আছে যে অক্ষৰপুৰুষ অৰ্থাৎ অবিনাশী প্ৰভু পৰা ব্ৰহ্মৰ উৎপন্ন হ'ল এই প্ৰমাণ অথৰ্ব বেদ কাণ্ড ৪ অনুবাক ১ সুক্ত ৩ ত আছে যে পূৰ্ণ ব্ৰহ্মৰ পৰা ব্ৰহ্মৰ উৎপত্তি হল, সেই পূৰ্ণ ব্ৰহ্মই (ভুমিম) ভুমি

আদি সৰু-ডাঙৰ সৰ্বলোকৰ সৃষ্টি কৰিছে। সেই পূৰ্ণব্ৰহ্ম এই বিৰাট ভগৱান অৰ্থাৎ ব্ৰহ্মতকৈও ডাঙৰ অৰ্থাৎ ইয়াৰৰ গৰাকী।

মণ্ডল ১০ , সুক্ত ৯০, মন্ত্ৰ ১৫

সপ্ত-অস্য-আসন্-পৰিধয়ঃ-ত্ৰিসপ্ত সমিধঃ-কৃতা-দেবা-যত-যজ্ঞম্-তন্বনা-অবন্ধন-পুৰুষম-পশুম্।।

অনুবাদ ঃ- (সপ্ত) সাত সংখ্য ব্ৰহ্মাণ্ড তো পৰব্ৰহ্মৰ তথা (ত্ৰিসপ্ত) একৈশ ব্ৰহ্মাণ্ড কাল ব্ৰহ্মৰ (সমিধঃ) কৰ্ম্মদণ্ড দুঃখ ৰূপী অগ্নিৰ দ্বাৰা দুঃখী (কৃত্যাঃ) কৰোৱা (পৰিধয়ঃ) গোলাকাৰ পৰিধীৰ সীমাৰ ভিতৰত (আসন্) বিদ্যমান। (যত) যি (পুৰুষ) পূৰ্ণ পৰমাত্মাৰ (যজ্ঞম) বিধিবত ধাৰ্মিক কৰ্ম অৰ্থাৎ পূজা কৰে (পশু) বলিৰ পশুৰূপী কালৰ জালত কম বন্ধনেৰে আবদ্ধ হোৱা (দেৱা) ভক্তাত্মাক (তনৱানা) কালৰ দ্বাৰা ৰচিত অৰ্থাৎ পাপেৰে বিস্তাৰিত কৰ্ম বন্ধনৰ জালৰ পৰা (অবন্ধ) বন্ধন ৰহিত কৰে অৰ্থাৎ মোকোলাই দিয়ে। তেওঁবেই মুক্তিদাতা।

ভাবাৰ্থঃ- সাত সংখ্য ব্ৰহ্মাণ্ড পৰব্ৰহ্মৰ তথা একৈশ ব্ৰহ্মাণ্ড ব্ৰহ্মৰ যত গোলাকাৰ সীমাৰ ভিতৰত আবদ্ধ পাপ কৰ্মৰ জুইত জলি থকা প্ৰাণীক বাস্তৱিক পূজাৰ নিয়ম উপদেশ দি শুদ্ধ ভক্তি উপাসনা কৰোৱায়, যি কাৰণে বলি দিয়া পশুৰ নিচিনা জনম-মৰণ, কাল (ব্ৰহ্ম)ৰ খাবৰ বাবে তপ্ত শিলাখণ্ডত দিয়া কষ্টৰ পৰা পীড়িত ভক্তাত্মাক কালৰ কৰ্মবন্ধন ৰূপী বিয়পোৱা জালৰ পৰা বন্ধন ৰহিত কৰে অৰ্থাৎ কৰ্ম বন্ধন জালৰ

পৰা মোকলাই দিয়া মুক্তিদাতা। ইয়াৰ প্ৰমাণ পবিত্ৰ যজুৰ্বেদ অধ্যায় ৫, মন্ত্ৰ ৩২ বৰ্নিত আছে যে, কবিৰঙ্গাৰসি (কবি) কবিৰ পৰমেশ্বৰ (অংঘ) পাপৰ (অৰি) শত্ৰু (অসি) হয় অৰ্থাৎ পাপ বিনাশক কবীৰদেব। বম্ভাৰিসি (বম্ভাৰি) বন্ধনৰ শত্ৰু অৰ্থাৎ মুক্তিদাতা কবীৰ পৰমেশ্বৰ (অসি) হয়।

মণ্ডল ১০, সুক্ত ৯০, মন্ত্ৰ ১৬।

জজ্ঞেন যজ্ঞ-অ-যজন্ত- দেবাঃ -তানি-ধৰ্মানি-প্ৰথমানি-আসন্ -তে-হ-নাক-মহিমান ঃ-সচন্ত- যত্ৰ- পূৰ্বে-সাধ্যঃ-সন্তি দেবাঃ।

অনুবাদ :-যি (দেবাঃ) নিৰ্বিকাৰ দেব স্বৰূপ ভক্তাত্মা (অযজ্ঞম) আধৰুবা ভূল ধৰ্মীয় পূজাৰ ঠাইৰ ওপৰত (যজ্ঞেন) সঁচা ভক্তি ধাৰ্মিক কৰ্মৰ আধাৰত (যজন্ত) পূজা ভক্তি কৰে (তানি)সিবিলাকে (ধৰ্মানি) ধৰ্মীয শক্তি সম্পন্ন (প্ৰথমানি) মুখ্য অৰ্থাৎ উত্তম (আসন) হয় (তে হ) সিবিলাকেই বাস্তৰত (মহিমানঃ)মহান ভক্তি শক্তি যুক্ত হৈ (সধ্যাঃ) সফল ভকত জন (নাক) পূৰ্ণ সুখদায়ক পৰমেশ্বৰৰ(সচন্ত) ভক্তি নিমিত কাৰন। অৰ্থাৎ সদ্ভক্তিৰ সুফল প্ৰাপ্ত হয়, সিহঁতে নিজৰ স্থানলৈ গুচি যায়। (যত্ৰ) যত (পূৰ্বে) আগেয়ে সৃষ্টি হোবা পাপ ৰহিত স্থান, দেৱ স্বৰূপ ভক্তাত্মা বিলাক অৱস্থান কৰে।।

ভাবাৰ্থ ঃ- যি নিৰ্বিকাৰ (যি সকলে মদ, মাংস, ধপাত তথা অইন অইন বিভিন্ন আৰু বদ অভ্যাস ত্যাগ কৰিছে) দেব স্বৰূপ ভকত আত্মাই শাস্ত্ৰ নীতি বিৰুদ্ধ পূজা ত্যাগ কৰি শাস্ত্ৰ নিয়ম অনুযায়ী পূজা ভক্তি সাধন কৰে তেওঁলোকে ভক্তি অৰ্জনৰ সুফল প্ৰাপ্ত হৈ অৰ্থাৎ পুণ্যৰে ধনী হৈ কালৰ (ব্ৰহ্মৰ) ঋণৰ পৰা মুক্ত হৈ নিজৰ সত্য ভক্তি পূণ্যৰে সেই সব সুখদতা পূৰ্ণ পৰমাত্মাক পায় অৰ্থাৎ সত্য লোকলৈ গুচি যায় যাত সৰ্ব প্ৰথম ৰচিত হোৱা সৃষ্টিৰ দেব স্বৰূপ অৰ্থাৎ নিস্পাপ হংস আত্মা (জ্ঞানী আত্মা) সকল বসবাস কৰে।

যেনেকৈ কিছু আত্মাইতো কাল (ব্ৰহ্ম)ৰ মোহ জালত আবদ্ধ হৈ ইয়ালৈ আহিল, কিছু পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ডলৈ আহিল, আকৌ যিবোৰ অসংখ্য আত্মা যিবিলাকৰ বিশ্বাস পূৰ্ণ পৰমাত্মাৰ ওপৰত অলৰ অটল ভাবে ৰৈ গল, যি পতিব্ৰতা পদৰ পৰা পদচ্যুত নহল সিবিলাকে তাত ৰৈ গল, এই বাবে ইয়াত সেই বৰ্ণনা পবিত্ৰ বেদেও সত্য বৰ্ণনাইছে। ইটো প্ৰমাণ গীতা অধ্যায় ৮ ৰ শ্লোক সংখ্যা ৮ ৰ পৰা ১০ ত বৰ্ণিত আছে যে যি ভক্তি সাধকে পূৰ্ণ পৰমাত্মাৰ সাধনা শাস্ত্ৰ বিধি অনুযায়ী কৰে সেই ভ ক্তিৰ বিনিময়ত পোৱা পূণ্যৰ দ্বাৰা সেই পূৰ্ণ পৰমাত্মা প্ৰাপ্তি হয় অৰ্থাৎ তেওঁৰ ওচৰলৈ যায়। ইয়াৰ দ্বাৰা সিদ্ধ হ'ল যে প্ৰভু বা ঈশ্বৰ তিনি প্ৰকাৰৰ যেনে- ব্ৰহ্ম-পৰব্ৰহ্ম-পূৰ্ণ ব্ৰহ্ম। এওঁ সকলক ১ ব্ৰহ্ম-ঈশ্বৰ ক্ষৰ পুৰুষ ২. পৰব্ৰহ্ম-অক্ষৰ পুৰুষ/অক্ষৰ ব্ৰহ্ম ঈশ্বৰ তথা ৩. পূৰ্ণ ব্ৰহ্ম-পৰম অক্ষৰ ব্ৰহ্ম-পৰমেশ্বৰ-পূৰ্ণ পৰমাত্মা সৎপুৰুষ আদি সমাৰ্থক শব্দেৰে জনা যায়।

এই প্ৰমাণ ঋগবেদ মণ্ডল ৯ , সুক্ত ১৬, মন্ত্ৰ ১৭ পৰা ২০ লৈ স্পষ্ট আছে যে পূৰ্ণ পৰমাত্মা কবীৰ্দেব (কবীৰ পৰমেশ্বৰ) শিশুৰূপ ধাৰণ কৰি আবিৰ্ভাব হয় তথা নিজৰ নিৰ্মল জ্ঞান অৰ্থাৎ তত্বজ্ঞান (কবিগীৰ্ভিঃ) কবীৰ বাণীৰ দ্বাৰা নিজৰ অনুগত সকলক কবিতাৰ দৰে কৈ বৰ্ণনা কৰে। সিজন কবীৰ্দেব (কবীৰ পৰমেশ্বৰ) ব্ৰহ্ম (কাল/ক্ষৰ পুৰুষ) ৰ ধাম তথা পৰব্ৰহ্ম (অক্ষৰ পুৰুষ)ৰ ধামৰ পৰা ভিন্ন যি পূৰ্ণব্ৰহ্ম (পৰম অক্ষৰ পুৰুষ)ৰ তৃতীয় ঋত ধামত (সৎলোক) মনুষ্য আকাৰত বিৰাজমান হৈ থাকে আৰু সৎলোকৰ পৰা চতুৰ্থ অনামী লোক আছে, তাতে এই কবীৰদেব (কবিৰ পৰমেশ্বৰ)

অনামী পুৰুষ ৰূপত মনুষ্য সদৃশ আকাৰত বিদ্যমান হৈ থাকে।

**পবিত্ৰ শ্ৰী মদদেবী মহাপুৰাণত সৃষ্টি ৰচনাৰ প্ৰমাণ**

ব্ৰহ্মা, বিষ্ণু আৰু শিৰ মাতা-পিতা

(দুৰ্গা আৰু ব্ৰহ্মৰ মিলনত ব্ৰহ্মা, বিষ্ণু আৰু শিবৰ জন্ম)

পবিত্ৰ শ্ৰীমদদেবী মহাপুৰাণ তৃতীয় স্কন্ধ (গীতা-প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত, অনুবাদ কৰ্তা শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ তথা চিমনলাল গোস্বামী মহাশয়ৰ পৃষ্ঠা নং ১১৪ ৰ পৰা ১১৮ লৈ বিবৰন আছে যে মা ভবানী ভকতৰ মনোবাঞ্চা পূৰণ কাৰিণী জগ জননী। তেওঁক প্ৰকৃতি দেবী বুলিও কোৱা হয় আৰু ব্ৰহ্মৰ লগত তেওঁৰ অভেদ সম্পৰ্ক। যেনেকৈ পত্নীক অৰ্ধাঙ্গিনী বুলি কোৱা হয় অৰ্থাৎ দূৰ্গা, ব্ৰহ্ম (কাল)ৰ পত্নী। এটা ব্ৰহ্মাণ্ডৰ সৃষ্টি তত্ত্বৰ বিষয়ে ৰজা শ্ৰী পৰীক্ষিতে প্ৰশ্ন কৰাত শ্ৰীব্যাস মুনিয়ে কৈছিল যে মই নাৰদ মুনিক সুধিছিলো হে মুনিবৰ এই ব্ৰহ্মাণ্ডৰ সৃষ্টি কেনেকৈ হ'ল ? মোৰ এই প্ৰশ্নৰ উত্তৰত নাৰদ মুনিয়ে কলে যে, মই নিজৰ পিতা ব্ৰহ্মাদেৱক সুধিলো। হে পিতৃ! এই ব্ৰহ্মাণ্ডৰ সৃষ্টি আপুনি কৰিছে নে বিষ্ণুদেৱে নাইবা শিবদেৱে ? সঁচা কথা কবলৈ অনুগ্ৰহ কৰক। তেতিয়া মোৰ পূজনীয় পিতৃদেব ব্ৰহ্মাদেৱে কলে যে, হে বোপা নাৰদ, মই নিজে নিজক পদুম ফুলৰ ওপৰত বহি থকা পাইছিলো। মোৰ একো মনত নাই, এই গভীৰ পানীত মই কৰ পৰা উৎপন্ন হলোঁ। এহেজাৰ বছৰলৈ পৃথিবী অন্বেষণ কৰিবলৈ ধৰিলো, কত পানীৰ বাহিৰে একো নেপালো। পিছত দৈব বাণী হ'ল তপ কৰা। এক হেজাৰ বছৰলৈ তপ কৰিলো আকৌ সৃষ্টি কৰিবৰ বাবে আকাশবানী হল। ইমানতে মধু আৰু কৈটভ নামৰ দুজন ৰাক্ষস আহিলে, সিহঁতক দেখি ভয়ত পেপুৱা লাগি মই পদুম ফুলৰ ডালটোকে ধৰি তলফালে নামি গলো তাত ভগৱান বিষ্ণুদেৱ নাগৰাজৰ শয্যাৰ ওপৰত অচেতন হৈ পৰি আছিল। তাৰ পৰা এজনী স্ত্ৰী (প্ৰেতবত প্ৰবিষ্ট দূৰ্গা) ওলালে। তেওঁক আকাশত আভূষন পিন্ধা দেখিবলৈ পালো। তেতিয়া ভগৱান বিষ্ণুৱে চেতনা পালে। এতিয়া মই আৰু বিষ্ণু দেব দুজন হলো। ইমানতে ভগৱান শংকৰ আহি পালে। দেবীয়ে আমাক বিমানত বহাই লৈ ব্ৰহ্ম লোকলৈ লৈ গল। তাত এজন ব্ৰহ্মা, এজন বিষ্ণু তথা এজন শিবক আৰু দেখিলো আকৌ এজনী দেবীকো দেখিলো, তেওঁক দেখি বিষ্ণুদেৱে বিবেক পূৰ্বক নিম্ন বৰ্ণনা কৰিলে (ব্ৰহ্মকালে ভগবান বিষ্ণুক চেতনা কৰাই দিছিল, তেতিয়া তেওঁৰ বাল্যকালৰ স্মৃতি মনত আহিলে তেতিয়া সৰু কালৰ কাহিনী শুনাই দিলে।)

পৃষ্ঠা নং ১১৯-১২০ ভগৱান বিষ্ণু দেৱে শ্ৰীব্ৰহ্মাদেব আৰু শিবদেৱক কলে যে এইজনী আমাৰ তিনিওৰে মাতৃ, এওঁৱেই জগৎজননী প্ৰকৃতি দেবী। মই এই দেবীক সৰু হৈ থাকোতেই দেখিছিলো, এওঁৱেই মোক দোলনাত দোলাই পালন-পোষণ কৰিছিল।

তৃতীয় স্কন্ধ পৃষ্ঠা নং ১২৩ শ্ৰী বিষ্ণুদেৱে শ্ৰীদূৰ্গা দেবীক স্তুতি কৰি কবলৈ ধৰিলে তুমি য়েই শুদ্ধ স্বৰূপিনী, তোমাৰ পৰাই এই গোটেই জগৎ সংসাৰ উদ্ভাসিত হৈছে মই (বিষ্ণু) ব্ৰহ্মা আৰু শংকৰ আমি সকলো তোমাৰ কৃপাতেই বিদ্যমান হৈ আছে। আমাৰ আৰ্বিৰ্ভাব (জন্ম) আৰু তিৰোভাব (মৃত্যু) হৈ থাকে অৰ্থাৎ আমি তিনিও নাশবান, কেবল তুমিয়েই নিত্য (অবিনাশী) হোৱা, জগত জননী, প্ৰকৃতি দেবী।

ভগবান শংকৰে কলে - হে দেবী যদি মহাভাগ বিষ্ণুও তোমাৰ পৰাই জন্ম (উৎপন্ন) হৈছে তেন্তে তাৰ পিছত উৎপন্ন হোৱা ব্ৰহ্মাও তোমাৰেই সন্তান। আকৌ মই তমগুণী লীলা কৰা শংকৰ তোমাৰ সন্তান নহওঁ নে? অৰ্থাৎ মোকো জনম দিয়া জনমদাত্ৰী তুমিয়েই।

বিচাৰ কৰক -ওপৰৰ বিবৰণৰ পৰা সিদ্ধ হল যে শ্ৰীব্ৰহ্মাদেব, শ্ৰীবিষ্ণুদেব তথা

শ্রীশিবদেৱ তিনিও নাশবান। মৃত্যুঞ্জয় (অজৰ অমৰ) তথা সৰ্বেশ্বৰ নহয় তথা দুৰ্গা (প্ৰকৃতি)ৰ পুত্ৰ তথা ব্ৰহ্ম (কাল সদাশিৱ) এওঁবিলাকৰ পিতৃ।

তৃতীয় স্কন্ধ পৃষ্ঠ নং ১২৫, ব্ৰহ্মাই সুধিলে, হে আই। বেদত যি ব্ৰহ্ম নাম আছে সেইটো আপুনি নে অইন কোনো প্ৰভু? ইয়াৰ উত্তৰত দূৰ্গাই কলে, যে মই তথা ব্ৰহ্ম একেই। আকৌ এই স্কন্ধৰে পৃষ্ঠা নং ১২৯ ৰ ওপৰত কৈছে যে এতিয়া মোৰ কাৰ্য্য সিদ্ধি কৰিবলৈ তোমালোক সোনকালে বিমানত উঠা। যেতিয়া কোনো কঠিন কাৰ্য্য উপস্থিত হলে মোক স্মৰণ কৰা মাত্ৰেই মই তোমালোকৰ সমুখত উপস্থিত হম। দেৱতা সকল মোৰ (দূৰ্গাৰ) তথা ব্ৰহ্মৰ ধ্যান তোমালোকে সদায় কৰি থাকিবা। আমাক দুয়োকে যদি স্মৰণ কৰি থাকা তোমালোকৰ কাৰ্য্য সিদ্ধি হব ইয়াত কোনো সন্দেহ নাই।

ওপৰোক্ত ব্যাখ্যাৰ পৰা এইটো স্পষ্ট যে দুৰ্গা (প্ৰকৃতি দেবী) তথা ব্ৰহ্ম (কাল) ই তিনিও দেৱতাৰ পিতা-মাতা তথা ব্ৰহ্মা, বিষ্ণুঃ আৰু শিৱ নাশবান তথা ইবোৰ পূৰ্ণ শক্তি সম্পন্ন নহয়।

তিনিও দেৱতাৰ (শ্ৰীব্ৰহ্মাদেৱ, শ্ৰীবিষ্ণুদেৱ তথা শিৱৰ) বিবাহ দূৰ্গা (প্ৰকৃতি) দেবীয়ে কৰোবাই দিছিল পৃষ্ঠা নং ১২৮-১২৯ তৃতীয় স্কন্দত বৰ্ণিত। গীতা অধ্যায় নং ৭, শ্লোক নং ১২,

যে, চ, এব, সাত্বিকাঃ,ভাবা , ৰাজসাঃ, তামসাঃ, চ, যে,
মতঃ, এব, ইতি, তান, বিদ্ধি, ন, তু, অহম, তেষু, তে, ময়ি।।

অনুবাদঃ-(চ) আৰু (এব)ও (এ)যি (সাত্বিকাঃ) সত্বগুন বিষ্ণুদেৱৰ দ্বাৰা স্থিতি (ভ াবাঃ) ভাব হয় আৰু (যে) যি ৰজঃ গুন শ্ৰী ব্ৰহ্মাদেৱৰ দ্বাৰা উৎপত্তি (চ) তথা (তাম সাঃ) তমগুন শিৱৰ দ্বাৰা সংহাৰ (তান) সেই সকলক তুমি (মতঃ এব) মোৰ দ্বাৰা সুনিয়োজিত নিয়মানুসাৰে হোবা (ইতি) এনেকুৱা (বিদ্ধি) জানা (তু) কিন্তু বাস্তৱত (তেযু) তাত (অহম্) মই আৰু (তে) তেওঁলোক (ময়ি) মোৰ ভিতৰত (ন) নাই।।

**পবিত্ৰ শিৱ মহা পুৰানত সৃষ্টি ৰচনাৰ প্ৰমাণ**

(কাল ব্ৰহ্ম আৰু দূৰ্গাৰ পৰা বিষ্ণু, ব্ৰহ্মা তথা শিৱৰ উৎপত্তি)

ইয়াৰ প্ৰমাণ পবিত্ৰ শ্ৰী শিৱ পুৰাণ গীতা প্ৰেছ গোৰখপুৰ পৰা প্ৰকাশিত, অনুবাদ কৰ্তা শ্ৰীহনুমান প্ৰসাদ পোদ্ধাৰ, ইয়াৰ অধ্যায় ৬ ৰুদ্ৰ সংহিতা, পৃষ্ঠা নং ১০০ ত কৈছে যে যি মূৰ্তি ৰহিত পৰব্ৰহ্ম, তাৰেই মূৰ্তি ভগৱান সদাশিৱ। ইয়াৰ শৰীৰৰ পৰা এটা শক্তি ওলাল, সেই শক্তি অম্বিকা, প্ৰকৃতি (দুৰ্গা) ত্ৰিদেৱ জননী (শ্ৰী ব্ৰহ্মাদেৱ শ্ৰীবিষ্ণুদেৱ, তথা শ্ৰীশিৱদেৱক উৎপন্ন কৰা মাতৃ) বোলে। যাৰ আঠখন ভূজা (হাত)। সদাশিৱক শিৱ, সম্ভু, আৰু মহেশ্বৰ বুলি কোৱা হয়। (পৃষ্ঠ নং ১০১) তেখেতে নিজৰ গোটেই শৰীৰত ছাই সানি লয়। সেই কালৰূপী ব্ৰহ্মই এখন শিৱলোক নামৰ ক্ষেত্ৰ নিৰ্মাণ কৰিলে। আকৌ দুয়ো পতি-পত্নীৰ ব্যৱহাৰ কৰিলে যৰ পৰা এক পুত্ৰৰ উৎপত্তি হল। তাৰ নাম বিষ্ণু ৰাখিলে (পৃষ্ঠা নং ১০২)

আকৌ ৰুদ্ৰ সংহিতা অধ্যায় নং ৭, পৃষ্ঠা নং ১০৩, ব্ৰহ্মাই কলে যে মোৰ উৎপত্তিও ভগৱান সদাশিৱ (ব্ৰহ্মকাল) আৰু প্ৰকৃতি (দুৰ্গা)ৰ মিলনত অৰ্থাৎ পতি-পত্নীৰ ব্যৱহাৰৰ দ্বাৰাই হৈছে। পিছত মোক অচেতন কৰিলে।

আকৌ ৰুদ্ৰ সংহিতা অধ্যায় নং ৯, পৃষ্ঠা নং ১১০ ত কৈছে যে এইদৰে ব্ৰহ্মা, বিষ্ণু তথা শিৱ এওঁলোক তিনিও দেৱতাৰ গুণ আছে, কিন্তু সদাশিৱ (কাল/ব্ৰহ্ম) গুনাতীত।

ইয়াতো চাৰিবাৰ প্ৰমাণ হল যে সদাশিৱ (কাল/ব্ৰহ্ম) আৰু প্ৰকৃতি (দূৰ্গা)ৰ পৰাই

ব্ৰহ্মা, বিষ্ণু, শিবৰ উৎপত্তি হৈছে। তিনিও ভগবানৰ (শ্ৰীব্ৰহ্মদেব, শ্ৰী বিষ্ণুদেব তথা শ্ৰী শিৱ) মাতৃ শ্ৰীদূৰ্গা দেবী তথা পিতা শ্ৰী জ্যোতি নিৰঞ্জন (ব্ৰহ্ম/কাল)। এই তিনিও প্ৰভু ৰজঃগুনী ব্ৰহ্মাদেব, সত্বগুনী বিষ্ণুদেব তথা তমঃগুনী শ্ৰী শিবদেব।

**পৱিত্ৰ শ্ৰীমদ ভগৱত গীতাৰ ভিতৰত সৃষ্টি ৰচনাৰ প্ৰমাণ**

ইয়াৰ প্ৰমাণ পৱিত্ৰ গীতা অধ্যায় ১৪, শ্লোক ৩ ৰ পৰা ৫ লৈ আছে। ব্ৰহ্মই (কাল) কৈছে যে প্ৰকৃতি দেবী (দূৰ্গা) মোৰ পত্নী, মই কাল (ব্ৰহ্ম) তেওঁৰ পতি। আমাৰ দুয়োৰে মিলনৰ ফলত সকলো প্ৰাণীৰে সৈতে তিনিগুণৰ (ৰজগুণ ব্ৰহ্মা দেৱ, স্বত্বগুণ বিষ্ণুদেৱ, তম গুণ শিৱদেব) উৎপত্তি হৈছে। মই (ব্ৰহ্ম)সকলো প্ৰাণীৰ পিতা প্ৰকৃতি (দূৰ্গা) এওঁবিলাকৰ মাতৃ। মই দুৰ্গাৰ গৰ্ভত বীজ প্ৰদান কৰো যাৰ দ্বাৰা সকলো প্ৰাণীৰ উৎপত্তি হয়। প্ৰকৃতি (দুৰ্গা)ৰ পৰা উৎপন্ন তিনিগুনে যেনে (ৰজগুণ ব্ৰহ্মা, সত্বগুণ বিষ্ণু, তমগুণ-শিৱ) জীবক কৰ্ম আধাৰৰ ওপৰত শৰীৰৰ ভিতৰত আৰব্ধ কৰে। এই প্ৰমাণ গীতা অধ্যায় ১৫, শ্লোক নং ১ পৰা ৪ তথা ১৬-১৭ ৰ ভিতৰত আছে।

গীতা অধ্যায় নং ১৫, শ্লোক নং ১

উৰ্দ্ধমূলম, অধঃশাখম, অশ্বত্থাম, প্ৰাহুঃ অব্যয়ম,
ছন্দাংসি, যসয, পৰ্নানি, যঃ, তম, বেদ, সঃ, বেদবি।।

অনুবাদঃ- (উৰ্দ্ধমূলম) ওপৰৰ মূল শিপা ৰূপী পূৰ্ণ পৰমাত্মা আদি পুৰুষ পৰমেশ্বৰ (অধঃ শাখ) তলৰ শাখা ডালক (অব্যয়ম) অবিনাশী (অশত্থাম) বিস্তাৰিত আঁহত গছ (যঃ) যাৰ (চন্দাংসি) সৰু সৰু শাখাড়াল (পৰ্নানি) পাতসমূহ (প্ৰাহু) বোলা হয় (তম) সেই সংসাৰ স্বৰূপ ওলোটা আঁহত গছক (যঃ) যিয়ে (বেদ) সৰ্বাঙ্গক জানিব পাৰিছে (সঃ) তেওঁবেই (বেদবি) পূৰ্ণ জ্ঞানী অৰ্থা তত্বদৰ্শী।

গীতা অধ্যায় নং ১৫, শ্লোক নং ২।

অধঃ, চ, ঊৰ্ধৰ্ম, প্ৰসুতাঃ, তস্য, শাখাঃ, গুন প্ৰবৃদ্ধাঃ,
বিষয়প্ৰবালাঃ, অধঃ, চ, মূলানি, অনুসন্ততানি, কৰ্মানুবন্ধিনী মনুষ্যলোকে।।

অনুবাদ - (তস্য) সেই গছৰ (অধঃ) তলফালে (চ) আৰু (উদ্ধ) উপৰফালে (গুন প্ৰবৃদ্ধাঃ) তিনিগুনৰ, ব্ৰহ্মাৰজগুন, বিষ্ণু সতগুন, শিৱ-তমগুনী ৰূপেৰে (প্ৰসুতাঃ) বিস্তাৰিত হোবা (বিষয় প্ৰবালাঃ) বিকাৰ থকা যেনে - কাম, ক্ৰোধ, লোভ, মোহ, অহংকাৰ ৰূপী কলি (শাখাঃ) ডাল ব্ৰহ্মা, বিষ্ণু, শিব (কৰ্মানুবন্ধিনী) জীবক কৰ্মৰ আধাৰত বন্ধন কৰা (অপি) ও (মুলানি) মূল / মূখ্য কাৰন (চ) তথা (মনুষ্যলোকে) মনুষ্য লোক অৰ্থাৎ পৃথিবী লোক (অধঃ) তলত নৰক, চৌৰাশী লাখ যোনীত (স্দ্ধৰ্ম) ওপৰৰ স্বৰ্গলোক আদিত (অনুসন্ততানি) ব্যৱস্থাপিত কৰি ৰাখিছে।

গীতা অধ্যায় নং ১৫, শ্লোক নং ৩

ন, ৰূপম, অস্য, ইহ, তথা, উপলভ্যয়তে, ন, অন্তঃ, ন, চ,আদিঃ, ন, চ,
সম্প্ৰতিষ্ঠা, অশত্থত, এন, সুবিঢ়মূল, অসঙ্গশস্ত্ৰেন, দৃঢ়েন, চিত্ব।।

অনুবাদঃ-(অস্য)এই ৰচনাৰ (ন) না (আদিঃ) আৰম্ভনী (চ) তথা (ন) না (অন্তঃ) শেষ (ন) না (তথা) তেনেকুবা (ৰূপ) স্বৰূপ (উপলভ্যয়তে) পোৱা যায় (চ) তথা (ইহ) ইয়াত বিচাৰ বিবেচনাৰে অৰ্থাৎ মোৰ দ্বাৰা দি থকা গীতা জ্ঞানত পূৰ্ণ জ্ঞান মোৰো (ন) নাই (সম্প্ৰতিষ্ঠা) কিয়নো সৰ্ব ব্ৰহ্মাণ্ড সৃষ্টি ৰচনাৰ ভাল স্থিতিৰ জ্ঞান মোৰো নাই (এনম) ইয়াৰ (সুবিঢ়মূলম) ভাল দৰে স্থায়ী স্থিতি থকা (অশত্থাম্) মজবুত স্বৰূপৰ সংসাৰ ৰূপী বৃক্ষৰ জ্ঞানক (অসঙ্গসস্ত্ৰেন) পূৰ্ণ জ্ঞান ৰূপী (দৃঢ়েন) দৃঢ় সূক্ষ্ম বেদ অৰ্থাৎ

তত্বজ্ঞানৰ দ্বাৰা জানি (ছিত্ববা) চেদন কৰি অৰ্থাৎ জ্যোতি নিৰঞ্জনৰ ভক্তিক ক্ষন ভঙ্গু জানি ব্ৰহ্মা, বিষ্ণু, শিব, ব্ৰহ্ম, তথা পৰব্ৰহ্মতকৈও আগৰ পূৰ্ণ পৰম ব্ৰহ্মক বিচাৰিব লাগে।

গীতা অধ্যায় নং ১৫, শ্লোক নং ৪

ততঃ, পদ, তত, পৰিমাৰ্গিয়, যস্মিন, গতাঃ, ন, নিবৰ্তন্তি, ভূয়ঃ,
তম, এ, চ, আদ্যম, পুৰুষ, প্ৰপদ্যে, য়তঃ, প্ৰবৃতিঃ, প্ৰসূতা, পুৰানী।।

অনুবাদঃ- যেতিয়া তত্বদৰ্শী সাধু মহন্ত প্ৰাপ্তী হব (ততঃ) ইয়াৰ পিচত (তত) সেই পৰমাত্মাৰ (পদম) পদ স্থান অৰ্থাৎ সৎলোকৰ (পৰিমাৰ্গিতব্যয়ম) ধামক ভাল ভ াবে বিচাৰি উলিয়াব লাগে (যন্মিন্) যি ঠাইত (গতাঃ) যোৱা সাধক (ভূয়ঃ) আকৌ (ন নিবৰ্তন্তি) সংসাৰলৈ উভতি নাহে (চ) আৰু (যতঃ) যি পৰমাত্মা পৰম অক্ষৰ ব্ৰহ্মৰ পৰা (পুৰানী)। আদি (প্ৰবৃতিঃ) সৃষ্টি ৰচনা (প্ৰসুতা) উৎপন্ন হৈছে (তম) অজ্ঞাত (আদ্যম) আদি যম অৰ্থাৎ মই কাল নিৰঞ্জন (পুৰুষম) পূৰ্ণ পৰমাত্মাৰ (এব) ও

(প্ৰপদ্যে) শৰনত আছোঁ তথা তেওঁৰেই পূজা কৰো।।

গীতা অধ্যায় নং ১৫, শ্লোক নং ১৬

দৌ, ইমৌ, পুৰুয়ৌ, লোকে, ক্ষঃ, চ, অক্ষৰঃ, এব, চ,
ক্ষৰঃ, সৰ্বানি, ভূতানি, কুটস্থঃ, অক্ষৰঃ, উচ্চতে।।

অনুবাদ ঃ- (লোকে) এই সংসাৰত (দৌ) দুই প্ৰকাৰৰ (ক্ষৰঃ) নাশবান (চ) আৰু (অক্ষৰঃ) অবিনাশী (পুৰুষৌ) ভগৱান আছে (এব) এইদৰে (ইমৌ) এই দুয়ো প্ৰভুৰ লোকত (সৰ্বানি) সম্পূৰ্ণ (ভূতানি) প্ৰাণীৰ শৰীৰ (ক্ষৰঃ) নাশবান (চ) আৰু (কুটস্থঃ) জীবাত্মা (অক্ষৰঃ) অবিনাশী (উচ্চতে) কোৱা হয়।

গীতা অধ্যায় নং ১৫, শ্লোক নং ১৭

উত্তমঃ, পুৰুষঃ, তু, অন্য, পৰমাত্মা, ইতি, উদহৃতঃ,,
যঃ লাকত্ৰয়, আবিশ্ব, বিভৰ্তি, অব্যয়ঃ, ঈশ্বৰঃ।।

অনুবাদ ঃ- (উত্তম) উত্তম (পুৰুষঃ) প্ৰভূ (তু) (অন্য) উপৰোক্ত দুই প্ৰভূৰ ক্ষৰ পুৰুষ তথা অক্ষৰ পুৰুষৰ পৰা অইন এজন (ইতি) এইটো বাস্তৱত (পৰমাত্মা) পৰম াত্মা (উদাহৃতঃ) কোৱা হয় (যঃ) যি (লোকত্ৰয়ম) তিনিও লোকত (আবিশ্য) প্ৰবেশ কৰি (বিভৰ্তি) সকলোকে ধাৰন পোষন কৰে আৰু (অব্যয়ঃ) অবিনাশী (ঈশ্বৰঃ) প্ৰভ ূ অৰ্থাৎ প্ৰভূৰ ভিতৰত শ্ৰেষ্ঠ প্ৰভূ বা সমৰ্থ প্ৰভু।

ভাবাৰ্থ- গীতা জ্ঞান দাতা প্ৰভুবে মাথোন ইমান খিনিয়ে কৈছে যে এই সংসাৰখন ওলোটাকৈ ওলোমাই ৰখা এটা বৃক্ষ বা গছ বুলি জানিবা। ওপৰফালে মূল শিপা অৰ্থাৎ পুৰ্ণ পৰমাত্মা। তলত গা গছ, ডাল, ঠাল-ঠেঙুলি আৰু গছৰ পাত জানিবা। এই সংসাৰ ৰূপী বৃক্ষৰ প্ৰত্যেক ভাগৰ ভিন ভিন বিবৰণ যি সন্তই জানে তেওঁকেই তত্বদৰ্শী সন্ত বুলি কোৱা হয়। যাৰ বিষয়ে গীতা অধ্যায়। ৪ শ্লোক নং৩৪ ত বৰ্নিত আছে। গীতা অধ্যায় ১৫ শ্লোক নং ২-৩ মাথোন ইমানেই তিনিগুণ ৰূপী শাখাৰ বৰ্ণনা আছে। ইয়াত বৰ্তমান কালত অৰ্থাৎ গীতাত মই (গীতা জ্ঞান দাতা) বিস্তৃত বিবৰণ দিব নোৱাৰো কিয়নো মোৰ এই সংসাৰ সৃষ্টিৰ আদি আৰু অন্তৰ জ্ঞান নাই। তাৰ বাবে গীতা অধ্যায় ৪, শ্লোক নং ৩৪ ত কৈছে যে কোনো তত্ত্বদৰ্শী সাধু মহন্তৰ পৰা সেই পুৰ্ণ পৰমাত্মাৰ জ্ঞান জানি লোৱা। এইখিনিতে গীতা অধ্যায় ৪, শ্লোক ৩৪ ৰ সেই তত্বদৰ্শী সন্তৰ পৰিচয় দিছে যে তেওঁ সংসাৰ ৰূপী বৃক্ষৰ প্ৰত্যক ভাগৰ জ্ঞান কব পাৰিব। তেওঁৰ পৰা জানি লোৱা। গীতা অধ্যায় ১৫, শ্লোক নং ৪ কৈছে যে সিজন তত্ত্বদৰ্শী সন্ত প্ৰাপ্তিৰ

পিছত সেই পৰমপদ পৰমেশ্বৰক বিচাৰিব লাগে অৰ্থাৎ সেই তত্বদৰ্শী সাধুৰ উপদেশ অনুসৰি ভক্তি সাধনা কৰিব লাগে যাৰ দ্বাৰা পূৰ্ণ মোক্ষ (অনাদি মুক্তি) প্ৰাপ্ত হয়। গীতা অধ্যায় ১৫ শ্লোক ১৬-১৭ স্পষ্ট কৰিছে যে প্ৰভু তিনি প্ৰকাৰৰ এক ক্ষৰপুৰুষ (ব্ৰহ্ম) দ্বিতীয় অক্ষৰপুৰুষ (পৰব্ৰহ্ম) তৃতীয় পৰম অক্ষৰপুৰুষ (পূৰ্ণ ব্ৰহ্ম)। ক্ষৰপুৰুষ তথা অক্ষৰ পুৰুষ বাস্তৱত অবিনাশী নহয়। যিজন অবিনাশী পৰমাত্মা এই দুজনতকৈ অইন এজন। যিজনে তিনিও লোকত অবাধে প্ৰবেশ কৰি সকলোকে ধাৰণ পোষন কৰে।

ওপৰোক্ত শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ১৫, শ্লোক ১ৰপৰা ৪ তথা ১৬-১৭ প্ৰমাণিত হল যে ওলোটাকৈ ওলোমাই ৰখা সংসাৰৰূপী বৃক্ষৰ মূল অৰ্থাৎ শিপা হল পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণ ব্ৰহ্ম যাৰ দ্বাৰা পূৰ্ণ বৃক্ষৰ পালন পোষণ হয় আৰু বৃক্ষৰ যি অংশ পৃথিৱীৰ মাটিৰ ওপৰত দেখা পোৱা যায় তাক গা-গছ, যাক অক্ষৰপুৰুষ অৰ্থাৎ পৰব্ৰহ্ম বুলি জানিৱা। সেই গা-গছৰ পৰা যি শকত ডাল ওলায় তাক ব্ৰহ্ম অৰ্থাৎ ক্ষৰপুৰুষ জানিৱা তথা সেই ডালৰ পৰা যি তিনিটা অইন শাখা ডাল ওলায় তাক ব্ৰহ্মা, বিষ্ণু, আৰু শিব বুলি জানি আৰু তাৰ পৰা ওলোবা ঠাল ঠেঙুলিৰ আগত পাত ৰূপী সাংসাৰিক প্ৰাণী বুলি জানিৱা। ওপৰোক্ত গীতা অধ্যায় ১৫ , শ্লোক ১৬-১৭ত স্পষ্ট আছে যে ক্ষৰপুৰুষ (ব্ৰহ্ম) অক্ষৰপুৰুষ (পৰব্ৰহ্ম) এই দুজনৰ লোকত যিমান প্ৰাণী আছে সিহঁতৰ স্থুল শৰীৰ নাশবান আৰু জীবাত্মা অবিনাশী অৰ্থাৎ ওপৰোক্ত দুয়ো প্ৰভূ আৰু এওঁলোকৰ অন্তৰ্গত সৰ্ব প্ৰাণী নাশবান। যদিও অক্ষৰপুৰুষ (পৰব্ৰহ্ম)ক অবিনাশী কৈছে কিন্তু বাস্তৱত অবিনাশী পৰমাত্মা এই দুজনতকৈ অন্য এজন। তেওঁ তিনিও লোকত প্ৰবেশ কৰি সকলোৰে পালন পোষন কৰে। ওপৰোক্ত বিৱৰনত তিনি প্ৰভু/ ঈশ্বৰৰ ভিন-ভিন বিবৰণ দিয়া আছে।

**পৱিত্ৰ বাইবেল তথা পবিত্ৰ কোৰান শ্বৰীফত সৃষ্টি ৰচনাৰ প্ৰমাণ**

ইয়াৰ প্ৰমাণ পৱিত্ৰ বাইবেল তথা কোৰান শ্বৰীফত আছে।

কোৰাণ শ্বৰীফত পৱিত্ৰ বাইবেলৰো জ্ঞান আছে, এই বাবে দুয়ো পৱিত্ৰ সদ গ্ৰন্থই মিলি জুলি প্ৰমাণ কৰিছে যে কোন আৰু কেনেকুৱা এই সৃষ্টি কৰ্তা আৰু তেওঁৰ বাস্তৱিক নাম কি ?

পবিত্ৰ বাইবেল (উৎপত্তি গ্ৰন্থ পৃষ্ঠা নং ২, অধ্যায় ১ঃ২-২ঃ৫)

ষষ্ঠম দিন ঃ- মনুষ্য আৰু প্ৰাণী ঃ

অইন প্ৰাণীক সৃষ্টি কৰি ২৬. আকৌ পৰমেশ্বৰে কলে, মই মানুহক নিজৰ স্বৰূপ আৰু সমানতা অনুসৰি সৃষ্টি কৰিম যি সকলো প্ৰাণীক চলাই ৰাখিব পাৰিব। ২৭. তেতিয়া পৰমেশ্বৰে মনুষ্যক নিজ স্বৰূপ অনুসৰি উৎপন্ন কৰিলে, নিজ স্বৰূপ নৰ আৰু নাৰী কৰি মানুহক স্ৰজিলে।

২৯. প্ৰভুবে, মনুষ্যক আহাৰৰ বাবে খাবলৈ যিমান বীজ থকা সৰু গছ তথা যিম ান ফল থকা গছ আছে সেইবোৰ খাবলৈ প্ৰদান কৰিলে। (মঙহ খাবলৈ কোৱা নাই)। সপ্তম দিন - বিশ্ৰাম দিন। পৰমেশ্বৰে ছয় দিনত সকলো সৃষ্টিৰ উৎপত্তিকৰিলে তথা সপ্তম দিনত বিশ্ৰাম কৰিলে। পবিত্ৰ বাইবেলে দেখুৱাই দিলে যে পৰমাত্মা মানৱ সদৃশ শৰীৰত আছে, যি ছয় দিনত সকলো সৃষ্টি ৰচনা কৰি পিছত বিশ্ৰাম কৰিলে।

পবিত্ৰ কোৰাণ শৰীফ (সুৰত ফুৰ্কানি ২৫, আয়াত নং ৫২,৫৮,৫৯)

আয়াত ৫২ ফলা তুতিয়ল কাফিৰণ্ ব্ জহিদ্‌হুম বিহী জিহাদন কবীৰা (কবীৰন্) ।।৫২।।

ইয়াৰ ভাবাৰ্থ এয়ে যে হজৰত মহম্মদৰ খোদাই (প্ৰভূবে) কৈ আছে যে হে পয়গম্বৰ। (মহাপুৰুষ)

আপুনি কাফেৰৰ (যি এক প্ৰভূৰ ভক্তি ত্যাগ কৰি অন্য দেব-দেবী তথা মুৰ্তি আদিক পূজা কৰে) কথা নেমানিবা, কিয়নো তেওঁলোকে কবীৰক পূৰ্ণ পৰমাত্মা বুলি নামানে। আপুনি মোৰ দ্বাৰা দিয়া এই কোৰান জ্ঞানৰ আধাৰৰ ওপৰত অটল থাকিবা যে কবীৰেই পূৰ্ণ প্ৰভু তথা কবীৰ আল্লাহৰ বাবে সংঘৰ্ষ কৰিবা (কাজিয়া নহয়) অৰ্থাৎ দৃঢ় থাকিবা।

আয়াত ৫৮- ৱ তবক্কুল-অলল-হৰিউল্লজী লা য়মূতু ৱ সবিবহ্ বিহম্‌দিহী ৱ কফা বিহী বিজুনুবী ইবাদিহী খবীৰা (কবীৰা)।।৫৮।।

ভাবাৰ্থ ঃ- হজৰত মহম্মদে যাক নিজৰ প্ৰভু বুলি মানে সেই আল্লাই কোনোবা আন পূৰ্ণ প্ৰভুৰ ফালে ইংগিত দি কৈছে, হে পয়গম্বৰ সেই কবীৰ পৰমাত্মাৰ ওপৰত বিশ্বাস ৰাখা যি তোমাক জীবিত মহাত্মা ৰূপত আহি লগ দিলে। সেইজন কেতিয়াও মৃত্যুশীল নহয় অৰ্থাৎ বাস্তৱত অবিনাশী। প্ৰশংসাৰ সৈতে তেওঁৰ পবিত্ৰ মহিমা গাই যোৱা, তেওঁ কবীৰ আল্লাহ (কবীৰদেব) পূজাৰ যোগ্য তথা নিজৰ উপাসক বিলাকৰ সকলো পাপ বিনাশকাৰী।

আয়াত ৫৯-অল্লজী খলকস্যমাবাতি অৰ্জব মা বেনহুমা ফী সিত্ততী অয়্যামিন সুম্ভস্তবা অলল অৰ্শি অৰহমানু ফসঅল্ বিহী খবীৰ (কবীৰন)।। ৫৯।।

ভাবাৰ্থ :- হজৰত মহম্মদক কোৰান শ্বৰীফত প্ৰভুয়ে (আল্লাহ) কৈ আছে যে সেইজন কবীৰ প্ৰভু তেওঁৰেই যিজনে মাটি তথা আকাশৰ মাজত যি বিদ্যমান আছে সেই সকলো সৃষ্টিৰ ৰচনা ছয় দিনত কৰিছে তথা সপ্তম দিনত ওপৰৰ নিজৰ সত্যলোক সিংহাসনৰ ওপৰত বিৰাজমান হল (সিংহাসনত বহি যোৱা)। সেই বিষয়ে সবিশেষ বতৰা কোনো তত্বদৰ্শী সন্তৰ পৰা জানি লোৱা।

সেই পূৰ্ণ পৰমাত্মাৰ প্ৰাপ্তি কেনেকৈ হব আৰু বাস্তৱিক জ্ঞান কোনো তত্বদৰ্শী সন্তৰ পৰা জানি লোৱা, মই নাজানো।

ওপৰোক্ত দুই পৱিত্ৰ ধৰ্মৰ (খৃষ্টান তথা মুচলমান) পৱিত্ৰ শাস্ত্ৰই মিলি জুলি প্ৰম াণ কৰিছে যে সকলোৰে সৃষ্টি কৰ্তা, সৰ্বপাপ বিনাশক, সৰ্ব শক্তিমান, অবিনাশী পৰম াত্মা মানৱ সদৃশ শৰীৰ আকাৰত আছে আৰু সত্যলোকত নিবাস। কৰে। তেওঁৰ নাম কবীৰ, তেওঁকেই আল্লাহু আকবৰ কোৱা হয়।

আদৰণীয় ধৰ্ম দাস জীয়ে পূজ্য কবীৰ প্ৰভুক সুধিলে যে, হে সৰ্ব্ব শক্তিমান আজিলৈ এই তত্বজ্ঞান কোনেও কোৱা নাই, বেদৰ মৰ্মজ্ঞ জ্ঞানীয়েও কোৱা নাই। ইয়াৰ পৰা সিদ্ধ হয় যে চাৰি পৱিত্ৰ বেদ তথা চাৰি পৱিত্ৰ কিতাপ (কোৰান শ্বৰীফ আদি) মিছা। পুৰ্ণ পৰমাত্মাই কৈছে -

কবীৰ, বেদ কিতেব ঝুঠে নহাঁ ভাই, ঝুঠে হ্যায় যো সমঝে নাঁহী।

ভাবাৰ্থ ঃ- এয়ে যে চাৰি বেদ (ঋকবেদ-অথৰ্ববেদ যুৰ্জুবেদ-সামবেদ) আৰু পবিত্ৰ চাৰি কতেব (কেন শ্বৰীফ-জবুৰ-তৌৰাত ইঞ্জিল) ভুল নহয়। কিন্তু যিয়ে ইয়াক বুজি পোৱা নাই সিবোৰে নিৰ্বোধ।

**পূজ্যপাদ কবীৰ পৰমেশ্বৰ (কবীৰদেব)ৰ অমৃত বাণীত সৃষ্টি ৰচনা**

বিশেষ ঃ- নিম্ন অমৃত বাণী চন ১৪০৩ পৰা (যেতিয়া পুজ্য কবীৰদেব (কবীৰ পৰমেশ্বৰ) লীলাময় শৰীৰৰ বয়স ৫ বছৰ হৈছিল, ১৫১৮ (যেতিয়া কবীৰদেব (কবীৰ পৰমেশ্বৰ) মগহৰ স্থানৰ পৰা সশৰীৰে সৎলোকলৈ গৈছিল) চনৰ মাজত প্ৰায় ৬০০ বছৰ পূৰ্বে পৰম পূজ্য কবীৰ পৰমেশ্বৰ (কবীৰদেব) দ্বাৰা নিজৰ সেৱক (দাস-ভকত) আদৰনীয় ধৰ্মদাস চাহেবক শুনাইছিল আৰু ধনী ধৰ্মদাস চাহেবে লিপিবদ্ধ কৰিছিল।

কিন্তু সেই সময়ৰ পৱিত্ৰ হিন্দু আৰু পৱিত্ৰ মুছলমানৰ নিৰ্বোধ পণ্ডিত সকলে কৈছিল যে এই শিপিনি (কাপোৰ বোৱা) কবীৰ মিছলীয়া। কোনো সৎগ্ৰন্থত শ্ৰীব্ৰহ্মাদেব, শ্ৰীবিষ্ণু দেব, শ্ৰীশিৱ দেৱৰ পিতৃ-মাতৃৰ নাম নাই। এই তিনিও প্ৰভু অবিনাশী, এওঁলোকৰ জন্ম-মৃত্যু নহয়। কোনো পৱিত্ৰ বেদ তথা পবিত্ৰ কোৰান শ্বৰীফত কবীৰ পৰমেশ্বৰৰ প্ৰমাণ নাই আৰু পৰমাত্মাক নিৰাকাৰ বুলি উল্লেখ আছে। আমি প্ৰতিদিনে পঢ়ো। সৰল আত্মাই সেই বিচক্ষন (চতুৰ পণ্ডিত) মানুহৰ ওপৰত বিশ্বাস কৰি লৈছিল যে সঁচাই এই কাপোৰ বোৱা কবীৰ এজন অশিক্ষিত আৰু পণ্ডিত বিলাক শিক্ষিত, সত্য কথা কৈছে হবলা। আজি সেই সত্যই প্ৰকাশিত হৈ ওলাই পৰিছে তথা নিজৰ সকলো পবিত্ৰ ধৰ্মৰ পবিত্ৰ সৎগ্ৰন্থই ইয়াৰ সাক্ষী। ইয়াৰ দ্বাৰা স্পষ্ট যে পূৰ্ণ পৰমেশ্বৰ, জগতৰ সৃষ্টিকৰ্তা, কুলৰ মালিক, সৰ্ব শক্তিমান ঈশ্বৰ তথা সৰ্বজ্ঞ কবীৰদেব (কবীৰ পৰমেশ্বৰ) যি কাশীত (বেনাৰস) পদুম ফুলৰ ওপৰত আবিৰ্ভাব হৈছিল আৰু ১২০ বছৰলৈ বাস্তৱিক জ্যোতিৰ্ময় শৰীৰৰ ওপৰত মানব সদৃশ শৰীৰৰ দ্বাৰাই লীলা কৰি সৃষ্টিৰ সঠিক (বাস্তৱিক তত্ত্ব জ্ঞান) জ্ঞান প্ৰদান কৰি সশৰীৰে সৎলোকলৈ উভতি গৈছিল।

অনুগ্ৰহ কৰি ভক্ত প্ৰেমী পাঠকে পঢ়ক নিম্ন অমৃতবাণী পৰম ঈশ্বৰ কবীৰ দেবৰ দ্বাৰা উচ্চাৰিত -

*ধৰ্মদাস য়হ জগ বৌৰাণা। কোই ন জানে পদ নিৰৱানা।।১।।*
*য়হি কাৰণ মে কথা পসাৰা। জগসে কহিয়ো ৰাম নিয়াৰা।।*
*য়হী জ্ঞান জগ জীৱ সুনাও। সব জীৱোঁকা ভৰম নাশাও।।২।।*
*ভৰম গয়ে জগ বেদ পুৰাণা। আদি ৰামকো ভেদ ন জানা।।৩।।*
*ৰাম ৰাম সব জগত বখানে। আদি ৰাম কোই বিৰলা জানে।।৪।।*
*জ্ঞানী সুনে সো হৃদয় লগাই। মুৰ্খ সুনে সো গম্য না পাই।।৫।।*
*অব মে তুমসে কহোঁ চিতাই। ত্ৰিদেৱন কী উৎপত্তি ভাই।।৬।।*
*কুছ সংক্ষেপ কহোঁ গুহৰাই। সব সংশয় তুম্হৰে মিট জাই।।৭।।*
*মা অষ্টাঙ্গী পিতা নিৰঞ্জন। ৰে যম দাৰুণ বনশন অঞ্জন।।৮।।*
*পহিলে কীহ্ন নিৰঞ্জন ৰাই। পিছে সে মায়া উপজাই।।৯।।*
*মায়া ৰূপ দেখি অতি শোভা। দেৱ নিৰঞ্জন তন-মন লোভা।।১০।।*
*কাম দেৱ ধৰ্মৰায় সতায়ে। দেৱী কো তুৰন্তহী ধৰ খায়ে।।১১।।*
*পেট সে দেৱী কৰী পুকাৰা। চাহব মেৰা কৰো উবাৰা।।১২।।*
*টেৰ সুনী তব হম তহাঁ আয়ে। অষ্টাঙ্গী কো বন্দ ছুড়ায়ে।।১৩।।*
*সত্যলোক মে কীহ্না দুৰাচাৰি। কাল নিৰঞ্জন দিন্হা নিকাৰি।।১৪।।*
*মায়া সমেত দিয়া ভগাই। ষোল্ল সংখ কোস দুৰী পৰ আই।।১৫।।*
*অষ্টাংগী ঔৰ কাল অব দোই। মন্দ কৰ্ম সে গয়ে বিগোই।।১৬।।*
*ধৰ্মৰায় কো হিকমত কীহ্না। নখ ৰেখা সে ভগকৰ লীন্হা।।১৭।।*
*ধৰ্মৰায় কিহ্নাঁ ভোগ বিলাসা। মায়াকো ৰহী তব আসা।।১৮।।*
*তীন পুত্ৰ অষ্টাংগী জায়ে। ব্ৰহ্মা বিষ্ণু শিৱ নাম ধৰায়ে।।১৯।।*
*তীন দেৱ বিস্তাৰ চলায়ে। ইনমে য়হ জগ ধোখা খায়ে।।২০।।*
*পুৰুষ গম্য কৈসে কো পাৱৈ। কাল নিৰঞ্জন জগ ভৰমাৱৈ।।২১।।*
*তীনলোক অপনে সুত দীহ্না। সুন্ন নিৰঞ্জন বাসা লীন্হা।।২২।।*
*অলখ নিৰঞ্জন সুন্ন ঠিকানা। ব্ৰহ্মা বিষ্ণু শিৱ ভেদ ন জানা।।২৩।।*

*তীন দের সো উনকো ধারে। নিৰঞ্জন কা ৰে পাৰ না পারে।।২৪।।*
*অলখ নিৰঞ্জন বড়া বটপাৰা। তীন লোক জীর কীন্হ অহাৰা।।২৫।।*
*ব্রহ্মা বিষ্ণু শির নহী বচায়ে। সকল খায় পুনধুৰ উড়ায়ে।।২৬।।*
*তিনকে সুত হৈ তিনো দেৱা। আন্ধৰ জীৱ কৰত হৈ সেৱা।।২৭।।*
*অকাল পুৰুষ কাহু নহি চীন্হা। কাল পায় সবহী গহ লীহ্না।।২৮।।*
*ব্রহ্ম কাল সকল জগ জানে। আদি ব্রহ্মকো না পহিচানে।।২৯।।*
*তীনো দেৱা ঔৰ ঔতাৰা। তাকো ভজে সকল সংসাৰা।।৩০।।*
*তীনো গুণকা য়হ বিস্তাৰা। ধৰ্মদাস মে কহো পুকাৰা।।৩১।।*
*গুণ তীনো কী ভক্তি মে, ভূল পৰো সংসাৰা।।৩২।।*
*কহৈ কবীৰ নিজ নাম বিন কৈসে উতৰৈ পাৰ।।৩৩।।*

ওপৰোক্ত অমৃত বাণীত পৰমেশ্বৰ কবীৰ পৰমাত্মাই নিজৰ সেৱক ধৰ্মদাস চাহেবক কৈছে যে হে ধৰ্মদাস! এই গোটেই সংসাৰ তত্বজ্ঞানৰ অভাৱত বিচলিত হৈছে। কাৰো পূৰ্ণ মুক্তি মাৰ্গ আৰু পূৰ্ণ সৃষ্টি তত্ত্বৰ জ্ঞান নাই। এই বাবে মই তোমাক মোৰ দ্বাৰা ৰচিত সৃষ্টি তত্ত্বৰ কথা শুনালো। বুদ্ধিমান ব্যক্তিয়ে সোনকালেই বুজি পাব। ইয়াৰ উপৰি যি সকলে প্ৰমাণক দেখিও নামানে, নুবুজে সিজন নিৰ্বোধ প্ৰাণী কালৰ প্ৰভাবৰ দ্বাৰা প্ৰভ াবিত হৈছে, তেওঁ ভক্তিৰ যোগ্য নহয়। এতিয়া মই কওঁ তিনিও ভগবানৰ (ব্ৰহ্মা, বিষু তথা শিব) উৎপত্তি কেনেকৈ হ'ল? এওঁলোকৰ মাতৃ হ'ল দুৰ্গাদেবী। (অষ্টাঙ্গী /প্ৰকৃতি) তথা পিতৃ জ্যোতি নিৰঞ্জন (কাল/ব্ৰহ্ম)। প্ৰথমে ব্ৰহ্মৰ উৎপত্তি কণীৰ পৰা হ'ল। পিছত দুৰ্গাৰ উৎপত্তি হ'ল। দুৰ্গাৰ ৰূপত আসক্ত হৈ কালে (ব্ৰহ্ম) ভুল কৰিলে, তেতিয়া দুৰ্গাই ইয়াৰ পেটত শৰণ ললে। মই দুৰ্গাৰ স্তুতি আহ্বানত তালৈ গলো যত জ্যোতি নিৰঞ্জন কাল আছিল। তেতিয়া ভবানীক (দুৰ্গা) কাল ব্ৰহ্মৰ উদৰৰ পৰা উলিয়াই ২১ ব্ৰহ্মাণ্ডৰ সৈতে ১৬ শংখ কোশ দূৰত সত্যলোকৰ পৰা বহিস্কাৰ কৰি দিলো। জ্যোতি নিৰঞ্জনে (ধৰ্মাৰায়) প্ৰকৃতি দেবীৰ (দুৰ্গা) লগত ভোগ বিলাস কৰিলে। এই দুয়ো জনৰ মিলনত তিনি গুণৰ শ্ৰী ব্ৰহ্মা, শ্ৰীবিষ্ণু তথা শ্ৰীশিবৰ উৎপত্তি হ'ল। এই তিনি গুনক ৰজগুন ব্ৰহ্মাদেব, সৎগুণ বিষ্ণুদেব তথা তমগুণ শিবদেবৰ ভক্তি সাধনা কৰি জগতৰ সকলো প্ৰাণী কাল ব্ৰহ্মৰ জালত বন্দী হ'ল। যেতিয়ালৈ বাস্তৱিক মন্ত্ৰ প্ৰাপ্তি নহয় তেতিয়ালৈকে পূৰ্ণ মুক্তি (মোক্ষ) কেনেকৈ হব ?

বিশেষ ঃ- প্ৰিয় পাঠক বিচাৰ কৰক শ্ৰীব্ৰহ্মা দেব, শ্ৰী বিষ্ণুদেব তথা শ্ৰীশিবৰ স্থিতি অবিনাশী বুলি কৈছিল। সকলো হিন্দু সমাজে আজিও তিনিও দেবতাক অজৰ অমৰ তথা জন্ম মৃত্যু ৰহিত বুলি মানে কিন্তু আচলতে এইসকল নাশবান (মৰনশীল)। এওঁলোকৰ পিতা কাল ৰূপী ব্ৰহ্ম তথা মাতৃ দূৰ্গা। যেনেকৈ আপুনি আগৰ প্ৰমাণ বিলাক পঢ়িলে, এই পবিত্ৰ জ্ঞান নিজৰ পবিত্ৰ শাস্ত্ৰৰ ভিতৰতে স্পষ্ট ৰূপত আছে কিন্তু অশিক্ষিত, উদাসীন হিন্দু সমাজৰ কলিযুগৰ পণ্ডিত, গুৰু, ঋষি, সাধু মহন্তৰ জ্ঞান নাই। যি পণ্ডিত পাঠ্যক্ৰমৰ লগত অপৰিচিত তেওঁ (বিদ্বান নহয়) বিদ্যাৰ্থীৰ ভৱিষ্যতৰ শত্ৰু। এইদৰে আজিলৈ (বৰ্তমানে) যিবিলাক পণ্ডিত ঋষি, সাধু গুৰু মহন্তই নাজানে ব্ৰহ্মা, বিষ্ণু তথা শিবৰ পিতৃমাতৃ কোন? তেন্তে এইবোৰ পণ্ডিত সাধু, গুৰু, ঋষি, মহন্ত আচলতে শাস্ত্ৰ তত্ব জ্ঞান হীন। যি কাৰণে সকলো ভক্ত সমাজক শাস্ত্ৰ বিৰুদ্ধ জ্ঞান (লোকবেদ অৰ্থাৎ দন্ত কথা) শুনাই অজ্ঞানেৰে ভৰাই দিছে। শাস্ত্ৰ বিধি বিৰুদ্ধ ভক্তি সাধনা কৰাই পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক লাভ (পূৰ্ণ মোক্ষ/ভব বন্ধন নাশ) ৰ পৰা বঞ্চিত কৰি ৰাখিছে

আৰু মানব জনম নষ্ট কৰি দিছে কিয়নো শ্ৰীমদ্ভাগবত গীতা অধ্যায় ১৬, শ্লোক নং ২৩-২৪ ৰ এইটো প্ৰমান আছে যি শাস্ত্ৰবিধি ত্যাগ কৰি মনমুখী আচৰনেৰে পূজা কৰে তাৰ কোনো বাস্তৱিক লাভ নহয়। পূৰ্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰে চন ১৪০৩ ৰ পৰাই সৰ্ব শাস্ত্ৰ যুক্ত জ্ঞান নিজৰ অমৃত বাণীত (কবীৰ বাণী) বৰ্ণাইছিল। কিন্তু সেই অজ্ঞানী পণ্ডিত, গুৰু বিলাকে এই জ্ঞান ভকত সমাজৰ মাজলৈ প্ৰচাৰ হবলৈ দিয়া নাছিল, যিটো বৰ্তমানে স্পষ্ট হৈছে। ইয়াৰ দ্বাৰা এইটো প্ৰমাণ হল যে কবীৰদেৱ (কবীৰ প্ৰভূ) তত্ত্বদৰ্শী সন্তৰ ৰূপত স্বয়ং পমাত্মাই অৱতাৰ হৈ আহিছিল।

**আদৰণীয় গৰীবদাস চাহেবজীৰ অমৃত বানীত সৃষ্টি ৰচনাৰ প্ৰমাণ**

আদি (পদাবলী) ৰমৈনী (সদ গ্ৰন্থ পৃষ্ঠা নং ৬৯০ ৰ পৰা ৬৯২ লৈ)

*আদি ৰমৈণী অদলী সাৰা। জা দিন হোতে ধুন্ধকাৰা।।১।।*
*সৎপুৰুষ কীন্হা প্ৰকাশা। হম হোতে তখত কবীৰ খৱাচা।।২।।*
*মন মোহিনী সিৰজি মায়া। সৎপুৰুষ এক খ্যাল বনায়া।।৩।।*
*ধৰ্মৰায় সিৰজে দৰবাণী। চৌষঠ যুগতপ সেৱা ঠানী।।৪।।*
*পুৰুষ পৃথিৱী জাকু দীন্হী। ৰাজ কৰো দেৱা আধীনী।।৫।।*
*ব্ৰহ্মাণ্ড ইকীস ৰাজ তুম্হ দীহ্না। মন কী ইচ্ছা সব যুগ লীহ্না।।৬।।*
*মায়া মূল ৰূপ এক ছাজা। মোহি লিয়ে জিনহুঁ ধৰ্মৰাজা।।৭।।*
*ধৰ্ম কা মন চঞ্চল চিত্ত ধাৰ্যা। মন মায়া কা ৰূপ বিচাৰা।।৮।।*
*চঞ্চল চেৰী চপল চিৰাগা। য়া কে পৰসে সৰবস জাগা।।৯।।*
*ধৰ্মৰায়া কিয়া মন কা ভাগী। বিষয় বাসনা সঙ্গ সে জাগী।।১০।।*
*আদি পুৰুষ অদলী অনৰাগী। ধৰ্মৰায় দিয়া দিল সে ত্যাগী।।১১।।*
*পুৰুষ লোক সে দিয়া ঢহাহী। অগম দ্বীপ চলি আয়ে ভাই।।১২।।*
*সহজ দাস জিস দ্বীপ ৰহতা। কাৰণ কৌন কৌন কুল পন্থা।।১৩।।*
*ধৰ্মৰায় বোলে দৰবাণী। সুনো সহজ দাস ব্ৰহ্মজ্ঞানী।।১৪।।*
*চৌষঠ যুগ হম সেৱা কীন্হী। পুৰুষ পৃথিৱী হম কু দীন্হী।।১৫।।*
*চঞ্চল ৰূপ ভয়া মন বৌৰা। মন মোহিনী ঠগিয়া ভৌৰা।।১৬।।*
*সত পুৰুষ কে না মন ভায়ে। পুৰুষ লোক সে হম চলি আয়ে।।১৭।।*
*আগৰ দ্বীপ সুনত বড়ভাগী। সহজ দাস মেটো মন পাগী।।১৮।।*
*বোলে সহজ দাস দিল দানী। হমতো চাকৰ সত সহদানী।।১৯।।*
*সৎপুৰুষ সে অৰজ গুজাৰুঁ। জব তুম্হাৰা বিৱাণ উতাৰু।।২০।।*
*সহজ দাস কো কিয়া পিয়ানা। সত্যলোক লিয়া প্ৰৱাণা।।২১।।*
*সৎপুৰুষ সাহিব সৰবঙ্গী। অৱিগত অদলী অচল অভঙ্গী।।২২।।*
*ধৰ্মৰায় তুম্হাৰা দৰবাণী। অগৰ দ্বীপ চলি গয়ে প্ৰাণী।।২৩।।*
*কৌন হুকম কৰী অৰজ অৱাজা। কহাঁ পঠাবৌ উস ধৰ্মৰাজা।।২৪।।*
*ভই অৱাজ অদলী এক সাচা। বিষয় লোক যা তীন্যু বাচা।।২৫।।*
*সহজ বিমান চলে অধিকাই। ছিন মে অগৰ দ্বীপ চলি আই।।২৬।।*
*হমতো অৰজ কৰী অনৰাগী। তুম্হা বিষয় লোক জাৱো বড়ভাগী।।২৭।।*
*ধৰ্মৰায় কে চলে বিমানা। মান-সৰোবৰ আয়ে প্ৰাণা।।২৮।।*
*মান-সৰোবৰ ৰহন ন পায়ে। দৰৈ কবীৰা থানা লায়ে।।২৯।।*
*বঙ্কনাল কী বিষমী বাটী। তহাঁ কবীৰা ৰোকী ঘাটী।।৩০।।*

*ইন পাচোঁ মিলি জগত বন্ধনা। লখ চৌৰাশী জীৱ সতানা।।৩১।।*
*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ মায়া। ধৰ্মৰায় কা ৰাজ পঠায়া।।৩২।।*
*য়ৌহ খোখা পৰ ঝুঠী বাজী। ভিসতি বৈকুণ্ঠ দগাসী সাজি।।৩৩।।*
*কৃত্ৰিম জীৱ ভুলানে ভাই। নিজ ঘৰকী তো খবৰি ন পাই।।৩৪।।*
*সৱা লাখ উপজে নিত হংসা। এক লাখ বিনশে নিত অংশা।।৩৫।।*
*উপতি খপতি প্ৰলয় ফেৰী। হৰ্ষ শোক জৌৰা জম জেৰী।।৩৬।।*
*পাচোঁ তত্ব হৈ প্ৰলয় মাহীঁ। সত্বগুণ, ৰজগুণ, তমগুণ, ঝাঁই।।৩৭।।*
*আঠো অঙ্গ মিলি হৈ মায়া। পিণ্ড ব্ৰহ্মাণ্ড সকল ভৰমায়া।।৩৮।।*
*য়া মে সুৰতি শব্দ কী ডোৰী। পিণ্ড ব্ৰহ্মাণ্ড লগী হৈ খোৰী।।৩৯।।*
*শ্বাসা পাৰস মন গহ ৰাখো। খোলহি কপাট অমীৰস চাখো।।৪০।।*
*সুনাঊ হংস শব্দ সুন দাসা। অগম দ্বীপ হৈ অগ হৈ বাসা।।৪১।।*
*ভৱ সাগৰ জম দণ্ড জমানা। ধৰ্মৰায় কা হৈ তলবানা।।৪২।।*
*পাচোঁ ঊপৰ পদ কী নগৰী। বাট বিহঙ্গম বংকী ডগৰী।।৪৩।।*
*হমৰা ধৰ্মৰায় সো দাৱা। ভৱ সাগৰ মে জীৱ ভৰমাৱা।।৪৪।।*
*হমতো কহৈ অগম কী বাণী। জহাঁ অবিগত অদলী আপ বিনাশী।।৪৫।।*
*বন্দী ছোড় হমাৰানাম। অজৰ অমৰ হৈ অস্থিৰ ঠামম্।।৪৬।।*
*জুগন জুগন হম কহতে আয়ে। জম জৌৰা সে হংস ছুটায়ে।।৪৭।।*
*জো কোই মানে শব্দ কা লেখা। তন অন্দৰ মন কহো কীন্হী দেখা।।৪৯।।*
*য়া মে সুৰতি শব্দ কা গমাৰা। ভৰসাগৰ নাহী ভৰমে ধাৰা।।৪৯।।*
*দাস গৰীব অগম কী বাণী। খোজা হংসা শব্দ সহদানী।।৫০।।*

ওপৰোক্ত অমৃতবাণীৰ ভাবাৰ্থ হল আদৰনীয় গৰীবদাস চাহেবে কৈছে যে প্ৰথমে ইয়াত মাথোন আন্ধাৰেই আন্ধাৰ আছিল তথা পূৰ্ণ পৰমাত্মা কবীৰদেব সত্যলোকত সিংহাসনৰ ওপৰত অকলে বিৰাজমান হৈ আছিল। আমি তেওঁৰ সেবক আছিলো। পৰম াত্মাই জ্যোতি নিৰঞ্জনক (কাল/ব্ৰহ্ম) উৎপন্ন কৰিলে। আকৌ তেওঁৰ তপৰ ফলত ২১ ব্ৰহ্মাণ্ড প্ৰদান কৰিলে। পিছত আকৌ মায়া (প্ৰকৃতি) উৎপত্তি কৰিলে। যুৱতী দূৰ্গাৰ ৰূপত মোহিত হৈ জ্যোতি নিৰঞ্জনে (ব্ৰহ্ম) দূৰ্গাক (প্ৰকৃতি) সতিত্ব সানি কৰিবলৈ চেষ্টা কৰিলে। কাল ব্ৰহ্মই কৃত কৰ্মৰ শাস্তি লভিলে। তেওঁক সত্যলোকৰ পৰা বহিস্কাৰ কৰি দিলে আৰু অভিশাপ দিলে প্ৰতিদিনে ১ লাখ মানব শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰৰ বিকাৰ ভক্ষন কৰিব লাগিব আৰু ১.২৫ লাখ উৎপন্ন কৰিব লাগিব। ইয়াত সকলো প্ৰাণী জন্ম-মৃত্যুৰ কষ্ট সহিব লাগিছে। যদি কোনোবাই পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক শব্দ (সত্যনাম জপ মন্ত্ৰ) মোৰ পৰাই পায় তাক কালৰ বন্ধনৰ পৰা মুক্তি কৰি দিম। মুক্তি দাতা। মোৰ নাম। আদৰণীয় গৰীবদাসে নিজৰ গুৰু তথা কবীৰ পৰমাত্মাৰ আধাৰৰ ওপৰত কৈছে যে সঁচা মন্ত্ৰ অৰ্থাৎ সত্য নাম আৰু সাৰ শব্দ সংগ্ৰহ কৰি লোৱা, পূৰ্ণ মুক্তি পাব। নহলে ভণ্ড নাম দীক্ষা দিওঁতা সাধু মহন্তৰ মিঠা কথাত ভোল গৈ শাস্ত্ৰ বিধি বিৰুদ্ধ ভক্তি সাধন কৰি কালৰ (জ্যোতি নিৰঞ্জন/ব্ৰহ্ম) জালত বন্দী হৈ থাকিব। পিছত কষ্টৰ ওপৰত কষ্ট সহি থাকিব লাগিব।

সন্ত গৰীবদাস দেৱৰ অমৰ গ্ৰন্থৰ অধ্যায় “হংস পৰমহংসৰ” কথাৰ বাণী নং ৩৭-৪৩ ত কৈছে-

*মায়া আদি নিৰঞ্জন ভাই, অপনে জায়ে আপৈ খাই।*

*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ চেলা, ওঁ সৌহম কা হৈ খেলা।।৩৭।।*
*সিখৰ সুন্ন মে ধৰ্ম অন্যায়ী, জিন শক্তি ডায়ন মহল পঠাই।*
*লাখ গ্ৰাসৈ নিত উঠ দুতী, মায়া আদি তখ্‌ত কে কুতী।।৩৮।।*
*সৱা লাখ ঘড়িয়ে নিত ভাড়ে, হংসা উৎপত্তি পৰলয় ডাডে ?*
*য়ে তীনো চেলা বটপাৰী, সিৰজে পুৰুষা সিৰজী নাৰী।।৩৯।।*
*খোখাপুৰ মে জীৱ ভূলায়ে, স্বপনা বহিস্ত বৈকুণ্ঠ বনায়ে।*
*য়ো হৰহট কা কুঁৱা লোই য়া গল বন্ধ্যা হে সব কোই।।৪০।।*
*কীড়ী কুঞ্জৰ ঔৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কঈ বাৰা।*
*অৰব অলীল ইন্দ্ৰ হৈ ভাই, হৰহট ডোৰী বন্ধে সব আই।।৪১।।*
*শেষ মহেশ গনেশ্বৰ তাহি, হৰহট ডোৰী বন্ধে সব খেৰা।*
*কোটিক কৰ্ত্তা ফিৰতা দেখ্যা, হৰহট ডোৰী কহুঁ সুন লেখা।।৪২।।*
*চুতুৰ্ভূজী ভগৱান কহাৱৈ, হৰহট ডোৰী বন্ধে সব আৱৈ।*
*য়ো হৈ খোখাপুৰ কা কুঁৱা, য়া মে পড়া সো নিশ্চয় মুৱা।।৪৩।।*

জ্যোতি নিৰঞ্জন (কাল/ব্ৰহ্ম)ৰ বশ হৈ এই তিনিও দেৱতাই (ৰজগুণব্ৰহ্মা, সত্বগুণ - বিষু, তমগুণ-শিব) নিজৰ মহিমা দেখুৱাই জীৱক স্বৰ্গ, নৰক আৰু ভৱ সাগৰত (চৌৰাশী লাখ যোনী ভ্ৰমন) ঘূৰাই থাকে। জ্যোতি নিৰঞ্জনে। নিজৰ মায়াৰ দ্বাৰা সাপৰ দৰে জীৱক উৎপন্ন কৰে পিছত আকৌ মাৰে। যিদৰে সাপে কুণ্ডলী সাজি কণীবোৰ নিজৰ ফনাৰে খোট মাৰে যাতে কণী ফাটি যায়। তাৰ পৰা পোৱালী ওলায় তাক খায় পেলায়। ফনাৰে খোট দিবৰ সময়ত কিছুমান কণী ফাটি যায় কিয়নো সাপিনীয়ে বহুত কণী দিয়ে। যি কণী ফাটি পোৱালী ওলায় যদি সেই সাপৰ পোৱালী কুণ্ডলীৰ ভিতৰৰ পৰা বাহিৰলৈ ওলাব পাৰে সিটো বাচি যায় নহলে কুণ্ডলীৰ ভিতৰত থাকিলে তাক খাবলৈ নাপাহৰে। যিমান সাপৰ পোবালী কুণ্ডলীৰ ভিতৰত থাকিব সকলোকে খায় শেষ কৰিব। যি সকল সাধক ব্ৰহ্ম (কাল ব্ৰহ্ম অথবা জ্যোতি নিৰঞ্জন, দেৱী দূৰ্গা তথা ব্ৰহ্মা, বিষ্ণু, শিৱ আৰু অন্য দেৱ-দেৱীৰ ভক্তি কৰে তেওঁলোক কালব্ৰহ্ম ৰূপী নাগীনীৰ কুণ্ডলী অৰ্থাৎ জন্ম ম ৃত্যুৰ চক্ৰত কাললোকত থাকি যায়, যাক জ্যোতি নিৰঞ্জনে খায়)।

*মায়া কালী নাগিনী, অপনে জায়ে খাত, কুণ্ডলী মে ছোড়ে হী, সো বাতো কী বাত।*

এই প্ৰকাৰে কালবলি (ব্ৰহ্ম/জ্যোতি নিৰঞ্জন)ৰ মায়া জাল। নিৰঞ্জন (ব্ৰহ্মৰ)ৰ ভক্তি কোনো গুৰুৰ পৰা নাম দীক্ষা মন্ত্ৰ লৈ কৰিব তেতিয়া এই নিৰঞ্জনৰ কুণ্ডলী (২১ ব্ৰহ্মাণ্ডৰ ভিতৰত আবদ্ধ হৈ থাকিব লাগিব। স্বয়ং ব্ৰহ্মা, বিষ্ণু, মহেশ, আদি ম ায়া জগদাত্ৰীও (প্ৰকৃতি) আৰু নিৰঞ্জনৰ কুণ্ডলীৰ ভিতৰত আবদ্ধ। তেওঁলোকে অৱতাৰ ধাৰণ কৰি আহে আৰু জন্ম-মৃত্যুৰ চক্ৰ চেদ কৰিব নোৱাৰে। এই বাবে বিচাৰ কৰক সোহম জপ যি মন্ত্ৰ ধ্ৰুৱ, প্ৰহ্লাদ আৰু শুকদেৱ ঋষিয়ে জপিছিল তেওঁলোকেও পুৰ্ণ মুক্তি পোৱা নাই। কিয়নো শ্ৰী বিষ্ণু পুৰাণৰ প্ৰথম অংশৰ অধ্যায় নং ১২, পৃষ্ঠা নং ৫১ ৰ শ্লোক নং ৯৩ লিখা আছে যে ধ্ৰুৱ মাথোন এক কল্প অৰ্থাৎ হেজাৰ চতুৰ্যুগ লৈ মুক্ত। এই কাৰণে তেওঁ কাল লোকতে থাকিলে তথা ওঁ নমঃ ভগবতে বাসুদেবায় মন্ত্ৰ জপ কৰা ভকতেও কৃষ্ণ লৈ হে ভক্তি কৰি আছে। সিবিলাকেও চৌৰাশী লাখ যোনী ভ্ৰমনৰ বন্ধনৰ পৰাও এৰা পাব নোৱাৰে। এইটো পৰম পুজনীয় কবীৰ দেৱ পৰমাত্মা তথা আদৰনীয় গৰীবদাস চাহেবৰ বাণীত প্ৰত্যক্ষ প্ৰমাণ দিছে ঃ-

*অনন্ত কোটী অবতাৰ হ্যায়, মায়া কে গোবিন্দ।*

*কৰ্তা হো হো অবতৰে, বহুৰ পড়ে জগ ফন্ধ।।*

সৎপুৰুষ কবীৰ পৰমাত্মাৰ ভক্তিৰ দ্বাৰাই জীবই মুক্তি পাব পাৰিব। যেতিয়ালৈকে জীব সৎলোকলৈ উভতি নাযায় তেতিয়ালৈ কাল লোকত এনেদৰে কৰ্ম কৰি থাকিব লাগিব আৰু নাম আৰু দান ধৰ্মৰ ফল ৰূপী পুন্যৰ বলত স্বৰ্গৰূপী হোটেলত সমাপ্ত কৰি আকৌ উভতি কৰ্ম আধাৰত চৌৰাশী লাখ প্ৰকাৰৰ প্ৰাণীৰ শৰীৰত কষ্ট সহ্য কৰি কাল (ব্ৰহ্ম) লোকত ভ্ৰমিব লাগিব। মায়াৰ (দুৰ্গাৰ) পৰা উৎপন্ন হোবা কোটি গোবিন্দ (ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ)। আদিৰ মৃত্যু হৈছে। সিবিলাক ভগবানৰ অৱতাৰ হৈ আহিছিল।

পিছত কৰ্ম বন্ধনত বন্দী হৈ কৰ্মৰ ফল ভোগ কৰি চৌৰাশী লাখ যোনীলৈ গুচি গৈছিল। যেনেকুৱা ভগবান বিষ্ণুৰ এবাৰ দেৱৰ্ষি নাৰদৰ অভিশাপ লাগিছিল। তেখেতে (বিষ্ণু) শ্ৰী ৰামচন্দ্ৰৰ ৰূপত অযোধ্যা লৈ আহিল। আকৌ শ্ৰী ৰামচন্দ্ৰৰ ৰূপতে বালীক বধ কৰিলে। তাৰ কৰ্ম দণ্ড ভুগিবৰ বাবে শ্ৰীকৃষ্ণৰ ৰূপত জন্ম ললে। আকৌ পূৰ্বতে নিধন হোৱা বালীৰ আত্মা চিকাৰী ব্যাধ্য হৈ জন্মি নিজৰ প্ৰতিশোধ ললে। শ্ৰীকৃষৰ ভ ৰিত বিষাক্ত তীৰ মাৰি বধ কৰিলে। মহাৰাজ গৰীবদাসে নিজৰ বাণীত কৈছে যে-

*ব্ৰহ্মা বিষ্ণু মহেশ্বৰ মায়া, ঔৰ ধৰ্মৰায় কহিয়ে।*
*ইন পাচোঁ মিল পৰপঞ্চ বনায়া, বাণী হমৰী লহিয়ে।।*
*ইন পাচোঁ মিল জীৱ অটকায়ে, জুগন জুগন হম আন ছুটায়ে।*
*বন্দী ছোড় হমাৰা নাম অজৰ অমৰ হৈ অস্থিৰ ঠামম্।।*
*পীৰ পয়গম্বৰ কুতুব ঔলিয়া, সুৰ নৰ মুনিজন জ্ঞানী।*
*য়েতা কো তো ৰাহ ন পায়া, জম কে বন্ধে প্ৰাণী।।*
*ধৰ্মৰায় কী ধুমা-ধামী, জম পৰ জঙ্গ চলাঁঊ।*
*জোৰা কো তো জান ন দুঁগা, বান্ধ অদল ঘৰ ল্যাঊ।।*
*কাল অকাল দোঁহু কো মোচু, মহাকাল সি মুঁডু।।*
*মৈ তো তখত হজুৰী হুকুমী, চোৰ খোজ কুঁ ধুন্ধু।।*
*মুলা মায়া মগ মে বৈঠী, হংসা চুন-চুন খাই।*
*জ্যোতি স্বৰূপী ভয়া নিৰঞ্জন মৈ হী কৰ্ত্তা ভাই।।*
*সাহস অঠাসী দীপ মুনীশ্বৰ, বন্ধে মূলা ডোৰী।।*
*ঐত্যা মে জম কা তলবানা, চলিএ পুৰুষ কিশোৰী।।*
*মূলা কা তো মাথা দাগুঁ, সতকী মোহৰ কৰুঁগা।*
*পুৰুষ দ্বীপ কুঁ হংস চলাঊ, দৰা ন ৰোকন দুঁগা।।*
*হম তো বন্দী ছোড় কহাঁৱা, ধৰ্মৰায় হৈ চকৰৈ।*
*সত্যলোক কী সকল সুনাৱা, বাণী হমৰী অখৰৈ।।*
*নৌ লখ পটট্‌ন ঊপৰ খেলু, সাহদৰে কু ৰোকুঁ।*
*দ্বাদশ কোটি কটক সব কাটু, হংস পঠাঊ মোখু।।*
*চৌদহ ভূৱন গমন হৈ মেৰা, জল থল মে সৰবঙ্গী।*
*খালিক খলক খলক মে খালিক, অৱিগত অচল অভঙ্গী।।*
*অগৰ অলীল চক্ৰ হৈ মেৰা, জিত সে হম চল আয়ে।*
*পাচোঁ পৰ প্ৰৱাণা মেৰা, বন্ধি ছূটাৱন ধায়ে।।*
*জহাঁ ওঁকাৰ নিৰঞ্জন নাহী, ব্ৰহ্মা বিষ্ণু বেদ নহী জাহী।*
*জহাঁ কৰতা নহী জান ভগৱানা, কায়া মায়া পিণ্ড ন প্ৰাণা।।*
*পাঁচ তত্ব তীনো গুণ নাহী, জোৰা কাল দ্বীপ নহী জাহী।*

*অমৰ কৰু সৎলোক পঠাউ, তাতৈ বন্দী ছোড় কহাউ।।*

কবীৰ পৰমেশ্বৰ (কবীৰদেব)ৰ মহিমা বৰ্নাই আদৰণীয় গৰীবদাস মহাৰাজে কৈছে যে আমাৰ প্ৰভু কবীৰ (কবীৰদেব) হল জীবৰ মুক্তিদাতা। মুক্তিদাতাৰ ভাবাৰ্থ হল কাল ব্ৰহ্মৰ কাৰাগাৰৰ পৰা মোকোলাই দিয়া, কাল-ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডত সকলো প্ৰাণী পাপৰ কাৰণে জালত বন্দী হৈছে। পূৰ্ণ পৰমাত্মাই (কবীৰদেব) একমাত্ৰ পাপক বিনাশ কৰে। পাপৰ বিনাশ ব্ৰহ্ম, পৰব্ৰহ্ম, ব্ৰহ্মা, বিষ্ণু মহেশ্বৰেও কৰিব নোৱাৰে। যেনে কৰ্ম-তেনে ফল দিব পাৰে। এইবাবে যজুৰ্বেদ অধ্যায় ৫, মন্ত্ৰ ৩২ স্পষ্টকৈ লিখা আছে “কবিৰঙ্গাৰিৰসি” কবীৰদেব (কবীৰ পৰমেশ্বৰ পাপৰ শত্ৰু “বম্ভাৰিৰসি” বন্ধনৰ শত্ৰু অৰ্থাৎ জীবৰ মুক্তিদাতা।

এই পাঁচো দেবতা, ব্ৰহ্মা, বিষ্ণু, শিব, দূৰ্গা আৰু ব্ৰহ্ম (ধৰ্মৰাজ) সকলোৰে ওপৰত সৎপুৰুষ পৰমাত্মা কবীৰদেব সৎলোকৰ মালিক পৰব্ৰহ্ম, ব্ৰহ্মা, আদিমায়া দূৰ্গা, ব্ৰহ্মা, বিষ্ণু মহেশ্বৰ আদি সকলো বিনাশী পৰমাত্মা। মহাপ্ৰলয়ৰ সময়ত এই সকলো তথা তেওঁলোকৰ ব্ৰহ্মাণ্ড সমাপ্ত হৈ যাব। সাধাৰণ জীৱতকৈ এওঁলোকৰ আয়ুস কেবা হাজাৰ গুণ বেচি। কিন্তু যি সময় নিৰ্ধাৰন কৰা আছে সিটো এদিন অৱশ্যই পূৰ্ণ হ’ব। আদৰণীয় গৰীবদাসৰ বাণীত আছে -

শিৱ ব্ৰহ্মা কা ৰাজ, ইন্দ্ৰ গিনতী কঁহা, চাৰ মুক্তি বৈকুণ্ঠ সমঝ, য়েতা লমহা।।
শংখ জুগন কী জুনী, উম্ৰ বৰ ধাৰিয়া। জা জননী কুৰ্বান, সু কাগজ পাৰিয়া।
য়েতী উম্ৰ বুলন্দ মৰেগা অন্তৰে। সৎগুৰু লগে ন কান, ন ভেঁটে সন্ত ৰে।।

সিহঁতৰ যিমানেই লাখ যুগৰ দৰে দীৰ্ঘ আয়ুস নহওক কিয় ? এদিন নিশ্চয় সমাপ্ত হবই। যদি সৎপুৰুষ কবীৰ পৰমাত্মাৰ দ্বাৰা প্ৰেৰিত অৱতাৰিত মহাপুৰুষ পূৰ্ণ সন্তই (সদগুৰু ৰূপ) তিনি নামৰ মন্ত্ৰ (যি এক ওঁম + তত + সত সাংকেতিক) উপদেশ দিয়ে তথা যাৰ পূৰ্ণ গুৰুৰ দ্বাৰা উপদেশ দান কৰাৰ আদেশ আছে, তেওঁৰ পৰা নাম উপদেশ লৈ ভক্তি সাধনৰ পুণ্য অৰ্জন কৰিব পাৰিলে তেতিয়া আমি সৎলোকৰ অধিকাৰী হংস (জ্ঞানী আত্মা) হ’ব পাৰিম। সত্য সাধনা নহলে দীৰ্ঘ আয়ুসৰ কোনো কাম নাই কিয়নো নিৰঞ্জনৰ লোকত জন্ম মৃত্যু বাদেও দুঃখৰ উপৰি দুঃখ।

কবীৰ, জীবনা তো থোড়া হী ভলা, যো সৎ সুমিৰন হোয়।
লাখ বৰষ কা জীৱনা, লেখে ধৰৈ না কোয়।।

যদি সত্য সাধনা কৰা হয় তেতিয়াহলে মানুহৰ কম আয়ুয়েই ভাল। যদি সত্য সাধনা সৎ পুৰুষৰ পৰা নলয় তথা কাল ব্ৰহ্ম দেৱ-দেৱীক পূজা কৰি বা প্ৰণায়ম আদি কৰি দীঘলীয়া আয়ুৰ জীৱন জীয়াই থাকিলেও মোক্ষ মাৰ্গত এইবিলাক হিচাবত নাহে। ইমান দিঘল আয়ু (যেনেকৈ শ্ৰীশিৱদেৱৰ) পালেও এদিন নহয় এদিন মৃত্যু অৱশ্যেই হব। ভক্তি সাধনা শাস্ত্ৰবিৰুদ্ধ হোৱাৰ বাবে জন্ম আৰু মৃত্যুৰ চক্ৰত থাকিব। এনে দীঘলীয়া আয়ুৰ জীৱনৰ কোনো মূল্য নাই।

কবীৰদেবে (কবীৰ পৰমেশ্বৰ) নিজৰ (পুৰ্ণব্ৰহ্মৰ) স্বয়ং খবৰ স্বয়ং জনায় যে এইবোৰ পৰমাত্মাৰ ওপৰত অসংখ্য বাহু থকা সৎপুৰুষ পৰমাত্মা আছে যি সত্যলোক (সচ্খণ্ড, সত্য ধাম)ত বিৰাজমান হৈ আছে আৰু তেওঁৰ অন্তৰ্গত সৰ্বলোক ব্ৰহ্ম (কাল)ৰ ২১ ব্ৰহ্মাণ্ড আৰু তিনি পুত্ৰ ব্ৰহ্মা, বিষ্ণু, শিৱ লোক তথা পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড আৰু আন সকলো ব্ৰহ্মাণ্ডৰ অধীন হৈ থাকে। সত্যলোক সৎনাম-সাৰনাম জাপৰ দ্বাৰা পোৱা যায় যি পূৰ্ণ গুৰুৰ পৰা পাব পাৰি। সত্যলোক (সচ্চখণ্ড)লৈ যি আত্মা গুচি যায় তেওঁৰ আকৌ পুনৰ জনম নহয়। সৎপুৰুষ (পুৰ্ণ ব্ৰহ্ম) কবীৰদেব (কবীৰ পৰমেশ্বৰ) অন্য লোকত




ইয়হ হৰহট কা কুৱা লোই, ইয়া গল বন্ধা হ্যা সব কোই।
কীড়ী কুঞ্জৰ আওৰ অৱতাৰা, হৰহট ডোৰী বন্ধে কোই বাৰা।।

## কাল লোকত জন্ম-মৃত্যু ৰূপী চক্ৰ।

স্বয়ং ভিন ভিন নামত বিৰাজমান হৈ থাকে। যেনে অলখলোকত অলখ পুৰুষ, অগমলোকত অগমপুৰুষ, অনামীলোকত অনামী পুৰুষৰ ৰূপত বিৰাজমান হৈ থাকে। এইবোৰ উপমাত্মক নাম, কিন্তু সেই পুৰ্ণ পুৰুষৰ বাস্তৱিক নাম হল কবীৰদেৱ, কবীৰ পৰমেশ্বৰ (ভাষা ভিন্ন হৈ কবীৰ চাহেব)।

**আদৰণীয় নানক চাহেবৰ বাণীত সৃষ্টি ৰচনাৰ সংকেত**

শ্ৰীনানক সাহেব অমৃত বানী, মহলা-১,ৰাগ বিলাবলু, অংশ-১(গুৰু গ্ৰন্থ পৃষ্ঠা নং ৮৩৯)

আপে সচু কীয়া কৰ যোড়ী। অণ্ডজ ফোড়ি জোড়ি বিছোড়।।
ধৰতী আকাশ কীয়ে বৈষন কউথাউ। ৰাতি দিনন্তু কীয়ে ভউ ভাউ।।
জিন কীয়ে কৰি বেখনহাৰা। (৩)
ত্ৰিতোৰা ব্ৰহ্মা-বিষ্ণু-মহেশা। দেবী দেব উপায় ওয়সা।।(৪)
পউন পানী অগ্নী বিসৰাউ। তাহী নিৰঞ্জন সাচো নাউ।।।
তিসু মহি মনুয়া ৰহিয়া লিৱ লাই। প্ৰনবতি নানকু কালু ন খাই।। (১০)

ওপৰোক্ত অমৃত বাণীৰ ভাবাৰ্থ হৈছে সৎপৰমাত্মা (সৎপুৰুষ কবীৰদেৱ) ই স্বয়ং নিজ হাতেৰে সকলো সৃষ্টি ৰচনা কৰিলে। তেওঁৱেই কণী সাজি ফুটালে আৰু তাৰ পৰা জ্যোতি নিৰঞ্জনৰ উৎপত্তি হ'ল। সেই পূৰ্ণ পৰমাত্মাই সকলো প্ৰাণীৰ বসবাস কৰিবৰ কাৰণে পৃথিৱী, আকাশ, বায়ু, পানী, অগ্নি আদি পাঁচ তত্ব স্ৰজিলে। নিজৰ দ্বাৰা স্ৰজিত সৃষ্টিৰ নিজেই সাক্ষী। আন কোনোৱে ইয়াৰ শুদ্ধ বাতৰি দিব নোৱাৰে। পিছত কণী ফাটি ওলোৱা জ্যোতি নিৰঞ্জনৰ পিছত ত্ৰিদেব - শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু তথা শিৱৰ উৎপত্তি হ'ল আৰু আন সৰু-সুৰা দেবী দেবতা আৰু অগনন জীৱৰ উৎপত্তি হ'ল। তাৰ পিছত অন্য দেৱতাৰ জীৱন চৰিত্ৰ আৰু আন আন ঋষি-মুনিৰ অনুভৱৰ আধাৰত ছয় শাস্ত্ৰ ওঠৰ পুৰাণৰ উদ্ভৱ হ'ল। পূৰ্ণ পৰমাত্মাৰ সত্য নামৰ সাধনা একান্ত মনেৰে কৰি তথা গুৰু মৰ্য্যাদা পূৰ্ণ জীৱন যাপন কৰিলে, শ্ৰীনানক দেৱে কয় যে সেই ভক্তাত্মাক কাল ব্ৰহ্মই ভক্ষন কৰিব নোৱাৰে।

ৰাগ মাৰু (অংশ) অমৃত বাণী মহলা ১ (গুৰু গ্ৰন্থ পৃষ্ঠা -১০৩৭)

শুনহু ব্ৰহ্মা, বিষ্ণু, মহেষু উপায়। শুনে বৰতে জুগ সবায়।।
ইসু পদ বিচাৰে সো জনু পুৰা। তিস মিলিয়ে ভ্ৰমু চুকাইদা।। (৩)
সাম বেদ, ঋগু, জুজুৰু, অথৰ বনু। ব্ৰহমে মুখ মাইয়া হ্যায় ত্ৰৈগুন।।
তা কি কিমত কহি ন সকৈ। কো তিউ বোলে জিউ বুলাইদা। (৯)

ওপৰোক্ত অমৃত বাণীৰ সাৰাংশ হ'ল যি সাধু সন্তই পূৰ্ণ ৰচনা কৰা সৃষ্টি শুনাব পাৰে আৰু কব যে কণীটো দুই ভাগ হৈ কি ওলালে, যিয়ে আকৌ ব্ৰহ্মলোক শুন্য স্থানত অৰ্থাৎ গুপ্ত স্থানত ব্ৰহ্মা, বিষ্ণু, শিৱক উৎপত্তি কৰিলে আৰু সেইজন পৰমাত্মা কোন হয় ? যিয়ে ব্ৰহ্মৰ (কাল) মুখৰ পৰা চাৰি বেদ (পবিত্ৰ ঋকবেদ, যজুৰ্বেদ, সাম বেদ, অথৰ্ববেদক উচ্চাৰণ কৰোৱালে, সেই পূৰ্ণ পৰমাত্মাই যেনেকৈ বিচাৰে তেনেকুৱাই প্ৰত্যেক প্ৰাণীক কৰাব পাৰে। এই সকলো জ্ঞান বিতংকৈ প্ৰকাশ কৰিব পৰা সাধু-সন্ত ৰ সন্ধান পালে তেওঁৰ ওচৰলৈ যাওক আৰু যি সকলো শংকা পূৰ্ণ নিৱাৰণ কৰিব পাৰে তেওঁৱেই পূৰ্ণ গুৰু বা তত্ত্বদৰ্শী গুৰু।

শ্ৰীগুৰু গ্ৰন্থ চাহেব পৃষ্ঠা নং ৯২৯ অমৃত বাণী শ্ৰীনানক চাহেবৰ ৰাগ ৰামকলী ম হলা ১ দখনী ওওঁকাৰ -

ওওঁকাৰিব্ৰহ্মা উৎপত্তি।ওওঁকাৰু কিয়া জিনি চিত।ওওঁকাৰি সৈল জুগ ভয়ে।ওওঁকাৰি

বেদনিময়ে। ওওঁকাৰি সবদি উধৰে। ওওঁকাৰি গুৰুমুখি তৰে। ওনম অখৰ সুনহু বিচাৰু। ওনম অখৰু ত্ৰিভূৱন সাৰু।

ওপৰোৰক্ত অমৃতবাণীত শ্ৰীনানক দেবে কৈছে যে ওঁকাৰ অৰ্থাৎ জ্যোতি নিৰঞ্জন (কাল/ব্ৰহ্ম)ৰ পৰা শ্ৰীব্ৰহ্মা দেবৰ উৎপত্তি হ'ল। কেইবা যুগলৈ আনন্দ থকাৰ পিছত ব্ৰহ্মাই বেদৰ সৃষ্টি কৰিলে যিটো পিছত ব্ৰহ্মাদেবক প্ৰাপ্ত হ'ল। তিনিও লোকত মাথোন এক ওম মন্ত্ৰৰে বাস্তৱত জাপ কৰিব লাগে। এই শব্দক পূৰ্ণ সন্ত বা পূৰ্ণ গুৰুৰ পৰা উপদেশ লৈ অৰ্থাৎ গুৰু ধাৰণ কৰি জাপ কৰিলেহে উদ্ধাৰ হয়।

বিশেষ ঃ- শ্ৰীনানক দেবে তিনি মন্ত্ৰ (ওম + তত্ + সত্) ৰ স্থানে স্থানে ৰহস্যাত্মক বিৱৰণ দিছে। তাক কেৱল পূৰ্ণ সন্তই (পূৰ্ণ সদগুৰু/তত্ত্বদৰ্শী গুৰু) বুজিব পাৰে আৰু তিনিও মন্ত্ৰক উপদেশী (নাম দীক্ষা লোৱা) ভকতক বুজাব পাৰে। (পৃষ্ঠা - ১০৩৮)

উত্তম সতীগুৰু পুৰুষ নিৰালে, সবদি ৰতে হৰি ৰস মতৱালে,
বিধি বুধি, সিধি, গিয়ান গুৰু তে পাইয়ে, পুৰে ভাগ মিলাইদা। (১৫)
সতিগুৰু তে পায়ে বীচাৰা, সুন সমাধি সচে ঘৰবাৰা।
নানক নিৰমল নাদু সবদ ধুনি, সচু ৰামৈ নামি সমাইদা (১৭)।। ১৫।।১৭।।

ওপৰোক্ত অমৃত বাণীৰ ভাবাৰ্থ হ'ল যে বাস্তৱিক জ্ঞান দিওঁতা সদগুৰু সৰ্বোত্তম, তেওঁ কেৱল নামহে জাপ কৰে অন্য কোনো হঠয়োগ সাধনাৰ উপদেশ নিদিয়ে। যদি আপোনাক ধন, সম্পদ, পদ, বুদ্ধি, অথবা ভক্তি বা শক্তি লাগে তেন্তে সেই ভক্তি মাৰ্গৰ জ্ঞান পূৰ্ণ গুৰুৱে প্ৰদান কৰিব এনেকুৱা পূৰ্ণ গুৰু বহু ভাগ্যৰ বলতহে প্ৰাপ্ত হয়। সেই পূৰ্ণ গুৰুৱে কৈ দিব যে শূন্য (আকাশ)ত নিজৰ বাস্তৱিক ঘৰ (সত্যলোক) পৰমেশ্বৰে সাজি ৰাখিছে।

তাত এক বাস্তৱিক সাৰ নামৰ ধ্বনি চলি থাকে। সেই আনন্দত অবিনাশী পৰমেশ্বৰৰ সাৰ শব্দৰ সহায়ত প্ৰৱেশ কৰিব পাৰি অৰ্থাৎ সেই বাস্তৱিক সুখদায়ক স্থানত বাস কৰিব পাৰি অন্য নাম তথা অপূৰ্ণ গুৰুৰ দ্বাৰা নোৱাৰি।

আংশিক অমৃতবাণী মহলা পহলা (শ্ৰী গু. গ্ৰ. পৃ ৩৫৯-৩৬০)।
শিব নগৰী মহী আসনি বৈসউ কলপ ত্যাগী বান্দ। (১)
সিঁড়ী সব সদা ধুনি সোহৈ অহিনিসি পুৰে নাঁদ। (২)।
হৰি কিৰতি ৰহ ৰাসি হমাৰি গুৰু মুখ পন্থ অতীত। (৩)
সগলী জোতি হমাৰি সঁমিয়া নানা বৰণ অনেক।।
কহ নানক শুনি ভৰথৰি যোগী পৰব্ৰহ্ম লিৱ একম্।(৪)

ওপৰোক্ত অমৃত বানীৰ ভাবাৰ্থ হ'ল শ্ৰী নানকদেবে কৈছে হে ধোধৰ যোগী আপোনাৰ সাধনা ভগৱান শিৱক লৈ হে, তাৰ দ্বাৰা আপোনাৰ শিৱ লোকত স্থান প্ৰাপ্ত হৈছে আৰু শৰীৰৰ পৰা যি শিঙ্গী শব্দ আদি হৈছে সেইটো এই পদুম চক্ৰৰ তথা দূৰ দৰ্শনৰ দৰে প্ৰত্যেক দেৱলোকৰ পৰা আহি শৰীৰৰ ভিতৰত শুনি পোৱা যায়।

মই এক পৰমাত্মা পৰম ব্ৰহ্ম অৰ্থাৎ সকলোৰে ওপৰত যি পুৰ্ণ পৰমাত্মা তেওঁকে স্মৰণ কৰি থাকো।।

মই ওপৰে ওপৰে নেদেখুৱাওঁ (সাধুবেশ ধৰা)। মই সকলো প্ৰাণীক এক পৰমাত্মাৰ সন্তান বুলি বুজো। সকলোৱে তেওঁৰে কৃপাত গতিশীল হৈ আছে। আমাৰ মুদ্ৰাতো সৎনাম জাপ পূৰ্ণ গুৰুৰ পৰা লৈহে কৰিব লাগে। ক্ষমাই। আমাৰ বেশভূষা। মইতো পূৰ্ণ পৰমাত্মাৰ উপাসক আৰু পূৰ্ণ সদগুৰুৰ ভক্তি মাৰ্গ ইয়াতকৈ ভিন্ন।

অমৃত বানী ৰাগ আসা মহলা- ১ (শ্রী গু, গ্র, সা, প ৪২০)

।। আসা মহলা।। জিনি নামু বিসাৰিয়া দুজে ভৰমি বুলাই। মুলু ছোড়ি ডালি লগে কিয়া পাবহি ছাই।। ১।। সাহিবু মেৰা একু হ্যায় অৱৰু নাহি ভাই। কিৰপা তে সুখু পাইয়া সাঁচে পৰ থাই।। ২।। গুৰু কি সেৱা সো কৰে জিসু আপি কৰায়ে। নানক সিৰু দে ছুটিয়ে দৰগহ পতি পায়ে।। ৮।।১৮।।

ভাবাৰ্থ ঃ- নানক দেৱে কৈছে যে যি পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক নাম পাহৰি অন্য ভগৱানৰ নাম জাপি ভ্ৰম হৈ আছে সিবিলাকে এনে কৰি আছে যে মূল (পূৰ্ণ পৰম াত্মা কবীৰ দেবে)ক এৰি ডালৰ (তিনি গুণৰ যেনে - ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তম গুণ-শিৱ) পুজা কৰি আছে। সেইটো সাধনাৰে কোনো লাভ নহব অৰ্থাৎ গছ শুকাই গলে ছাঁত বহিবলৈ নাপাব। ভাবাৰ্থ হল শাস্ত্ৰ বিধি ৰহিত সাধনা, সুফল পোৱাৰ ব্যৰ্থ প্ৰচেষ্টা। ইয়াৰ পৰা কোনো লাভ নাই। ইয়াৰ প্ৰমাণ গীতা অধ্যায় ১৬, শ্লোক ২৩-২৪ ৰ ভিতৰত আছে। সেই পূৰ্ণ পৰমাত্মাক পাবৰ বাবে মনমুখী সাধনা ত্যাগ কৰি পুৰ্ণ গুৰুৰ ওচৰত আত্ম সমৰ্পন কৰি সৎনাম জপৰ দ্বাৰাই মোক্ষ সম্ভৱ হ'ব। নহলে মৃত্যুৰ পিছত নৰক অৱশ্য যাব।

(শ্ৰী গুৰু গ্ৰন্থ চাহেব পৃষ্ঠা নং ৮৪৩-৮৪৪)

।। বিলাবলু মহলা।।। ম্যয় মন চাহু ঘনা সাঁচি বিগাসি ৰাম। মোহি প্ৰেম পিৰে প্ৰভূ অবিনাশী ৰাম।। অবিগত হৰি নাথু নাথহ তিসৈ ভাৱৈ সো থিয়ে। কিৰপালু সদা দইয়ালু দাতা জীয়া অন্দৰি তু জীয়ে। ম্যায় আধাঁৰু তেৰা তু খসমু মেৰা ম্যায় তানু তকীয়া তেৰও। সাচী সুচা সদা নানক গুৰ সবদি ঝগৰু নিবেৰউ।। ৪।। ২।।

ভাবাৰ্থ ঃ- শ্ৰী নানক দেৱে কৈছে যে অবিনাশী পূৰ্ণ পৰমাত্মা নাথৰ নাথ অৰ্থাৎ দেৱতাৰ দেব (সকলো প্ৰভুৰ যেনে - ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ, তথা ব্ৰহ্ম, পৰব্ৰহ্মৰ ওপৰতো নাথ অৰ্থাৎ স্বামী, মালীক, সৰ্বেশ্বৰ পৰম পৰমেশ্বৰ কবীৰ দেব, কবীৰ পৰমাত্মা) মই সৎনাম হৃদয়ত গাঁথি লৈছোঁ। হে পৰমাত্মা সকলো প্ৰাণীৰ জীৱনৰ আধাৰ আপুনিয়ে। মই আপোনাৰ আশ্ৰিত আপুনি মোৰ মালিক। আপুনীয়ে গুৰু ৰূপত আহি সত্য ভক্তিৰ নিৰ্ণায়ক জ্ঞান দি সকলো সংশয় দূৰ কৰিছে অৰ্থাৎ শংকাৰ সমাধান দিছে।

(শ্ৰী গুৰু গ্ৰন্থ চাহেব পৃষ্ঠ নং ৭২১ ৰাগ তিলঙ্গ মহলা ১)

য়ক অৰ্জ গুফতম্ পেশ তো দৰ কুন কৰতাৰ।।
হককা কবীৰ কৰীম তু বেঅৱ পৰবৰদিগাৰ।।
নানক বুগেয়েদ জন তুৰা তেৰে চাঁকৰা পাখাক।

ওপৰোক্ত অমৃত বাণীত স্পষ্ট কৰি দিছে যে (হককা কবীৰ) (ন্যায়ৱান কবী) আপুনি সৎকবীৰ (কুন কৰতাৰ সৃষ্টিকৰ্তা) শব্দ শক্তিৰে সৃজন কৰোঁতা শব্দ স্বৰূপী প্ৰভু অৰ্থাৎ সৰ্ব সৃষ্টিৰ সৃজন হাৰ আপুনি নিৰ্গুনী, নিৰ্বিকাৰ (পৰবৰদিগাৰ) সকলোৰে পালন কৰ্তা দয়ালু প্ৰভু, মই আপোনাৰ দাসৰো দাস।

(শ্ৰী গুৰুগ্ৰন্থ সাহিব পৃষ্ঠা নং ২৪ ৰাগ সিৰি মহলা ১)

তেৰা এক নাম তাৰে সংসাৰ, ম্যাঁয় এহা আস এহো আধাৰ,
নানক নীচ কহৈ বিচাৰ, ধানক ৰূপ ৰহা কৰতাৰ।।

ওপৰোক্ত বাণীত প্ৰমাণ দিছে যে যিয়ে কাশীত শিপীনী ( যি কাপোৰ বনায়) সেইজন কুলৰ মালীক। অতি অধীন হৈ নানক দেৱে কৈ আছে যে মই সঁচা কৈছো এই শিপিনী অৰ্থাৎ কবীৰ তাঁতীয়েই পূৰ্ণ পৰম ব্ৰহ্ম (সৎপুৰুষ) হয়।

বিশেষ ঃ- ওপৰোক্ত প্ৰমাণৰ দ্বাৰা সাংকেতিক জ্ঞান প্ৰমাণ হ'ল যে সৃষ্টি ৰচনা কেনেকৈ হৈছে? এতিয়া বাৰু পূৰ্ণ পৰমাত্মাক পাব লাগে। এইটো পূৰ্ণ গুৰুৰ পৰা নাম দীক্ষা লৈ উপদেশী হলেহে সম্ভৱ হ'ব।

**অন্য সাধু সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ দন্ত কথা (কাল্পনিক কথা)**

অন্য সাধু সন্তৰ দ্বাৰা সৃষ্টি ৰচনাৰ যি জ্ঞান বৰ্ণনাইছে সেইয়া কেনেকুৱা ? অনুগ্ৰহ কৰি নিম্ন বৰ্ণনা পঢ়ক - সৃষ্টি ৰচনাৰ বিষয়ে ৰাধা স্বামী পন্থৰ সন্ত আৰু ধন-ধন সতগুৰু পন্থৰ সাধু সকলৰ বিচাৰ :

পৱিত্ৰ পুস্তক জীৱন চৰিত্ৰ পৰম সাধু বাবা জয়মল সিংহ জী মহাৰাজ পৃষ্ঠ নং ১০২-১০৩ৰ পৰা "সৃষ্টি ৰচনা" (সাৱন কৃপালু পাব্লিকেশন, দিল্লী)

"প্ৰথমে সৎপুৰুষ নিৰাকাৰ আছিল। পিছত আকাৰত প্ৰকাশ পালে তেতিয়া ওপৰত তিন নিৰ্মল মণ্ডল (সৎলোক, অলখলোক, অগমলোক) তৈয়াৰ হ'ল আৰু প্ৰকাশ মণ্ডলৰ ধ্বনি তৈয়াৰ হ'ল।

পৱিত্ৰ পুস্তক সাৰবচন (নসৰ) প্ৰকাশক :- ৰাধা স্বামী সৎসঙ্গ সভা, দয়াল বাগ আগ্ৰা, "সৃষ্টিৰ ৰচনা" পৃষ্ঠা ৮১.

"প্ৰথমে আন্ধাৰেই আন্ধাৰ আছিল। তাত পুৰুষ শূন্য সমাধিত আছিল। যেতিয়া একো সৃষ্টি হোৱা নাছিল। আকৌ যেতিয়া মনত আনন্দ হ'ল তেতিয়া শব্দ উদ্ভৱ হল আৰু তাৰ পৰা সকলো সৃষ্টি হ'ল। প্ৰথমে সৎলোক আৰু পিছত সৎপুৰুষৰ কাৰুকাৰ্য্যত তিনিলোক আৰু সকলো বিস্তাৰ হ'ল।"

এইয়া জ্ঞান এনে লাগে, যেন কোনো এসময়ত এটা লৰাই চাকৰিৰ আশাত (ইন্টাৰভি উ) সাক্ষাকাৰ দিবলৈ গ'ল। অফিচাৰে সুধিলে আপুনি মহাভাৰত পঢ়িছে হবলা ? লৰাই উত্তৰ দিলে, মোৰ হাতৰ আঙুলীতেই মুখস্থ আছে। অফিচাৰে সুধিলে পঞ্চ পাণ্ডৱৰ নাম কোৱা। লৰাই উত্তৰ দিলে এজন ভীম আছিল, এজন তাৰ ভাই আছিল, এজন তাতকৈ সৰু আছিল আৰু এজন আছিল আৰু এজনৰ নাম পাহৰি গলোঁ। ওপৰোক্ত সৃষ্টি ৰচনাৰ জ্ঞান এনেকুৱাই।

সৎপুৰুষ তথা সৎলোকৰ বৰ্ণনা দিয়া আৰু পাঁচ নাম (ওঁকাৰ-জ্যোতি নিৰঞ্জন ৰৰঙ্কাৰ-সোহং-সত্যনাম) দিয়া আকৌ তিনি নাম (অকাল মূৰ্তি সৎপুৰুষ-শব্দ স্বৰূপী ৰাম) দিয়া সাধুৰ দ্বাৰা ৰচিত কিছুমান কিতাপৰ পৰা উদ্ধৃত ঃ-

সন্তমত প্ৰকাশ ভাগ ৩ পৃষ্ঠা ৭৬ ত লিখা আছে যে "সচখণ্ড অথবা সৎনাম চতুৰ্থ লোক" ইয়াত সৎনামক স্থান বুলি কৈছে। আকৌ এই পৱিত্ৰ কিতাপৰ পৃষ্ঠা নং ৭৯ ত লিখা আছে যে "এজন ৰাম দশৰথৰ লৰা দ্বিতীয় ৰাম মন, তৃতীয় ৰাম "ব্ৰহ্ম" চতুৰ্থ ৰাম সৎনাম"এইটো আচল ৰাম। আকৌ পৱিত্ৰ পুথি সন্তমত প্ৰকাশ প্ৰথম ভাগ পৃষ্ঠ নং ১৭ ত লিখিত আছে যে "সেইটো সৎলোকৰ হয়, তাকেই সৎনাম কোৱা হয়।" পৱিত্ৰ পুথি "সাৰ বচন নসৰ অথবা বাৰ্তিক" পৃষ্ঠ নং ৩ ত লিখিত আছে যে "এতিয়া বুজিব লাগে যে ৰাধা স্বামী পদ সকলোতকৈ উচ্চ স্থান যাক সাধু সন্তই সৎলোক আৰু সচ্চখণ্ড আৰু সাৰ শব্দ আৰু সৎশব্দ আৰু সৎনাম আৰু সৎ পুৰুষ আদি কৰি ব্যাখ্যা কৰিছে। পৱিত্ৰ পুথি সাৰ বচন (নসৰ আগ্ৰাৰ পৰা প্ৰকাশিত পৃষ্ঠ নং ৪ তো ওপৰোক্তৰ দৰেই বৰ্ণনা আছে। পৱিত্ৰ পুথি "সচ্চখণ্ড কী সড়ক পৃষ্ঠা নং ২২৬" সন্তৰ দেশ সচ্চখণ্ড অথৱা সৎলোক হয়, তাকেই সৎনাম-সৎশব্দ-সাৰ শব্দ বুলি কোৱা হয়।

বিশেষ ঃ--ওপৰৰ ব্যাখ্যাৰ পৰা এনে লাগে যেন কোনোৱাই জীৱনত না চহৰ দেখিছে,

## কুলৰ মালীক কোন আৰু কেনেকুৰা?

যি পুণ্যাত্মাই পৰমাত্মাক সাক্ষাৎ পাইছে তেওঁলোকে কৈছে যে কুলৰ মালিক এজন। তেওঁ মানৱ সদৃশ আৰু জ্যোতির্ময় শৰীৰ যুক্ত। যাৰ এডাল নোম ছিদ্ৰৰ ৰশ্মি কোটি সূর্য্য তথা কোটি চন্দ্ৰতকৈও অধিক। তেওঁ নানা ৰূপত পৰমাত্মা পৰমেশ্বৰৰ বাস্তৱিক নাম নিজ নিজ ভাষাত কবীৰদেৱ (বেদৰ সংস্কৃত ভাষাত) আৰু হক্কা কবীৰ (গুৰুগ্রন্থ সাহেব পৃষ্ঠ নং ৭২১ ক্ষেত্রীয় ভাষাত) তথা মুক্তি দাতা কবীৰ (বন্দীছোড় - সন্ত গৰীব দাস মহাৰাজৰ অমৃত বানীত ক্ষেত্রীয় ভাষাত) কবীৰা, কবীৰন বা খবীৰা অথবা খবীৰন্ (কোৰান শ্বৰীফ সুৰত ফুর্কানি নং ২৫, আয়াত নং ১৯, ২১, ৫২, ৫৮, ৫৯ (ক্ষেত্রীয় আৰবী ভাষা)। এই পূর্ণ পৰমাত্মাৰ উপমাত্মক নাম হ'ল অনামী পুৰুষ, অগম পুৰুষ, অলখ পুৰুষ, সৎপুৰুষ, অকাল মূর্তি, শব্দ স্বৰূপী ৰাম, পূর্ণ ব্রহ্ম, পৰম অক্ষৰ ব্রহ্ম আদি। যেনেকুৰা প্ৰধান মন্ত্ৰীৰ বাস্তৱিক শৰীৰৰ নাম এক আৰু তাৰ উপমাত্মক বেলেগ নাম প্ৰধান মন্ত্ৰী তথা প্ৰাইম মিনিষ্টাৰ। যেনেকৈ ভাৰত দেশৰ প্ৰধান মন্ত্ৰী নিজৰ লগতে গৃহ মন্ত্ৰীৰ বিভাগটো ৰাখিলে। যেতিয়া গৃহ বিভাগৰ নথি পত্ৰত চহী কৰিব লগা হয় তেতিয়া তেওঁ গৃহ মন্ত্ৰীৰ ভূমিকা পালন কৰে তথা নিজৰ চহীত গৃহমন্ত্ৰী লিখে এনেদৰে ঈশ্বৰীয় সত্তাক বুজিব লাগে।

যিবিলাক সাধু-সন্তু, ঋষি-মুনিৰ পৰমাত্মা প্ৰাপ্ত হোৱা নাই তেওঁলোকে নিজৰ অন্তিম অনুভৱ লিপিবদ্ধ কৰিছে যে ঈশ্বৰৰ মাথোন প্ৰকাশ হে দেখা পোৱা যায়, ঈশ্বৰে দেখা নিদিয়ে কিয়নো তেওঁৰ কোনো আকাৰ নাই সেয়ে সশৰীৰৰ ভিতৰত ধ্বনি শুনি পোৱা আদি প্ৰভু ভক্তিৰ উপলব্ধি।।

আহক বিচাৰ বিবেচনা কৰো যেনে কোনো অন্ধই আন অন্ধক নিজে দেখা পায় বুলি বুজাই কয় যে ৰাতি জোনাকৰ পোহৰ বৰ মধুৰ, মই দেখা পাওঁ। অন্য অন্ধ শিষ্যই সুধিলে হে গুৰুদেৱ তেন্তে জোনটো কেনেকুৰা ? চতুৰ অন্ধই টপৰাই উত্তৰ দিলে সেই যে জোনতো নিৰাকাৰ তাক কি সহজে দেখা পোৱা যায়। কোনোৱাই কয় সূর্য্যটো নিৰাকাৰ তাক দেখা নাযায় তাৰ ৰশ্মি স্বপ্ৰকাশিত এই কাৰণে তাৰ মাথোন পোহৰে দেখা পোৱা যায়। গুৰুৱে কোৱা অনুসৰি শিষ্য আঢ়ৈ ঘন্টা পুৱা আৰু আঢ়ৈ ঘন্টা বিয়লি আকাশলৈ চায় কিন্তু একো নেদেখে। স্বয়ং বিচাৰ বিমর্শ কৰে যে গুৰুৱে তো শুদ্ধই কৈছে, আমাৰ সাধনা সম্পূর্ণ আঢ়ৈ ঘন্টা পুৱা সন্ধিয়া নোহোৱাৰ বাবে আমি সূর্য্য তথা চন্দ্ৰৰ প্ৰকাশ দেখা নেপাওঁ । চতুৰ গুৰুৰ ব্যাখ্যাৰ ওপৰত আধাৰিত হৈ সেই চতুৰ অন্ধৰ (জ্ঞানহীন) ব্যাখ্যাৰ প্ৰচাৰক কোটি অন্ধ (জ্ঞানহীন) হৈছে। আকৌ সিবিলাকক চকু থকা (তত্ত্বদর্শী সাধু সন্ত)ই কয় যে, সূর্য্যটো আকাৰত আছে আৰু তাৰে পৰাই পোহৰ ওলাই থাকে। এইদৰে জোনাকৰ পৰাও পোহৰ ওলায়। হে অন্ধ সকল! জোনটো নোহোৱাকৈ ৰাতি কেনেকৈ আলোকিত হ'ব ? যেনেকৈ কোনোৱাই কয় টিউব লাইটতো দেখি আকৌ কোনোৱাই কয় টিউবটো কেনেকুৰা যাৰ আপুনি পোহৰ দেখিছে? উত্তৰ পায় যে টিউবটো নিৰাকাৰ হোৱা কাৰণে দেখা নিদিয়ে।মাথোন পোহৰহে দেখা পোৱা যায়। বিচাৰ কৰক বিনা টিউবে পোহৰ কেনেকৈ সম্ভৱ ?

যদি কোনোৱাই কয় হীৰা স্বপ্ৰকাশিত হয়। আকৌ এইটোও কয় যে হীৰাৰ মাথোন পোহৰহে দেখা পোৱা যায় কিয়নো হীৰা নিৰাকাৰ, সেইটো কি সহজে দেখা পোৱা যায়, তেন্তে সেই ব্যক্তিৰ হীৰাৰ লগত পৰিচয় নাই। তেওঁ অজ্ঞানী ধাতুবিধ। যিয়ে পৰমাত্মাক নিৰাকাৰ বুলি কয় আৰু মাথোন প্ৰকাশ দেখা পোৱা আৰু ধ্বনি শুনি পোৱা প্ৰভু প্ৰাপ্তি

বুলি মানে তেওঁ পূৰ্ণ ৰূপ প্ৰভূ তথা ভক্তিৰ লগত অপৰিচিত। যেতিয়া তাক বিনতীৰে সোধা হল যদি তুমি একোৱেই দেখা পোৱা নাই, তেন্তে নিজৰ অনুগত বিলাকক কিয় ভুল ব্যাখ্যা দি দোষৰ ভাগী হৈছা ? আপোনাৰ গুৰুদেৱৰ আৰু আপোনাৰো তত্বজ্ঞান ৰূপী চকু নাই। এই বাবে জগতক ভুল ব্যাখ্যা নিদিব। এই কথাৰ ওপৰত সৰ্ব জ্ঞান ৰূপী চকু থকা অন্ধই লাঠী দাঙি লৈছে যে, আমিতো মিছা তুমি অকলেই সঁচা। আজি সেই স্থিতি সন্ত ৰাম পাল মহাৰাজৰ লগত হৈ আছে।

এই বিবাদৰ নিৰ্ণয় কেনেকৈ হব যে কোন সাধু সন্তৰ বিচাৰ শুদ্ধ আৰু কাৰ ভুল? ধৰি লওক কোনো অপৰাধৰ বিষয়ে পাঁচ উকিলে নিজৰ নিজৰ বিচাৰ যুক্তি ব্যক্ত কৰি আছে। এজনে কৈ আছে যে এই অপৰাধৰ বাবে সংবিধানৰ ধাৰা ৩০১ লাগিব, দ্বিতীয়ই কলে ৩০২ তৃতীয়ই কলে ৩০৪, চতুৰ্থই কলে ৩০৬ তথা পঞ্চম উকিলে কলে ৩০৭ ধাৰাক শুদ্ধ বুলি কলে।

এই পাঁচোজনেই শুদ্ধ নহয়। কেৱল এজনেই শুদ্ধ হব যদি তাৰ ব্যাখ্যা দেশৰ পৱিত্ৰ সংবিধানৰ লগত মিলে। আকৌ যদি তাৰো ব্যখ্যা সংবিধানিক বিপৰীত তেন্তে পাঁচো উকিলৰে ভুল হ'ব। ইয়াৰ নিৰ্ণয় দেশৰ সংবিধানেই কৰিব যি সৰ্বজন মান্য হ'ব। ঠিক এইদৰে ভিন ভিন বিচাৰ ধাৰাৰ ভক্তি সাধনাৰ কোনটো শাস্ত্ৰ অনুকুল অথবা কোনটো শাস্ত্ৰ বিৰুদ্ধ? ইয়াৰ নিৰ্ণয় পৱিত্ৰ সদগ্ৰন্থই কৰিব, যিটো সৰ্বজন মান্য আৰু পুজিত হ'ব। (এই প্ৰমান পৱিত্ৰ শ্ৰীমদভাগৱত গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ বৰ্ণিত আছে)।

যি চকু থকা (পূৰ্ণ সন্ত) ই সূৰ্য্য (পূৰ্ণ পৰমাত্মা)ক দেখিছে সিহঁতৰ ভিতৰত কিছু নাম হল -

(ক) আদৰণীয় ধৰ্মদাস চাহেব (খ) আদৰণীয় দাদু চাহেব (গ) আদৰণীয় মলুক দাস চাহেবজী (ঘ) আদৰণীয় গৰীব দাস চাহেব (ঙ) আদৰণীয় নানক চাহেব (চ) আদৰণীয় ঘীসাদাস চাহেব আদি আদি।

(ক) **আদৰণীয় ধৰ্মদাস চাহেব "কৱীৰ পৰমেশ্বৰ"ৰ সাক্ষী** - আদৰণীয় ধৰ্মদাস চাহেব, বান্ধৱগড় মধ্য প্ৰদেশৰ যি পূৰ্ণ পৰমাত্মক জীৱিত মহাত্মা ৰূপত মথুৰাত দৰ্শন পাইছিল আৰু সৎলোকত দেখিছিল। সৎলোকত দুই ৰূপ দেখুৱাই জীৱিত ৰূপী পূৰ্ণ পৰমাত্মাই সিংহাসনৰ ওপৰত বিৰাজমান হৈছিল আৰু আদৰণীয় ধৰ্মদাস চাহেবক কৈছিল যে মইয়ে কাশীত (বনাৰস) নিৰু নিমাৰ ঘৰলৈ গৈছিলো। তাত শিপিনী সকলৰ হৈ কাম কৰো আদৰণীয় শ্ৰীৰামানন্দ মোৰ গুৰুদেৱ। এই কথা কৈ শ্ৰী ধৰ্মদাস চাহেবৰ আত্মাক তেওঁৰ শৰীৰলৈ উভতাই পঠাই দিয়ে। শ্ৰীধৰ্মদাস চাহেব দুই দিন বেহুচ আছিল। তৃতীয় দিন হুচ (চেতন) অহাত কাশীত বিচাৰ কৰি পালে যে এই কাশীত অহা শিপিনী জনেই পূৰ্ণ পৰমাত্মা (সৎপুৰুষ)। আদৰণীয় ধৰ্মদাস চাহেবে পৱিত্ৰ কবীৰ সাগৰ, কবীৰ সাক্ষী, কবীৰ বীজক নামৰ সদগ্ৰন্থৰ জৰিয়তে চকুৰে দেখা তথা পূৰ্ণ পৰমাত্মাৰ পৱিত্ৰ মুখকমলৰ পৰা ওলোৱা অমৃত বচন ৰূপী বিৱৰণ ৰচনা কৰিছে। সেই অমৃত বাণীত থকা প্ৰমাণ ঃ---

আজ মোহে দৰ্শন দিয়ে জী কবীৰ।। টেক।।
সত্যলোক সে চল কৰ আয়ে, কাটন জম কে জঞ্জীৰ।। ১।।
থাৰে দৰ্শন সে ম্হাৰে পাপ কটত হ্যায়, নিৰ্মল হোৱে জো শৰীৰ।। ২।।
অমৃত ভোজন হমাৰে সৎগুৰুজী মেঁ, শব্দ দুধ কী খীৰ।। ৩।।
হিন্দু কে তুম দেব কহায়ে, মুছলমান কে পীৰ।। ৪।।

দোনো দীন কা ঝগড়া ছীড়গয়া, টোহে না পারে শৰীৰ।। ৫।।
ধৰ্মদাস কী অৰ্জ গোঁসাই, বেড়া লংঘাইয়ো পৰলে তীৰ।। ৬।।

(খ) **আদৰণীয় দাদু চাহেবৰ (অমৃত বাণীত প্ৰমাণ) কবীৰ পৰমেশ্বৰৰ সাক্ষী** - আদৰণীয় দাদু চাহেব যেতিয়া সাত বছৰ বয়সৰ কিশোৰ আছিল তেতিয়া পূৰ্ণ পৰমাত্মাই জীৱিত মহাত্মা ৰূপত লগ দি তথা সত্যলোকলৈ লৈ গৈছিল। তিনি দিনলৈ দাদু চাহেব অচেতন আছিল। চেতন অহাৰ পিছত নিজ চকুৰে দেখা পোৱা কবীৰ পৰমেশ্বৰৰ বহুত মহিমা অমৃত বাণীত উচ্চাৰণ কৰিছিল ঃ-

যিন মোকুঁ নিজ নাম দিয়া, সোই সদগুৰু হমাৰ। দাদু দুসৰা কোই নঁহী, কবীৰ সৃজন হাৰ।।
দাদু নাম কবীৰ কী, যে কোই লেৱে ওঠ। উনকো কবহু লাগে নহী কাল বজ্র কী চোট।।
দাদু নাম কবীৰ কা, সুনকৰ কাঁপে কাল। নাম ভৰোসে যে নৰ চলে, হোৱে ন বাঁকা বাল।।
যো যো শৰন কবীৰ কে, তৰগয়ে অনন্ত অপাৰ। দাদু গুন কী কহে, কহতন আওৱে পাৰ।।
কবীৰ কৰ্তা আপ হ্যায়, দুজা নাহী কোয়। দাদু পুৰন জগত কো, ভক্তি দৃঢ়াৱত সোয়।।
ঠেকা পূৰণ হোয় জব, সব কোই তজৈ শৰীৰ। দাদু কাল গজৈ নঁহী, জপৈ যো নাম কবীৰ।।
আদমী কা আয়ু ঘটে, তব জম ঘেৰে আয়। সুমিৰন কিয়া কবীৰ কা, দাদু লিয়া বচায়।।
মেটি দিয়া অপৰাধ সব, আয় মিলে ছনমাঁহ। দাদু সঙ্গ লে চলে, কবীৰ চৰন কী ছাঁহ।।
সেৱক দেৱ নিজ চৰন কা, দাদু অপনা জান। ভৃঙ্গী সত্য কবীৰ নে, কীনহা আপ সমান।।
দাদু অন্তৰগত সদা, ছিন-ছিন সুমিৰন ধ্যান। বাৰু নাম কবীৰ পৰ, পল-পল মেৰা প্ৰান।।
সুন সুন সাখী কবীৰ কী, কাল নবাৱে মাথ। ধন্য ধন্য তিনলোক মে, দাদু জোড়ে হাথ।।
কেহৰি নাম কবীৰ কা, বিষম কাল গজ ৰাজ। দাদু ভজন প্ৰতাপতে, ভাগে সুনত আৰাজ।।
পল এক নাম কবীৰ কা, দাদু মনচিত লায়। হস্তী কে অশৱাৰ কো, শ্বান কাল নহী খায়।।
সুমৰত নাম কবীৰ কা, কটে কাল কী পীৰ। দাদু দিন দিন উঁচে, পৰমানন্দ সুখ সীৰ।।
দাদু নাম কবীৰ কী, যো কোই লেৱে ওঠ। তিনকো কব না লগই, কাল বজ্ৰকী চোট।।
অউৰ সন্ত কুপ হ্যাঁয়, কেতে ঝৰীতা নীৰ। দাদু অগম অপাৰ হ্যাঁয়, দৰিয়া সত্য কবীৰ।।
অবহী তেৰী সব মিটৈ, জনম মৰন কী পীৰ। স্বাঁস উশ্বাস সুমিৰলে, দাদু নাম কবীৰ।।
কোই সন মে ৰীঝ ৰহা, কোই নিৰ্গুন ঠহৰায়। দাদুগতি কবীৰ কী, মোতে কহী ন জায়।।
জিন মোকু নিজ নাম দিয়া, সোই সৎগুৰু হমাৰ। দাদু দুসৰা কোই নঁহী, কবীৰ সৃজন হাৰ।।

(গ) **আদৰণীয় মলুকদাস চাহেবৰ কবীৰদেৱৰ সাক্ষী** ঃ

৪২ বছৰ বয়সত শ্ৰী মলুকদাস চাহেবজীক পূৰ্ণ পৰমাত্মা কবীৰদেৱে দৰ্শন দিছিল তথা দুই দিনলৈ শ্ৰীমলুক দাস অচেতন অৱস্থাত আছিল। ইয়াৰ পিছত নিম্ন উল্লেখিত বাণী উচ্চাৰণ কৰিছিল -

জপো ৰে মন সৎগুৰু নাম কবীৰ।। টেক।।
জপো ৰে মন পৰমেশ্বৰ নাম কবীৰ।।
এক সময় গুৰু বংশী বজাই কালিন্দ্ৰী কে তীৰ।
সুৰনৰ মুনি থক গয়ে, ৰুক গয়া দৰিয়া নীৰ।
কাঁশী তজ গুৰু মগহৰ আঁয়ে, দোনো দীন কে পীৰ।।
কোই গাঢ়ে কোই অগ্নি জৰায়ে, ঢুণ্ডা ন পায়া শৰীৰ।
চাৰ দাগ সে সৎগুৰু নেয়াৰা, অজৰো অমৰ শৰীৰ।।
দাস মলুক সলুক কহত হ্যাঁয়, খোজো খসম কবীৰ।।

(ঘ) **আদৰণীয় গৰীব দাস মহাৰাজৰ “কৱীৰ পৰমেশ্বৰ”ৰ সাক্ষী -** আদৰণীয় গৰীবদাস চাহেবৰ জন্ম ছুড়ানী, জিলা - ঝজ্জৰ, হাৰিয়ানা বাসী (অমৃত বাণীত প্ৰমাণ) প্ৰভূ কবীৰ (কবীৰদেৱ) দেৱৰ সাক্ষী ঃ-

আদৰণীয় গৰীবদাস চাহেবৰ জন্ম শক ১৭১৭ ত হৈছিল আৰু কবীৰ পৰমেশ্বৰৰ দৰ্শন দহ বছৰ বয়সত নলা নামক খেতি পথাৰত চন ১৭২৭ ত হৈছিল আৰু সৎলোকত বসতি হৈছিল ১৭৭৮ চনত। আদৰণীয় গৰীবদাস চাহেবে কবীৰ পৰমাত্মাৰ দৰ্শন জীৱিত স্বশৰীৰ জিন্দা মহাত্মাৰ ৰূপত হৈছিল। আদৰণীয় গৰীব দাস চাহেবৰ আন আন লগৰীয়াৰ লগত মিলি নলা নামক খেতি পথাৰত গৰু চৰাই আছিল। খেতি পথাৰখন কবলানা গাঁৱৰ সীমাৰ ওচৰতে আছিল। গৰখীয়া বিলাকে জীৱিত মহাত্মা ৰূপী প্ৰকট কবীৰ পৰমেশ্বৰক দেখা পাই অনুৰোধ কৰি কবলৈ ধৰিলে যে আপুনি আহাৰ গ্ৰহণ নকৰে যেতিয়া গাখীৰেই গ্ৰহণ কৰক, কবীৰ পৰমাত্মাই কলে মই নিজৰ সৎলোক গাওঁৰ পৰা আহাৰ খাই আহিছো, আহিলেও অলপ গাখীৰ খাওক। তেতিয়া পৰমেশ্বৰ কবীৰে কলে মই কুমাৰী গাইৰ গাখীৰ পান কৰো। কিশোৰ গৰীব দাসে এজনী কুমাৰী গাই পৰমেশ্বৰ কবীৰৰ ওচৰলৈ আনি কলে দেউ এইজনী পোৱালী নিদিয়া গাই কেনেকৈ গাখীৰ দিব পাৰে ? তেতিয়া কবীৰদেৱে (কবীৰ পৰমেশ্বৰ) কুমাৰী গাই ওহাৰ তলত পাত্ৰ ৰাখি পিঠিৰ ওপৰত আশীৰ্বাদ ভৰা হাত ৰাখিলে, আপোনা আপুনি পোৱালী দামুৰীৰ ওঁহাৰ পৰা গাখীৰ ওলাবলৈ ধৰিলে। পাত্ৰ ভৰি পৰাত বন্ধ হৈ গ’ল। সেই গাখীৰ পৰমেশ্বৰ কবীৰদেৱে পান কৰিলে আৰু প্ৰসাদ ৰূপে বালক গৰীবদাসকো খুৱালে আৰু সৎলোক দৰ্শন কৰোৱালে। সৎলোকত দুই ৰূপ দেখুৱাই আকৌ জীৱিত ৰূপত কুল মালিক হিচাপে সিংহাসনৰ ওপৰত বিৰাজমান হ’ল আৰু কলে যে মইয়ে কাশীত শিপিনীৰ বেশত ১২০ বছৰ লৈ অৱস্থান কৰি আহিছো। মই প্ৰথমেও হজৰত মহম্মদকো লগ কৰি আহিছো। পৱিত্ৰ কোৰান শ্বৰীফত যি কবীৰা, কবীৰন, খবীৰা, খবীৰন, আল্লাহু আকবৰ আদি যি শব্দ আছে সেইবোৰ মোকে বুজায় তথা মইয়ে শ্ৰী নানক দেৱক বেই নদীৰ পাৰত জীৱিত মহাত্মা ৰূপত লগ কৰিছিলো তথা (মুছলমানৰ ভিতৰতো জীৱিত মহাত্মা আছে, তেওঁ কলা বস্ত্ৰ আঠুৰ তললৈকে তথা মুৰত কলা টুপি পিন্ধে) মইয়ে বলখ চহৰত বাদশাহ শ্ৰীঅব্ৰাহীম চুলতান অধমক তথা শ্ৰী দাদুজীকো লগ কৰিছিলো আৰু চাৰিও পৱিত্ৰ বেদত যি কবীৰ অগ্নি, কবিদেৰ (কবিৰংঘাৰীঃ) আদি নাম আছে সেই নামে মোকে বুজায়।কবীৰ বেদ হমাৰা ভেদ হ্যায়, ম্যায় মিলু বেদো সে নাঁহী।। জিন বেদ সে ম্যাঁয় মিলু, ওয়ো বেদ জানতে নাঁহী।।

ভাবাৰ্থ ঃ- কবীৰদেৱে কৈছে যে বেদেই মোৰ ৰহস্য কিন্তু সেই বেদৰ দ্বাৰা মোক নাপায় আৰু যি বেদৰ দ্বাৰা মোক পায় সেই বেদক মানুহে নাজানে। মইয়ে বেদ সৃষ্টি হোৱাৰ আগেয়েও সৎলোকত বিৰাজমান আছিলো।

(গাওঁ-চুড়ানী, জিলা ঝজ্জৰ, হাৰিয়ানা, আজিও সেই স্থানত যত পূৰ্ণ পৰমাত্মা কবীৰদেৱৰ লগত শ্ৰীগৰীবদাস মহাৰাজৰ মানব শৰীৰ আকাৰত সাক্ষাৎ হৈছিল এটা স্মৰণীয় স্মৃতি চিহ্ন বিদ্যমান।) আদৰণীয় গৰীব দাস মহাৰাজৰ আত্মা নিজৰ মুক্তিদাতা কবীৰ পৰমাত্মাৰ লগত গুচি যোৱাৰ পিছত তেওঁক মৃত বুলি জানি চিতাৰ ওপৰত ৰাখি জ্বলাই দিবলৈ ধৰাত, সেই সময়ত আদৰণীয় গৰীব দাস মহাৰাজৰ আত্মাক পুৰ্ণ পৰমেশ্বৰে শৰীৰত প্ৰৱেশ কৰাই দিয়ে। দহ বছৰীয়া বালক গৰীব দাস জীৱিত হৈ উঠে। তাৰ পিছত সেই পূৰ্ণ পৰমাত্মাক নিজৰ চকুৰে দেখা বিৱৰণ নিজৰ অমৃত বাণী

"সদগ্রন্থ" নামৰ গ্ৰন্থত ৰচনা কৰে। সেই অমৃত বাণীৰ প্ৰমাণ ঃ-

অজব নগৰ মে লে গয়া হমকো সৎগুৰু আন। ঝিলকে বিম্ব অগাধ গতি, সুতে চাদৰ তান।।
অনন্ত কোটী ব্ৰহ্মাণ্ড কা এক ৰতি নাহি ভাৰ। সৎগুৰু পুৰুষ কবীৰ হ্যায় কুল কে সৃজন হাৰ।।
গৈবী খেয়াল বিশাল সৎগুৰু অচল দিগম্বৰ থিৰ হায়। ভক্তি হেত কায়া ধৰ আয়ে, অবিগত সৎ কবীৰ হুঁয়।।
হৰদম খোজ হনজ হাজৰ, ত্ৰিবেনী কেতীৰ হ্যাঁয়। দাস গৰীব তবীব সৎগুৰু, বন্দী ছোড় কবীৰ হ্যাঁয়।।
হম সুলতানী নানক তাৰে, দাদু কো উপদেশ দিয়া। জাত জুলাহা ভেদ নহী পায়া, কাশী মাহে কবীৰ হুয়া।।
সব পদবী কে মূল হ্যায়, সকল সিদ্ধি হ্যায় তীৰ। দাস গৰীব সৎপুৰুষ ভজো, অবিগত কলা কবীৰ।।
জিন্দা যোগী জগত গুৰু, মালীক মুৰশদ পীৰ। দহু দীন ঝগডা মড়ৰায়া, পায়া নহী শৰীৰ।।
গৰীব জিস কু কহতে কবীৰ জুলাহা। সব গতি পূৰ্ণ অগম অগাহা।।

ওপৰোক্ত বাণীত গৰীব দাসে স্পষ্ট কৰি দিছে যে কাশীত থকা শিপিনীয়ে মোকো নাম দীক্ষীত কৰি উদ্ধাৰ কৰিলে, এই কাশী বাসী শিপিনীয়েই (সৎপুৰুষ) পূৰ্ণ ব্ৰহ্ম।

পৰমেশ্বৰ কবীৰেই সৎলোকৰ পৰা জীৱিত মহাত্মা ৰূপত আহি মোক অদ্ভুত নগৰ সৎলোকলৈ লৈ গল। যত আনন্দই আনন্দ, একো চিন্তা নাই। জন্মমৃত্যু নাই, অন্য প্ৰাণীৰ শৰীৰত থকা কোনো দুঃখ কষ্ট, শোক আদিও নাই।

এই কাশীৰ শিপিনী ৰূপত অহা সৎপুৰুষে ভিন ভিন সময়ত প্ৰকট হৈ আদৰণীয় শ্ৰী ইব্ৰাহীম চুলতান অধম চাহাবক তথা আদৰণীয় শ্ৰীদাদু চাহেব, আদৰণীয় শ্ৰী নানক দেব চাহেবক সৎনাম দান কৰি উদ্ধাৰ কৰিলে। সিজন কবীৰদেব যাৰ এডাল নোমৰ জ্যোতি কোটি সূৰ্য্যৰ নিচিনা প্ৰকাশ আৰু মানৰ সদৃশ, অতি প্ৰকাশময় নিজৰ বাস্তৱিক শৰীৰৰ ওপৰত অতি কম জ্যোতিৰ চোলা অৰ্থাৎ কম প্ৰকাশময় শৰীৰে আমাৰ এই মৃত্যুলোকত আহি লগ কৰে। কিয়নো সেই পৰমেশ্বৰৰ বাস্তৱিক স্বৰূপৰ প্ৰকাশ জগত বাসীৰ চৰ্ম চকুৰে সহিব নোৱাৰে।

আদৰণীয় গৰীব দাসে নিজৰ অমৃত বাণীত কৈছে যে "সৰ্ব কলা সৎগুৰু চাহেব কী, হৰি আয়ে হৰিয়ানে নুঁ"। ভাবাৰ্থ যে পূৰ্ণ পৰমাত্মা কবীৰ হৰি (কবীৰ দেব) যি ক্ষেত্ৰত আহিছে তাৰ নাম হৰিয়ানা অৰ্থাৎ পৰমাত্মা অহা পৱিত্ৰ স্থল, যি কাৰণে দাঁতি কাষৰিয়া ঠাইক হাৰিয়ানা কবলৈ ধৰিলে। চন ১৯৬৬ পাঞ্জাৱ প্ৰান্ত বিভাজন হোৱাত এই ঠাইৰ নাম হাৰিয়ানা লৈ পৰিবৰ্তিত হল। প্ৰায় ২৩৬ বছৰ পূৰ্বে কোৱা বচন ১৯৬৬ চনত সত্য হল যে সময় আহিলে এই ঠাই হাৰিয়ানা নামে বিখ্যাত হ'ল। যি আজি প্ৰত্যক্ষ প্ৰমাণ।

**আদৰণীয় নানক দেব মহাশয়ৰ দ্বাৰা "গুৰু গ্ৰন্থ চাহেব" ত "কবীৰ পৰমেশ্বৰৰ" প্ৰমাণ**

এই কাৰণে গুৰুগ্ৰন্থ চাহেব ৭২১ অমৃত বাণী মহলা ১ নানক দেবে কৈছে যে - "হক্কা কবীৰ কৰীম তু, বেয়ব পৰবৰদীগাৰ। নানক বুগোয়দ জনু তুৰা, তেৰে চাকৰা পাখাক।"

ইয়াৰ প্ৰমান গুৰু গ্ৰন্থ চাহেবৰ ৰাগ "সিৰী" মহলা ১ পৃষ্ঠা নং ২৪, শব্দ নং ২৯ শব্দ ঃ-

এক সুয়ান দুই সুয়ানী নাল, ভলকে ভোঁকহী সদা বিয়াল
কুড় ছুৰা মুঠা মুৰদাৰ, ধানক ৰূপ ৰহা কৰতাৰ।।১।।
ম্যায় পতী কী পন্দিন, কৰনী কী কাৰ। উহ বিগড়ৈ ৰূপ ৰহা বিকৰাল।।।
তেৰা এক নাম তাৰে সংসাৰ, ম্যায় এহো আস এহো আধাৰ।
মুখ নিন্দা আখা দিন ৰাত, পৰ ঘৰ যোহী নীচ মনাতি।।
কাম ক্ৰোধ তন বসহ চণ্ডাল, ধানক ৰূপ ৰহা কৰতাৰ।। ২।।
ফাহী সুৰত মলুকী বেশ, উহ ঠগবাৰা ঠগী দেশ।।

খৰা সিঁয়ানা বহুতা ভাৰ, ধানক ৰূপ ৰহা কৰতাৰ।। ৩।।।
ম্যাঁয় কীতা ন জাতা হাৰাম খোৰ, উহ কিয়া মুহ দেসা দুষ্ট চোৰ।
নানক নীচ কহ বিচাৰ, ধানক ৰূপ ৰহা কৰতাৰ।। ৪ ।।

**গুৰু গ্ৰন্থ সাহেব, ৰাগ আসাবৰী, মহলা ১ ৰ কিছু অংশ -**

সাহিব মেৰা একো হ্যাঁয়। একো হ্যায় ভাই একো হ্যায়।
আপে ৰূপ কৰে বহু ভাঁতি নানক পুড়া এব কহ।। পৃঃ ৩৫০।।
জো তিন কিয়া সো সচু থীয়া, অমৃত নাম সৎগুৰু দীয়া।। পৃঃ ৩৫২।
গুৰু পুৰে তে গতি মতি পাই। (পৃঃ ৩৫৩)।
বুড়ত জগু দেখিয়া তউ ডৰি ভাগে।
সতিগুৰু ৰাখে সে বড় ভাগে, নানক গুৰু কী চৰনোঁ লাগে।। পৃঃ ৪৩৯।।
ম্যায় গুৰু পুছিয়া অপনা সাচা বিচাৰি ৰাম। (পৃঃ ৪৩৯)

ওপৰোক্ত অমৃত বাণীত শ্ৰী নানকদেৱে স্বীকাৰ কৰিছে যে চাহেব (প্ৰভূ) এজনেই তথা তেওঁৰ যি কোনো মনুষ্য ৰূপত তত্বদৰ্শী সন্তৰ কৰ্তব্য পালন কৰে আৰু সেই পূৰ্ণ গুৰুৰ পৰা তত্বজ্ঞান পাই মোৰ গুৰুদেৱে মোক (অমৃত নাম) অমৰ মন্ত্ৰ অৰ্থাৎ পূৰ্ণ মোক্ষ কবিৰ পৰা নাম উপদেশ দিছে, সেইজনেই মোৰ গুৰু নানা ৰূপ ধাৰণ কৰি লয় অৰ্থাৎ সেইজনেই সৎপুৰুষ সেইজনেই জীৱিত ৰূপ ধাৰণ কৰে, মাতৃৰ পৰা জনম নহয়। তেওঁৱেই শিপিনীৰ ৰূপত কাশীত বিৰাজমান হৈ সাধাৰণ মানুহৰ দৰে অৰ্থাৎ ভকতৰ ভূমিকা পালন কৰে। শাস্ত্ৰ বিৰুদ্ধ পূজা কৰি গোটেই জগত জন্ম-মৃত্যু তথা কৰ্মফল বন্ধনৰ জুইত জ্বলি থকা দেখি জীৱন ব্যৰ্থ হোৱাৰ বাবে ভয় খায় মই গুৰু দেৱৰ চৰণত শৰণ লৈছো।

বলিহাৰী গুৰু আপনে দিউ হাড়ী সদৱাৰ। জিন মানস তে দেবতে কিয়ে কৰত ন লাগী ৱাৰ। আপিনে আপ সাজিও আপিনে ৰচিও নাউ। দুইয়ো কুদৰতি সাজিয়ে কৰি আসনু ডিঠো চাউ। দাতা কৰতা আপি তুঁ তুসি দেবহি কৰহি পসাউ। তু জানই সবসৈ দে লৈ সহি জিন্দ কউ কৰি আসনু ডিঠো চাউ। (পৃঃ৪৬৩)

ভাবাৰ্থ ঃ- পূৰ্ণ পৰমাত্মাই জীৱিত ৰূপত বেই নদীৰ পাৰত আহি অৰ্থাৎ জীৱিত মহাত্মা, স্বয়ং দুই জগতৰ ওপৰত (সৎলোক আদি) তথা তলত (ব্ৰহ্ম আৰু পৰব্ৰহ্ম লোক) সৃষ্টি কৰি ওপৰৰ সত্যলোকত স্ব আকাৰত সিংহাসনত বহি বৰ আগ্ৰহেৰে নিজৰ দ্বাৰা স্ৰজিত জগতক চাই নিজে স্বয়ম্ভু অৰ্থাৎ যিয়ে মাতৃৰ গৰ্ভৰ পৰা জন্ম নলয়। এই প্ৰমাণ পৱিত্ৰ যজুৰ্বেদ অধ্যায় ৪০, মন্ত্ৰ ৮ বৰ্ণিত আছে যে কবীৰ মনীষি স্বয়ম্ভু ঃ পৰিভূ ব্যৱধাতা, ভাবাৰ্থ যে কবীৰ পৰমাত্মা সৰ্বজ্ঞ (মনিষিৰ অৰ্থ সৰ্ব জ্ঞানী) তথা নিজে নিজেই উদ্ভৱ হয়। তেওঁ (পৰিভূ সনাতন অৰ্থাৎ আদি প্ৰভূ। তেওঁ সৰ্ব ব্ৰহ্মাণ্ডৰ (ব্যাবধাতা) ভি ন ভিন অৰ্থাৎ সৰ্বলোক বা ধামৰ সৃষ্টি কৰ্তা বা সৃজন হাৰ।। এহু জিউ বহুতে জনম ভৰমিয়া, তা সতি গুৰু শব্দ শুনাইয়া। (পৃঃ ৪৬৫)

ভাবাৰ্থ ঃ- নানক দেৱে কৈছে যে মোৰ এই জিউ বা আত্মা বহুত সময়ৰ পৰা জন্ম মৃত্যু চক্ৰত ঘুৰিছে এতিয়া পূৰ্ণ গুৰুয়ে বাস্তৱিক নাম প্ৰদান কৰিছে।

শ্ৰী নানক দেৱৰ পূৰ্বৰ জনম সত্যযুগত ৰজা অম্বৰীষ, ত্ৰেতাযুগত ৰজা জনক পিছত আকৌ শ্ৰীনানক দেৱ তথা অন্য যোনীততো জনমৰ হিচাপ নাই।

**প্ৰভু কবীৰে স্বামী ৰামানন্দ দেৱক তত্বজ্ঞান বুজালে**

পণ্ডিত স্বামী ৰামানন্দ দেৱ এজন বিদ্বান পুৰুষ আছিল। বেদ আৰু গীতাৰ জ্ঞানী বুলি জনাজাত আছিল।

## পাঁচ বছৰৰ আয়ুসত ৰামানন্দ দেৱক গুৰু ধাৰন

যি সময়ত পৰমেশ্বৰ কবীৰৰ লীলাময় শৰীৰ পাঁচ বছৰ হ'ল তেতিয়া গুৰু মৰ্য্যাদা অটুট ৰাখিবৰ বাবে লীলা কৰিলে। আঢ়ৈ বছৰ বয়সৰ শিশুৰ ৰূপ ধাৰণ কৰি দোক-মে াকালী আন্ধাৰতেই পঞ্চ গঙ্গা ঘাটৰ খট খটিত শুই থাকিল, তাৰৈ স্বামী ৰামানন্দই দৈনিক প্ৰাত স্নান কৰিবলৈ গৈছিল। শ্ৰী ৰামানন্দ দেৱ চাৰিও বেদৰ জ্ঞাতা আৰু পৱিত্ৰ গীতাৰ সুপ্ৰসিদ্ধ বিদ্বান আছিল। স্বামী ৰামানন্দ দেৱৰ বয়স ১০৪ বছৰ আছিল। আন যি পণ্ডিতে ভণ্ডামী পূজা পাতল চলাই আছিল তেখেতে তাক বন্ধ কৰিছিল। স্বামী ৰামানন্দ দেৱে শাস্ত্ৰ অনুকুল ভক্তি সাধনা উপদেশ দিছিল আৰু গোটেই কাশীত নিজৰ ২৫ টা শিবিৰ আছিল। ৰামানন্দ দেৱে পৱিত্ৰ গীতা আৰু পৱিত্ৰ বেদৰ আধাৰৰ ওপৰত বিধিৱত ভক্তি সাধনা কৈ দিছিল। ওঁ মন্ত্ৰ জপিবলৈ উপদেশ দিছিল।

প্ৰতিদিনৰ দৰে গঙ্গা ঘাটত গা ধুবলৈ গৈছিল তাৰ আগতে ঘাটত আঢ়ৈ বছৰীয়া শিশুৰূপী কবীৰ পৰমেশ্বৰ শুই আছিল। অতি পুৱা ব্ৰহ্ম মুহুৰ্তৰ আন্ধাৰৰ বাবে স্বামী ৰামানন্দই কবীৰ পৰমেশ্বৰক দেখা নাপালে। পৰমেশ্বৰ কবীৰ্দেৱৰ মূৰত ৰামনন্দজীৰ ভৰিৰ খৰম (কাঠেৰে বনোৱা চেণ্ডেল) লাগি গল। কবীৰদেৱে শিশুৰ দৰে কান্দিবলৈ ধৰিলে। স্বামী ৰামানন্দ দেৱে ক্ষিপ্ৰতাৰে হালি দেখিলে যে সচাঁই শিশুটোৰে আঘাত পালে হ'বলা আৰু মৰমেৰে দাঙি ল'লে। সেই সময়তে ৰামানন্দ দেৱে গলত পিন্ধা তুলসীৰ মালা ডাল ওলাই পৰমেশ্বৰ কবীৰদেৱৰ ডিঙিত সুলকি পৰিল, ৰামানন্দই গমেই নাপালে। ৰামানন্দ দেৱে কলে বোপাই ৰাম ৰাম কোৱা। ৰাম নাম ললেই সকলো দুঃখ দুৰ হৈ যায়। কোৱাচোন ৰাম ৰাম কোৱা আৰু শিৰত হাত ৰাখিলে। শিশুৰূপী কবীৰ পৰমেশ্বৰ চুপ হৈ গ'ল। পিচত ৰামানন্দই গা ধুবলৈ নামি গ'ল আৰু ভাবিলে শিশুটিক আশ্ৰমলৈ লৈ যাম। যাৰ হয় তাৰে ওচৰলৈ পঠাই দিম। ৰামানন্দই গা ধুই দেখিলে শিশুটি নাই। কবীৰ পৰমেশ্বৰ তাৰ পৰা অন্তৰ্ধান হৈ নিজৰ জুপুৰীলৈ আহিলে। ৰামানন্দই ভাবিলে শিশু লৰা গুচি গৈছে হবলা, এতিয়া মই তাক কত বিচাৰোঁ ?

## স্বামী ৰামানন্দ দেৱৰ আশ্ৰমত কবীৰ প্ৰভুৰ দুই ৰূপ ধাৰণ লীলা

এদিন স্বামী ৰামানন্দ দেৱৰ কিছুমান শিষ্য কৰবাত সৎসঙ্গ কৰি আছিল। কবীৰ প্ৰভু তাৰৈ গল তেওঁলোকে বিষ্ণু পুৰানৰ কথা ব্যাখ্যা কৰি আছিল। পাঠকে কলে যে শ্ৰী ভ গৱান বিষ্ণুৱে সকলো সৃষ্টিৰ সৃষ্টিকৰ্তা, এওঁ পালন কৰ্তা, এওঁৱেই ৰামকৃষ্ণ অৱতাৰ হৈ অহা পৰম শক্তি, অজৰ অমৰ শ্ৰী বিষ্ণুদেৱৰ কোনো পিতৃ-মাতৃ নাই। কবীৰ প্ৰভুৱে সকলো চৰ্চা শুনিলে। সৎসঙ্গৰ অন্তত কবীৰ প্ৰভুৱে পাঠকক কলে, হে সাধু মই আপোনাক এটা প্ৰশ্ন সুধিব পাৰো নে ? সাধুৱে কলে বোপাই কোৱাচোন কিনো সুধিবা ? তাত কমেও হেজাৰজন শ্ৰোতা ভকত উপস্থিত আছিল। কবীৰ দেৱে কলে যে আপুনি বিষ্ণু পুৰাণৰ পৰা সৎসঙ্গ শুনাই আছে য'ত শ্ৰীবিষ্ণু দেৱেই পৰম শক্তি, এখেতৰ পৰাই ব্ৰহ্মা আৰু শিৱৰ উৎপত্তি হৈছে। সাধুৱে কলে মই যি শুনালো সেইটো বিষ্ণুও পুৰাণত এনেকৈয়ে লিখা আছে। কবীৰদেৱে কলে সাধু মহাশয় মই তো আপোনাৰ পৰা সংশয় নিৰাৰণৰ কাৰণে জানিব খুজিছো, কাবৌ কাকূতী কৰিছো আপুনী খং নকৰিব। এদিন মই শিৱ পুৰাণ শুনিছিলোঁ। তাত সেই মহাপুৰুষে কৈছিল যে ভগৱান শিৱৰ পৰা বিষ্ণুও আৰু ব্ৰহ্মাৰ উৎপত্তি হৈছে (প্ৰমাণ পৱিত্ৰ শিৱ পুৰান, ৰুদ্ৰ সংহিতা, অধ্যায় ৬ তথা ৭, গীতা প্ৰেচগোৰখ পুৰৰ পৰা প্ৰকাশিত) দেৱী ভাগৱতৰ তৃতীয় স্কন্ধত লিখিত আছে যে দেৱী দূৰ্গা এই তিনিও ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ মাতৃ। এওঁলোক তিনিও বিনাশী, অবিনাশী

নহয়। সাধু মহাৰাজ নিৰুত্তৰ হ'ল। লাজে খঙে অধীৰ হৈ কলে তই কোন? কাৰ পুতেক ? কবীৰদেৱে উত্তৰ দিয়াৰ আগতেই আন এজনে কলে, এওঁতো কাপোৰ বোৱা নীৰু শিপিনীৰ পুতেক। স্বামী ৰামানন্দৰ শিষ্যই কবলৈ ধৰিলে, তই কেনেকৈ বৈষ্ণৱ তুলসী মালা ডিঙিত ধাৰণ কৰিছ? (তুলসী মালা ডিঙিত ধাৰণ কৰিলে প্ৰমাণিত হয় যে বৈষ্ণৱ পৰম্পৰা অনুসৰি নাম উপদেশ লৈছে) তোমাৰ গুৰদেৱ কোন ? কবীৰদেৱে উত্তৰ দিলে যে মোৰ গুৰুদেৱ সেইজন, যিজন আপোনাৰো গুৰু। সেই সাধুজনৰ খং উঠিল আৰু কলে হে নিৰ্বোধ। তই অস্পৃশ্য তাঁতীৰ পোৱালী আৰু মোৰ গুৰুদেৱক নিজৰ গুৰু বুলি কোৱা। মোৰ গুৰদেৱৰ বিষয়ে জানানে, তেওঁ কোন ? শ্ৰী শ্ৰী ১০০৮ পণ্ডিত ৰামানন্দ দেৱ আচাৰ্য্য। তই তাঁতীৰ সন্তান, তেওঁ অঞ্জতক কেতিয়াও দৰ্শন নিদিয়ে আৰু তুমি যি কৈ আছা মই তেখেতৰ পৰা নাম উপদেশ লৈছো। চোৱা, হে ভাই ভকত সকল এওঁ মিছলীয়া। এতিয়াই গুৰুদেৱৰ কাষলৈ যাওঁ আৰু সকলো কথা বিতংকৈ কওঁ। তই সৰু জাতিৰ সন্তান হৈ আমাৰ গুৰুদেৱৰ নাক কাটিব বিচৰা। কবীৰদেৱে কলে, ঠিক আছে গুৰুদেৱক কৈ দিয়া। সেই সাধুৱে গৈ ৰামানন্দ দেৱক কলে হে গুৰুদেৱ! এজন তাঁতীৰ লৰাই আমাৰ সকলোৰে নাক কাটিলে। তেওঁ কয় যে স্বামী ৰামানন্দ ম হাৰাজ মোৰো গুৰদেৱ হয়। হে ভগৱান! এতিয়া আমাৰতো বাহিৰলৈ ওলাই যোৱাটো বৰ কঠিন হল। স্বামী ৰামানন্দ দেৱে কলে কালিলৈ পুৱাই তাক মাতি আনা। তেতিয়া চাবা তোমালোকৰ সমুখতেই তাক কিমান শাস্তি দিওঁ।

**স্বামী ৰামানন্দ দেৱক মনৰ কথা কৈ দিয়া**

পিছদিনা পুৱাই পুৱাই দহজন নিৰ্বোধ ব্যক্তিয়ে কবীৰ দেৱক ধৰি আনি শ্ৰী ৰাম ানন্দ দেৱৰ সমুখত হাজিৰ কৰোৱালে। ৰামানন্দদেৱে এইটো দেখুৱাব বিচাৰিছিল যে ম ই কেতিয়াও সৰু জাতিক দৰ্শন নকৰো, এওঁ মিছা কৈছে যে ই মোৰ পৰা দীক্ষা লৈছে সেয়েহে আগফালে পৰ্দা লগাই লৈছে। ৰামানন্দই পৰ্দাৰ সিফালৰ পৰা সুধিলে যে, তই কোন আৰু কি জাতি ? কি মাৰ্গ অৰ্থাৎ কোন পৰমাত্মাৰ পূজা কৰা ? ৰামানন্দ অধিকাৰ শুনি, জুলহা এক জগদীশ।

দাস গৰীব বিলম্ব না, তাহিনৱাবত শীশ ।।৪০৭।।
ৰামানন্দ কুঁ গুৰুকহৈ, তনসৈ নঁহী মিলাত।
দাস গৰীব দৰ্শন ভয়ে, পৈড়ে লগী জুঁলাত।।৪০৮।।
পথ চলত ঠোকৰ লগী, ৰাম নাম কহী দীন।
দাস গৰীব কসৰ নঁহী, সীখ লই প্ৰবীন।।৪০৯।।
আড়া পড়দা লায় কৰি, ৰামানন্দ পুঁজত।
দাস গীব কুঁলগ ছবী, অধৰ ডাক কুদন্ত।।৪১০।।
কৌন জাতিকুল পন্থ হ্যাঁয়, কৌন তুমহাৰা নাম।
দাসগৰীব অধিনগতি, বোলত হ্যায় বলি যাওঁ ।।৪১১।।

**কবীৰ দেৱৰ উত্তৰ :-**

জাতি হমাৰি জগৎগুৰ, পৰমেশ্বৰ পদ পন্থ।
দাস গৰীব লিখতি পৰৈ, নাম নিৰঞ্জন কন্ত।।৪১২।।

**ৰামানন্দই কলে -**

ৰে বালক সুন দুৰ্বুদ্ধি, ঘটমঠতন আকাৰ।
দাসগৰীব দৰদ লগয়া, হো বোলে সৃজন হাৰ।।৪১৩।।

তুম মোমন কে পালৱা, জুলহে কে ঘৰ বাস।
দাস গৰীব অজ্ঞান গতি, এতা দৃঢ় বিশ্বাস।।৪১৪।।
মান বড়াই ছাঁড়ি কৰি বোলো বালক বৈঁন।
দাস গৰীব অধম মুখী, এতা তুম ঘট ফৈন।।৩১৫।।
তর্ক তলুসৈ বোলতৈ, ৰামানন্দ সুৰ জ্ঞান।
দাসগৰীব কুজাতি হ্যায়, আখৰ নীচ নিদান।।৪২৩।।

**কবীৰদেবৰ প্ৰেম পূৰ্বক উত্তৰ :-**

মহকে বদন খুলাস কৰ, মুনি স্বামী প্ৰবীন।
দাস গৰীব মনি মৰৈ, ম্যায় আজিজ আধীন।। ৪২৮
ম্যাঁয় অবিগত গতি সে পৰে, চয়াৰি বেদ সেঁদূৰ।
দাসগৰীব দসোঁদিশা, সকল সিন্ধ ভৰপূৰ।।৪২৯।।
সকল সিন্ধ ভৰপুৰ হুঁ, খালিক হমাৰা নাম।
দাস গৰীব অজাতী হু, তে জুঁ কঁহা বলি জাঁউ।।৪৩০।।
জাতি পাতি মেৰে নঁহী, নহী বস্তী নঁহী গাম।
দাস গৰীব অনিন গতি,নহী হমাৰে নাম।।৪৩১।।
নাদ বিন্দ মেৰে নহী, নহী গুদানহী গাত।
দাস গৰীব শব্দ সজা, নহী কিসি কা সাথ।।৪৩২।।
সব সঙ্গী বিছহী , আদি অন্ত বহু জাঁহি দাস গৰীব সকল বসু,
বাহৰ ভিতৰ মাঁহি ।।৪৩৩।।
এ স্বামী স্ৰষ্টা ম্যাঁয়, সৃষ্টি হমাৰে তীৰ।
দাস গৰীব অধৰ বঁসু, অবিগত সত্য কবীৰ।।৪৩৪।।
পৌহমি ধৰনি আকাশ মেঁ, ম্যায় ব্যাপক ঠৌৰ।
দাস গৰীব ন দুস, হম সমতল নহী অউৰ।।৪৩৬।।
হম দাসন কে দাস হ্যায়, কতা পুৰুষ কৰীম।
দাস গৰীব অবধূত হম, হম ব্ৰহ্মচাৰী সীম।।৪৩৯।।
সুনি ৰামানন্দ ৰাম হম, ম্যাঁয় বাৱন নৰসিংহ।
দাস গৰীব কলী কলী, হমহী সে কৃষ্ণ অভঙ্গ।। ৪৪০।।
হমহী সে ইন্দ্ৰ কুবেৰ হ্যায়, ব্ৰহ্মা, বিষ্ণু মহেশ।
দাসগৰীব অধম ধ্বজা, ধৰণী ৰসাতল যেশ।।৪৪৭।।
শুনি স্বামী সতী ভাখহু, ঝুঁঠ ন হমৰে ৰিঞ্চ।
দাস গৰীব হম ৰূপ বিন, অউৰ সকল প্ৰপঞ্চ ।।৪৫৩।।
গোতা লাউ স্বৰ্গ সে, ফিৰি পেন্টু পাতাল।
গৰীব দাস টুটত ফি হীৰে মানিক লাল।। ৪৭৬।।
ইস দৰিয়া কঙ্কৰ বহুত, লাল কঁহী কঁহী ঠাৱ।
গৰীব দাস মানিক চুগৈ, হম মুৰজীক নাঁৱ।।৪৭৭।।
মুৰজীবা মানিক চুগৈ, কঙ্কৰ পথ্যৰ ডাৰি।
দাস গৰীব ডোৰী অগম, উতৰো শব্দ অধাৰ।।

যদি মোৰ জাতি সুধিছা তেন্তে মই জগৎগুৰু (বেদত লিখিত আছে যে জগগুৰু গোটেই সৃষ্টিৰ জ্ঞান প্ৰদান কৰোতা কবীৰ প্ৰভু) মোৰ মাৰ্গ কি ? (কোন পৰমেশ্বৰৰ মই

মাৰ্গ দৰ্শন কৰাওঁ) ইয়াৰ উত্তৰত কবীৰদেৱে কলে যে মোৰ পৰম পৰমেশ্বৰৰ পথেই মোৰ পন্থ। ঈশ্ব, ঈশ্বৰ, পৰমেশ্বৰ (ব্ৰহ্ম, পৰব্ৰহ্ম, পূৰ্ণব্ৰহ্ম তথা ক্ষৰ পুৰুষ, অক্ষৰ পুৰুষ, পৰম অক্ষৰ পুৰুষ) মই সকলোৰে সৰ্বোচ্চ শক্তি (সুপ্ৰীম পাওৱাৰ) পৰমেশ্বৰৰ মাৰ্গ দৰ্শন কৰাবলৈ আহিছোঁ। যি অনন্ত কোটি ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা আৰু ধাৰক পোষণকাৰী। বেদত যাক কবীৰদেৱ, কবিৰগ্নি আদি নামেৰে সম্বোধন কৰিছে।

ঈশ বা ক্ষৰ পুৰুষ ব্ৰহ্মক কোৱা হয় যি মাথোন একৈশ ব্ৰহ্মাণ্ডৰ গৰাকী পৰব্ৰহ্ম বা অক্ষৰ পুৰুষক ঈশ্বৰ কোৱা হয় যি সাত শংখ ব্ৰহ্মাণ্ডৰ গৰাকী আৰু পৰম অক্ষৰ পুৰুষক পুৰ্ণব্ৰহ্ম বা পৰমেশ্বৰ বুলি কোৱা হয় যি অসংখ্য ব্ৰহ্মাণ্ডৰ স্বামী বা গৰাকী অৰ্থাৎ কুল মালীক আৰু এই বাবে কবীৰদেৱে স্বামী ৰামানন্দক কলে যে মোৰ পন্থ বা মাৰ্গ হল পৰমেশ্বৰ প্ৰাপ্তি বা পূৰ্ণ মোক্ষ প্ৰাপ্তি।

গীতা অধ্যায় ১৫ শ্লোক নং ১৭ লিখা আছে যে বাস্তৱত অবিনাশী পৰমেশ্বৰ আন কোনবা এজন আৰু যি তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে ধাৰণ পোষণ কৰে আৰু সেই অবিনাশী পৰমাত্মাক এই পৰমেশ্বৰ নামেৰে জনা যায়। সেই পৰমেশ্বৰ মই়ে হওঁ। এই কথা শুনি স্বামী ৰামানন্দ বৰ ক্ৰোধিত হ'ল আৰু কলে হে পাষণ্ড! তই নীচ জাতি আৰু সৰু মুখত ডাঙৰ কথা। তই নিজে নিজকে ভগৱান বুলি ভাবিছ। বেয়াকৈ গালি পাৰিলে। কবীৰদেৱে কলে হে গুৰুদেৱ! আপোনি মোৰ গুৰু। আপুনি মোক গালী পৰাত মোৰ আনন্দ লাগিছে। কিন্তু মই আপোনাক কৈছো যে মইপূৰ্ণব্ৰহ্ম ইয়াত তিল মাত্ৰ সংশয় নাই। এই কথা শুনি ৰামানন্দই কলে ৰৈ থাক তোৰ নিস্তাৰ নাই, তই এনে নেমানিবি। মই প্ৰথমে নিজৰ পূজা কৰি লওঁ। ৰামানন্দই শিষ্যবিলাকক কলে ইয়াক বহাই ৰাখা মই প্ৰথমে নিজৰ কিছু নিত্য ক্ৰিয়া কৰ্ম কৰি লওঁ, পিছত ইয়াক মই চাওঁ, ই কিমান পানীৰ মাছ। স্বামী ৰামানন্দই কি ক্ৰিয়া কৰ্ম কৰিছিল ? ভগৱান বিষ্ণুৰ এক কাল্পনিক মূৰ্তি মনতে নিৰ্মাণ কৰি লৈছিল। সমূখত মূৰ্তি দেখা দিয়া যেন লাগিছিল (যেনেকৈ কৰ্মকাণ্ড কৰে, ভগৱানৰ মূৰ্তিক প্ৰথমে নিবস্ত্ৰ কৰি তাক পানীৰে গা ধুৱাই আকৌ পৰিস্কাৰ কাপোৰ পিন্ধাই, গলাত মালা, তিলক, মুকুট আদি পিন্ধোৱা)। ৰামানন্দই কল্পনা কৰিবলৈ ধৰিলে। কল্পনা কৰি ভগৱান বিষ্ণু মূৰ্তি তৈয়াৰ কৰিলে। শ্ৰদ্ধাৰে উদং ভৰিৰে নিজেই গৈ গঙ্গাৰ পৰা পানী আনিলে, এনেকৈ ভাবি ঠাকুৰৰ মূৰ্তিৰ কাপোৰ খুলিলে আৰু গা ধুৱাই নতুন বস্ত্ৰ পিন্ধালে। তিলক দিলে, মুৰত মুকুট পিন্ধাই ডিঙিত মালা পিন্ধাবলৈ পাহৰিলে। মালা ডিঙিত নিপিন্ধালে পূজা আধৰুৱা আৰু মুকুট যদি পিন্ধাই তাক পুনৰাই খোলা অনুচিত। যদি সেইদিনা মুকুট নমোৱা হয় তেন্তে পূজা খণ্ডিত বুলি মনা হয়। স্বামী ৰামানন্দই নিজে নিজক দোষীবলৈ ধৰিলে যে ইমান দিন পাৰ হৈ গ'ল কেতিয়াও জীৱননত এনে ভুল হোৱা নাছিল। হে প্ৰভূ! আজি কিয় মোৰ দৰে পাপীৰ এনে ভুল হল ? যদি মুকুট নমাই লওঁ তেন্তে পূজা খণ্ডিত। তেওঁ ভাৱিলে যি হয় হওক মুকুটৰ ওপৰে মালাখন পিন্ধাই চাওঁ। (কল্পনা কৰি আছে যে সমুখত কোনো মূৰ্তি নাই আৰু পৰ্দা লগোৱা আছে সিফালে কবীৰ পৰমেশ্বৰ বহি আছে।) মুকুটত মালাডাল লাগি গ'ল আৰু ডিঙিৰ ফালে নাযায়। তেতিয়া ৰামানন্দই ভাবিলে এতিয়া কি কৰোঁ ? হে ভগৱান আজিতো মোৰ গোটেই দিন ব্যৰ্থ হৈ গল। আজি ভক্তিৰ পুন্য নষ্ট হৈ গল। (কিয়নো যাৰ পৰমাত্মাৰ প্ৰতি আন্তৰিকতা আছে তাৰ যদি এটা নিত্য নিয়ম বাদ পৰি যায় তেন্তে মনত বৰ দুঃখ লাগি যায়। যেনেকৈ কাৰোবাৰ পকেট কাটিলে টকা হেৰুৱাৰ দুঃখত অনুতপ্ত

হ’ব লাগে। এনেকৈ ঈশ্বৰৰ প্ৰকৃত ভকতৰ এনেকুৱা আন্তৰিকতা থাকে) ইমানতে কবীৰদেৱে কলে যে স্বামীজী মালা গাঠী খুলি দিয়া আৰু ডিঙিত পিন্ধাই দিয়া। আকৌ গাঠী লগাই দিয়া তেন্তে মুকুট খুলিব নালাগিব। এতিয়া ৰামানন্দই মুকট নুখুলে আৰু কেলেইনো গাঁঠী খোলে। কুটীৰৰ সমুখত লগোৱা পৰ্দা নিজ হাতেৰেই খুলি পেলাই দিলে আৰু গোটেই ব্ৰাহ্মন সমাজৰ সমুখত সেই কবীৰ পৰমেশ্বৰক বুকুত আকোৱালি ললে। হে ভগৱান! আপোনাৰ ইমান কোমল শৰীৰ যেনেকুৱা কপাহ আৰু মোৰ শৰীৰ শিলৰ নিচিনা। এফালে প্ৰভুথিয় হৈ আছে আৰু আনফালে জাতি তথা ধৰ্মৰ প্ৰাচীৰ। প্ৰভু প্ৰেমী পুন্যাত্মাই ধৰ্মৰ দেৱালক ভাঙি চিঙি পেলাই প্ৰভুৰ কাষলৈ চাপি যোৱাই শ্ৰেয় বুলি বুজে। ৰামানন্দই তেনে কৰিলে। সমুখত পূৰ্ণ পৰমাত্মাক পাই জাতি, ধৰ্ম, অসুচি নেদেখিলে, প্ৰথমে আত্ম কল্যাণ দেখিলে। ইয়াকে খাটি ব্ৰাহ্মণ বোলে।

বোলত ৰামানন্দজী, হম ঘৰ বড়া সুকাল।
গৰীব দাস পূজা কৰৈ, মুকুট ফহী, জদি মাল।।৪৭৯।।
সেৱা কৰৌ সম্ভাল কৰি, সুনি স্বামী সুৰ জ্ঞান।
গৰীব দাস শিৰ মুকুট ধৰি, মালা অটকি জান।।৪৮০।।
স্বামী ঘুড়ী খোলি কৰি, ফিৰি মালা গল ডাৰ।
গৰীব দাসই ভজন কুঁজানত হ্যায় কৰতাৰ।।৪৮১।।
ডউঢ়ী পড়দা দুৰি কৰি,লীয়া কণ্ঠ লগায়।
গৰীব দাস গুজৰী বৌহত,বদনৈ বদন মিলায়।। ৪৮২।।

স্বামী ৰামানন্দ দেৱে কলে হে প্ৰভু কবীৰ আপুনি কেলেই মিছা কলে ? কবীৰ দেৱে কলে - কেনে মিছা স্বামীজী ? ৰামানন্দই কলে যে আপুনি মোৰ পৰা নাম উপদেশ লৈছে। আপুনি মোৰ পৰা কেতিয়া নাম উপদেশ ল’লে ? কবীৰদেৱে কলে এসময়ত আপুনি গা ধুবলৈ পঞ্চ গঙ্গা নদীৰ ঘাটলৈ গৈছিল। মই তাত ঘাটৰ ওপৰত শুই আছিলো। আপোনাৰ ভৰিৰ পাদুকা মোৰ ভৰিত লাগিছিল তেতিয়া আপুনি কৈছিল বোপাই ৰাম নাম লোৱা। ৰামানন্দ দেৱে হয় বুলি কলে, এতিয়া মনত পৰিছে, কিন্তু সিজন তো বহুত সৰু শিশু আছিল। (কিয়নো সেই সময়ত পাঁচ বছৰ বয়সৰ শিশু বৰ ডাঙৰ হৈ গৈছিল তথা পাঁচ বছৰৰ বয়সৰ শিশুৰ শৰীৰ আৰু আঢ়ৈ বছৰৰ বয়সৰ শিশুৰ শৰীৰৰ মাজত দু গুণ পাৰ্থক্য থাকি যায়।) কবীৰদেৱে কবলৈ ধৰিলে স্বামীজী চোৱা মই এনেকুৱাই আছিলো। স্বামী ৰামানন্দ দেৱৰ সমুখত থিয় হৈ আছে আৰু এজন আঢ়ৈ বছৰ বয়সীয়া অইন শিশু ৰূপ ধৰি কোনো সেৱকৰ বিছনাৰ ওপৰত বিৰাজমান হৈ আছে। এতিয়া ৰামানন্দই ছয় বাৰ সিফালে আৰু ছয় বাৰ ইফালে চাবলৈ ধৰিলে। আকৌ চকু মেলি ভালকৈ চাই যাতে ঠগ নাখায়। এনেকৈ দেখি থাকোতেই কবীৰদেৱৰ সৰু শিশুৰ ৰূপ উঠি আহি ডাঙৰ কবীৰদেৱৰ শৰীৰৰ লগত মিলি গ’ল। পাঁচ বছৰৰ বয়সৰ স্বৰূপত কবীৰ দেৱ ৰৈ গ’ল।

মনকী পূজা তুম লখী, মুকুটমাল পৰৱেশ।
গৰীব দাস গতি কো লখৈ, কৌনবৰন কেয়া ভেশ।।৪৮৩।।
ইয় তো তুম শিক্ষা দেই, মানিলহ মন মোৰ।
গৰীবদাস কোমল পুৰুষ, হমৰা বদন কঠোৰ।।৪৮৪।।

তেতিয়া ৰামানন্দ দেৱে কলে যে মোৰ মনৰ সংশয় দূৰ হ’ল। হে পৰমেশ্বৰ আপোনাক কেনেকৈ চিনিব পাৰি ? আপুনি কোন জাতি তথা কোন বেশ ভূষাত থিয় হয় কোনো

ঠিকনা নাই। মই নির্বোধ প্রাণী আপোনাৰ লগত বাদ বিবাদ কৰি দোষৰ ভাগী হলো, ক্ষমা কৰিব পূৰ্ণ পৰমেশ্বৰ কবীৰদেব, মই আপোনাৰ অপৰিচিত বালক।

**স্বামী ৰামানন্দ দেবৰ সৎলোক দৰ্শন**

সুনিবচ্চাম্যায় স্বৰ্গা কী ক্যায়সেঁছাঁড়োঁৰীতি। গৰীব দাস গুৰী লগী,জনম জাত হ্যায় বীত ।।৪৮৬।।
চ্যাৰি মুক্তি বৈকুণ্ঠ মেঁ, জিন কী মোঁৰে চাহ গৰীব দাস ঘৰ অগম কী,ক্যায়সে পাঁউ থাহ।।৪৮৭।।
হেমৰূপহ ধৰনী হ্যায়,ৰন জোড়েবহ শোভ। গীব দাস বৈকুণ্ঠ কু তনমন হমৰা লোভ ।।৪৮৮।।
শংখ চক্ৰ গদ পদময়, মোহন মদন মুৰাৰি। গৰীব দাস মুৰলী বজৈ, সুৰগ লোক দৰবাৰী।।৪৮৯।।
দুধো কী নদীয়া বগৈ, সেত বৃক্ষ সুভান। গৰীবদাস মদল মুক্তি, সুৰগা পূৰ অস্থান।।৪৯০।।

ৰতন জড়াউ মনুষ্য হ্যায়, গন গন্ধৰ্ব সব দেব।
গৰীব দাস উস ধাম কী ক্যায়সে ছাঁড়ু সেব।। ৪৯১।।
ঋগ,জুযু সাম অথৰ্বন,গাওঁৰে চাৰো বেদ।
গৰীব দাসঘৰ অগম কী,ক্যায়সে জানো ভেদ।।৪৯২।।
চ্যাৰি মুক্তি চিতবন লগী,ক্যায়সে বঁঞ্চু তাহি।
গৰীব দাস গুপ্তাৰ গতি, হমকৌ দৌ সমঝায়।।৪৯৩।।
সুৰগ লোক বৈকুণ্ঠ হ্যায়, এয়াসে পৰৈ ন অউৰ।
গৰীব দাস ষটশাস্ত্ৰ, চ্যাৰি বেদকি দৌৰ।। ৪৯৪।।
চাৰি বেদগাঁবে তিৰ্সৈ, সুৰনৰ মুনি মিলাপ।
গৰীব দাস ধ্ৰব পোৰ জিস, মিটি গয়ে তিনে তাপ।।৪৯৫।।
প্ৰহ্লাদ গয়ে তিস লোককুঁ, সুৰগা পুৰী সমুল।
গৰীব দাস হৰি ভক্তি কী, ম্যায় বঁচত ধুল।।৪৯৬।।
বৃন্দাবন গয়েতিস লোককুঁ, সুৰগাপুৰীসমুল।
গৰীব দাস উস মুক্তি কুঁ, ক্যায়সে জাঁউ ভূল।।৪৯৭।।
নাৰদ ব্ৰহ্মা তিস ৰটেঁ, গাৱেঁ শেষ গনেশ।
গৰীব দাস বৈকুণ্ঠ সেঁ অউৰ পৰৈ কো দেশ।। ৪৯৮।।
সহংস অঠাসী জিস জপৈ, অউ তেঁতিসো স্বে।
গৰীব দাস জাসৈপৰৈ, অউৰ কৌন হায ঘে।।৪৯৯।।
সুনি স্বামী নিজমূল গতি, কহিসমঝাঁউ তোহি।
গৰীব দাস ভগৱান কুঁ ৰাখ্যা জগত সমোহি।। ৫০০।।
তিন লোক কে জীৱ সব, বিষয় বাস ভৰমায়।
গৰীব দাস হমকু জপৈ, তিসকু ধাম দিখায়।।৫০১।।
জো দেখেগা ধামকু সো জানত হ্যায় মুঝ।
গৰীব দাস তোসৈ কহুঁ, শুনি গায়ত্ৰী গুঝ ।। ৫০২।।
কৃষ্ণ বিষ্ণু ভগৱান কুঁ জহৰায়ে হ্যায় জীব।
গৰীব দাস ত্ৰিলোক মেকাল কৰ্ম শিৰ শীব।। ৫০৩।।
শুনি স্বামী তোসৈক, অগম দীপকী সৈল।
গৰীব দাস পুঠেপৰে, পুস্তক লাদে বৈল।।৫০৪।।
পৌহমী ধৰণী আকাশ থম্ভ, চলসী চন্দৰ সুৰ।
গৰীবদাসৰজ বিৰজকী, কঁহাৰহেগী ধুৰ।।৫০৫।।
তাৰায়ন ত্ৰিলোক সব, চলসী ইন্দ্ৰ কুবেৰ।

গৰীবদাস সব জাত হ্যায়, সুৰগ পাতাল সুমেৰ।।৫০৬।।
চাৰিমুক্তি বৈকুণ্ঠবট, ফনা কোইৰাৰ।
গৰীব দাস অলপৰূপমঘ, ক্যায়া জানৈ সংসাৰ।। ৫০৭।।
কহো স্বামী কিতৰহোগে, চৌদা ভূৱন বিহঙ্গ।
গৰীব দাসবীজককহয়া, চতল প্ৰান অউৰ পিণ্ড।। ৫০৮।।
শুন স্বামী একশক্তি হ্যায়, অৰধঙ্গী ওঁকাৰ।
গৰীব দাসবীজক তহাঁ, অনন্ত লোক সিঙ্গাৰ।।৫০৯।।
জৈসেকা তৈসা ৰহৈ, পৰলো ফনা প্ৰান।
গৰীবদাস উস শক্তি কুঁ, বাৰ বাৰ কুৰবান।। ৫১০।।
কোটী ইন্দ্ৰব্ৰহ্ম জঁহা, কোটীকৃষ্ণ কৈলাশ।
গৰীব দাস শিৰ কোটী হ্যাঁয়, কৰোঁ কৌনকি আস।।৫১১।।
কোটি বিষ্ণু জহাঁ বসত হ্যায়, উস শক্তি কে ধাম।
গৰীব দাস গুলবহুত হ্যায়, অলফ বস্তু নিষ্কাম।।৫১২।।
শিৰশক্তিজাসেহুয়ে,অনন্ত কোটী অৱতাৰ।
গৰীব দাসউস অলফলখৈ সো হোয়কৰতাৰ।। ৫১৩।।
অলফ হমৰা ৰূপ হ্যায়, দম দেহী নহী দন্ত
গৰীব দাস গুলসৈ পৰৈ, চলনা হ্যায় বিন পন্থ।। ৫১৪।।
বিনা পঁথউসকঁতকে, ধাম চলন হ্যায় মোৰ।
গৰীব দাসগতিনা কিসি,শংখ সুৰগ পৰ ডোৰ।। ৫১৫।।
শংখসুৰগ পৰ হম বসেঁ, শুনি স্বামী ইয সেন।
গীব দাস হম অলফ হ্যায়,ইয়হ গুল ফোকট ফেন।।৫১৬।।
যো তৈ কহয়া সৌ ম্যায় লহয়া, বিন দেখে নহী ধীজ।
গৰীব দাস স্বামী কহে, বঁ অলফ বৌবীজ ।।৫১৭।।
অনন্ত কোটীব্ৰহ্মাণ্ড ফন, অনন্ত কোটী উদগাৰ।
গৰীব দাস স্বামী কহে,কঁহা অলফ দীদাৰ।।৫১৮।।
হদ বেহদ কহী, না কহী না থৰপী ঠৌৰ।
গৰীব দাস নিজ ব্ৰহ্মকী কৌন ধাম উৱ পৌৰ।।৫১৯।।
চল স্বামী স্বৰপৰ চলে, গঙ্গতীৰ সুন জ্ঞান।
গৰীব দাস বৈকুণ্ঠ বট, কোটী কোটী ঘট ধ্যান।।৫২০।।
তাহাঁ কোটী বৈকুণ্ঠ হ্যায়,নক সৰবৰ সঙ্গীত।
গৰীব দাস স্বামী শুনৈ, জাত অনন্ত জুগবীত।।৫২১।।
প্ৰান পিণ্ড পুৰমে ধসৌ,গয়েৰামানন্দ কোটী।
গৰীব দাস সৰ সুৰ মেৰহো শব্দকী ওট।। ৫২২।।
তহা উহাঁ চিত চক্ৰীত ভয়া, দেখি ফজল দৰৱাৰ।
গৰীব দাস সিজদাকিয়া, হম পায়ে দীদাৰ।।৫২৩।।
তুম স্বামী ম্যায়বাল বুদ্ধি, ভৰ্মকৰ্ম কিয়েনাশ।
গৰীব দাস নিজব্ৰহ্ম তুম, হমৰে দৃঢ় বিশ্বাস।।৫২৪।।
সুন্ন-বেসুন্ন সেতুমপৰৈ,উৰৈ সে হমৰেতীৰ।
গৰীব দাস সৰবঙ্গ ম্যাঁয়, অবিগত পুৰুষ কবীৰ।।৫২৫।।

কোটী কোটী সিজদেকৰৈ, কোটী কোটী প্ৰনাম।
গৰীব দাস অনহদঅধৰ,হমপৰসেতুম ধাম।।৫২৬।।
শুনি স্বামী একগল গুজ, তিল তীপল জোৰী।
গৰীব দাস সৰ গগন মেঁ, সুৰজ অনন্তকৰোৰী।।৫২৭।।
শহৰ অমান অনন্তপুৰ, ৰিমঝিম ৰিমঝিম হেয়।
গৰীব দাস উসনগৰ কামৰমনা জানৈ কোয়।।৫২৮।।
শুনি স্বামী কায়সেলখৌ,কহিসমঝাউ তোহি।
গৰীব দাস বিন পৰ উঁড়ে, তন মন শীশ ন হেয়।।৫২৯।।
ৰবনপুৰী এক চক্ৰ হ্যায়, তঁহা ধনজয় বায়।
গৰীব দাস জীতে জন্ম, য়াঁকু লেত সমায়।। ৫৩০।।
আশন পদম লগায়ক, ভিৰঙ্গনাদ কো খেচি।
গৰীবদাস অচবন কৰৈ, দেবদত্ত কৌচি। ৫৩১।।
কালী উন কুলীন ৰং, জাকে দো ফুন ধাৰ।
গৰীব দাস কুৰম্ভ শীৰ, তাস কৰে উদগাৰ।।৫৩২।।
চিস্মে লাল গুলাল ৰং,তিনি গিৰহ নভ পেঁচ।
গৰীব দাস উনাগনীকুঁ, হোনে ন দেবে ৰেচ।।৫৩৩।।
কুম্ভক ৰেচকসব কৰে, উন কৰত উদগাৰ।
গৰীব দাস উসনাগনী কুঁ জীতে কোইখিলাৰ।।৫৩৪।।
কুম্ভ ভৰৈ ৰেচককৰৈ, ফি টুটত হ্যায় পৌন।
গৰীব দাস গগন মণ্ডল,নহী হোত হ্যায় ৰৌন।।৫৩৫।।
আগে ঘাটীবন্ধ হ্যায়, ইঙ্গলা-পিঙ্গলা দোয়।
গৰীব দাস সুষমন খুলে, তাস মিলাৰা হোয়।।৫৩৬।।
জিউকাঁ তিউহীঁ বৈঠিৰহে, তজিআসন সব যোগ।
গৰীব দাস পলবীচপদ, সৰ্বসৈল সব ভোগ।।৫৪৭।।
কোটী কোটী বৈকুণ্ঠ হ্যায়, কোটী কোটী শিৰ শেষ।
গৰীব দাস উস ধাম ঘেঁ,ব্ৰহ্ম কোটী নৰেশ।৫৫৩।।
অবাদান অমান পুৰ, চলি স্বামী তহা চাল।
গৰীব দাস পৰলো অনন্ত, বৌহৰি ন ঝম্পে কাল।।৫৫৪।।
অমৰ, চীৰ তহাঁ পাহাৰি অমৰ হংস সুখ ধাম।
গৰীৰ দাস ভোজন অজৰ, চল স্বামী নিজ ধাম।।৫৫৫।।
বোলতৰামানন্দজী, শুন কবীৰ কৰতাৰ।
গৰীব দাস সব ৰূপ মেঁ, তুমহী বোলন হাৰ।। ৫৫৬।।
তুম সাহিব তুম সন্তহৌ, তুম সৎগুৰু তুম হংস।
গৰীব দাস তুমৰূপ বিন অউৰ ন দুজা অংশ।৫৫৭।।
ম্যায় ভক্তা মুক্তা ভয়া, কিয়া কৰ্ম কুন্দ নাশ।
গৰীব দাস অবীগত মিলে, মেটীমন কী বাস।।৫৫৮।।
দোহঁ ঠৌৰ হ্যায় এক, ভয়া এক সে দোয়।
গৰীব দাসহম কাৰনৈ,উতৰে হ্যায় মঘ জোয়।।৫৫৯।।
গোষ্টী ৰামানন্দ সৈ, কাশী নগৰ মঞ্জাৰ।

গৰীব দাস জিন্দ পীকে, হম পায়ে দীদাৰ।।৫৬২।।
বোলৈ ৰামানন্দজী, শুনো কবীৰ সুভান।
গৰীব দাসমুক্তা ভয়ে, উধৰে পিণ্ড অৰু প্ৰান।। ৫৬৭।।

কবীৰদেবে স্বামী ৰামানন্দ দেৱক সুধিলে যে স্বামীজি আপুনি কি পূজা কৰে?স্বামী ৰামানন্দই কলে, মই বেদ আৰু গীতা অনুসৰি সাধনা কৰো কবীৰ পৰমেশ্বৰে কলে বেদ আৰু গীতাৰ আধাৰত ভক্তি সাধনা কৰি কোন লোকলৈ যাব ? স্বামী ৰামানন্দই কলে স্বৰ্গত যাম। কবীৰদেৱে কলে স্বৰ্গলৈ গৈ কি কৰিবঃ ৰামানন্দই কলে তাত বহুত মৰমৰ ভগৱান বিযুক্ত আছে তাৰ দৰ্শন কৰিম। তাত একো চিন্তা নাই, নাই দুঃচিন্তা, আছে গাখীৰৰ নৈ, ফলে ফুলে উভৈনদী বাগান, মই তাত শান্তিৰে থাকিম। পৰমেশ্বৰ কবীৰদেবে কলে যে স্বামীজী তাত কিমান দিন বাস কৰিব ? (বিদ্যান ব্যাক্তি তেখেতৰ জ্ঞান আছিল। দুই মিনিটতে বুজি পালো।)

ৰামানন্দই কলে, মোৰ ভক্তি সাধনাৰ যিখিনি পুন্য আছে তাৰে সিমান দিনলৈ থাকিব পাৰিম। কবীৰ দেবে কলে, আকৌ পিছত কলৈ যাব ? ৰামানন্দই কলে নেজানো কৰ্মাধাৰৰ ওপৰত কত আৰু কোন যোনীত জন্ম হ’ব ? কবীৰ দেবে কলে স্বামীজী এনে ভক্তি সাধনা আপুনি অসংখ্য বাৰ কৰিছে। ইয়াৰ দ্বাৰা জীৱৰ মুক্তি নহয়। আপুনি বিষ্ণুদেবৰ সাধনা কৰি স্বৰ্গলোকলৈ যাব খোজে। যি সাধকে ব্ৰহ্ম সাধনা কৰি ব্ৰহ্মলোকলৈ যায় তেওঁলোকেও জন্ম মৃত্যুৰ চক্ৰত থাকিবলগীয়া হয় কিয়নো এদিন মহাস্বৰ্গ যি ব্ৰহ্মলোকত সৃজন হৈছে সেইবোৰ শেষ হৈ যাব। গীতা অধ্যায় ৮, শ্লোক নং ১৬ ৰ ভিতৰত বৰ্ণিত আছে। স্বামী ৰামানন্দ বিদ্বান পুৰুষ আছিল শ্লোক সমূহ আঙুলীৰ মূৰত আছিল। স্বামীজীয়ে কলে আপুনি ঠিকেই কৈছে এনেকুৱাই লিখা আছে। কবীৰদেবে কলে এতিয়া কওক ক’ত থাকিব ? নে আপোনাৰ শ্ৰীকৃষ্ণ মুৰাৰী থাকিব আৰু এই ব্ৰহ্মালোক, বিষ্ণুলোক আদিৰ সৰ্বপ্ৰাণী তথা শিৱলোক আদিৰ তিনিও দেৱতাও নষ্ট হৈ যাব। আকৌ তেতিয়া ক’ত থাকিব গুৰুদেৱ ? পিছত ৰামানন্দই বিচাৰ কৰি বিমৰ্শ হ’ল। কবীৰ পৰমেশ্বৰে সুধিলে স্বামী গীতাৰ জ্ঞান কোনে কৈছে ? স্বামী ৰামানন্দই উত্তৰ দিলে শ্ৰীকৃষ্ণই কৈছে। পৰমেশ্বৰ কবীৰ দেবে কলে স্বামীজী সংক্ষিপ্ত মহাভাৰত দ্বিতীয় খণ্ড (পৃষ্ঠা ১৫৩১ পুৰণি তথা ৬৬৭ নতুন) লিখিত আছে শ্ৰীকৃষ্ণদেবে কৈছে হে অৰ্জুন! এতিয়া মোৰ সেই গীতাৰ জ্ঞান স্মৰণ নাই, মই পুনৰায় সেই জ্ঞান শুনাব নোৱাৰো। পৰমেশ্বৰ কবীৰদেবে সকলো প্ৰমাণ দেখুৱালে।

গীতা অধ্যায় ৮ শ্লোক ১৩ গীতা জ্ঞান দাতা (ব্ৰহ্ম) কৈছে যে -

ওম্ ইতি একাক্ষৰম্ ব্ৰহ্ম, ব্যৱহাৰন মাম্ অনুস্মৰণ,
য়ঃ প্ৰয়াতি ত্যাজন্ দেহম্ সঃ য়াতি পৰমাম্ গতিম্।।১৩।।

ভাবাৰ্থ - গীতা কোৱা ব্ৰহ্ম অৰ্থাৎ কালে কৈ আছে যে (মাম্ ব্ৰহ্ম) মোৰ ব্ৰহ্মৰ তো (ইতি) এইটো (ওম্ একাক্ষৰম্) ওম/ওঁ এক অক্ষৰ (ব্যৱহাৰণ) উচ্চাৰণ কৰি (অনুস্মৰণ) স্মৰণ কৰি (য়ঃ) যি সাধকে (ত্যাজন্ দেহম) দেহ ত্যাগ কৰে অৰ্থাৎ অন্তিম শ্বাস লৈ (প্ৰয়াতি) স্মৰণ সাধনা কৰে (সঃ) সেই সাধকে মোৰে (পৰমাম গতিম) পৰম গতি (য়াতি) প্ৰাপ্ত হয়।

ভাবাৰ্থ ঃ- এয়ে যে শ্ৰী কৃষ্ণৰ শৰীৰত ব্ৰহ্মই প্ৰেতৱত প্ৰৱেশ কৰি অৰ্থাৎ হাজাৰ বাহু থকা জ্যোতি নিৰঞ্জন কালে কৈছে যে মোৰ ব্ৰহ্মৰ সাধনা কেৱল এক ওম (ওঁ) নামৰ দ্বাৰা মৃত্যু পৰ্য্যন্ত কৰা সাধকে মোকেই প্ৰাপ্ত হয়, অন্য কোনো মন্ত্ৰত

মোৰ ভক্তি নাই।

গীতা অধ্যায় ৮ শ্লোক ৫, ৭ তথা ১৩ গীতা জ্ঞান দাতাই নিজৰ বিষয়ে সাধনা কৰাক লৈ কৈছে যে যি ওম (ওঁ) নামেৰে জীৱনৰ শেষ সময়লৈ মোৰ ভক্তি কৰে, তেওঁ মোকেই পায়। গতিকে তুমি যুদ্ধও কৰা, মোৰ ওম নামৰ উচ্চাৰনো কৰা কিয়নো যুদ্ধ চিঞৰ বাখৰ কৈ কৰিব লাগে। এই বাবে কোৱা হৈছে ওম (ওঁ) নামৰ উচ্চাৰণ কৰি তথা স্মৰণ কৰি যুদ্ধ কৰা।

আকৌ গীতা অধ্যায় ৮ শ্লোক ৬ কোৱা হৈছে যে যিয়ে যি প্ৰভুক জীৱনৰ অন্তিম সম য়লৈকে স্মৰণ কৰি দেহ ত্যাগ কৰে, তেওঁ তাকেই প্ৰাপ্ত হয় বা তাৰ ধামলৈ গতি কৰে। গীতা জ্ঞান দাতা প্ৰভু গীতা অধ্যায় ৮, শ্লোক ৮ পৰা ১০ লৈ তিনিও শ্লোকত ব্ৰহ্মতকৈ অন্য পূৰ্ণ পৰমাত্মা (পৰম দিব্য পুৰুষ পৰমেশ্বৰ অৰ্থাৎ পূৰ্ণব্ৰহ্ম) ৰ বিষয়ে কৈছে যে যদি কোনোৱাই তেওঁৰে ভক্তি সাধনা কৰি যদি দেহ ত্যাগ কৰে তেন্তে সেই ভক্তাত্মাই পূৰ্ণ পৰম াত্মা (পৰমেশ্বৰ)ক প্ৰাপ্ত হয়। তাৰ দ্বাৰাই পূৰ্ণ মোক্ষ তথা সত্যলোক প্ৰাপ্তি তথা পৰম শান্তি প্ৰাপ্ত হয়। গতিকে সেই পৰমেশ্বৰৰ শৰণলৈ যোৱা কিয়নো মইয়ো তেওঁৰে শৰণাগত। (গীতা অধ্যায় ১৮ শ্লোক ৬২-৬৬ তথা অধ্যায় ১৫ শ্লোক ৪ গীতা জ্ঞান দাতা ব্ৰহ্মৰ উক্তি।)

স্বামী ৰামানন্দই সকলো প্ৰমাণ নিজৰ চকুৰে চাই হতভম্ভ হ'ল তথা সত্য স্বীকাৰ কৰিলে, কলে, হে বোপাই, শাস্ত্ৰৰ কথা তুমি সঁচাই কৈছা। আমাক কোনেও এনে জ্ঞান দিয়া নাই এতিয়া আমি কি কৰো ? কবীৰদেবে কলে যে পৱিত্ৰ গীতাত লিখা আছে। অষ্টম অধ্যায়ৰ শ্লোক নং ৮-৯, ১০ আৰু অধ্যায় নং ১৮ৰ শ্লোক নং ৬২ পঢ়ি চাওক।

পৱিত্ৰ গীতা আৰু বেদ কোৱা ব্ৰহ্মই (কাল) কৈছে যে হে অৰ্জুন! তুমি সেই পৰম পৰমাত্মাৰ শৰণলৈ যোৱা তোমাৰ মৃত্যু নহব। তাৰ বাবে (অধ্যায় নং ৪ শ্লোক নং ৩৪) সেই সাধু সন্তক বিচাৰ কৰি উলিওৱা যিয়ে সেই পূৰ্ণ পৰমাত্মাৰ পৰম তত্ত্ব জানে। তেওঁক বিনম্ৰ আৰু অকপট ভাৱে দণ্ডৱত প্ৰণাম কৰি সৎকাৰ কৰিবা। যেতিয়া সেই সন্তই প্ৰসন্ন হ'ব পিছত নাম দীক্ষা বিচাৰিবা। আকৌ তোমাৰ পূণৰ্জন্ম বা মৃত্যু নহয়। পৱিত্ৰ গীতা অধ্যায় ১৫ শ্লোক ১-৪ বৰ্ণিত আছে যে এই ওলোটাকৈ ওলোমাই থোৱা সংসাৰ ৰূপী আঁহত বৃক্ষ যাৰ ওপৰত মূল শিপা ৰূপী আদি পুৰুষ অৰ্থাৎ সনাতন পৰমাত্মা আৰু তলত তিনি গুন (ৰজগুন ব্ৰহ্মা, সৎগুন বিষ্ণু, তমগুন শিৱ ৰূপী শাখা আছে। এই পূৰ্ণ সংসাৰ ৰূপী বৃক্ষ অৰ্থাৎ পূৰ্ণ সৃষ্টিৰ ৰচনাক মই (কাল/ব্ৰহ্ম) সম্যক ৰূপে নাজানো। এইটো বৰ্তমান অৱস্থাত অৰ্থাৎ গীতাৰ জ্ঞান মই আপোনাক পূৰ্ণ জ্ঞান দিব নোৱাৰো। তাৰ বাবে কোনো তত্বদৰ্শী সাধু সন্তক বিচাৰি উলিওৱা। (গীতা অধ্যায় ৪ মন্ত্ৰ ৩৪) পিছত তেওঁ আপোনাক সৰ্ব সৃষ্টি তত্ত্বৰ জ্ঞান তথা সকলো প্ৰভু/ঈশ্বৰ আদিৰ স্থিতি আৰু পৰিস্থিতিৰ শুদ্ধ জ্ঞান কৈ দিব। তাৰ পিছত সেই পৰম পদ পৰমেশ্বৰৰ বিচাৰ কৰা উচিত যলৈ গলে সাধকৰ আকৌ জন্ম আৰু মৃত্যু নহয়, অৰ্থাৎ পূৰ্ণ মুক্তি হয়। যি পৰমেশ্বৰে সংসাৰ ৰূপী বৃক্ষ অৰ্থাৎ সৰ্ব্ব ব্ৰহ্মাণ্ডক সৃষ্টি কৰিছে ময়ো (কাল/ব্ৰহ্ম) সেই পৰমেশ্বৰৰ শৰণত, এই বাবে সেই পৰমেশ্বৰকে পূজা কৰো।স্বামী ৰামানন্দই কলে বোপাই লিখা মতে এনেকুৱাই, একেবাৰে গোটেই খিনি তেনেকুৱা। কিন্তু এই সৎলোকৰ কথা কাৰো পৰা শুনা নাই যি কাৰণে এতিয়াও মোৰ মনে বিশ্বাস নকৰে যে সেইটো সঁচা হয়নে? কবীৰদেবে কলে আপুনি কেনে সাধনা কৰে ? স্বামী ৰামানন্দই কলে মই গোটেই শৰীৰটোক শুদ্ধ ৰাখিছো। যোগ অভ্যাসৰ সৈতে মই পদুম ফুলৰ ভি তৰত ঘুৰি ফুৰি ত্ৰিকুটি (ত্ৰিবেনী) গৈ পাওঁ। কবীৰদেবে ক'লে আপুনি এবাৰ ত্ৰিবেনী

লৈ ৰাওনা হওক। যেতিয়া ৰামানন্দ যোগ সমাধিস্থ হ'ল (এইটো তেখেতৰ প্ৰতিদিনৰ অভ্যাস আছিল) ত্ৰিবেনী পালত তিনিটা ৰাস্তা হ'ল। প্ৰত্যেক ব্ৰহ্মাণ্ডৰ ভিতৰত থকা ব্ৰহ্মলোকত প্ৰৱেশ কৰোতেই তিনিটা ৰাস্তা ওলাই পৰে। এইদৰে বিশ্ব ব্ৰহ্মাণ্ডৰ কাষত থকা একৈশ ব্ৰহ্মাণ্ডৰ একেই ব্যৱস্থা আছে। এটা ৰাস্তাৰ সমুখৰ ব্ৰহ্মলোকত সজা তিনি গোপন ঠাইলৈ যায় যত জ্যোতি নিৰঞ্জনে তিনি ৰূপ ধাৰণ কৰি বিৰাজমান হৈ থাকে, সমুখৰ ব্ৰহ্মৰন্ধ্ৰ তোমাৰ এই নাম মন্ত্ৰৰ দ্বাৰা নোখোলে। এই ব্ৰহ্মৰন্ধ্ৰ সৎনামৰ দ্বাৰাই খুলিব। কবীৰদেৱে উশাহ-নিশাহ প্ৰক্ৰিয়াৰ দ্বাৰা নিজৰ সৎনাম উচচাৰণ কৰিলে, সমুখৰ দুৱাৰ খুলি গ'ল। কবীৰদেৱে কলে যে এতিয়া আপোনাক কাল ভগৱান দেখুৱাওঁ যাক আপুনি নিৰাকাৰ বুলি কয়। গীতাত কয় হে অৰ্জুন, মই সকলোকে গ্ৰাস কৰিবৰ বাবে আবিৰ্ভাৱ হৈছো। মই কেতিয়াও কাকো দৰ্শন নিদিওঁ আৰু কাৰো সমুখত প্ৰত্যক্ষ নহওঁ। কবীৰদেৱে কলে যে এতিয়া আপোনাৰ সমুখত সেই কাল/ব্ৰহ্মক দেখুৱাওঁ। প্ৰথমে এক ব্ৰহ্মাণ্ডৰ ভিতৰত ৰচিত ব্ৰহ্মলোকৰ গুপ্ত স্থানৰ ওপৰত দেখুৱালে য'ত ব্ৰহ্মা বিষ্ণু আৰু শিৱ ৰূপ ধাৰণ কৰি আছিল। পিছত ব্ৰহ্মলোক পাৰ কৰা দুৱাৰৰ পৰা ওলাই একৈশ ব্ৰহ্মাণ্ডলৈ লৈ গ'ল। ব্ৰহ্মলোকৰ পৰা আগলৈ যোৱা ৰাস্তাটোও যি জটা কুণ্ডলী সৰোবৰ ওপৰত আছে, কাল/ ব্ৰহ্মই নিজৰ দৃষ্টিত পহৰা দি ৰাখে যাতে কোনো প্ৰাণী ওলাই নাযায়। একৈশ ব্ৰহ্মাণ্ডৰ যি অন্তিম লোক আছে সেইটো কাল-ব্ৰহ্মৰ (ক্ষৰ পুৰুষ) নিজৰ স্থান। তাত তেওঁৰ সেই ভয়ঙ্কৰ ৰূপত বহি থাকে যিটো ইয়াৰ বাস্তৱিক ৰূপ। কবীৰ দেৱে কলে চোৱা, সৌজন বহি থকা তোমাৰ নিৰাকাৰ ভগৱান, যাক তুমি নিৰাকাৰ বুলি কোৱা। (কিয়নো যোগী বিলাকে বেদৰ আধাৰত ওম নামেৰে সাধনা কৰিছিল, পৰমাত্মা প্ৰাপ্তি হোৱা নাছিল, সিদ্ধি প্ৰাপ্ত হৈছিল তাৰ বলত স্বৰ্গ, মহাস্বৰ্গ ভোগ কৰি আকৌ পশু যোনী লৈ গ'ল। এই কাৰণে সকলোৱে প্ৰভূক নিৰাকাৰ বুলি মানিছে যে তেওঁ দেখা নিদিয়ে আৰু বেদত লিখা আছে, যে ভগৱান সাকাৰ ৰূপত আছে।) যেতিয়া কালৰ ওচৰত উপস্থিত হল তেতিয়া কবীৰদেৱে নিজৰ সাৰনামৰ লগত সৎনামো উচ্চাৰণ কৰিলে। সেই সময়ত কালে নিজৰ মূৰ নত কৰিলে। কাল-ব্ৰহ্মৰ মূৰৰ ওপৰত সেইখন দুৱাৰ যাৰ ভিতৰেদি সৎলোকলৈ যাব পাৰি আৰু পৰব্ৰহ্মৰ লোকত প্ৰৱেশ হয়। তাৰ পিছত এক ঘোপ মৰা আন্ধাৰ গুহা আৰম্ভ হয়।(এটা ঘোপ মৰা গুহা কাল লোকতো আছে) কালৰ মূৰৰ ওপৰত ভৰি ৰাখি কবীৰদেৱৰ হংস (নিৰ্বিকাৰ সাধক) ওপৰলৈ যায়। এই কালৰ মূৰে চিড়িৰ দৰে কাম কৰে। পৰব্ৰহ্মৰ লোককো পাৰ কৰি কবীৰদেৱে শ্ৰী ৰামানন্দ দেৱৰ আত্মক সৎলোকত লৈ গ'ল। (তাতে এক ঘোপ মৰা গুহা আছে) সৎলোকত গৈ শ্ৰী ৰামানন্দই দেখিলে যে কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) নিজৰ বাস্তৱিক ৰূপত সিংহাসনৰ ওপৰত বিৰাজমান হৈ আছে। তাত কবীৰ দেৱৰ শৰীৰৰ ইমান জ্যেতি যে এডাল নোমৰ (শৰীৰৰ নোম) পোহৰ যেনে কোটি চন্দ্ৰ সূৰ্য্যৰ একত্ৰিত পোহৰতকৈও অধিক (কিন্তু উত্তাপ হীন) কবীৰ দেৱ তালৈ গৈ নিজৰে অন্য স্বৰূপৰ ওপৰত চোঁৰৰ লৰাবলৈ ধৰিলে। শ্ৰী ৰামানন্দই ভাৱিলে যে ভগৱান এইজন যিয়ে সিংহাসনৰ ওপৰত বহি আছে আৰু এই কবীৰ নিশ্চয় ইয়াৰে কোনোৱা সেৱক (গন) হব, উপৰোক্ত লোক সকলোতকৈ উত্তম। পৰমাত্মাৰ বহুত তেজ (জ্যোতি) এনেকুৱা চিন্তা কৰি আছিল, ইমানতেই পৰমাত্মাৰ জ্যোতিৰ্ময় ৰূপ সিংহাসনৰ পৰা উঠিল আৰু পাঁচ বছৰীয়া শিশু ৰূপী কবীৰদেৱ পৰমেশ্বৰৰ সিংহাসনৰ ওপৰত গৈ বহিল পৰমেশ্বৰ যি বাস্তৱিক জ্যোতিৰ্ময় ৰূপত আহিছিল সিজনে শিশু ৰূপী কবীৰ দেৱৰ ওপৰত চোঁৰৰ

লৰাবলৈ ধৰিলে। তাৰ পিছত কবীৰ দেবৰ অন্য তেজোময় ৰূপ শিশুৰূপী কবীৰ দেবৰ ভিতৰত অন্তৰ্নিহিত হৈ গ'ল আৰু অকলে পাঁচ বছৰীয়া শিশুৰূপী কবীৰদেব পৰমেশ্বৰৰ সিংহাসনত বহিল আৰু চোঁবৰ স্বয়ং চলিবলৈ ধৰিলে। ইমানতে ৰামানন্দ দেবৰ আত্মাক শৰীৰলৈ ওভতাই পঠালে। তেখেতৰ যোগ সমাধি ভাঙিল, সমুখত দেখিলে কবীৰ দেব পাঁচ বছৰীয়া শিশু ৰূপত বহি আছে তেতিয়া স্বামী ৰামানন্দই কলে যে -

তঁহা ৰঁহা চিত চক্ৰিতভয়া, দেখি ফজল দৰ্বাৰ।
গৰীব দাস সিজদা কিয়া,হম পাৰে দীদাৰ।।৫২৩।।
তুম স্বামী ম্যাঁয়বাল বুদ্ধি, ভৰ্মকৰ্ম কিয়েনাশ।
গৰীব দাস নিজব্ৰহ্ম তুম, হমৰে দৃঢ় বিশ্বাস।।৫২৪।।
সুন্ন বেসুন্ন সেতুমপৰৈ, উৰৈ সেহমৰে তীৰ।
গৰীব দাস সৰ বংগ মেঁ, অবিগত পুৰুষ কবীৰ।।৫২৫।।
কোটী কোটী সিজদেকৰৈ, কোটী কোটী প্ৰনাম।
গৰীব দাস অনহদ অধৰ,হম পৰসেতুম ধাম।।৫২৬।।
বোলত ৰামানন্দ জী, শুন কবীৰ কৰতাৰ।
গৰীব দাস সব ৰূপ মে, তুমহী বোলন হাৰ।।৫৫৬।।
তুম সাহিব তুম সন্ত হো, তুম সতগুৰু তুম হংস।
গৰীব দাস তুমৰূপ বিন অউৰ ন দুজা অংশ ।।৫৫৭।।
ম্যায় ভগতা মুক্তা ভয়া, কিয়া কৰ্ম কুন্দ নাশ।
গৰীব দাস অবিগত মিলে, মেটিমন কীবাস।।৫৫৮।।
দোঁহু ঠৌৰ হ্যায় এক ঠু, ভয়া এক সে দোয়।
গৰীব হম কাৰনৈ, উতৰে হ্যায় মঘ জোয়।।৫৫৯।।
বোলত ৰামানন্দ জী, শুন কবীৰ কৰতাৰ।
গৰীব দাস সব ৰূপ মে তু হী বোলনহাৰ।।

শ্ৰীৰামানন্দ দেবে কলে যে হে পৰমেশ্বৰ হে কবীৰ পৰমাত্মা, হে কবীৰ স্ৰষ্টা (সৰ্ব সৃষ্টিৰ সৃজন কৰ্তা) আপুনিয়ে সৰ্ব ব্যাপক পূৰ্ণ পৰমেশ্বৰ হয়।

দঁহু ঠোড় হ্যায় এক তু, ভয়া এক সে দো।
গৰীব দাস হম কাৰণে, আয়ে হো মগ জো।।

হে পৰমেশ্বৰ কবীৰ! আপুনি দুয়ো ঠাইতে সত্যলোকত তথা মোৰ সমুখত আপুনিয়েই একতকৈ দুই ৰূপ বনাই আমাৰ নিচিনা তুচ্ছ জীৱৰ উদ্ধাৰৰ বাবে ইয়ালৈ আহিছে। ম্যায় ভক্তা মুক্তা ভয়া, কৰ্ম কুন্দ ভয়ে নাশ। গৰীব দাস অবিগত মিলে, মিট গই মন কী বাঁস।।

শ্ৰী ৰামানন্দ দেব ১০৪ বছৰীয়া মহাপুৰুষ আৰু পাঁচ বছৰীয়া শিশু কবীৰ পৰমেশ্বৰক কৈছে যে মই আজি মুক্ত হলো আৰু মোৰ মনৰ ভ্ৰম-ভ্ৰান্তি সমাপ্ত হ'ল। মোৰ পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক স্বৰূপ দৰ্শন হ'ল। হে পূৰ্ণ পৰমাত্মা কবীৰদেব চাৰিও পৱিত্ৰ বেদ আৰু পৱিত্ৰ গীতাই আপোনাৰেই গুনাণু কীৰ্ত্তন কৰি আছে। স্বয়ং কবীৰদেবে কৈছে যে-বেদ হমাৰা ভেদ হ্যায়, ম্যায় না বেদন কে মাঁহী। যিস বেদ সে ম্যায় মিলু, বেদ জানতে নাঁহী।।

ভাবাৰ্থ ঃ- পূৰ্ণ পৰমাত্মাৰ জ্ঞান চাৰিও বেদৰ ভিতৰত আছে, কিন্তু পূজাৰ বিধি কেৱল ব্ৰহ্ম (জ্যোতি নিৰঞ্জন/কাল) লৈকেহে। পৰমেশ্বৰ কবীৰ দেবৰ পূজা বিধিৰ জ্ঞান আৰু তত্ত্বজ্ঞানৰ বাবে পৱিত্ৰ বেদ তথা গীতাত কৈছে যে কোনো তত্ত্বদৰ্শী সাধু সন্তই শুদ্ধকৈ

ব্যাখ্যা কৰিব পাৰে, যিটো স্বয়ং পৰমেশ্বৰেই হ'ব নাইবা তেওঁৰ প্ৰতিনিধি হ'ব। তেওঁৰে পৰাই নাম উপদেশ লৈ পূৰ্ণ মোক্ষ আৰু পৰম শান্তি লাভ কৰিব পাৰি।

**পৰিত্ৰ শাস্ত্ৰও কবীৰদেব (কবীৰ পৰমেশ্বৰ)ৰ সাক্ষী**

এইদৰে কবীৰদেবে (কবীৰ পৰমেশ্বৰ) মুছলমানকো বেয়া বুলি কোৱা নাই, নাইবা পৱিত্ৰ কোৰান শ্বৰীফকো বেয়া বুলি কোৱা নাই, মাথোন সেইবিলাক কাজী আৰু মোল্লাক গালি পাৰিছে যিবোৰে সৰ্ব সমাজক কোৰান শ্বৰীফৰ বাস্তৱিক জ্ঞানৰ বিপৰীত মনেসজা ভক্তি-সাধনা কৰোৱাইছে।

যেনেকুৱা পৱিত্ৰ বেদৰ বক্তা ব্ৰহ্মই কৈছে যে পূৰ্ণ পৰমাত্মা কবীৰ দেবৰ বিষয়ে কিছুমানে জনম লৈ অৱতাৰ ৰূপত অহা বুলি মানে আৰু কিছুমানে কেতিয়াও জনম নোলোৱা নিৰাকাৰ বুলি কয়। তাৰ সঠিক খবৰতো (ধীৰানাম) তত্বদৰ্শী সাধু সন্তই কব পাৰিব। মই (বৰ্হ্ম) নাজানো (যজুৰ্বেদ অধ্যায় ৪০, শ্লোক ১০)। ইয়াৰ প্ৰমান পবিত্ৰ গীতা অধ্যায় ৪, শ্লোক ৩৪ অৰ্শ অধ্যায় ১৫, শ্লোক ১ৰ পৰা ৪ ভিতৰত আছে। যেতিয়ালৈ সেই তত্বদৰ্শী সন্ত প্ৰাপ্তি নহয় তেতিয়ালৈ জীৱৰ কল্যাণ অসম্ভৱ। সেই সাধু এতিয়া আহিছে, এই তত্বদৰ্শী সাধু ৰামপালক জানক।

**পবিত্ৰ কোৰান শ্বৰীফত প্ৰমান**

এইদৰে পবিত্ৰ কোৰান শ্বৰীফৰ অধ্যায় সূৰত ফুৰ্কানী সংখ্যা ২৫, আয়াত ৫২ ৰ পৰা ৫৯ লৈ কৈছে যে, বাস্তৱত (ইবাদই কবীৰা) আল্লাহ কবীৰেই পূজাৰ যোগ্য। এই কবীৰদেৱেই সিজন পূৰ্ণ পৰমাত্মা  যিয়ে ছয় দিনত সকলো সৃষ্টি ৰচনা কৰি তথা সপ্তম দিনত সিংহাসনৰ উপৰত গৈ বহিলে, সেই কথা কোনো তত্বদৰ্শী সাধু সন্তৰ পৰা জানি লোৱা।

পবিত্ৰ কোৰান শ্বৰীফ  কোৱা আল্লাহই নিজে আন কোনো কবীৰ নামক প্ৰভুৰ প্ৰতি সংকেত কৰি কৈছে যে পূৰ্ণ পৰমাত্মা কবীৰৰ বিষয়ে মইয়ো নাজানো, সেই বিষয়ে (কবীৰ পৰমেশ্বৰ) কোনো তত্বদৰ্শী সাধু সন্তৰ পৰা জানি লোৱা।

কবীৰদেৱে এইটোয়ে কৈছিল মইয়ে স্বয়ং পূৰ্ণ পৰমাত্মা (আল্লাহ কবীৰ/অকবিৰু) হওঁ। নিজৰ সুস্থ জ্ঞানৰ পত্ৰ বাহকৰ ৰূপত মই স্বয়ং আহিছোঁ, মোক চিনা। কিন্ত এনে অকৰা পণ্ডিত বিলাকে আগেয়েও পৰমেশ্বৰৰ বাস্তৱিক জ্ঞান জনতাৰ মাজলৈ বিয়পিবলৈ নিদিছিল। প্ৰচাৰ কৰিছিল যে কবীৰ তো এজন অশিক্ষত, এওঁ সংস্কৃত নাজানে, আমি শিক্ষিত। এইবিলাক কথাতে সৰল জনতাই আগতেই ভ্ৰান্তিত পৰি গৈছিল। কিন্ত বৰ্তম ান সৰ্ব সমাজ শিক্ষিত হৈছে, এইবোৰ পথভ্ৰষ্ট ভণ্ড পণ্ডিত, গুৰু আচাৰ্য্যৰ কথাত সহজে জনতাই ভোল নাযায় আৰু আগলৈও নাযাব।

সল্লি অলা ঃ- জ-স-দি মুহম্মদিন, ফিল অজসাদি অল্লাহুম ম সল্লি, অলা কবিৰ (কবীৰ) মুহম্মিদ ফল্ কুবুৰি ফজাইলে জিক্ৰ ৫. হুজুৰে অকদস সল্লল্লাহু অলৈহি ব সল্লম কা ইৰ্শাদ হ্যায় কি কোই বান্দা এয়সা নঁহী কী 'লাইলা-হা ইল্লাল্লাহহ' কহে অউৰ উসকে লিয়ে আসমানো কে দৰৱাজেঁ ন খুল জায়েঁ, ইহাঁ তক কী ইয় কলিমা সীধা অৰ্শ তক পহঁচতা হ্যায়, বৰ্শতে কি কবীৰা গুনাহোঁ সে বচাতা ৰহে।

ফ--কিতনী বড়ী ফজীলত হ্যায় অউৰ কুবুলিয়ত কী ইন্তিহা হ্যায় কি ইয় কলিমা বৰাহে ৰাক্ত অৰ্শে মুঅল্লা তক পচতা হ্যায় অউৰ ইয় অভী মালুম হো চুকা হ্যায় কি অগৰ কবীৰা গুনাহোঁ কে সাথ ভী কহা জায়ে, তো নফা সে উস ৰকৎ ভী খালী নঁহী।

মুল্লা অলী কাৰী ৰহ ফৰমাতে হঁ্যায় কি কবাইৰ সে বচনে কী শৰ্ত কবুল কী জল্দি অউৰ আসমান কে সব দৰৱাজে খুলনে কে এতাৱৰ সে হ্যায়, ৱৰনা স্ববাব অউৰ

কুবুল সে কবাইৰ (কবীৰ) কে সাথ ভী খালী নহী।

বাজ উলেমা নে ইস হদিস কা ইয় মতলব বয়ান ফৰমায়া হ্যায় কি এয়সে সখস কে বাস্তে মৰণে কে বাদ উস কী ৰূহ কে এজাজ মে আসমান কে সব দৰবাজে খুল জায়েঙ্গে।

এক হদিস মে আয়া হ্যায়, দো কলিমে এয়সে হ্যাঁয় কি উনমে সে এক কে লিয়ে কে নীচে কোই মুন্তহা নঁহী। দুসৰা আসমান অউৰ জমীন কো (অপনে নুৰ এয়া অপনে অজসে) ভৰ দে- এক 'লাইলা-হা ইল্লাল্লাহহ' হ্যায়, দুসৰা 'আল্লাহু আকবৰ' (কবীৰ) হ্যায়।


٥ عن ابي هريرة قال قال رسول الله صلى الله عليه وسلم ما
قال عبد لا اله الا الله قط مخلصا الا فتحت له ابواب السماء حتى تفضي الى العرش
ما اجتنب الكبائر رواه الترمذي وهكذا في المشكوة لكن ليس فيها
حسن بل غريب فقط قال القاري ورواه النسائي وابن حبان وعزاه
السيوطي في الجامع الى الترمذي ورقم له بالحسن وحكاه السيوطي في
الدر من طريق ابن مردويه الى ابي هريرة وليس فيه ما اجتنب الكبائر
وفي الجامع الصغير برواية الطبراني عن معقل ابن يسار لكل شيء مفتاح
ومفتاح السموات قول لا اله الا الله ورقم له بالضعف ـ

**পৱিত্ৰ বেদৰ প্ৰমাণ**

কবীৰদেবে নিজৰ জ্ঞানৰ দূত হৈ স্বয়ং আহে আৰু নিজৰ সুস্থ জ্ঞান (বাস্তৱিক তত্বজ্ঞান) নিজে প্ৰচাৰ কৰে।

স্বয়ং কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) নিজৰ অমৃত বাণীত কৈছে যে -

শব্দ - অবিগত সে চল আয়ে, কোই মেৰা ভেদ মৰ্ম নহী পায়া। (টেক) ন মেৰা জন্ম ন গৰ্ভ বসে, বালক হো দিখলায়া। কাশী নগৰ জল কমল পৰ ডেৰা, ৰহাঁ জুলাহে নে পায়া।। মাতা-পিতা মেৰে কুছ নাহাঁ, না মেৰে ঘৰ দাসী (পত্নী)। জুলহা কা সুত আন কহয়া, জগত কৰে মেৰে হাঁসী।। পাঁচ তত্ব কা ধড় নহী মেৰা, জানু জ্ঞান অপাৰা। সত্য স্বৰূপী (বাস্তৱিক) নাম সাহেব (পূৰ্ণ প্ৰভূ) কা সোই নাম হমাৰা ।। অধৰ দ্বীপ (উপৰ সত্যলোকত) গগন গুফা মে হাঁ নিজ বস্তু সাৰা। জ্যোত স্বৰূপী অলখ নিৰঞ্জন (ব্ৰহ্ম) ভী ধৰতা ধ্যান হমাৰা।। হাড় চাম লহু না মেৰে কোই জানে সত্যনাম উপাসী। তাৰন তৰন অভয় পদ দাতা, ম্যাঁয় হুঁ কবীৰ অবিনাশী।।

ওপৰোক্ত শব্দত পৰমেশ্বৰ কবীৰদেৱে কৈছে যে মোৰ কোনো পত্নীও নাই আৰু পাঁচ তত্ত্বৰ (হাড়-চাল, তেজ-মঙহ, নাড়ী দেহ) শৰীৰো নাই, মই স্বয়ম্ভু তথা কাশী চহৰৰ অনতি দূৰত থকা লহৰতাৰা বিলৰ পানীত থকা পদুম ফুলৰ ওপৰত শিশু ৰূপত আৰিৰ্ভাব হৈছিলো। তাৰে পৰাই নীৰু নামৰ এজন কাপোৰ বোৱা তাঁতীয়ে উঠাই লৈ যায়। পৰমেশ্বৰৰ বাস্তৱিক নাম (বেদত কবীৰদেৱ, গুৰু গ্ৰন্থ চাহিবত হক্কা কবীৰ, আৰু কোৰান শ্বৰীফত আল্লাহ কবীৰন) মোৰেই নাম। মই সকলোৰে ওপৰত ঋতধামত বাস

কৰো আৰু তোমালোকৰ ভগৱান জ্যোতি নিৰঞ্জনে (কাল/ব্ৰহ্ম) মোকেই পূজা কৰে। ইয়াৰ প্ৰমাণ সত্যাৰ্থ প্ৰকাশ ৭ম অধ্যায়ৰ (পৃষ্ঠা ১৫২-১৫৩ দীনানগৰ পঞ্জাৱৰ পৰা প্ৰকাশিত) ভিতৰত আছে। স্বামী দয়ানন্দ জীয়ে যজুৰ্বেদ অধ্যায় ১৩ মন্ত্ৰ নং ৪ তথা ঋকবেদ মণ্ডল নং ১০ শুক্ত ৪৯ মন্ত্ৰ ১ৰ অনুবাদ কৰিছে। যত বেদ কওঁতা ব্ৰহ্মই কৈ আছে যে (৫ ঋকবেদ মণ্ডল ১০ শুক্ত ৪৯ মন্ত্ৰ ১ তথা ৬ = যজুৰ্বেদ অধ্যায় ১৩ মন্ত্ৰ ৪ ৰ ভিতৰত) হে নৰ মনিষ সকল যি সৃষ্টিৰ আগেয়ে সকলোৰে উৎপত্তি কৰোতা তথা সকলোৰে স্বামী আছিল, বৰ্তমানেও আছে আৰু আগলৈও থাকিব সেইজনেই সকলো সৃষ্টিক ৰচনা কৰি ধাৰণ কৰি আছে। সেই পৰম কল্যানকামী আৰু সুখদায়ী স্বৰূপ পৰমাত্মাৰ ভক্তি আমালোকৰ নিচিনা (ব্ৰহ্ম তথা অন্য দেব-দেবী) দেৱতা সকলেও তেওঁৰেই ভক্তি কৰো ঠিক তেনেকৈ তোমালোকেও ভক্তি কৰা।

প্ৰমাণ ঃ-১। পৱিত্ৰ যজুৰ্বেদ অধ্যায় ২৯ মন্ত্ৰ ২৫ ---

সমিদ্ধোহ অদ্য মনষো দুৰোনে দেৱো দেবান্যয়সি জাতবেদ ।।
আ চ উৱ মিত্ৰমহশ্চিকিত্যান্ত্যে দূতঃ কবিৰসি প্ৰচেতাঃ।। ২৫ ।।

সমিদ্ধ - অদ্য-মনুষঃ- দুৰোনে-দেবঃ- দেবান-যজ্-অসি-জাত-বেদঃ-আ-চ-উৱ-মিত্ৰ ম হঃ- চিকিত্যান্-ত্বম্-দূতঃ- কবিৰ্-অসি-প্ৰচেতাঃ।

অনুবাদ ঃ- (অদ্য) আজি অৰ্থাৎ বৰ্তমানে (দুৰোনে) শৰীৰ ৰূপ ঘৰত দুৰাচাৰ পূৰ্বক (মনুষঃ) অসাৰ পূজাত লিপ্ত থকা মননশীল ব্যক্তিৰ (সমিদ্ধঃ) লগা জুই অৰ্থাৎ শাস্ত্ৰ বিধি বিৰুদ্ধ বৰ্তমানৰ পূজা যি হানিকাৰক, জুইয়ে পোৰাৰ দৰে এনে সাধকৰ জীৱন শাস্ত্ৰ বিৰুদ্ধ সাধনাই নষ্ট কৰি দিয়ে। তাৰ ঠাইত বা তাৰ পৰিৱৰ্তে (দেবান) দেবতা বিলাকৰ (দেবঃ) পূৰ্ণ পৰমাত্মা সৎপুৰুষৰ বাস্তৱিক (যজ) পূজা (অসি) আছে। (আ) দয়ালু (মিত্ৰমহঃ) জীৱৰ বাস্তৱিক সঙ্গী পূৰ্ণ পৰমাত্মাৰ (চিকিৎসাৱান) সুস্থ জ্ঞান অৰ্থাৎ যথাৰ্থ ভক্তিক (দূতঃ) বাৰ্তাবাহকৰ ৰূপত (উ) লৈ আহা (চ) তথা (প্ৰচেতাঃ) জ্ঞান দিওঁতা (ত্ব) আপুনি (কবীৰদেব অৰ্থাৎ কবীৰ পৰমেশ্বৰ) কবীৰ (অসি) হয়।

ভাবাৰ্থ ঃ- যি সময়ত ভকত সমাজে শাস্ত্ৰ বিধি ত্যাগ কৰি নিজৰ মনেসজা আচৰনৰে (পূজা) ভক্তি চলাই থাকে সেই সময়ত কবীৰদেবে (কবীৰ পৰমেশ্বৰে) তত্ব জ্ঞানৰ প্ৰকাশ কৰে।

প্ৰমাণ-২।পৱিত্ৰ সামবেদ সংখ্যা ১৪০০ সংখ্যা নং ৩৫৯ সামবেদ অধ্যায় নং ৪ খণ্ড নং ২৫ মন্ত্ৰ ৮ পুৰাং ভিন্দুয়ুৰ্বা কবীৰ মিতৌজা অজায়ত। ইন্দ্ৰ বিশ্বাস্য কৰ্মনো ধৰ্তা বজ্ৰী পুৰুষ্টুতঃ।।৪।।

পুৰাম-ভিন্দুঃ-যুবা-কবীৰ-অমিত-অউজা-অজায়ত-ইন্দ্ৰঃ-বিশ্বস্য-কৰ্মণঃ-ধৰ্তা-বজ্ৰী-পুৰুষ্টুতঃ।।

শব্দাৰ্থ ঃ- (যুবা) পূৰ্ণ শক্তিৱান (কবী) কবীৰদেব অৰ্থাৎ কবীৰ পৰমেশ্বৰ (অমি তৌজা) বিশাল শক্তিযুক্ত অৰ্থাৎ সৰ্ব শক্তিমান (অজায়ত) জ্যোতিময় শৰীৰ বনাই (ধৰ্তা) প্ৰকট হৈ অৰ্থাৎ অৱতাৰ ধাৰন কৰি (বজ্ৰী) নিজৰ সত্যশব্দ আৰু সত্যনাম ৰূপী অস্ত্ৰৰ দ্বাৰা (পুৰাম্) কাল/ব্ৰহ্মৰ পাপ ৰূপী বন্ধনৰ দূৰ্গক (ভিন্দুঃ) চুৰ্ন বিচুৰ্ণ কৰা, বিনাশ কৰি দিয়া (ইন্দ্ৰঃ) সৰ্ব সুখদায়ক পৰমেশ্বৰ (বিশ্বস্য) গোটেই জগতৰ সমস্ত প্ৰাণীক (কম ৰ্ণঃ) মনো বাঞ্চিত কৰ্মৰে অৰ্থাৎ পূৰ্ণ নিষ্ঠাৰে সৈতে অনন্য মনেৰে ধৰ্মীয় কৰ্মৰ দ্বাৰা সত্য ভক্তিৰ সৈতে (পুৰুষ্টুতঃ) স্তুতি উপাসনা কৰিবৰ যোগ্য।

(যেনে শিশু আৰু বৃদ্ধ সকলো কাম কাজ কৰিবলৈ সক্ষম নহয়, জোৱান ব্যক্তি

সকলো কাৰ্য্য কৰিবলৈ ক্ষমতা ৰাখে। এনেকুৱাই পৰব্ৰহ্ম ব্ৰহ্ম-ত্ৰিলোকীয় ব্ৰহ্মা, বিষ্ণু, শিৱ তথা অন্যান্য দেৱ-দেৱী বিলাকক শিশু তথা বৃদ্ধ বুজি লোৱা বা ধৰি লোৱা। সেই কাৰণে বেদত কবীৰ পৰমেশ্বৰক যুবা উপমাৰে আখ্যায়িত কৰিছে।)

ভাবাৰ্থ ঃ- যি কবীৰদেব (কবীৰ পৰমেশ্বৰ) তত্বজ্ঞান লৈ সংসাৰ লৈ আহে তেওঁ সৰ্ব শক্তিমান তথা কালৰ (ব্ৰহ্মৰ) কৰ্ম বন্ধন ৰূপী দুৰ্গক বিনষ্ট কৰে তেওঁৱেঁই একম াত্ৰ সৰ্ব সুখদায়ী তথা পূজাৰ যোগ্য।

সংখ্যা নং ১৪০০ সামবেদ উৰ্চিক অধ্যায় নং ১২, খণ্ড নং ৩, শ্লোক নং ৫।

ভদ্ৰা বস্ত্ৰা সমন্যা উবসনো মহান কবিনিৰ্বচনানি শংসন্।

আ ৱচ্যশ্ব চম্বোঃ পুয়মানো বিচক্ষনো জাগৃবিৰ্দেববীতৌ।। ৫ ।।

ভদ্ৰা-বস্ত্ৰা-সমন্যা-বসবনঃ-মহান কবীৰ্-নিৱচনানি শংসন-আৱচ্যশ্ব-চম্বোঃপুয়মানঃ-বিচক্ষন -জাগ্ৰবি-দেব বীতৌ।

অনুবাদঃ-(বিচক্ষনঃ) চতুৰ ব্যক্তিয়ে (অৱাচ্যস্ব) নিজ বচনৰ দ্বাৰা পূৰ্ণব্ৰহ্মৰ পূজাৰ উপদেশ নিদি আন উপসনাৰ মাৰ্গ দৰ্শন কৰাই অমৃতৰ ঠাইত (পুয়মানঃ) আন উপাসনা (যেনে - ভূত-প্ৰেত, শ্বশান-মশান পিত্ৰৰ পূজা তিনি গুণী (ৰজগুণ ব্ৰহ্মা, সতগুণ-বিষ্ণু, তমগুণ-শিৱ শংকৰ) তথা কাল ব্ৰহ্মৰ পুজা আদি) ৰূপী পূঁজক (চম্বোঃ বৰ আদৰেৰে আচমন কৰোৱা ভুল জ্ঞানক সমাপ্ত কৰিবলৈ (ভদ্ৰা) পৰম সুখদায়ক (মহান কবী) পূৰ্ণ পৰমাত্মা কবীৰ (বস্ত্ৰা) সশৰীৰ সাধাৰণ বেশ ভূষাত "অৰ্থাৎ বস্ত্ৰৰ অৰ্থ হল বেশভূষা, সন্তৰ ভাষাত ইয়াক চোলা বুলি কোৱা হয়, চোলাৰ অৰ্থ হল শৰীৰ। যদি কোনো সাধু সন্তৰ মৃত্যু হয় তেন্তে কোৱা হয় চোলা এৰি গল" (সমন্যা) নিজৰ সত্যলোকৰ শৰীৰ সদৃশ-অন্য শৰীৰ হালকা জ্যোতিৰ শৰীৰ ধাৰণ কৰি (বসানঃ) সাধাৰণ মানুহৰ দৰে জীৱন যাপন কৰি কিছু দিন সংসাৰত থাকি (নিৰ্বচনানি) নিজৰ শব্দাৱলীৰ মাধ্যমেৰে তত্বজ্ঞান (শংসন) বৰ্ণনা কৰি (দেব) পূৰ্ণ পৰমাত্মাৰ (বিতৌ) লুকাই ৰখা সগুন-নিৰ্গুন জ্ঞান (জাগৃবিঃ) জাগ্ৰত কৰে।

ভাবাৰ্থঃ- শাস্ত্ৰবিধি বিৰুদ্ধ ভক্তি সাধনা ৰূপী পূঁজ অৰ্থাৎ ঘাতক সাধনাৰ ওপৰত আধাৰিত ভকত সমাজক কবীৰদেব (কবীৰ পৰমেশ্বৰ) তত্ত্বজ্ঞান বুজাৱৰ বাবে এই সংসাৰত অৱতাৰিত হয়। সেই সময়ত নিজৰ জ্যোতীৰ্ময় শৰীৰৰ ওপৰত অন্য শৰীৰ ৰূপী বস্ত্ৰ (হালকা জ্যোতি) পিন্ধি আহে। (কিয়নো পৰমেশ্বৰৰ বাস্তৱিক জ্যোতিৰ্ময় শৰীৰ মানুহৰ চৰ্ম চকুৰে সহ্য কৰিব নোৱাৰে। কিছু দিন সাধাৰণ মানুহৰ দৰে জীৱন যাপন কৰি লীলা কৰে। তথা পৰমেশ্বৰক (নিজক) প্ৰাপ্ত কৰাৰ জ্ঞানক উজাগৰ কৰে। (ব্যাখ্যা কৰে)

ঋক বেদ মণ্ডল ৯, সুক্ত ৯৬, মন্ত্ৰ ১৭।

শিশুং জজ্ঞানং হৰ্য্তং মৃজন্তি শুম্ভন্তি বহ্নি মৰুতো গনেন।

কবিৰ্গীৰ্ভিঃ কাব্যেনা কবিঃ সন্তসোমঃ পৱিত্ৰমত্যেতি ৰেভন্ ১৭

শিশুম জজ্ঞানম্ হৰ্য তম্ মৃজন্তি শুভন্তি বহিন মৰুতঃ গণেন।

কবিৰ্গীৰ্ভি কাব্যেনা কবিৰ সন্ত সোমঃ পৱিত্ৰম্ অত্যেতি ৰেভন্।।

অনুবাদ : পূৰ্ণ পৰমাত্মা (হৰ্য্শিশুম) সাইলাখ মানুহৰ সন্তানৰ ৰূপত (জজ্ঞানম) জানি বুজি প্ৰকট হয় আৰু নিজৰ তত্ব জ্ঞানক (তম্) সেই সময়ত (মৃজন্তি) নিৰ্মলতাৰে সৈতে

(শুম্ভন্তি) উচ্চাৰণ কৰে। (বহ্নি) প্ৰভুক পোৱাৰ বিৰহ জ্বালা (মৰুতঃ) ভকত (গনেনঃ) সমুহৰ বাবে (কাব্যেনা) কবিতা দ্বাৰা কবিত্ব ভাবে (পৱিত্ৰম অত্যয়েতি) নিৰ্মলতাৰে সৈতে অত্যাধিক বাণী (কবিৰ্গীৰ্ভি) কবীৰ বাণী অৰ্থাৎ কবীৰ বাণীৰ দ্বাৰা (ৰেভন) উচচ স্বৰত কয়। (কবীৰ সন্তু সোমঃ) সেইজন অমৰ পুৰুষ অৰ্থাৎ সৎপুৰুষ সাধু ম হাত্মা ঋষি ৰূপত স্বয়ং কবীৰদেব। কিন্তু সেইজন পৰমাত্মাক চিনিব নোৱাৰি জনতাই কবি বুলি কবলৈ ধৰে। কিন্তু সিজন পূৰ্ণ পৰমাত্মাহে যাৰ বাস্তৱিক নাম কবীৰদেব।।

ভাবাৰ্থ :- ঋকবেদ মণ্ডল নং ৯ সুক্ত নং ৯৬ মন্ত্ৰ নং ১৬ কৈছে যে আহা পূৰ্ণ পৰম াত্মাৰ বাস্তৱিক নাম জানো এই মন্ত্ৰ ১৭ ৰ ভিতৰত সেই জন পৰমাত্মাৰ নাম, ঠিকনা আদিৰ পৰিপূৰ্ণ পৰিচয় দিয়া আছে। বেদ কওঁতা কাল/ব্ৰহ্মই কৈছে যে পূৰ্ণ পৰমাত্মা একেবাৰে বিচক্ষন মানুহৰ সন্তান ৰূপত আবিৰ্ভাব হৈ কবীৰদেব নিজৰ বাস্তৱিক জ্ঞানক নিজৰ কবীৰ বাণীৰ দ্বাৰা নিজৰ নিৰ্মল পৱিত্ৰ জ্ঞান নিজৰ হংসাত্মক অৰ্থাৎ পুন্যাত্মা অনুগত বিলাকক কবিতা, লোকোক্তিৰ দ্বাৰা সম্বোধন কৰি অৰ্থাৎ ডাঙৰ কৈ উচ্চাৰণ কৰি বৰ্ণনা কৰে। এই তত্বজ্ঞানৰ অভাৱত সেই সময়ত অবতাৰিত হোৱা পৰমাত্মাক চিনিব নোৱাৰি কেৱল ঋষি, সন্ত বা কবি বুলি মানি লয়। সেই পৰমাত্মাই স্বয়ং কয় যে মইয়ে পূৰ্ণ পৰমাত্মা, পূৰ্ণ ব্ৰহ্ম হওঁ কিন্তু মানুহে বেদৰ আধাৰত পৰমাত্মক নিৰাকাৰ মানি চিনিব নোৱাৰে। কিন্তু গৰীবদাস মহাৰাজে কাশীত আৱিৰ্ভাৱ হোৱা পূৰ্ণ পৰমাত্মাক চিনিব পাৰি তেওঁৰ মহিমাৰ কথা কৈছে আৰু সেই পৰমেশ্বৰৰ দ্বাৰা নিজৰ মহিমা বৰ্ণাইছিল আৰু যথাযথ বৰ্ণনা নিজৰ অমৃত বাণীত কৰিছে।

গৰীব, জাতি হমাৰি জগত গুৰু, পৰমেশ্বৰ হ্যায় পন্থ।
দাস গৰীব লিখ পড়ে, নাম নিৰঞ্জন কন্ত।।
গৰীব হম হী অলখঅল্লাহ হ্যায়,কুতুব গোস অউৰ পীৰ।
গৰীব দাস খালীক ধনী হমাৰা নাম কবীৰ।।
গৰীব এ স্বামী স্ৰষ্টা ম্যাঁয়, সৃষ্টী হমৰে তীৰ।
দাস গৰীব অধৰ বসু, অবিগত সৎ কবীৰ।।

ইমান স্পষ্ট কথা কোৱাৰ পিছতো জনতাই তেওঁক কবি, সন্ত নাইবা তাঁতী বুলি কবলৈ ধৰে। কিন্তু যিয়েই নহওঁক লাগিলে পূৰ্ণ পৰমাত্মা কিন্তু তেওঁৰেই। তেওঁৰ আচল বাস্তৱিক নাম কবীৰদেব। তেওঁ স্বয়ং সৎপুৰুষ কবীৰ যি সাধু সন্তৰ ৰূপত থাকে। কিন্তু তত্বজ্ঞানহীন ঋষি, মুনি, সাধু, সন্ত, ভণ্ড পীৰ, গুৰু সকলৰ অজ্ঞান সিদ্ধান্তৰ ওপৰত নিৰ্ভৰশীল জনতাই সেই সময়ত অতিথি ৰূপত আৱিৰ্ভাৱ হোৱা পূৰ্ণ পৰমাত্মাক চিনিব পৰা নাই কিয়নো ওপৰৰ বৰ্ণিত ধৰ্মীয় গুৰু সকলে পৰমাত্মাক নিৰাকাৰ বুলি জনতাক পতিয়ন নিয়াইছিল।

ঋকবেদ মণ্ডল ৯ শুক্ত ৯৬, মন্ত্ৰ ১৮।

ঋষিমনা য ঋষিকৃৎস্বৰ্ষাঃ সহস্ৰনীথঃ পদবীঃ কবীনাম্।
তৃতীয়ং ধাম মহিষঃ সিষাসন্তসোমো বিৰাজমনু ৰাজতি ষ্টুপ।। ১৮।
ঋষিমনা য ঋষিকৃৎ স্বৰ্ষাঃ সহস্ৰানীথঃ পদবীঃ কবীনাম্।
তৃতীয়ম ধাম মহিষঃ সিষা সন্ত সোম্ঃ বিৰাজমানু ৰাজতি ষ্টুপ।

অনুবাদ ঃ- বেদক কওঁতা ব্ৰহ্মই কৈ আছে যে (য) যি পূৰ্ণ পৰমাত্মা সাইলাখ শিশু

ৰূপত আহি (কবিনা) প্ৰসিদ্ধ কবি (পদবীঃ) উপাধি প্ৰাপ্ত কৰি অৰ্থাৎ এজন সাধু বা ঋষিৰ ভূমিকা পালন কৰি সেই (ঋষিকৃত) সাধুৰ ৰূপত প্ৰকট হৈ প্ৰভূৰ দ্বাৰা ৰচিত (সহস্ৰানীথঃ) হেজাৰ বাণী (ঋষিমনা) সাধু স্বভাৱৰ ব্যক্তিৰ অৰ্থাৎ ভকতৰ বাবে (স্বৰ্ষাঃ) স্বৰ্গ তুল্য আনন্দ দায়ক হয়। (সোম) সিজন অমৰ পুৰুষ অৰ্থাৎ সৎপুৰুষ (তৃতীয়া) তৃতীয় (ধাম) মুক্তি লোক অৰ্থাৎ সত্যলোকৰ (মহিষঃ) সুদৃঢ় পৃথিৱীৰ নিচিনা (সি) স্থাপিত কৰি (অনু) পিছত (সন্ত) মানৱ সদৃশ সাধু ৰূপ ধাৰণ কৰি (ষ্টুপ) গম্বুজ অৰ্থাৎ উচ্চ টিলা ৰূপী সিংহাসনৰ ওপৰত (বিৰাজমনু ৰাজতি) উজ্জ্বল স্থুল আকাৰত অৰ্থাৎ মানৱ সদৃশ্য জ্যোতিৰ্ময় শৰীৰত বিৰাজমান হয়।

ভাবাৰ্থ ঃ- মন্ত্ৰ ১৭ ত কৈছে যে কবীৰদেৱে শিশু ৰূপ ধাৰণ কৰে আৰু লীলা কৰি ডাঙৰ হয়। জনতাক কবিতাৰ দ্বাৰা তত্ত্বজ্ঞান শুনোৱাৰ কাৰণে কবি উপাধি প্ৰাপ্ত হয় অৰ্থাৎ তেখেতক ঋষি, সাধু বা কবি বুলি কবলৈ ধৰে, কিন্তু বাস্তৱত তেওঁ পূৰ্ণ পৰমাত্মা কবীৰদেৱ। তেওঁৰ দ্বাৰা ৰচিত অমৃত বাণীক কবীৰ বাণী বুলি কোৱা হয়। ভকত বা প্ৰভু প্ৰেমীৰ বাবে সেইয়া স্বৰ্গতুল্য সুখদায়ী। যিজন পৰমাত্মা তৃতীয় মুক্তিধাম অৰ্থাৎ সত্যলোকৰ স্থাপনা কৰি গম্বুজৰ ভিতৰত সিংহাসনৰ ওপৰত জ্যোতিৰ্ময় মানৱ সদৃশ শৰীৰ আকাৰত বিৰাজমান হয়।

এই মন্ত্ৰত তৃতীয় ধামক সৎলোক বুলি কৈছে। যেনে এক ব্ৰহ্মৰ লোক যি একৈশ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ, দ্বিতীয় পৰব্ৰহ্মৰ লোক যি সাত শংখ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ, তৃতীয় পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পূৰ্ণব্ৰহ্মৰ সৎলোক। পূৰ্ণ পৰমাত্মাই সত্যলোকত সত্যপুৰুষৰ ৰূপত বিৰাজমান হৈ তলত থকা লোক বা ধাম বিলাকৰ সৃষ্টি কৰিছে। এইবাবে তলৰ লোক বা ধামকো গণনা কৰা হৈছে।

এইবোৰ চকুৰে দেখা প্ৰমাণ সন্ত গৰীবদাস মহাৰাজে বৰ্ণনা কৰিছে অৰ্স কুৰ্স পৰ সফেদ গুম্বজ হ্যায় জহাঁ সৎ গুৰু কা ডেৰা। ভাবাৰ্থ যে আকাশৰ সৰ্বোপৰি স্থানৰ ওপৰত কবীৰ পৰমেশ্বৰে এক বগা গম্বুজৰ ভিতৰত সিংহাসনৰ ওপৰত বিৰাজমান হৈ থাকে।

ঋকবেদ মণ্ডল ৯, সুক্ত ৯৬, মন্ত্ৰ ১৯

চমুষচ্চেছয়ন ঃ শকুনো বিভ্ৰত্বা গোবিন্দুৰদ্ৰপস আয়ু ধানি বিভ্ৰৎ।
অপামূৰ্ভি সচমানা ঃ সমূদ্ৰং তুৰীয়ং ধাম মহিষো বিবক্তি।। ১৯ ।।
চমুসৎ শ্বেনঃ শকুনঃ বিভ্ৰত্বা গোবিন্দুঃ দ্ৰপস আয়ুধানি বিভ্ৰৎ।
অপামুৰ্ভি সচমানঃ সমুদ্ৰম তুৰীয়ম ধাম মহিষঃ বিবক্তি।।

অনুবাদ ঃ- (চমূসত) পৱিত্ৰ (গোবিন্দঃ) কাম ধেনু ৰূপী সৰ্ব মনোকামনা পূৰন কৰোতা পূৰ্ণ পৰমাত্মা কবীৰদেৱ (বিভ্ৰত্বা) সকলোৰে পালন কৰ্তা (শ্বেনঃ) বগা ৰঙৰ (শকুনঃ) শুভ লক্ষন যুক্ত (চমুসত) সৰ্ব শক্তিমান। (দ্ৰপসঃ) যেনেকৈ গাখীৰৰ পৰা দৈ বনোৱা বিধি আছে ঠিক তেনেকৈ শাস্ত্ৰানুকুল সাধনাৰ দ্বাৰা দৈ ৰূপী পূৰ্ণ মুক্তিদাতা (আয়ুধানি) তত্বজ্ঞান ৰূপী কালৰ জাল বিনাশক ধনুধাৰী সাৰঙ্গপানী প্ৰভু। (সচমানঃ) বাস্তৱিক (বিভ্ৰ) সৰ্ব পালন পোষন কৰ্তা। (অপামুভিঃ) গভীৰ পানী যুক্ত (সমুদ্ৰ) সাগৰৰ দৰে গভীৰ গম্ভীৰ অৰ্থাৎ বিশাল (তুৰীয়ম) চতুৰ্থ (ধাম) লোক অৰ্থাৎ অনামী লোকত (মহিষঃ) উজ্জল সুদৃঢ় পৃথিৱীৰ ওপৰত (বিৰক্তি) বেলেগ স্থানৰ ওপৰত ভিন্নও থাকে এই সুচনা কবীৰদেৱৰ স্বয়ং ভিন ভিন কৰি বিস্তাৰ ৰূপে দিয়ে।

ভাবাৰ্থ ঃ-মন্ত্ৰ ১৮ ত কৈছে যে পূৰ্ণ পৰমাত্মা কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) তৃতীয় মুক্তিধাম অৰ্থাৎ সৎলোকত এক গম্বুজৰ ভিতৰত সিংহাসনৰ ওপৰত বিৰাজমান হৈ থাকে। এই মন্ত্ৰৰ ১৯ নং কৈছে যে অত্যাধিক বগা ৰঙৰ পূৰ্ণ প্ৰভু যি কাম ধেনুৰ দৰে সৰ্ব মনোকামনা পূৰ্ণকাৰী, সিজনে বাস্তৱত সকলোৰে পালন কৰ্তা। তেওঁৱে কবীৰদেৱ যিয়ে মৃত্যু লোকত শিশুৰূপ ধাৰণ কৰি আহে আৰু যেনেকৈ গাখীৰৰ পৰা দৈ হয় ঠিক তেনেকৈ পূৰ্ণ মোক্ষ পোৱাৰ বাবে শাস্ত্ৰবিধি অনুসৰি ভক্তি সাধনাৰ জ্ঞান প্ৰদান কৰি পূৰ্ণ মোক্ষ ৰূপী দৈ প্ৰদান কাৰী তত্ত্বজ্ঞান ৰূপী শাস্ত্ৰ অৰ্থাৎ ধনুৰ্ধাৰী হোৱা সাৰঙ্গপানী আৰু সাগৰ যেনেকৈ সকলো পানীৰ উৎস বা স্ৰোত তেনেকৈ পূৰ্ণ পৰমাত্মাৰ পৰা সকলোৰে উৎপত্তি হৈছে। গীতা অধ্যায় ১৫ মন্ত্ৰ ৩ নং কৈছে যে সংসাৰ ৰূপী বৃক্ষক তত্ত্বজ্ঞান ৰূপী অস্ত্ৰৰ দ্বাৰা কাটি বা ছেদন কৰি অৰ্থাৎ তত্বজ্ঞানৰ দ্বাৰা সংশয় সমাপ্ত কৰি তাৰ পিছত সেই পৰম পদ পৰমেশ্বৰক বিচাৰিব লাগে য'লৈ গৈ সাধক কেতিয়াও জন্ম-মৃত্যুৰ সংসাৰলৈ উভতি নাহে অৰ্থাৎ পূৰ্ণ মুক্তি হয়। পৰমেশ্বৰৰ দ্বাৰাই সৰ্ব সংসাৰ ৰূপী বৃক্ষৰ প্ৰবৃত্তি বিস্তাৰ হৈছে। সিজন পূৰ্ণ প্ৰভূ চতুৰ্থ ধাম অৰ্থাৎ অনামী লোকত বিৰাজিত হৈ থাকে। যেনে প্ৰথমে সৎলোক দ্বিতীয়তে অলখ লোক, তৃতীয় অগম লোক, চতুৰ্থ অনামী লোক। এই বাবে মন্ত্ৰ নং ১০ ত স্পষ্ট কৰিছে যে কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) অনামী পুৰুষ ৰূপত চতুৰ্থ ধাম অৰ্থাৎ অনামী লোকতো অন্য জ্যোতিৰ্ময় ৰূপ ধাৰণ কৰি থাকে।

ঋকবেদ মণ্ডল ৯, সুক্ত ৯৬, মন্ত্ৰ ২০

মৰ্যো ন শুভ্ৰংস্তনম্ মৃজানঃ অত্যঃ সৃত্বা সনয়ে ধনানাম্
বৃষেব যুথা পৰিকোশম অৰ্ষন কনিক্ৰদচ্চম্বো ইৰা বিৱেশ।। ২০
মৰ্য্যঃ ন শুভ্ৰস্তন্যম মৃজানঃ অত্যঃ সৃত্বা সনয়ে ধনানাম্
বৃষেব যুথা পৰিকোশম্ অৰ্ষন্ কনিক্ৰন্দৎ চম্বোঃ ইৰা বিৱেশ।

অনুবাদ - পূৰ্ণ পৰমাত্মা যি চতুৰ্থ ধাম অৰ্থাৎ অনামী লোকত তথা তৃতীয় ধাম অৰ্থাৎ সত্যলোকত অৱস্থান কৰে সেইজন পৰমাত্মা (ন মৰ্য়ঃ) মানুহৰ নিচিনা কিন্তু অবিনাশী, অৰ্থাৎ অমৰ (মৃজনঃ) নিৰ্মল মুখমণ্ডল যুক্ত আকাৰত (অত্যঃ) বহুত (শুভ্ৰ স্তন্য) বিশাল বগা শৰীৰ ধাৰণ কৰা ওপৰৰ লোকত বিদ্যমান তথা তাৰে পৰাই (সৃত্বা) গতি কৰি অৰ্থাৎ চলয়মান হৈ যাৰ কোনোৱে উৱাদিহ নেপাই সেইজন সমৰূপী পৰম াত্মা (ই) পৃথিৱীৰ ওপৰত (বিৱেশ) অন্য বেশ ভূষা অৰ্থাৎ ভিন্ন ৰূপ (চম্বোঃ) ধাৰন কৰি আহে। সৎলোক তথা পৃথিৱী লোকৰ ওপৰত লীলা কৰে (যথা) বৰ বিশাল সম ূহ জনক বাস্তৱিক (সনয়ে) সনাতন পূজাৰ (বৃষেব) বৰিষন কৰি (ন ধনানাম) সেই ৰাম নামৰ পূণ্যফলৰ দ্বাৰা নিৰ্ধনীক (কনিক্ৰন্দ) মন্দ স্বৰত অৰ্থাৎ উশাহ-নিশাহত মনে মনে উচ্চাৰণ কৰি পূজা কৰোৱায়, যৰ পৰা অসংখ্য অনুগত অনুসৰণ কাৰীৰ গোটেই সংঘ পূৰ্বৰ সুখ সাগৰ ৰূপী অমৃত খাজানা অৰ্থাৎ সত্যলোকক (অৰ্ষন) ভক্তি সাধন কৰি প্ৰাপ্ত কৰে।

ভাবাৰ্থ ঃ- পূৰ্ণ পৰমাত্মা কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) ওপৰৰ তৃতীয় ধাম অৰ্থাৎ সত্যলোকত বিৰাজমান হৈ থাকে আৰু পৰমেশ্বৰ আন মনুষ্য ৰূপ ধাৰণ কৰি চতুৰ্থ ধাম অৰ্থাৎ অনামী লোকতো বিদ্যমান হৈ থাকে। সিজন পৰমাত্মা মানুহৰ নিচিনা সমৰূপ

সুন্দৰ মুখমণ্ডল যুক্ত বগা শৰীৰৰ আকাৰ ধাৰণ কৰি এই পৃথিৱী লোকৰ ওপৰত আহি আৰু নিজৰ বাস্তৱিক পূজাৰ বিধি বিধান জ্ঞান প্ৰদান কৰি সমূহ অনুগত শিষ্য ভকতক সত্য ভক্তিৰ দ্বাৰা পূণ্যবান কৰে, অসংখ্য অনুগত অনুসৰন কাৰীৰ সত্য ভক্তিৰ পুণ্যফলৰ দ্বাৰা পূৰ্বৰ সুঃখময় লোক পূৰ্ণ মুক্তিৰ স্থান অৰ্থাৎ সত্যলোক প্ৰাপ্ত কৰোৱায়।

অথৰ্ববেদ কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ নং ৭ (সন্ত ৰামপাল দাস দ্বাৰা ভাষা ভাষ্য):

যোঅথৰ্বানং পিত্তৰং দেববন্ধুং বৃহস্পতিং নমসাৱ চ গচ্ছাত্।

ত্বং বিশ্বেষাং জনিতা যথাসঃ কবিদেবো ন দভায়ত্ স্বধাৱান্।। ৭।।

যঃ---অথৱাৰ্নম--- পিত্তৰম--- দেৱবন্ধুম--- বৃহস্পতিম--- নমসা--- অৱ--- চ--- গচ্ছাত--- ত্বম--- বিশ্বেষাম--- জনিতা--- যথা--- সঃ--- কবিৰ্দেবঃ ন--- দভায়ত--- স্বধাৱান।

অনুবাদ ঃ- (যঃ) যি (অথবানৰ্ম) অচল অৰ্থাৎ অবিনাশী (পিত্তৰম্) জগত পিতা (দেব বন্ধুম) ভকতৰ বাস্তৱিক লগৰীয়া অৰ্থাৎ আত্মাৰ আধাৰ (বৃহস্পতিম) সকলোতকৈ ডাঙৰ গৰাকী জ্ঞান দাতা জগতগুৰু (চ) তথা (নমসা) বিনম্ৰ পুজাৰী অৰ্থাৎ বিধিবত্ ভক্তি সাধন কৰা সাধকক (অব) সুৰক্ষাৰে সৈতে (গচ্ছাত) যি সৎলোকলৈ গৈছে সিহঁতক লৈ যোৱা (বিশ্বেষাম্) সৰ্ব ব্ৰহ্মাণ্ডৰ (জনিতা) স্ৰষ্টা (নদভায়ত) কালৰ দৰে নঠগোৱা (স্বধাবান) স্বভাব অৰ্থাৎ গুনৰ (যথা) যেনেকুৱা তেনেকুৱা অৰ্থাৎ তেনেকুৱাই (সঃ) তেওঁ (ত্বম) আপুনি (কবীৰ্দেবঃ/কবি/দেবঃ) কবীৰ পৰমেশ্বৰ অৰ্থাৎ কবীৰদেব।

ভাবাৰ্থ ঃ- যি পৰমেশ্বৰৰ বিষয়ে কোৱা হয় যে ত্বমেব মাতা চ পিতা ত্বমেব, ত্বমেব বন্ধু চ সখা ত্বমেব, ত্বমেব বিদ্যা চ দ্ৰবিনম্, ত্বমেব সৰ্বম্ মম্ দেব দেব।। সিজনে অবিনাশী সকলোৰে মাতা-পিতা তথা ভাই, সখা, জগত গুৰু ৰূপে সকলোকে সত্য ভক্তি প্ৰদান কৰোতা সৎলোকলৈ লৈ যোৱা কাল ব্ৰহ্মৰ দৰে প্ৰবঞ্চনা নকৰা সৰ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা তেওঁ কবীৰদেব (কবীৰ পৰমেশ্বৰ)।

## কবীৰ চাহেব চাৰিও যুগতে আহে

সৎ গুৰু পুৰুষ কবীৰ হ্যায়, চাৰোঁ যুগ প্ৰৱান

ঝুঠে গুৰুৱা মৰ গয়ে, হো গয়ে ভূত মসান।।

**“সত্য যুগত কবীৰদেব (কবীৰ পৰমেশ্বৰ) সৎসুকৃত নামেৰে অৱতৰণ।”**

তত্বজ্ঞানৰ অভাৱত শ্ৰদ্ধালুৱে শংকা ব্যক্ত কৰে যে তাঁতীৰ ৰূপত থকা কবীৰদেব বিক্ৰম চনত ১৪৫৫ (চন ১৩৯৮) কাশীলৈ আহে। বেদত এই কাশী বাসী কবীৰ দেব তাঁতী (বস্ত্ৰ বোৱা শিপিনী) কেনেকৈ পূৰ্ণ পৰমাত্মা হব পাৰে ?

এই বিষয়ে দাস (সাধু ৰামপাল দাস)ৰ প্ৰাৰ্থনা এইটোৱে যে এই জন পূৰ্ণ পৰমাত্মা কবীৰদেব (কবীৰ পৰমেশ্বৰ) বেদৰ জ্ঞানৰ অতি আগেয়ে সৎলোকত বিদ্যমান আছিল আৰু নিজৰ বাস্তৱিক জ্ঞান (তত্বজ্ঞান) দিবৰ বাবে চাৰিও যুগত স্বয়ং অবতাৰিত হৈছিল। সত্য যুগত সৎসুকৃত নামেৰে, ত্ৰেতাযুগত মুনিন্দ্ৰ নামেৰে, দ্বাপৰত কৰুণাময় নামেৰে আৰু কলিযুগত বাস্তৱিক কবীৰদেব (কবীৰ প্ৰভু) নামেৰে প্ৰকট হৈছিল। ইয়াৰ বাহিৰেও কেতিয়াবা অন্য ৰূপ ধাৰণ কৰি প্ৰকট হৈ নিজৰ লীলা কৰি অন্তৰ্ধান হয়। সেই সময়ত লীলা কৰিবলৈ আহোতে ঈশ্বৰক বিচৰা প্ৰভু প্ৰেমী শ্ৰদ্ধাশীল ভকতে চিনিব পৰা নাছিল, কাৰণ সেই সময়ৰ ঋষি, মুনি, সাধু, সন্ত, পণ্ডিত, গুৰু আদি সকলোৱে ঈশ্বৰক

নিৰাকাৰ বুলি প্ৰচাৰ কৰিছিল। কিন্তু বাস্তৱত পৰমাত্মাৰ আকাৰ আছে মনুষ্য সদৃশ শৰীৰৰ নিচিনা। পৰন্তু পৰমেশ্বৰৰ শৰীৰ পঞ্চভূতৰ দ্বাৰা তৈয়াৰী নহয়। এক জ্যোতি তত্ত্বৰ দ্বাৰা নিৰ্মিত শৰীৰ। পূৰ্ণ পৰমাত্মা যেতিয়াই বিচাৰে তেতিয়াই প্ৰকট হব পাৰে। তেখেতে কেতিয়াও মাকৰ গৰ্ভৰ পৰা জন্ম নলয় কাৰণ সিজন সৰ্ব ব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তা।

পুৰ্ণ ব্ৰহ্ম কবীৰদেব সত্যযুগত সৎসুকৃত নামেৰে স্বয়ং প্ৰকট হৈছিল। সেই সময় গৰুড়দেব, শ্ৰী ব্ৰহ্মাদেব, শ্ৰীবিষ্ণুদেব, শ্ৰীশিৱ দেবক সৎজ্ঞান বুজাইছিল। শ্ৰীমনু মহৰ্ষিকো তত্ত্বজ্ঞান বুজাব খুজিছিল কিন্তু মনুদেৱে পৰমেশ্বৰৰ জ্ঞানৰ সত্যতা নাজানি শ্ৰীব্ৰহ্মাদেৱৰ পৰা শুনা বেদৰ জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ অভিজ্ঞতাৰে লিখা মনুস্মৃতিৰ ওপৰতে আৰূঢ় হয়। ইয়াৰ বিপৰীতে পৰমেশ্বৰ সৎসুকৃত দেৱক উপহাস কৰিবলৈ ধৰে যে আপুনি সকলো ওলোটা জ্ঞান প্ৰচাৰ কৰি আছে। এই কাৰণে পৰমেশ্বৰ সৎসুকৃতৰ উপলুঙা নাম বামদেব ৰাখিলে। (বামদেবৰ অৰ্থ ওলোটা বা বিপৰীত)

এইদৰে সত্যযুগত পৰমেশ্বৰ কবীৰদেব সৎসুকৃত নামেৰে আহিছিল আৰু সেই সময়ত ঋষি মুনি, সাধকক বাস্তৱিক জ্ঞান বুজাইছিল। কিন্তু সিবিলাকে স্বীকাৰ কৰা নাছিল। ইয়াৰ পৰিবৰ্তে সৎসুকৃত নামৰ ঠাইত পৰমেশ্বৰক বামদেৱ বুলি উপলুঙা নাম ক'বলৈ ধৰিলে।

এই বাবে যজুৰ্বেদ অধ্যায় ১২, মন্ত্ৰ ৪ বৰ্ণিত আছে যে যুজুৰ্বেদৰ বাস্তৱিক জ্ঞানক বামদেব ঋষিয়ে শুদ্ধকৈ জানে আৰু আনকো বুজায়। পবিত্ৰ বেদৰ জ্ঞান বুজিবলৈ বিচাৰ বিবেচনা কৰক - যেনে যজুৰ্বেদ এখন পবিত্ৰ গ্ৰন্থ। ইয়াৰ বিষয়ে সংস্কৃতত যতেই বৰ্ণনা কৰক যজুঃ অথবা যজুম আদি শব্দ লিখিলেও পবিত্ৰ কিতাপ যজুৰ্বেদকে বুজাব। এইদৰে পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক নাম কবীৰদেব। ইয়াক বিভিন্ন ভাষাত কবীৰ চাহেব, কবীৰ পৰমেশ্বৰ বুলিবলৈ ল'লে। কোনো শ্ৰদ্ধাশীল ব্যক্তিয়ে শংকা ব্যক্ত কৰে যে কবিক কেনেকৈ কবীৰ সিদ্ধ কৰা হ'ল ? ব্যাকৰণৰ দৃষ্টিকোনৰ পৰা কবিঃৰ অৰ্থ সৰ্ব্বজ্ঞ বুজায়। দাসৰ প্ৰাৰ্থনা এই যে যিকোনো শব্দ এটাৰ অৰ্থ আছে আৰু সৰল ব্যাকৰণৰ প্ৰসঙ্গও আছে। ভাষা প্ৰথমে উৎপত্তি হৈছে কিয়নো বেদৰ বাণী প্ৰভূৰ দ্বাৰা উচ্চাৰণ হৈছে, তথা পিছত সাধু, মুনি, ঋষিৰ দ্বাৰা ব্যাকৰণ তৈয়াৰ হৈছে। এইটো ক্ৰটী পূৰ্ণ হবও পাৰে। বেদৰ অনুবাদত (ভাষা-ভাষ্য) ব্যাকৰণ ব্যতিক্ৰম অৰ্থাৎ অসংগত আৰু বিৰুদ্ধ ভাব আছে। কিয়নো বেদৰ বাণী মন্ত্ৰৰ দ্বাৰা পদত ৰচিত। যেনেকুবা পলবল চহৰৰ ওচৰ চুবুৰীয়া ব্যক্তিয়ে পলবলৰ সলনি পৰবৰ বোলে। যদি কোনোৱাই কয় পলবলক কেনেকৈ পৰবৰ সিদ্ধ কৰিলে? এইটোও কবিৰ কেনেকৈ কবীৰ সিদ্ধ হ'ল বুলি কোবা কথা মাথোন হে। যেনেকুবা ক্ষেত্ৰীয় ভাষাত পলৱল চহৰক পৰবৰ কয়। এইদৰে কবিৰক কবীৰ বোলে, পৰমেশ্বৰ প্ৰভু তেওঁৱেই। মহৰ্ষি দয়ানন্দ দেৱে 'সত্যাৰ্থ প্ৰকাশ' পৰিচ্ছেদ ৪, পৃষ্ঠা ১০০ ৰ ভিতৰত (দয়ানন্দ মঠ দীনানগৰ পঞ্জাৱৰ পৰা প্ৰকাশিত) 'দেবৃকামা'ৰ অৰ্থ দেৱৰৰ কামনা কৰা বুজাইছে, দেবৃ শব্দক সম্পূৰ্ণ কৰি ৰ লগাই দেবৰ কৰিছে। ঠিক তেনেকৈ কবিৰক কবীৰ ভাষা ভিন্ন কওঁতে বা লিখোতে ব্যাকৰণৰ দৃষ্টি কোনৰ পৰা কোনো ক্ৰটি নাই। পূৰ্ণ পৰমাত্মা কবীৰদেব, এই প্ৰমান যুজুৰ্বেদ অধ্যায় ২৯, মন্ত্ৰ ২৫ তথা ১৪০০সামবেদ সংখ্যা ভিতৰতে আছে যি নিম্ন বৰ্ণিত----

যুজুৰ্বেদ অধ্যায় নং ২৯, শ্লোক নং ২৫ (সন্ত ৰামপাল দাসৰ ভাষা ভাষ্য) ঃ

সমিদ্ধো অদ্য মনুষো দুৰোনে দেব দেবান্যযসি জাতবেদঃ।।
আ-চ ৱহ মিত্রমহশ্চি কিত্বান্ত্যং দুতঃ কবিৰসি প্ৰচেতাঃ।। ২৫।।

সমিদ্ধ - অদ্য---মনুষঃ দুৰোনে---দেবঃ---দেবান---যজ---অসি --- জাতবেদঃ- আ---চ---ৱহ--- মিত্রমহঃ --- চিকিত্বান্ ---ত্বম --- দূতঃ --- কবিৰ --- অসি --- প্ৰচেতাঃ

অনুবাদঃ- (অদ্য) আজি অৰ্থাৎ বৰ্তমানে (দুৰোনে) দেহ ৰূপ গৃহত দুৰাচাৰ পূৰ্বক (মনুষঃ) ভণ্ড পূজাত লীন হোৱা আগ্ৰহ শীল ব্যাক্তিক (সমিদ্ধঃ) লগোৱা, জুই অৰ্থাৎ শাস্ত্র বিধি বিৰুদ্ধ বৰ্তমানৰ পূজা, ভক্তি সাধন যি হানিকাৰক হৈ আছে, তাৰ ঠাইত (দেবা) দেবতা সকলৰো (দেবঃ) দেৱতা (জাতবেদঃ) পূৰ্ণ পৰমাত্মা সৎপুৰুষৰ বাস্তৱিক (যজ) পূজা (অসি) আছে। (আ) দয়ালু, (মিত্ৰমহঃ) জীৱৰ বাস্তৱিক লগৰীয়া পূৰ্ণ পৰমাত্মাই নিজৰ (চিকিত্বান) সুস্থ জ্ঞান অৰ্থাৎ যথাৰ্থ ভক্তিৰ (দুতঃ) বাৰ্তাবাহক ৰূপত (ৱহ) লৈ অহা (চ)তথা (প্ৰচেতাঃ) জ্ঞান দিওঁতা (ত্বম) আপুনি (কবিৰসি) কবীৰদেব অৰ্থাৎ কবীৰ পৰমেশ্বৰ।

ভাবাৰ্থঃ- যি সময়ত পূৰ্ণ পৰমাত্মা প্ৰকট হয় সেই সময়ত সাধু, মুনি, ঋষি, গুৰু, সকলে শাস্ত্ৰবিধি ত্যাগ কৰি ইচ্ছানুযায়ী আচৰণ অৰ্থাৎ ভণ্ড পূজাৰ দ্বাৰা সৰ্ব ভক্ত সমাজক মাৰ্গ দৰ্শন কৰাই থাকে। তেতিয়া নিজক তত্ত্বজ্ঞান অৰ্থাৎ সুস্থ জ্ঞানৰ বাৰ্তাবাহক সাজি স্বয়ং কবীৰ দেব অৰ্থাৎ কবীৰ প্ৰভু আহে।

সংখ্যা নং ১৪০০ সামবেদ উতাৰ্চিক অধ্যায় নং ১২, খণ্ড নং ৩, শ্লোক নং ৫ঃ
(সন্ত ৰামপাল দাস দ্বাৰা ভাষা-ভাষ্য) ঃ

ভদ্ৰা বস্ত্ৰা সমন্যউৱসানো মহান কবিনিৰ্বচনানি শংসন।।
আ বচ্যস্ব চম্বোঃ পুয়মানো বিচক্ষনো জাগৃবিদেববীতৌ।। ৫ ।।

ভদ্ৰা-বস্ত্ৰা-সমন্যা-বসানঃ-মহান-কবিৰ-নিৱচনানি-শংসন-আৱচ্যস্ব-চম্বোঃ-পুয়মানঃ বিচক্ষণ ঃ-জাগৃবিঃ-দেব বীতৌ।।

অনুবাদ ঃ- (বিচক্ষণঃ) চতুৰ ব্যাক্তিয়ে (আৱচ্যস্ব) নিজৰ বচনৰ দ্বাৰা কয় যে আমি যি প্ৰবচন কৰো তাকে অনুসৰণ কৰা। সেই চতুৰ ব্যাক্তি বিলাকে পূৰ্ণ ব্ৰহ্মৰ পূজাৰ কথা নকৈ আন উপাসনাৰ মাৰ্গ দৰ্শন কৰোৱাই অমৃতৰ সলনি (পুয়মানঃ) অইন উপাসনা ৰূপী পূঁজা (যেনে ভূত-প্ৰেত, স্মশান-মশান, পিত্ৰ পূজা, তিনি গুনৰ (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ-শিৱ শংকৰ) তথা কাল/ব্ৰহ্মৰ পূজা আদিক (চম্বোঃ) বৰ আদৰ সৈতে আচমন কৰাই থকা অৰ্থাৎ শাস্ত্ৰ বিৰুদ্ধ ভুল জ্ঞানক সমাপ্ত কৰিবৰ বাবে (ভদ্ৰা) পৰম সুখদায়ক (মহান কবিৰ) মহান কবি অৰ্থাৎ পূৰ্ণ পৰমাত্মা কবীৰ (বস্ত্ৰা) সশৰীৰ সাধাৰণ বেশ-ভূষাৰে 'অৰ্থাৎ বস্ত্ৰৰ অৰ্থ হল বেশ-ভূষা, সাধু-সন্তৰ ভাষাত ইয়াক চোলা বুলিও কয়, চোলাৰ অৰ্থ হল শৰীৰ। যদি কোনো সাধু সন্তৰ দেহান্ত হৈ যায় তেন্তে কোবা হয় যে চোলা এৰি গল" (সমন্যা) নিজৰ সৎলোকৰ শৰীৰ সদৃশ অন্য শৰীৰ হালকা জ্যোতি ধাৰণ কৰি (বসানঃ) সাধাৰণ ব্যাক্তিৰ দৰে জীবন যাপন কৰি, কিছুদিন অতিথিৰ দৰে সংসাৰত বাস কৰি (নিবচনানি) নিজৰ শব্দাৱলী কবীৰ বাণী আদিৰ মাধ্যমত সৎজ্ঞান (শংসন) বৰ্ণনা কৰি (দেব) পূৰ্ণ পৰমাত্মাৰ (বিতৌ) লুকাই থকা সগুণ-নিৰ্গুণ জ্ঞান ৰূপী ধনক (জাগৃবিঃ) জাগ্ৰত কৰে।

ভাবাৰ্থ ঃ- যজুৰ্বেদ অধ্যায় ৫, মন্ত্ৰ ১ ত কৈছে যে অগ্নে তনঃ পৰমেশ্বৰ সশৰীৰে বিদ্যম

ান। বিষ্ণুয়ে ত্বা সোমস্য তনুঃ অসি সেই অমৰ প্ৰভুৰ পালন পোষণ কৰিবৰ বাবে অন্য শৰীৰ আছে যি অতিথি ৰূপত কিছু দিন সংসাৰলৈ আহে। তত্বজ্ঞানৰ দ্বাৰা অজ্ঞান টোপনিত শুই থকা প্ৰভু প্ৰেমী ভকতক জগাই তোলে। সেইটো প্ৰমাণ এই মন্ত্ৰত আছে যে কিছু সময়ৰ বাবে পূৰ্ণ পৰমাত্মা কবীৰদেব অৰ্থাৎ কবীৰ পৰমেশ্বৰ নিজৰ ৰূপ সলনি কৰি সামান্য ব্যক্তিৰ নিচিনা ৰূপেৰে পৃথিৱী মণ্ডলৰ ওপৰত প্ৰকট হয় তথা “কবি নিবচনানি শংসন” অৰ্থাৎ কবীৰ বাণী প্ৰচাৰ কৰে যাৰ মাধ্যমত তত্বজ্ঞান জাগৃত হয় সেই সময়ত সাধু, গুৰু, বৈষ্ণৱ বোলা চতুৰ প্ৰাণীবোৰে মিথ্যা জ্ঞানৰ আধাৰৰ ওপৰত শাস্ত্ৰ বিধি অনুসৰি সত্য সাধনা ৰূপী অমৃতৰ ঠাইত শাস্ত্ৰ বিধি বিৰুদ্ধ পূজা ৰূপী পূঁজক সৈতে আচমন অৰ্থাৎ পূজা সেৱা কৰে। সেই সময়ত পূৰ্ণ পৰমাত্মা স্বয়ং প্ৰকট হৈ তত্বজ্ঞানৰ দ্বাৰা শাস্ত্ৰ বিধি অনুসৰি পূজা, ভক্তি সাধনাৰ জ্ঞান প্ৰদান কৰে।

যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ১ ঃ-

অগ্নে তনুঃ অসি। বিষ্ণৱে ত্বা সোমস্য তনুঃ অসি। বিষ্ণৱে ত্বা অতিথেঃ অতিথ্যম্ অসি। বিষ্ণৱে ত্বা শ্যেনায়, ত্বা সোম ভন্তে বিষ্ণৱে ত্বা অগ্নয়ে ত্বা ৰায়ঃ পোষদে বিষ্ণৱে ত্বা।

অনুবাদ ঃ- এই মন্ত্ৰত পৰমেশ্বৰৰ দুটা স্থিতিৰ বৰ্ণনা আছে। এটাত পৰমেশ্বৰ ওপৰৰ লোকসমূহত তেজোময় শৰীৰযুক্ত। আনটো স্থিতিত পৰমেশ্বৰে ঋষি বা সন্তৰ বেশভূশাত সাধাৰণ ব্যক্তিৰ দৰে শৰীৰ ধাৰণ কৰি সকলো আত্মাক চম্ভালে। অতিথিৰ অৰ্থ হল যাৰ আগমণৰ কোনো পূৰ্ব নিৰ্দ্ধাৰিত তিথি নাথাকে। সেই পৰমাত্মাৰ অতিথি ৰূপত অহাৰ দুটা স্থিতি আছে, যেনে ঃ-

১। পৰমাত্মা কিছু সময় সংসাৰত থাকি সাধাৰণ ব্যক্তিৰ দৰে জীৱন যাপন কৰি তত্বজ্ঞান প্ৰচাৰ কৰে। যেনে পৰমেশ্বৰ কবীৰ ৰূপত প্ৰকট হৈ বাৰাণসী (কাশী) চহৰত ১২০ বছৰ আছিল। হঠাতে পদুম ফুলত শিশুৰূপত প্ৰকট হল, আকৌ লীলা কৰি ডাঙৰ দীঘল হল। সংসাৰত ১২০ বছৰ অতিথি ৰূপত থাকি সোঁশৰীৰে সত্যলোকত (নিজৰ ঠাইত) গুচি গল। দ্বিতীয় স্থিতি এনেকুৱা পৰমাত্মা হঠাতে সন্ত বা ঋষি ৰূপত বা অন্য সাধাৰণ মানৱ ৰূপত প্ৰকটহৈ নিজৰ বিশেষ ভক্তক দৰ্শন দিয়ে। তেওঁক তত্বজ্ঞান বুজায় আৰু নিজৰ সত্যলোক দেখুৱাই ঘূৰাই পঠিয়াই দিয়ে। তেতিয়া সেইজন পৰম ভক্তই সেই পৰমাত্মাৰ মহিমা বৰ্ণনা কৰে, যি তেওঁ নিজ চকুৰে দেখিছিল। ইয়াক শেন চৰাই বা অলল পক্ষীৰ নিচিনা ক্ৰিয়া কৈছে। শেনে তীব্ৰ গতিৰে অন্য পক্ষীৰ ওপৰত ছোঁ মাৰি পৰে আৰু তাক লৈ অতি বেগেৰে গুচি যায়। এই দৰেই এবিধ অলল (বায়ু/আকাশত থকা) পক্ষীৰ লগত তুলনা কৰিছে। অলল পক্ষীয়ে শীঘ্ৰে তললৈ আহি হাতীক উঠাই শীঘ্ৰে ওপৰ আকাশলৈ গতি কৰে। তেনেদৰেই পৰমাত্মা হঠাত প্ৰকট হৈ সন্ত নানক দেৱক বেঈ নদীৰ পাৰত লগ পালে। সত্যলোক দেখুৱাই তৃতীয় দিনা হঠাতে পৃথিৱীত এৰি দিলে। তাৰ পাছত সন্ত নানক চাহাবে পূৰ্ণ পৰমাত্মাৰ নিজ চকুৰে দেখা মহিমাৰ গুণানুকীৰ্তন কৰিলে। ইয়াৰ বিৱৰণ তেওঁৰ অমৃতবাণীত গুৰু গ্ৰন্থ চাহিবত মহলা পহলাত বিদ্যমান আছে। এইদৰে ১৭২৭ চনত সন্ত গৰীবদাস দেৱকো হৰিয়ানাৰ ঝজ্জৰ জিলাৰ ছুড়ানী গাওঁৰ নলা নামৰ পথাৰত পৰমেশ্বৰে এজন সন্ত (জিন্দা মহাত্মা) ৰূপত আহি লগ পালে। সত্যলোক দেখুৱাই সিদিনাই ঘূৰাই পৃথিৱীত এৰি দিলে। তাৰ পাছত সন্ত গৰীবদাস চাহাবে পৰমাত্মাৰ নিজ চকুৰে দেখা মহিমা বৰ্ণনা কৰিলে। এই বৰ্ণনা তেওঁৰ

অমৃত বাণীত সদগ্রন্থ “বাণী গৰীবদাস”ত বিদ্যমান আছে। এইদৰে সন্ত দাদু চাহাবক লগ পাইছিল। সন্ত ঘীচাদাস চাহাবক লগ পাইছিল। সন্ত মলুক দাস চাহাব, সন্ত ধৰ্মদাস চাহাবক লগ পাইছিল। হজৰত মোহম্মদ চাহাব আৰু ৰজা অব্ৰাহিম অধম চুলতানক লগ পাইছিল। অন্য বহুতো মহাত্মাক পূৰ্ণ প্ৰভূ অতিথি ৰূপত আহি দ্বিতীয় বিধিৰে লগ পাইছিল আৰু নিজৰ যথাৰ্থ আধ্যাত্মিক জ্ঞান (তত্ত্বজ্ঞান) প্ৰচাৰ কৰিছিল। আচাৰ্য স্বামী ৰামানন্দক লগ পালে আৰু তেওঁক সত্যলোক দেখুৱালে। আচাৰ্য স্বামী ৰামানন্দদেৱে নিজ চকুৰে দেখি পূৰ্ণ পৰমেশ্বৰ কবীৰদেৱৰ মহিমাৰ বৰ্ণনা কৰিছিল।

দোহু ঠৌৰ হৈ একতু ভয়া এক সে দো। হে কবীৰ হম কাৰণে আয়ে হো মগ জোয়।

স্বামী ৰামানন্দদেৱে কৈছে-কবীৰ পৰমেশ্বৰ আপুনিয়েই ওপৰত তেজোময় শৰীৰত আৰু ইয়াতো, দুয়ো স্থানত আপুনিয়েই আছে।

(অগ্নেঃ) স্বপ্ৰকাশিত পৰমেশ্বৰ (তনুঃ) সোঁশৰীৰে আছে অৰ্থাৎ পৰমেশ্বৰ তেজোময় শৰীৰযুক্ত। (বিষ্ণৱে) পালন-পোষন কৰিবলৈ অৰ্থাৎ সম্পূৰ্ণ লোকৰ আত্মাৰ আৱশ্যকতা পূৰণ কৰিবলৈ (ত্বা) সেই (সোমস্য) অমৰ পুৰুষৰ অৰ্থাৎ অবিনাশী পৰমাত্মাৰ (তনুঃ) শৰীৰ (অসি) আছে। সোমপুৰুষ অৰ্থাৎ অমৰ প্ৰভুৱে পালন পোষণ কৰে। তেওঁ অতিথি ৰূপে প্ৰৱেশ কৰে। অৰ্থাৎ হঠাৎ প্ৰকট হয়। {যাৰ অহাৰ তিথি (দিন) পূৰ্ব নিৰ্দ্ধাৰিত নহয় তেওঁক অতিথি অৰ্থাৎ আলহী বোলে।} (ত্বা) সেই পৰমেশ্বৰৰ (বিষ্ণৱে) তিনিও লোকতে প্ৰৱেশ কৰি পালন-পোষণ কৰিবলৈ আগমন হয়। (অতিথে) অতিথি ৰূপত প্ৰকট পৰমেশ্বৰ (অতিথ্যম) আতিথ্য অৰ্থাৎ পূজাৰ যোগ্য ((অসি) হয়। (ত্বা) সেই পৰমাত্মাৰ আগমন (বিষ্ণৱে) পালণ কৰিবলৈ, (সোমভন্তে) অমৰ সুখ প্ৰদান কৰিবলৈ অৰ্থাৎ পূৰ্ণ মোক্ষ মাৰ্গ প্ৰদান কৰি ভক্তিৰূপী অমৃতেৰে পৰিপূৰ্ণ কৰিবলৈ দুইধৰণে হয়। প্ৰথম, (ত্বা) সেই পৰমাত্মাৰ আগমণ (বিষ্ণৱে) কিছু সময় সংসাৰত ব্যাপক হবলৈ অৰ্থাৎ সংসাৰত মানুহৰ দৰে লীলা কৰি জীৱন যাপন কৰি পুণ্য আত্মা সকলক তত্ত্বজ্ঞান প্ৰদান কৰিবলৈ আৰু সকলো সুবিধা প্ৰদান কৰিবলৈ হয়। উদাহৰণ স্বৰূপে পৰমেশ্বৰ লীলা কৰিবলৈ চাৰিও যুগত শিশু ৰূপত প্ৰকট হৈ সময় অনুসাৰে সাধাৰণ ব্যক্তিৰ দৰে ডাঙৰ দীঘল হৈ কিছু সময় সংসাৰত থাকে। কলিযুগত পূৰ্ণ পৰমাত্মা কবীৰ নামেৰে কাশী চহৰত পদুম ফুলৰ ওপৰত ১৩৯৮ চনত প্ৰকট হল আৰু ১২০ বছৰলৈকে সংসাৰত বাস কৰিলে আকৌ সোঁশৰীৰে সত্যলোকলৈ ঘূৰি গল। দ্বিতীয়তে, (ত্বা) সেই পৰমাত্মাৰ আগমন (শ্যেমান) শেন পক্ষীৰ দৰে শীঘ্ৰে ঘূৰি যাবলৈ হয়। যেনেদৰে শেন চৰাই আৰু অলল পক্ষীয়ে নিজৰ আহাৰৰ বাবে অন্য প্ৰাণীৰ ওপৰত শীঘ্ৰে ছোঁ মাৰি পৰে আৰু তাক খামোচ মাৰি ধৰি শীঘ্ৰে ঘূৰি যায় তেনেদৰে অজ্ঞান নিদ্ৰাত শুই থকা সকলক জগাবলৈ পৰমাত্মা দ্বিতীয় স্থিতিত হঠাৎ প্ৰকট হয়। নিজৰ বিশেষ ভকতক তত্ত্বজ্ঞান উপদেশ দিয়ে। তেওঁক নিজৰ লগত নিজধাম সত্যলোকত লৈ যায়। সত্যলোকৰ সকলো দৃশ্য দেখুৱাই ভকতক পুনৰ পৃথিৱীলোকত এৰি দিয়ে। তাৰ পাছত সেই পৰমাত্মা প্ৰাপ্ত ভকতে নিজ চকুৰে দেখা পৰমাত্মাৰ মহিমা বৰ্ণনা কৰে। উদাহৰণ স্বৰূপে সন্ত নানকদেৱক বেই নদীৰ পাৰত লগ পাইছিল। তেওঁক সত্যলোকত লৈ গল। তিনিদিন পিছত সেই নদীতে ঘূৰাই পঠিয়ালে। তেনেদৰে হাৰিয়ানাৰ ঝজ্জৰ জিলাৰ ছুড়ানী গাঁৱৰ সন্ত গৰীব দাস দেৱক লগ পাইছিল আৰু সত্যলোকত লৈ গৈছিল, আৰু কিছু ঘন্টাৰ

পাছতেই পুনৰ পৃথিৱীত এৰি দিছিল। ওপৰোক্ত দুয়ো মহাত্মাই পৰমেশ্বৰৰ মহিমাৰ নিজ চকুৰে দেখা অৱস্থা বৰ্ণনা কৰিলে যি মহিমাৰ বৰ্ণনা দুয়ো সন্তৰ অমৃত বাণীত বিদ্যমান আছে। (ত্বা) সেই সমৰ্থ পৰমেশ্বৰে (অগ্নয়ে) স্বপ্ৰকাশিত হৈ থাকিবলৈ লীলা কৰে। (ত্বা) তেওঁৰ (বিষ্ণুৱে) সকলো লোকত প্ৰৱেশ কৰি পালন-পোষণ কৰিবলৈ আগম ন হয়। (ৰায়ঃ পোষদে) সেইজন কুলৰ গৰাকীহে সকলোৰে পালন কৰ্তা হয়। সকলো লীলা নিজৰ প্ৰাণীৰ সমৃদ্ধিৰ বাবেই কৰে।

পবিত্ৰ ঋকবেদৰ নিম্ন মন্ত্ৰতো আছে যেতিয়া সেই পূৰ্ণ পৰমাত্মা কিছু সময় সংসাৰত লীলা কৰিবলৈ আহে তেতিয়া শিশুৰূপ ধাৰণ কৰে। সেই সময়ত পুৰ্ণ পৰমাত্মাৰ প্ৰিয় খাদ্য (অধন্য ধেনবঃ) কুমাৰী দামুৰী পোৱালীৰ গাখীৰৰ দ্বাৰা হয়। আকৌ লীলা কৰি ডাঙৰ হয় আৰু নিজক পোৱাৰ আৰু সৎলোকলৈ যোৱাৰ অৰ্থাৎ পুৰ্ণ মোক্ষ মাৰ্গৰ তত্ত্বজ্ঞান (কবিৰ্গীৰ্ভিঃ) কবীৰ বাণী কবিতাৰ দ্বাৰা প্ৰকাশ কৰে, যি কাৰণে তেওঁক প্ৰসিদ্ধ কবি বোলা হয়, কিন্তু তেওঁ স্বয়ং কবীৰদেব পুৰ্ণ পৰমাত্মাহে যিজন তৃতীয় মুক্তি ধাম অৰ্থাৎ সৎলোকত থাকে।

ঋকবেদ মণ্ডল ৯, শুক্ত ১ , মন্ত্ৰ ৯, তথা শুক্ত ৯৬, মন্ত্ৰ ১৭-১৮

ঋকবেদ মণ্ডল ৯, শুক্ত ১ , মন্ত্ৰ ৯ ঃ

অভী ইমং অধন্যা উত শ্ৰীনন্তি ধেনবঃ শিশুম্। সোমমিন্দ্ৰায় পাতৱে।।৯।।

অভী-ইমম্-অধন্যা উত শ্ৰীনন্তি ধেনবঃ শিশুম্ সোম্ম ইন্দ্ৰায় পাতৱে।।

অনুবাদ ঃ- (উত) বিশেষ কৰি (ইমম) এই (শিশুম) শিশু ৰূপত প্ৰকট (সোমম) পূৰ্ণ পৰমাত্মা অমৰ প্ৰভুৰ (ইন্দ্ৰায়) সুখ সুবিধাৰ বাবে অৰ্থাৎ খোৱা বোৱাৰ দ্বাৰা শৰীৰৰ যি শ্ৰীবৃদ্ধি প্ৰাপ্ত হয় সেইখিনি (পাতৱে) বৃদ্ধিৰ বাবে (অভি) পূৰ্ণ ৰূপে (অধন্যা ধেনবঃ) যি গাই ষাড়ৰ দ্বাৰা উৎপীড়িত হোৱা নাই অৰ্থাৎ কুমাৰী দামুৰী গৰুৰ দ্বাৰা (শ্ৰীণন্তি) প্ৰতি পালন কৰা হয়।

ভাবাৰ্থঃ- পূৰ্ণ পৰমাত্মা অমৰ পুৰুষ যোতিয়া লীলা কৰিবৰ বাবে শিশু ৰূপ ধাৰন কৰি স্বয়ং প্ৰকট হয় সেই সময়ত কুমাৰী দামুৰীয়ে আপোনা আপুনি গাখীৰ দিয়ে যাৰ দ্বাৰা সেই পুৰ্ণ প্ৰভুৰ পালন পোষণ হয়।

ঋকবেদ মণ্ডল ৯ , শুক্ত ৯৬, মন্ত্ৰ ১৭

শিশুম জজ্ঞানম হৰ্য তম মৃজন্তি শুম্ভন্তি বহিন মৰুতঃ গনেন। কবিৰ্গীৰ্ভি কাব্যেনা কবিৰ সন্তু সোমঃ পবিত্ৰম, অত্যেতি ৰেভন্ ।। ১৭ ।।

অনুবাদ- পূৰ্ণ পৰমাত্মা (হৰ্য শিশুম) মানুহৰ সন্তানৰ ৰূপত (জজ্ঞানম) জানি বুজি উদ্ভব হয় তথা নিজৰ তত্বজ্ঞানক (তম) সেই সময়ত (মৃজন্তি) নিৰ্মলতাৰ সৈতে (শুভ ন্তি) উচ্চাৰণ কৰে। (বহিন) প্ৰভু প্ৰাপ্তিৰ বাবে বিৰহ জ্বালা (মৰুতঃ) বায়ুৰ দৰে শীতল ভকত (গনেন) সমূহৰ বাবে (কাব্যেনা) কবিতাৰ দ্বাৰা কবিত্ব ভাৱেৰে (পবিত্ৰম অত্যেতি) অত্যাধিক নিৰ্মলতাৰ সৈতে (কবিৰৰ্গীৰ্ভি) কবিৰ বানী অৰ্থাৎ কবীৰ বানীৰ দ্বাৰা (ৰেভ ন্) উচ্চ স্বৰেৰে সম্বোধন কৰি কয়, (কবিৰ সন্ত সোমঃ) সিজন অমৰ পুৰুষ অৰ্থাৎ সৎপুৰুষেই সন্ত অৰ্থাৎ ঋষি ৰূপত স্বয়ং কবীৰদেব। কিন্তু সেই পৰমাত্মাক চিনিব নোৱাৰি কবি কবলৈ ধৰে।

ভাবাৰ্থঃ- বেদ কওঁতা ব্ৰহ্মই কৈছে যে হুবহু মানুহৰ সন্তানৰ ৰূপত অৱতৰিত হোৱা

পূৰ্ণ পৰমাত্মা কবীৰদেৱ নিজৰ বাস্তৱিক জ্ঞানক নিজৰ কবিৰ্গিৰ্ভিঃ অৰ্থাৎ কবীৰ বাণী দ্বাৰা নিৰ্মল জ্ঞান নিজৰ হংসাত্মা বিলাকক অৰ্থাৎ পুণ্যাত্মা অনুগামী সকলক কবি ৰূপত কবিতাৰ, লোক উক্তিৰ জৰিয়তে সম্বোধন কৰি অৰ্থাৎ উচ্চাৰণ কৰি বৰ্ণনা কৰে। তেওঁ স্বয়ং সৎপুৰুষ কবীৰেই।

ঋকবেদ মণ্ডল ৯, শুক্ত ৯৬, মন্ত্ৰ ১৮।

ঋষিমনা য ঋষিকৃত স্বৰ্ষাঃ সহাস্ৰানিথঃ পদবীঃ কবীনাম্।
তৃতীয় ধাম মহিষঃ সিষা সন্ত সোমঃ বিৰাজমানু ৰাজতি ষ্টুপ্ ।।১৮।।

অনুবাদ ঃ- বেদ কওঁতা ব্ৰহ্মাই কৈছে যে (য) যি পূৰ্ণ পৰমাত্মা বিলক্ষণ শিশু ৰূপত আহি (কবীনাম) প্ৰসিদ্ধ কবিৰ (পদবীঃ) উপাধি প্ৰাপ্ত কৰি অৰ্থাৎ এজন সাধু বা ঋষিৰ ভূমিকা পালন কৰে সেই (ঋষিকৃত) সাধু ৰূপত প্ৰকট হোৱা প্ৰভূৰ দ্বাৰা ৰচিত (সহস্ৰানিথঃ) হাজাৰ বানী (ঋষিমনা) সাধু স্বভাৱৰ ব্যক্তিৰ অৰ্থাৎ ভকতৰ বাবে (স্বষাঃ) স্বৰ্গ তুল্য আনন্দদায়ক হয়। (সন্ত সোমঃ) ঋষি সন্তৰ ৰূপত প্ৰকট সিজন অমৰ পুৰুষ অৰ্থাৎ সৎপুৰুষ। তেওঁ পূৰ্ণ প্ৰভু (তৃতীয়া) তৃতীয় (ধাম) মুক্তি লোক অৰ্থাৎ সৎলোকত (মহিষঃ) সুদৃঢ় পৃথিৱীৰ নিচিনা (সি) স্থাপিত কৰি (অনু) পিছত মানৱ সদৃশ সন্ত ৰূপত (ষ্টুপ) গম্বুজ উচ্চ টিলা ৰূপী সিংহাসনৰ ওপৰত (বিৰাজমনু ৰাজতি) উজ্জল স্থূল আকাৰত অৰ্থাৎ মানৱ সদৃশ শৰীৰত বিৰাজমান থাকে।

ভাবাৰ্থ :- মন্ত্ৰ ১৭ কৈছে যে কবীৰদেৱে শিশু ৰূপ ধাৰণ কৰে। লীলা কৰি ডাঙৰ হয়। কবীৰ বাণী কবিতাৰ দ্বাৰা তত্ত্বজ্ঞান বৰ্ণনা কৰা কাৰণে কবি পদবী প্ৰাপ্ত হয় অৰ্থাৎ তেওঁক কবি বুলিবলৈ লাগি যায়, বাস্তৱত তেওঁ পূৰ্ণ পৰমাত্মা কবীৰ (কবীৰ পৰমেশ্বৰ)। তেখেতৰ দ্বাৰা ৰচিত অমৃতবাণীক কবীৰ বানী (কবীৰ্গীৰ্ভিঃ অৰ্থাৎ কবীৰ বাণী) বোলা হয়; যি ভকতৰ বাবে স্বৰ্গতুল্য সুখদায়ী। সেইজন পৰমাত্মা তৃতীয় মুক্তি ধাম অৰ্থাৎ সৎলোকৰ স্থাপনা কৰি এটা গম্বুজত সিংহাসনৰ ওপৰত জ্যোতিৰ্ময় মানৱ সদৃশ শৰীৰত আকাৰত বিৰাজমান হৈ থাকে।

এই মন্ত্ৰত তৃতীয় ধাম সৎলোকক কোৱা হৈছে। যেনেকুৱা এক ব্ৰহ্মৰ লোক যি একৈশ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ দ্বিতীয় পৰব্ৰহ্মৰ লোক যি সাত শংখ ব্ৰহ্মাণ্ডৰ ক্ষেত্ৰ, তৃতীয় পৰম অক্ষৰ ব্ৰহ্ম অৰ্থাৎ পুৰ্ণ ব্ৰহ্মৰ ঋতধাম অৰ্থাৎ সৎলোক।

**ত্ৰেতাযুগত কবীৰদেৱ (কবীৰ চাহেব) ৰ মুনিন্দ্ৰ নামেৰে অৱতৰন**

নল তথা নীলক শৰণত লোৱা

ত্ৰেতা যুগত স্বয়ম্ভ (স্বয়ং প্ৰকট হোৱা) কবীৰদেৱ (কবীৰ পৰমেশ্বৰ) ৰূপান্তৰ হৈ মুনিন্দ্ৰ ঋষি নামেৰে অৱতাৰিত হৈছিল। অনল অৰ্থাৎ নল তথা অনীল অৰ্থাৎ নীল দুয়ো জেঠাই আৰু মাহীৰ পুতেক আছিল। মাক-দেউতাকে পৰলোক গমন কৰিছিল। নল তথা নীল দুয়ো শাৰীৰিক মানসিক ৰোগ কষ্টেৰে জৰ্জৰিত আছিল। সকলো ঋষি, মুনি, সাধু, গুৰু, বৈষ্ণৱক দুঃখ কষ্ট নিবাৰণৰ কাৰণে প্ৰাৰ্থনা কৰি আমুৱাই গৈছিল। সকলো সাধুৱে কৈছিল এইবোৰ তঁহতৰ প্ৰাৰব্ধ অৰ্থাৎ পাপ কৰ্মৰ শাস্তি, এইবিলাক তহঁতে ভুগিবই লাগিব। ইয়াৰ কোনো সমাধান নাই। দুয়ো ভাই জীৱনৰ লগত নিৰাশ হৈ মৃত্যুৰ বাবে অপেক্ষা কৰি আছিল।

এদিন দুয়োই মুনিন্দ্ৰ ঋষি নামে প্ৰকট পূৰ্ণ পৰমাত্মাৰ সৎসঙ্গ শুনিবলৈ সময় পালে।

সৎসঙ্গৰ অন্তত যেতিয়া দুয়ো পৰমেশ্বৰ কবীৰ দেবৰ(ঋষি মুনিন্দ্ৰৰ) ভৰি ছুই প্ৰণাম কৰিলে তথা পৰমেশ্বৰ মুনিন্দ্ৰ ঋষিয়ে মূৰত হাত দিলে, দুয়োৰে অসাধ্য ৰোগ নাইকীয়া হ'ল অৰ্থাৎ দুয়ো সুস্থ হ'ল। এই অদ্ভুত চমৎকাৰ নল আৰু নীলে পাই প্ৰভুৰ চৰণত ঘণ্টা ধৰি কান্দিলে আৰু কলে যে আজি আমি প্ৰভূৰ সাক্ষাৎ পাইছো যাক আমি ইমান দিনে বিচাৰি আছিলো আৰু তাৰ পৰা প্ৰভাৱিত হৈ নাম দীক্ষা ললে তথা মুনিন্দ্ৰ দেবৰ সেৱা যত্নত লাগি গ'ল। আগেয়ে সাধু সন্তৰ সমাগম পানীৰ ব্যৱস্থা দেখি নদীৰ পাৰত হৈছিল। নল আৰু নীল বহুত প্ৰভু প্ৰেমী আৰু সৰল আত্মাৰ আছিল। পৰমাত্মাৰ ওপৰত বহুত শ্ৰদ্ধা আছিল। সেৱা যতন বহুত কৰিছিল। সমাগমত ৰোগী, বৃদ্ধ, বিকলাঙ্গ ভকত আহিলে সিহঁতৰ কাপোৰ আৰু থালী বাটি ধুই দিছিল। সিহঁতৰ লোটা গিলাচো চাফ কৰি দিছিল। কিন্তু পাহৰি যোৱা বিধৰ মানুহ আছিল। কাপোৰ ধুই থাকোতে প্ৰভুৰ সৎসঙ্গ মনযোগেৰে শুনিছিল আৰু চৰ্চা কৰিছিল। দুয়ো প্ৰভু চৰ্চাত ইমান নিমগ্ন হৈছিল যে কেতিয়া হাতৰ বস্তু নদীত পৰি গৈছিল গমেই পোৱা নাছিল। কাৰো যদি চাৰিটা বস্তু লৈ চাফা কৰিবলৈ গৈছিল তেতিয়া ওভোতাৰৰ সময়ত মাথোন দুটা হে দিছিল। ভক্তজনে কৈছিল যে ভাই আপোনালোকে সেৱা তো বহুত কৰে কিন্তু আমাৰ কামত বেমেজালি কৰি দিয়া। এইবোৰ হেৰোৱা বস্তু আমি কৰ পৰা আনিম ? আপোনালোকে আমাৰ সেৱা কৰা এৰি দিয়ক। আমি নিজৰ সেৱা নিজেই কৰি লম। নল আৰু নীল কান্দিবলৈ লৈছিল যে আমাৰ সেৱা বন্ধ কৰি নিদিব। এতিয়া আৰু বস্তু নেহেৰুৱাও। কিন্তু আকৌ একে ঘটনা। চাফাই কাম কৰোতে প্ৰভুৰ চৰ্চাত লাগি যায় আৰু বস্তু নদীত পৰি ডুবি যায়। ভক্তজনে ঋষি মুনিন্দ্ৰক প্ৰাৰ্থনা কৰিলে যে কৃপা কৰি আপুনি নল তথা নীলক বুজাওক। ইহঁত দুজনে নামানে আৰু কামত বাধা দিলে কন্দাত লাগি যায়। আমাৰ আধা বস্তু ওভোতাই লৈ নাহে। এই দুজনে নদীৰ পাৰত সৎসঙ্গ শুনি ভগৱানৰ চৰ্চাত লাগি যায় আৰু ইমানে মগ্ন হয় যে হাতৰ বস্তু পানীত পৰি ডুবে। ঋষি মুনিন্দ্ৰই এবাৰ দুবাৰ বুজালে। সিহঁতে কান্দিবলৈ ধৰে আৰু কয় যে প্ৰভু আমাৰ সেৱা কাঢ়ি নলব। সৎগুৰু মুনিন্দ্ৰ ঋষিয়ে কলে যে বোপাই নল আৰু নীল খুব সেৱা যতন কৰা আজিৰ পৰা তহঁতৰ হাতৰ পৰা যি কোনো বস্তু পাথৰেই নহওক কিয় নাইবা লোহা পানীত নুবুৰে। ঋষি মুনিন্দ্ৰই সিহঁতক এই বৰ দিলে।

আপোনালোকে নিশ্চয় ৰামায়ণ শুনিছো। সীতাক ৰাৱণে হৰণ কৰি লৈ গ'ল। ভগৱান ৰামে গমেই নাপালে সীতাক কোনে অপহৰণ কৰিলে ? শ্ৰীৰামচন্দ্ৰই ইফালে বিচাৰ কৰিবলৈ ধৰিলে। বীৰ হনুমানে বিচাৰ কৰি জনালে যে আই সীতাক লংকাধিপতি ৰাৱণে (ৰাক্ষস) হৰণ কৰি আৱদ্ধ কৰি ৰাখিছে। খবৰ পোৱাৰ পিছত ভগৱান ৰামে ৰাৱণৰ ওচৰত শান্তি দুত পঠাই সীতাক ঘুৰাই দিবলৈ বিনম্ৰ মিনতি কৰিলে। কিন্তু ৰাৱণে নামানিলে। যুদ্ধৰ শংখ বাজিল। তেতিয়া সমস্যাত পৰিল যে সমুদ্ৰত কেনেকৈ সেনা পাৰ কৰা যায় ?

ভগৱান শ্ৰী ৰামচন্দ্ৰই তিনিদিন এক আঠু পানীত থিয় হৈ সমুদ্ৰক হাত জোৰ কৰি প্ৰাৰ্থনা জনালে ৰাস্তা দিবলৈ। কিন্তু সাগৰৰ পৰা একো সহাৰি নেপালে। তেতিয়া ৰামে সাগৰক জলাবলৈ অগ্নি বাণ তুলিলে। ভয়ভীত সমুদ্ৰ দেৱ এক ব্ৰাহ্মণৰ ৰূপ ধৰি ৰামৰ সমুখত থিয় হল আৰু কবলৈ ধৰিলে হে ভগৱান, সকলোৰে নিজা নিজা এটা মৰ্য্যাদা

আছে। মোক নজলাব। মোৰ ভিতৰত নাজানো কিমান জীৱ-জন্তুৰ সংসাৰ আছে। যদি আপুনি মোক জ্বলাই দিয়ে তথাপি আপুনি মোক পাৰ কৰিব নোৱাৰে, কিয়নো ইয়াত গভীৰ গাঁত ৰৈ যাব, যিটো আপুনি কেতিয়াও পাৰ কৰিব নোৱাৰে।

সমুদ্ৰই কলে প্ৰভু এনে কাম কৰক যাতে সাপো নমৰে লাঠীও নাভাঙে। মোৰ মৰ্য্যাদাও ৰব আৰু আপোনাৰ দলংও হ'ব। তেতিয়া ভগৱান শ্ৰীৰামচন্দ্ৰই সুধিলে সেইটো কেনে উপায় ? ব্ৰাহ্মণ ৰূপী সমুদ্ৰই কলে আপোনাৰ সৈনিকৰ ভিতৰত নল তথা নীল নামে দুজন সৈনিক আছে। সিহঁতৰ ওচৰত গুৰুদেৱ প্ৰদত্ত এনে শক্তি আছে যে সিহঁতৰ হাতৰ স্পৰ্শ পোৱা পাথৰো পানীত ভাঁহি থাকিব। যি বস্তুৱেই হওঁক বা লোহাই হওঁক পানীত নুবুৰে। শ্ৰীৰাম চন্দ্ৰই নল তথা নীলক মাতিলে আৰু সুধিলে যে সঁচাই তোমালোকৰ ওচৰত এনেকুৱা অদ্ভুত শক্তি আছে নে ? নল তথা নীলে কলে হয় প্ৰভু, আমাৰ হাতৰ পৰশ পালে শিলো পানীত নুবুৰে, শ্ৰীৰামে কলে পৰীক্ষা কৰি দেখুৱা।

নিৰ্বোধ নলনীলে ভাৱিলে যে আজি সকলোৰে সমুখত সিহঁতৰ বহুত মহিমা হ'ব। সেইদিনা সিহঁতে নিজৰ গুৰু ভগৱান মুনিন্দ্ৰক (কবীৰ পৰমেশ্বৰ) এইটো ভাবি স্মৰণ নকৰিলে যে যদি আমি গুৰুদেৱক স্মৰণ কৰো শ্ৰীৰামচন্দ্ৰই ভাবিব ইহঁতৰ ওচৰত নিজা কোনো শক্তি নাই, এইবোৰে তো বেলেগৰ পৰা ধাৰ কৰা শক্তিহে। সিহঁত দুজনে শিল উঠাই পানীত পেলাই দিলে আৰু শিল পানীত বুৰিল। নল আৰু নীলে বহুত বহুত চেষ্টা কৰিলে কিন্তু শিল পানীত ভাহি নুঠিল। তেতিয়া ভগৱান ৰামে সমুদ্ৰৰ ফালে এনেকৈ চালে যে আপুনি (সমুদ্ৰ দেৱতাই) মিছা কৈছে। ইহঁতৰ তো কোনো শক্তি নাই। সমুদ্ৰই কলে হে নল আৰু নীল আজি তোমালোক দুজনে ইষ্ট গুৰুক স্মৰণ কৰা নাই। নিৰ্বোধ নিজ গুৰু দেৱক স্মৰণ কৰা। সিহঁত দুজনে বুজিলে যে আজিতো আমি ভুল কৰিলো, তেওঁলোকে সৎগুৰু মুনিন্দ্ৰ দেৱক স্মৰণ কৰিলে। সৎ গুৰু মুনি (কবীৰদেৱ) তাত উপস্থিত হ'ল। ভগৱান ৰামচন্দ্ৰই কলে হে ঋষিবৰ! মোৰ দুৰ্ভাগ্য যে আজি আপোনাৰ সেৱকৰ হাতৰ পৰশত শিল পানীত ভাহি নুঠে। ঋষি মুনিন্দ্ৰই কলে এতিয়া ইহঁতৰ হাতৰ দ্বাৰা শিল পানীত ভাহি নুঠিব কাৰণ এওঁলোক অভিমানী হৈ গৈছে। সৎগুৰুৰ বাণীয়ে প্ৰমাণ কৰে যে ঃ-

গৰীব, জৈসে মাতা গৰ্ভ কো, ৰাখে জতন বনায়।
ঠেস লগে তো ক্ষীন হোৱে, তেৰী এয়সে ভক্তি যায়।

সেই দিনৰ পৰা নল আৰু নীলৰ সেই অদ্ভুত ক্ষমতা সমাপ্ত হৈ গ'ল। শ্ৰী ৰামচন্দ্ৰই ঋষি মুনিন্দ্ৰ দেৱক কলে যে হে ঋষিবৰ মোৰ ডাঙৰ বিপদ আহিছে দয়া কৰক যাতে সৈনিকে প্ৰথমে সমুদ্ৰ পাৰহৈ যাব পাৰে। আপুনি যেতিয়া আপোনাৰ সেৱকক শক্তি প্ৰদান কৰিব পাৰে তেন্তে প্ৰভু কৃপা কৰি মোক অলপ সহায় কৰক। পৰমেশ্বৰ মুনিন্দ্ৰই কলে যে সন্মুখত থকা পাহাৰখনৰ চাৰিওফালে মই এডাল ৰেখা টানি দিছো। ইয়াৰ মাজত থকা শিলবোৰ উঠাই লোৱা সিবোৰ পানীত নুবুৰে। শ্ৰীৰামে পৰীক্ষাৰ বাবে পাহাৰৰ পৰা শিল অনালে। তাক পানীত এৰি দিলেও নুবুৰিল। নল আৰু নীল শিল্পকাৰৰ আছিল। বীৰ হনুমানে প্ৰতিদিন ভগৱানক স্মৰণ কৰিছিল। তেওঁ দৈনিক ক্ৰিয়াৰ লগত শিলত ৰাম নাম লিখি পাহাৰৰ ওপৰত পাহাৰ উঠাই আনি দিছিল। নল আৰু নীলে তাক ভাঙি চিঙি সমুদ্ৰৰ ওপৰত দলং সাজি লৈছিল। এইদৰে দলং সজা হৈ গৈছিল। ধৰ্মদাস

মহাৰাজে কয় যে ঃ

ৰহে নল নীল জতন কৰ হাৰ, তব সৎগুৰু সে কৰী পুকাৰ।
জা সত ৰেখা লিখি অপাৰ, সিন্ধু পৰ শিলা তিৰানে ওৱালে।
ধন-ধন সৎগুৰু সত কবীৰ, ভক্ত কী পীৰ মিটানে ওৱালে।

কিছুমানে কয় যে বীৰ হনুমানে শিলৰ ওপৰত ৰাম-নাম লিখি দিয়া কাৰণে শিলবোৰ পানীত ভাহি উঠে। কিছুমানে কয় যে নল নীলে পুল সাজি দিছিল। কিছুমানে কয় শ্ৰীৰামে পুল সাজিছিল। কিন্তু সত্য কথা এনেকুবাই যি আপোনাক ওপৰত বৰ্ণণা কৰা হৈছে।

(সত কবীৰৰ সাক্ষী পৃষ্ঠা ১৭৯ পৰা১৮২ লৈ)

-ঃ পিৰ পিছান কো অঙ্গ ঃ-

কবীৰ- তিন দেৱ কো সব কোই ধাওৱে, চৌথে দেব কা মৰম না পাওৱে।
চৌথা ছাড় পঞ্চম কো ধাওৱে, কহে কবীৰ সো হম পৰ আওৱে।। ৩।।
কবীৰ- ওঁকাৰ নিশ্চয় ভয়া, ইয় কৰ্তা মত জান।
সাচা শব্দ কবীৰ কা, পৰ্দে মাঁহী পহচান।।৫।।
কবীৰ- ৰাম কৃষ্ণ অৱতাৰ হ্যায়, ইনকা নাঁহী সংসাৰ।।
জিন সাহেব সংসাৰ কিয়া, সো কিনহুঁ ন জন্ময়া নাৰ ।।৭।।
কবীৰ- চাৰ ভূজা কে ভজন মেঁ ভূলি পৰে সব সন্ত।
কবিৰা সুমিৰো তাসু কো, জাকে ভূজা অনন্ত ।।২৩।।
কবীৰ- সমুদ্ৰ পাট লংকা গয়ে, সীতা কো ভৰতাৰ।।
তাহি অগস্ত মুনি পিয়ে গয়ো, ইনমে কো কৰতাৰ ।।৩৬।।
কবীৰ- গোৱৰ্ধনগিৰি ধাৰো কৃষ্ণ জী, দ্ৰোনা গিৰি হনুমন্ত।
শেষ নাগ সব সৃষ্টি সহাৰি, ইনমেঁ কো ভগবন্ত ।।২৭।।
কবীৰ- কাটে বন্ধন বিপত্তি মেঁ, কঠিন কিয়া সংগ্ৰাম।
চিনহোৰে নৰ প্ৰাণীয়া, গৰুড় বড়ো কী ৰাম ।।২৮।।
কবীৰ- কহ কবীৰ চিত চেতহুঁ, শব্দ কৰৌ নিৰুবাৰ।
শ্ৰীৰাম হি কৰ্তা কহত হ্যাঁয়, ভূলি পৰয়ো সংসাৰ ।।২৯।।
কবীৰ- জিন ৰাম কৃষ্ণ ৱ নিৰঞ্জন কিয়ো, সো তো কৰতা নেয়াৰ।।
অন্ধা জ্ঞান ন বুঝই, কহৈ, কবীৰ বিচাৰ ।।৩০।।

**দ্বাপৰ যুগত কবীৰদেব (কবীৰ পৰমেশ্বৰ)ৰ কৰুণাময় নামেৰে অবতৰণ**

পৰমেশ্বৰ কবীৰ (কবিৰ্দেৱ) দ্বাপৰ যুগত কৰুণাময় নামেৰে অৱতৰণ হৈছিল। সেই সময়ত এজন বাল্মিকি জাতিৰ পৰা উৎপন্ন ভক্ত সুদৰ্শন সুপচ (অনুসূচিত জাতিৰ) তেখেতৰ শিষ্য হৈছিল। এই সুদৰ্শন মহাশয়ে পাণ্ডবৰ যজ্ঞ সফল কৰিছিল। শ্ৰীকৃষ্ণক ভোজন কৰাই বা তেত্ৰিশ কোটি দেৱতা, আঠাইশ হেজাৰ ঋষি, বাৰ কোটি ব্ৰাহ্মণ, ন নাথ, চৌৰাশী সিদ্ধপুৰুষ আদিয়ে ভোজন কৰি সফল হোৱা নাছিল। ভক্ত সুদৰ্শন বাল্মীকিয়ে পূৰ্ণ গুৰুৰ পৰা বাস্তৱিক তিনি মন্ত্ৰ প্ৰাপ্ত কৰি গুৰু মৰ্য্যাদাৰে সত্য সাধনা কৰি আছিল।

**দ্বাপৰ যুগত ইন্দ্ৰমতীক শৰণত লোৱা**

দ্বাপৰ যুগত চন্দ্ৰ বিজয় নামে এজন ৰজা আছিল। তেওঁৰ পত্নী ইন্দ্ৰমতী বৰ ধামি ৰ্ক প্ৰবৃত্তিৰ তিৰোতা আছিল। সাধু-মহাত্মাক বৰ সেৱা যতন কৰিছিল। তেওঁৰ এজন

গুৰুদেৱ আছিল। তেওঁৰ গুৰুদেৱে উপদেশ দিছিল যে পুত্ৰী, সাধুসন্তৰ সেৱা কৰা উচিত। সাধুসন্তক ভোজন কৰালে বৰ লাভ হয়। একাদশী ব্ৰত, সাধনাৰ জপ, তপ আদি যি গুৰুদেৱে উপদেশ দিছিল সেইবোৰ ভক্তি দৃঢ়তাৰে পালন কৰিছিল। গুৰুদেৱে কৈছিল যে যদি সাধু-সন্তক ভোজন কৰোৱা তেন্তে আগলৈ ৰাণী হ'ব পাৰিব আৰু স্বৰ্গও প্ৰাপ্তি হ'ব। ৰাণীয়ে ভাৰিছিল যে তেওঁ প্ৰতিদিন এজন সন্তক অবশ্যে ভোজন কৰাব। তেওঁ এনে প্ৰতিজ্ঞা কৰিছিল যে প্ৰথমে এজন সাধুক ভোজন কৰাই পিছতহে আহাৰ গ্ৰহণ কৰিব। ইয়াৰ দ্বাৰা তেওঁৰ এই কৰ্তব্য মনত থাকিব। যাতে তেওঁ পাহৰি নেযায়। ৰাণীয়ে প্ৰতিদিন এজন সাধুক ভোজন কৰোৱাই পিছত স্বয়ং আহাৰ কৰিছিল। এবছৰলৈ এই ক্ৰম চলি আছিল।

এবাৰ হৰিদ্বাৰত কুম্ভ মেলাৰ সমাগম হ'ল। যিমান সাধু ত্ৰিগুণ মায়াৰ উপাসক আছিল সকলোৱে গঙ্গা স্নান কৰিবৰ বাবে প্ৰস্থান কৰিছিল। এই কাৰণে কেইবা দিনো ৰাণীয়ে ভোজন কৰাবলৈ সাধুসন্ত পোৱা নাছিল। ৰাণীয়ে প্ৰতিজ্ঞা কৰাৰ কাৰণে নিজেও ভোজন কৰা নাছিল। চতুৰ্থ দিনা ৰাণী ইন্দ্ৰমতীয়ে নিজৰ দাসীক কলে তুমি দাসী সাধু-সন্ত বিচৰাচোন ? নহলে আজি তোমাৰ ৰাণী জীয়াই নেথাকে। আজি মোৰ প্ৰাণ ওলাই গলেও মই আহাৰ গ্ৰহণ নকৰো। সেই দীন দয়াল পৰমেশ্বৰে নিজৰ পূৰ্বৰ ভকতক শৰণ লোৱাৰ কাৰণে নেজানো কিমান কাৰণ দেখুৱায় ? দাসীয়ে ওপৰৰ ছাদত উঠি দেখিলে যে সমুখত এজন সাধু আহি আছে। বগা কাপোৰ আছিল। দ্বাপৰ যুগত পৰমেশ্বৰ কবীৰ কৰুণাময় নামেৰে আহিছিল। দাসী তললৈ নামি আহিলে আৰু কলে যে এজন ব্যক্তি আহি আছে তেখেতক সাধু যেন লাগিছে। ৰাণীয়ে সোনকালে মাতিবলৈ কলে । দাসী ৰাজপ্ৰসাদৰ পৰা বাহিৰ ওলাই গ'ল আৰু সাধুক মিনতি কৰি কলে- হে মহাত্মা! আপোনাক আমাৰ ৰাণীয়ে স্মৰণ কৰিছে। কৰুণাময় পৰমেশ্বৰে কলে- ৰাণীয়ে নো মোক কিয় স্মৰণ কৰিলে, ৰাণী আৰু মোৰ লগত কি সম্বন্ধ ? দাসীয়ে গোটেই কথা খুলি কলে। কৰুণাময় (কবীৰ) পৰমেশ্বৰে কলে যে ৰাণীৰ আৱশ্যকতা থাকিলে ইয়ালৈ আহিবলৈ কোৱা, মই ইয়াতে থিয় হৈ আছো। তুমি দাসী আৰু তেওঁ ৰাণী। মই তালৈ গলে তেওঁ যদি কয় তোমাক ইয়ালৈ কোনে মাতিছে ? আৰু ৰজাই কিবা কৈ দিলে আৰু পুত্ৰী সন্তৰ অনাদৰ বহুত পাপদায়ক। দাসী আকৌ উভতি আহিল আৰু সকলো খবৰ ক'লে। তেতিয়া ৰাণীয়ে কলে দাসী মোৰ হাতখন ধৰা আৰু সাধুৰ ওচৰলৈ বলা। ৰাণী ওচৰত গৈ দণ্ডৱত প্ৰণাম কৰি মিনতি কৰি কলে, হে ঈশ্বৰ, মই ইচ্ছা কৰো আপোনাক কান্ধত তুলি লওঁ। কৰুণাময় পৰমেশ্বৰে কলে পুত্ৰী, মই এইটোকে চাব খুজিছো তোমাৰ ভিতৰত আচলতে শ্ৰদ্ধা আছেনে নাই, এনেই ভোকত মৰি আছা। ৰাণীয়ে নিজ হাতেৰে আহাৰ তৈয়াৰ কৰিলে। কৰুণাময় ৰূপত অহা কবীৰদেৱে কলে মই আহাৰ নেখাওঁ। মোৰ শৰীৰ আহাৰ খোৱাৰ বাবে নহয়। তেতিয়া ৰাণীয়ে কলে মইওঁ আহাৰ নাখাওঁ। কৰুণাময় ঈশ্বৰে কলে, ঠিক আছে পুত্ৰী, লৈ আহা আহাৰ খাওঁ, কিয়নো সমৰ্থ তাকে কোৱা হয়, যিয়ে যি বিচাৰে তাকেই কৰিব পাৰে। কৰুণাময় ঈশ্বৰে আহাৰ গ্ৰহণ কৰি, কৰুণাময় ৰূপত কবিৰগ্নিয়ে (পৰমেশ্বৰ কবীৰদেৱ) ৰাণীক সুধিলে যি ভক্তি সাধনা তুমি কৰিছা সেইবোৰ তোমাক কোনে উপদেশ দিলে ? ৰাণীয়ে কলে মোৰ গুৰুদেৱে আদেশ কৰিছে। কবীৰদেৱে কলে তোমাৰ গুৰুদেৱে কি আদেশ কৰিছে ? ইন্দ্ৰমতীয়ে

কলে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ পূজা, একাদশী ব্ৰত, তীৰ্থ ভ্ৰমন, দেবী পুজা, শ্ৰাদ্ধ কম ´ কাণ্ড, মন্দিৰলৈ যোৱা, সাধু-সন্তৰ সেৱা ইত্যাদি। কৰুণাময় (কবীৰ) ঈশ্বৰে কলে যি ভক্তি সাধনা তোমাৰ গুৰুদেৱে তোমাক দিছে সেইটোৱে জন্ম-মৃত্যু তথা স্বৰ্গ-নৰকৰ চক্ৰত ৰাখিব আৰু চৌৰাশী লাখ যোনী ভ্ৰমনৰ কষ্টৰ পৰা মুক্তি হবলৈ নিদিব। ৰাণীয়ে কলে মহাৰাজ যিমান সাধু সন্ত আছে সকলোৱে নিজৰ নিজৰ প্ৰভুত্ব নিজেই গাই ফুৰে। মোৰ গুৰুদেৱৰ বিষয়ে একো কিছু নকব। লাগিলে মই মুক্ত হওঁ বা নহওঁ।।

এতিয়া কৰুণাময় (কবীৰদেব) ঈশ্বৰে চিন্তিলে এই সৰল জীবক কেনেকৈ বুজাওঁ ? এওঁ যাক অনুকৰণ কৰিছে তেওঁক এৰিব নোৱাৰে, মৰিব পাৰে। কৰুণাময় ঈশ্বৰে কলে পুত্ৰী, তোমাৰ যেনে ইচ্ছা, মই নিন্দা নকৰো মই কি তোমাৰ গুৰদেৱক বেয়া বুলি কৈছো নাইবা গালি পাৰিছো নেকি ? মই ভক্তি পথৰ কথা কৈছো যে এই ভক্তি পথ শাস্ত্ৰ বিৰুদ্ধ। তোমাক পাৰ হবলৈ নিদিব আৰু তোমাৰ আগন্তুক কৰ্মদণ্ডও কাটিব নোৱাৰিব। শুনা, আজিৰ পৰা তিনিদিন পিছত তোমাৰ মৃত্যু হব। তোমাৰ গুৰু নাইবা তোমাৰ এই মিছা ভক্তি সাধনাই তোমাক বচাব নোৱাৰে। (যেতিয়া মৃত্যৰ সময় আহে তেতিয়া জীৱৰ ভয় লাগে। এনেয়ে তো নেমানে) ৰাণীয়ে ভাৱিলে সাধু-সন্তই মিছা নকয়। সঁচাই এনে নহওঁক যে অহা পৰহি মই মৰি যাওঁ। এই ভয়ৰ কাৰণে কৰুণাম য় ঈশ্বৰক সুধিলে যে হে ঈশ্বৰ! মোৰ প্ৰাণটো কি বাচিব পাৰিবনে? পৰমেশ্বৰ কবীৰে (কৰুণাময়) কলে যে বাচিব পাৰিবা। যদি তুমি মোৰ পৰা নাম উপদেশ লোৱা, মোৰ শিষ্যা হব লাগিব, আগৰ সাধনা, পূজা পদ্ধতি ত্যাগ কৰিব লাগিব, তেতিয়া তোমাৰ প্ৰাণ বাচিব। ইতিমধ্যে কলে মই শুনিছো যে গুৰু সলনি কৰা অনুচিত, পাপ হয়। কবীৰদেৱে (কৰুণাময়) কলে, নহয় ৰাণী, এইটো তোমাৰ ভ্ৰম। এক বেজৰ (ডক্টৰ) ঔষধে কাম নকৰিলে অন্য বেজৰ পৰা ঔষধ নলয় নে ? এজন পঞ্চম শ্ৰেণীৰ শিক্ষক আছে। আকৌ আন এজন উচ্চ শ্ৰেণীৰ শিক্ষক আছে। এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ আগুৱাই যাব লাগে। তুমি কি গোটেই জীৱন পঞ্চম শ্ৰেণীতে পঢ়িবা ? তুমি আগলৈ পঢ়ি আগুৱাই যোৱা,মই পঢ়াবলৈ আহিছো। এনেইতো নামানে কিন্তু মৃত্যু ভয়ত সাধুৱে কোৱা কথা ভ াৱিলে। এনে চিন্তা চৰ্চা কৰি ইন্দ্ৰমতীয়ে কলে যে আপুনি যেনেকৈ কব মই তেনেকৈ পালন কৰিম। পিছত কৰুণাময়ে (কবীৰদেৱ) উপদেশ দিলে যে আজিৰ পৰা তৃতীয় দিনৰ দিনা মোৰ ৰূপত কাল আহিব, তুমি তাক একো নকবা। মই তোমাক যি নাম উপদেশ দিলো তাক দুই মিনিট জপ কৰিবা। দুই মিনিট পিছত তাক দেখিবা। তাৰ পিছত তাক সৎকাৰ কৰিবা। এনেয়ে তো গুৰুদেৱ আহিলে অতি শীঘ্ৰে চৰণত পৰি দণ্ডৱত প্ৰণাম কৰিব লাগে। এইটো মোৰ কেৱল এইবাৰৰ উপদেশ। ৰাণীয়ে কলে ঠিক আছে গুৰুদেৱ।

এতিয়া ৰাণীৰ চিন্তা লাগিল। শ্ৰদ্ধাৰে নাম জপ কৰিবলৈ ধৰিলে। (কবীৰ পৰমেশ্বৰ) কৰুণাময় ঈশ্বৰৰ ৰূপ ধাৰণ কৰি গুৰুদেৱৰ বেশত কালে ইন্দ্ৰমতীৰ কাষলৈ আহিলে আৰু মাত লগালে ইন্দ্ৰমতী, ইন্দ্ৰমতী। এতিয়া তাইৰ আগৰে পৰাই ভয় আছিল, নাম স্মৰণ কৰিলে। কালৰ ফালে নাচালে। দুই মিনিট পিছত যেতিয়া দেখিলে তেতিয়া কালৰ স্বৰূপ সলনি হৈ গ'ল। কালৰ যি আচল চেহেৰা দেখিবলৈ পালে। কৰুণাময়ৰ স্বৰূপ নাই। যেতিয়া কালে দেখিলে যে তাৰ স্বৰূপ সলনি হৈ গ'ল তেওঁ বুজিলে, নিশ্চয়

এওঁৰ লগত কিবা শক্তিযুক্ত মন্ত্র আছে। তোমাক পিছত চাই লম, এই কথা কৈ কাল গুচি গ'ল। এতিয়া ৰক্ষা পালো ৰাণী বহুত আনন্দিত হ'ল । কেতিয়াৱা নিজৰ দাসীক কবলৈ ধৰিলে, মোৰ তো মৃত্যু হব লগা আছিল, মোৰ গুৰুদেৱে মোক বচালে। ৰজাৰ ওচৰলৈ গ'ল আৰু কলে যে আজি মোৰ মৃত্যু হব লগা আছিল, মোৰ গুৰুদেৱে মোক ৰক্ষা কৰিলে। মোক নিবলৈ কাল আহিছিল। ৰজাই কলে তুমি এনেয়ে এইবোৰ নাটক কৰিছা। কাল আহিলে তোমাক কি এৰি গলহেঁতেন নে ? সাধুৰ দৰে মিছা কথা কৈছা। ৰজাৰ কথা ৰাণীয়ে কেনেকৈ মানি লয় ? আনন্দমনে ৰাণী গৈ নিজৰ শোৱনী কোঠাত শুই পৰিল। কিছু সময় পিছত কালে সৰ্প ৰূপত আকৌ আহিল আৰু ৰাণীক দংশন কৰিলে। যেতিয়া সৰ্পই দংশিলে ৰাণীয়ে গম পালে। ৰাণী জোৰেৰে চিঞৰিলে। মোক সৰ্পই দংশিলে। দাসীয়ে দৌৰি গৈ দেখিলে চাওঁতে চাওঁতে কোঠালীৰ পানী ওলোৱা ফুটাৰে সাপ ওলাই গ'ল। ৰাণীয়ে নিজ গুৰুদেৱক চিঞৰি চিঞৰি বেহুঁচ হৈ গল। কৰুণাময় (কবীৰদেৱ) পৰমেশ্বৰ তাত প্ৰকট হৈ গল। মানুহক দেখুৱাবৰ বাবে মন্ত্র কলে। (তেওঁতো বিনা মন্ত্রই জীৱিত কৰিব পাৰে, কোনো তন্ত্র-মন্ত্ৰৰ আৱশ্যকতা নাই।) ইন্দ্ৰমতীক জীৱিত কৰিলে। ৰাণীয়ে বৰ কৃতজ্ঞতা যাচিলে আৰু কলে যে হে মুক্তি দাতা, যদি আজি মই আপোনাৰ চৰণত নেথাকিলোহেতেন তেন্তে মোৰ মৃত্যু হলহেঁতেন। কবীৰ পৰমেশ্বৰে কলে যে ইন্দ্ৰমতী এই কালক মই তোমাৰ ঘৰত সোমাবলৈ নিদিলোহেঁতেন। তোমাৰ ওপৰত আক্ৰমণো নকৰিলেহেঁতেন। কিন্তু তোমাৰ বিশ্বাস নহলহেতেন। তুমি ইয়াকে চিন্তিলাহেঁতেন যে মোৰ কোনো আপদ আহিব লগা নাছিল। গুৰুদেৱ মোক ফুচুলাই নাম দীক্ষা দিলে। এই বাবে তোমাক অলপ মহিমা দেখুৱালো। নহলে তোমাৰ বিশ্বাস নহলহেঁতেন।

ধৰ্মদাস ইহা ঘনা অন্ধেৰা, বিন পৰচয় জীৱ জমকা চেৰা।।

কবীৰ পৰমেশ্বৰে (কৰুণাময়) কলে যে এতিয়া মই যেতিয়াই বিচাৰিম তেতিয়াই তোমাৰ মৃত্যু হ'ব। গৰীব দাস মহাৰাজে কয় যে ঃ

গৰীব, কাল ডৰে কৰতাৰ সে, জয় জয় জয় জগদীশ।
জৌৰা জৌৰী ঝাড়তী, পগ ৰজ ডাৰে শীশ।

এই কালে, কবীৰ (কবীৰ পৰমেশৰ) ভগৱানক ভয় কৰে আৰু এই যমৰাজ (মৃত্যু) কবীৰ দেৱৰ জোতা পৰিস্কাৰ কৰে অৰ্থাৎ চাকৰ তুল্য। আকৌ তেওঁৰ ধুলি মূৰত লগাই কয় যে মই আপোনাৰ ভকতৰ ওচৰলৈ নেযাওঁ।

গৰীব, কাল যো পিঁসৈ পিসনা, জৌৰা হ্যায় পনীহাৰ।।
এ দো আসল মজুৰ হ্যায়, মেৰে সাহেব কে দৰবাৰ।।

এই কাল যি ইয়াত ২১ ব্ৰহ্মাণ্ডৰ ভগৱান (ব্ৰহ্ম) তথা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ পিতা। এওঁতো মোৰ ঈশ্বৰ কবীৰদেৱৰ আটা পিহে অৰ্থাৎ আচল চাকৰ আৰু জৰা (মৃত্যু) মোৰ কবীৰ পৰমেশ্বৰৰ সভাত পানী কঢ়িওৱা এক বিশেষ চাকৰণী। এই দুই আচল মজদুৰ মোৰ কবীৰ পৰমেশ্বৰৰ সভাত আছে।

কিছু দিনৰ পিছত কবীৰদেৱ আকৌ আহিল আৰু ৰাণী ইন্দ্ৰমতীক সৎ নাম প্ৰদান কৰিলে। আকৌ কিছু দিনৰ পিছত ৰাণী ইন্দ্ৰমতীৰ অতি শ্ৰদ্ধা দেখি কবীৰ পৰমেশ্বৰে সাৰনাম দিলে। সাৰশব্দৰ উপলব্ধি কৰোৱালে। কবীৰ পৰমেশ্বৰে ৰাণী ইন্দ্ৰমতীক সময়ে সময়ে দৰ্শন দিবলৈ যাওঁতে ইন্দ্ৰমতীয়ে প্ৰাৰ্থনা কৰিছিল যে হে গুৰুদেৱ ঈশ্বৰ মে

াৰ স্বামী ৰজাক বুজাওক যাতে তেখেতেও আপোনাৰ চৰণত শৰণ লওক আৰু মোৰ জীৱন সফল হওক। ৰজা চন্দ্ৰ বিজয়ক কবীৰ পৰমেশ্বৰে প্ৰাৰ্থনা কৰিলে যে চন্দ্ৰবিজয় আপুনিও নাম দীক্ষা লওক এই দুই দিনৰ ৰাজপাট আৰু ভোগ-বিলাস অসাৰ, পিছত আকৌ প্ৰাণী চৌৰাশী লাখ যোনীলৈ গুচি যাব লাগিব। চন্দ্ৰ বিজয়ে কলে ভগৱান মই নাম দীক্ষা নলও আৰু আপোনাৰ শিষ্যকো মানা নকৰো, লাগিলে গোটেই ৰাজ ভড়াল উদং কৰি দিয়ক, যি প্ৰকাৰৰ সৎসঙ্গ কৰে কৰাওক, মই আপত্তি নকৰো। কবীৰদেৱে (কৰুণাময়) কলে আপুনি কিয় নাম দীক্ষা নলয় ? ৰজা চন্দ্ৰ বিজয়ে কলে মইতো ডাঙৰ ডাঙৰ ৰজাৰ পাৰ্টিত যাব লগা হয়। কৰুণাময় (কবীৰদেব) কলে পাৰ্টিলৈ যোৱাত নামে কি বাধা দিব ? সভাত যোৱা, তাত কাজু খোৱা, গাখীৰ পান কৰা, চৰবত চুহি লোৱা, মদ্যপান নকৰিবা। মদ্যপান কৰা মহাপাপ। কিন্তু ৰজাই নামানিলে।

ৰাণীৰ আকৌ প্ৰাৰ্থনা শুনাত কৰুণাময় (কবীৰ) ঈশ্বৰে ৰজাক আকৌ বুজালে যে নাম বিনা জীৱৰ জীৱন এনেয়ে ব্যৰ্থ হৈ যায়। আপুনি নাম দীক্ষা লওক। ৰজাই আকৌ কলে গুৰুদেৱ মোক নাম লবলৈ নকব। আপোনাৰ শিষ্যাক মই বাধা নকৰো। লাগিলে যিমানেই দান কৰক, কিমান সৎসঙ্গ কৰে কৰক। পৰমেশ্বৰে কলে এই দুদিনিয়া সুখ দেখি ইয়াৰ বুদ্ধি ভ্ৰষ্ট হৈছে। তুমি প্ৰভূৰ চৰণত থাকা। নিজৰ আত্ম কল্যাণ কৰা। ইয়াত কোনেও কাৰো পতি নহয়, কোনেও কাৰো পত্নী নহয়। পূৰ্ব জন্মৰ সংস্কাৰৰ কাৰণে দুই দিনৰ সম্বন্ধ। নিজৰ পুণ্য অৰ্জন কৰা ৰাণী। এতিয়া ইন্দ্ৰমতী ৮০ বছৰীয়া বৃদ্ধা হ'ল, কত ৪০ বছৰ বয়সতে মৰিব লগা আছিল। যেতিয়া তেওঁৰ শৰীৰ থৰক-বৰক কৰিবলৈ ধৰিলে তেতিয়া কৰুণাময় ঈশ্বৰে কলে ইন্দ্ৰমতী এতিয়া কি বিচৰা ? সৎলোকলৈ যাবানে ? ইন্দ্ৰমতীয়ে কলে যে প্ৰভু মই প্ৰস্তুত আছো। একেবাৰে যাবলৈ ইচ্ছুক, হে ভগৱান। কৰুণাময় ঈশ্বৰে কলে তোমাৰ নাতি-নাতিনীয়েকৰ মোহ-মায়া নাইতো ? ৰাণীয়ে কলে একেবাৰে নাই পৰমেশ্বৰ। আপুনি এনেকুৱা নিৰ্মল জ্ঞান দিছে যে এই জ্বলাময় মৃত্যু সংসাৰত কি ইচ্ছা কৰো। কবীৰদেৱ (কৰুণাময়) পৰমেশ্বৰে কলে যে পুত্ৰী, বলা (তথাস্থ)। ৰাণীয়ে প্ৰাণ ত্যাগিলে। পৰমেশ্বৰ কবীৰ (কৰুণাময়) মুক্তিদাতাই ৰাণী ইন্দ্ৰমতীৰ আত্মাক ওপৰলৈ লৈ গ'ল। এই ব্ৰহ্মাণ্ডৰ ভিতৰত এক মানসৰোবৰ আছে। সেই মানসৰোবৰত গৈ এই আত্মাই স্নান কৰিব লাগে। এই প্ৰাণীক কবীৰ পৰমেশ্বৰে পুৰ্ণ গুৰুৰ স্বৰূপত প্ৰকট হৈ কিছু সময় ধৰি মানসৰোবৰত ৰাখে। মুক্তিদাতা কবীৰ পৰমেশ্বৰে আকৌ ইন্দ্ৰমতীক সুধিলে এই সংসাৰত যদি কিবা ইচ্ছা আছে তেন্তে পুনৰ জন্ম লব লাগিব। যদি মনত কিবা ইচ্ছা ৰৈ গল তেন্তে সৎলোকলৈ যাব নোৱাৰি। ইন্দ্ৰমতীয়ে কলে হে ভগৱান আপুনিতো অন্তৰ্যামী, কোনো ইচ্ছা নাই। আপোনাৰ চৰণত থকাই ইচ্ছা। কিন্তু মনত মোৰ এটা শংকা লাগি আছে যে, যিজন মোৰ পতি আছিল, তেওঁ মোক কেতিয়াও ধাৰ্মিক কৰ্মৰ বাবে বাধা দিয়া নাছিল। নহলেতো আজি কালিৰ পতিয়ে নিজৰ পত্নীক বাধা দিয়ে। যদি তেওঁ মোক বাধা কৰিলেহেঁতেন তেন্তে মই আপোনাৰ চৰণ নাপালোহেঁতেন। মোৰ কল্যাণ নহলহেঁতেন। তেখেতৰ এই শুভ কৰ্মত যোগদানৰ বাবে যদি কিবা পুণ্যৰ যোগ্য, কেতিয়াবা তেখেতক দয়া কৰিব হে মোৰ ঈশ্বৰ। পৰমেশ্বৰ কবীৰে দেখিলে যে এই নিৰ্বোধ এতিয়াও তাৰ মোহত আবদ্ধ। পৰমেশ্বৰে কলে ঠিক আছে পুত্ৰী, এতিয়া তুমি দুই চাৰি বছৰ ইয়াতে থাকা।

দুই বছৰ পিছত ৰজাৰো মৃত্যু সময় আহিল। কিয়নো নাম উপদেশ নোলোৱাৰ কাৰণে যমদুতক দেখি ৰজাই মূৰ ঘুৰণিত পৰি গ'ল। যমদুতে তাৰ কান্ধত উঠি হেচিলে। ৰজাই পাইখানা আৰু পেচাব কৰি পেলালে। কৰুণাময় (কবীৰ পৰমেশ্বৰ) ঈশ্বৰে ৰাণীক কলে চোৱা তোমাৰ ৰজাৰ কি দশা হৈছে ? তেওঁক মানসৰোবৰৰ পৰাই কবীৰ পৰমেশ্বৰে দেখুৱালে। এই সকলো পৰিস্থিতি দেখি ৰাণীয়ে কলে হে প্ৰভু, যদি তেওঁৰ ভক্তিত সহযোগৰ ফল থাকিব পাৰে, তেন্তে অলপ দয়া কৰক দয়ালু। ৰাণীৰ তেতিয়াও অলপ মোহ মমতা আছিল। কবীৰদেবে (কৰুণাময়) ভাবিলে যে এওঁ আকৌ কালৰ জালত বন্দী হ'ব। ইয়াকে ভাবি মানসৰোবৰৰ পৰা তালৈ গ'ল যত চন্দ্ৰ বিজয় মহলৰ ভিতৰত অচেতন হৈ পৰি আছিল। যমদুতে তাৰ প্ৰাণ বাহিৰ কৰিব ধৰিছিল। কবীৰদেৱ অহাৰ লগে লগে যমদুত বিলাক এনেভাৱে আকাশত উৰি গ'ল যেনেকৈ মৰা শৰৰ পৰা শগুণ উৰি যায়। চন্দ্ৰ বিজয় চেতন পালে। সমুখত পৰমেশ্বৰ কৰুণাময় থিয় হৈ আছে। মাথোন ৰজা চন্দ্ৰ বিজয়ে দেখা পাইছিল আৰু অইন কোনেও দেখা পোৱা নাছিল। চন্দ্ৰ বিজয়ে ভৰিত পৰি কবলৈ ধৰিলে প্ৰভু মোক ক্ষমা কৰক, মোৰ জীৱন ৰক্ষা কৰক। কিয়নো এতিয়া তেওঁ দেখিলে যে তাৰ প্ৰাণ গুচি যায়। (যেতিয়া জীৱৰ চকু খোলে তেতিয়া গম পায় যে কথা বিষম) মোক ক্ষমা কৰি দিয়ক প্ৰভু, মোৰ প্ৰাণ ৰক্ষা কৰি দিয়ক মালিক। কবীৰদেৱে কলে ৰজা আজিও তোমাৰ সেই কথা, সেই দিনাও সেই কথা আছিল, নাম দীক্ষা লব লাগিব। ৰজাই কলে মই নাম দীক্ষা লম, এতিয়াই লম। কবীৰদেৱে নাম উপদেশ দি কলে যে এতিয়া মই তোমাক দুই বছৰ আয়ুস দিম, যদি ইয়াতে তোমাৰ এটা উশাহ খালী হৈ যায় তেন্তে আকৌ কৰ্মদণ্ড ৰৈ যাব।

কবীৰ, জীৱন তো থোড়া ভলা, যো সত সুমিৰণ হো। লাখ বৰ্ষ কা জীৱনা, লেখে ধৰে না কো।।

শুভ কৰ্মত সহযোগ কৰা আৰু পিছৰ কৰ্ম আৰু শ্ৰদ্ধাৰে দুই বছৰ নাম স্মৰণ তথা তিনিও নাম প্ৰদান কৰি কবিৰদেৱে চন্দ্ৰ বিজয়কো পাৰ কৰি দিলে। জোৰে কওঁক কবীৰদেৱ কী জয়, জয় “বন্দী ছোড় কী জয়” (মুক্তিদাতা)।

পৰমেশ্বৰ কবীৰদেৱ সঁচা শ্ৰদ্ধাৰ আয়ুস বঢ়াই দিয়ে আৰু তাৰ পৰিয়ালকো ৰক্ষা কৰে ওপৰৰ বিৱৰণৰ পৰা এই কথা জনা গ'ল। এই প্ৰমাণ বহুত পুৰণি। বৰ্তমানৰ সাধাৰণ ব্যক্তিয়ে বিশ্বাস নকৰে। বৰ্তমান পূজ্য কবীৰদেৱ পৰমেশ্বৰৰ শক্তিৰে সৎগুৰু ৰাম পাল দাস গুৰু মহাৰাজৰ দ্বাৰা কষ্ট নিৱাৰণ তথা আয়ু বৃদ্ধিৰ অনেক প্ৰমাণ পঢ়ক এই পুথিত “ভটকো কো মাৰ্গ বিষয়” নামৰ লিখনী আৰু পুথি “পৰমেশ্বৰ কা সাৰ সন্দেশ”।

## কবীৰ পৰমেশ্বৰ (কবীৰদেব) কলিযুগত অৱতৰণ

বিক্ৰমী চন ১৪৫৫ (চন ১৩৯৮) জেঠ মাহৰ পূৰ্ণিমা পূৱা ব্ৰহ্ম মুহূৰ্তত সিজন পূৰ্ণ পৰমেশ্বৰ (কবীৰ্দেৱ) স্বয়ং নিজে মূল স্থান সৎলোকৰ পৰা আগমণ হয়। কাশী নগৰৰ অলপ দুৰত লহৰতাৰা নামক বিলৰ মাজত এটা পদুম ফুলৰ ওপৰত এজন শিশুৰ ৰূপ ধাৰণ কৰি অৱতাৰ হয়। প্ৰথমে মই আপোনালোকক নীৰু নীমাৰ বিষয়ে কবলৈ খুজো যে এওঁলোক কোন আছিল ? দ্বাপৰ যুগত নীৰু নীমা সুপচ সুদৰ্শনৰ পিতা মাতা আছিল। এওঁলোকে কবীৰদেবৰ বিষয়ে বিশ্বাস কৰা নাছিল। শেষত সুদৰ্শনে, কৰুণাময় ৰূপত অহা কবীৰদেবক প্ৰাৰ্থনা কৰিছিল যে প্ৰভু আপুনি মোক নাম দীক্ষা দিছে যেতিয়া

সকলো দিছে। আজিলৈ আপোনাৰ পৰা বিচাৰিবলৈ মোৰ একো আৱশ্যকতা হোৱা নাই। কিয়নো আপুনি সকলো মনো কামনা পূৰ্ণ কৰিছে আৰু যি বাস্তৱিক ভক্তি ধন আছে তাৰে দ্বাৰাই সকলো পৰিপূৰ্ণ কৰি দিছে। এটা মিনতি আছে দাসৰ যদি উচিত বুলি ভ াৱে তেনেহ'লে ক'ব। মোৰ আই দেউতাৰ যদি কেতিয়াবা মনুষ্য শৰীৰ প্ৰাপ্ত হয় তেন্তে বিচাৰ কৰি আপোনাৰ চৰণত লব মোৰ প্ৰভু। এওঁলোক বহুত পুণ্যাত্মা, কিন্তু আজি ইয়াৰ বুদ্ধিৰ বিপৰীত হৈছে। তেওঁলোকে পৰমাত্মাৰ বাণীক নমনা হৈছে। কবীৰদেৱে কলে তুমি চিন্তা নকৰিবা, এতিয়া তুমি তোমাৰ আই দেউতাৰ মমতাত বিপাঙত নপৰিবা। সময় আহিবলৈ দিয়া মই তেওঁলোককো চম্ভালিম। কালৰ জালৰ পৰা মুক্ত কৰিম। তুমি নিশ্চিত হৈ সৎলোকলৈ যোৱা। পুণ্যাত্মা সুদৰ্শন সৎলোকলৈ গুচি গল।

সুদৰ্শনৰ পিতৃ-মাতৃ কলিযুগত নীৰু নীমা হৈ জন্ম লোৱাৰ আগেয়ে ব্ৰাহ্মনৰ ঘৰত দুই বাৰ জনম লৈছিল। সেই সময়তো নিঃসন্তান আছিল। আকৌ তৃতীয় জনম কাশীত পালে। সেই সময়ত তেওঁলোক ব্ৰাহ্মণ আৰু ব্ৰাহ্মণী (গৌৰী শংকৰ আৰু স্বৰস্বতী নামে ৰে) নিঃসন্তান আছিল।

নীৰু তথা নীমা দুয়ো গৌৰী শংকৰ আৰু স্বৰস্বতী নামেৰে ব্ৰাহ্মণ জাতিৰ আছিল। এওঁলোক শিৱৰ পূজাৰী আছিল। ভগৱান শিৱৰ মহিমা শিৱ পুৰাণৰ পৰা ভক্তাত্মাক নিস্বাৰ্থ ভাৱে শুনাইছিল। কাৰো পৰা পইচা নলৈছিল। ইমান পৱিত্ৰ আত্মা আছিল যে কোনোৱাই সিহঁতক দান-দক্ষিণা নিজে নিজে দি গৈছিল, তাৰ পৰা নিজৰ ভোজন যোগ্য খিনি ৰাখি আৰু যি বাচি গৈছিল তাৰে ভণ্ডাৰা কৰি দিছিল।

অইন স্বাৰ্থপৰ ব্ৰাহ্মণে গৌৰীশংকৰ আৰু স্বৰস্বতীৰ ওপৰত ঈৰ্ষা কৰিছিল কিয়নো গৌৰী শংকৰ নিঃস্বাৰ্থ কথা শুনাইছিল। পইচাৰ লোভত ভকতক ঠগোৱা নাছিল যি কাৰণে সমাজত তেওঁ প্ৰসংশাৰ পাত্ৰ আছিল। আনফালে মুছলমান সমাজে জানিছিল যে তেওঁৰ লগত কোনো হিন্দু, আৰু ব্ৰাহ্মণৰ লগত একতা নাই। তেওঁলোকে ইয়াৰ সুযোগ ল'লে আৰু বল পূৰ্ব্বক মুছলমান কৰিলে। মুছলমানে নিজৰ পানী সিহঁতৰ গোটেই ঘৰত ছটিয়াই দিলে আৰু তেওঁৰ মুখৰ ওপৰতো ঢালি দিলে, গোটেই কাপোৰ ফালি দিলে। তেওঁক হিন্দু ব্ৰাহ্মণ বিলাকে কলে যে এতিয়াৰ পৰা এওঁলোক মুছলমান হৈ গ'ল। আজিৰ পৰা তেওঁলোকৰ লগত আমাৰ কোনো ভাতৃত্ব নাথাকে।

**নীৰু নীমাৰ তাঁতী (কাপোৰ বোৱা) উপাধি তথা পৰমেশ্বৰ প্ৰাপ্তি**

নিৰীহ গৌৰী শংকৰ তথা স্বৰস্বতী বিবশ হ'ল। মুছলমানে পুৰুষৰ নাম নী তথা স্ত্ৰীৰ নাম নীমা ৰাখিলে। আগেয়ে সিহঁতে যি পূজা কৰিছিল তাৰেই জীৱিকা নিৰ্বাহ চলিছিল আৰু যি অলপ পইচা ৰাহি হৈছিল অন্য কাৰ্য্যত প্ৰয়োগ নকৰিছিল। সেই ৰাহি ধনেৰে ধৰ্ম ভণ্ডাৰা কৰিছিল। লোকৰ পূজা (যজমানি) অহাও বন্ধ হৈ গ'ল। তেওঁলোকে ভাৱিলে এতিয়া কি কাম কৰো ? তেওঁলোকে এখন তাঁত লগাই ললে আৰু তাঁতীৰ কাম আৰম্ভ কৰি দিলে। কাপোৰ বৈ জীৱন নিৰ্বাহ কৰিবলৈ ধৰিলে। কাপোৰ বিক্ৰী কৰি ঘৰৰ খৰচ উলিওৱাৰ পিচত যি পইচা ৰাহি হয় তাকো ধৰ্ম ভণ্ডাৰাত লগাই দিছিল। হিন্দু ব্ৰাহ্মণ সকলে নীৰু নীমাক গঙ্গা ঘাটত গৈ স্নান কৰাও বন্ধ কৰি দিছিল। কৈছিল যে এতিয়া তোমালোক মুছলমান হ'লা।

গঙ্গা নদীৰ পানী নলাৰে উপচি পৰি কাশীত এক লহৰতাৰা নামে ডাঙৰ বিল পানীৰে

ভৰাই ৰাখিছিল। বহুত নির্মল পানীৰে ভৰা আছিল। তাত পদুম ফুলে ভৰি পৰিছিল। চন ১৩৯৮ (বিক্রমী সন ১৪৫৫) জেঠ মাহৰ শুদ্ধ পূর্ণিমাৰ ব্রহ্মমুহূর্তত (সূর্য্যোদয়ৰ প্রায় দেৰ ঘন্টা আগতে) নিজৰ সত্যলোক (ঋতধাম)ৰ পৰা স্বশৰীৰে আহি পৰমেশ্বৰ কবীৰ (কবীৰ্দেৱ) শিশু ৰূপ ধাৰণ কৰি লহৰতাৰা বিলত পদুম ফুলৰ ওপৰত বিৰাজমান হৈছিল। সেই লহৰতাৰা বিলত নীৰু নীমাই পুৱাই পুৱাই ব্রহ্মমুহূর্তত গা ধুবলৈ প্রতিদিনে গৈছিল। (সূর্য্যোদয়ৰ দেৰ ঘন্টা আগৰ সময়খিনিক ব্রহ্মমুহূর্ত বোলে) এক বৰ জ্যোতির্ময় জম কীয়া অগ্নিপিণ্ড (শিশু ৰূপত অহা পৰমেশ্বৰ কবীৰ্দেৱ শৰীৰ যুক্ত হৈ আহিছিল, দূৰত্বৰ কাৰণে দীপ্ত আভাহযুক্ত দৃষ্টি গোচৰ হৈছিল।) আকাশৰ পৰা (সত্যলোকৰ পৰা) আহি পদুম ফুলৰ ওপৰত অৱস্থান হ'ল। যাৰ দ্বাৰা গোটেই লহৰতাৰা বিলখন জকমকীয়া হ'ল আকৌ পিছত এক চুকত গৈ অদৃশ্য হ'ল। এই দৃশ্য স্বামী ৰামানন্দৰ এজন শিষ্য ঋষি অষ্টানন্দই দেখি আছিল। অষ্টানন্দইয়ো প্রাতঃ স্নান কৰিবৰ বাবে একান্ত স্থানত সেই লহৰতাৰা বিললৈ প্রতিদিন গৈছিল। তাত বহি নিজৰ সাধনা গুৰুদেৱে যি মন্ত্র দিছিল তাক জাপ কৰিছিল আৰু প্রকৃতিৰ আনন্দ উপভোগ কৰিছিল। স্বামী অষ্টানন্দই যেতিয়া দেখিলে যে ইমান পোহৰ যিটো চকুৰে মনিব নোৱাৰি অর্থাৎ ছাট মাৰি গল। ঋষিয়ে ভাবিলে যে ই মোৰ ভক্তি সাধনাৰ উপলব্ধি নে তৰামণ্ডলৰ কিছু ঘটনা ? ইয়াকে ভাবি কাৰণ সুধিবৰ বাবে নিজৰ গুৰুদেৱৰ ওচৰলৈ গল।

আদৰণীয় ৰামানন্দ দেৱক অষ্টানন্দই সুধিলে হে গুৰদেৱ! মই আজি এনেকুৱা দীপ্ত আভা দেখিছো যিটো কেতিয়াও জীৱনত দেখা নাই। গোটেই ঘটনা বর্ণালে যে আকাশৰ পৰা এটা জলন্ত অগ্নি পিণ্ড আহি আছিল। মই দেখি থাকোতেই মোৰ চকুৱে ছাট ম াৰি ধৰিলে। ইমান পোহৰ মোৰ চকুৱে সহিব নোৱাৰিলে।চকু মুদিলো, মুদা চকুৰেই এক শিশু ৰূপ দেখিলোঁ। (যেনেকুৱা সূর্য্যৰ ফালে দেখাৰ পিছত চকু বন্ধ অৱস্থাত সূর্য্যৰ গোলা পিণ্ড চকুত ভাহি উঠে, এনেকৈ শিশু দেখা দিলে।) এইটো কি মোৰ কোনো ভ ক্তিৰ উপলব্ধি নে দৃষ্টি দোষ আছিল? স্বামী ৰামানন্দ দেৱে কলে, বোলে বোপাই এনে লক্ষণ তেতিয়াই হয় যেতিয়া ওপৰ লোকৰ পৰা কোনো অৱতাৰ হয়। তেওঁ ইয়াত নহয় কৰবাত আবির্ভাব হব, কোনোৱা মাতৃৰ পৰা জনম লব পিছত লীলা কৰিব। (কিয়নো এইবিলাক সাধুৰ জ্ঞান ইমানেই যে জনম মাতৃৰ পৰা হয়) যিমান খিনি সাধুৰ জ্ঞান আছিল সেই খিনিৰে নিজৰ শিষ্যৰ শংকা সমিধান দিলে।

নীৰু আৰু নীমাই প্রতিদিনৰ দৰে সেই দিনাও স্নান কৰিবলৈ গৈছিল। বাটতে নীমাই প্রভূৰ প্রতি প্রার্থনা কৰিলে হে ভগৱান শিৱ (যদিও সিহঁতে মুছলমান হৈছিল কিন্তু নিজৰ অন্তৰৰ ভক্তি সাধনা পাহৰা নাছিল যিটো ইমান বছৰৰ পৰা অভ্যস্ত আছিল।) আমাৰ বাবে এটা শিশু তোমাৰ কম পৰিল নে ? আমাক যদি এটা সন্তান দিলেহেঁতেন আমাৰ জীৱন সফল হলহেঁতেন। এনেকৈ কৈ উচুপি বিনাবলৈ ধৰিলে। তেওঁৰ গিৰিয়েক নীৰুৱে কলে যে নীমা ঈশ্বৰৰ ইচ্ছাৰ ওপৰত প্রসন্ন থাকিব পাৰিলেই হিত বুলি জানিবা। যদি এনেকৈ কান্দি থাকা তোমাৰ শৰীৰ দুর্বল হৈ যাব, চকুৰে দেখা বন্ধ হৈ যাব। আমাৰ ভাগ্যত সন্তান নাই। এনেকৈ কৈ কৈ লহৰ তাৰা বিলৰ পাৰত উপস্থিত হল। অলপ অলপ আন্ধাৰ আছিল। নীমা গা ধুই পাৰত উঠিল আৰু কাপোৰ সলালে। নীৰুৱে গা ধুবৰ বাবে পানীত নামিল। নীমাই গা ধোৱাৰ সময়ত

পিন্ধা কাপোৰ পুনৰায় ধুবৰ বাবে বিলৰ পাৰলৈ গল, তেতিয়া আন্ধাৰ নোহোৱা হল। সূৰ্য্য উদয় হবৰ হল। নীমাই দেখিলে যে বিলৰ সন্মুখত থকা পদুম ফুলৰ ওপৰত কিবা বস্তু হালি জালি আছে। কবীৰদেৱে শিশু ৰূপত এটা ভৰিৰ আঙুলী মুখত ৰাখি আন এটা ভৰি লৰাই আছিল। প্ৰথমে নীমাই যেন সাপ বুলি ভাবিছিল আৰু যেন তাইৰ গিৰিয়েকৰ ফালে আগবাঢ়ি আছে। পিছত ভালকৈ দেখাত বুজিবলৈ দেৰি নহল কোনোবা শিশুহে। পদুম ফুলৰ ওপৰত কেচুৱা লগে লগে নিজৰ পতিক সম্বোধিলে চাওক চাওক কেচুৱাটো ডুবিব ডুবিব। নীমাই কলে তুমি নিৰ্বোধ, সন্তানৰ মায়াত পাগল হৈছা। পানীতো তুমি সন্তান দেখিছা। নীমাই কলে, সৌটো সমুখৰ পদুম ফুলৰ ওপৰত ভালকৈ চাওঁক। নীমাই জোৰকৈ কোৱাত প্ৰভাৱিত হৈ যিফালে আঙুলীৰে সংকেত দিলে নীৰুৱে সেইফালে চোৱাত এটা পদুম ফুলৰ ওপৰত নবজাত শিশুক শুই থকা অৱস্থাত দেখিলে। নীৰুৱে সেই নৱজাত শিশুক ফুলেৰে সৈতে উঠাই আনি নীমাক দিলে। স্বয়ং গা ধুবলৈ ললে। নীৰুৱে গা ধুই পাৰত উঠিল। নীমাৰ কোলাত শিশু ৰূপত অহা পৰমেশ্বৰক বৰ মৰম কৰিবলৈ ধৰিলে তথা শিৱক প্ৰশংসা আৰু স্তুতিৰে সৈতে কবলৈ ধৰিলে হে প্ৰভু! আপুনি মোৰ দীৰ্ঘ দিনীয়া মনোবাঞ্চা পূৰণ কৰিলে। (কিয়নো তেওঁ শিৱৰ পুজাৰিনী আছিল।) আজিও মিনতি কৰাত হে ভে ালেনাথ অন্তৰৰ কাতৰ বিননী আজিহে শুনিলা।

সিজন কবীৰ পৰমেশ্বৰ যাৰ নাম ললেই হৃদয়ত এক খলক উঠে, যাৰ প্ৰেমত ৰোম থিয় হৈ যায়, আত্মা প্ৰসন্নই ভৰি পৰে, আৰু যি ভাই-ভণীয়ে বুকুত আকোৱালি লৈ পুত্ৰবত মৰম কৰিছিলে সেই আইজনীৰ নো কিমান আনন্দ ? সিটো অবৰ্ণনীয়। যেনেকুৱা কোনোৱাই মধু খাই তাৰ আনন্দ অইনক কব নোবাৰে খাওঁতাই হে জানে। যেনেকৈ মাকে শিশুক মৰম কৰে এনে শিশু ৰূপ ধাৰী পৰমেশ্বৰক কেতিয়াবা মুখত চুমা খাই, কেতিয়াবা বুকুত আকোৱালি লয় আৰু বাৰে বাৰে শিশুৰ মুখলৈ চাই বিভোৰ হৈ ৰয়। ইমানতে নীৰু গা ধুই পাৰলৈ উঠি আহিল। (কিয়নো মানুহে সমাজৰ প্ৰতি বেচি লক্ষ্য ৰাখে) তেওঁ বিচাৰ বিবেচনা কৰিবলৈ ধৰিলে যে মুছলমানৰ লগতো এটা সদভাব হোৱা নাই আনহাতে আমাক হিন্দু ব্ৰাহ্মণ সকলে ঈৰ্ষা কৰে। প্ৰথমে এই সুযোগ লৈ মুছলমানে আমাক মুছলমান কৰিলে। আমাৰ কোনো সংগ নাই। যদি আমি এই শিশুক লৈ যাওঁ তেন্তে মানুহে সুধিব যে কোৱা এই শিশুটিৰ মাতা পিতা কোন ? তুমি কাৰ সন্তান লৈ আহিছা ইয়াৰ মাকে কান্দি ৰৈ আছে হবলা। আমি কি উত্তৰ দিম, কেনেকৈ কম ? পদুম ফুলৰ ওপৰত পোৱা বুলি, কলেও মানুহে নামানে। এই সকলো চিন্তা চৰ্চা কৰি নীৰুৱে কলে যে নীমা এই শিশুটিক ইয়াতে এৰি দিয়া। নীমাই কলে মই কেতিয়াও এই সন্তানক এৰি দিব নোৱাৰো। মোৰ প্ৰাণ যাব পাৰে, মই ছট ফটাই মৰি যাম। নাজানো এই মইনাই মোক কি যাদু কৰি পেলাইছে? মই ইয়াক এৰিব নোৱাৰো। নীৰুয়ে চিন্তা কৰা গোটেই কথাখিনি ভালকৈ বুজালে আৰু কলে আমাৰ লগত এনে হব পাৰে। নীমাই কলে এই শিশুক লৈ মই দেশ এৰিব পাৰিম কিন্তু ইয়াক এৰিব নোৱাৰিম। নীৰুয়ে তাইৰ নিৰ্বুদ্ধিতা দেখি ভাবিলে যে এইতো পাগলী হোৱাৰ নিচিনাই। সমাজকো নেদেখে। নীৰুৱৈ নীমাক কলে, আজিলৈ মই তোমাৰ কোনো কথা অবজ্ঞা কৰা নাই, কিয়নো আমাৰ সন্তান নাই। তুমি যি কৈছা তাকেই মানি লৈছো। কিন্তু আজি তোমাৰ

কথা মানি নলওঁ। হয়তো এই শিশুক ইয়াতে এৰি দিয়া নহলে মই তোমাক এতিয়াই দুইচৰ শোধাই দিম। সেই মহাপুৰুষে প্ৰথমবাৰ নিজ পত্নীক আঘাত কৰিবলৈ হাত তুলিলে। সেই সময়তে শিশুৰূপী কবীৰদেবে (কবীৰ পৰমেশ্বৰ) কলে যে হে নীৰু মোক তোমাৰ ঘৰলৈ লৈ বলা। তোমাৰ কোনো আপদ নহয়। শিশুৰূপী পৰমেশ্বৰৰ বাণী শুনি নীৰুৱে ভয় খালে, যদি এই বালক কোনো দেবদুত নাই বা সিদ্ধ পুৰুষ হয় আৰু তোমাৰ ওপৰত যাতে কোনো আপদ নাহে। মনে মনে ঘৰলৈ বুলি ৰওনা হ'ল।

যেতিয়াই শিশুটিক লৈ ঘৰলৈ গ'ল সকলোৱে এইটো সুধিবলৈ পাহৰি গল যে কৰ পৰা শিশুটি লৈ আহিছা ? কাশীৰ স্ত্ৰী-পুৰুষ সকলোৱে সন্তানটিক চাবলৈ আহিল তথা কবলৈ ধৰিলে এওঁতো কোনোৱা দেৱতাই হব। ইমান ধুনীয়া শৰীৰ, এনে জ্যোতিষম ান শিশু প্ৰথমে কেতিয়াও আমি দেখা নাই। কিছুমানে কয় ই নিশ্চয় ব্ৰহ্মা, বিষ্ণু, ম হেশ্বৰ তিনিওৰ ভিতৰত কোনোবা এজন প্ৰভু। ব্ৰহ্মা, বিষ্ণু, মহেশ্ব কৈ দিয়াৰ পিছত এইবোৰ তো ওপৰ লোকৰ পৰা অহা শক্তি হে। সকলোৱে এনেকুৱা নিজৰ নিজৰ ম ন্তব্য কৰি আছিল।

গৰীব, চৌৰাশী বন্ধন কাটন, কীনী কলপ কবীৰ।
ভূবন চতুৰ্দশ লোক সব, টুটে জম জঞ্জীৰ।।৩৭৬
গৰীব, অনন্ত কোটীব্ৰহ্মাণ্ড মেঁ,বন্দী ঘেড় কহয়।
সো তো এক কবীৰ হ্যাঁয় জননী জন্যা ন মায়।।৩৭৭।।
গৰীব, শব্দ স্বৰূপ সাহেব ধনী, শব্দ সিন্ধ সব মাঁহি
বাহৰ ভিতৰ ৰমি ৰম্যা, জঁহা তঁহা সব ঠাঁহি ।।৩৭৮।।
গৰীব, জল থল পৃথিৰী গগন মেঁ, বাহৰ ভিতৰ এক।
পূৰ্ণব্ৰহ্ম কবীৰ হ্যাঁয়, অবিগত পুৰুষ অলেখ।।৩৭৯।।
গৰীব, সেৱক হোয় কৰি উতৰে,ইস পৃথিৱী কে মাহি।
জীৱ উধাৰণ জগত গুৰু বাৰবাৰ বলি জাঁহি ।।৩৮০।।
গৰীব,কাশীপুৰী কস্তু কিয়া, উতৰে অধৰ অধাৰ।
মোমন কুঁ মুজৰা হুৱা, জঙ্গল মে দীদাৰ।।৩৮১।।
গৰীব, কোটী কিৰণ শশী ভান সুধি,আসন অধৰ বিমান।
পৰশত পূৰ্ণ ব্ৰহ্ম কুঁ শীতল পিণ্ডৰুপ্ৰাণ।।৩৮২।।
গৰীব, গোদ লিয়া মুখ চুম্বি কৰি,হেম ৰূপ ঝলকন্ত।
জগৰ মগৰ কায়া কৰৈ, দমকেঁপদম অনন্ত ।।৩৮৩।।
গৰীব, কাশী উমটি গুল ভয়া, মোমন কা ঘৰ ঘেৰ।
কোই কহে ব্ৰহ্মা বিষ্ণু হ্যঁয়, কোই কহে ইন্দ্ৰ কুবেৰ।।৩৮৪।।
গৰীব, কোই কহে ছল ঈশ্বৰ নহী, কোই কিন্নৰ কহলায়।
কোই কহে গন ঈশ কা, জ্যিুঁ জ্যিুঁ মাত ৰিসায়।।৩৮৮।।
গৰীব, কোই কহৈ বৰুণ ধৰ্মৰায় হ্যায়, কোই কোই কহতে ঈশ।।
ষোলহ কলা সুভান্ত গতি, কোই কহৈ জগদীশ।।৩৮৫।।
গৰীব, ভক্তি মুক্তি লে উতৰে, মেটন তিনু তাপ।
মোমন কে ডেৰা লিয়া, কহৈ কবীৰা বাপ।।৩৮৬।।

গৰীব, দুধন পীৱৈন অন্ন ভূখৈ, নঁহী পলনে ঝুলন্ত।
অধৰ অমান ধিয়ান মেঁ,কমল কলা ফুলন্ত।।৩৮৭।।
গৰীব, কাশী মেঁ অচৰজ ভয়া,গই জগত কী নীন্দ।
এয়সে দুলহে ঊতৰে, যেয়ুঁ কন্যা বৰ বীন্দ।।৩৮৯।।
গৰীব, খলক মুলক দেখন গয়া,ৰাজা প্ৰজা ৰীত।
জম্বুদ্বীপ জিঁহান মেঁ, উতৰে শব্দ অতীত।।৩৯০।।
গৰীব,দুনী কহৈ য়েহ দেব হ্যায়, দেব কহত হ্যায় ঈশ।
ইশ কহে পাৰব্ৰহ্ম হ্যায়,পূৰণ বিশৱে বীস।।৩৯১।।

পৰমেশ্বৰ কবীৰ দেৱেই অনাদি পৰম গুৰু। তেওঁবে ৰূপান্তৰ হৈ সাধু বা ঋষিৰ বেশত সময়ে সময়ে ধৰাতলত স্বয়ং প্ৰকট হয়। কালৰ দূত (সাধু গুৰু)ৰ দ্বাৰা গোলম াল লগোৱা তত্ত্ব জ্ঞানক সুস্থ কৰে। কবীৰদেৱে ব্ৰহ্মা, বিষ্ণু, শিৱ আদি দেৱতা বিলাক আৰু ঋষি, মুনি, সাধুসন্তক সময়ে সময়ে সৎলোকৰ পৰা আহি সকলোকে নাম উপদেশ দিয়ে। আদৰণীয় গৰীবদাস মহাৰাজে নিজৰ বাণীত স্বয়ং কবীৰ দেৱে কোৱা কথা বৰ্ণাইছে -

আদি অন্ত হমাৰা নহী, মধ্য মিলৱা মূল।
ব্ৰহ্ম জ্ঞান সুনাইয়া, ধৰ পিণ্ড অস্থুল।।
শ্বেত ভূমিকা হম গয়ে, জহা বিশ্বম্ভৰ নাথ।
হৰিয়ম্ হীৰা নাম দে, অষ্ট কমল দল ষান্তি।।
হম বৈৰাগী ব্ৰহ্ম পদ, সন্যাসী মহাদেব।
সোহংমন্ত্ৰ দিয়া শংকৰ কুঁ কৰত হমাৰী সেব।।।
হম সুলতানী নানক তাৰে, দাদু কুঁ উপদেশ দিয়া।।
জাতি জুলাহা ভেদ ন পায়া, কাশী মাহে কবীৰ হুয়া।।
সৎযুগ মেঁ সত সুকৃত কহ টেৰা, ত্ৰেতা নাম মুনিন্দ্ৰ মেৰা।
দ্বাপৰ মেঁ কৰুণাময় কহলায়া, কলিযুগ মে নাম কবীৰ ধৰায়া।।
চাঁৰো যুগোঁ মেঁ হম পুঁকাৰে, কূক কহৈ হম হেল ৰে।
হীৰে মানিক মোতী বৰষেঁ, এ যুগ চুগতা ঢেলৰে।।

ওপৰোক্ত বাণীৰ পৰা সিদ্ধ হল যে কবীৰ পৰমেশ্বৰেই অবিনাশী পৰমাত্মা। এওঁ অজৰ অমৰ। এই পৰমাত্মা চাৰিও যুগত স্বয়ং অতিথি ৰূপত কিছু দিনৰ বাবে এই সংসাৰলৈ আহি নিজৰ সৎ মাৰ্গৰ ভক্তি অৰ্থাৎ সত্যভক্তি দেখুৱাই।

## পূৰ্ণ সন্তৰ পৰিচয়

(পবিত্ৰ সদগ্ৰন্থৰ পৰা পূৰ্ণ সন্তৰ পৰিচয়)

বেদ, গীতা আদি পবিত্ৰ সৎগ্ৰন্থত প্ৰমাণ পোৱা যায় যে যেতিয়াই ধৰ্মৰ হানি হয় আৰু অধৰ্ম বৃদ্ধি হয় আৰু বৰ্তমানৰ আধৰুৱা গুৰু, সাধু, মহন্তই ভক্তি মাৰ্গৰ স্বৰূপ ওলট পালট কৰি দিয়ে। পিছত পৰমেশ্বৰ স্বয়ং আহি অথবা নিজৰ পৰম জ্ঞানী সন্তক পঠাই সত্য জ্ঞানৰ দ্বাৰা ধৰ্মৰ পূণঃ স্থাপনা কৰে। তেওঁ ভক্তি মাৰ্গ শাস্ত্ৰ অনুসৰি বুজায়। তেওঁৰ পৰিচয় এনেদৰে হয়, বৰ্তমানৰ ধৰ্মীয় গুৰুৱে তেওঁৰ বিৰুদ্ধে থিয় দিব আৰু ৰজা প্ৰজাক ছল চাতুৰী কৰি তেওঁৰ ওপৰত অত্যাচাৰ কৰিব। কবীৰ দেৱে নিজৰ বাণীত কয় যে---

জো মম সন্ত সত উপদেশ দৃঢ়াৱৈ (কব), বাকে সঙ্গ সভি ৰাড় বঢ়াৱৈ।
এয়া সব সন্ত মহন্তন কী কৰণী, ধৰ্মদাস ম্যাঁয় তো সে বৰ্ণী।।

কবীৰদেৱে নিজৰ প্ৰিয় শিষ্য ধৰ্মদাসক এই বাণীৰ দ্বাৰা বুজাইছে যে যি সাধু-সন্তই মোৰ ভক্তি মাৰ্গ কব তেওঁৰ লগত অইন সাধু মহন্তই কাজিয়া কৰিব। এইটোৱে তেওঁৰ পৰিচয় হব। দ্বিতীয় পৰিচয় সিজন সন্তৰ সকলো ধৰ্ম গ্ৰন্থৰ পূৰ্ণ জ্ঞান থাকিব। প্ৰমাণ সৎগুৰু গৰীবদাস মহাৰাজৰ বাণীত

"সৎগুৰু কে লক্ষ কহুঁ, মধুৰে বেন বিনোদ।
চাৰ বেদ ষট শাস্ত্ৰ, কহৈ অঠাৰা বোধ"।।

সৎগুৰু গৰীবদাস জী মহাৰাজে নিজৰ বাণীত পূৰ্ণ সন্তৰ পৰিচয় বৰ্ণাইছে যে যাৰ চাৰি বেদ, ছয় শাস্ত্ৰ, ওঠৰ পুৰাণ আদি সকলো গ্ৰন্থৰ পূৰ্ণ জ্ঞান থাকিব অৰ্থাৎ যিয়ে সাৰমৰ্ম প্ৰকাশ কৰিব পাৰিব তেওঁৱেই পূৰ্ণ সন্ত বা পূৰ্ণ গুৰু। যজুৰ্বেদ অধ্যায় ১৯, মন্ত্ৰ ২৫, ২৬ লিখিত আছে যে বেদৰ বাক্য অৰ্থাৎ সাংকেতিক শব্দবোৰ আৰু এক চতুৰ্থাংশ শ্লোক পুৰা কৰি বিস্তাৰিত ভাবে বৰ্ণাব পাৰিব আৰু তিনি সময়ৰ পূজা উপদেশ কৰিব, পূৰা পূৰ্ণ পৰমাত্মাৰ পূজা, দুপৰীয়া বিশ্বৰ দেৱতাৰ সৎকাৰ আৰু সন্ধ্যা আৰতী বেলেগ ভাবে কব তেওঁৱে জগতৰ উপকাৰী সন্ত।

যজুৰ্বেদ অধ্যায় ১৯, মন্ত্ৰ ২৫।

সন্ধিচ্ছেদ -অৰ্দ্ধ ঋচৈঃ উৱথানাম্ ৰূপম পদৈঃ আপ্নোতি নিবিদঃ।
প্ৰনবৈঃ শস্ত্ৰানাম্ ৰূপম্ পয়সা সোমঃ আপ্যতে। (২৫)

অনুবাদ :- যি সাধু (অৰ্ধ ঋচৈঃ) বেদৰ আধা বাক্য অৰ্থাৎ সাংকেতিক শব্দক পূৰ্ণ কৰি (নিবিদঃ) যোগান ধৰে (পদৈঃ) শ্লোকৰ চতুৰ্থ ভাগৰ অৰ্থাৎ আংশিক বাক্যৰ (উৱথানম) স্তোত্ৰৰ (ৰূপ) ৰূপত (আপ্নোতি) প্ৰাপ্ত কৰায় অৰ্থাৎ আংশিক বিৱৰণক পূৰ্ণ ৰূপেৰে বুজে আৰু বুজায় (শস্ত্ৰানাম) যেনে অস্ত্ৰ চলাব পৰা তাকে (ৰূপম) পূৰ্ণ ৰূপে প্ৰয়োগ কৰিব পাৰে এনে পূৰ্ণ সাধু (প্ৰণবৈঃ) ওঁকাৰ অৰ্থাৎ ওম্-তৎ-সৎ মন্ত্ৰক পূৰ্ণ ৰূপে বুজে আৰু বুজাই (পয়সা) গাখীৰ পানীক ছেকনী কৰিব পাৰে অৰ্থাৎ পানী বিহীন। গাখীৰ যেনেকুৱা তত্বজ্ঞান প্ৰদান কৰে যাৰ দ্বাৰা (সোমঃ) অমৰ পুৰুষ অৰ্থাৎ অবিনাশী পৰমাত্মাক (আপ্যাতে) প্ৰাপ্ত কৰিব পাৰে। তেওঁক পূৰ্ণ সাধু সৰ্ব বেদৰ জ্ঞাত্ বুলি কোৱা হয়।

ভাবাৰ্থ ঃ- তত্বদৰ্শী সাধুৱে বেদৰ সাংকেতিক শব্দক পূৰ্ণ ৰূপত বিস্তাৰিতভাবে বৰ্ণনা কৰিব পাৰে ইয়াৰ দ্বাৰা পূৰ্ণ পৰমাত্মা প্ৰাপ্তি হয় তেনে লোককে বেদ জ্ঞানী বুলি কোৱা হয়।

যজুৰ্বেদ অধ্যায় ১৯ মন্ত্ৰ ২৬।

সন্ধিচ্ছেদ - অশ্বিভ্যাম্ প্ৰাতঃ সবনম্ ইন্দ্ৰেন এন্দ্ৰোম মাধ্যন্দিনম্।
বৈশ্বদৈৱম সৰস্বত্বা তৃতীয়ম্ আপ্তম্ সবনম্ (২৬)।

অনুবাদ - সেই জন পূৰ্ণ গুৰু বা সাধুৱে তিনি সময়ত কৰিবলগীয়া ভক্তি সাধনা উপদেশ দিয়ে। (অশ্বিভ্যাম) সূৰ্য্য উদয়ৰ পৰা অস্তলৈকে এক দিনৰ আধাৰত (ইন্দ্ৰেণ) প্ৰথম শ্ৰেষ্ঠ হিচাবে সকলো দেৱতাৰ গৰাকী পূৰ্ণ পৰমাত্মাৰ (প্ৰাত-সবনম) পূজা পূৰাতেই কৰিবলৈ কয় সেয়ে যি (এন্দ্ৰম) পূৰ্ণ পৰমাত্মাৰ বাবে নিৰ্ধাৰিত । দ্বিতীয় (ম

াধ্যন্দিনম) দিনৰ মাজ সময়ত পূজা কৰিবলৈ কয় (বৈশ্বদৈৱম) সকলো দেৱতাৰ সৎ সম্বোধিত (সৰস্বত্যয়া) অমৃত বাণীৰ দ্বাৰা সাধনা কৰিবলৈ কয় আৰু (তৃতীয়ম) তৃতীয় (সবনম) পূজা সন্ধিয়া (আপ্তম) প্ৰাপ্ত হয় । যি তিনি সময়ৰ সাধনা ভক্তি ভিন ভিন ভাৱে কৰিবলৈ কয় তেওঁৱেই জগতৰ উপকাৰী সাধু বা গুৰু।।

ভাবাৰ্থঃ- যি পূৰ্ণ সাধু গুৰুৰ বিষয়ে মন্ত্ৰ ২৫ ত কোৱা হৈছে তেওঁ দিনত ৩ বাৰ (পুৱা, দুপৰীয়া আৰু সন্ধিয়া) ভক্তি সাধনা কৰিবলৈ কয়। ৰাতিপুৱা পূৰ্ণ পৰমাত্মাৰ পূজা, দুপৰীয়া সৰ্ব দেৱতাৰ সৎকাৰ আৰু সন্ধিয়াৰ বাবে সন্ধ্যা আৰতী আদি অমৃত বাণীৰে কৰিবলৈ কয় তেওঁৱেই সৰ্ব সংসাৰৰ উপকাৰী সাধু গুৰু। যজুৰ্বেদ অধ্যায় ১৯, মন্ত্ৰ ৩০।

সন্ধিচ্ছেদ - ব্ৰতেন দীক্ষাম্ আপ্নোতি দীক্ষয়া আপ্নোতি দক্ষিনাম্।

দক্ষিণা শ্ৰদ্ধাম্ আপ্নোতি শ্ৰদ্ধয়া সত্যম্ আপ্যতে (৩০)

অনুবাদ ঃ- (ব্ৰতেন) দুৰ্বৈৰ্সনৰ ব্ৰত ৰখা অৰ্থাৎ মদ, মঙহ, গাঞ্জা, ধপাত আদি সেৱনৰ সংযম থকা সাধক (দীক্ষাম্) পূৰ্ণসন্তৰ পৰা দীক্ষা (আপ্নোতি) প্ৰাপ্ত কৰি অৰ্থাৎ পূৰ্ণ গুৰুৰ শিষ্য হলে (দীক্ষয়া) পূৰ্ণ গুৰু দীক্ষিত শিষ্যৰ পৰা (দক্ষিণাম) দান (আপ্নোতি) প্ৰাপ্ত হয় অৰ্থাৎ সাধু বা গুৰুৱে তাৰে পৰাই দক্ষিণা লয় যিয়ে যাৰ পৰা দীক্ষা লয়। এইদৰে বিধিবৎ (দক্ষিণা) গুৰুদেৱৰ দ্বাৰা উপদৃষ্ট অনুসৰি যি দান-দক্ষিণাৰে ধৰ্ম কৰে তাৰ পৰা (শ্ৰদ্ধাম্) শ্ৰদ্ধা (আপ্নোতি) প্ৰাপ্ত হয় (শ্ৰদ্ধয়া) শ্ৰদ্ধাৰে ভক্তি কৰিলে (সত্যম্) চিৰদিন থকা সুখ আৰু পৰমাত্মা অৰ্থাৎ অবিনাশী পৰমাত্মাক (আপ্যতে) প্ৰাপ্ত হয়।

ভাবাৰ্থ ঃ- পূৰ্ণ সন্ত বা গুৰুৱে সেই ব্যক্তিক শিষ্য সজায় যি সদাচাৰ পালন কৰে।অভ ক্ষ্য পদাৰ্থৰ ভক্ষণ আৰু নিচাজাতীয় বস্তুৰ সেৱন নকৰাৰ আশ্বাস দিয়ে। পূৰ্ণ গুৰুৱে তেওঁৰ পৰাই দান-দক্ষিণা গ্ৰহণ যিজন তেওঁৰ শিষ্য হয়। পিছত গুৰুদেৱৰ পৰা দীক্ষা প্ৰাপ্ত কৰি দান-দক্ষিণা কৰে ইয়াৰপৰা শ্ৰদ্ধা বাঢ়ে। শ্ৰদ্ধাৰে সত্য ভক্তি কৰিলেহে অবিনাশী পৰমাত্মা প্ৰাপ্তি হয় অৰ্থাৎ পূৰ্ণ মোক্ষ হয়। পূৰ্ণ সাধু বা গুৰুৱে ভিক্ষা বা বৰঙণি মাগি নুফুৰে।

কবীৰ, গুৰু বিন মালা ফেৰতে গুৰু বিন দেতে দান।
গুৰু বিন দোনো নিস্ফল হ্যায় পুছো বেদ পুৰাণ।।

সদগুৰুৰ তৃতীয় পৰিচয় এই যে তেওঁ তিনি প্ৰকাৰৰ মন্ত্ৰ তিনিবাৰ উপদেশ দিওঁতে দিয়ে।

ইয়াৰ বৰ্ণনা কবীৰ সাগৰ গ্ৰন্থ পৃষ্ঠা নং ২৬৫ বোধ সাগৰত আছে আৰু গীতা অধ্যায় নং ১৭, শ্লোক ২৩, সামবেদ সখ্যা নং ৮২২ ৰ ভিতৰত আছে।

**কবীৰ সাগৰত অমৰ মূল বোধ সাগৰ ২৬৫**

তব কবীৰ অস কহৰে লীনহা, জ্ঞানভেদ সকল কহ দীনহা।।
ধৰ্ম দাস ম্যাঁয় কহো বিচাৰী, জিহিতে নিবহৈ সব সংসাৰী।।
প্ৰথমহি শিষ্য হোয় যো আই, তা কহৈ পান দেহু তুম ভাই।। ১।।
জব দেখহু তুম দৃঢ়তা জ্ঞানা, তা কহৈ কহু শব্দ প্ৰবানা।। ২।।
শব্দ মাহি জব নিশ্চয় আবে, তা কহৈ জ্ঞান অগাধ সুনাৱৈ।। ৩।।

**আকৌ পুনৰায় বুজালে---**

বালক সম জাকৰ হ্যায় জ্ঞানা। তাসোঁ কহু বচন প্ৰবানা।। ১।।

জা কো সুক্ষ্ম জ্ঞান হ্যায় ভাই। তাকো স্মৰণ দেহু লখাই।। ২।।
জ্ঞান গম্য জাকো পুনি হোই। সাৰ শব্দ জাকো কহ সোই।। ৩।।
জা কো হোয়ে দিব্য জ্ঞান পৰবেশা, তাকো কহে তত্ব জ্ঞান উপদেশা।। ৪।।

ওপৰোক্ত বাণীৰ পৰা স্পষ্ট যে উদ্ধাৰ কৰোতা গুৰু (পূৰ্ণ সন্ত) তিনি স্থিতিত সাৰনাম প্ৰদান কৰে আৰু চতুৰ্থ স্থিতিত সাৰ শব্দ প্ৰদান কৰিবলগীয়া হয়। কিয়নো কবীৰ সাগৰতো প্ৰমাণ পিছত দেখা গৈছে কিন্তু উপদেশ বিধি প্ৰথমেই পূজনীয় দাদা গুৰুদেৱ তথা পৰমেশ্বৰ কবীৰ দেৱে আমাৰ পূজ্য গুৰুদেৱক প্ৰদান কৰিছিল যিটো আমাৰ গুৰুৱে আৰম্ভণিৰ পৰাই তিনি বাৰতে সেই নাম দানৰ দীক্ষা দি আহিছে।

আমাৰ গুৰুদেৱ ৰামপাল দাস মহাৰাজ প্ৰথম বাৰ শ্ৰীগনেশ দেৱ, শ্ৰীব্ৰহ্মা আৰু সাবিত্ৰী দেৱী, শ্ৰীলক্ষ্মী বিষ্ণুদেৱ, শ্ৰীশংকৰ পাৰ্বতী দেৱী আৰু আই জগধাত্ৰীৰ নাম জাপ কৰিবলৈ দিয়ে। সেই সকল নিবাস আমাৰ মানৱ শৰীৰৰ ভিতৰত থকা কমল চক্ৰৰ ভিতৰত আছে। মূলাধাৰ চক্ৰত শ্ৰীগণেশ দেৱতাৰ বাস, স্বাদ চক্ৰত ব্ৰহ্মা সাবিত্ৰী দেৱীৰ বাস, নাভি চক্ৰত লক্ষ্মী বিষ্ণুদেৱৰ বাস, হৃদয় চক্ৰত শংকৰ পাৰ্বতী দেৱীৰ বাস, কণ্ঠ চক্ৰত আই জগধাত্ৰীৰ বাস আৰু এই সকল দেৱী-দেৱতাৰ আদি অনাদি মন্ত্ৰ আছে কিন্তু বৰ্তমানৰ গুৰু সকলে নাজানে। এই মন্ত্ৰৰ জাপৰ দ্বাৰা শৰীৰৰ পাঁচ চক্ৰ খোল খায়। এই চক্ৰ খুলি যোৱাৰ পিছত সাধক ভক্তিৰ যোগ্য হয়। সৎগুৰু গৰীবদাস মহাৰাজ নিজৰ বাণীত প্ৰমাণ দিছে যে - ভাৱাৰ্থ :- পাঁচ নাম গুহ্য গায়ত্ৰী আত্ম তত্ব জগাও। ওঁ কিলিয়ম, হৰিয়ম্ শ্ৰীয়ম্ সোহং ধ্যাও।

ভাবাৰ্থ ঃ- পাঁচ নাম হল গুহ্য গায়ত্ৰী। ইয়াক জপ কৰি আত্মাক জাগৃত কৰা।

দ্বিতীয় বাৰত দুই অক্ষৰৰ জপ কৰিবলৈ দিয়ে যাৰ এটা ওঁ আনটো তৎ (যি গুপ্ত মাথোন উপদেশীক হে কোৱা হয়) ইয়াক উশাহ নিশাহৰ লগত জাপ কৰিব লাগে।

তৃতীয় বাৰত সাৰ নাম প্ৰদান কৰে যি পূৰ্ণ ৰূপে গোপনীয়।

**তিনি বাৰতহে নাম জাপ দিয়াৰ প্ৰমাণ**

অধ্যায় ১৭, শ্লোক ২৩।

ওঁ, তৎ, সৎ, ইতি, নিৰ্দেশঃ, ব্ৰহ্মণঃ, ত্ৰিবিধঃ, স্মৃতঃ,
ব্ৰাহ্মণাঃ, তেন, বেদাঃ, চ, যজ্ঞাঃ, চ, বিহিতাঃ, পুৰা ।।২৩।।

অনুবাদ ঃ- (ওঁ) ব্ৰহ্মৰ (তৎ) এইটো সাংকেতিক পৰব্ৰহ্মৰ (সৎ) পুৰ্ণ ব্ৰহ্মৰ (ইতি) এই (ত্ৰিবিধঃ) তিনি প্ৰকাৰৰ (ব্ৰহ্মণঃ) পূৰ্ণ পৰমাত্মাৰ নাম স্মৰণৰ (নিৰ্দেশঃ) সংকেতেৰে (স্মৃতঃ) কৈছে (চ) আৰু (পুৰা) সৃষ্টিৰ আদি কালত (ব্ৰাহ্মণাঃ) বিদ্বান বিলাকে কৈছে যে (তেন) সেই পৰমাত্মাই (বেদাঃ) বেদ (চ) আৰু (যজ্ঞাঃ) যজ্ঞাদি (বিহিতাঃ) ৰচনা কৰিছে।

সংখ্যা নং ৮২২ সামবেদ উতাৰ্চিক অধ্যায় ৩, খণ্ড নং ৫, শ্লোক নং ৮ (সন্ত ৰামপাল দাস দ্বাৰা ভাষা-ভাষ্য) ঃ

মনিষিভিঃ পৱতে পূৰ্বয় কবিৰ্নৃভিৰ্য়তঃ পৰি কোশাং অসিষ্যদত।
ত্ৰিতস্য নাম জনয়ন্মধু ক্ষৰন্নিন্দ্ৰস্য বায়ুং সখ্যায় বৰ্ধয়ন।। ৮।।।

মনিষিভি পৱতে -পূৰ্বয়ঃ -কবিৰ-নৃভিঃ -যতঃ -পৰি-কোশান্ - অশিষ্যদত -ত্ৰি-তস্য -নাম -জনয়ন -মধু -ক্ষৰনঃ -ন -ইন্দ্ৰস্য -বায়ুম - সখ্যায় -বৰ্ধয়ন।

শব্দাৰ্থঃ-(পূৰ্বয়ঃ) সনাতন অৰ্থাৎ অবিনাশী (কবিৰ নৃভিঃ) পৰমেশ্বৰ কবীৰ মানৱ

ৰূপ ধাৰণ কৰি অৰ্থাৎ গুৰু ৰূপত প্ৰকট হৈ (মনিষিভিঃ) হৃদয়েৰে বিচৰা শ্ৰদ্ধাযুক্ত ভক্তাত্মাক (ত্ৰি) তিনি (নাম) মন্ত্ৰ অৰ্থাৎ নাম উপদেশ দি (পবতে) পবিত্ৰ কৰি (জনয়ন) জন্ম আৰু (ক্ষৰনঃ) মৃত্যুৰ পৰা (ন) ৰহিত কৰে তথা (তস্য) তাৰ (বায়ু) প্ৰাণ অৰ্থাৎ জীৱন শ্বাস যি সংস্কাৰ বশত নিৰ্দিষ্ট থাকে (কোশান) নিজভণ্ডাৰৰ পৰা (সংখ্যায়) মিত্ৰতাৰ আধাৰত (পৰি) পূঁজিয়ে (বৰ্ধয়ন) বঢ়ায়। (য়ত) যি কাৰণে (ইন্দ্ৰস্য) পৰমেশ্বৰৰ (মধু) বাস্তৱিক আনন্দক (অসিষ্যদত) নিজৰ আশীৰ্বাদ প্ৰসাদেৰে প্ৰাপ্ত কৰায়।

ভাবাৰ্থ ঃ- এই মন্ত্ৰই স্পষ্ট কৰিছে যে পুৰ্ণ পৰমাত্মা কবীৰদেৱ মানৱ শৰীৰত গুৰু ৰূপে প্ৰকট হৈ প্ৰভুপ্ৰেমী সকলক তিনি নামৰ জাপ দি সত্যভক্তি কৰোৱায় তথা সেই বান্ধৱ ভকতক পবিত্ৰ কৰি নিজৰ আশীৰ্বাদৰ দ্বাৰা পূৰ্ণ পৰমাত্মাক প্ৰাপ্তি কৰি পূৰ্ণ সুখ প্ৰাপ্ত কৰোৱায়। সাধকৰ আয়ুস বঢ়াই দিয়ে। প্ৰমান গীতা অধ্যায় ১৭, শ্লোক ২৩ বৰ্ণিত ওম-তৎ-সৎ ইতি নিৰ্দেশঃ ব্ৰহ্মনঃ ত্ৰিবিদ্য স্মৃতঃ ভাবাৰ্থ যে পূৰ্ণ পৰমাত্মক প্ৰাপ্তি কৰিবৰ ওঁ (১) তৎ (২) সৎ (৩) এই মন্ত্ৰ জাপ স্মৰণ কৰিবলৈ নিৰ্দেশ আছে। এই নাম তত্ত্বদৰ্শী সাধু সন্তৰ পৰা লাভ কৰা। তত্ত্বদৰ্শী সন্ত বা সদগুৰুৰ বিষয়ে গীতা অধ্যায় ৪, শ্লোক নং ৩৪ কৈছে তথা গীতা অধ্যায় নং ১৫, শ্লোক নং ১, -৪ ৰ ভিতৰত তত্ত্বদৰ্শী সন্তৰ পৰিচয় বৰ্ণনা কৰিছে তথা কৈছে যে তত্ত্বদৰ্শী সন্ত (পূৰ্ণ গুৰু)ৰ পৰা তত্ত্বজ্ঞান জনাৰ পিছত সেই পৰম পদ পৰমেশ্বৰক বিচৰা উচিত তালৈ যোৱাৰ পিচত সাধক পুনৰাই সংসাৰলৈ উভতি নাহে। অৰ্থাৎ তেওঁ পুৰ্ণ মুক্তি হয়। সেই পূৰ্ণ পৰমাত্মাৰ দ্বাৰাই সৰ্ব সংসাৰ ৰচিত হৈছে।

বিশেষ - ওপৰোক্ত বিৱৰণৰ পৰা স্পষ্ট হল যে পবিত্ৰ চাৰিও বেদ সাক্ষী সেয়ে পূৰ্ণ পৰমাত্মাই পূজাৰ যোগ্য তেওঁৰ বাস্তৱিক নাম কৱিৰ্দেৱ (কবীৰ পৰমেশ্বৰ) তথা তিনি মন্ত্ৰ জাপ কৰিলেহে পূৰ্ণ মোক্ষ প্ৰাপ্ত হয়।

ধৰ্মদাস জীক পৰমেশ্বৰ কবীৰদেৱে সাৰ শব্দ প্ৰদান কৰিবলৈ মানা কৰি দিছিল আৰু কৈছিল যদি সাৰ শব্দ কোনো কালৰ দূতৰ হাতত পৰি যায় তেন্তে কলি যুগৰ মধ্যম পুৰুষ (মধ্য কলিৰ প্ৰজন্মই) হংসাত্মা পাৰ হব নোৱাৰিব। যেনে কলি যুগৰ আৰম্ভণিৰ প্ৰথম পুৰুষ ভক্তাত্মা অশিক্ষিত আছিল আৰু কলি যুগৰ অন্তত শেষ পুৰুষ (অন্তিম পীঢ়ী) ভক্তাত্মা বিলাক কৃতঘ্ন (খাই পাত ফলা) হব আৰু বৰ্তমান চন ১৯৪৭ ৰ পৰা ভাৰত স্বাধীন হোৱাৰ পিছত মধ্যম পিৰী বা মধ্যম পুৰুষ আৰম্ভ হৈছে। চন ১৯৫১ ত সদগুৰু ৰামপাল দাস মহাৰাজক পৰমেশ্বৰে পঠাইছে। এতিয়া সকলো ভকত সমাজ শিক্ষিত হৈছে। শাস্ত্ৰ নিজৰ লগতে আছে। এতিয়া এই সত্য মাৰ্গৰ সত্য ভক্তি সাধনা গোটেই সংসাৰত বিয়পিব তথা আধৰুৱা গুৰু আৰু সাধু, মহন্ত লুকাই ফুৰিব। এই বাবে কবীৰ সাগৰ, জীৱধৰ্ম বোধ, বোধ সাগৰ, পৃষ্ঠ ১৯৩৭ ত বৰ্ণিত আছে -

ধৰ্মদাস তোহি লাখ দুহাই, সাৰ শব্দ কঁহী বাহৰ নহাঁ যাই।
সাৰ শব্দ বাহৰ যো পৰি হ্যায়, বিচলী পীঢ়ী হংস নাঁহী তৰি হ্যায়।।

পুথি “ধনী ধৰ্মদাস জীবন দৰ্শন আৰু বংশ পৰিচয়ৰ পৃষ্ঠ নং ৪৬ লিখা আছে যে ১১ পীৰী গাদী পোৱা নাই। যি মহন্তৰ নাম “ধীৰজ নাম চাহেব“ কোৱাৰ্ধাত আছিল। ইয়াৰ পিছত ১২ নং মহন্ত উগ্ৰ নাম চাহেবে দামা খেড়াত মহন্তৰ গাদী স্থাপন কৰিলে আৰু স্বয়ং মহন্ত হৈ বহিল। ইয়াৰ আগেয়ে দামাখেড়া গাদী নাছিল। ইয়াৰ দ্বাৰা স্পষ্ট

হয় যে গোটেই বিশ্বত সদগুৰু ৰামপাল দাস মহাৰাজৰ বাহিৰে বাস্তৱিক ভক্তি মাৰ্গ কাৰো নাই। সন্ত ৰামপাল দাস মহাৰাজে নিজৰ প্ৰবচনত বাৰে বাৰে কয় “সকলো প্ৰভু প্ৰেমী ভক্ত বৃন্দক মিনতি কৰি কওঁ যে মোক ঈশ্বৰে পঠোৱা দাস বুলি জানি নিজৰ আত্ম কল্যাণ কৰাওক”।

ইয় সংসাৰ সমঝদা নাহীঁ, কহন্দা শাম দোপহৰ নুঁ।
গৰীবদাস ইয় বকত জাত হ্যায়, ৰোৱোগে ইস পহৰে নুঁ।।

বাৰ নং পন্থৰ (গৰীবদাস পন্থ বাৰ নং লিখিছে কবীৰ সাগৰ, কবীৰ চৰিত্ৰ বোধ পৃষ্ঠা ১৮৭০ ৰ ভিতৰত) বিষয়ে কবীৰ সাগৰ কবীৰ বাণী পৃষ্ঠা নং ১৩৬-১৩৭) বাণীত লিখা আছে যে

সম্বত সত্ৰাসো পচহত্তৰ হোই, তাদিন প্ৰেম প্ৰকৰ্টে জগ সোই।
সাখী হমাৰী লে জীব সমঝাৱৈ, অসংখ্য জনম ঠোৰ নহীঁ পাৱৈ।
বাৰৰেঁ পন্থ প্ৰগট হ্যায় বাণী, শব্দ হমাৰে কী নিৰ্ণয় ঠানী।
অস্থিৰ ঘৰ কা মৰম না পাৱৈঁ, এ বাৰা পন্থ হম হী কো ধাওৱেঁ।
বাৰৰেঁ পন্থ হম হী চলি আৱেঁ, সব পন্থ মেটি এক হী পন্থ চলাওৱেঁ।
ধৰ্মদাস মেৰি লাখ দোহাই, সাৰ শব্দ বাহৰ নহাঁ যাই।
সাৰ শব্দ বাহৰ জো পৰহী, বিচলী পীঢ়ী হংস নহী তৰহাঁ।
তেতিস অৰ্ব জ্ঞান হম ভাখা, সাৰ শব্দ গুপ্ত হম ৰাখা।
মূল জ্ঞান তব তক ছুপাই, জব লগ দ্বাদশ পন্থ মিট জাই।

ইয়াত কবীৰদেৱে নিজৰ শিষ্য ধৰ্মদাসক বুজাইছে যে চন ১৭৭৫ ৰ ভিতৰত মোৰ জ্ঞান প্ৰচাৰ হব সেয়া দাদশ পন্থত। দাদশ পন্থত আমাৰ বাণী প্ৰচাৰ হব ঠিকেই কিন্তু শুদ্ধ ভক্তি পথ নহব। পিচত আকৌ দাদশ পন্থত মই সৎলোকৰ পৰা গতি কৰি আহিম আৰু সকলো পথ পৰিস্কাৰ কৰি মাথোন এক পথ (পন্থ) চলাম। কিন্তু ধৰ্মদাস তোম াক লাখ লাখ শপথ দিছো এই সাৰ শব্দ কোনো কুপাত্ৰক নিদিবা নহলে কলিযুগৰ ম ধ্যম পুৰুষৰ হংসাত্মা পাৰ হব নোৱাৰিব। যেতিয়ালৈকে বাৰ পন্থ মিলি এটা পন্থ নচলে তেতিয়ালৈকে এই মূল জ্ঞান লুকাই ৰাখিবা।

সন্ত গৰীব দাস মহাৰাজৰ বাণীত নাম মহাত্ম ঃ

নাম অ’ভেপদ উঁচা সন্তো, নাম অভেপদ উঁচা।
ৰাম দুহাই সচ কহত হুঁ, সৎগুৰু সে পুছা।।
কহৈ কবীৰ পুৰুষ বৰিয়াঁম, গৰীবদাস এক নৌকা নামঁ।।।
নাম নিৰঞ্জন নিঁকা সন্তোঁ, নাম নিৰঞ্জন নীকা।।
তীৰ্থ ব্ৰত থোথৰে লাগে, জপ তপ সঞ্জম ফীকা।।
গজ তুৰক পালকী অৰ্থা, নাম বিনা সব দাঁন ব্যৰ্থা।
কবীৰ নাম গহে সো সন্ত সুজানা, নাম বিনা জগ উৰঝানা
তাহি না জানে এ সংসাৰা, নাম বিনা সব জম কে চাৰা।।

**সন্ত নানক সাহেবজীৰ বাণীত নামৰ মহত্ব ঃ**

নানক নাম চঢ়দী কলাঁ, তেৰে ভানে সবদা ভলা।
নানক দুঃখীয়া সব সংসাৰ, সুখিয়া সোয় নাম আধাৰ।

জাপ তাপ জ্ঞান সব ধ্যান, ষট শাস্ত্ৰ সিমৰত ব্যাখ্যান।।
যোগ অভ্যাস কৰ্ম ধৰ্ম সব ক্ৰিয়া, সগল ত্যাগৰণ মধ্য ফিৰিয়া।
অনেক প্ৰকাৰ কিয়ে বহুত যত্না, দান পুণ্য হোমে বহু ৰত্না।
শীশ কটায়ে হোমে কৰ ৰাতি, ব্ৰত নেম কৰে বহু ভাঁতি।।
নহীঁ তুল্য ৰাম নাম বিচাৰ, নানক গুৰু মুখ নাম জপিয়ে একবাৰ।।

**(পৰম পূজ্য কবীৰ দেৱৰ অমৃত বাণী)** :

সন্তো শব্দই শব্দ বখানা।। টেক।। শব্দ ফাঁস ফঁসা সব কোই শব্দ নহী পহচানা।। প্ৰথমহি ব্ৰহ্ম স্বয়ং ইচ্ছা তে পাচোঁ শব্দ উচাৰা। সোহং, নিৰঞ্জন, ৰৰংকাৰ, শক্তি অউৰ ওমকাৰা। পাঁচো তত্ব প্ৰকৃতি তিনে গুণ উপজায়া। লোক দ্বীপ চাৰোঁ খান চৌৰাশী লাখ বনায়া। শব্দই কাল কলন্দৰ কহিয়ে শব্দই ভ্ৰম ভুলায়া। পাঁচ শব্দ কী আশা মে সৰ্বস মূল গৱাঁয়া। শব্দই ব্ৰহ্ম প্ৰকাশ মেট কে বৈঠে মুঁদে দ্বাৰা। শব্দই নিষ্ঠুন শব্দই সৎগুন শব্দই বেদ পুকাৰা। শুদ্ধ ব্ৰহ্ম কায়া কে ভীতৰ বৈঠ কৰে স্থানা। জ্ঞানী যোগী পণ্ডিত অউৰ সিদ্ধ শব্দ মেঁ উৰঝনা।। পাঁচই শব্দ পাঁচ হ্যাঁয় মুদ্ৰা কায়া বীচ ঠিকানা। জো জি হংসক আৰাধন কৰতা সো তিহি কৰত বখানা।। শব্দ নিৰঞ্জন চাঁচৰী মুদ্ৰা হ্যায় নৈনন কে মাঁহী।। তাকো জানে। গোৰখ যোগী মহা তেজ তপ মাঁহী।। শব্দ ওঁকাৰ ভূচৰী মুদ্ৰা ত্ৰিকুটী হ্যায় স্থানা। ব্যাস দেব তাহী পহিচানা চাঁদ সূৰ্য্য তিহি জানা। সোহং শব্দ আগোচৰী মুদ্ৰা ভৱঁৰ গুফা স্থানা। শুকদেব মুনি তাহি পহিচানা সুন অনহদ কো কানা।। শব্দ ৰৰংকাৰ খেচৰী মুদ্ৰা দসৱেঁ দ্বাৰ ঠিকানা। ব্ৰহ্মা, বিষ্ণু, মহেশ আদি লো ৰৰংকাৰ পহিচানা।। শক্তি শব্দ ধ্যান উনমুনি। মুদ্ৰা বসে আকাশ সনেহী। ঝিলমিল ঝিলমিল জোত দিখাৱে জানে জনক বিদেহী।। পাঁচ শব্দ পাঁচ হ্যায় মুদ্ৰা সো নিশ্চয় কৰ জানা। আগে পুৰুষ পুৰাণ নিঃঅক্ষৰ তিনকী খবৰ ন জানা।। নৌ নাথ চৌৰাশী সিদ্ধি লো পাঁচ শব্দ মে অটকে। মুদ্ৰা সাধ ৰহে ঘট ভিতৰ ওঁদে মখু লটকে।। পাঁচ শব্দ পাঁচ হ্যায় মুদ্ৰা লোক দ্বীপ য়মজালা। কহৈ কবীৰ অক্ষৰ কে আগে নিঃঅক্ষৰ কা উজিয়ালা।।

যেনেকুৱা এই শব্দটো “সন্তো শব্দই শব্দ বখানা” লিখা আছে যে সকলো সাধু সন্তই শব্দ (নাম)ৰ মহিমা শুনায়। পূৰ্ণব্ৰহ্ম কবীৰদেৱে উপদেশ দিছে যে শব্দ (মন্ত্ৰ) সৎ পুৰুষৰো আছে সেয়া সৎপুৰুষৰ প্ৰতীক আৰু জ্যোতি নিৰঞ্জন (কাল) ৰ প্ৰতীকও হল শব্দ। তেনেকুৰা শব্দ জ্যোতি নিৰঞ্জনৰ আছে সেইটো চাঁচৰী মুদ্ৰাক পোৱাত সহায় কৰে। ইয়াক গৌৰখ যোগীয়ে অধিক তপ কৰি পাইছে যিটো সাধাৰণ মানুহৰ পক্ষে সাধ্যৰ বাহিৰত কিন্তু গৌৰক্ষ নাথ কালৰ সাধনা কৰি সিদ্ধ হ’ল। মুক্তি নাপালে। যেতিয়া কবীৰদেৱে সত্যনাম তথা সাৰ নাম দিলে তেতিয়াহে গৌৰক্ষ নাথে কাল বন্ধনৰ পৰা মুক্তি পালে। এই বাবে জ্যোতি নিৰঞ্জনৰ নাম জপ কৰোতাই কালৰ জালৰ পৰা বাচিব নোৱাৰে অৰ্থাৎ সৎলোকলৈ যাব নোৱাৰে। শব্দ ওঁ কাৰ (ওম) মন্ত্ৰৰ জপ কৰিলে ভুঁচৰী মুদ্ৰাৰ স্থিতিলৈ সাধক আহে। যিটো বেদ ব্যাসে সাধনা কৰিছিল আৰু কালৰ জালতে আবদ্ধ হৈছিল। সোহম নাম জপৰ দ্বাৰা অগোচৰী মুদ্ৰাৰ স্থিতি হয় আৰু কাল লোকত থকা ভঁৱৰ গুহাত উপস্থিত হয়। যাৰ সাধনা সুখদেব ঋষিয়ে কৰিছিল আৰু মাথোন শ্ৰীবিষ্ণুদেৱৰ লোকত বনোৱা স্বৰ্গত উপস্থিত হৈছিল। শব্দৰ ৰংকাৰ জপেৰে খেচৰী মুদ্ৰা প্ৰাপ্ত হৈ দশম দ্বাৰ (সুস্মনা) পায়। ব্ৰহ্মা, বিষ্ণু, মহেশ তিনিওৰ ৰংকাৰক সত্য মানি

কালৰ জালত পৰি আবদ্ধ হৈ আছে। শক্তি (প্ৰকৃতি/দূৰ্গা) (শ্ৰীয়ম) শব্দৰে উনমুনী মুদ্ৰাক প্ৰাপ্ত কৰায়, যিটো ৰজা জনকে কৰিছিল কিন্তু তেওঁৰ আত্মাৰ মুক্তি নহল। কিছুমান সাধু সন্তই পাঁচ নামৰ ভিতৰত শক্তিৰ ঠাইত সত্যনাম গাথি দিয়ে কিন্তু সত্যনাম কোনো জপ নহয়। এইটো সত্য নামৰ প্ৰতীক হে। যেনেকুৱা সত্যলোকক সচ্চ খণ্ড বুলিও কয় ঠিক সেয়ে সত্যনাম। কেৱল সত্যনাম সত্যনাম জপ কৰিলে নহয়। এই পাঁচ শব্দৰ সাধনা কৰা বিলাকে ন নাথ তথা চৌৰাশী সিদ্ধ লৈ সীমিত থাকে আৰু শৰীৰৰ ভিতৰত (হৃদয়ত) ধ্বনি শুনি আনন্দ পায়। বাস্তৱিক সত্যলোক স্থান শৰীৰ (পিণ্ড)ৰ পৰা (অণ্ড) ব্ৰহ্মাণ্ডৰ সিপাৰত। এই বাবে আকৌ মাতৃৰ গৰ্ভলৈ আহিব লাগে (ওলোটাকৈ ওলোমে) অৰ্থাৎ জন্ম মৃত্যুৰ কষ্ট সমাপ্ত নহয়। যি উপলব্ধি শৰীৰ (হৃদয়) ৰ ভিতৰত হয় সেইটো কালব্ৰহ্ম লৈহে, কিয়নো পূৰ্ণ ব্ৰহ্মৰ নিজ স্থান সত্যলোক তথা তাৰ শৰীৰৰ প্ৰকাশ পৰব্ৰহ্ম আদিতকৈ অধিক তথা বহু দূৰত। তাৰ বাবে মাথোন পূৰ্ণ সন্ত বা পূৰ্ণ গুৰুৱে সম্পূৰ্ণ উপদেশ দিব যি পাঁচ নামতকৈ ভিন্ন।

সন্তো সৎগুৰু মোহেভাৱৈ, জো নৈনন অলখ লখাৱৈ।
ঢোলত ঢিগে না বোলত বিসৰৈ, সৎ উপদেশ দৃঢ়াৱৈ।।
আঁখ না মুঁদৈ কান না ৰূদৈঁনা অনহদ উৰ ঝাৰৈঁ।
প্ৰাণ পুঞ্জ ক্ৰিয়াওঁ সে নেয়াৰা, সহজ সমাধি বতাওৱে।।

ঘট ৰামায়ণৰ ৰচয়িতা আদৰণীয় তুলসী দাস দেৱে স্বয়ং কয় যে - (ঘট ৰামায়ণ প্ৰথম ভাগ পৃষ্ঠা নং ২৭)।

পাঁচো নাম কাল কে জানো তব দানী মন শংকা আনো।
সুৰতি নিৰত লৈ লোক সিধাউঁ আদিনাম লে কাল গিৰাউ।
সতনাম লে জীৱউৱাৰী, অস চল যাউ পুৰুষ দৰবাৰী।।
কবীৰ, কোটী নাম সংসাৰ মেঁ, ইনসে মুক্তি ন হো।
সাৰ নাম মুক্তি কা দাতা, বাকো জানে। না কোৱে।।
পুৰা সৎগুৰু সোৱে কহাৱৈ, দোয় অক্ষৰ কা ভেদ বতাৱৈ।
এক ছুড়াৱৈ এক লখাৱৈ, তো প্ৰাণী নিজ ঘৰ জাওৱে।।

**গুৰু নানক দেৱৰ অমৃত বাণীত তিন নামৰ প্ৰমাণ ঃ**

জৈ পণ্ডিত তু পঢ়িয়া, বিনা দুউ অখৰ দুউ নামা।
পৰণৱত নানক এক লঙ্গাৱে, জে কৰ সচ সমাৱা।
বেদ কতেব সিমৰিত সব সাঁসত, ইন পঢ়ি মুক্তি ন হোই।।।
এক অক্ষৰ জো গুৰুমুখ জাপৈ, তিস কী নিৰ্মল হোই।।।

ভাবাৰ্থ - গুৰু নানকদেৱ মহাৰাজে নিজৰ বাণীৰ দ্বাৰা বুজাব খুজিছে যে পূৰ্ণ সতগুৰু সেইজন যি দুই অক্ষৰৰ জপৰ বিষয়ে জানে। এটা জপে কাল আৰু মায়াৰ বন্ধন এৰাব পাৰে আৰু আনটোৱে পৰমাত্মাক দেখুৱাই দিয়ে আৰু তৃতীয়টো অক্ষৰ পৰমাত্মাক প্ৰাপ্তি কৰোৱায়।। সন্ত গৰীব দাস মহাৰাজৰ অমৃত বাণীত উশাহ-নিশাহত লোৱা নামৰ প্ৰমাণ ঃ

গৰীব, স্বাসাঁ পাৰস ভেদ হমাৰা, জো খোজে সো উতৰে পাৰা।
স্বাঁসা পাৰা আদি নিশানী, জো খোজে সো হোয়ে দৰবানী।
স্বাঁসা হী মেঁ সাৰ পদ, পদ মেঁ স্বাসা সাৰ।

দম দেহী কা খোজ কৰো, আৱাগমন নীৱাৰ।।
গৰীব, শ্বাঁস সুৰতি কে মধ্য হ্যায়, ন্যাৰা কদে নহীঁ হোয়।
সৎগুৰু সাক্ষী ভূত কুঁ, ৰাখো সুৰতি সমোয়।।
গৰীব, চাৰ পদাৰ্থ উৰ মেঁ জোৱৈ, সুৰতি নিৰতি মন পৱন সমোৱৈ ।
সুৰতি নিৰতি মন পৱন পদাৰ্থ (নাম) কৰো ইকতৰ য়াৰ।
দ্বাদশ অন্দৰ সমোয় লে, দিল অন্দৰ দীদাৰ।
কবীৰ, কহতা হুঁ কহি যাত হুঁ, কহুঁ বজা কৰ ঢোল।
শ্বাঁস যো খালী যাত হ্যায়, তীন লোক কা মোল।।
কবীৰ, মালা শ্বাস উশ্বাঁস কী, ফেৰেঙ্গে নীজ দাস।
চৌৰাশী ভ্ৰমে নাহীঁ, কটৈ কৰ্ম কী ফাঁস।।।

**গুৰু নানক দেৱৰ বাণীত প্ৰমাণ :**

চহউ, কা সঙ্গ, চহউ কা মীত, জামৈ চাৰি হটাৱৈ নিত।
মন পবন কো ৰাখৈ বন্ধ, লহে ত্ৰিকুটী ত্ৰিবেণী সঙ্গ।।
অখণ্ড মণ্ডল মেঁ সুন্ন সমানা, মন পবন সচ্চ খণ্ড টিকানা।।

পূৰ্ণ গুৰু সেইজন যিয়ে তিনি বাৰ নাম দিয়ে আৰু আমাৰ উশাহ-নিশাহ ক্ৰিয়াৰ লগত স্মৰণ প্ৰণালীৰ উপদেশ দিয়ে। তেতিয়াহে জীৱৰ মোক্ষ প্ৰাপ্তি সম্ভৱ হব। পৰম াত্মা সত্য। ঠিক সেইদৰে পৰমাত্মাৰ সাক্ষাকাৰ আৰু মোক্ষ প্ৰাপ্তি কৰা প্ৰণালী, আদি অনাদি আৰু সত্য কেতিয়াও সলনি নহয়। গৰীব দাস মহাৰাজ নিজৰ বাণীত কয় যে-

ভক্তি বীজ পল্টে নহী, যুগ জাঁহী অসংখ্য। সাঁই সিৰ পৰ ৰাখিও, চৌৰাশী নাহীঁ শংক।।
ঘীসা আয়ে একো দেশ সে, উতৰে একো ঘাট। সমঝো কা মাৰ্গ এক হ্যায়, মূখ বাৰহ বাট।।
কবীৰ ভক্তি বীজ পল্টৈ নহীঁ, আন পড়ে বহু ঝোল। জৈ কাঞ্চন বিষ্ঠা পৰৈ, ঘটৈন তাকা মোল।।

বহুত মহাপুৰুষে সঁচা নামৰ বিষয়ে নেজানে। তেওঁলোকে মনেসজা নাম দিয়ে যাৰ দ্বাৰা সুখ আৰু জন্ম-মৃত্যু ৰূপী কষ্টৰ পৰা মুক্তি নাপায়। কোনোৱাই কয় তপ, হোম, যজ্ঞ আদি কৰা আৰু কিছু মহাপুৰুষে চকু, কাণ আৰু মুখ বন্ধ কৰি ভিতৰি ভিতৰি ধ্যান কৰাৰ কথা কয় যিটো সিহঁতৰ মনেসজা সাধনাৰ চিহ্ন। আনহাতে কবীৰদেৱ, সন্ত গৰীব দাস মহাৰাজ, গুৰু নানক দেব আদি পৰম সাধু সন্তই সকলো ক্ৰিয়া বাধা কৰিছে কেৱল এক নাম জপ কৰিবলৈ উপদেশ দিছে।

এজন নষ্ট্ৰা দ্ৰমস নামক ভৱিষ্যৎ বক্তা আছিল। যাৰ সকলো ভৱিষ্য বাণী সঁচা হৈছিল যিবোৰ মোটামুটি চাৰিশ বছৰ পূৰ্বে লিখিত আছিল বা কোৱা হৈছিল। তেওঁ কৈছে যে চন ২০০৬ ৰ ভিতৰত এজন সাধু আবিৰ্ভাৱ হব অৰ্থাৎ জগতত তেওঁৰ চৰ্চা হব। সেইজন সাধু, মুচলমানো নহয়, খ্ৰীষ্টান নহয়, তেওঁ কেৱল হিন্দু হব। তেখেতৰ দ্বাৰা উপদ্বিষ্ট ভক্তি মাৰ্গ সকলোতকৈ ভিন্ন আৰু তথ্যৰ ওপৰত আধাৰিত হব। তেওঁৰ জ্ঞানক কোনেও পৰাজিত কৰিব নোৱাৰিব। ২০০৬ ত তেখেতৰ আয়ুস ৫০ বা ৬০ বছৰৰ ভিতৰত হব। (সন্ত ৰামপাল দাসৰ জন্ম ৮ চেপ্তেম্বৰ ইং ১৯৫১ চনত হৈছিল। ২০০৬ চনত তেখেতৰ বয়স ৫৫ বছৰ হয় যিটো ভবিষ্য বাণী মতে শুদ্ধ হয়) সেই হিন্দু সাধুৰ দ্বাৰা উপদ্বিষ্ট জ্ঞানক গোটেই জগতে স্বীকাৰ কৰিব। সেই হিন্দু সন্তৰ অধ্যক্ষতাত গোটেই জগতত ভাৰতবৰ্ষৰ শাসন হব তথা সেই সাধুৰ আজ্ঞাৰ দ্বাৰা সকলো কাৰ্য্য হব। তেওঁৰ

মহিমা আকাশৰ ওপৰত হব। নাষ্ট্র দ্রমসৰ দ্বাৰা বৰ্ণিত সাংকেতিক সাধু ৰামপাল দাস মহাৰাজ যি ২০০৬ চনত বিখ্যাত হৈছে। যিয়ে নহওক অজ্ঞানীসকলে বেয়া কৰিও প্ৰসিদ্ধ কৰিছে, কিন্তু সাধুৰ কোনো দোষ নাই।।

ওপৰোক্ত লক্ষণবোৰ যি বৰ্ণিত হৈছে এই সকলোবোৰ তত্বদৰ্শী সাধু ৰামপাল দাস মহাৰাজৰ ওপৰত বিদ্যমান।

## সাধু সন্তক দুঃখ দিয়াৰ শাস্তি

আদৰণীয় গৰীবদাস মহাৰাজৰ জন্ম হাৰিয়না পবিত্র গাওঁ ছুড়ানী জিলাৰ - ঝজ্জৰ শ্ৰীবলৰাম ধনখড় (জাট সম্প্ৰদায়)ৰ ঘৰত হৈছিল। (কবিৰ্দেৱে কাশীত ১২০ বছৰ লীলা কৰি থকা সময়ত চন ১৫১৮ ত সৎলোককৈ গমন কৰে।) পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ (কবীৰ্দেব) সৎলোক (ঋতধাম)ৰ পৰা ইং ১৭২৭ চনত সশৰীৰে আহি তেখেতক লগ কৰে আৰু তেখেতৰ আত্মাক সৎলোককৈ লৈ যায়। পিছত গৰীব দাস মহাৰাজৰ পৰিয়ালৰ মানুহে তেখেতক মৃত বুলি জানি চিতাৰ ওপৰত ৰাখে। সেই সময়ত পৰমেশ্বৰ কবীৰদেৱে তেখেতৰ আত্মাক পুনৰাই শৰীৰত প্ৰৱেশ কৰাই দিয়ে। তাৰ পিছত আদৰণীয় গৰীব দাস মহাৰাজে পৰম পূজ্য কবীৰ দেৱক (কবীৰ পৰমেশ্বৰ) নিজ চকুৰে দেখা মহিমা প্ৰত্যক জন মানুহক শুনাবলৈ ধৰিলে। যি কোনো দুখী প্ৰাণী তেখেতৰ পৰা উপদেশ পাই সুখী হ'ল। তেখেতৰ বৰ্দ্ধিত মহিমা তথা তত্বজ্ঞানৰ সন্মুখত আন আন গুৰু (আচাৰ্য্যৰ) পণ্ডিতৰ আধৰুৱা জ্ঞানৰ সত্যতা ওলাই পৰাত ওচৰ চুবুৰীয়া আধৰুৱা জ্ঞান যুক্ত পণ্ডিত গুৰু সকলে তেখেতক ঈৰ্ষা কৰিবলৈ ধৰিলে। দাঁতি কাষৰীয়া গাঁৱৰ মূৰব্বী সকলক তেখেতৰ বিৰুদ্ধে ডচটনি মূলক কথা কবলৈ ধৰিলে। ফলত ওচৰ চুবুৰীয়া গাঁৱৰ হোজা সৰল মানুহে প্ৰভু প্ৰেমী কবীৰ সন্তান আদৰণীয় গৰীবদাস মহাৰাজক ঘৃণা কৰিছিল।

দিল্লীৰ বাজীদ পুৰ গাঁৱত তেখেতৰ এজন শিষ্য আছিল। তেওঁকো গাঁৱৰ মানুহে ঈৰ্ষা কৰিছিল। তেওঁৰ মিনতিত তেখেতে (গৰীবদাস) কিছুদিন বাজীদ পুৰত আছিল। সেই সময়ত এক প্ৰকাৰ হানিকাৰক পতঙ্গই কাষৰীয়া গাঁৱৰ খেতিৰ বজৰা ফচল নষ্ট কৰি দিলে। কিন্তু তেখেতৰ শিষ্যৰ খেতিৰ ফচল একো হানি নহল। সকলো গাঁৱৰ মানুহে সাধু গৰীবদাস মহাৰাজৰ মহিমাত প্ৰভাৱিত হৈ আৰু তেখেতৰ জ্ঞান স্বীকাৰ কৰি নিজৰ আত্ম কল্যাণ কৰিলে।

গৰীবদাস মহাৰাজৰ আদেশত তেখেতৰ শিষ্যই নিজৰ খেতিৰ বজ্ৰা খিনি গোটেই গাঁৱত বিলাই দিলে আৰু মহাৰাজে বাৰে বাৰে মানা কৰা সত্বেও কিছু বজ্ৰা তেখেতৰ গৰু গাড়ীত উঠাই দিলে তথা কলে যে আপুনি প্ৰত্যেক পূৰ্ণিমাত ভণ্ডাৰা কৰে, কিছু দান আপোনাৰ সেৱকৰ হব। শিষ্যৰ শ্ৰদ্ধা দেখি তেখেতে অনুমতি প্ৰদান কৰিলে। (আদৰণীয় গৰীবদাস মহাৰাজৰ চাৰিজন লৰা তথা দুজনী ছোৱালী আছিল তথা মোটামুটি ৩৯০০ বিঘা মাটিৰ গৰাকী আছিল) তেখেতে গৰু গাড়ীত উঠি নিজৰ গাঁৱ ছুড়ানীলৈ বুলি ৰাওনা হৈছিল। কাষৰীয়া গাওঁ কানৌদাঁ পোৱাৰ লগে লগেই আগৰে পৰা সুনিয়োজিত ষড়যন্ত্ৰ ৰচা স্বাৰ্থপৰ ব্ৰাহ্মণ পণ্ডিত গুৰু সকলে সাধু গৰীবদাস মহাৰাজক আগুৰি ধৰিলে। গাড়ীত থকা সকলো বজ্ৰা লুটপাট কৰিলে আৰু সেই গাঁৱৰ চৌধুৰী ছাজুৰাম ছিকাৰাক সুচনা দিলে যে হিন্দু ধৰ্ম দ্ৰোহীক কৰায়ত্ব কৰা হৈছে। চৌধুৰী ছাজুৰামৰ আদেশত

গৰীবদাস মহাৰাজক চকীত বান্ধি থলে। চৌধুৰী ছাজুৰামে চৰকাৰৰ তৰফৰ পৰা কিছু আইনী অধিকাৰ পাইছিল যেনে ছয় মাহৰ কাৰাদণ্ড বিহা ৫০০/- টকাৰ জৰিমনা কৰা তথা মহাদোষীক কাঠৰ গৰালত ভৰাই ৰখা ইত্যাদি।

সেইবিলাক ধৰ্মৰ অজ্ঞানী ঠিকাদাৰ বিলাকে (পণ্ডিত, গুৰু, ব্ৰাহ্মন) আগৰে পৰাই চৌধুৰী ছাজুৰাম ছিকাৰাক উচটনি দি সেই পৰম আদৰণীয় গৰীবদাস মহাৰাজক কাঠেৰে সৈতে বান্ধি বন্দী কৰি ৰাখিলে। (কাঠেৰে বান্ধি ৰখা এক প্ৰকাৰ কঠিন কাৰাগাৰৰ শাস্তি আছিল, দুয়ো ভৰিৰ আঠুৰ ওপৰত দুখন কাঠৰে বান্ধি দি দুয়ো হাত পাচফালে বান্ধি ৰখা হৈছিল যি কাৰণে ব্যক্তি বহিব পৰা নাছিল তথা বহুত বেদনা হৈছিল আৰু ভৰি বিষাই গৈছিল।) গাৰোৱানে খালী গৰু গাড়ী বাজীদপুৰলৈ ওভোতাই লৈ গৈছিল যি গাওঁ কানৌদা গাঁৱৰ পৰা প্ৰায় ১০ কিঃ মিঃ দূৰত আছিল। খবৰ পোৱাৰ লগে লগেই বাজীদপুৰ গাওঁৰ মুখীয়াল মূৰব্বী সকলে কানৌদা গাওঁত উপস্থিত হল আৰু চৌধুৰী ছাজুৰাম মহাশয়ক মিনতি কৰি বহুত বুজালে যে এইজন সাধাৰণ ব্যক্তি নহয়, এওঁ পৰম শক্তি সম্পন্ন। আপুনি ক্ষমা কৰক। চৌধুৰী ছাজুৰাম বহুত শ্ৰদ্ধেয় আত্মা দয়ালু আৰু নম্ৰ হৃদয়ৰ ব্যক্তি আছিল। কিন্তু সেই স্বাৰ্থলোভী, সামাজিক প্ৰভুত্ব লোভী সেই পুন্যাত্মা ছাজুৰাম ছিকাৰাক মহাশয়ক মিছা কাহিনী শুনাই আৰু উচটাই প্ৰভু প্ৰেমী সন্তান আদৰণীয় গৰীবদাস ম হাৰাজৰ প্ৰতি বেচিকৈ ঘৃনা জগাই তুলিছিল। যি কাৰণে চৌধুৰী ছাজুৰাম মহাশয়ে কোনো কাৰণ নুশুনাকৈয়ে শাস্তি আৰম্ভ কৰি দিছিল। বাজীদপুৰ গাওঁৰ ভকত সকলৰ প্ৰাৰ্থনা শুনি আদৰণীয় গৰীবদাস মহাৰাজক এৰি দিলে। আদৰণীয় গৰীব দাস মহাৰাজে একো নকৈ নিজৰ গাওঁ ছুড়ানীলৈ আহিল। কিছু দিন পিছত চৌধুৰী ছাজুৰাম ৰাতিপুৱা শৌচ কৰ্ম কৰিবলৈ জোহড় পুখুৰীৰ পাৰলৈ যোৱাত তাত কৰবাৰ পৰা অহা দুই অশ্বাৰোহীয়ে তেখেতৰ দুই হাত কাটি দি তেখেতৰ সমুখতে অদৃশ্য হৈ গৈছিল। এই দৃশ্য পুখুৰীৰ পাৰত থকা কিছু উপস্থিত ব্যক্তিয়ে দেখিছিল। বহুত চিকিৎসা কৰিও বিষ আৰু তেজ ওলোৱা বন্ধ নহল। কেবাদিন ধৰি চিঞৰি থাকিল। পিছত এজন ব্যক্তিয়ে কলে, সিজন সাধু গৰীবদাসৰ ওচৰলৈ যোৱা আৰু ক্ষমা বিচাৰি লোৱা, তেখেত দয়ালু, পৰিয়ালৰ ম ানুহে চৌধুৰীক ঘোঁৰাৰ পিঠিত উঠাইলৈ চুড়ানী লৈ গল। শ্ৰীছাজুৰামে আদৰণীয় গৰীব দাস মহাৰাজৰ ভৰিত দীঘল হৈ পৰিল আৰু ক্ষমা বিচাৰিলে। সন্ত গৰীবদাস মহাৰাজে আশীৰ্বাদ, নাম উপদেশ আৰু আজীবন ভক্তি কৰিবলৈ কলে। চৌধুৰী ছাজুৰাম মহাশয়ে কলে দাতা আপোনাৰ বিষয়ে মোক ভুৱা কথা কৈছিল।

মই জনা নাছিলো যে আপুনি পুৰ্ণ পৰমাত্মা হৈ আহিছে। আদৰণীয় গৰীবদাস ম হাৰাজে কলে মই পূৰ্ণ পৰমাত্মা কবীৰদেৱ তাঁতী প্ৰেৰিত এজন দাস। সেই শক্তিৰ দ্বাৰাই আপুনি সুস্থ হৈছে। মই আপোনাক কোনো অভিশাপ দিয়া নাই। আপোনাৰ কৰ্ম ফল আপুনি পাইছে। যদি আপুনি ইয়াত নাহিলেহেঁতেন আপোনাৰ পৰিয়ালৰ ওপৰত আৰু পাপৰ প্ৰভাৱ আছিল। এতিয়া সেই বোৰ নাথাকিব, কিয়নো আপুনি নাম উপদেশ প্ৰাপ্ত হৈছে। চৌধুৰী ছাজুৰামে নিজৰ পৰিয়ালৰ সকলোকে নাম উপদেশ দিয়ালে। আজিও সেই পুণ্যাত্মা ছাজুৰামৰ বংশধৰ সকলে আদৰণীয় গৰীবদাস মহাৰাজৰ পৰম্পৰাগত পূজা কৰি আহিছে। প্ৰায় হেজাৰ পৰিয়াল আছে সিহঁতক ছাজুবাডা বুলি কয়। কিয়নো :--

তুমনে উস দগাহ কা মহল না দেখ্যা। ধৰ্মৰায় কে তিল তিল কা লেখ।। ৰাম কহে

মেৰে সাধ কো, দুঃখ না দিজো কোয়ে। সাধ দুখায় ম্যায় দুঃখী মেৰা আপা ভী দুঃখী হোয়।। হিৰণ্যকশিপু উদৰ (পেট) বিদাৰিয়া, ম্যাঁয় হী মায়া কংশ। জো মেৰে সাধু কো সতাৱেঁ, বাকা খো-দুঁ বংশ।। সাধ সতাৱন কোটী পাপ হ্যায় অনগিন হত্যা অপৰাধ। দুৰ্বাসা কী কল্প কাল সে, প্ৰলয় হো গয়ে যাদব।।

ওপৰোক্ত বাণীত সৎগুৰু গৰীবদাস মহাৰাজে প্ৰমাণ দিছে যে পৰমেশ্বৰে কয় মোৰ সাধু সন্তক দুঃখ নিদিবা। যি মোৰ সন্তক দুঃখ দিয়ে তেন্তে বুজিবা মোকো দুঃখ দিয়ে। যেতিয়া মোৰ ভক্ত প্ৰহ্লাদক দুঃখী কৰিলে তেতিয়া মই হিৰণ্যকশিপুৰ পেট ফালি দিলো আৰু মইয়ে কংশকো বধিলো আৰু যি মোৰ সাধুক দুঃখ দিব মই তাৰ বংশ ধ্বংশ কৰি দিম। এই কাৰণে সাধুসন্তক কষ্ট দিলে কোটি পাপ লাগে। যেনে অগনিত (অন্তহীন) হত্যা কৰা কাৰ্য্য। এইবিলাক অজ্ঞানী মানুহ পৰমাত্মাৰ সংবিধানৰ লগত পৰিচয় নাই। এই বাবে ভয়ংকৰ ভুল কৰি পেলায়, পিছত দণ্ডৰ ভাগী হয়। সাধুক কষ্ট দিলে নিম্ন দণ্ডবোৰ পায়।।

যদি এজন মানুহে অইন এজন মানুহক হত্যা কৰে তেন্তে তাৰ অহা জনমত তাক হত্যা কৰি পূৰ্ণ হয়। কিন্তু সাধুক কষ্ট দিলে বহুত ডাঙৰ শাস্তি আছে যি অনন্ত জনম ধাৰণ কৰিও পূৰ্ণ নহয়। সৎগুৰুৱে নিজৰ বাণীত কয় যে ঃ

অৰ্ধমুখী গৰ্ভস মেঁ হৰদম বাৰম্বাৰ, জুনী ভূত পিচাশ কী, জব লগ সৃষ্টি সংহাৰ।।

এনে ভুল কৰোতাজনক পৰমেশ্বৰে বিভিন্ন প্ৰাণী যোনীত বাৰম্বাৰ মাকৰ গৰ্ভাঅগ্নীত স্থান দিয়ে অৰ্থাৎ সিজন বাৰে বাৰে জন্ম আৰু মৃত্যু হবলগীয়া হয় আৰু যেতিয়ালৈ সৃষ্টিৰ প্ৰলয় নহয় তেতিয়ালৈ ভূত, পিশাচৰ, যোনীত মাকৰ গৰ্ভত বহুত কষ্টত ৰাখে যি বৰ কষ্টদায়ক আৰু তেতিয়ালৈকে সাধু মহাত্মাই ক্ষমা নকৰে।

এবাৰ দুৰ্বাসা ঋষিয়ে অভিমান বশত অম্বৰীষ ঋষিক বধিবলৈ নিজৰ তপ শক্তিৰে এক সুদৰ্শন চক্ৰ পঠিয়ায়। সুদৰ্শন চক্ৰই অম্বৰীষ ঋষিক বধিবলৈ গৈ তেওঁৰ ভৰি চুই ওলোটাই দুৰ্বাসা ঋষিকে মাৰিবলৈ ৰওনা হয়। দুৰ্বাসা ঋষিয়ে ভাবিলে যে বৰ ডাঙৰ ভুল হ'ল। বিলম্ব নকৰি প্ৰাণ বচাবলৈ সুদৰ্শন চক্ৰৰ আগে আগে পলাবলৈ ধৰিলে। দৌৰি দৌৰি শ্ৰী ব্ৰহ্মাদেবৰ ওচৰলৈ গ'ল আৰু কলে হে প্ৰভু কৃপা কৰি আপুনি এই সুদৰ্শন চক্ৰৰ পৰা মোক ৰক্ষা কৰক। ইয়াকে শুনি ব্ৰহ্মাই কলে ঋষিবৰ এইটো মোৰ সামৰ্থৰ বাহিৰত। নিজৰ মূৰৰ পৰা আপদ এৰাবলৈ কলে আপুনি ভগৱান শংকৰৰ ওচৰলৈ যাওক। তেওঁৱে আপোনাক বচাব পাৰিব। ইয়াকে শুনি দুৰ্বাসা মুনি ভগৱান শংকৰৰ ওচৰলৈ গল আৰু কলে যে হে ভগৱান! কৃপা কৰি আপুনি এই সুদৰ্শন চক্ৰৰ পৰা মোক ৰক্ষা কৰক। অৱস্থা দেখি ব্ৰহ্মাৰ দৰে আপদ এৰাবলৈ শিৱই কলে, আপুনি ভগৱান শ্ৰীবিষ্ণুৰ ওচৰলৈ যাওক তেওঁৱে আপোনাক ৰক্ষা কৰিব পাৰিব। এইটো শুনি দুৰ্বাসা মুনি ভগৱান বিষ্ণুৰ ওচৰলৈ গল আৰু কলে, হে ভগৱান! আপুনিয়ে মোক এই সুদৰ্শন চক্ৰৰ পৰা ৰক্ষা কৰিব পাৰে। নহলে ই মোক কাটি মাৰি পেলাব। ইয়াকে শুনি ভগৱান বিষ্ণুৱে কলে, ঋষিবৰ! এই সুদৰ্শন চক্ৰই আপোনাক কি কাৰণে মাৰিব বিচাৰে ? দুৰ্বাসাই ওপৰোক্ত গোটেই ঘটনা বিতংকৈ কলে। তেতিয়া বিষ্ণুৱে কলে, হে দূৰ্বাসা ঋষি যদি আপুনি অম্বৰীষ ঋষিৰ ভৰিত পৰি ক্ষমা বিচাৰে তেন্তে এই সুদৰ্শন চক্ৰই আপোনাৰ প্ৰাণ বচাব পাৰে অন্যথা মই কি কোনো দেৱতাই আপোনাৰৰ প্ৰাণ

বচাব নোৱাৰে। ইয়াৰ বাহিৰে আন কোনো বিকল্প নাই। মেকুৰী এনেয়ে গছত নুঠে ? তেতিয়া দুৰ্বাসা ঋষি উভতি গৈ অম্বৰীষ ঋষিৰ ভৰিত দীঘল দি পৰি কান্দিবলৈ ধৰিলে আৰু ক্ষমা বিচাৰিলে। তেতিয়া অম্বৰীষ ঋষিয়ে নিজৰ হাতেৰে সুদৰ্শন চক্ৰ ধৰি দুৰ্বাসা ঋষিক দিলে আৰু কলে সাধু/ঋষি-মুনিৰ লগত কেতিয়াও অভদ্ৰামি কৰিব নালাগে। তাৰ পৰিণাম অতি বেয়া।।

**শ্ৰী কৃষ্ণ গুৰু কসনী হুই অউৰ বচেগা কৌন**

যেতিয়া শ্ৰীকৃষ্ণদেবৰ গুৰু শ্ৰীদুৰ্বাসা নিচিনা মুনিৰ এনে অৱস্থা তেন্তে সাধাৰণ মানুহৰ কি দশা হব ?

**দিশা হীনৰ মাৰ্গ বিষয়**

"ভক্ত সমাজ প্ৰভুৰ বাস্তৱিক ভক্তিৰ পৰা অগনন মাইল দূৰ"

সৎলোক আশ্ৰম কৰৌঠা জিলা-ৰৌহতক, হাৰিয়ানাত কবিৰ্দেবৰ (কবীৰ পৰমেশ্বৰৰ উদ্ভৱ দিবস চলি থকা ৫ দিবসীয় ( ১৮ ৰ পৰা ২২ জুন, ২০০৫ লৈ) সৎসঙ্গ সমাৰোহত ভকত বসন্ত সিংহ সৈনীয়ে নিজৰ কাহিনী শুনালে সেইখিনি নিম্ন বৰ্ণিত কৃপা কৰি পঢ়ক :

**ঈশ্বৰ আতুৰ ভকত বসন্ত সিংহ সৈনীক মাৰ্গ দৰ্শন**

মই বসন্ত সিংহ সৈনী গাওঁ গান্ধৰা, জিলা ৰোহতক, হৰিয়ানাৰ বাসিন্দা তথা পুৰণা ঠিকনা মহল্লা নং এচ ১৬১ পাণ্ডৱ নগৰ, মাদাৰ ডেয়ৰীৰ ওচৰত, যমুনা পাৰ দিল্লীত আছিলো। আমাৰ পৰিয়ালৰ ওপৰত দুঃখৰ পাহাৰ ভাঙি পৰিছিল। ইয়াৰ উপৰি পৰমাত্মাক পোৱাৰ আশাত দুঃখ কষ্ট নিবৃত্তিৰ বাবে সাধু মহন্তৰ কাষলৈ অহা যোৱা কৰি আছিলো। কিন্তু কোনো ঠাইতে দুঃখ নিবাৰণ নহল। পিছত এক বিখ্যাত সাধু শ্ৰী আসাৰাম বাপুক লগ পাওঁ। সেই সময় বাপুৰ শিষ্য দিল্লীত প্ৰায় এহেজাৰ আছিল। যি কাৰণে বাপুৰ বহুত ওচৰলৈ লগ কৰিবৰ সুবিধা পালো। আমি নিজৰ দুঃখ নিবাৰণ আৰু পৰমাত্মাক পোৱাৰ হেপাহ তেখেতক জনালো। তেওঁ (আসাৰাম বাপু) আমাক মন্ত্ৰ (ওঁ, গুৰু, হৰি ওঁ, ওঁ এং নমঃ, ওঁ নমঃ শীবায়, ওঁ নমঃ ভগবতে বাসু দেবায়, শ্ৰীং ৰামায় নমঃ আৰু গায়ত্ৰী মন্ত্ৰ ইত্যাদি) উপদেশ দিলে। যাৰ এটাক লবলৈ কলে আৰু এটা "সোহং" মন্ত্ৰ যি শ্বাসৰ দ্বাৰা 'সো' ভিতৰলৈ আৰু 'হং' বাহিৰলৈ জপ কৰিবলৈ কলে। একাদশী আৰু পুৰ্ণিমাৰ ব্ৰত, সোমৱাৰ তথা অষ্টমীৰ ব্ৰত কৰিবলৈ কলে, বেছি বেছিকৈ ত্ৰিবন্ধ প্ৰাণায়াম, সিদ্ধাসনত বহি ধ্যান কৰা আৰু অনুষ্ঠান কৰিবলৈ উপদেশ দিলে। আমি নাম মন্ত্ৰ ল'লো তথা নিজৰ দুঃখ তেখেতৰ সমুখত প্ৰকাশি কান্দিলো আৰু কলো যে আমাৰ জেঠাৰ মৃত্যুৰ ৪০ বছৰ হৈ গৈছে তেওঁ ডাঙৰ প্ৰেত হৈছে। তেওঁ আমাৰ দুই ভাইক মাৰিছে, আঠ দহোটা ম'হ মাৰিছে, পাঁচ ছয়টা গাইক মাৰিছে, পশুবিলাকৰ কাৰো পোৱালী জীৱিত নাথাকে। ঘৰৰ সকলো সদস্যই বেমাৰত পৰি থাকে। দুঃখৰ কাৰণে দুৰ্দশা তথা কোনো কামকাজ ভালদৰে চলিবলৈ নিদিয়ে। এতিয়া কৈ আছে আমাৰ দেউতাকো লৈ যাব। আমি বাপুজীক মিনতি কৰিছো যে আমাক ৰক্ষা কৰক। কিন্তু ছয় মাহ পিছত আমাৰ দেউতাকো লৈ গল। বাপুজীয়ে কলে যি ঘটিছে সেইটো হব লগা আছিল, পশু আদি আৰু ধনৰ হানি তথা শাৰীৰিক বেমাৰ তো পাপৰ ভোগ যি জীৱৰ পুৰ্বজন্ম(কপালত) লিখা আছে, সেইটো তো ভুগিবই

লাগিব। আপুনি ভক্তি কৰক। আমি পৰমাত্মা প্ৰাপ্তিৰ বাবে ভক্তি সাধনাত লাগি পৰিলো। বাপুজীয়ে বুজোৱাৰ পিছত আমি পৰমাত্মা প্ৰাপ্তিৰ বাবে গভীৰ শ্ৰদ্ধাৰে লাগি পৰিলো তথা মই (বসন্ত দাস) সৰ্ব প্ৰথমে শ্ৰীআসাৰাম বাপু আশ্ৰম দিল্লীত চল্লিশ দিনৰ অনুষ্ঠান মহন্ত নৰেন্দ্ৰ ব্ৰহ্মচাৰীৰ পৰামৰ্শত সমাপন কৰিলো। ইয়াৰ পিছত দিনৰ ছয় অনুষ্ঠান আশাৰাম বাপু আশ্ৰম পঞ্চেড় ৰতলাম, মধ্যপ্ৰদেশ মহন্ত কাকাজীৰ চোৰা চিতাত সমাপন কৰিলো। তাৰ পিছত দুই অনুষ্ঠান আশাৰাম আশ্ৰম সাবৰমতী আহমদাবাদ গুজৰাটৰ মৌন মন্দিৰত কৰিলো। যত শ্ৰী আশাৰাম বাপুৰ লগত ভালদৰে কথাবাৰ্তা হবলৈ সুবিধা পালো। তেতিয়া মই বাপুজীক সুধিলো বাপুজী যি পৰমাত্মক পাবৰ বাবে মই তথা ভক্ত সমাজ শ্ৰদ্ধাৰে ৰত হৈ আছে সেইজন পৰমাত্মা কোন ? তেওঁ কেনেকুৱা ? তথা কত থাকে ? কৃপা কৰি কওঁক।

এই কথা শুনি বাপুজীয়ে কলে সাধনাত লাগি থাকা সকলো গম পাই যাবা আৰু কলে যে প্ৰতিদিন গীতা এক অধ্যায় পাঠ কৰিবা আৰু কেতিয়াবা মোক দৰ্শন কৰিববলৈ ইচ্ছা হলে এটা ক্ৰিয়া কৈ দিওঁ তিনি দিন এটা বন্ধ কোঠালীত যাপন কৰিবা। বন্ধ কোঠালীত প্ৰবেশ কৰাৰ আগৰ দিনাই খোৱা বোৱা এৰি দিবা যাতে সন্ধিয়ালৈ লেট্ৰিন আৰু বাথৰুম নিবৃতি হৈ যায়। তাৰ পিছত তিনি দিন লৈ একো খোৱা বোৱা নাই, বাহিৰলৈ ওলোৱা নাই। কোঠালীৰ ভিতৰত থকা আৰু ত্ৰাটক কৰা। ঘৰত গৈ এই সাধনা ক্ৰিয়া মই তিন বাৰ কৰিলো কিন্তু বাপুৰ দৰ্শন নহল। অনুষ্ঠানৰ সময়ত জীৱন মৃত্যুৰ লগত যুজি শেষত বেমাৰৰ সমুখীন হলোঁ। উপায় নাপাই আকৌ পৰমাত্মা পোৱাৰ বাবে ভক্তি সাধনা কৰি থাকিলো।

চেপ্তেম্বৰ ২০০০ চনত সাধু ৰামপাল দাস মহাৰাজৰ সৎসঙ্গ কাঠমণ্ডী ৰোহতকত শুনিলোঁ, তেখেতে তত্ত্ব জ্ঞানৰ আধাৰত গীতাৰ ব্যাখ্যা শুনালে তাৰ পিছত গীতাৰ পাঠ শুনি মনত ভাব আহিবলৈ ধৰিলে যে গীতাত ভগৱানে কি কৈ আছে আৰু বাপুজীয়ে কি কৈছিল ? সঁচাই আমি ভগৱানৰ বিৰুদ্ধে ভক্তি কৰা নাই তো ? সাধু ৰামপাল দাসৰ দ্বাৰা বৰ্ণিত গীতাৰ অনুবাদ বুজি অন্তৰাত্মাই কান্দিবলৈ ললে তথা বাপুজীক লগ ধৰি এই শংকা সুধিবলৈ ইচ্ছা কৰিলোঁ। মই বাপুজীৰ ওচৰত গীতা লৈ গলো তথা গীতাক দেখুৱাই সকলো সংশয় সুধিলো। কিন্তু বাপুজীয়ে কোনো সংশয়ৰ সমাধান নিদিলে। মই বাপুজীক কলো আপোনাৰ যদি পৰমাত্মাৰ বিষয়ে জ্ঞান নাই তেন্তে আপুনি ভক্ত সমাজক কিয় নিজৰ ওচৰত বিমোৰত পেলাইছে, ইয়াতে বাপুজীয়ে মোলৈ ঘুৰি চাই কলে তুমি ভক্তিৰ বিষয়ে কি জানা ? মই তাৰ পৰা কান্দি কান্দি ঘৰলৈ আহিলো।

পৰমাত্মাক নোপোৱাৰ বেদনা আৰু বিমোৰত পৰা জীৱনটোক দেখি তথা ভণ্ডৰূপী অনুষ্ঠান আৰু ব্ৰত কৰি শৰীৰটো বেচি দুৰ্বল হৈ গল আৰু মৃত্যুৰ ওচৰ চাপিলোঁ। আকৌ অন্য সাধু (ৰাধাস্বামী পন্থ, ধন-ধন সৎগুৰু, শ্ৰীসৎপাল জী মহাৰাজ, শ্ৰীবাল যোগেশ্বৰ জী মহাৰাজ, দিব্য জ্যোতি, ব্ৰহ্মকুমাৰী, নিৰংকাৰী মিশন, জয় গুৰুদেব মথুৰাৱালা আদি) ৰ ওচৰত ঘুৰি ফুৰিলো কিন্তু যি নিৰ্নায়ক জ্ঞান সাধু ৰামপাল দাস মহাৰাজে কলে সেইটো ওপৰোক্ত কোনো সাধু সন্ত নাইবা পন্থৰ ওচৰত নাই। মই ধাৰণা কৰিববলৈ ধৰিলো যে বোধ হয় এই সময়ত পৃথিৱীত এনে কোনো সাধু সন্ত নাই যাৰ পৰমাত্মা প্ৰাপ্তি হৈছে আৰু যি এইটো ক'ব পাৰে সেইজন মাহাত্মা কোন ? কেনেকুৱা ? আৰু ক'ত অৱস্থান

কৰি থাকে ? ইয়াকে ভাবি মই উচুপিবলৈ ধৰিলো, সাধু সন্তৰ পৰা বিশ্বাস উঠি গ'ল। মনত আহিবলৈ ধৰিলে যে যদি শ্ৰী আসাৰাম বাপুৰ নিচিনা সুপ্ৰসিদ্ধ সাধুৱে শাস্ত্ৰ বিধি ত্যাগ কৰি মনেসজা আচৰণ কৰে তথা কৰোৱায় তেন্তে কোন সাধুৰ ওপৰত বিশ্বাস কৰা যায়। সন্ত ৰামপাল দাসৰ শ্ৰেষ্ঠ জ্ঞান প্ৰচাৰ কৰিছে কিন্তু এখেতৰ ওচৰত জন সমুহৰ ভিৰ একো নাই। এওঁ পূৰ্ণ সন্ত বা গুৰু কেনেকৈ হ'ব পাৰে ? এই শংকা মনলৈ আহিল। কিছু দিনৰ পিছত সন্ত ৰামপাল দাস মহাৰাজৰ এজন শিষ্য আমাৰ গাওঁত লগ পালো। মোৰ কাহিনী শুনি তেওঁ মোক আকৌ পৰমাত্মা স্বৰূপ সন্ত ৰামপাল জী মহাৰাজৰ সৎসঙ্গ পুনৰ শুনালে। মই এক ঘন্টা সৎসঙ্গ শুনিলো আৰু সৎসঙ্গৰ শেষত চকুলো পানীৰে মহাৰাজৰ লগত দেখা কৰিলো। মহাৰাজে মোক বুকুত আকোৱালি লৈ ক'লে যি সাধুৰ ওচৰলৈ তোমালোক যোৱা তেওঁ শাস্ত্ৰ বিধি ত্যাগ কৰি মনেসজা আচৰণ কৰে আৰু কৰোৱায়। যি হওক মোৰ এই সকলো ঘটনা তেখেতে আগৰে পৰাই জানে আৰু মই কি বিচাৰো, মোৰ শংকাৰ সমাধান তেখেতৰ চৰণত বহাই সন্ত ৰামপাল দাস মহাৰাজে এনেদৰে কৰিলে।

তত্বদৰ্শী ৰামপাল দাস মহাৰাজে কলে যে পবিত্ৰ গীতা অধ্যায় ৯, মন্ত্ৰ ২৫ ৰ ভিতৰত পিতৰ পুজা অৰ্থাৎ শ্ৰাদ্ধ কৰোৱা মানা আছে। অন্য দেবী দেৱতাৰ পূজা কৰা সকলকো মন্দ বুদ্ধি বুলি লিখা আছে (গীতা অধ্যায় ৭ মন্ত্ৰ ১২ ৰ পৰা ১৫ তথা ২০ ৰ পৰা ২৩ লৈ)। কিন্তু শ্ৰী আশাৰাম জীয়ে “শ্ৰাদ্ধ মহিমা” নামক পুথি লিখি শ্ৰাদ্ধ কৰোৱা শ্ৰেষ্ঠ বিধি বুলি লিখিছে। সাধু শ্ৰী আশাৰাম বাপুৰ সাবৰমতি আহমদাবাদ আশ্ৰমৰ পৰা প্ৰকাশিত পত্ৰিকা ঋষি প্ৰসাদ সংখ্যা ১৩৫ মাৰ্চ ২০০৪ লিখিত আছে যে ভূত পূজা কৰা প্ৰেতৰ পূজা কৰা বিলাকে অইন দেব-দেবী পূজা কৰা বিলাকে কি হব, পঢ়ক পত্ৰিকা অহা সংখ্যাত............। অহা সংখ্যাৰ পত্ৰিকা ঋষি প্ৰসাদ সংখ্যা ১৩৬ এপ্ৰিল ২০০৪ পৃষ্ঠা ১৯ ত লিখিত আছিল যে ভূত পূজা কৰা বিলাকে ভূতলোক প্ৰাপ্তি হব তথা পিত্ৰৰ পূজা কৰা বিলাকে প্ৰেতলোক প্ৰাপ্ত হব তথা শ্ৰীকৃষ্ণৰ পূজাৰী ভগৱান শ্ৰীকৃষ্ণ দেৱৰ বৈকুণ্ঠলোক প্ৰাপ্ত হব।

এতিয়া বিচাৰ কৰক শ্ৰী আশাৰাম বাপুৰ দ্বাৰা প্ৰকাশিত “শ্ৰাদ্ধ মহিমা” নামক পুথিত পিত্ৰৰ পূজাক ভাল বিধি বুলি লিখিছে।

কৃপা কৰি চিন্তা কৰক - কোনো ব্যক্তিয়ে এইটো কয় যে নাদ (কুৱা)ত পৰি যোৱা জনৰ মৃত্যু প্ৰাপ্ত হয়। আকৌ স্বয়ং নাদত পৰি মৰি যোৱাৰ পৰামৰ্শ দি আছে তথা কৈ আছে যে কুঁৱাত পৰি মৰি যোৱাৰ ভাল বিধি উপদেশ দিওঁ যে দুয়ো ভৰি ওপৰত উঠাই লৈ জাঁপ মাৰি দিয়ক। এইটো কুঁৱাত পৰি মৰি যোৱাৰ শ্ৰেষ্ঠ বিধি। যিয়ে এনেনকৰে সিজন দোষী। ক্ক

সঁচাই সেইজন ব্যক্তি ভাল নে ? এই ভূমিকা শ্ৰী আসাৰাম বাপুৱে কৰি আছে। তেওঁ এফালে কৈ আছে ভূত-প্ৰেতৰ পূজা কৰা সকলে ভূত প্ৰেত সাজি ভুতলোক আৰু প্ৰেতলোকলৈ যাব, যত তেওঁলোকে ভোক পিয়াহে কটাব লাগে। পিছত সিবিলাকক শ্ৰাদ্ধৰ দ্বাৰা তৃপ্ত কৰা হয়। আৰু এটা বিচাৰ কৰিবলগীয়া বিষয় যেতিয়া নিজৰ পিতা-মাতা জীবিত আছিল তেতিয়া সিহঁতে প্ৰতিদিন কমেও দুবাৰকৈ ভোজন কৰিছিল। এতিয়া মৃত্যুৰ পিছত সিবিলাকে শ্ৰী গীতা ভাগৱতৰ বিৰুদ্ধ ভক্তি সাধনা কৰি দুঃখ দায়ক ভূত-

প্ৰেতৰ যোনী প্ৰাপ্ত কৰিছে। এতিয়া এদিনৰ শ্ৰাদ্ধত সিহঁতে কেনেকৈ তৃপ্ত হব পাৰে ? বছৰৰ ৩৬৪ দিন কি খাব ? যাৰ বাবে ভণ্ড সাধু গুৰুজন দোষী, যি সকলে সৰল হোজা আত্মাক বঞ্চনা কৰি আছে। শাস্ত্ৰ জ্ঞানৰ লগত অপৰিচিত সাধু গুৰু মহন্ত-বৈষ্ণৱে এই জীৱক শাস্ত্ৰ বিধি ৰহিত ভক্তি সাধনা কৰোৱাই দুঃখ দায়ক যোনীত পৰিভ্ৰমণ কৰায়।

শ্ৰীআশাৰাম বাপুয়ে শ্ৰী শিৱ দেৱৰ উপাসনা মন্ত্ৰ (ওঁ নমঃ শিৱায়) আৰু শ্ৰী বিষ্ণু দেৱৰ মন্ত্ৰ (ওঁ নমঃ ভগৱতে বাসুদেবায়) উপদেশ দিয়ে। ইয়াৰ উপৰিও হৰি ওঁ, ওঁ গুৰু আদি নামেৰে কোনো এক মন্ত্ৰ নিজৰ ইচ্ছা অনুসৰি বাছি লবলৈ কয় তথা 'সোহং' মন্ত্ৰক দুই ভাগত ভাগ কৰি শ্বাস প্ৰশ্বাসৰ দ্বাৰা স্মৰণ কৰা আদি মন্ত্ৰ দিয়ে যিবোৰ কোনো শাস্ত্ৰত প্ৰমাণ নাই।।

বিচাৰ কৰক - কোনো ৰোগীৰ পেটৰ বিষ হৈছে তেওঁ চিকিসাৰ বাবে বেজৰ (ডক্টৰ) ওচৰত গৈ জনালে। বেজে ৰোগীৰ সমুখত ছয় প্ৰকাৰৰ ঔষধ (টেবলেট) দিলে আৰু কলে যিটো তোমাৰ পছন্দ লাগে সেইটো উঠাই লৈ খোৱা। সেই জন কি বেজ বা ডাক্টৰ হব পাৰে জানো ?

পবিত্ৰ গীতা অধ্যায় ৮, মন্ত্ৰ ১৩ কৈছে যে ওম ইতি একাক্ষৰম ব্ৰহ্ম, ব্যাহৰণ মাম্ অনুস্মৰণ যঃ প্ৰয়াতি ত্যাজন্ দেহম্ সঃ য়াতি পৰমাম গতিম্।। ১৩।।

ইয়াৰ শব্দাৰ্থ হল যে গীতা কওঁতা ব্ৰহ্ম অৰ্থাৎ কালে কৈ আছে যে (মাম ব্ৰহ্ম) মোক ব্ৰহ্মক তো (ইতি) এইটো এটা (ওম্ একাক্ষৰম) এক ওম অক্ষৰৰ (ব্যাহৰণ উচ্চাৰণ কৰি (অনুস্মৰ) স্মৰণ কৰি (যঃ) যি সাধকে (ত্যাজন্ দেহম) শৰীৰ ত্যাগ কৰাৰ আগলৈকে অৰ্থাৎ অন্তিম শ্বাসলৈ (প্ৰয়াতি) স্মৰণ সাধনা কৰে (সঃ) সেই সাধক মোৰেই (পৰমাম গতি) পৰম গতি (যাতি) প্ৰাপ্ত হয়।

ভাবাৰ্থ হল যে শ্ৰীকৃষ্ণ দেবৰ শৰীৰত ব্ৰহ্মই প্ৰেতবত প্ৰৱেশ কৰি ব্ৰহ্ম অৰ্থাৎ হাজাৰ বাহু থকা জ্যোতি নিৰঞ্জন কালে কৈছে যে মোৰ ব্ৰহ্মৰ সাধনা কেৱল এক ওম (ওঁ) নামেৰে মৃত্যু পৰ্য্যন্ত ভক্তি কৰা সাধক মোকেই প্ৰাপ্ত হয়। অন্য কোনো মন্ত্ৰৰে মোৰ ভক্তি নহয় তথা নিজৰ গতিকো গীতা অধ্যায় ৭, মন্ত্ৰ ১৮ ত বৰ্ণিত অনুত্তম অৰ্থাৎ অতি বেয়া বুলি কৈছে। ইয়াৰ প্ৰমাণ গীতা অধ্যায় ৯, মন্ত্ৰ ২০ ৰ পৰা ২৫ লৈ কৈছে যে যি তিনি বেদ (ঋকবেদ, যজুৰ্বেদ তথা সামবেদ) ত বৰ্ণিত বিধি দ্বাৰা মোৰ সাধনা কৰে আৰু অন্য দেৱতা সকলকো পূজা কৰে তেওঁৰ জন্ম মৃত্যু তথা স্বৰ্গ-নৰক আদি ভুগিব লাগে তথা পিত্ৰৰ পুজা কৰা সকলে (শ্ৰাদ্ধ কৰা সকলে) প্ৰেত হৈ প্ৰেতক প্ৰাপ্ত হয়। ভূত পূজা কৰা বিলাকে (তেৰদিনীয়া, সোতৰ দিনীয়া, বছৰী, অস্থি উঠাই লৈ গঙ্গা আদিত ক্ৰিয়া কৰোৱাই উতোৱাই দিয়ে, পিণ্ড দিয়া আদি ভূত পুজা।) ভূত সাজি ভূতলোকলৈ গুচি যাব, আৰু পৃথিৱীত দিশহীন হৈ ভ্ৰমিব লাগিব। এই পূজা শাস্ত্ৰ বিধি বিৰুদ্ধ, অজ্ঞান পূৰ্বক মনেসজা আচৰণ। এইবোৰ প্ৰকৃততে অৰ্থহীন। প্ৰমাণ গীতা অধ্যায় ১৬, মন্ত্ৰ ২৩-২৪।

বিশেষ ঃ- ইয়াত চতুৰ্থ অথৰ্ববেদৰ বিবৰণ এই বাবে নাই যে ইয়াৰ ভিতৰত পূজা বিধি কম তথা সৃষ্টি ৰচনা অধিক। এই কাৰণে গীতা অধ্যায় ১৮, মন্ত্ৰ ৬২ ত উল্লেখ কৰিছে যে সেইজন পৰমাত্মাৰ শৰণ লোৱা যাৰ দ্বাৰা তোমাৰ পূৰ্ণ মুক্তি হব আৰু পৰম শান্তি তথা শ্বাশ্বত স্থান অৰ্থাৎ সত্যলোক প্ৰাপ্ত হব আৰু গীতা অধ্যায় ১৫, ম

ন্ত্ৰ ৪ ত কৈছে যে তত্বদৰ্শী সাধুৰ প্ৰাপ্তি হোৱাৰ পিছত তেওঁৰ উপদেশ অনুসৰি শাস্ত্ৰ বিধি মতে পূজা-উপাসনা সাধনা আদি কৰিব লাগে। আকৌ পিছত সিজন পৰমপদ পৰমেশ্বৰৰ সন্ধান কৰিব লাগে যলৈ যোৱাৰ পিছত সাধকৰ কেতিয়াও জন্ম-মৃত্যু নহয় অৰ্থাৎ অনাদি মোক্ষ প্ৰাপ্তি হয়। (গীতা কওঁতা কাল অৰ্থাৎ ক্ষৰ পুৰুষ-ব্ৰহ্মই কৈ আছে যে) ময়ো সেই আদি পুৰুষ পূৰ্ণ পৰমেশ্বৰৰ শৰণাগত।

সন্ত ৰামপাল দাস মহাৰাজে উল্লেখ কৰিছে যে অইন সকলো সাধু সন্তই কয় যে পাপৰ ভোগ তো প্ৰাৰব্ধত লিখা আছে কাৰণে জীৱই ভুগিব লগা হয়। ভক্তি কৰি থাকিব লাগে তেহে অহা জীৱন সুখময় হব।

অনুগ্ৰহ কৰি বিচাৰ বিবেচনা কৰক - কাৰোবাৰ ভৰিৰ তলুৱাত কাইট সোমাইছে সেই কাৰণে বহুত বেদনা হৈছে। সেই কাঁইটৰ যন্ত্ৰণা দূৰ কৰাৰ কাৰণে কাৰোৱাক প্ৰাৰ্থনা কৰিলে নিৰাময় কৰিবলৈ, উত্তৰ পালে কাঁইট থাকিবলৈ দিয়া, জোতা পিন্ধি লোৱা ভবিষ্যতে কাইট নালাগিব। সেইজন ব্যক্তিয়ে শুদ্ধ উপদেশ দিলে নে ? কিয়নো কাইটে বিন্ধা ভৰিত জোতা পিন্ধিবই নোৱাৰি। কাঁইট ওলোৱাৰ পিছত ভয়তেহে জোতা পিন্ধিব যাতে আকৌ কাঁইটে নিবিন্ধে। ঠিক এইদৰে পূৰ্ণ পৰমাত্মাৰ পূৰ্ণ গুৰুৰ শৰণ ল'লে পাপ ৰূপী কাঁইটৰ কষ্টৰ পৰা নিবৃত্তি পোৱা যায়। পিছত সাধকে পূৰ্ণ প্ৰভুৰ শাস্ত্ৰ বিধি অনুসৰি সাধনা ৰূপী জোতা এই ভয়ত পিন্ধিব যে যাতে কোনো পাপ ৰূপী কাঁইটে বিন্ধিব নোৱাৰে।

সকলো সাধু-গুৰু বৈষ্ণৱে পবিত্ৰ গীতা ভাগৱতৰ অনুবাদৰ মূল অৰ্থ অনৰ্থ কৰি পেলাইছে। গীতা অধ্যায় ৭, মন্ত্ৰ ১৮ ৰ পৰা ২৪ লৈ অনুত্তমামৰ অৰ্থ উত্তম কৰিছে তথা অধ্যায় ১৮, মন্ত্ৰ ৬৬ ব্ৰজ শব্দৰ অৰ্থ আহ বুলি লিখিছে। বাস্তৱত অনুত্তমমৰ অৰ্থ অতি বেয়া তথা ব্ৰজ শব্দৰ অৰ্থ যোৱা। তত্বজ্ঞানৰ অভাৱত তথা জ্ঞানহীন সাধু গুৰু বৈষ্ণৱ সকলৰ কাৰণে সকলো ভক্ত সমাজ শাস্ত্ৰ বিধি বিৰুদ্ধ ভক্তি সাধনা কৰি দুৰ্লভ মনুষ্য জনম ব্যৰ্থ কৰিছে (পবিত্ৰ গীতা অধ্যায় ১৬, মন্ত্ৰ ২৪-২৫)। সকলো পবিত্ৰ ধৰ্মৰ পবিত্ৰ আত্মা বিলাক তত্বজ্ঞানৰ লগত অপৰিচিত হৈছে। যি কাৰণে আধৰুৱা সাধু, গুৰু, বৈষ্ণৱ ব্ৰাহ্মণ ঋষি, মুনি সকলে নিজৰ প্ৰভাৱ চলাই আছে। যি সময়ত পবিত্ৰ ভকত সমাজ আধ্যাত্মিক তত্ব জ্ঞানৰ লগত পৰিচিত হব সেই সময়ত এই আধৰুৱা সাধু, গুৰু, ব্ৰাহ্মণ, বৈষ্ণৱ, ঋষি, মুনি, মহন্ত, পণ্ডিত, আচাৰ্য্য লুকাই থকাৰ স্থান নাপাব।

ওপৰোক্ত সত্যতা নিজৰ চকুৰে দেখা পাই মই তথা অন্য পৰিয়ালৰ সদস্যই সন্ত ৰাম পাল দাস মহাৰাজৰ চৰণত শৰণ ল'লো, গোটেই পৰিয়ালত কোনো বেমাৰ-আজাৰ নোহোৱা হ'ল আৰু যি ভূতে আমাৰ পৰিয়ালৰ সদস্যক অকালত মাৰি পেলাইছিল, ঘৰৰ পোহনীয়া জন্তুক মাৰি নিছিল, কাম ধান্ধা ভালকৈ চলিব নিদিছিল, তেওঁ আমাৰ ঘৰৰ পৰাই নহয় গোটেই গাঁৱৰ পৰা আঁতৰি গল আৰু তাৰ দুৰৰ কুটুম্বৰ ঘৰলৈ গুচি গল, যি সকলে এতিয়াও শ্ৰী আশাৰাম বাপুৰ পুজাৰী হৈ আছে তাত গৈ ভূতে কয় যে সিহঁতৰ বসন্ত সিংহ আদিৰ ঘৰত পৰমাত্মাৰ নিবাস হ'ল সিহঁতে পৰমাত্মা স্বৰূপ পূৰ্ণ সাধু গুৰু পালে, আমি এতিয়া সিবিলাকৰ কাষ চাপিব নোৱাৰা হলোঁ। সাধু ৰাম পাল দাস মহাৰাজৰ পৰা উপদেশ লোৱাৰ পিছত আমি সম্পূৰ্ণ ৰূপে সুস্থ আৰু সুখী জীৱন- যাপন কৰি আছো। আমাৰ পৰিয়াল তথা আমাৰ আত্মীয় স্বজনে প্ৰায় ২০০

জন সদস্যই সাধু ৰামপাল দাস মহাৰাজৰ পৰা নাম দীক্ষা প্ৰাপ্ত কৰিছো যিয়ে আগেয়ে শ্ৰীআশাৰাম বাপুৰ শিষ্য আছিল। সাধু ৰামপাল দাস দ্বাৰা প্ৰচাৰিত তত্ত্ব জ্ঞানক বুজি পাই প্ৰায় দহ হেজাৰ শ্ৰীআশাৰাম বাপুৰ শিষ্যই সৎগুৰু ৰামপাল দাস মহাৰাজৰ শৰণ লৈছে। তেওঁ লোকেও মোৰ দৰে সমীহ কৰে। মোৰ ভক্ত সমাজলৈ প্ৰাৰ্থনা যে যি সকলৰ পৰমাত্মা পাবলৈ হাবিয়াস আছে, বিচাৰি আছে, অনুগ্ৰহ কৰি বিলম্ব নকৰি পৰমাত্মা স্বৰূপ পূৰ্ণগুৰু ৰামপাল দাস মহাৰাজৰ চৰণত আহি শৰণ লৈ মনুষ্য জীৱন সুখী কৰক তথা পৰমাত্মা প্ৰাপ্তি কৰক।

ভক্ত বসন্ত দাস,
মোবাইল নং - ৯০৫৩২৭৫৫৬৯

**অদ্ভুত চমৎ কাৰ**

পূজনীয় গুৰুদেবলৈ দণ্ডৱত প্ৰণাম,

মই নিজ পৰিয়ালৰ আনন্দ অতি বিনয়ৰে আপোনাক অবগত কৰো যে যোৱা জানুবাৰী ২০০০ চনৰ আৰম্ভণিত আপোনাৰ সৎসঙ্গৰ প্ৰবচন তাজ পুৰ গাওঁ দিল্লীত শ্ৰী মুৰাৰী ভ কতৰ ঘৰত চলি আছিল। চুবুৰীয়া অইন এজন ভকতৰ ছোৱালীয়ে মোৰ পত্নী শ্ৰীমতী বিমলা দেবী (চাওলা)ক কলে যে খুৰী ওচৰৰ গাৱঁত সৎসঙ্গ চলি আছে যদি আপুনি সেই ম হাৰাজৰ পৰা নাম দীক্ষা লয় তেন্তে আপোনাৰ অসাধ্য ৰোগ (মেৰুদণ্ডৰ হাড় এক ইঞ্চি ভাঁজ হোৱা) ভাল হব পাৰে। তেতিয়া মোৰ পত্নীয়ে সেই ছোৱালী জনীক কলে যে অল ইণ্ডিয়া মেডিকেল ইনষ্টিটিউট অফ ৰিছাৰ্চ ছেন্টাৰ অফ ছাইন্স দিল্লীত যাৰ আঢ়ৈ বছৰ চিকিৎসা চলি অসফল হৈছে সেই এক নাম বা শব্দৰ কি শক্তি আছে যে মোৰ অসাধ্য বেমাৰ ভাল হৈ যাব ? বহু সময় ধৰি দুয়ো বিতৰ্ক কৰি অৱশেষত, লাহে লাহে সেই সৎসঙ্গত যাবলৈ নিৰ্ণয় কৰিলে। পৰম পূজনীয় সন্ত ৰামপাল দাস মহাৰাজৰ শাস্ত্ৰপ্ৰবচন/অমৃত বাণী শুনি আধৰুৱা খণ্ডিত হোৱা ভক্তিৰ তাঁৰ পুনঃ মুক্তি দাতাৰ দ্বাৰাই লগ লাগি গ'ল আৰু আঢ়ৈ বছৰ চিকিৎসা কৰিও সুফল নোপোৱা কেৱল নাম সুমিৰণ কৰিয়েই পাঁচ দিনৰ ভিতৰত অসাধ্য বেমাৰ ঠিক হৈ গল। ইয়াৰ আগেয়ে পুৰ্বৰ ডাক্তৰে তাইক থিয় হোৱা বা বহা মানা কৰি দিছিল যিটো আজিও ট্ৰিটমেন্ট স্লিপত লিখা আছে তথা এক ইঞ্চি সেই ফাক থকা এক্সৰেৰ ফটোও আছে। সকলোতকৈ ডাঙৰ সমস্যা মোৰ পত্নীৰ আছিল যে তাই বহি পাইখানা কৰিব নোৱাৰিছিল আৰু হাত ধোৱাৰ সময়ত দহ পোন্ধৰ মিনিট কান্দিব লগা হৈছিল। কিয়নো হালিলে বেচি বেদনা হৈছিল। তাই পৰম পূজনীয় সদগুৰু ৰামপাল মহাৰাজৰ আশীৰ্বাদত ৫০ কেঃ জিঃ ওজনৰ বস্তু নিজে নিজে উঠাব পাৰে আৰু পূৰ্ণ সুস্থ আছে। মোৰ সৰ্ব্ব পাঠকলৈ বিনম্ৰ প্ৰাৰ্থনা যে ঈশ্বৰ তুল্য সাধু ৰামপাল দাস মহাৰাজ যি কবীৰদেৱ (পৰমেশ্বৰ কবীৰৰ পূৰ্ণ কৃপা পাত্ৰ তেখেতৰ পৰা অতি শীঘ্ৰে নাম দীক্ষা লৈ স্বপৰিয়ালৰ আত্ম কল্যাণ কৰাওক আৰু পূৰ্ণ মোক্ষ তথা সৎলোক (শাশ্বতম স্থান) প্ৰাপ্ত হওক।

আপোনাৰ সেৱক ভকত নাথুৰাম,
গাওঁ ছাৱলা, দিল্লী,
দুভাষ - ০৯৮১১৯৫৭৯১২

## পৰমেশ্বৰে অসম্ভৱক সম্ভৱ কৰিলে

মই ভক্ত সুৰেন্দ্ৰ দাস গাওঁ - গাঁধৰা, তহসিল- সাঁপলা, জিলা - ৰোহতকৰ নিবাসী। মোৰ বয়স ২১ বছৰ তথা সৰুৰে পৰাই পৰমাত্মাৰ সন্ধানত আছো তথা মনেসজা পূজা (মন্দিৰত যোৱা, ব্ৰত পালন কৰা, শ্ৰাদ্ধ, পিণ্ড কৰা আদি)ও কৰিছিলো। কিন্তু শাৰীৰিক কষ্ট আৰু মানসিক অশান্তি নিৰন্তৰ চলি আছিল। আকৌ কিন্তু পৰমাত্মাৰ ওপৰত বিশ্বাস তথা পৰমাত্মক প্ৰাপ্তি কৰাৰ চেষ্টাও চলি আছিল। এই তাড়নাই মোক ইং ১৯৯৫ চনত সাধু আসাৰাম বাপুৰ ওচৰলৈ লৈ গৈছিল। মই তেখেতৰ পৰা নাম উপদেশ ললো আৰু তেখেতে যেনে ভক্তি মাৰ্গ উপদেশ দিলে তেনেদৰে ডাঠ হৈ সাধনা কৰিলো, কিন্তু শৰীৰৰ কোনো কষ্ট দূৰ নহল নাইৱা কোনো আধ্যাত্মিক উন্নতি নহল, উপৰোক্ত কষ্ট বাঢ়িবলৈহে ধৰিল। মই আশাৰাম বাপুৰ নিৰ্দেশ অনুসৰি সাধনা কৰিছিলো। যেনে ২৫০গ্ৰাম গাখীৰ পুৰা আৰু সন্ধিয়া পি খাইছিলো আৰু মোৰ মন্ত্ৰত যিমান অক্ষৰ আছিল সিমান লাখ মন্ত্ৰ আৰু সমাধি কৰিছিলো। ৪০ দিনৰ এই ক্ৰিয়া আছিল, যি এক প্ৰকাৰ অনুষ্ঠানে হৈছিল। এনেকুৱা মই ১৪ অনুষ্ঠান কৰিছিলো।

এবাৰ মই বাপুজীৰ সৎসঙ্গ শুনিলো যে সাতদিনলৈ অনাহাৰ থাকি মন্ত্ৰ জপি, সমাধি লগাই তথা প্ৰাণায়াম কৰিলে ঈশ্বৰ প্ৰাপ্তি হয়। আকৌ মই এই বচনকে সত্য মানি এনেকুৱাই কৰিলো। কিন্তু ঈশ্বৰ প্ৰাপ্তিৰ বিপৰীতে অনাহাৰে থকা কাৰণে মৃত্যুৰ কাষ চাপিলো প্ৰাণায়াম কৰা কাৰণে মগজুৰ ভাৰসাম্যৰ বিকৃতি ঘটিল আৰু মই পগলাৰ দৰে হৈ গলো।

সেই সময়চোৱাত মোৰ ওপৰত সদগুৰু পূৰ্ণ সাধু ৰামপাল দাস মহাৰাজৰ কৃপাদৃষ্টি হোৱাত মই চেপ্তেম্বৰ ইং ২০০০ চনত পূজ্য গুৰুদেব সাধু ৰামপাল দাস মহাৰাজৰ দ্বাৰা নাম উপদেশ প্ৰাপ্ত হলো। নাম উপদেশ পোৱাত এনে লাগিল যেন কোনোৱাই নুমাই যাব খোজা বহ্নিত ঘিঁউ ঢালি দিলে তথা মোৰ জীৱন শান্ত সুস্থ হবলৈ ধৰিলে।

পূৰ্ণ সাধু সন্তই পাপ কৰ্মক সমাপ্ত কৰিব পাৰে। ইয়াৰ প্ৰমাণ মোৰ জীৱনত স্পষ্ট ৰূপে হৈছিল যেতিয়া মই মে মাহত ইং ২০০৪ চনত মহাৰাষ্ট্ৰৰ ঔৰঙ্গাবাদত সন্ত ৰামপাল দাস মহাৰাজৰ সৎসঙ্গৰ তম্বু লগোৱা কামত নিয়োজিত থকা অৱস্থাত ২৫ ফুট ওপৰৰ পৰা শিলাময় মাটিৰ ওপৰত পৰি গলো। ইয়াত কাল ভগৱানৰ ইচ্ছা বেলেগ আছিল, যত মোৰ ৰাজহাড় ভাগিল আৰু শৰীৰৰ আধা অংশ অৰ্ধাঙ্গ (পেৰালাইচিচ) বেমাৰত পৰিল। সেই সময়ত মই নিজ গুৰু ৰামপাল দাস মহাৰাজক স্মৰণ কৰিলো।

গৰীব, কাল ডৰে কৰতাৰ সে, জৈ জৈ জগদীশ।
জৌৰা জৌৰী ঝাড়তী, পগ ৰাজ ডাৰৈ শীশ।।

তাৰ পিছত মোক ঔৰঙ্গাবাদৰ প্ৰাইভেট মেডিকেলত (পটবৰ্ধন হস্পিটেল)লৈ গল। তাত ডাঃ ডি. জি. পটবৰ্ধনে মোৰ শৰীৰ চোৱা চিতা কৰিলে আৰু মোৰ ৰাজহাড়ৰ এক্সৰে ৰিপৰ্ট দিলে। ৰিপৰ্টত গম পালে যে ৰাজহাড় ভাঙিছে। ডাক্তৰে ৰিপৰ্ট চাই বহুত চিন্তিত হৈ ক'বলৈ ধৰিলে আপোনাৰ মেৰুদণ্ডৰ হাড় ভাঙিছে আৰু তাৰে এটুকুৰা ভাগি পৃথক হৈ গৈছে। ডাক্তৰে বাৰে বাৰে মোৰ ভৰিত হাত লগাই দেখি কলে যে আপোনাৰ ওপৰত পৰমাত্মাৰ বিশেষ কৃপা আছে যে আপোনাৰ ভৰি দুখনে কাম কৰি আছে। কিয়নো এই ৰিপৰ্ট মতে আপোনাৰ অদ্ধাঙ্গ (পেৰালাইচিচ) হব লগা আছিল। সেই হস্পিটেলত তিনি দিন আছিলো। তাৰ পিছত তাৰ পৰা ছুটি লৈ উভতি নিজ ঘৰ হৰিয়ানালৈ আহিলো।

ইয়াত মই ৰোহতকৰ হাড় বিশেষজ্ঞ প্ৰসিদ্ধ ডাঃ চাড্ডাৰ ওচৰত চিকিৎসা ললো। ডাক্তৰে মোৰ ৰিপোৰ্ট চাই চিন্তিত হৈ কলে আপুনি কেনেকৈ চলা-ফুৰা কৰি আছে ? আপোনাৰ ৰিপোৰ্টৰ মতে পেৰালাইচিচ হবলগা আছিল। ডাক্তৰে চাই আকৌ ৰঙীন এক্সৰে কৰোৱাই কলে যে ইয়াৰ চিকিৎসা সম্ভৱ নহয় তথা অপাৰেশ্বনৰ দ্বাৰা এইটো যি স্থিতিত আছে তাতেই ৰাখিব পৰা যায়, যাতে হাড় আৰু নাভাঙে। তেওঁ হাড় মজবুত কৰিবলৈ বেজি দিয়া আৰম্ভ কৰিলে আৰু তিনি মাহলৈ বেজি দিয়া হ'ল। আকৌ তেওঁ কলে অপাৰেশ্বন অৱশ্যই কৰিব লাগিব নহলে বাকী থকা হাড়খিনি ভাঙি যাব পাৰে আৰু কলে অপাৰেশ্বনৰ খৰচ ২ লাখ টকা লাগিব। আকৌ সেই সময়ত ডক্তৰে কলে ৰিপোৰ্ট অনুসৰি আপোনাৰ তিনি মাহৰ ভিতৰত মৃত্যু হব লগা আছিল। আজি আপুনি পৰমাত্মাৰ দয়াতেই জীৱিত আছে। অপাৰেশ্বনৰ খৰচ বাবদ ২ লাখ টকা দিবলৈ মই অসমৰ্থ আছিলো এই বাবে চিকিৎসাৰ কাৰণে মই অইন ডাক্তৰৰ ওচৰলৈ গলো। তেওঁ মোৰ ৰিপৰ্ট চাই আচৰিত হৈ গল আৰু কলে যদি অপাৰেশ্বনৰ কাৰণে বিলম্ব কৰে তেন্তে আৰু হাড় ভাঙিব পাৰে। তেওঁ কলে ৰিপোৰ্ট অনুসৰি আপোনাৰ অৰ্দ্ধাঙ্গ (পেৰালাইচিচ) বেমাৰ হব লাগিছিল, আপুনি কেনেকৈ চলা-ফিৰা কৰি আছে ?

শেষত পৰাজিত হৈ মই নিজৰ গুৰুদেব সাধু ৰামপাল দাস মহাৰাজৰ চৰণত প্ৰাৰ্থনা কৰিলো। তেতিয়া মোৰ পূজ্য গুৰুদেৱে মোৰ ওপৰত দয়া কৰিলে আৰু মূৰত হাত ৰাখি কলে 'বোপা তুমি একেবাৰে ঠিক হৈ যাবা, যদি আজি পৰমেশ্বৰ কবীৰদেবৰ শৰণত নাথাকি লেহেঁতেন তেন্তে তোমাৰ যাতনা ভুগি মৃত্য হব লগা আছিল। তোমাৰ আয়ুস শেষ আছিল। তুমি আকৌ এবাৰ ডাক্তৰক দেখুৱাই লোৱা। মই গুৰুদেৱৰ আদেশ অনুসৰি অহা দিনাই ডাক্তৰক দেখুৱালো, যিয়ে মোৰ এক্সৰে কৰিছিল আৰু এক্সৰে চাই ডাক্তৰ আচৰিত হৈ গল আৰু কলে যি হাড় ভাঙি-চিঙি পৃথক হৈ গৈছিল, সেইটো আপোনা আপুনি কেনেকৈ ওপৰলৈ উঠি জোড়া লাগিল। ডাক্তৰে আকৌ কলে যে এই হাড় এনে অৱস্থাত আছিল যেনেকুৱা কোনো গাড়ী বৰ এঢলীয়া ঠাইত উঠি আছে যদি তাৰ ইঞ্জিন বেয়া হৈ যায়, সেইটো পিছুৱাই আহিব পাৰে অথবা প্ৰথম গিয়েৰত লগাই ডাঙৰ শিল চকাৰ পাচফালে লগাই তাৰে গাৰীখন ৰাখিব পৰা যায় কিন্তু আগলৈ উঠি যাব নোৱাৰে। আপোনাৰ হাড়ো এনেকৈ ওপৰলৈ উঠি গৈ জোড়া লাগিছে যি ডাক্তৰী ইতিহাসৰ বাহিৰৰ ঘটনা। ইয়াৰ দ্বাৰা মই অনুভৱ কৰিব পাৰো যে কোনো ঐশ্বৰিক ক্ষমতা আছে যিয়ে অসম্ভৱক সম্ভৱ কৰিব পাৰে। এইটোতো অপাৰেশ্বন কৰিও ঠিক নহ'লহেতেন। অপাৰেশ্বন কৰিও ইয়াৰ ভিতৰত কোনো পদাৰ্থ সুমুৱাই সেই খালী ঠাইখিনি পুৰণ কৰা গ'লহেতেঁন। আকৌ যদি আপুনি কোনো গধুৰ বস্তু উঠাবলৈ যত্ন কৰিলেহেঁতেন তেন্তে আকৌ হাড় খুলি গ'লহেঁতেন আৰু আপুনি বিছনাত যাতনাত ভুগি মৰিব লাগিলেহেঁতেন। ডাক্তৰে বুজিব পৰা নাছিল ইয়াৰ আঁৰত কোনে এনে আচৰিত চিকিৎসা কৰি আছে? মই কলো যে পূৰ্ণব্ৰহ্ম কবীৰদেবৰ স্বৰূপত মোৰ পূজ্য গুৰুদেব সন্ত ৰামপাল দাস মহাৰাজে মোৰ পাপ কৰ্ম খণ্ডন কৰি তথা মৃত্যুকো এৰাই নিজৰ ভাগৰ পৰা মোক জীৱন দিছে। পৰমেশ্বৰ কবীৰদেৱৰ বাণীত আছে -

জো মেৰী ভক্তি পিছোড়ী হোই, তো হমাৰা নাম ন লেৱে কোই।

এতিয়া মই সম্পূৰ্ণ সুস্থ তথা সদগুৰুৰ চৰণত আত্ম কল্যাণ হেতু নিঃস্বাৰ্থ সেৱা

কৰি আছো। ৫০ কিঃ গ্ৰাম ওজন নিজে নিজেই উঠাই চলিব পাৰো। আমাৰ গুৰুদেৱৰ বাস্তৱিক উদ্দেশ্য হৈছে শাস্ত্ৰ সন্মত ভক্তি সাধনা কৰোৱাই জীৱক বিকাৰ ৰহিত কৰাই নিজৰ পৰম ধাম সৎলোকলৈ লৈ যোৱা, ইয়াত সৰু-সুৰা সুঃখতো আমাৰ গুৰুদেৱ নিজৰ খাজানাৰ পৰাই দিয়ে, যাতে জীৱ ভক্তি মাৰ্গত লাগি থাকিব পাৰে। গতিকে সৰ্ব সমাজক বিনম্ৰ প্ৰাৰ্থনা কৰো যে আমাৰ গুৰুদেৱৰ চৰণত আহি শৰণ লৈ সত্য ভক্তি সাধনা কৰক তথা সাংসাৰিক সুখৰ লগে লগে আত্ম কল্যাণৰ পথো পাওক। সৎ চাহেব।।

বিশেষ ঃ- ঋকবেদ মণ্ডল ১০, শুক্ত নং ১৬১, মন্ত্ৰ ২ পূৰ্ণ পৰমাত্মাই কৈছে যে শাস্ত্ৰানুকুল ভক্তি সাধনা কৰা সাধক তুমি সম্পূৰ্ণ ভাৱেৰে মোৰ শৰণ গ্ৰহণ কৰা অৰ্থাৎ সংশয় ৰহিত হৈ মোৰ ভক্তি কৰা মই তোমাৰ অসাধ্য ৰোগ সমাপ্ত কৰি দিম, যদি তোমাৰ আয়ুস বাকী নাই তেন্তে তোমাৰ শ্বাস বঢ়াই এশ বছৰ কৰাই দিম। ওপৰোক্ত কথাই প্ৰভুৰ অসীম ক্ষমতা প্ৰমাণ কৰে।

ভক্ত সুৰেন্দ্ৰ দাস, মোবাইল নং ৮০৫৯৭০৯৮১৯

## প্ৰভুৱে দুঃখীৰ দূঃখ শুনিলে

মই কৰ্মবীৰ সন্তান শ্ৰী ঘাসীৰাম পুত্ৰ শ্ৰীছোটুৰাম , গাওঁ - ভৰান, জিলা -ৰোহকৰ স্থায়ী বাসিন্দা। সৰ্ব প্ৰথমে মই আৰু গোটেই পৰিয়ালে ১৯৮৬ চনত নিৰংকাৰী বাবা হৰদেৱ সিং জী মহাৰাজৰ পৰা নাম লৈছিলো। সেই সময়ত মই ভনী সকলক খাৰু পিন্ধোৱা কাম কৰিছিলো। আৰ্থিক অৱস্থা ভালে আছিল। লাহে লাহে স্থিতি সলনি হল। কিছু দিনৰ পিছত মোৰ পত্নীৰ শৰীৰত নানা ধৰণৰ বেমাৰে স্থিতি ল'লে। তাইৰ অৰ্শ বেমাৰ আৰু পিত্তৰ থৈলীত পাথৰ আছিল। ডাক্তৰে অপাৰেশ্বনৰ খৰচ বাবদ বিশ হেজাৰ টকাৰ কথা কলে। মোৰ নিচিনা দাসৰ সেই সময়ত বিশ হেজাৰ টকা দিয়াৰ সামৰ্থ্য নাছিল আৰু মোৰো হাপানী বেমাৰ আছিল। মই তথা মোৰ পত্নীয়ে কষ্টৰ কথা মন কৰি দুঃখেৰে অৱস্থা চৰ্চা কৰি এখন অটো ৰিক্সাত উঠি বাচ ষ্টেচনৰ ফালে গৈ আছিলো আৰু এতিয়া টকা পইচা নাই অপাৰেশ্বন কেনেকৈ হব ? আমি মৰি যাম। সেই অটোত এজনী ভনী বহি আছিল। তাই আমাৰ সকলো কথা শুনি কলে আপোনালোক কৰৌঠা যাওক। তাত এজন মহাৰাজ আছে আৰু বেমাৰীক বিনামূল্য ঔষধ দিয়ে। মোৰ পত্নী ভক্তমতী সেৱা দেৱী তাং ২৭-০৭-২০০৩ সৎলোক আশ্ৰম কৰৌঠাত গল তথা মুক্তিদাতা সৎগুৰু ৰামপাল দাস মহাৰাজক নিজৰ বেমাৰ আৰু ঘৰৰ অৱস্থা বিবৰি ক'লে। সৎগুৰুদেৱে সকলো কথা অতি আগ্ৰহেৰে শুনিলে তথা কলে পুত্ৰী ইয়াত কোনো ঔষধ আদি দিয়া নহয়, মাথোন আত্ম কল্যাণৰ মাৰ্গ বুজোৱা হয় তথা ভক্তি কৰা বিধি পবিত্ৰ বেদ আৰু পবিত্ৰ গীতাৰ আধাৰৰ ওপৰত শাস্ত্ৰ অনুসৰি উপদেশ দিয়া হয়। পুৰ্ণ পৰমাত্মা কবীৰদেৱৰ অসীম কৃপাত মন্ত্ৰজপ কৰা মাত্ৰ সকলো কষ্ট দূৰ হৈ যায় আৰু প্ৰকৃত লাভ হ'ল জন্ম-মৃত্যু কষ্টৰ পৰা জীৱক এৰুৱাই দিয়া, সমাজ সংস্কাৰ আৰু আন আন সুখ মুকলিকৈ অৰ্থাৎ নিঃশুল্ক পোৱা যায়। ৰাম নামৰ ঔষধ দি মোৰ গোটেই পৰিয়ালক কৃতাৰ্থ কৰিলে। এতিয়া আমি প্ৰেম পূৰ্বক জীৱন জীয়াই আছো। সকলো বেমাৰ নাম স্মৰণৰ দ্বাৰা আৰু গুৰুদেৱৰ আশীৰ্বাদ মাত্ৰ সমাপ্ত হৈ গৈছে। আমি মুক্তি দাতাক মিনতি কৰো যেনে সুখী জীৱন আমাক দিছে তেনেকুৱা সকলোকে কৃপা কৰক।

ভক্ত কর্মবীৰ দাস পুত্ৰ শ্ৰীঘাসীৰাম
গাওঁঃ- ভৰান, তহসিল - মহম
জিলা- ৰোহতক।

**ভগৱান এনেকুৱা হব লাগে**

মই ভক্ত মহাবীৰ সিংহ পুত্ৰ শ্ৰী কেহৰ সিংহ, গাওঁ - ঢৰানা, জিলা - ঝজ্জৰ (হাৰিয়ানা) নিবাসী। আগেয়ে মই কট্টৰ শিখ ভক্ত আছিলো মোৰ শৰীৰৰ যকৃত আৰু মুত্ৰাশয়ৰ ভিতৰত ঘা আৰু পুঁজ হৈছিল আৰু মোক মোৰ ভাই ভকত মহেন্দ্ৰ সিংহে মেডিকেলত চিকিৎসা কৰোৱাবলৈ লৈ গৈছিল, তাৰ আগেয়ে বহুত টকা খৰচ হৈছিল। কিন্তু কোনো ভাল নহল। মেডিকেলৰ ভিতৰত আল্ট্ৰাছাউণ্ড কৰাৰ পিছত তিনিটা অপাৰেশ্বন কৰিব লাগিব বুলি কলে। মই চিন্তিত হৈ গলো। মই অপাৰেশ্বন কৰিবলৈ বাধা দিলো। আহাৰ খাব পৰা নাছিলো। শৰীৰৰ অৱস্থা একেবাৰে দুৰ্বল হৈ গৈছিল। মোৰ ডাঙৰ ভাই মহেন্দ্ৰই কৈছিল যে তুমি সাধু ৰামপাল দাস মহাৰাজৰ পৰা নাম উপদেশ লৈ লোৱা, তেখেত পূৰ্ণ পৰমাত্মাৰ অৱতাৰত আহিছে। কবীৰ পৰমেশ্বৰ পুৰ্ণ ব্ৰহ্ম। মই কৈছিলো যে ভগৱান শিৱৰ সন্মুখত তোমাৰ কবীৰ তাঁতী (কাপোৰ বোৱা মানুহ)ৰ কি ক্ষমতা আছে? কবীৰ তো এজন কবি আছিল, তেওঁ ভগৱান হ'ব নোৱাৰে। মোৰ ডাঙৰ ভাই মহেন্দ্ৰ সিংহ পুত্ৰ শ্ৰী কেহৰ সিংহৰ পৰিয়ালো দুৰ অৱস্থাত আছিল। সাধু ৰামপাল দাস মহাৰাজৰ চৰণত শৰণ লোৱাৰ পিছত এতিয়া সিহঁত পূৰ্ণ সুখী। তেওঁ সকলো পূজা-পাতল ত্যাগ কৰিছে। আকৌ তেওঁ বহুত সুখী। মইও মানিছিলো, কিন্তু আকৌ মই নিজৰ ভগৱান শিৱতকৈ অধিক কাকো মনা নাছিলো। মোৰ ডাঙৰ ভাই মহেন্দ্ৰই মোক কৈছিল যে হে মহাবীৰ এই ভুল সকলোৱে কৰিছে। কবীৰদেব (কবীৰ পৰমেশ্বৰ) পূৰ্ণ ব্ৰহ্ম। ইয়াৰ শক্তিৰ আগত ব্ৰহ্মা, বিষ্ণু, শিৱ, ব্ৰহ্ম তথা পৰব্ৰহ্ম তো বহুত নিম্ন শক্তি যুক্ত। যেনেকুৱা দেশৰ প্ৰধান মন্ত্ৰী বা ৰাষ্ট্ৰপতিৰ সমুখত প্ৰান্তীয় ৰাজ্যৰ মন্ত্ৰীৰ ক্ষমতা যিমান খিনি হয়, ইমান পাৰ্থক্য পৰমেশ্বৰ কবীৰদেব (ৰাষ্ট্ৰপতি বা প্ৰধানমন্ত্ৰী জানিবা) তথা শিৱদেৱ (এক বিভাগীয় মন্ত্ৰী জানিবা)ৰ ক্ষমতা। এতিয়া আপুনি বিচাৰ কৰক কত সিংহৰ গৰজনি আৰু কত মেকুৰীৰ মিউ মিউ (সিংহৰ লগত কবীৰ পৰমেশ্বৰৰ তুলনা আৰু মেকুৰীৰ লগত শিৱৰ তুলনা।) সাধু ৰামপাল দাস মহাৰাজে সৰ্ব সদগ্ৰন্থক গভীৰ ভাবে অধ্যয়ন কৰিছে তথা ভক্তি শক্তিৰ দ্বাৰা নিজস্ব অনুভৱৰে শুদ্ধ জ্ঞান পাইছে, তেতিয়া জুনিয়ৰ ইনজিনিয়াৰ চাকৰি ত্যাগ কৰি ভক্তি পথাৰত জপিয়াই পৰিছে। আজি সকলো সাধু মহন্ত তথা পণ্ডিত, আচাৰ্য্যক পিচুৱাইছে। সৰ্ব পন্থ আৰু মহৰ্ষি দয়ানন্দকো লিখনীৰ দ্বাৰাই পৰাস্ত কৰাইছে। বাতৰি কাকত যোগে সকলোকে মুকলিকৈ জ্ঞান চৰ্চাত প্ৰত্যাহবান জনাইছে। কোনেও নকয় আৰ্য্য সমাজৰ কিছু নিৰ্বোধে বিৰোধ কৰিছে আৰু সিহঁতৰ মুখত চেকা লাগিছে। কিয়নো ৰামপাল দাস মহাৰাজে প্ৰমাণৰ সৈতে কথা কয়। অইন বিলাকে কেৱল নিৰাধাৰ কথাৰ আধাৰৰ ওপৰত মাৰ্গ দৰ্শন কৰোৱাই আছে। সত্যৰ সমুখত অসত্য কেতিয়াও নিটিকে।

ডাঙৰ ভাই মহেন্দ্ৰৰ ওপৰোক্ত কথা শুনি ভিতৰি ভিতৰি খং উঠিল, ভাবিলো যুজো নেকি ? কিন্তু ডাঙৰ ভাই হোৱা কাৰণে একো নকলো। অইন কোনোৱাই যদি কলেহেঁতেন (কবীৰৰ) সিংহৰ গৰ্জন আৰু (শিৱ) মেকুৰীৰ মিউ মিউ তো মই (মহাবীৰ)

অৰণ্যে যুঁজিলোঁ হেঁতেন। কিন্তু এতিয়া গম পাইছো সেই কবীৰদেব পুৰ্ণ পৰমেশ্বৰ। মে কুৰী এনেয়ে গছত নুঠে আৰু মৃত্যুমুখৰ পৰা বাচিবলৈ কিনো নকৰে ? সেই দিন মই নিজৰ ভাই মহেন্দ্ৰক কলো যে মোক যেনে তেনে বচোৰা। মোৰ ভাই মহেন্দ্ৰই কলে যে কৰৌঠা আশ্ৰমলৈ বলা, তাতে তোমাৰ প্ৰাণ ৰক্ষা হব। মোক অপাৰেশ্বন থিয়েটাৰলৈ লৈ যাৱৰ বাবে ট্ৰলিত শুৱাই দিছিল তথা অপাৰেশ্বনৰ কাপোৰ পিন্ধাই দিছিল। মই উঠিলো আৰু কাপোৰ বিলাক খুলি পেলালো আৰু নিজৰ বস্ত্ৰ পিন্ধি ভাই মহেন্দ্ৰক কলো যে মই নাম দীক্ষা লম। আমি মেডিকেল ৰোহতকৰ পৰা পোনে পোনে গাড়ীৰে মুক্তিদাতা সদগুৰু ৰামপাল দাস মহাৰাজৰ চৰণত শৰণ ল'লো। পিছত আশ্ৰমত মই ভোজন কৰিলো।মই আকৌ মেডিকেল গলো আৰু চেক আপ কৰোৱালো। ডাক্তৰ আচৰিত হৈ গল আৰু মোৰ কোনো অসুবিধা নাপালে। মই সুস্থ হৈ গলো। মোৰ আশ্ৰমত একো খৰচ নহল। নাম তথা মন্ত্ৰজপৰ কিতাপ বিনামুল্যে পালো। মোৰ গোটেই পৰিয়ালে অন্য দেৱদেবীক পুজা কৰিছিল কিন্তু নাম দীক্ষা লোৱাৰ পিছত সকলো ত্যাগ কৰিছে আৰু আগৰ তুলনাত অধিক সুখী আৰু সুস্থ হৈ গলো। মুক্তিদাতা পূৰ্ণ পৰমাত্মা সদগুৰু ৰামপাল দাস ম হাৰাজৰ দিন ৰাতি গুণ গান কৰো। সদগুৰু ৰামপাল দাস মহাৰাজৰ মুখ্য উদ্ধেশ্য হৈছে নাম উপদেশ দি ভক্তি সাধনা কৰোৱাই কালৰ জালৰ পৰা জীৱক মুক্ত কৰা, সমাজ সংস্কাৰ আৰু অইন সাংসাৰিক সুখ তো নিজে নিজেই আহে। 'সত চাহেব'।

ভক্ত মহাবীৰ

## সৰ্ব্ব হীনৰ আশ্ৰয়দাতা

মই ভক্ত জীয়াৰাম (ৰাজু) পুত্ৰ শ্ৰী গণেশী ৰাম, গাওঁ - ঢৰাণাৰ বাসিন্দা। মোৰ আৰু পত্নীৰ অসাধ্য বেমাৰ আছিল, আন কোনোৱাই তন্ত্ৰ-মন্ত্ৰ কৰোৱাইছিল। ডাক্তৰে টি. বি. বেমাৰ বুলি কলে। আমি ডাক্তৰৰ দ্বাৰাই বহুত চিকিৎসা কৰালো আৰু দেবী-দেবতাৰ পূজা বহুত কৰিলো। ইয়াৰ উপৰি ইউ, পি, হাৰিয়ানা, ৰাজস্থানৰ বালাজী আদিত চিকিৎসাৰ কাৰণে গৈ বহুত পইচা ব্যয় কৰিলো। দহ-বাৰ বছৰলৈ এনেয়ে হাৱাথুৰি খাই ফুৰিলো। আমি কমেও ২ লাখ টকা খৰচ কৰিলো, কিন্তু একো উপশম নহল। আমি বহুত বিব্ৰত হলো। মই বহুত দুখীয়া হলো, ৫০ টকা অৰ্জন কৰো কিন্তু ১০০ টকা খৰচ হৈ যায়। কেতিয়াবা আত্ম হত্যা কৰিবলৈও চিন্তা কৰো। হোম কৰালো। হোম কৰাৰ সময় পণ্ডিতে ভয় খালে আৰু কলে ইয়াৰ ভিতৰত বহুত ডাঙৰ জিন (পুৰুষ ভূত) আছে। পণ্ডিতে কলে যে মই আকৌ হোম কৰিম তাৰ পিছত কম। ভকত মহেন্দ্ৰ সিংহ পিতা শ্ৰী কেহৰ সিংহ (যি মোৰ গাওঁৰ প্ৰতিৱেশী) সাধু ৰামপাল দাস মহাৰাজৰ পৰা আগেয়ে নাম দীক্ষা লৈ শিষ্য হৈছে। মোক কেইবা বাৰো কৈছিল যে জীয়াৰাম ঘুৰি ফুৰি হাবাথুৰি খোৱা আৰু পইচা পাতি নিঃস্ব হলে বুজিবা। সাধু ৰামপাল দাস মহাৰাজ বিনা কোনেও দুঃখ কষ্ট নিবাৰণ কৰিব নোৱাৰে। ভক্ত মহেন্দ্ৰ সিঙে কৈছিল যে মইয়ো বহুত ঘুৰি ফুৰি আৰু নিঃস্ব হৈ শেষত গুৰুদেৱ ৰামপালৰ আশীৰ্বাদ পাই ঘৰ গৃহস্থী স্বাভাৱিক হল। মই ভ কত মহেন্দ্ৰক কৈছিলো যে কৰৌঠা আশ্ৰম এতিয়াহে হৈছে, মই বহুত ডাঙৰ মন্দিৰলৈ গৈছো। শেষত নিৰাশ হৈ ভক্ত মহেন্দ্ৰৰ লগ ধৰিলো আৰু অহা দিনাই মহেন্দ্ৰৰ সৈতে আশ্ৰমলৈ গৈ ৰামপাল মহাৰাজৰ পৰা মুকলি নাম উপদেশ ললো আৰু উপদেশ লোৱাৰ পিছত বহুত সুস্থ যেন লাগিল। আমি নাম উপদেশ লোৱা ২০০৫ চনৰ পৰা প্ৰায় ২

বছৰ হৈ গল। এতিয়া আমাৰ গোটেই পৰিয়াল সুস্থ আৰু স্বাভাৱিক। আমি দিন ৰাতি মুক্তিদাতা পূৰ্ণ পৰমাত্মা স্বৰূপ সদগুৰু ৰামপাল দাস মহাৰাজৰ গুনাণু কীৰ্তন কৰোঁ।

সাধু ৰামপাল দাস মহাৰাজৰ মুখ্য উদ্ধেশ্য হৈছে নাম উপদেশ দি ভক্তি সাধন কৰোৱাই কালৰ জালৰ পৰা মুক্ত কৰা। ঈশ্বৰৰ নাম উপদেশ ললে বাকী সাংসাৰিক সুখ আপোনা-আপুনি আহে। হাৰাথুৰি খাব নেলাগে। 'সৎ চাহেব'।

ভকত জীয়াৰাম।

## সাধু এনেকুৰা হব লাগে

মই শশীপ্ৰভা প্ৰধান শিক্ষয়িত্ৰী (প্ৰিন্সিপাল) ৰাজকীয় বৰিষ্ঠ মাধ্যমিক বিদ্যালয় ডিগানা, জিলা জীন্দত কাৰ্য্যৰত হৈ আছো। মই নিজৰ ঘৰৰ কাজিয়া, কোৰ্হাল,মানসিক কষ্ট আদিৰ কাৰণে প্ৰায় ৩৫ বছৰৰ পৰা অশান্তিত আছিলো। স্বামীয়েও মোক মাৰপিট কৰিছিল। গোটেই বেতন কাঢ়ি লৈছিল আৰু যিমান কষ্ট দিব পাৰে দিছিল। ৩২ একৰ মাটিৰ মালিক হোৱা সত্বেও আমাক কুকুৰৰ দৰে আহাৰ দিছিল। মই তাৰ সকলো আত্মীয় স্বজ্জনৰ পৰা সহায় বিচাৰিছিলো। মই আকৌ সমাজৰ মুখিয়াল তথা পঞ্চায়তৰ মানুহৰ পৰাও সহায় বিচাৰিছিলো কিন্তু কোনেও সহায় নকৰিলে। শেষত চিন্তা কৰিলো যে সাধু সন্তই খেলি মেলি হোৱা কাৰ্য্যক ঠিক-ঠাক কৰি দিয়ে। মই আনন্দপুৰৰ (বীনা) মধ্য প্ৰদেশীক গুৰু বুলি ললোঁ। কিন্তু ঘৰৰ অশান্তি দূৰ নহল। ছোৱালীজনী ঈশ্বৰৰ কৃপাত নিজ ইচ্ছা শক্তিৰ ওপৰত পঢ়া-শুনা কৰিছে। এতিয়া বিয়া হোৱা নাই। বাপেকে জোৱাঁই বিচৰা বাদ দিছে। এই সমস্যাৰ কাৰণে মই বালাজীলৈ গলো, বগড় (ৰাজস্থান) ধৌলী ধাৰ হিমাচল প্ৰদেশলৈও গলো। পীৰ, ফকীৰ, গুৰদুৱাৰ আদিৰ সহায় ললো একো কাম নহল। ঘৰত যেতিয়া অকলে থাকো তেতিয়া কান্দিছিলো আৰু ভাবিছিলো এই পৃথিৱীত পৰমাত্মা নাই। জুলুম, অন্যায় অত্যাচাৰ সহ্য কৰি কৰি মোৰ শাৰীৰিক অৱস্থা পাগলীৰ দৰে হৈছিল।

এদিন এই দুঃখী পৰমাত্মাৰ সভাত উপস্থিত হলো যিয়ে দুঃখ নিবাৰণ কৰে। মোৰ চুবুৰীয়াৰ ঘৰত সৎসঙ্গ হৈছিল। মোৰ প্ৰতিৱেশীয়ে মোক প্ৰসাদ দিবলৈ আমাৰ ঘৰলৈ আহিল। আলাপ আলোচনা হল। সৎসঙ্গৰ বিষয়ে কলে যে এই কথা প্ৰবচন পৰমাত্মাৰ সঁচা বাণী, যাৰ দ্বাৰা দুঃখ দূৰ হয়। কিন্তু এই পাঠ কেৱল সাধু ৰামপাল দাসৰ আজ্ঞা অনুসৰি কৰালেহে লাভ হয়। অন্য কাৰোৱাৰ দ্বাৰা পাঠ কৰালে কোনো লাভ নহয়। যেনেকৈ ৰজা পৰিক্ষীতক ভাগৱত শুনাবলৈ কোনো ঋষিয়েও সাহস কৰা নাছিল। কিয়নো তেওঁলোক অনাধিকাৰী আছিল আৰু সপ্তম দিনৰ দিনা পৰিণাম অহাৰ কথা। এই বাবে স্বৰ্গৰ পৰা ঋষি সুখদেৱ আহি ৰজা পৰিক্ষীতক নাম দীক্ষা দি শিষ্য কৰি সাত দিনলৈ ভাগৱত পাঠ কৰি শুনাইছিল। তেতিয়াহে ৰজাই কিছু ৰেহাই পালে। বৰ্তমানে কাৰো বাস্তৱিক জ্ঞান আৰু সত্য ভক্তিৰ লগত পৰিচয় নাই। এইবাবে যি কোনোৱে ভাগৱত পাঠ কৰায়। যাৰ বাবে সাধকৰ কোনো লাভ নহয়। ভনী, যাৰ লগত মোৰ চৰ্চা হৈছিল, তাই সাধু ৰামপাল মহাৰাজৰ বিচাৰ প্ৰায়ে শুনিছিল, অশিক্ষিত হৈও শাস্ত্ৰৰ গুঢ় ৰহস্য সাধু ৰামপালৰ পৰা শুনি তাকে শুনাইছিল। মই প্ৰধান শিক্ষয়িত্ৰী হৈয়ো আচৰিত হৈ গৈছিলো। মোৰ এনে লাগিছিল যেন পৰমাত্মাই হাত বাউলি দি মাতি আছে। ভনী জনীয়ে কলে আমাৰ গুৰু দেৱে দুঃখ নিবাৰণ কৰে। মই তাইক কলো আপুনি মোক

গুৰদেৱৰ দৰ্শন কৰাব পাৰিব জানো ? ঈশ্বৰ কৃপাত পিছ দিনাই মই গুৰুদেৱ ৰামপাল দাস মহাৰাজক এখন সাধাৰণ চকীত বহি থকা দেখা পালো। মই জনা নাছিলো সাধুসন্ত কেনে ধৰণৰ হয় আৰু তেওঁলোকৰ মহিমা কেনেকুৱা ? যি যিমানেই ওখ হয় তেওঁ সিমানেই সাধাৰণ দেখুৱায়। আমাৰ স্থান একেবাৰে পৃথিৱীৰ তলত আমি পৰমাত্মাৰ মহিমা কি বুজো ? গুৰু দেৱে মোৰ বেদনা শুনি কলে পুত্ৰী, আগে নাম দীক্ষা লৈ লোৱা সকলো ঠিক হৈ যাব। পিছ দিনাই দিনা মোক নাম দীক্ষা দিলে। এক মাহৰ ভিতৰত ছোৱালীজনীৰ বিয়াৰ প্ৰস্তাৱ আহিল আৰু বিয়াখন হৈ গল। মোৰ এনে লাগিল যেন কিবা অলৌকিক হে। সেইজন স্বামীয়ে যিজন জোঁৱাই বিচৰা নাছিল আজি তেওঁ কন্যা দান কৰিছে। কিছু দিন পিছত ছোৱালীজনীৰ পেটত কিবা বেমাৰে দেখা দিলে। পেটত যদিও সন্তান নাই কিন্তু দুঃচিন্তা লাগিল। মই নিজৰ লৰাটোক কলো যে তুমি দেখা নাই জানো যেতিয়া আমি ফিল্ম দেখো, এফালে ঈশ্বৰ পৰমাত্মাৰ প্ৰাৰ্থনা আৰু আনফালে কোনো ব্যক্তিৰ অপাৰেশ্বন চলি থাকে তেতিয়া ৰোগীজন ভাল হৈ যায়। তেওঁ মোৰ কথাত ৰাজী হল আৰু মই তাজপুৰ (দিল্লী) সদগুৰু দেৱৰ সৎসঙ্গ সেৱালৈ গুচি গলো। তাৰ পৰা ছোৱালী জনীক লৈ ওচৰৰ হস্পিটেললৈ গলো। অপাৰেশ্বন ঠিক ভাবে হল। যি শংকা কেন্সাৰৰ আছিল সেইটোও ভাল হল। পিছত ছোৱালীজনী গৰ্ভৱতী হল। ইমানতে জোঁৱাইৰ লগত ট্ৰেক্টৰ আৰু মটৰ চাইকেলৰ দুৰ্ঘটনাৰ খবৰ শুনিলো। মই মোৰ পূজ্য গুৰুদেৱৰ বাহিৰে একো নাজানো, ঈশ্বৰৰ মহিমা যিমানে কওঁ কম। এই জিভাৰে যিমান গুৰুদেৱৰ প্ৰশংসা মানুহক শুনাওঁ সেয়া কমহে হয়। ডেৰ মাহ পিছত জোঁৱাই সুস্থ, হৈ ঘৰলৈ আহিল। জগতে কি বুজে বুজক, মোৰ প্ৰাৰ্থনা পৰমাত্মাই শুনে।

যিদিনাখন মই নাম উপদেশ লৈছিলো তাৰ পিছত নিজা ঘৰত থকা নকলী সাধুৰ ফটো চোতালত পেলাই জলাই দিলো। সেই দিনৰ পৰাই মোৰ এই জীৱন গাড়ী সুস্থ ভাবে চলিবলৈ ধৰিলে। ২৩ চেপ্তেম্বৰ ২০০৩ মই নিজৰ জাগতিক চকুৰে ৪-৫ বজাত এক ভয়ানক আকৃতি দেখো। ইমান ভয়ানক আকৃতিৰ ব্যক্তি আছিল যদি মই নাম দীক্ষিত নহলোহেঁতেন তেন্তে মৰিলো হেতেন। সেই সময়ত মোৰ ভয় লগা নাছিল কিন্তু গম পাইছিলো সেইটো যমদূত। তাৰ পিচ দিনা মই গুৰুদেৱক ঘটনাটো কলো, তেখেতে স্পষ্ট কৰি দিলে যে উক্ত দিনাই মোৰ আয়ুস শেষ হৈ গৈছিল। এতিয়া মই নিজৰ পৰমাত্মা স্বৰূপ গুৰুদেৱৰ দয়াত জীয়াই আছো। তেখেতৰ কৃপাতেই মোৰ সৰু ছোৱালীজনীৰ বিয়া এজন ইনজিনিয়াৰ লৰাৰ লগত যোৱা বছৰ বিয়া হয়। দুই-তিনি বাৰ মোৰ চাকৰী যোৱাৰ আশংকা আছিল। কিন্তু মোৰ পৰমাত্মাই মোক ৰক্ষা কৰিলে আৰু মোক দুটা পদোন্নতি দিলে। সাধু ৰামপাল দাস মহাৰাজে কয় যে ৰজাও প্ৰভুৰ সন্তান। তেওঁৰ ওপৰতো প্ৰভুৰ শক্তিয়ে কাম কৰে। পৰমেশ্বৰে নিজৰ সাধকৰ বাবে ৰজাক প্ৰেৰণা দি সকলো প্ৰকাৰৰ অদল বদল কৰিব পাৰে। কাম কৰোতা ৰজাকে দেখায় কিন্তু, কৰোৱায় পৰমাত্মাই। কোনোৱাই মোৰ গুৰুদেৱৰ আশ্ৰয় লৈ চাওক , লোৱাজনৰ এনেকৈ কাঁইট ওলাই যাব যেনেদৰে মোৰ ওলাই গৈছে। পৰমাত্মাই সঁচাই নিৰাশ্ৰয়ক আশ্ৰয় দিয়ে। আত্মাৰ চিঞৰ শুনে। মোৰ লগত বিগত বছৰত যি ঘটিছিলি তাক কেৱল পৰমাত্মাইহে চম্ভালিব পাৰে। মোৰ গুৰুদেৱৰ মহিমা বৰ্ণনা কৰিবলৈ মোৰ ওচৰত শব্দ নাই। এওঁ স্বয়ং পৰমাত্মা কবীৰ দেৱৰ অৱতাৰ। যি পৰমাত্মাৰ আশীস ধন্য হব খোজে

তেওঁলোক কৰৌঠা আহিবলৈ নেপাহৰে যেন। মোৰ নিচিনা তুচ্ছ জীৱক ইমান কৃপা। মই আপোনাৰ প্ৰতি কৃতজ্ঞ, কি শব্দৰে মই আপোনাৰ গৌৰব, অখণ্ড মহিমা বৰ্ণাও ? এইখিনি শব্দকে পাঠকে হৃদয়ঙ্গম কৰক আৰু আত্ম কল্যাণ কৰাওক।

বৰ তুচ্ছ প্ৰাণী ভক্তমতী শশী।
মোবাইল নং- ৭৮২৭৭৪১২৪৮

**পৰমাত্মাই অসম্ভৱক সম্ভৱ কৰিলে**
**(বিবাহৰ ১৬ বছৰ পাছত সন্তান লাভ)**

সৎগুৰুকে দৰবাৰ মে, কমী কাহে কা নাহী।
হংসা মৌজ ন পাৱতা, তেৰী চুক চাকৰি মাহী।।

মই ভকত ৰামজী দাস, গাওঁ- কটৰা, পোষ্ট অফিচ- চলেহা, জিলা- পন্না (মধ্যপ্ৰদেশৰ) নিবাসী। মই সৰুৰে পৰাই পৰমাত্মাক বিচাৰি আছিলোঁ আৰু হিন্দু ধৰ্মৰ মন্দিৰ আৰু ধাম আদিত প্ৰায়েই গৈছিলোঁ। এজন কবীৰ পন্থী সন্তৰ পৰা নাম উপদেশো লৈছিলো। মোৰ বিবাহৰ কেইবা বছৰো পাৰ হৈ গৈছিল কিন্তু আমাৰ সন্তান হোৱা নাছিল। যত চিকিৎসা বিজ্ঞানে হাৰ মানে তাৰ পৰা পৰমাত্মাৰ বিধান আৰম্ভ হয়।

বহুতো ঠাইলৈ গলো, দেবী দেৱতাৰ ওচৰলৈ, মন্দিৰ, মছজিদলৈ আৰু জৰা-ফুকাও কৰা হল। জম্মুৰ বৈষ্ণো দেবী মন্দিৰত গলো। নামজ্বলা ডাক্তৰক দেখুৱালো। সৰ্ব প্ৰথমে মৈহৰ চিভিল হস্পিটালৰ প্ৰসূতি আৰু স্ত্ৰীৰোগ বিশেষজ্ঞ ডাক্তৰ শ্ৰীমতী এচ.বি. অৰধিয়া, এম. ডি (D.G.O.) ক দেখুৱালোঁ। আলট্ৰাচাউণ্ড, চোনোগ্ৰাফি কৰি কলে যে পত্নীৰ জৰায়ুত টিউমাৰ আছে, উলিয়াব লাগিব। তাৰ বাবে চতনালৈ যাব লাগিব। ১৮ ফেব্ৰুৱাৰী ২০০৯ ত শকুন্তলম নাৰ্ছিং হোম, চতনাত জৰায়ুৰ অপাৰেচন হল। তাৰ পাছতো আমাৰ সন্তান নহল। ঔষধ লৈ আছিলোঁ। তাৰ পাছত চতনাৰ শাৰদা হস্পিটাল এণ্ড ৰিছাৰ্চ চেন্টাৰত ২০১২ চনৰ পৰা ডাক্টৰ মহেন্দ্ৰ সিংহ (MBBS, D.G.O.)ৰ, ওচৰত এবছৰলৈকে চিকিৎসা চলিল। শেষত ডাক্তৰে আমাক টেষ্ট টিউব বেবীৰ পৰামৰ্শ দিলে যদিও তাৰো কোনো নিশ্চয়তা নাই বুলি কলে আৰু প্ৰায় দুই লাখ খৰছ হোৱাৰ কথাও কলে।

আমি দুখীয়াই ইমান টকা কৰ পৰা আনিম ? আমি মানা কৰি দিলোঁ। মানুহবোৰৰ কথা শুনি শুনি বেয়া লগাত ভাবিলোঁ যে নোয়ডা, উত্তৰ প্ৰদেশলৈ যাম আৰু তাতে কাম কৰিম। আৰু চিকিৎসাও কৰাম। আমি শুনিছিলো যে বৈষ্ণোদেবী মন্দিৰলৈ গলে সন্তান হয়। আমিও জুলাই ২০১২ত কটৰা (জম্মু) গৈ বৈষ্ণো দেবীৰ যাত্ৰা কৰিলোঁ। তাৰ পৰাও কোনো সুফল নাপালোঁ, জানুৱাৰী ২০১৩ ৰ মকৰ সংক্ৰান্তিৰ দিনা ঘৰ আহি পালোঁ। আমি সাধনা চেনেলত সৎসঙ্গ কাৰ্যক্ৰম চাইছিলোঁ। দেউতাই কৈছিল যে কবীৰ চাহাবৰ সৎসঙ্গ আহে, তোমালোকেও চাবা। আমি সৎসঙ্গ চাই জ্ঞান গঙ্গা পুথি অৰ্ডাৰ দিলোঁ আৰু বিনামূল্যে ঘৰতে পালোঁ। দেউতাই কলে যে তোমালোক বৰৱালা আশ্ৰমলৈ যোৱা, পৰমাত্মাই দয়া কৰিবও পাৰে।

আমি ২১ এপ্ৰিল ২০১৩ ত সৎলোক আশ্ৰম বৰৱালাত গৈ সদগুৰু ৰামপাল মহাৰাজৰ পৰা নামদীক্ষা লৈ প্ৰাৰ্থনা জনালোঁ যে বহু বছৰ হৈ গল, সন্তান হোৱা নাই। পৰমাত্মাই কলে-বাচা, ভক্তি কৰা, পৰমাত্মাই দয়া কৰিব। ইয়াৰ পাছত নবেম্বৰ ২০১৪ত

বৰৱালা কাণ্ডৰ লীলাও হল। আমি ঘৰলৈ আহিলোঁ। আমি বুজি পাইছিলো এই মানৱ জীৱন কিয় পাইছোঁ, গতিকে ভক্তি কৰিবলৈ ধৰিলোঁ। কিছুদিনৰ পিছত পৰিয়াল আৰু সম্পৰ্কীয়ই আকৌ সেই পুৰনা ৰাগ টানিবলৈ ধৰিলে যে এটি সন্তান হবই লাগিব। গাঁৱৰ মানুহে কবলৈ ধৰিলে যে আমাৰ মুখ চাবও নাপায়। এদিন ভকতনীয়ে কলে যে আৰু এবাৰ চিকিৎসা কৰাই চাওঁচোন, পৰমাত্মাই ঔষধ লবলৈ বাধা দিয়া নাই। আমি গুৰুদেৱক চিকিৎসা কৰোৱাৰ বাবে প্ৰাৰ্থনা জনালোঁ। পৰমাত্মাই কলে- চিকিৎসা কৰা, পৰমাত্মাই দয়া কৰিব। তেতিয়া আমি চতনাত ডাক্তৰ আভা পাঠক (MBBS, MS, Gynecologist and obstetrician) নাৰ্ছিং হোমত মাৰ্চ ২০১৯ ত চিকিৎসা আৰম্ভ কৰিলোঁ। শেষ পৰ্যায়ত তেওঁলোকেও কলে যে এনেকুৱা কেচ তেওঁলোকে নাচায়, ভগৱানেই যদি কিবা কৰে কৰিব পাৰে। এতিয়া মেডিকেল আৰু বিজ্ঞানে হাত দাঙি দিছিল।

ডাক্তৰ মেডামৰ কথা শুনি আমিও নিৰ্ণয় ললোঁ যে আৰু কতো চিকিৎসা নকৰাম। যি কৰিব, সকলো মুক্তি দাতা সদগুৰু ৰামপালজী মহাৰাজেই কৰিব। তেতিয়া চেপ্তেম্বৰ ২০২০ ত পৰমাত্মাই তেওঁৰ নিজৰ অংশ এজন হংসাত্মা সন্তান ৰূপে দিলে। যিটো আমাৰ ভাগ্যত নাছিল। সেইটো পৰমাত্মাইহে দিছিল। ঘৰৰ পৰা বাহিৰ হলেই চুবুৰীয়াই বাঁজী বুলি মুখ ঘূৰাইছিল। পৰমাত্মাই তেওঁলোককো দেখুৱাই দিলে। তাৰ পাছত পৰমাত্মাই আমাৰ লগত পলে-পলে চমৎকাৰ কৰি আছে। এবাৰ ভকতমতীক লৈ মোটৰ চাইকেলেৰে ওলাই গৈছিলোঁ, হঠাৎ আমাৰ দূৰ্ঘটনা হল। ভকতমতীৰ মূৰ ফাটিল। মুখেৰে ফেন ওলাব ধৰিলে যেন মৰিয়েই গল। হস্পিটেলত দেখুওৱাত কলে যে মূৰত আঘাত পাই অচেতন হৈছে। যদি চেতনা নাহে কমালৈ যাব পাৰে। পুৱা ১০ বজাত দূৰ্ঘটনা হৈছিল, আৰু আবেলি প্ৰায় ৩ বজাত ভকতমতীৰ চেতনা আহিল আৰু আমি ঘৰলৈ আহিলোঁ। এই দাসে এঠাইত কাম কৰিছিলো। যাৰ তাত কাম কৰিছিলো তেওঁৰ ঘৰ উৰলি গৈছিল। ভিতৰত সোমাওতেই ঘৰৰ ওপৰৰ কাঠৰ চতি মোৰ ওপৰত পৰিল আৰু মানুহে মোক মৰিল বুলি ভাবিলে। কিন্তু দাসে ওপৰলৈ চাই দেখিলোঁ যে মূৰৰ পৰা ছয় আঙুলি ওপৰত চতিৰ টুকুৰা ওলমি আছিল। সেইটো দেখাত দাসৰ চকুলো বব ধৰিলে, পৰমাত্মাৰ এটা বাণী মাত্ৰ মনলৈ আহিল -

সন্ত শৰণ মে আনে সে, আই টলে বলা।
জে মস্তক মে শূলী হো, ৱো কাঁটে মে টল যা।।

পূৰ্ণ পৰমাত্মাৰ শৰণ লোৱা পাছত মানসিক, শাৰীৰিক আৰু আৰ্থিক আদি সকলো প্ৰকাৰৰ দুখৰ পৰা মুক্তি পালোঁ। আটাইতকৈ ডাঙৰ লাভ এইটো হল যে সন্ত ৰামপাল মহাৰাজে মোক পূৰ্ণ পৰমাত্মা কবীৰ চাহাবৰ লগত পৰিচয় কৰাই দিলে, পৰিণাম স্বৰূপে এতিয়া আমাৰ পূৰ্ণ মোক্ষ নিশ্চিত হৈছে।

ৰামজী দাস, গাওঁ-কটৰা
জিলা- পন্না (মধ্যপ্ৰদেশ)
সম্পৰ্ক সূত্ৰ - ৯৭৫২৩১৯১২৫

**মনুষ্যৰ পৰা দেৱতা কৰি গুৰুদেৱে দেখুৱালে জীৱনৰ সুগম পথ**

মই ভকত কৃষ্ণা দাস ছত্তিশগড়ৰ বালোদৰ নিবাসী। মই ছত্তিশগড় পুলিচত

মুখ্য কনিষ্টবলৰ পদত কাম কৰোঁ। হিন্দু ধৰ্মী হোৱাৰ বাবে মই হনুমানৰ ভক্তি কৰিছিলোঁ। নিতৌ হনুমান চালিচাৰ পাঠ কৰিছিলোঁ। মই মাছ-মাংস আৰু মদো খাইছিলো। লাহে লাহে মদৰ প্ৰতি আসক্তি বাঢ়িল আৰু প্ৰতিদিনে খাবলৈ ধৰিলোঁ। দিনত খোৱাৰ ওপৰিও ৰাতি সাৰ পালেই মদ খাব ললোঁ। কেতিয়াবা এদিনত পাঁচ লিটাৰ পৰ্যন্ত খাইছিলোঁ। মোৰ মানসিক কষ্ট আৰু চিন্তা হৈছিল কাৰণ মই অনিদ্ৰাত ভুগিব ধৰিলোঁ। মোৰ বহুত খং উঠিছিল। ঘৰৰ মানুহো মোৰ এই মদৰ অভ্যাসৰ বাবে বহুত দুখী আছিল। পৰিয়ালত এটাৰ পিছত এটাকৈ নতুন কষ্টই দেখা দিছিল। সম্পূৰ্ণ পৰিয়ালৰ জীৱন নৰক তুল্য হৈ পৰিছিল। এদিন মোৰ বন্ধু আশুতোষ বনজাৰাক লগ পালোঁ, তেৰোঁ মোৰ দৰেই অধিক মদ খাইছিল। তেওঁৰ এই অভ্যাস সদগুৰু ৰামপালজী মহাৰাজৰ পৰা নাম দীক্ষা লোৱাৰ পিছত এৰাই গৈছিল। তেওঁ মোক বুজালে আৰু মোক সদগুৰু ৰামপালজী মহাৰাজৰ পৰা নাম উপদেশ লবলৈ প্ৰেৰিত কৰিলে। মই সদগুৰু ৰামপালজী মহাৰাজৰ সৎসঙ্গ শুনা আৰম্ভ কৰিলোঁ। সৎসঙ্গৰ জৰিয়তে সদগুৰুদেৱে বুজালে যে -

সুৰাপান মদ্য মাংসাহাৰী, গমন কৰৈ ভৌগে পৰ নাৰী।<br>
সত্তৰ জন্ম কটত হৈ শীশম, সাক্ষী চাহিব হৈ জগদীশম।।<br>
পৰ দ্বাৰা স্ত্ৰী কা খোলৈ, সত্তৰ জন্ম অন্ধা হোৱৈ ডোলৈ।<br>
মদিৰা পীৱৈ কড়ৱা পানী, সত্তৰ জন্ম শ্বান কে জানী।।

সদগুৰু ৰামপালজী মহাৰাজে সন্ত গৰীব দাস মহাৰাজৰ বাণীৰ দ্বাৰা বুজালে যে মদ-মাংস খালে জীৱক কিমান পাপ লাগে, ফলত ঘোৰ নৰকত পৰে। নিচা সেৱন -কাৰীয়ে কেতিয়াও পৰমাত্মা প্ৰাপ্তি কৰিব নোৱাৰে। এনেধৰণৰ অনেক উদাহৰণ দি সদগুৰুৱে মদ, মাংস আৰু অন্য নিচাৰ পৰা হোৱা পাপ আৰু ভক্তিত হানি হোৱাৰ বিষয়ে জ্ঞান দিলে। প্ৰতিটো কথাই মোৰ হৃদয়ত আঘাত কৰিছিল। সন্ত ৰামপালজী মহাৰাজৰ জ্ঞানেৰে প্ৰেৰিত হৈ মই সিদিনাৰ পৰাই সকলো প্ৰকাৰৰ নিচা ত্যাগ কৰিলোঁ যাক মই নিজে ইচ্ছা কৰিও এৰিব পৰা নাছিলোঁ।

তাৰ পাছত মই সদগুৰু ৰামপালজী মহাৰাজৰ পৰা দীক্ষা ললোঁ। খং মাৰ গল, মোৰ মানসিক দুশ্চিন্তাও দূৰ হল, টোপনিও গভীৰ হব ধৰিলে। মোৰ মিতিৰ কুটুমো এই চমৎকাৰ দেখি হতবাক হল। আগতে নিচাৰ দ্বাৰা নৰক তুল্য হোৱা মোৰ জীৱন নাম দীক্ষা লোৱাৰ পাছত সুখী হল, সম্পুৰ্ণ পৰিয়াল সুখী হল। এইটো মোৰ বাবে বৰ ডাঙৰ চমৎকাৰ। সদগুৰু ৰামপালজী মহাৰাজ স্বয়ং কবীৰ চাহাবৰ ৰূপ হয়। যি জ্ঞান সদগুৰু ৰামপাল মহাৰাজে দি আছে সেয়া এশ শতাঁশই আমাৰ পৱিত্ৰ গ্ৰন্থৰ লগত মিলে আৰু পৰম সত্য হয়।

আপোনালোক সকলো পাঠকলৈ মোৰ প্ৰাৰ্থনা এই যে সদগুৰু ৰামপালজী মহাৰাজে লিখা পুথি পঢ়ক, তেওঁৰ সৎসঙ্গ টিভিত চাওক আৰু নামদীক্ষা লৈ নিজৰ জীৱন সাৰ্থক কৰক। এনে কৰিলে আপোনালোকে এই সংসাৰতো সুখ পাব আৰু মোক্ষও লাভ কৰিব।

ভকত কৃষ্ণা দাস (হেড কনিষ্টবল)<br>
ছত্তিশগড় (ভাৰত)<br>
সম্পৰ্ক সূত্ৰ- ৬২৬৪৪৪০৪৫৮

**“তিনি তাপক পূৰ্ণ পৰমাত্মাই সমাপ্ত কৰিব পাৰে”**

ভক্ত ৰাম কুমাৰ ঢাকা (Ex. Headmaster M.A. B.Ed.)ৰ প্ৰমাণ।

মই শ্ৰীৰাম কুমাৰ ঢাকা ৰিটায়াৰ প্ৰধান শিক্ষক দিল্লী (M.A.B.Ed.) গাওঁ সুঁড়ানা, জিলা ৰোহতক, বৰ্তমান ঠিকনা আজাদ নগৰ, ৰোহতক (Mobile No. 8221030018)ৰ বাসীন্দা। সন ১৯৯৬ ত মোৰ পত্নী আৰু দুই ল’ৰাৰ ভয়ংকৰ বেমাৰ আছিল। এই বেমাৰত ইমান অস্থিৰ হৈছিল যে দুয়ো লৰাই কবলৈ ধৰিলে আম াৰ কেতিয়াও চাকৰি নহব কাৰণ এই বেমাৰে গলা বন্ধ কৰে আৰু শ্বাস অহাও বন্ধ হৈ যায় তেতিয়াই ডাক্তৰ মাতি আনো আৰু নিচা জাতীয় বেজি দিয়ে। কিন্তু ৰাতি ডিউটি হলে তেতিয়া কত লৈ যাওঁ ? বহুত কষ্ট হৈছিল, অফিচাৰে মোক মাতি লৈ গৈছিল, মই তেখেতক কৈছিলো, তেতিয়া কয় যে চিকিৎসা কৰাওক, যেতিয়া ঘৰত থাকো তেতিয়া ডাক্তৰক দুই তিনি বাৰকৈ মাতি আনিব লাগিছিল, কিয়নো কেতিয়াবা এজনৰ কেতিয়াবা আনজনৰ। যদি কাৰোবাৰ সন্দেহ হয় তেন্তে দুখন দুৱাৰ থকা ডাঃ সচ দেৱৰ দোকান আছে, সচ দেৱক সুধি চাব পাৰে মাষ্টাৰৰ ঘৰৰ কি দশা চলি আছে?

যিয়ে যি কৈছিল মই তালৈকে গৈছিলো - উত্তৰ প্ৰদেশৰ কৰানা শামলীৰ ওচৰত, উত্তৰ প্ৰদেশত থকা খেকড়া,ৰাজস্থানৰ বালাজী কেবা বাৰ, খাটু শ্যাম জীৰ কাষত আৰু কেবা ঠাইতো, তন্ত মন্ত্ৰৰ কাৰণে, হৰিয়ানাৰ কোনো ঠাই এৰা নাই, কিন্তু কোনো পৰিৱৰ্তন নাই, কৰেলাৰ ওচৰৰ খেড়া কঞ্চনী, বোহতাবালা, গগাহানাৰ কাষৰ নগৰ, সমচানা, সিকন্দৰপুৰ, খিড়বালী আদি অনেক ঠাইলৈ গলো আৰু প্ৰায় তিনি লাখ টকা ব্যয় হল কোনো কামত নাহিল।।

মই বিৱশ হ’লো আৰু পৰিয়ালো নিঃস্ব হৈ গল। মোৰ পত্নীয়ে মোক কলে যে মোৰ জীৱন সমাপ্ত হব লগীয়া হৈছে আৰু ভক্ত সুভাষ পুত্ৰ পুলিচ মহেন্দ্ৰ যি সাধু ৰামপাল দাস মহাৰাজৰ মহিমা শুনায় মোক সেই সাধুৰ পৰা নাম দীক্ষা লৈ দিয়া। আগেয়ে মই কোনো কথা বিশ্বাস কৰা নাছিলো আৰু গুৰু সেৱা কৰা বহুত হেয় বুলি বুজিছিলো। নিজৰ স্ত্ৰীক নাম দীক্ষা লবলৈ ক’লো। তোমাৰ জীৱন শেষ হোৱা নাই। কিয়নো সেই সময়ত মোৰ পত্নীৰ ওজন ৫০ কিঃ গ্ৰাম আছিল, আগেয়ে ৮০ কিঃ গ্ৰাম আছিল। খালী উঠিব বহিব পাৰিছিল, চলা ফুৰা কৰাত বহুত দূৰৰ কথা।

মই কলো মৃত্যুৰ ওচৰত, নাম দীক্ষা লৈ চাওঁ, নিজে মনে মনে এইটো ভাবি, এতিয়া মই তোমাক বাধা নকৰো, নাম লোৱা, ঠিক আছে, কিয়নো সাধু ৰামপাল দাস মহাৰাজৰ পৰা নাম লবৰ বাবে কবলৈ দুই তিন মাহ ধৰি আমাৰ ভতিজা সুভাষ আহিছিল। কৈছিল জেঠাই নাম দীক্ষা লোৱা নহলে মৰিবা। মই কৈছিলো যে কোনো ডাক্তৰ বাদ দিয়া নাই এনে কি আমি বালাজী আদি সকলো তান্ত্ৰিকৰ ওচৰলৈ গৈছো তাতে তোমাৰ সাধুৱে নো কি ৰাখিছে? ইয়াতো নিৰাশ হৈ, কোনো ঠাইতে একো কৰিব নোৱাৰি নাম দীক্ষা লবলৈ পঠাই দিলো। কিয়নো মইও নিজৰ স্ত্ৰী আশ্ৰমলৈ যোৱাৰ ঘোৰ বিৰুদ্ধ আছিলো। ১৬ জানুৱাৰী ২০০৩ তাই নাম দীক্ষা ললে আৰু ‘গহৰী নজৰ গীতা মে’ নামক কিতাপ খন লগত লৈ আনিলে। এক মাহত যেনেকুৱা বন্তিত তেল ঢালি দিলে ঠিক এইদৰে আলোকিত হৈ গ’ল, প্ৰতি মাহতে ৩ কেজি ওজন বাঢ়িবলৈ ধৰিলে।। তেতিয়া ডাঙৰ লৰাৰ নাম দীক্ষা নোলোৱাকৈয়ে মাকে নাম দীক্ষা লোৱা কাৰণে ভালদৰে টোপনি আহিব

ধৰিলে। তেতিয়া তেওঁও নিজৰ পত্নীকো নাম দীক্ষা দিয়ালে। আকৌ মই ‘গহৰী নজৰ গীতা মেঁ’ পুথিখন পঢ়িলো, যেতিয়া মই গভীৰতালৈ গ’লো তাত পালো যে এনেকুৱা জ্ঞান আমি কেতিয়াও পঢ়া বা শুনা নাছিলো, আৰু মইও ইং ২০০৩ ৰ এপ্ৰিলত নাম দীক্ষা ল’লো আজি মোৰ ঘৰৰ ডাঙৰ ল’ৰা আৰু আন সকলোৱে নাম লৈছে।

যেতিয়া তেওঁৰ বেমাৰ হৈছিল তেতিয়া গোটেই ঘৰ অস্থিৰ হৈছিল, কাজিয়া মৰামৰি, চাকৰিৰ বিবাদ, ডাক্তৰৰ অহা-যোৱা অথবা মেডিকেলত ইমাৰজেন্সিলৈ যোৱা হৈছিল। আজি আমাৰ ঘৰ স্বৰ্গৰ দৰে হৈছে আৰু সৎলোক যোৱাৰো ইচ্ছা আছে।

এক মাহ আগতে স্বপ্নত কবীৰদেবে (কবীৰ পৰমেশ্বৰ) গুড়গাওঁ ছেক্টৰ ৫৭ ত ফ্লেট বুক কৰি গৈছিল যেতিয়া ড্ৰ ওলালে তেতিয়া সেই ফ্লেট নম্বৰ পালো যিটো সপোনত কবীৰ পৰমেশ্বৰে কৈ দিছিল। ৰাতিপুৱা বাতৰি কাকত পঢ়ি চালো সেই ফ্লেট নম্বৰ আমাৰ নামত আবন্টিত আছিল। আমি যিমান দুখত আছিলো তেনে দুখ কাৰো ওচৰত নাছিল। এতিয়া সাধু ৰামপাল দাস মহাৰাজৰ পৰা নাম দীক্ষা লোৱাৰ পিছত বহুত কম দিনৰ ভিতৰতে আমি সুখী হব পাৰিছো।।

মোৰ ঘৰত ভূতৰ (জিন্ন) প্ৰাদুৰ্ভাৱ হ’ল, ভুতে কলে যে মই আপোনাৰ আশ্ৰমলৈ যাওঁ, সকলো দেখো কিন্তু আইনাৰ ভিতৰেদি যাব নোৱাৰো যত সাধু মহাৰাজ সৎসঙ্গ কৰে, কিয়নো মোৰ সকলো জনা আছে, যদি মই তালৈ যাওঁ মই মাৰ পিট খাব লাগিব এইবাবে উভতি আহি বাহিৰত থাকো। তুমি যি তান্ত্ৰিকৰ ওচৰলৈ বা বালাজীলৈ যোৱা, মই ভিতৰলৈ নেযাওঁ, বাহিৰত ৰৈ থাকে, মোক কোনেও বান্ধিব নোৱাৰে। মোৰ লগৰীয়া বিলাক ভয়াতুৰ আছিল সিহঁত গুচি গল, মই নেযাওঁ মোক ঝৰ-ফুকা কৰি ৰাখিছে, মই তোমাৰ ঘৰ আৰু তোমাৰ ছোৱালীৰ ঘৰখন থান বান কৰিব লাগে। মই এনেদৰে জৰা ফুকা কৰি আছো যে এটাৰ পিছত এটা সকলোৰে বিনাশ হব যলৈকে নোযোৱা ?

কিছু দিনৰ পিছত সেই প্ৰেতটো আকৌ ঘৰৰ ভিতৰত প্ৰকট হ’ল আৰু কবলৈ ধৰিলে ক’ত তোমাৰ ৰামপাল ? ক’ত তোমাৰ মালিক কবীদেব (কবীৰ পৰমেশ্বৰ) ? যেতিয়াই ভূতটো প্ৰকট হৈছিল মানুহৰ দৰে কথা বাৰ্তা কৈছিল। তেতিয়াই মোৰ পত্নী ঘৰত থকা পূজা স্থললৈ গৈছিল আৰু দণ্ডৱত প্ৰণাম কৰিছিল লগে লগে ভূতৰ ওপৰত মাৰপিট আৰম্ভ হৈছিল আৰু কবলৈ লৈছিল মোক কিয় মাৰপিট কৰা, এই বেৰ, দুৱাৰ সকলো ভাঙি দিম। সি বহুত মাৰ খালে আৰু কবলৈ ধৰিলে হায় হায় এইখনতো বেৰ নহয় লোহাৰ জাল। এই মালিক ৰামপাল মহাৰাজ কৰ পৰা আহিল, এওঁতে বৰৱালাত সৎসঙ্গ কৰিবলৈ গৈছিল (সেই দিন সাধু ৰামপাল মহাৰাজ বৰবালা, জিলা হিসাৰত সৎসঙ্গ কৰিবলৈ গৈছিল) মইতো এই সুযোগতে আহিছো যে ইয়াত মালিক নাই।

ভূতে কলে মই আহিছোঁ তোমাক থান-বান কৰিবলৈ কিন্তু ওলোটাই মোৰেহে পিঠিত ঔ কিল। আশ্ৰমত সাধু ৰামপাল মহাৰাজ বহি আছে এখেতক সাধাৰণ মানুহ বুলি নেভ াবিবা, এওঁ সাক্ষাৎ পূৰ্ণ পৰমাত্মা হৈ আহিছে। এওঁৰ লগ নেৰিবা, নহলে ধ্বংস হৈ যাবা। এনেকৈয়ে খেড়া কঞ্চনীবালা পণ্ডিতে চিকিৎসা কৰিছিল।

যেতিয়া মই খেড়া কঞ্চনীলৈ গৈছিলো তাত পণ্ডিতে কৈছিল আপোনাৰ পৰিয়ালৰ এজনৰ পিছত এজন শেষ হৈ যাব। মই মনা নাছিলো, কিন্তু শাহপুৰলৈ সৰু ভাইটীৰ ছোৱালীক বিয়া দিছিলো আৰু সেই পণ্ডিতো সেই গাঁৱৰে আছিল। আকৌ সেই পণ্ডিতে

আমাৰ চৌধুৰীক কৈছিল যে ৰোহতকত থকা চৌধুৰী ৰাম কুমাৰৰ বৰ ভয়ংকৰ বেমাৰ আছে আৰু গোটেই পৰিয়ালটো নষ্ট হৈ যাব। তেতিয়া আমাৰ ডাঙৰ জেঠাইক মোৰ ওচৰলৈ পঠালে। আমাৰ ডাঙৰ জেঠা জিলে সিংহই কলে আৰু লগত লৈ গৈছে। মাতি আনাতো সহজ আছিল কিন্তু চিকিৎসা জটিল হৈ গৈছিল। তেওঁ দমন কৰিব নোৱাৰিলে। মঙ্গলবাৰ আৰু শনিবাৰ ৰাতিৰ সময় পাচটা পাচটা চকী(ভুতৰ আৰতি) আহিছিল। সিহঁতক নমাইছিল লগে লগে পুখুৰীত পেলাই দিছিল। এই কাৰ্য্যক্ৰম চাৰি বছৰলৈ চলি আছিল পিছত নিৰাশ হ'ল।

মই বোহুতাৰালা (জিন্দবাসী) এজন ওস্তাদৰ ওচৰলৈ গ'লো। তেওঁ কলে তোমাৰ বেমাৰ ভাল কৰি দিম। আপোনাৰ বেমাৰ মই জানো তেওঁ আমাক কেবা বাৰো বালাজীলৈ নিলে, সেই ওস্তাদে নিজেও নোৱাৰিলে আৰু মন্দিৰেও নোৱাৰিলে। কিয়নো মঙ্গলবাৰ আৰু শনিবাৰ চকীবোৰ(ভুতৰ আৰতি) আহোতে তাক ইমান দিগদাৰ কৰিছিল যে তেওঁ হাত দাঙিলে, কিয়নো চকীবোৰ যেতিয়া আহিছিল তেতিয়া মোৰো ওচৰত খবৰ আহি গৈছিল যে ৰাতি ৯ বজাৰ পৰা ২ বজালৈ জুই জলাই পানীৰ লোটা আৰু লাঠী লৈ উজাগৰে থাকিব লাগে। এই কাৰ্য্যক্ৰম ১৯৯৬ পৰা ২০০২ চনলৈ চলিছিল। বোহতাৰালাৰ ওচৰত যেতিয়া চকীবোৰ আহিছিল তেতিয়া তাত এখন চিঠি পোৱা হৈছিল আৰু বোহতাৰালা ওস্তাদক কৈছিল যে ইয়াৰ পৰা গুচি যোৱা আৰু ৫০ হেজাৰ টকা দি দিম, নহলে তোমাৰো ৰক্ষা নাই। তেওঁ ভয়ৰ কাৰণে মোক অস্বীকাৰ কৰিলে। মই দিনত চাকৰী কৰিবৰ বাবে দিল্লীলৈ গৈছিলো আৰু ৰাতি পহৰা দিছিলো। কেতিয়াবা ৰাতি ডক্তৰক মাতি আনিছিলো। মোৰ বহুত দুৰ্দশা হৈছিল। মোৰ ওপৰত কামৰ চাপ আৰু আনহাতে গোটেই পৰিয়ালৰ বেমাৰৰ বিপত্তিৰ বাবে অশান্তিত আছিলো। কাৰোৱাক কলে তামাচা কৰিছিল, কোনেও লগ দিয়া নাছিল। বহুত টকা (মোটামুটি ৩ লাখ) খৰচ হৈছিল।

মোৰ পত্নী চান্দকৌৰৰ থাইৰাইড বেমাৰ হৈ গৈছিল। ২০০৩ ৰ জানুৱাৰীত ডাক্তৰ ও. পি. গুপ্তাই থাইৰাইডৰ বাবে ডিমাৰ পুৰ, দিল্লী হস্পিটেলত ভৰ্ত্তি কৰাবৰ বাবে পৰমাৰ্শ দিছিল। কিন্তু তাত নগৈ মই মেডিকেললৈ গৈছিলো। ডাক্তৰ চুগ ইয়াৰ স্পেচিয়েলিষ্ট আছিল তাৰে দ্বাৰাই চিকিৎসা কৰোৱালো, তেওঁ কলে গোটেই জীৱন ঔষধ খাব লাগিব। কিন্তু এতিয়া ২০০৩ ত নাম লোৱাৰ পিছত ঔষধ সমূলি সমাপ্ত হ'ল। মই ডাক্তৰ চুগৰ দ্বাৰাই চেক আপ কৰোৱালো, তেওঁ আচৰিত হ'ল ই কেনেকৈ হল, গোটেই ঘটনাটো তেওঁক কলো।

এতিয়া মোৰ লৰা আৰু মোৰ পত্নীৰ সকলো বেমাৰ মুক্তি দাতাই ঠিক কৰি দিছে। ডাঙৰ লৰাৰ নাম সুৰেন্দ্ৰ তথা সৰু লৰাৰ নাম মনোজ কুমাৰ, দুয়ো হৰিয়ানা পুলিচত চাকৰি কৰে। যেতিয়া দুয়ো ভূতগ্ৰস্ত আছিল আৰু সেই ভূতটো সিহঁতৰ ওপৰত কেবা বাৰ আক্ৰমণ কৰিছিল, কিন্তু নাম উপদেশ লৈ ৰাখিছিল এইবাবে সিহঁতক কবীৰ পৰমাত্মাই ৰক্ষা কৰিছিল।

জগত গুৰু তত্ত্বদৰ্শী ৰামপাল দাস মহাৰাজ আমাৰ বাবে অৱতাৰ হৈ আহিছে। কিয়নো যি পৰিয়ালত দুজন চাকৰী কৰা লৰা ভূতগ্ৰস্ত তেন্তে সেইখন ঘৰৰ কি অৱস্থা হব। যি তিৰোতাৰ দুই পুতেকৰ এনে অৱস্থা আৰু নিজেও ভূতগ্ৰস্থ তেন্তে জীৱন কি হব ? যি মানুহ কৰৌঠা আশ্ৰমৰ বিষয়ে জ্ঞান অৰ্জন নকৰে তেওঁলোক আন্ধাৰত পৰি আছে।

কিয়নো পঢ়িবৰ বাবে মগজু দিছে, সেয়ে পঢ়ক আৰু চিন্তা কৰক বাস্তৱিকতা কি ?

আমাৰ পৰিয়াল নষ্ট হৈ গৈছিল। মোৰ সন্তান আৰু মোৰ পত্নী যেতিয়া ভাল হ'ল তেতিয়া মই নিজকে সদগুৰু ৰামপাল দাস মহাৰাজৰ চৰণত সমৰ্পণ কৰি দিলো। মোৰ একো নাই এই দেহ, মন, ধন সকলো গুৰু চৰণত সমৰ্পন কৰো।

মোৰ জী জোঁৱাইয়ো নাম দীক্ষা লৈছে। আজি মোৰ জীৰ ঘৰখনো স্বৰ্গৰ দৰে হৈছে। মোৰ জোঁৱাই মদ্যপান কৰিছিল, তেওঁও মদ্য পান এৰিছে। মোৰ ছোৱালীৰ প্ৰমোশন, ফ্লেট, আদি অলপ দিনৰ ভিতৰতে প্ৰাপ্ত হৈছে তথা সকলোৰে আনন্দত আছে।

ইং ২০০৩ চনত মুক্তিদাতা ৰামপাল দাস মহাৰাজে আমাৰ পাপ কৰ্ম ৰূপী শুকান ঘাঁহৰ দমক সৎনাম ৰূপী জুইৰ দ্বাৰা জলাই ভস্ম কৰি দিছে। কোনো তাবিজ, কবজ সুতা, ফিতা, ছাই আদি নহয় মাথোন মুক্তি দাতাৰ মন্ত্ৰত (নাম দীক্ষা) সৰ্ব ৰোগ নিৰ্মুল হৈ তেওঁৰ কৃপাৰ দ্বাৰা সমাপ্ত হৈ যায়। যদি এনেকুৱা নহলহেঁতেন তেন্তে ভক্তিৰ ওপৰত বিশ্বাস উঠি গলহেঁতেন। এতিয়া আমি বহুত সুখী। এতিয়া কোনোৱাই কিবা কিবি নকৰক কিয়, আমাৰ ঘৰৰ ওপৰত একো নহব, কিয়নো আমি মুক্তিদাতা কবীৰ পৰমেশ্বৰৰ হংস তেওঁৰ পদায়তে আছো। মইও নেমানিছিলো, এনেবিলাক কথাক ভণ্ডামি বুলি কৈছিলো যেতিয়া এজনৰ পিছত এজন ডক্তৰৰ ওচৰলৈ গৈছিলো তথা বেমাৰত অৰ্থও খৰচ হৈছিল, নিৰাশ হৈছিলো, এতিয়া চকু মুকলিল । এইবাবে নাপাহৰিব যে ভূত প্ৰেত একো নাই। মই কওঁ যে এইবোৰ বাজে কথা নহয় এই কথা বাস্তৱ সত্য, কিয়নো অভিমানত মই নিজৰ ঘৰখনক ধ্বংস কৰিবলৈ ধৰিছিলো। এইবাবে মই সকলো পাঠককে প্ৰাৰ্থনা কৰো যে আপোনালোকেও নিজৰ সকলো দুঃখৰ পৰা নিস্তাৰ পাবলৈ আৰু সত্য ভক্তি কৰিবৰ বাবে সৎলোক আশ্ৰম কৰৌঠাত পৰম পূজ্য সাধু ৰামপাল দাস মহাৰাজৰ পৰা মুকলি নাম দীক্ষা প্ৰাপ্ত কৰি নিজৰ মনুষ্য জনম সফল কৰক।

প্ৰাৰ্থী,

প্ৰধান শিক্ষক ৰাম কুমাৰ (এম,এ,বি,এড)

মোবাইল নং - ৮২২১০৩০০১৮

ওপৰোক্ত কিছু ভক্তাত্মাৰ আত্ম কাহিনী আপোনালোকে পঢ়িলে এনেকুৱা ভক্ত হেজাৰ, লাখৰ সংখ্যাত আছে যি নিজৰ আত্ম কথা এই পুথিত লিখিব খোজে। কিন্তু ইয়াত স্থানৰ অভাৱত আমি কিছু ভক্তৰ আত্ম কথা দিব পাৰিছো। যদি আমি সকলো ভক্তৰ আত্ম কথা লিখিবলৈ যাওঁ তেন্তে বোধ হয় হেজাৰ কিতাপ ছপাব লাগিব। এই বাবে বিজ্ঞ ব্যক্তিৰ সংকেতেই যথেষ্ট।

ভক্তিৰ পাৰ্থক্য - ভক্তিৰ ভিতৰত বহুত পাৰ্থক্য আছে। আপুনি যি কোনো দেব/ দেবীৰ ভক্তি কৰক তাৰ ফল অৱশ্যে পাব, যি নাশবান হব তাৰ দ্বাৰাই কিন্তু মুক্তি নহব আৰু পাপ কৰ্মও সমাপ্ত নহব। যাক ভুগিবলৈ বাৰে বাৰে জন্ম লবলগীয়া হয়। ম ুক্তি কেৱল পূৰ্ণ সাধুৰ শৰণত পাই অৰ্থাৎ তেখেতৰ পৰা নাম উপদেশ লৈ পূৰ্ণ পৰম াত্মাৰ ভক্তি সাধনা কৰিলে মোক্ষ প্ৰাপ্ত হয় অন্যথা নহয়।

এসংসাৰ সমঝদা নাহীঁ, কহন্দা শ্যাম দুপহৰ নুঁ।।
গৰীবদাস এ বক্ত জাত হ্যায়, ৰোয়েগা ইস পহৰে নুঁ ।।

## কবীৰ দেবৰ লগত কালৰ বাৰ্তালাপ

সৰ্ব শক্তিমান পৰমেশ্বৰে সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰি শেষত নিজ সত্যলোকলৈ (সচ্চ খণ্ড/সত্য ধাম) গৈ বিশ্ৰাম কৰিবলৈ ধৰিলে। তাৰ পিছত আমি সকলোৱে কাল ব্ৰহ্মাণ্ডৰ লোকত বসবাস কৰি নিজৰ কৰ্ম ফলৰ কৰ্ম দণ্ড ভুগিবলৈ ধৰিলো আৰু বহুতো দুঃখ কষ্ট সহিব লগীয়া হলো। সুখ আৰু শান্তি বিচাৰি যেনি তেনি ফুৰিবলৈ ধৰিলো আৰু আমাৰ নিজা ঘৰ সতলোকৰ কথা মনলৈ আহিবলৈ ধৰিলে আৰু তালৈ যাবৰ বাবে ভক্তি সাধনা আৰম্ভ কৰিলো। কোনোৱাই চাৰি বেদক কণ্ঠস্থ কৰিলে, কোনোবাই উগ্ৰ তপ কৰিবলৈ ললে আৰু হোম, যজ্ঞ, ধ্যান, সমাধি আদি ক্ৰিয়াবোৰ আৰম্ভ কৰি দিলে, কিন্তু নিজৰ ঘৰ সৎলোকলৈ যাব নোৱাৰিলে। কিয়নো ওপৰোক্ত ক্ৰিয়াবোৰ কৰা কাৰণে পৰবৰ্তী জনম ত ভাল সমৃদ্ধ জীৱন প্ৰাপ্ত হৈ (যেনে ৰজা-মহাৰজা, ডাঙৰ বেপাৰী, ডাঙৰ অফিচাৰ, দেব-মহাদেব, স্বৰ্গ-মহাস্বৰ্গ আদি) আকৌ চৌৰাশী লাখ যোনী চক্ৰত ভ্ৰমিবলৈ ধৰিলো। বহুত অশান্তিত থাকিবলৈ ধৰিলো আৰু পৰম পিতা পৰমেশ্বৰক প্ৰাৰ্থনা কৰিবলৈ ধৰিলো যে হে দয়ালু আমাক নিজ ঘৰৰ পথ দেখুওৱা। আমি হৃদয়েৰে আপোনাৰ ভক্তি কৰো। আপুনি কিয় আমাক দৰ্শন নিদিয়ে ?

এই বৃত্তান্ত কবীৰ পৰমেশ্বৰে ধৰ্মদাস মহাৰাজক কৈছে যে, হে ধৰ্মদাস এই জীৱৰ কাতৰ আহ্বান শুনি মই নিজ সৎলোকৰ পৰা জগজীতৰ ৰূপ ধাৰণ কৰি কাল লোকলৈ আহিছো। তেতিয়া ২১ ব্ৰহ্মাণ্ডত যত কালৰ নিজৰ ঘৰ আছে তাত গৰম শিলাখণ্ডৰ ওপৰত মানৱ শৰীৰধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰ সেকা দি দুৰ্গন্ধ বাহিৰ কৰি আছিল। মই উপস্থিত হোৱাত সেই প্ৰাণী বোৰৰ জলন বন্ধ হ'ল। দগ্ধ হোৱা প্ৰাণীবোৰে মোক দেখি কবলৈ ধৰিলে হে পুৰুষ আপুনি কোন ? আপোনাৰ দৰ্শন মাত্ৰেই বৰ সুখ আৰু শান্তি অনুভৱ কৰিছো। পিছত মই কলো যে মই পূৰ্ণ পৰমব্ৰহ্ম পূৰ্ণ পৰমাত্মা কবীৰদেব। তোমালোক সকলো জীৱ মোৰ সৎলোক ধামৰ পৰা আহি কাল ব্ৰহ্মৰ ধামত আবদ্ধ হৈ গৈছা। এই কাল ব্ৰহ্মই প্ৰতিদিনে এক লাখ মানৱৰ সুক্ষ্ম শৰীৰৰ পৰা বিকাৰ বাহিৰ কৰি ভক্ষণ কৰে আৰু শেষত নানা প্ৰকাৰ যোনীত শাস্তি ভুগিবৰ বাবে এৰি দিয়ে। তেতিয়া সেই জীৱাত্মাবোৰে কবলৈ ধৰিলে হে দয়ালু পৰমেশৰ আমাক এই কাল ব্ৰহ্মৰ জেলৰ পৰা মুক্তি কৰক। মই কলো যে এই ২১ ব্ৰহ্মাণ্ড কাল/ব্ৰহ্মই তিনবাৰ তপ সাধনা কৰি মোৰ পৰা প্ৰাপ্ত কৰিছে আৰু যিবোৰ বস্তু ইয়াত প্ৰয়োগ কৰি আছা এই সকলো কালৰে আৰু তোমালোক সকলো নিজ ইচ্ছা অনুসৰি ইয়াত ঘুৰি ফুৰিবলৈ আহিছা। এইবাবে তোমালোকৰ ওপৰত কাল/ব্ৰহ্মৰ বহুত ঋন হৈছে আৰু সেই ঋন মোৰ সত্য নামৰ ভক্তি সাধনা নকৰাকৈ পৰিশোধ কৰিব নোৱাৰা।

যেতিয়ালৈকে তোমালোকে ঋন মুক্ত নোহোৱা তেতিয়ালৈকে কাল/ব্ৰহ্মৰ জেলৰ পৰা বাহিৰলৈ ওলাব নোৱাৰা। ইয়াৰ বাবে তোমালোকে মোৰ পৰা নাম দীক্ষা লৈ ভ ক্তি কৰিব লাগিব। তেতিয়া মই তোমালোকক মুক্ত কৰি লৈ যাম। আমি এই সকলো বাৰ্তালাপ কৰি থাকোতেই তাত কাল (ব্ৰহ্ম) উপস্থিত হ'ল আৰু তেওঁ ক্ৰোধান্বিত হৈ মোৰ ওপৰত আক্ৰমণ চলালে। মই মোৰ বাক্ শক্তিৰে তাক মুৰ্চ্ছিত কৰি পেলালো। কিছু সময় পিছত চেতন পালে আৰু মোৰ ভৰিত পৰি ক্ষমা মাগিলে, কলে আপুনি মোতকৈ ডাঙৰ, মোক অলপ দয়া কৰক আৰু কওক কি কাৰণে মোৰ ধামত আহিছে ? তেতিয়া মই কাল পুৰুষক কলো যে কিছুমান জীৱাত্মা সৎভক্তি কৰি নিজ ঘৰ সৎলোকলৈ উভতি যাব খোজে। সিহঁতে সৎভক্তি পথ পোৱা নাই। সেই কাৰণে

তেওঁবিলাকে ভক্তি কৰাৰ পিছতো এই লোকতে ৰৈ যায়। মই তেওঁবিলাকক সৎভক্তি পথ দেখুৱাবলৈ আৰু তোমাৰ পৰিচয় দিবৰ বাবে ইয়ালৈ আহিছো যে তই কাল (ব্ৰহ্ম/ জ্যোতি নিৰঞ্জন) যি এক লাখ সুক্ষ্ম শৰীৰৰ বিকাৰ খায় আৰু ১ লাখ ২৫ হাজাৰ জীৱৰ উৎপত্তি প্ৰতিদিনে কৰে তথা ভগৱান সাজি বহে। মই প্ৰাণীবিলাকক কৈ দিম যে তোমালোকে যাক ভক্তি কৰা তেওঁ ভগৱান নহয়, কাল (ব্ৰহ্ম)। ইয়াকে শুনি কালে কলে হে প্ৰভু, যদি সকলো জীৱ সত্যলোকলৈ উভতি যায় তেতিয়া মোৰ ভোজনৰ কি উপায় হব ? মই অনাহাৰে মৰি যাম। আপোনালৈ মোৰ কৰুণ প্ৰাৰ্থনা, এই যে তিনি যুগত জীৱ কমকৈ লৈ যাব আৰু সকলোকে মোৰ পৰিচয় নজনাব যে মইয়ে কাল, আৰু সকলোকে ভক্ষন কৰো। যেতিয়া কলিযুগ আহিব তেতিয়া যিমান লাগে সিমান নিব পাৰিব। এই বচন কালে মোৰ পৰা পাইছে। কবীৰ দেৱে ধৰ্ম দাসক আকৌ কলে যে সত্যযুগ, ত্ৰেতাযুগ, দ্বাপৰ যুগতো মই আহিছিলো আৰু বহুত জীৱক সৎলোকলৈ লৈ গৈছিলো কিন্তু কালৰ পৰিচয় ব্যক্ত কৰা নাছিলো। এতিয়া মই কলিযুগত আহিছো আৰু কালৰ লগত মোৰ বাৰ্তালাপ হৈছে। কাল/ব্ৰহ্মই মোক কৈছে যে এতিয়া আপুনি যিমান চেষ্টা কৰক, আপোনাৰ কথা কোনেও নুশুনে। প্ৰথমে মই কলি কালৰ জীৱক ভক্তিৰ যোগ্য কৰি তোলা নাই। সিহঁতক বিৰি, ছিগাৰেট, মদ, মাছ, ম ঙহ, কণী, আমোদ-প্ৰমোদ, জুৱা আদি বাসনত অভ্যস্ত কৰি ইহঁতৰ সুবৃত্তিক খেলিমেলি লগাই দিছো। নানা প্ৰকাৰৰ ভণ্ড পূজাত জীৱাত্মাক লগাই দিছো। দ্বিতীয় কথা হ'ল যেতিয়া আপুনি আপোনাৰ সৎজ্ঞান প্ৰদান কৰি নিজ লোকলৈ উভতি যাব তেতিয়া মই (কাল/ব্ৰহ্ম) নিজৰ দূতক পঠাই আপোনাৰ পন্থৰ লগত মিলা বাৰটা পন্থ চলাই জীৱক ভ্ৰমিত কৰি দিম। সৎলোকৰ মহিমা বৰ্ণনা কৰিম, আপোনাৰ জ্ঞানৰ কথা পাঠ কৰিম কিন্তু নাম জপ মোৰে কৰিব, যাৰ পৰিনাম স্বৰূপ মোৰে ভোজন হব। এই কথা শুনি কবীৰদেৱে কলে তুমি তোমাৰ চেষ্টা চলাই থকা, মই মোৰ সৎমাৰ্গৰ উপদেশ প্ৰদান কৰি তেতিয়াহে উভতি যাম আৰু যি মোৰ জ্ঞান শুনি লব সিজন তোমাৰ ফুচুলনি কথাত কেতিয়াও ভোল নাযায়।

সৎগুৰু কবীৰদেৱে কলে যে জ্যোতি নিৰঞ্জন যদি মই বিচাৰো তোমাৰ গোটেই খেল ভঙ্গ কৰি দিব পাৰো কিন্তু এনে কৰিলে মোৰে বচন ভঙ্গ হয়। ইয়াকে চিন্তি মই মোৰ মৰমৰ হংসাত্মক যথাৰ্থ জ্ঞান দি আৰু বচন শক্তি প্ৰদান কৰি সৎলোকলৈ লৈ যাম আৰু কলে যে

সুনো ধৰ্মৰয়া, হম সংখো হংসা পদ পৰসায়া।।
জিন লীনহা হমৰা প্ৰৱানা, সো হংসা হম কিয়ে অমানা।।

(পবিত্ৰ কবীৰ সাগৰত জীৱক ভ্ৰম ভ্ৰান্তিত পেলাবৰ বাবে আৰু নিজৰ ভোক গোচাবৰ বাবে কাল/ব্ৰহ্মৰ নানা ধৰণৰ ছল চাতুৰীৰ বৰ্ণনা)

দ্বাদশ পন্থ কৰু ম্যাঁয় সাজা, নাম তুমহাৰা লে কৰু অৱাজা।
দ্বাদশ যম সংসাৰ পঠহো, নাম তুমহাৰে পন্থ চলৈহো।।
প্ৰথম দূত মম প্ৰগটে যাই, পিছে অংশ তুমহাৰা আই
এহী বিধি জীৱকো ভ্ৰমাউ, পুৰুষ নাম জীৱ সমঝাউ।।
দ্বাদশ পন্থ নাম জো লৈহে, সো হমৰে মুখ আন সমৈ হ্যায়।।
কহা তুমহাৰা জীৱ নঁহী মানে, হমাৰী অউৰ হোয় বাত বখানৈ।।
ম্যায় দৃঢ় ফন্দা ৰচী বনাই, জার্মে জীৱ ৰহে উৰঝাই।।

দেৱল দেব পাষান পূজাই, তীৰ্থ ব্ৰত জপ-তপ মন লাই।
যজ্ঞ হোম অৰু নেম অচাৰা, অউৰ অনেক ফন্দ মেঁ ডাৰা।।
জো জ্ঞানী জাও সংসাৰা, জীৱ ন মানৈ কহা তুমহাৰা।।

**সৎগুৰু বচন**

জ্ঞানী কহে শুনো অন্যায়ী, কাটো ফন্দ জীব লে যাই।।।
জেতিক ফন্দ তুম ৰচে বিচাৰী সত্য শবদ তৈ সবৈ বিদাৰী।।
জৌন জীব হম শব্দ দৃঢ়াৱৈ, ফন্দ তুমহাৰা সকল মুকাৱৈ।।
চৌকা কৰ প্ৰৱানা পাই, পুৰুষ নাম তিহি দেউ চিনহাই।।
তাকে নিকট কাল নহীঁ আওৱে, সন্ধি দেখি তাকহুঁ সিৰ নাওৱে।।

উপৰোক্ত বিৱৰণৰ পৰা প্ৰমাণ হল যে যি অনেক পন্থ বা ভক্তি মাৰ্গত চলি আছে সেইবোৰ কাল/ব্ৰহ্মৰ দ্বাৰা প্ৰচাৰিত মাৰ্গ। যাৰ লগত পৰমেশ্বৰ কবীৰ দেৱৰ দ্বাৰা দিয়া সত্য ভক্তিৰ সাধনা নাই, এইবোৰ সকলো কাল প্ৰেৰিত সাধনা। অতঃ বুদ্ধিমান জীৱাত্মাই বিচাৰ, চিন্তা চৰ্চা কৰি ভক্তি মাৰ্গ ব্যৱহাৰ কৰি অভ্যস্ত হওক কিয়নো মনুষ্য জনম দুৰ্লভ, ই বাৰে বাৰে নাপায়। কবীৰদেৱে কয় যে -

কবীৰ, মানুষ জন্ম দুৰ্লভ হ্যায়, মিলে ন বাৰম্বাৰ।
তৰুবৰ সে পত্তা টুটে গিৰে, বহুৰ ন লগতা ডাৰী।।

ভাবাৰ্থ ঃ- মানুহ জনম দুৰ্লভ ই বাৰে বাৰে নাপায় যেনেকৈ গছৰ পাত সৰি পচি পৰিলে দুনাই গৈ ডালত লাগি নধৰে।

**বিশ্ব বিজয়ী সন্ত**

**(সাধু ৰামপাল দাস মহাৰাজৰ অধ্যক্ষতাত হিন্দুস্থান বিশ্বৰ ধৰ্ম গুৰুৰ ৰূপত প্ৰতিষ্ঠিত হব)**

**সাধু ৰামপাল দাস মহাৰাজৰ বিষয়ে 'নস্ত্ৰাদ্ৰামসৰ' ভৱিষ্যবানী**

ফ্ৰান্স দেশৰ নস্ত্ৰাদ্ৰামস নামক বিখ্যাত ভৱিষ্য বক্তাই ইং ১৫৫৫ চনত এক হেজাৰ শ্লোকৰ সাংকেতিক সত্য ভৱিষ্য বাণী লিপিবদ্ধ কৰি গৈছিল। এশ-এশ শ্লোকৰ দহটা শতক ৰচিছিল। যাৰ ভিতৰত এতিয়ালৈ গোটেইখিনি প্ৰমাণ হৈ গৈছে। হিন্দুস্থানৰ বিষয়ে সত্য হোৱা ভৱিষ্য বাণীৰ পৰা :

১। ভাৰতৰ প্ৰথম মহিলা প্ৰধান মন্ত্ৰী বহুত প্ৰভাৱশালী আৰু কুশলী হব (এই সংকেত ইন্দিৰা গান্ধীৰ প্ৰতি) তথা তেওঁৰ মৃত্যু নিজৰ সুৰক্ষা কৰ্মীৰ দ্বাৰা হোৱা বুলি লিখিছিল, যিটো সত্য হৈছিল।

২। তাৰ পিছত তেওঁৰ পুত্ৰ উত্তৰাধিকাৰী হব আৰু তেওঁ বহুত কম সময় ৰাজত্ব কৰিব তথা আকস্মিক মৃত্যু প্ৰাপ্ত হব যি সত্য হৈছিল। (পূৰ্ব প্ৰধান মন্ত্ৰী ৰাজীব গান্ধীৰ বিষয়ে)।

৩। সাধু ৰামপাল দাস মহাৰাজৰ বিষয়ে ভৱিষ্যত বাণী নস্ত্ৰাদ্ৰামসে বিস্তাৰ পূৰ্বক লিখি থৈ গৈছেঃ-

(ক) নিজৰ ভৱিষ্য বাণীৰ পঞ্চ শতকৰ শেষত আৰু শতক ছয়ৰ আৰম্ভণিত নস্ত্ৰাদ্ৰামসে লিখিছে যে আজি অৰ্থাৎ ইং ১৫৫৫ চনৰ পৰা ঠিক ৪৫০ বছৰ পিছত অৰ্থাৎ ইং ২০০৬ চনত এজন হিন্দু সন্তৰ উদ্ভৱ হব অৰ্থাৎ গোটেই জগতত তেখেতৰ চৰ্চা হব। সেই সময়ত সেইজন হিন্দু ধাৰ্মিক সাধু জনৰ বয়স ৫০ তথা ৬০ বছৰ বয়সৰ মাজত হব। পৰমেশ্বৰে নস্ত্ৰাদ্ৰামসক সাধু ৰামপাল দাস মহাৰাজৰ বয়োজেষ্ঠ শৰীৰৰ সাক্ষাৎকাৰ কৰাই চলচিত্ৰৰ

দৰে গোটেই ঘটনাক দেখুৱাইছিল আৰু বুজাইছিল। শ্ৰীনস্ত্ৰাদ্ৰামসে ১৬ -শ শতিকাক প্ৰথম শতিকা বুলি কৈছে এইদৰে পঞ্চম শতিকা ধৰি ২০ শতিকা হল। নস্ত্ৰাদ্ৰামস মহাশয়ে কৈছে যে সিজন ধাৰ্মিক হিন্দু নেতা অৰ্থাৎ সাধু (CHYREN-ছাইৰেন) পঞ্চম শতিকাৰ শেষৰ বছৰত অৰ্থাৎ ইং ১৯৯৯ চনত ঘৰে ঘৰে সৎসঙ্গ কৰা ত্যাগ কৰি অৰ্থাৎ চাৰিও বেৰৰ বাহিৰলৈ আহিব আৰু নিজৰ অনুগত অনুশৰণকাৰীক শাস্ত্ৰবিধি অনুসৰি ভক্তি মাৰ্গৰ উপদেশ দিব। সেই মহান সাধুজনৰ অনুগামী সকলৰ অদ্বিতীয় আধ্যাত্মিক আৰু ভৌতিক লাভ হব। সেই তত্ত্বদৰ্শী হিন্দু সাধুৰ দ্বাৰা বৰ্ণিত শাস্ত্ৰ প্ৰমাণিত তত্ত্বজ্ঞানক জানি পৰমাত্মাক বিচৰা শ্ৰদ্ধাশীল সকল আচৰিত হব, যেন কোনোৱাই গভীৰ টোপনিৰ পৰা সাৰ পাই উঠিল। সেই তত্ত্বদৰ্শী হিন্দু সাধুৰ দ্বাৰা ইং ১৯৯৯ চনত চলোৱা আধ্যাত্মিক আন্দোলন ইং ২০০৬ চনলৈ চলিব। তেতিয়ালৈ বহু সংখ্যাত পৰমাত্মাক বিচৰা ভক্তই তত্ত্বজ্ঞান বুজি তেওঁৰ অনুগত শিষ্য হৈ সুখী হব। তাৰ পিছত সেই স্থানৰ চাৰিবেৰ লংঘি বাহিৰলৈ আহিব। তাৰ পিছত ২০০৬ চনৰ পৰা স্বৰ্ণযুগৰ আৰম্ভ হব।

এই প্ৰমাণ গীতা অধ্যায় ১৪ শ্লোক ৩ ৰ পৰা ৫ লৈ আছে। গীতা জ্ঞান দাতা ব্ৰহ্মই (ক্ষৰ পুৰুষ/কাল) কৈছে যে প্ৰকৃতি (দূৰ্গা) মোৰেই পত্নী। মই ইয়াৰ যোনীত (গৰ্ভাশয় স্থানত) বীজ স্থাপন কৰে যাৰ দ্বাৰা সকলো প্ৰাণীৰ উৎপত্তি হয়। মই সৰ্ব একৈশ ব্ৰহ্মাণ্ডত থকা প্ৰাণীৰ পিতা আৰু প্ৰকৃতি (দুৰ্গা/অষ্টাঙ্গী) সকলোৰে জননী। এই দুৰ্গা (প্ৰকৃতি/অষ্টাঙ্গী)ৰ পৰা উৎপন্ন তিনি গুণ (ৰজগুণ ব্ৰহ্মা, সতগুণ-বিষুঃ তথা তম গুণ-শিৱ) সকলো প্ৰাণীকে কৰ্মবন্ধন (চৌৰাশী লাখ যোনী ভ্ৰমন)ত আবদ্ধ কৰি ৰাখে।

**ত্ৰিগুণ মায়া (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু তথা তমগুণ-শিৱ)**
**আবদ্ধ জীৱক মুক্ত হবলৈ নিদিয়ে।**

পবিত্র গীতা অধ্যায় ৭, শ্লোক ১ আৰু ২ গীতা জ্ঞান দাতা ব্ৰহ্মই (কাল/ক্ষৰ পুৰুষ) কৈছে যে হে অৰ্জুন! এতিয়া মই তোমাক সেই জ্ঞান শুনাম যাক শুনাৰ পিছত আৰু একো বাকী নেথাকিব।

গীতা অধ্যায় ৭, শ্লোক ১২ গীতা জ্ঞান দাতা ব্ৰহ্মই (ক্ষৰ পুৰুষ/কাল) কৈছে যে তিনিও গুণৰ পৰা যিবোৰ হৈছে সেইবোৰ মোৰে দ্বাৰা হৈ আছে বুলি জানিবা। যেনে ৰজগুণ (ব্ৰহ্মা)ৰ পৰা উৎপত্তি, সৎগুণ (বিষ্ণু)ৰ পৰা পালন পোষন স্থিতি তথা তম গুণ (শিৱ)ৰ পৰা প্ৰলয় (সংহাৰৰ কাৰণ কাল ভগৱান। আকৌ কৈছে মই এইবোৰত নাই। কিয়নো কাল বহুত দূৰত (একৈশ ব্ৰহ্মাণ্ডৰ নিজ লোকত) থাকে আৰু মন ৰূপত আনন্দ ভোগ বিলাস কৰে আৰু শক্তিৰ দ্বাৰা সৰ্বপ্ৰাণীক আৰু ব্ৰহ্মা, বিষ্ণ আৰু ম হেশ্বৰক যন্ত্ৰৰ দৰে পৰিচালনা কৰে। গীতা জ্ঞানদাতা ব্ৰহ্মই কৈছে যে মোৰ একৈশ ব্ৰহ্মাণ্ডত থকা প্ৰাণীৰ কাৰণে মোৰ পূজাৰ দ্বাৰাই শাস্ত্ৰঅনুকুল সাধনা আৰম্ভ হয়, যি বেদত বৰ্ণিত হৈছে। মোৰ অধীনত যিমান প্ৰাণী আছে সকলোৰে বুদ্ধি মোৰ হাতত। ম ই কেৱল একৈশ ব্ৰহ্মাণ্ডৰ গৰাকী এই বাবে (গীতা অধ্যায় ৭, শ্লোক ১২ ৰ পৰা ১৫ লৈ) যিবিলাক কাৰ্য্য কলাপ তিনি গুণৰ পৰা (ৰজগুণ-ব্ৰহ্মাৰ দ্বাৰা জীৱৰ উৎপত্তি, সৎগুণ বিষ্ণু দেৱৰ দ্বাৰা পালণ পোষন স্থিতি তথা তমগুণ-শিৱৰ দ্বাৰা সংহাৰ কাৰ্য্য) ঘটি আছে সেই সকলোৰে মূখ্য কাৰণ মই (ব্ৰহ্মকাল পুৰুষ)। (কিয়নো কাল/ব্ৰহ্ম প্ৰতি দিনে এক লাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম শৰীৰক গৰম কৰি মলি বা বিকাৰ খোৱাৰ অভিশাপ আছে) যি সাধক মোৰ (ব্ৰহ্মৰ) সাধনা নকৰি ত্ৰিগুণময়ী মায়া (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণশিৱ)ৰ সাধনা কৰি ক্ষনিক লাভ কৰে আৰু তাৰ দ্বাৰা অধিক কষ্ট সহিব লগীয়া হয়, লগতে সংকেত দিছে যে ইয়াত কৈ বেচি লাভ ম ই (ব্ৰহ্ম/কাল) দিব পাৰো, কিন্তু এইবোৰ মূৰ্খ সাধকে তত্ত্বজ্ঞানৰ অভাৱত তিনি গুণৰ (ৰজগুণ-ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ-শিৱ) সাধনা কৰি থাকে। এইবিলাকৰ বুদ্ধি এই তিনি প্ৰভুৰ বাবে সীমিত। এই কাৰণে এইবোৰ ৰাক্ষস স্বভাৱ ধাৰণ কাৰী, মনুষ্যৰ ভি তৰত নীচ, শাস্ত্ৰ বিধি বিৰুদ্ধ সাধনা কৰা দুস্কৃতকাৰী মূৰ্খ লোকে মোক নকৰে। এই প্ৰমাণ গীতা অধ্যায় ১৬, শ্লোক ৪ পৰা ২০ লৈ আৰু ২৩-২৪ লৈ অধ্যায় ১৭ শ্লোক ২-১৪ তথা ৯-২০ ভিতৰত আছে।

বিচাৰ কৰক - ৰাৱণে ভগৱান শিৱক মৃত্যুঞ্জয়, অজৰ-অমৰ, সৰ্বেৰ্বশ্বৰ মানি ভক্তি কৰিছিল, দহবাৰ নিজৰ মূৰ ছেদন কৰি সমৰ্পন কৰিছিল, যাৰ সলনি যুদ্ধৰ সময়ত ৰাৱণৰ দহটা মূৰ প্ৰাপ্ত হৈছিল, কিন্তু মুক্তি নহল, তাক ৰাক্ষস বোলা হয়। এই দোষ ৰাৱণৰ গুৰুদেৱৰ। যি নিৰ্বোধ (মূৰ্খ বৈদ্য) বেদৰ সঠিক অৰ্থ নুবুজি নিজৰ জ্ঞানৰ দ্বাৰা তমোগুণ যুক্ত ভগৱান শিৱকে পূৰ্ণ পৰমাত্মা বুলি উপদেশ দিছিল আৰু সৰল আত্মা ৰাৱণে ভণ্ড গুৰুদেৱক বিশ্বাস কৰি নিজৰ জীৱন আৰু কুলক নাশ কৰিছিল।

১। এজন ভস্মাগিৰি নামৰ সাধক আছিল, যি শিৱক ইষ্ট দেব মানি শীৰ্যাসন কৰি (ওপৰফালে ভৰি তলফালে মূৰ) ১২ বছৰ সাধনা কৰিছিল, ভগৱান শিৱক অঙ্গীকাৰ কৰাই তেওঁৰ ভস্ম খাৰু প্ৰাপ্ত কৰিলে। সেই খাৰু পাই শিৱকে মাৰিবলৈ খেদিল। উদ্দেশ্য এইটো আছিল শিৱক মাৰি তেওঁৰ পত্নী পাৰ্বতীক পত্নী কৰি ল’ব। ভগৱান শিৱ প্ৰাণৰ ভয়ত পলাবলৈ ধৰিলে, আকৌ বিষ্ণুদেৱে সেই ভস্মাসুৰক গণ্ডহথ নৃত্য শিকোৱাৰ ছলনা কৰি তাক তাৰ ভস্ম খাৰুৰে ভস্ম কৰিলে। সেইজন শিৱৰ (তমগুণী) সাধকক ৰাক্ষস বুলি কৈছে। হিৰণ্য কশিপুই ভগৱান ব্ৰহ্মাক (ৰজগুণী) সাধনা কৰিছিল

সেয়ে তাকো ৰাক্ষস বোলা হৈছে।

২। এসময়ৰ কথা আজিৰ পৰা (চন ২০০৬) ৩৩৫ বছৰ আগেয়ে পূৰ্ব হৰিদ্বাৰত হৰকী পৈড়িয়ো (শাস্ত্ৰ বিধি বিৰুদ্ধ ভক্তি সাধনা কৰা সকলৰ) কুম্ভ উৎসৱ হৈছিল। তাত সকলো ত্ৰিগুণ উপাসকৰ মহাত্মাজন স্নান কৰিবলৈ উপস্থিত হৈছিল। গিৰী, পুৰী, নাথ, নাগা আদি সম্প্ৰদায় যিবোৰ ভগৱান শিৱৰ (তমগুণী) উপাসক, বৈষ্ণৱ সকল শ্ৰীবিষ্ণুদেৱৰ (সৎগুণ) উপাসক আছিল। প্ৰথমে স্নান কৰিবৰ বাবে নাগা আৰু বৈষ্ণৱ সাধুৰ মাজত ঘোৰ যুদ্ধ হৈছিল। প্ৰায় ২৫০০০(পচিশ হেজাৰ) ত্ৰিগুণ উপাসক নিহত হৈছিল। যি সকল ধৰ্মীয় ব্যক্তিয়ে অলপ কথাতে নৰ সংহাৰ কৰিব পাৰে তেওঁলোক সাধু নে ৰাক্ষস স্বয়ং বিচাৰ কৰক। সাধাৰণ ব্যক্তিয়ে কৰবাত যদি গা ধুই থাকে আৰু কোনো ব্যক্তি যদি আহি কয় কৃপা কৰি মোকো গা ধুবলৈ অকণ মান স্থান দিয়ক। শিষ্টাচাৰ খাতিৰত কয় যে ভাই আহক আহক আপুনিও গা ধুই লওক। ইফাল-সিফালৰ পৰা অহাজনক নিশ্চয় স্থান দিয়ে। এই বাবে পবিত্ৰ গীতা অধ্যায় ৭, শ্লোক ১২ ৰ পৰা ১৫ লৈ কৈছে যে যিবিলাকৰ মোৰ ত্ৰিগুণ মায়াৰ (ৰজগুণ ব্ৰহ্মদেৱ, সৎগুণ-বিষ্ণুদেৱ, তমগুণ-শিৱ) পূজাৰ দ্বাৰা জ্ঞান হৰণ হৈছে, সিবিলাকে কেৱল মানসন্মানৰ ভোকাতুৰ (ভোক) ৰাক্ষস স্বভাৱ ধাৰণ কৰা, মনুষ্যৰ ভিতৰত নীচ অৰ্থাৎ সাধাৰণ ব্যক্তিতকৈ পতিত হোৱা স্বভাৱৰ, দুষ্কম ´ কৰা মূৰ্খই মোৰ ভক্তিও নকৰে। গীতা অধ্যায় ৭, শ্লোক ১৬ পৰা ১৮ লৈ পবিত্ৰ গীতা জ্ঞান দাতা (ব্ৰহ্ম) প্ৰভুৱে কৈছে মোৰ ভক্তি (ব্ৰহ্ম সাধনা) চাৰি প্ৰকাৰৰ সাধকে  কৰে। এক অৰ্থাৰ্থী (বিচৰা মানুহ) যি বেদ মন্ত্ৰৰ দ্বাৰা যন্ত্ৰ-মন্ত্ৰ, হোম আদি কৰি থাকে। ২য় আৰ্ত (যি সংকট নিবাৰণৰ কাৰণে বেদৰ মন্ত্ৰৰ দ্বাৰা যন্ত্ৰমন্ত্ৰ, হোম আদি কৰি থাকে) তৃতীয় জিজ্ঞাসু যি পৰমাত্মাৰ জ্ঞান জানিবৰ ইচ্ছা কৰা কেৱল জ্ঞান সংগ্ৰহ কৰি বক্তা (পাঠক/প্ৰৱচনকাৰী) হয় আৰু অইনতকৈ জ্ঞান শ্ৰেষ্ঠ আধাৰত উত্তম সজাই জ্ঞান দেখুৱাই অভিমান বশতঃ ভক্তিহীন হয়। চতুৰ্থ জ্ঞানী, যাৰ এই জ্ঞান হৈছে যে মানৱ শৰীৰ বাৰে বাৰে নাপায়, এই জীৱনতে যদি ঈশ্বৰৰ ভক্তি সাধনা কৰা নহয় তেন্তে জীৱন ব্যৰ্থ হব। পিছত বেদ পঢ়িলে, যাৰ সহায়ত জ্ঞান হল যে (ব্ৰহ্মা, বিষ্ণু, শিৱ) তিনিগুণ আৰু ব্ৰহ্ম (ক্ষৰপুৰুষ/কাল) তথা পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) এই সকলোতকৈ ওপৰৰ পূৰ্ণব্ৰহ্মৰ হে ভক্তি কৰা উচিত, অন্য দেৱতাৰ নহয়। সেই উদাৰ জ্ঞানী আত্মাৰ মই প্ৰিয় আৰু মই এই কাৰণে তেওঁলোকক ভাল পাওঁ সিবিলাকে তিনিগুণৰ (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱ) ওপৰত উঠি মোৰ সাধনা (পূজা) কৰিবলৈ ললে যি অন্য দেৱতাতকৈ ভাল কিন্তু বেদত ওঁ 'নাম যি কেৱল ব্ৰহ্মৰে সাধনাৰ মন্ত্ৰ আছে তাকে বেদ পঢ়া বিদ্বান সকলে নিজে নিজেই বিচাৰ বিবেচনা কৰি পূৰ্ণ ব্ৰহ্মৰ মন্ত্ৰ জানি বছৰৰ পিছত বছৰলৈ সাধনা কৰি থাকে। প্ৰভু প্ৰাপ্তি নহল কিন্তু অন্য সিদ্ধি প্ৰাপ্ত হল। কিয়নো পৱিত্ৰ গীতা অধ্যায় ৪, শ্লোক ৩৪ তথা পৱিত্ৰ যজুৰ্বেদ অধ্যায় ৪০, মন্ত্ৰ ১০ বৰ্ণিত আছে যে তত্বদৰ্শী সন্ত বা গুৰু নোপোৱাৰ কাৰণে, যি পূৰ্ণব্ৰহ্মৰ ভক্তি সাধনাৰ তিনি মন্ত্ৰ উপদেশ দিয়ে, ফলত জ্ঞানীও ব্ৰহ্ম (কাল/ক্ষৰপুৰুষ)ৰ সাধনা কৰি জন্ম মৃত্যুৰ চক্ৰত আৱদ্ধ হৈ যায়।

এজন উদাৰাত্মা জ্ঞানী চুনক মুনিয়ে বেদক অধ্যায়ন কৰি পূৰ্ণ প্ৰভুৰ ভক্তি মন্ত্ৰ ওঁ নাম জানি এই মন্ত্ৰেৰে কেইবা বছৰলৈ তপ কৰিলে। এজন মান্ধাতা নামৰ চক্ৰৱৰ্তী ৰজা আছিল (চক্ৰৱৰ্তী ৰজা মানে গোটেই পৃথিৱীৰ শাসক)। তেওঁ নিজৰ অধীনত থকা ৰজা বিলাকক যুদ্ধৰ বাবে হুংকাৰ দিছিলে। এটা ঘোৰাৰ ডিঙিত জাননী পত্ৰ বান্ধি দি গোটেই পৃথিৱীত ঘূৰালে। চৰ্ত আছিল যিয়ে মান্ধাতা ৰজাৰ বশ্যতা স্বীকাৰ নকৰে সি

যুদ্ধ কৰিব লাগিব। তেওঁ এই ঘোঁৰাটো ধৰি বান্ধি ৰাখক। কোনেও ঘোৰাটোক নধৰিলে। চুনক মুনিয়ে গম পালে যে ৰজা বহুত অভিমানী হৈছে। মই এই ৰজাৰ যুদ্ধ স্বীকাৰ কৰো। যুদ্ধ আৰম্ভ হ'ল। মান্ধাতা ৰজাৰ ওচৰত ৭২ কোটি সেনা আছিল। তাক চাৰি ভাগ কৰি এভাগ ( ১৮ কোটি ) সেনা মুনি চুনকৰ ওপৰত আক্ৰমণ কৰিবলৈ পঠালে। আনফালে চুনক মুনিয়ে নিজৰ ভক্তি সাধনাৰ পূণ্যৰ জোৰত চাৰিটা পুতলা (বম্ব) সাজি ৰজাৰ চাৰিও ভাগ সেনাক বিনাশ কৰি দিলে।

বিশেষ ঃ- শ্ৰীব্ৰহ্ম, শ্ৰীবিষ্ণু, শ্ৰীশিৱ, আৰু ব্ৰহ্ম আৰু পৰব্ৰহ্মৰো ভক্তি কৰিলে পাপ তথা পূণ্য দুয়োৰে ফল ভুগিব লাগে। পূণ্যৰ কাৰণে স্বৰ্গ আৰু পাপৰ কাৰণে নৰকত, পিছত চৌৰাশী লাখ প্ৰাণীৰ শৰীৰত নানা প্ৰকাৰৰ যাতনা ভুগিব লাগে। যেনে জ্ঞানী আত্মা শ্ৰী চুনক মুনিয়ে যি ওম নাম জপ কৰি তাৰে আৰ্জিত সিদ্ধি শক্তিৰে চাৰি পুতলা সাজি ৰজাৰ সৈন্যক নাশ কৰিছিল সেই কাৰণে তেওঁক মহৰ্ষি বোলা হৈছিল। কিছু সাধনাৰ ফলৰ বলত মহাস্বৰ্গ ভোগ কৰি আকৌ নৰকলৈ যাব আকৌ চৌৰাশী লাখ প্ৰাণীৰ শৰীৰ ধাৰণ কৰি কষ্টৰ ওপৰত কষ্ট সহ্য কৰিব লাগিব। যি ৭২ কোটি প্ৰাণীৰ (সৈনিক) সংহাৰ বচনেৰে কৰিছিল তাকো ভোগ কৰিব লাগিব। হত্যা যিকোনো অস্ত্ৰৰেই কৰক বা বচন ৰূপি অস্ত্ৰৰ দ্বাৰাই কৰক দুয়োৰে সমান দণ্ড প্ৰভুৰেই দিয়ে। যেতিয়া সেই চুনক মুনিৰ আত্মা কুকুৰৰ শৰীৰ ধাৰণ কৰিব তাৰ মূৰত জখম থাকিব, তাত সেই সৈনিক বিলাকৰ আত্মাই কীট হৈ নিজৰ প্ৰতিশোধ লব। কেতিয়াবা ঠেং ভাঙিব, কেতিয়াবা পিছ ফালৰ ভৰি অৰ্ধাঙ্গ হৈ কেৱল আগফালৰ ভৰিৰ সহায়ত চুচৰি বাগৰি ফুৰিব লাগিব আৰু শীত-গ্ৰীস্মৰ অসহনীয় কষ্ট ভুগিব লাগিব।

সেইবাবে পবিত্ৰ গীতা জ্ঞান দাতা ব্ৰহ্ম (কাল) গীতা অধ্যায় ৭, শ্লোক ১৮ স্বয়ং কৈছে যে এই সকল জ্ঞানী আত্মাই আচলতে উদাৰ কিন্তু পূৰ্ণ পৰমাত্মাৰ তিনি মন্ত্ৰৰ বাস্তৱিক ভক্তি সাধনাৰ উপদেশ দিওঁতা তত্ত্বদৰ্শী সন্ত নোপোৱাৰ বাবেই এইবিলাকে মোৰেই (অনুত্তমম) অতি অশ্ৰেষ্ঠ মুক্তি (গতি)ৰ আশাত আশ্ৰিত হয়। অৰ্থাৎ মোৰ ভক্তি বা সাধনা অশ্ৰেষ্ঠ। এই কাৰণে গীতা অধ্যায় ১৮ শ্লোক ৬২ কৈছে যে হে অৰ্জুন! তুমি সৰ্বোত ভাবে সেই পূৰ্ণ পৰমাত্মাৰ শৰণলৈ গুচি যোৱা। যাৰ কৃপাৰ দ্বাৰাই তুমি পৰম শান্তি তথা সনাতন পৰম ধাম (সৎলোক) প্ৰাপ্ত হবা। পবিত্ৰ গীতাৰ জ্ঞান শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰেতৰত প্ৰৱেশ কৰি ব্ৰহ্মই (কাল) কৈছিল। আকৌ কেইবা বছৰৰ অন্তত পৱিত্ৰ গীতা আৰু পৱিত্ৰ চাৰিও বেদ মহৰ্ষি ব্যাস দেৱৰ শৰীৰত প্ৰেতৰত প্ৰৱেশ কৰি স্বয়ং ব্ৰহ্ম (ক্ষৰ পুৰুষ/কাল) লিপিবদ্ধ কৰিছিল। ইয়াত পৰমাত্মা কেনেকুৱা, কেনেকৈ তেওঁক ভক্তি কৰিব লাগে আৰু কি উপলব্ধি হব আদি জ্ঞানৰ বৰ্ণনা আছে। কিন্তু পূজাৰ বিধি কেৱল ব্ৰহ্ম (ক্ষৰ পুৰুষৰ অৰ্থাৎ জ্যোতি নিৰঞ্জন কালৰ হে আছে।

পুৰ্ণব্ৰহ্মৰ ভক্তিৰ বাবে পবিত্ৰ গীতা অধ্যায় ৪, শ্লোক ৩৪ পৱিত্ৰ গীতা জ্ঞান দাতা (ব্ৰহ্ম) প্ৰভুৰে স্বয়ং কৈছে যে পূৰ্ণ ব্ৰহ্মৰ ভক্তি আৰু প্ৰাপ্তিৰ বাবে কোনো তত্ত্বদৰ্শী সাধু সন্তক বিচাৰি উলিয়াই তেওঁক দণ্ডৱত প্ৰনাম কৰি বিনম্ৰ চিতে কপট নৰখাকৈ পূজিব লাগে। তাৰ পিছত তেওঁ যেনেকৈ উপদেশ কৰিব সেই বিধিকে পালন কৰিব। গীতা জ্ঞান দাতা প্ৰভুৰে আকৌ কয় পূৰ্ণ পমাত্মাৰ পূৰ্ণ জ্ঞান আৰু ভক্তি বিধি মই (ব্ৰহ্ম) নেজানো নিজৰ সাধনাৰ বিষয়ে গীতা অধ্যায় ৮ শ্লোক ১৩ কৈছে যে মোৰ ভক্তি কেৱল এক ঔম অক্ষৰ যাৰ উচ্চাৰণ কৰি অন্তিম শ্বাসলৈ দেহ ত্যাগ কৰিলে মোৰেই পৰম গতি প্ৰাপ্ত হয়। আকৌ গীতা অধ্যায় ৭ শ্লোক ১৮ কৈছে যে যি প্ৰভুক

বিচাৰি ফুৰা আত্মাই তত্ত্বদৰ্শী সন্ত প্ৰাপ্ত হোৱা নাই কিন্তু ব্ৰহ্মৰ সাধনা জানে সেই বাবে সেইবোৰ উদাৰ আত্মা মোৰে অতি অনুত্তম (অতি বেয়া) পৰম গতি পায়। (পবিত্ৰ গীতা জ্ঞান দাতাই স্বয়ং কৈছে যে মোৰ সাধনাৰ পৰা হোৱা গতি অৰ্থাৎ মুক্তি নহয়)

**অন্য দেৱতা (ৰজগুণ- ব্ৰহ্মদেব, সৎগুণ-বিষ্ণুদেব, তমগুণ শিৱ)ৰ পূজা অৰ্চনা অজ্ঞানীয়ে কৰে।**

অধ্যায় ৭ শ্লোক ২০ত কৈছে যে যাৰ সম্বন্ধ অধ্যায় ৭ শ্লোক ১৫ পৰা একেৰাহে সম্পৰ্ক আছে-শ্লোক ১৫ ত কৈছে যে ত্ৰিগুণময়ী মায়াৰ (ৰজগুণ ব্ৰহ্মাদেব, সৎগুণ-বিষ্ণুদেব, তমগুণ শিৱৰ পূজালৈ সীমিত তথা ইহঁতৰ পৰা ক্ষণিক সুখ) জ্ঞান যাৰ হৰণ হৈছে এনে অসুৰ স্বভাৱৰ মনুষ্য আৰু নীচ, দুষ্কৰ্ম কাৰী মূৰ্খই মোকো ভক্তি নকৰে। অধ্যায় ৭ শ্লোক ২০ ত বৰ্ণিত সেইবোৰৰ কামনা, বাসনা, ভোগৰ কাৰণে যাৰ জ্ঞানহীন হৈছে সেইবিলাকে নিজৰ স্বভাৱ বশত অজ্ঞান, আন্ধাৰ আচ্ছন্ন নিয়মৰ আশ্ৰিত অন্য দেৱতাৰ পূজা কৰে। অধ্যায় ৭ শ্লোক ২১ ত কৈছে যে যি-যি ভক্তই যি-যি দেৱতাৰ স্বৰূপক পূজা কৰিবলৈ বিচাৰে সেই-সেই ভক্তৰ শ্ৰদ্ধাক (ব্ৰহ্ম) সংশ্লিষ্ট দেৱতাৰ প্ৰতি স্থিৰ কৰি দিওঁ।অধ্যায় ৭ শ্লোক ২২ ত কৈছে যে যি যাৰ প্ৰতি শ্ৰদ্ধাযুক্ত হৈ পূজা কৰে, সেই দেবতাইও মোৰে দ্বাৰাই ধাৰ্য্য কৰা কিছু ইঙ্গিত ভোগ পায়। যেনে মুখ্যমন্ত্ৰীয়ে কয় যে তলৰ অফিচাৰ বিলাক মোৰ চাকৰ। মই সিহঁতক কিছু অধিকাৰ দি থৈছো যিবোৰে তেওঁৰ (অফিচাৰৰ) আশ্ৰিত সেই লাভ মোৰ দ্বাৰাই দিয়া হয়, কিন্তু পূৰ্ণ লাভ নহয়। অধ্যায় ৭ শ্লোক ২৩ ত বৰ্ণিত আছে যে সেইবোৰ মন্দ বুদ্ধিগ্ৰত বিলাকৰ ফল বিনাশী। দেৱতাক পূজন কৰা বিলাকে দেৱত্ব প্ৰাপ্ত হয় আৰু (মদভক্ত) মতাবলম্বী যি বেদত বৰ্ণিত বিধি অনুসাৰে ভক্তি কৰা বিলাকে মোকেই (ব্ৰহ্ম) প্ৰাপ্ত হয় অৰ্থাৎ কাল ব্ৰহ্মৰ জালৰ পৰা কোনেও বাহিৰ হৈ যাব নোৱাৰে।

বিশেষ ঃ- অধ্যায় ৭, শ্লোক ২০ৰ পৰা ২৩ লৈ কৈছে যে যিয়ে যাৰ যাৰ সাধনা (পূজা) কৰে যেনে - ভূত, প্ৰেত, পিতৰ, দেবী-দেৱতা আদিৰ পূজা স্বভাৱ বশত কৰে, মই সেই অল্প বুদ্ধি ভকতক সেই দেব-দেৱতাৰ প্ৰতি আসক্ত কৰাই দিওঁ। সেইবোৰ নিৰ্বোধ সাধকে দেবী-দেৱতাৰ পৰা যি লাভ, মই (কাল/ব্ৰহ্ম) সেই দেৱতাক কিছু শক্তি দি ৰাখিছো। তাৰ আধাৰৰ ওপৰত দেৱতাৰ পূজাৰী দেৱতাক প্ৰাপ্ত হ'ব। কিন্তু বুদ্ধিহীন সাধকৰ সেই পূজাই চৌৰাশী লাখ যোনীলৈ অতি সোনকালে লৈ যাব আৰু যি মোক (কালক) ভজে সেইবোৰে তপত-শিলাৰ পৰা মহাস্বৰ্গ (ব্ৰহ্মলোক) লৈ যাব তাৰ পিছত জন্ম মৃত্যুৰ চক্ৰত আবদ্ধ থাকিব, মোক্ষ প্ৰাপ্ত নহব। ভাবাৰ্থ এইটোৱে যে দেবীদেৱতা তথা ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ তথা মা ভগৱতীতকৈ ভগৱান ব্ৰহ্মৰ সাধনা অধিক লাভদায়ক। যি কি নহওক মহাস্বৰ্গৰ প্ৰাপ্ত সাধকৰ স্বৰ্গত সময় এক মহাকল্প হব পাৰে, কিন্তু মহাস্বৰ্গত শুভ কৰ্মৰ সুখ ভোগ কৰি পিছত নৰক তথা অন্য প্ৰাণীৰ শৰীৰ ধাৰণ কৰি মহা কষ্ট সহি থাকিব লাগিব, কিন্তু পূৰ্ণ মোক্ষ নহয় অৰ্থাৎ কালৰ গ্ৰাসৰ পৰা মুক্তি নাপায়।

**অন্য প্ৰমান**

পৱিত্ৰ গীতা আৰু পৱিত্ৰ বেদত অন্য দেৱতাৰ পূজা আৰু পিতৰ পূজা (শ্ৰাদ্ধ) কৰা তথা ভূত-প্ৰেত পূজা (অস্থি তোলা পিণ্ড দান, হাট-বাটৰ পূজা) কৰা নিষেধ আছে।

**পৱিত্ৰ চাৰিবেদ অনুসৰি ভক্তি সাধনাৰ পৰিণাম কেৱল স্বৰ্গ মহাস্বৰ্গ প্ৰাপ্তি, মুক্তি নহয়**

পবিত্র গীতা অধ্যায় ৯ শ্লোক ২০-২১ কৈছে যে যি মনোকামনা (সকাম) সিদ্ধিৰ কাৰণে মোৰ পুজা তিনিও বেদত বৰ্ণিত সাধনা শাস্ত্র অনুকুলে কৰে তেওঁলোক নিজৰ কৰ্মৰ বাবে মহাস্বৰ্গত আনন্দ উপভোগ কৰি পিছত জন্ম মৃত্যুৰ কৰ্ম বন্ধনত আৱদ্ধ হয় অৰ্থাৎ যজ্ঞ যি শাস্ত্রানুকুল তাৰ একমাত্র উদ্দেশ্য সাংসাৰিক সুখ ভোগ, স্বৰ্গ, পিছত নৰক আকৌ চৌৰাশী লাখ যোনী ভ্রমন। যেতিয়ালৈ তিনি মন্ত্র (ওম, তৎ, আৰু সৎ সাংকেতিক) পূৰ্ণ গুৰুৰ পৰা প্রাপ্ত নহয় তেতিয়ালৈ সেয়ে হব। অধ্যায় ৯ শ্লোক কৈছে যে যি নিস্কাম ভাৱেৰে মোৰ শাস্ত্রানুকুল পূজা কৰে তাৰ পূজাৰ সাধনা ৰক্ষা মই (কাল) কৰো, মুক্তি নহয়।

## শাস্ত্র বিধি বিৰুদ্ধ ভক্তি সাধনা পতনৰ কাৰণ

পবিত্র গীতা অধ্যায় ৯ ৰ শ্লোক ২৩-২৪ কৈছে যে যি ব্যক্তিয়ে অন্য দেৱতাক পূজা কৰে সেই বিলাকেও মোৰ (কাল/ব্রহ্মৰ জালত আৱদ্ধ হোৱা) পূজাই কৰে। কিন্তু সিহঁতৰ এই পূজা অবিধি পূৰ্বক (অৰ্থাৎ শাস্ত্র বিধি বিৰুদ্ধ ভাবাৰ্থ যে অইন দেৱতাক পূজা কৰা অনুচিত) কিয়নো সকলো যজ্ঞৰ ভোক্তা আৰু স্বামী ময়েই। সেইবোৰ ভক্তই মোক ভালদৰে নাজানে। এইবাবে পতনকে প্রাপ্ত হয়। নৰক আৰু চৌৰাশী লাখ যোনী ভ্রমণৰ কষ্ট সহিব লাগে। যেনে গীতা অধ্যায় ৩ শ্লোক ২৪-২৫ কৈছে যে সৰ্ব যজ্ঞৰ ভিতৰত প্রতিষ্ঠিত অৰ্থাৎ সন্মানিত, যাক যজ্ঞ সমৰ্পন কৰা হয় তেওঁ পৰমাত্মা (সৰ্বগতম ব্রহ্ম) পুৰ্ণব্রহ্ম। তেওঁৰেই কৰ্মাধাৰত সকলো প্রাণীক প্রদান কৰে। কিন্তু পূৰ্ণ সন্ত বা সদ্‌গুৰু নোপোৱাৰ কাৰণে সৰ্ব যজ্ঞৰ ভোগ (আনন্দ) কালে (মন ৰূপত) ভোগে, এইবাবে কৈছে যে মই (ব্রহ্ম) সৰ্ব যজ্ঞৰ ভোক্তা আৰু স্বামী।

## শ্রাদ্ধ কৰোৱা (পিতৰ পূজন) সকল প্রেতহে হ'ব, মুক্তি নহয়

গীতা অধ্যায় ৯ শ্লোক ২৫ কৈছে যে দেৱতাক পূজা কৰা সকলে দেৱতাক প্রাপ্তি, পিতৰ (পিত্রৰ/ প্রেত) পূজা (শ্রাদ্ধ কৰ্ম) কৰা সকলে পিতৰ প্রাপ্তি আৰু ভূতক পূজা সকলে ভূতক প্রাপ্তি অৰ্থাৎ ভূত হব, শাস্ত্রানুকুল (পৱিত্র বেদ আৰু গীতা অনুসৰি) পূজা কৰা বিলাকে মোকে প্রাপ্ত হয় অৰ্থাৎ কাল (ব্রহ্ম/ক্ষৰপুৰুষ) দ্বাৰা নিৰ্মিত স্বৰ্গ আৰু মহাস্বৰ্গ আদিত কিছু বেছি সময় আনন্দ উপভোগ কৰি অতিবাহিত কৰিব পাৰিব।

বিশেষ ঃ- যেনে কোনোৱাই তহচিলদাৰৰ তলত চাকৰি (পূজা-সেৱা) কৰে তেতিয়া তেওঁ তহচিলদাৰ হব নোৱাৰে। হয় তাৰ পৰা পোৱা মাহিলি বেতনেৰে ভৰণ-পোষণ চলিব আৰু কিন্তু তহচিলদাৰৰ অধীনত হৈ থাকিব। এইদৰে যিয়ে যি দেৱতা (শ্রীব্রহ্মাদেব, শ্রীবিষ্ণুদেব, তথা শ্রীশিৱ দেব অৰ্থাৎ ত্রিদেব)ৰ পূজা (চাকৰি/সেৱা) কৰে তেওঁ তাৰে পৰাই কিছু লাভান্বিত হয়। ত্রিগুনময়ী মায়া অৰ্থাৎ তিনিগুণ (ৰজগুণ-ব্রহ্মাদেব, সৎগুণ বিষ্ণুদেব, তমগুণ-শিৱদেব)ৰ পূজা কৰা নিষেধ বুলি পৱিত্র গীতা অধ্যায় ৭, শ্লোক ১২ ৰ পৰা ১৫ আৰু ২০ ৰ পৰা ২৩ লৈও আছে। এইদৰে যিয়ে পিতৰ পূজা (প্রেতকৰ্ম) কৰিব তেন্তে পিতৰৰ ওচৰত সৰু পিতৰ হৈ সিহঁতৰ লগত কষ্ট সহি থাকিব লাগিব। এইদৰে যিয়ে ভূতৰ/প্রেতৰ পূজা (চাকৰি/ সেৱা কৰিব তেওঁ ভূত/প্রেত হব কিয়নো গোটেই জীৱন যত আসক্তি হৈ থাকে শেষত তাতেই মন আৱদ্ধ হয়। সেই কাৰণে তেওঁলোকৰ ওচৰলৈ গুচি যাবলগীয়া হয়। কিছুমানে কয় যে ভূত, প্রেত, দেব-দেৱীকো পুজি থাকিম আৰু আপোনাৰ পৰা নাম উপদেশ লৈ ভক্তিও কৰি থাকিম। যি সাধনা পৱিত্র গীতা আৰু পৱিত্র চাৰিও বেদত নিষেধ কৰা আছে সেইয়া শাস্ত্র বিৰুদ্ধ হব। সেয়ে এই কাৰ্য্য ব্যৱস্থা নচলিব। পৱিত্র গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ নিষেধ

কৰিছে যে যি শাস্ত্ৰ বিধি ত্যাগ কৰি নিজ ইচ্ছাই পূজা কৰিব তেওঁলোকে সুখ বা পৰম গতি বা কোনো কাৰ্য্যৰ সিদ্ধ প্ৰাপ্ত নহয় অৰ্থাৎ জীৱনহে ব্যৰ্থ হয়। এই কাৰণে অৰ্জুন তোমাৰ কৰ্তব্য (যি সাধনাৰ কৰ্ম কৰিবৰ যোগ্য) তথা অকৰ্তব্য (যি সাধনাৰ কৰ্ম কৰিবৰ অযোগ্য)ৰ ব্যৱস্থা (নীতি-নিয়ম) শাস্ত্ৰতেই প্ৰমাণ আছে। অন্য সাধনা বৰ্জনীয়।

এই প্ৰমাণ মাৰ্কেণ্ডয় পুৰাণত (গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত পৃষ্ঠা ২৩৭ যত মাৰ্কেণ্ডয় পুৰাণ তথা ব্ৰহ্ম পুৰাণক একেলগ কৰিছে) আছে যে এজন ৰুচী নামক ব্ৰহ্মচাৰী সাধক বেদ অনুসৰি সাধনা কৰিছিল। যেতিয়া তেওঁ (চল্লিশ) বছৰ অতিক্ৰম কৰিলে তেতিয়া তেওঁ তাৰ নিজৰ চাৰি পূৰ্বজ সকলে শাস্ত্ৰ বিৰুদ্ধ ভক্তি কৰি পিতৰ হৈছিল আৰু কষ্ট ভোগ কৰি থকা দেখিবলৈ পালে। "পিতৰে কলে যে বোপা ৰুচী বিয়া কৰাই আমাৰ শ্ৰাদ্ধ কৰোৱা, আমি কষ্টত আছো। ঋষি ৰুচিয়ে কলে পিতামহ বেদৰ ভিতৰত কৰ্মকাণ্ড মাৰ্গ (শ্ৰাদ্ধ, পিণ্ড কৰোৱা) আদিক মুৰ্খৰ সাধনা (পুজা) বুলি কৈছে। পিছে আপুনি কিয় মোক সেই ভুল (শাস্ত্ৰবিধি বিৰুদ্ধ) সাধনাত লগাব খুজিছে ? পিতৰে ক'লে বোপাই তোমাৰ এই কথাটো সত্য যে বেদত ভূত, প্ৰেত, পিতৰ, দেব-দেৱীৰ পূজা (কৰ্মকাণ্ড) আদিক অবিদ্য বুলি কৈছে এইয়া অলপো মিছা নহয়।" উপৰোক্ত মাৰ্কেণ্ডয় পুৰাণৰ ভিতৰত এই লিখনিত পিতৰে কৈছে যে আকৌ পিতৰৰ পৰা লাভো হয়।

বিশেষ ঃ- এইটো পিতৰ বিলাকৰ সন্দেহ জনক কথা, সেইটো আমি পালন কৰিব নালাগে। কিয়নো পুৰাণৰ বৰ্ণিত কথামতে কোনো ঋষিয়ে ভূত, প্ৰেত, অন্য দেব-দেৱীক পুজিবলৈ কৈছে। কিন্তু বেদবিহিত প্ৰমাণ নোহোৱাৰ কাৰণে এয়া প্ৰভূৰ বা ঈশ্বৰৰ আদেশ বোলা নহয়। এইবাবে কোনো সাধু বা ঋষিৰ কথা মানি প্ৰভুৰ আদেশ উলংঘা কৰিলে শাস্তিৰ সন্মুখীন হ'ব লাগিব।

এসময়ত এখন থানাৰ দাৰোগাৰ লগত এজন মানুহৰ বন্ধুত্ব হ'ল। সেই মানুহজনে নিজৰ বন্ধু দাৰোগাক কলে যে মোৰ চুবুৰীয়াই মোক বহুত অসুবিধা কৰি আছে। দাৰোগাই কলে মাৰি দিয়া এক ছাট, মই আছোঁ নহয়। মই সকলো চম্ভালি লম। দাৰোগাৰ আজ্ঞা পাই সেই মানুহজনে নিজৰ ওচৰৰ নিবাসিক মাধমাৰ দিলে আৰু মূৰত আঘাত পোৱাৰ বাবে মৃত্যু হল। সেই অঞ্চলৰ থানাৰ ভাৰপ্ৰাপ্ত দাৰোগাই নিজৰ বন্ধুক ধৰি আনিলে, জেলখানাত ভৰালে, পিছত বিচাৰৰ ৰায়ত তাৰ মৃত্যু দণ্ড হল। বন্ধু দাৰোগাই একো সহায় কৰিব নোৱাৰিলে। কিয়নো ৰজাৰ সংবিধান, যদি কোনোৱাই কাৰোৱাক হত্যা কৰে তেন্তে তাৰো মৃত্যু দণ্ড হ'ব। সেই নিৰ্বোধ মানুহজনে দাৰোগাৰ আজ্ঞা পাই ৰাজ সংবিধান ভঙ্গ কৰিছিল। যাৰ ফলত নিজ প্ৰাণটোক হেৰুৱাব লগা হল। ঠিক এইদৰে পৱিত্ৰ গীতা আৰু পৱিত্ৰ বেদ এইবোৰ ঈশ্বৰৰ সংবিধান। যত কেৱল এক পূৰ্ণ পমাত্মাৰ পূজাৰ বিধান আছে অন্য দেবী-দেৱতা, ভূত, প্ৰেত, পিতৰ আদিক পূজা কৰা নিষেধ।


পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰ
গীতা অধ্যায় নং - ১৫
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
বিষ্ণু (শাখা ডাল)
শিব
ব্ৰহ্মা
শাস্ত্ৰবিৰুদ্ধ
সাধনা
অৰ্থাৎ ওলোটাকৈ ৰোপন কৰা ভক্তি ৰূপী গছ


ব্ৰহ্মা
শিৱ
বিষ্ণু
গীতা অধ্যায় নং - ১৫
শ্লোক নং- ১ ৰ পৰা ৪
তথা শ্লোক নং-১৬
আৰু ১৭ ৰ বিৱৰণ।
ডাল ব্ৰহ্ম
(ক্ষৰ পুৰুষ)
কবীৰ - অক্ষৰ পুৰুষ এটা গছ,
নিৰঞ্জন তাৰ ডাল।
তিনি দেৱতা শাখাডাল
বাকী সকল পাত ৰূপী সংসাৰ।।
গা-গছ
(অক্ষৰ পুৰুষ পৰ ব্ৰহ্ম)
কবীৰ পৰমেশ্বৰ
(মূল শিপা)
শাস্ত্ৰানুকুল
সাধনা
অৰ্থাৎ সীধা ৰোপন কৰা ভক্তি ৰূপী গছ

পূৰাণতো ঋষিৰ (দাৰোগাৰ নিচিনা) আদেশ আছে। যাৰ আজ্ঞা পালন কৰা মানে ঈশ্বৰৰ সংবিধান ভঙ্গ কৰা ফলস্বৰূপে কষ্টৰ ওপৰত কষ্ট সহ্য কৰা। গতিকে আন উপাসনা বা পূজা কৰা পূৰ্ণ মুক্তিৰ বাবে প্ৰতিবন্ধক।

**সত্য কথা**

মোৰ পূজ্য গুৰুদেব স্বামী ৰামদেৱানন্দ দেব প্ৰায় ১৬(ষোল্ল) বছৰ বয়সত পূৰ্ণ পৰম াত্মাক পাৰৰ বাবে হঠাৎ ঘৰ ত্যাগ কৰি ওলাই গ'ল। প্ৰতিদিনে পিন্ধা বস্ত্ৰ খনকে নিজৰ খেতি পথাৰৰ কাষৰ বনৰ ভিতৰত কোনো মৰা জন্তুৰ হাড়ৰ ওপৰত পেলাই থৈ দিছিল। সন্ধিয়া সময়ত ঘৰলৈ উভতি নহাৰ কাৰণে ঘৰৰ মানুহে বনৰ ভিতৰত অনুসন্ধান কৰিলে। তেতিয়া ৰাতি হ'ল। হাড়ৰ দমৰ ওপৰত পৰিচিত বস্ত্ৰ দেখা পাই দুঃখী মনে সন্তানৰ হাড় বুলি টোপোলাত ভৰাই আনিলে আৰু ভাবিলে যে লৰাটো বনলৈ গৈছিল, কোনো হিংস্ৰ জন্তুৱে হয়তো খাই পেলাইছে। অন্তিম সংস্কাৰ কৰিলে। সকলো কৰ্ম কাণ্ড যেনে - তেৰ দিনীয়া, বছৰী শ্ৰাদ্ধ কৰ্ম আদি কৰি থাকিল। প্ৰায় ১০৪ (এশ চাৰি) বছৰ বয়স হোৱাৰ পিছত এদিন হঠাৎ স্বামীজী নিজ গাঁও বুঢ়া পৈতাবাস, জিলাভিবানী, তহচিল চৰখীদাদৰী, (হাৰিয়ানাত উপস্থিত হল। স্বামীজীৰ শিশুকালৰ নাম শ্ৰীহৰিদ্বাৰী দেৱ তথা পৱিত্ৰ ব্ৰাহ্মণ কুলত জন্ম হৈছিল। মই দাসে (ৰামপাল দাস) এই বিষয়ে গম পোৱাত দৰ্শন কৰিবলৈ আহিলো। স্বামীজীৰ বৌ বয়স প্ৰায় ৯২ (বিৰানবৈব) বছৰ বয়স আছিল। মই সেই বৃদ্ধাক সুধিলো যে আমাৰ গুৰুদেৱ ঘৰ ত্যাগ কৰি যোৱাৰ পিছত আপুনি কি অনুভৱ কৰিছিল ? সেই বৃদ্ধাই কলে মোৰ বিয়া হোৱাৰ পিছত হে মোক জনাইছিল যে এখেতৰ এজন ভাই আছিল যাৰ নাম শ্ৰী হৰিদ্বাৰী আৰু যাক কোনো বনৰ হিংস্ৰ জন্তুৱে খাই পেলাইছিল। তাৰ শ্ৰাদ্ধ কৰিব লগা হৈছিল। মোকো এওঁৰ শ্ৰাদ্ধ কৰিবলৈ কোৱা হৈছিল। বৃদ্ধাই কলে যে ৭০ বাৰ শ্ৰাদ্ধ তাই নিজ হাতেৰেই সমাপন কৰিছে। কেতিয়াবা খেতিৰ ফচল ভাল নহলে অথবা ঘৰৰ কোনো সদস্য বেমাৰত পৰিলেতো আমি পুৰোহিত (গুৰুদেব)ৰ পৰা কাৰণ সুধিলে কয় যে হৰিদ্বাৰী পিতৰ (প্ৰেত) হৈ গৈছে, তেওঁৱে তোমালোকক কষ্ট দিছে। শ্ৰাদ্ধ আদি কৰ্ম কৰাত নিশ্চয় কোনো ভূল হৈছে। এতিয়া সকলো কৰ্ম নিজ হাতেৰে ভালদৰে কৰিম। আগেয়ে মই সময় পোৱা নাছিলো, কিয়নো এটা দিনতে কেইবা ঠাইত শ্ৰাদ্ধ কৰ্ম কৰিবলৈ যাব লাগে। এই কাৰণে লৰাটোক পঠাইছিলো। আগলৈ ভালকৈ উসৰ্গা আগবঢ়াওক যাতে প্ৰেত (হৰিদ্বাৰী) শান্ত হয়। তেতিয়া তেওঁক (পুৰোহিত) ২১/- অথবা ৫১/- টকা যিয়েই কৈছিল তাকে ভয়তে দিছিলো। আকৌ পিছত পুৰোহিতে স্বয়ং শ্ৰাদ্ধ কৰ্ম কৰিছিল। তেতিয়া মই (ৰামপাল) কলো হে আই! এতিয়া এৰি দিয়া, এইবোৰ গীতাশাস্ত্ৰ বিধি বিৰুদ্ধ পূজা (সাধনা) নহলে আপুনিও প্ৰেত হ'ব। গীতা অধ্যায় ৯, মন্ত্ৰ২৫ শুনালো। তেতিয়া বৃদ্ধাই কবলৈ ধৰিলে গীতা মইও পঢ়োঁ। দাসে কলে আপুনি পঢ়িছে ঠিকে কিন্তু বুজি উঠা নাই। এতিয়া এই ব্যৰ্থ পূজা কৰিবলৈ এৰি দিয়া। বৃদ্ধাই কলে, ভাইটী, শ্ৰাদ্ধ কৰ্ম কৰাটো কেনেকৈ এৰি দিওঁ, সমাজখন আছে, ই পুৰণি পৰম্পৰাগত ভাৱে চলি আহিছে। এই দোষ বৃদ্ধাৰ সৰল আত্মাৰ নহয়। এই দোষ মূখ গুৰু, মূৰ্খ পণ্ডিত আদি সকলৰ তেওঁলোকে নিজৰ পৱিত্ৰ শাস্ত্ৰক ভালকৈ নুবুজি নিজাববীয়া আচৰণ (পূজাৰ ইচ্ছাকৃত বিধান) উপদেশ দিছিল। যি কাৰণে কোনো কাৰ্য্য সিদ্ধ বা পৰম গতি, বা কোনো সুখ শান্তি প্ৰাপ্ত নহয়। প্ৰমাণ পৱিত্ৰ গীতা অধ্যায় ১৬, শ্লোক ২৩-২৪ ।

এতিয়া দাসৰ মিনতি এই যে শিক্ষিত বৰ্গই যাতে মনযোগ দিয়ে আৰু শাস্ত্ৰ বিধি

অনুসৰি পূজা (ভক্তি সাধনা) কৰি পূৰ্ণ পৰমাত্মাৰ সনাতন পৰম ধাম (শাশ্বত স্থান) অৰ্থাৎ সৎলোক প্ৰাপ্ত হয়, আৰু পূৰ্ণ মোক্ষ আৰু পৰম শান্তি লাভ হয়। (গীতা অধ্যায় ১৮, শ্লোক ৬২) ইয়াৰ বাবে তত্ত্বদৰ্শী সাধুৰ অনুসন্ধান কৰক। গীতা অধ্যায় ৪, শ্লোক ৩৪।

এজন শ্ৰদ্ধালুৱে কলে মই আপোনাৰ পৰা নাম উপদেশ লৈ আপোনাৰ দ্বাৰা উপদ্দিষ্ট সাধনা কৰি থাকিম তথা পৰিয়ালৰ কোনোৱা মৰিলে শ্ৰাদ্ধ কৰ্ম আদিও কৰিম তথা ঘৰুৱা দেব-দেৱীক উপৰুৱাকৈ পুজিম। ইয়াত নো কি দোষ ?

ৰামপাল দাসৰ প্ৰাৰ্থনা ঃ- সংবিধানৰ যিকোনো ধাৰা উলংঘন কৰিলে শাস্তি অৱশ্য পাব। এই কাৰণে পৱিত্ৰ গীতা আৰু পৱিত্ৰ চাৰিবেদৰ বৰ্ণিত আৰু বৰ্জিত বিধিৰ বিপৰীত সাধনা বা পূজা কৰা ব্যৰ্থ। (প্ৰমাণ পৱিত্ৰ গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ ।

এজন শ্ৰদ্ধালুৱে কলে যে মই আৰু কোনো বিকাৰ (মদ-মঙহ আদি) নাখাওঁ। কেৱল বিড়ি-ছিগাৰেট সেৱন কৰো আপোনাৰ দ্বাৰা উপদ্দিষ্ট পূজা তথা জ্ঞান অতি উত্তম। ময়ো গুৰু লৈছো, কিন্তু আজিলৈ এনে জ্ঞান কোনো সাধুৰ ওচৰত পোৱা নাই। মই ২৫ বছৰৰ পৰা ঘূৰি আছো তিনিজন গুৰু সলনি কৰিছো। অনুগ্ৰহ কৰি মোক ধপাত সেৱনৰ অনুমতি দিয়ক। বাকী সকলো চৰ্ত মানি লৈছোঁ। ধপাতৰ পৰা ভক্তিত বাধা আহে জানো ?

দাসৰ প্ৰাৰ্থনা - সকলোৰে নিজৰ শৰীৰৰ কাৰণে অক্সিজেনৰ আৱশ্যক আছে। ধপাতৰ ধোঁৱাত কাৰ্বন-ডাই অক্সাইড আছে যি হাওঁফাও আৰু শৰীৰৰ তেজক দুষিত কৰে। মানৱ শৰীৰ প্ৰভু প্ৰাপ্তি আৰু আত্ম কল্যাণৰ বাবে হৈছে। ইয়াৰ ভিতৰত পৰম াত্মা পোৱাৰ পথ সুস্মনা নাড়ীৰ পৰা অৰম্ভ হৈছে। নাকৰ যি দুটা বিন্ধা আছে তাৰ সোঁফালৰ বিন্ধাটোক ইঙ্গলা আৰু বাওঁ ফালৰটোক পিঙ্গলা বোলে। এই দুয়োৰ মাজত সুস্মনা নাড়ী আছে তাত এটা সৰু বেজীৰ (Needle) ফুটাৰে সুতা সুমুৱা নিচিনা দুৱাৰ আছে, যি ধপাতৰ ধোৱাৰে বন্ধ হয়, যাৰ দ্বাৰা প্ৰভু প্ৰাপ্তি হোৱা পথ বন্ধ হয়। যদি প্ৰভু প্ৰাপ্তিৰ পথেই বন্ধ হয় তেন্তে মানৱ শৰীৰ প্ৰাপ্তি হোৱা ব্যৰ্থ । এই কাৰণে ঈশ্বৰক ভক্তি কৰা সাধকৰ প্ৰত্যেক নিচা জাতীয় বস্তু আৰু অখাদ্য (মাছ, মঙহ, কণী) আদি পদাৰ্থৰ ভক্ষন সৰ্বদা নিষেধ।

এজন শ্ৰদ্ধালুৱে কলে যে মই ধপাত প্ৰয়োগ নকৰো। মদ, মঙহ, মাছ, কণী অৱশ্যই খাওঁ। ইয়াৰ বাবে ভক্তিত কি বাধা আছে ? এইবোৰ তো খোৱা বোৱাৰ বাবে প্ৰভুৱেই সৃষ্টি কৰিছে গছ-গছনিও তো জীৱ, সেইবোৰ খোৱা তো আমিষ ভক্ষন তুল্য।

দাসৰ প্ৰাৰ্থনাঃ- যদি কোনোৱাই আমাৰ পিতা মাতা ভাই ভনী, আৰু সন্তানক মাৰি খায় তেন্তে কেনে লাগিব ? “জৈসা দৰ্দ আপনে হোৱৈ, বৈসা জান বিৰানে। কহৈ কবীৰ ওৱে জায়ে নৰক মে, জো কাটে শিশ খুৰাৰ্নে” যি ব্যক্তিয়ে পশুক মাৰিবৰ সময়ত খুৰা তথা মূৰক নিদাৰুণ ভাৱে কাটি মঙহ খায় সিবিলাকে নৰকৰ ভাগী হব। যেনেকুৱা দুঃখ নিজৰ সন্তান আৰু সমন্ধীয়ক হত্যা কৰিলে হয় এনেকুৱা অইনৰো হয় বুলি অনুভৱ কৰা উচিত। এতিয়া কথা হ’ল গছ-গছনিক খোৱাৰ বিষয়ে এইবোৰ খোৱাৰ প্ৰভুৰ আদেশ আছে। আৰু এইবোৰ জড় যোনীৰ। অন্য চেতন প্ৰাণীৰ বধ প্ৰভুৰ আদেশৰ বিৰুদ্ধ, তেনে কৰিলে অপৰাধ (পাপ) হয়।

মদ্য সেৱনৰো প্ৰভুৰ আদেশ নাই তদুপৰি স্পষ্ট নিষেধো আছে আৰু সেয়া মানৱ জীৱন নষ্ট কৰাৰ উপায়। মদ সেৱন কৰা ব্যক্তিয়ে যি কোনো ভুল কৰিব পাৰে। মদ্য সেৱন দেহ, মন, ধন, পৰিয়ালৰ শান্তি তথা সমাজ সভ্যতাৰ মহা শত্ৰু। মৰমৰ শিশুহতৰ

ভৱিষ্য চৰিত্ৰৰ ওপৰত কু প্ৰভাৱ পৰে। মদ্য সেৱন কৰা ব্যক্তি যিমানেই ভাল নহওক কিয় তাৰ বিশ্বাস, লাজ (মানসন্মান) নাথাকে।

এক সময়ত এই দাসে এখন গাওঁত সৎসঙ্গ কৰিবলৈ গৈছিল। সেইদিন নিচা নিষেধৰ ওপৰত সৎসঙ্গ আছিল। সৎসঙ্গৰ শেষত এজনী এঘাৰ বছৰীয়া ছোৱালীয়ে উচুপি উচুপি কান্দিবলৈ ধৰিলে। সোধ পোচ কৰাত সেই ছোৱালী জনীয়ে কলে যে মহাৰাজ মোৰ পিতৃয়ে পালম বিমান বন্দৰত ভাল চাকৰি কৰে। কিন্তু সকলো দৰমহা মদ সেৱন কৰি শেষ কৰে। মায়ে বাধা দিয়া কাৰণে ইমান শাস্তি দিয়ে যে শৰীৰত কলা দাগ পৰিছে। এদিন পিতৃয়ে মাক মাৰ পিট কৰিবলৈ ধৰিলে। মই মাক বচাবলৈ লোৱাত মোকো মাৰিলে। মোৰ ওঁঠত আঘাত লাগিল। দহ দিনৰ পিছত ঠিক হল। মোৰ মায়ে আমাক এৰি পিতৃৰ ঘৰলৈ গুচি গল। ছয় মাহৰ পিছত আইতা গৈ লৈ আহিল। তেতিয়ালৈ আমি নিজৰ আইতাৰ লগতে আছিলো। পিতৃয়েও একো দৰব পাতি নিদিলে। পুৱাই উঠি চাকৰিলৈ গুচি যায়। সন্ধিয়া মদ সেৱন কৰি আহে। আমি তিনিজনী ভনী, আন দুজনী মোতকৈ সৰু। বৰ্তমানে যেতিয়া পিতৃ সন্ধিয়া ঘৰলৈ আহে আমি তিনিও ভনীয়ে বিছনাৰ তলত লুকাই চুপ হৈ থাকো।

বিচাৰ কৰক পূণ্যাত্মা সকল, যি সন্তানক পিতাকে বুকুত আকোৱালি লব লাগিছিল আৰু সন্তানে পিতৃ ঘৰলৈ অহা সময়ত বাটলৈ অপেক্ষা কৰি থাকিব লাগিছিল, পিতৃয়ে আমালৈ ফল আনিব বুলি! আজি এই মানৱ সমাজৰ শত্ৰু মদে কি আউল লগাই দিছে। মদাহী ব্যক্তিয়ে নিজৰ হানি কৰেই লগতে বহুত ব্যক্তিৰ আত্মাক দুঃখ দিয়াৰ পাপৰ বোজা নিজৰ মূৰৰ ওপৰত লয়। যেনে স্ত্ৰীৰ দুঃখত তাৰ পিতা-মাতা, ভাই-ভনী দুঃখী, আকৌ নিজৰ পিতা-মাতা, তেওঁ ভাই-ভনী, আত্মীয় কুটুম্ব আদিৰ জ্বালা-যন্ত্ৰনাত অস্থিৰ। এজন মদাহী ব্যক্তি ওচৰে পাজৰে থকা ভদ্ৰ ব্যক্তিৰ অশান্তিৰ কাৰণ হব পাৰে। কিয়নো ঘৰত কাজিয়া কৰে। মাক আৰু সন্তানৰ চিঞৰ শুনি প্ৰতিৱেশী আহি মাজত বচাবলৈ চেষ্টা কৰে তেতিয়া মদাহীয়ে গাতে ঢলি পৰে, অকনমানো মানৱতাৰ সহায় যদি নকৰে তেন্তে ভাল মানুহৰ ৰাতি টোপনি নাহে। এই দাসৰ পৰা উপদেশ লোৱাৰ পিছত প্ৰতিদিন মদ সেৱন কৰা প্ৰায় ১ লাখ ব্যক্তিয়ে সকলো নিচাযুক্ত পদাৰ্থ আৰু মাংস ভ ক্ষন পূৰ্ণ ৰূপে ত্যাগ কৰিছে আৰু যি সন্ধ্যা সময়ত মদ খায় নৃত্য কৰিছিল এতিয়া সেইবোৰ পূণ্যাত্মাই নিজৰ সন্তানৰ সৈতে বহি সন্ধ্যা আৰতি কৰে। হাৰিয়ানা প্ৰদেশ আৰু নিকটৱৰ্তী ৰাজ্যৰ প্ৰায় দহ হেজাৰ প্ৰত্যেক গাওঁ আৰু চহৰৰ ভিতৰত আজিও চাৰি পাঁচজন মদাহীৰ উদাহৰণ আছে যি সৰ্ব বিকাৰৰ পৰা ওলাই আহি নিজৰ মানৱ জীৱন সফল কৰি আছে। কিছুমানে কয় যে আমি ইমান সেৱন নকৰো নহয়, কেতিয়াবাহে অলপ-চলপ লওঁ। বিষ অলপ হলেও বেয়া, যি ভক্তি আৰু মুক্তিৰ বাবে হেঙাৰ।

ধৰি লওক ২ কিঃগ্ৰাম দেশী ঘিউৰ হালোৱা কৰিলে (সৎভক্তিৰ কাৰণে)। আকৌ ২৫০ গ্ৰাম বালি (ধপাত মঙহ মদ সেৱন তথা আন উপাসনা কৰা) লৈ হালোৱাত পেলাই দিলে সকলো ব্যৰ্থ হৈ গল। এই বাবে পূৰ্ণ পৰমাত্মা (পৰমঅক্ষৰ ব্ৰহ্ম)ৰ পূজা পূৰ্ণ সন্তৰ পৰা প্ৰাপ্ত কৰি আজীৱন মৰ্য্যাদাৰ ভিতৰত থাকি ভক্তি সাধনা কৰি থাকিলে পূৰ্ণ মোক্ষ লাভ হব।

### তত্ত্বজ্ঞান প্ৰাপ্তিৰ পিছত হে ভক্তিৰ আৰম্ভণী হয়

অধ্যায় ৯, শ্লোক ২৬, ২৭, ২৮ ৰ ভাব হল যিয়ে আধ্যাত্মিক অথবা সাংসাৰিক কৰ্ম কৰে, সেইবোৰে বেদত বৰ্ণিত পূজা বিধি অনুসৰি কৰ্ম কৰে, সেইজন উপাসক মোৰ

(কাল/ব্ৰহ্ম) পৰাই লাভান্বিত হয়। ইয়াৰে বৰ্ণনা এই অধ্যায়ৰ শ্লোক ভিতৰত কৰিছে। অধ্যায়ৰ ৯ শ্লোক ২৯ ভগৱানে কয় যে মোৰ কাৰো ওপৰত দ্বেষ বা মৰম নাই। আকৌ লগতে কৈছে যে যিয়ে মোক প্ৰেমৰ ভাৱেৰে ভক্তি কৰে তেওঁ মোৰ মৰমৰ তথা মই তাৰ প্ৰিয় হওঁ অৰ্থাৎ মই সিবিলাকৰ অন্তৰত আৰু সিবিলাকে মোৰ অন্তৰত। ৰাগ আৰু দ্বেষৰ প্ৰত্যক্ষ প্ৰমাণ আছে যেনে -প্ৰহ্লাদ বিষ্ণুদেৱৰ আশ্ৰিত আছিল তথা হিৰণ্যকশিপুৱে সন্তানৰ ওপৰত দ্বেষ কৰিছিল। তেতিয়া নৰসিংহ ৰূপ ধাৰণ কৰি ভগৱানে নিজৰ মৰমৰ শিষ্যক ৰক্ষা কৰিছিল আৰু ৰাক্ষস হিৰণ্যকশিপুৰো পেট ফালি হত্যা কৰিছিল। প্ৰহ্লাদৰ লগত ঈশ্বৰৰ প্ৰেম তথা হিৰণ্যকশিপুৰ লগত দ্বেষ প্ৰত্যক্ষ প্ৰমাণ ৰূপে সিদ্ধ হৈছে।

এইবাবে পৱিত্ৰ শ্ৰীমদ্ভাগৱদ গীতা অধ্যায় ২, শ্লোক ৫৩, কৈছে যে তত্ত্বজ্ঞান প্ৰাপ্ত হোৱাৰ পিছত নানা প্ৰকাৰ ভ্ৰম কৰিব পৰা বচনৰ দ্বাৰা বিচলিত হোৱা তোমাৰ বুদ্ধি এক পূৰ্ণ পৰমাত্মাৰ ওপৰত দৃঢ়তাৰে স্থিৰ হৈ যাব। তেতিয়া তুমি ভকত হবা অৰ্থাৎ তেতিয়া তোমাৰ একান্ত মনৰে সৈতে নিঃসংশয় হৈ এক পূৰ্ণ প্ৰভুৰ ভক্তি আৰম্ভ হব।

পৱিত্ৰ গীতা অধ্যায় ২, শ্লোক ৪৬, কৈছে যে বহুত ডাঙৰ জলাশয় (যাৰ পানী ১০ বছৰলৈ বৰষুণ নহলেও শুকাই নেযায়) পোৱাৰ পিছত সৰু জলাশয়ৰ পানী একবছৰ বৰষুণ নহলে শুকাই যায়)তেনেকৈ আস্থাত ৰৈ যায়। এইদৰে পূৰ্ণ পৰমাত্মাৰ (পৰম অক্ষৰ পুৰুষ) গুণৰ জ্ঞান তত্ত্বজ্ঞানৰ দ্বাৰা আয়ত্ব হোৱাৰ পিছত তোমাৰ আস্থা অন্য জ্ঞানত তথা অন্য ভগৱান (অন্য দেৱতা যেনে - ব্ৰহ্মা, বিষ্ণু, শিৱ তথা ক্ষৰ পুৰুষ অৰ্থাৎ ব্ৰহ্ম আৰু অক্ষৰ পুৰুষ অৰ্থাৎ পৰব্ৰহ্ম)ৰ ওপৰত সিমান আস্থা থাকিব। যেনেকৈ সৰু জলাশয় বেয়া নেলাগে কিন্তু তাৰ ক্ষমতাৰ বিষয়ে জনা থাকে যে এইটো কেৱল কাম চলাবৰ বাবেহে গোটেই জীৱনৰ বাবে পৰ্য্যাপ্ত নহয় আৰু বহুত ডাঙৰ জলাশয় পোৱাৰ পিছত যদি আকাল (দুৰ্যোগ) আহে তথাপি সমস্যাৰ কাৰণে চিন্তা নাই সৰু জলাশয় শীঘ্ৰে ত্যাগ কৰি ডাঙৰ জলাশয়ৰ কাষত আশ্ৰয় লব।

এইদৰে তত্ত্বদৰ্শী সন্তৰ পৰা পূৰ্ণ পৰমাত্মাৰ তত্ত্বজ্ঞানৰ দ্বাৰা পূৰ্ণ ব্ৰহ্মৰ মহিমাৰ লগত পৰিচিত হৈ যোৱাৰ পিছত সাধকে পূৰ্ণৰূপে (একান্ত মনেৰে) সেই পূৰ্ণ পৰমাত্মা (পৰমেশ্বৰ) ওপৰত সৰ্বোতভাৱে আশ্ৰিত হয়।

গীতা অধ্যায় ১৮, শ্লোক ৬২ ত কৈছে যে হে অৰ্জুন! তুমি সৰ্বোত্ব ভাৱে সেই পৰম পদ পৰমেশ্বৰৰ শৰণ লোৱা, সেই পৰমেশ্বৰৰ কৃপাৰ দ্বাৰাই পৰম শান্তি পাবা আৰু শাশ্বত স্থান অৰ্থাৎ সনাতন পৰম ধাম আৰু কেতিয়াও নষ্ট নোহোৱা সৎলোক পাবা।

গীতা অধ্যায় ১৮, শ্লোক ৬৪ ত কৈছে যে মই (কাল) তোমাক এই ৰহস্যময় অতি গোপনীয় (গীতা) জ্ঞান দিলো। এতিয়া তোমাৰ যেনে ইচ্ছা (মন) তেনে কৰা। (কিয়নো এইটো গীতাৰ অন্তিম অধ্যায় ১৮ ৰ এই কাৰণে কৈছে।)

## গীতা জ্ঞান দাতা ব্ৰহ্মৰ ইষ্ট (পূজ্য) দেৱ পূৰ্ণব্ৰহ্ম

গীতা অধ্যায় ১৮ শ্লোক ৬৩ কৈছে যে এটা অতি গোপনীয়তকৈ গোপনীয় জ্ঞান আকৌ এবাৰ শুনি লোৱা যে এই পূৰ্ণ পৰমাত্মা (যাৰ বিষয়ে ১৮ অধ্যায় শ্লোক ৬২ কৈছে) মোৰ একমাত্ৰ পৰম পূজনীয় ইস্ট দেৱৰ মই (ক্ষৰ পুৰুষ/ব্ৰহ্ম/কাল) তেওঁকেই পূজা কৰো। এইটো তোমাৰ হিতৰ বাবেই কলো (কিয়নো এই কথা গীতা জ্ঞান দাতা প্ৰভুৱো গীতা অধ্যায় ১৫, শ্লোক ৪ ৰ ভিতৰত দিছে। যত কৈছে মই সেই আদি পুৰুষ পৰমেশ্বৰৰ শৰণাগত। এইবাবে ইয়াত কৈছে এইটো গোপনীয়তকৈ অতি

গোপনীয় সেয়ে আকৌ এবাৰ শুনা।

বিশেষ - অন্য গীতাৰ অনুবাদ কৰ্তাই ভুল অনুবাদ কৰিছে। ‘ইষ্টঃ অসি মে দৃঢ়ম ইতিৰ অৰ্থ কৰিছে যে তই মোৰ প্ৰিয়। আচলতে অৰ্থ হয় -

অধ্যায় ১৮ শ্লোক ৬৪ -

সৰ্বগুহ্যতমম, ভূয়ঃ, শুনু, মে, পৰমম, বচঃ,
ইষ্টঃ, অসি, মে, দৃঢ়ম্, ইতি, ততঃ, বক্ষ্যামি, তে, হিতম্।।

অনুবাদ- (সৰ্বগুহ্যতম) সম্পূৰ্ণ গোপনীয়তকৈ অতি গোপনীয় (মে) মোৰ (পৰমম) পৰম ৰহস্যযুক্ত (হিতম্) হিতকাৰী (বচঃ) বচন (তে) তোমাক (ভূয়ঃ) আকৌ (বক্ষ্যমি) কওঁ (ততঃ) ইয়াক (শৃনু) শুনা (ইতি) এই পূৰ্ণব্ৰহ্ম (মে) মোৰ (দৃঢ়) পাক্কা নিশ্চিত (ইষ্টঃ) পূজ্যদেৱ (অসি) হয়।

গীতা অধ্যায় ১৮ শ্লোক ৬৫ গীতা জ্ঞান দাতা প্ৰভু (কাল ভগৱান/ক্ষৰপুৰুষ) কৈছে যে যদি মোৰ শৰণ লোৱা তেন্তে মোৰ পুজা অনন্য মনেৰে সৈতে কৰা, অন্য দেৱতাৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ) তথা ভূত, প্ৰেতৰ আদি পূজা ত্যাগ কৰা। পিছত মোকেই পাবা আৰু ব্ৰহ্মলোকত থকা স্বৰ্গ, মহাস্বৰ্গলৈ গুচি যাবা। মই তোমাক প্ৰতিজ্ঞা কৰি কৈছো তুমি মোৰ প্ৰিয়।

গীতা অধ্যায় ১৮, শ্লোক ৬৬ ত কৈছে যে যদি (একম্) সেই অদ্বিতীয় অৰ্থাৎ যাৰ তুলনা অন্যৰ লগত নহয় সেই এক সৰ্ব শক্তিমান, সৰ্ব ব্ৰহ্মাণ্ডৰ স্ৰষ্টা, সকলোৰে ধাৰণ-পোষণ কৰোতা পৰমেশ্বৰৰ চৰণলৈ যোৱা তেন্তে মোৰ স্তৰৰ সাধনা যি ওঁ নাম জাপৰ পূণ্য তথা অন্য ধাৰ্মিক শাস্ত্ৰ অনুকুল যজ্ঞৰ সাধনাবোৰ মোক দি (যাৰ দ্বাৰা মোৰ ঋণৰ পৰা মুক্ত হৈ যাবি) সেই (এক) অদ্বিতীয় অৰ্থাৎ যাৰ কোনো তুল্য নাই, তেওঁৰ শৰণলৈ (ব্ৰজ) যোৱা। মই তোমাক সৰ্ব পাপৰ (কাল/ব্ৰহ্মৰ ঋন) পৰা মুক্ত কৰিম, তুমি চিন্তা নকৰিবা।

বিশেষ ঃ- গীতা অন্য অনুবাদ কৰ্তাই শ্লোক ৬৬ ৰ অৰ্থ ভুল কৰিছে। ব্ৰজৰ অৰ্থ আহা বুলি কৈছে আচলতে ব্ৰজৰ অৰ্থ যোৱা। অনুগ্ৰহ কৰি নিম্ন অনুবাদ পঢ়ক ঃ অধ্যায় ১৮ ৰ শ্লোক ৬৬,

সৰ্ব ধৰ্মান, পৰিত্যাজ্যয়, মা, একম্,শৰণম্, ব্ৰজ।
অহম্, ত্বম, সৰ্বপাপেভ্য়ঃ, মোক্ষযিষ্যামি, মা, শুচঃ।।

অনুবাদ ঃ- (মাম) মোৰ (সৰ্বধৰ্মান্) সম্পূৰ্ণ পূজাবিলাক (পৰিত্যাজ্যয়) পৰিত্যাগ কৰি কেৱল (একম) এজন সেই পূৰ্ণ পৰমাত্মাৰ (শৰণ)শৰণত (ব্ৰজ) যোৱা। (অহ) মই (ত্ব) তোমাক (সৰ্বপাপ্যেভ্যঃ) সম্পূৰ্ণ পাপৰ পৰা (মোক্ষয়িষ্যামি) মুক্ত কৰিম, তুমি (মা শুচঃ) শোক নকৰিবা।

**ব্ৰহ্মৰ সাধকৰ ব্ৰহ্মক প্ৰাপ্তি আৰু পূৰ্ণ ব্ৰহ্মৰ সাধকৰ পুৰ্ণব্ৰহ্ম প্ৰাপ্তি হয়**

গীতা অধ্যায় ৮, শ্লোক ৫, ১০ আৰু ১৩ আৰু গীতা অধ্যায় ১৭, শ্লোক ২৩ ত নিৰ্ণায়ক জ্ঞান আছে।

গীতা অধ্যায় ৮, শ্লোক ১৩ ত কৈছে যে মোক অৰ্থাৎ ব্ৰহ্মক ভজনা কৰিবলৈ কেৱল এক ওঁ নামৰ মন্ত্ৰ আছে যাক উচ্চাৰণ কৰি জাপ কৰিব লাগে। যি সাধকে মৃত্যুৰ আগ মুহূৰ্তলৈকে জাপ কৰে তেওঁ মোৰ মতেই পৰম গতি হয়। (নিজৰ পৰম গতিক গীতা জ্ঞান দাতা প্ৰভুৱে (কাল/ব্ৰহ্ম) অধ্যায় ৭, শ্লোক ১৮ অতি অনুত্তম/অতি বেয়া বুলি কৈছে।)

গীতা অধ্যায় ১৭, শ্লোক ২৩ ত কৈছে যে পূৰ্ণ পৰমাত্মাক পাবলৈ কেৱল তিনি ম ন্ত্ৰ ওঁ, তৎ, সৎ জাপ কৰাৰ নিৰ্দেশ আছে। (যত ওঁ জপ ব্ৰহ্মৰ, তৎ এইটো সাংকেতিক যি পৰব্ৰহ্মৰ জাপ তথা সৎ এইটোও সাংকেতিক যি পুৰ্ণব্ৰহ্মৰ মন্ত্ৰ জাপ)। সেই পূৰ্ণ পৰমাত্মাৰ তত্ত্বজ্ঞান মাত্ৰ তত্ত্বদৰ্শী সন্তই জানে, তেওঁৰ পৰাই লাভ কৰা। মই (গীতা জ্ঞান দাতা কাল/ব্ৰহ্ম-ক্ষৰ পুৰুষ) একো নাজানো।

গীতা অধ্যায় ৮, শ্লোক ৬ ত কৈছে যে জীৱনৰ অন্তিম সময়লৈ যি সাধকে যি প্ৰভুৰ নাম জাপ কৰি কৰি দেহত্যাগ কৰে তেওঁ তেওঁকেই লাভ কৰাটোৱেই নিয়ম।

গীতা অধ্যায় ৮, শ্লোক ৫ পৰা ৭ লৈ কৈছে যে যিয়ে শেষ সময় পৰ্যন্ত মোক স্মৰণ কৰি, দেহ ত্যাগ কৰে তেওঁ মোৰ (ব্ৰহ্মৰ) ভাৱতেই ভাৱনাযুক্ত হৈ থাকে। পিছত আকৌ কেতিয়াবা মানুহ হৈ জন্মিলে সেই সাধক নিজৰ সাধনা ব্ৰহ্মৰ পৰাই আৰম্ভ কৰে। তেওঁৰ স্বভাৱ তেনেকুৱা হয়। (ইয়াৰ প্ৰমাণ গীতা অধ্যায় ১৬ -১৭ ত আছে যে যি সাধকে পূৰ্ব জনমত যি সাধনা কৰি আহিছিল অহা জনমত স্বভাৱবশ তেনেকুৱা সাধনাই কৰে।)।

গীতা অধ্যায় ৮, শ্লোক ৭ ত কৈছে যে সকলো সময়ত মোকেই (ব্ৰহ্ম) স্মৰণ কৰা আৰু যুদ্ধও কৰা নিঃসন্দেহে মোকেই পাবা।

গীতা অধ্যায় ৮, শ্লোক ৮ ৰ পৰা ১০ লৈ স্পষ্ট কৰিছে যে যি সাধকে একান্ত ম নেৰে পৰমেশ্বৰৰ নাম জাপ কৰে তেওঁ তাকেই স্মৰণ কৰি (পৰম দিব্যম পুৰুষ যাতি) সেই পৰম দিব্য পুৰুষ অৰ্থাৎ পৰমেশ্বৰ (পুৰ্ণব্ৰহ্মক পায় (অধ্যায় ৮,শ্লোক ৮)

যি সাধক অনাদি সকলোৰে নিয়ন্তা সুক্ষতকৈ অতি সূক্ষ্ম সকলোৰে ধাৰণপালন-পোষণকাৰী সুৰ্য্যৰ দৰে স্বপ্ৰকাশিত অৰ্থাৎ জ্যোতিৰ্ময় যুক্ত শৰীৰ, অজ্ঞান ৰূপ আন্ধাৰ বিনাশকাৰী (কবি) কৱিৰ্দেব সচ্চিদানন্দঘন পৰমেশ্বৰক স্মৰণ কৰে (অধ্যায় ৮, শ্লোক ৯)।

সেইজন ভক্তিযুক্ত সাধক তিনি মন্ত্ৰ জাপৰ সাধনা (নাম ৰূপ সাধনা কৰা পূণ্যফল) শক্তিৰে দেহ ত্যাগ কৰা সময়ত ত্ৰিকূটিত উপস্থিত হৈ অভ্যাস বশত সাৰনাম স্মৰণ কৰি সেই দিব্যৰূপ অৰ্থাৎ জ্যোতিৰ্ময় অৰ্থাৎ সাকাৰ (পৰম পুৰুষ) পৰমেশ্বৰক পায়। (অধ্যায় ৮, শ্লোক ১০)।

**ব্ৰহ্ম (ক্ষৰপুৰুষ)ৰ সাধনা অনুত্তম (অতি বেয়া)**

গীতা অধ্যায় ২, শ্লোক ১২ আৰু অধ্যায় ৪, শ্লোক ৫, অধ্যায় ৭, শ্লোক ১৮ ত কৈছে যে মই (গীতা জ্ঞান দাতা) বিনাশী। মোৰো জন্ম-মৃত্যু আৰু তোমাৰো জন্ম-মৃত্যু সদায় হৈ থাকিব। কেৱল কৃত কৰ্মৰ ফল পাব, আৰু মোক্ষ নাপায়। মোৰ সাধনা বা পূজা কৰা ভক্তই যদিও উদ্ধাৰ কৰোতা উত্তম সাধক কিন্তু সেইয়াও অৰ্থাৎ মোৰ সাধনা বা পূজাতে ব্যস্ত হৈ থকাটো বেয়া অৰ্থাৎ অনুত্তম। এই বাবে গীতা অধ্যায় ১৮, শ্লোক ৬২ ,৬৪ ,৬৬ ,আদিত কৈছে যে সেইজন পৰমপিতা পৰমেশ্বৰৰ শৰন লোৱা আৰু মে াৰো পুজ্যদেব কিন্তু তেওঁৱেই।

মিনতি ঃ- উপৰোক্ত তিনি মন্ত্ৰৰ সাধনা দাসৰো দাস (ৰামপাল দাস)ত মোৰ ওচৰত উপলব্ধ যি স্বয়ং পূৰ্ণ পৰমাত্মা কবীৰদেৱে নিজৰ আত্মাৰ ওপৰত দয়া কৰি প্ৰদান কৰিছে। কিয়নো এতিয়া কলিযুগৰ মধ্যম পুৰুষ চলি আছে। কিয়নো কলিযুগৰ আৰম্ভণীতে আমাৰ পূৰ্বপুৰুষ সকল অশিক্ষিত আছিল। সেই সময়ত পৰমেশ্বৰৰ তত্ত্বজ্ঞান নকল (ভণ্ড) সাধু, গুৰু, মহন্ত, বৈষ্ণৱ, আচাৰ্য্য আদি পণ্ডিত সকলে বিকাশ হবলৈ দিয়া নাছিল আৰু কলিযুগৰ অন্তত সৰ্ব ব্যক্তি ভক্তিহীন আৰু মহা বিকাৰযুক্ত হব। এতিয়া একবিংশ শতিকাৰ পৰা শিক্ষিত সমাজৰ আৰম্ভণি হৈছে। এইয়া মধ্যম পীৰি অৰ্থাৎ

কলিযুগৰ মধ্যম পুৰুষৰ সময় অৰ্থাৎ মনুষ্য বংশ প্ৰচলিত হৈ আছে।

বাস্তৱিক জ্ঞান আমাৰ নিজৰ সদগ্ৰন্থৰ ভিতৰত আছে। নকল সাধু, গুৰু, বৈষ্ণৱ, পণ্ডিত তথা মহন্ত, আচাৰ্য্যই বুজা নাই। যি কাৰণে সকলো ভক্ত সমাজে শাস্ত্ৰ বিধি বিৰুদ্ধ জ্ঞানৰ আধাৰত দন্ত কথা (লোকবেদ)ৰ ওপৰত ভিত্তি কৰি শাস্ত্ৰ বিধি ত্যাগ কৰি নিজৰমতে আচৰণৰ পূজা কৰি অমূল্য মানৱ জীৱন ব্যৰ্থ কৰিছে।

**শাস্ত্ৰবিধি অনুসৰি সাধনা ঃ**

১। প্ৰথম চৰণত ব্ৰহ্ম গায়ত্ৰী মন্ত্ৰ প্ৰদান কৰা হয়, দেহৰ ভিতৰৰ কমল দল খুলিৱৰ কাৰণে।

উপদেশ প্ৰাপ্ত ভক্তাত্মাই এইটো ভাবিব পাৰে যে গুৰুদেৱে কৈছিল যে তিনি গুণ (ৰজগুণ-ব্ৰহ্মা, সৎগুণ - বিষ্ণু, তমগুণ -শিৱ)ৰ পূজা কৰিব নালাগে। মন্ত্ৰ জপ কিন্তু তেওঁলোকৰে দিছে। তেওঁলোকৰ বাবে এইটো নিবেদন যে এইয়া পূজা নহয়। আমি কাল ব্ৰহ্মৰ লোকত বাস কৰি আছো। ইয়াত আমাৰ যি সাসুবিধাৰ আৱশ্যক তাক ব্ৰহ্মা, বিষ্ণু, শিৱ আদিয়ে প্ৰদান কৰিব।

যেনেকৈ আমি বিদ্যুতৰ সংযোগ লৈছো। তাৰ মাহিলি বিল (খৰচ) ভৰিব লাগে। আমি বিদ্যুতৰ মন্ত্ৰী নাইবা তাৰ বিভাগক পুজা কৰা নাই। আমি তাৰ খৰচ দি যাম তেহে বিদ্যুতৰ যোগান চলি থাকিব। এইদৰে টেলিফোনৰ বিল, পানীৰ বিল আদি প্ৰদান কৰি থাকিম তেতিয়া আমাৰো উক্ত সুবিধা থাকিব। আপোনালোকে শাস্ত্ৰ বিৰুদ্ধ ভক্তি কৰি ভক্তিহীন হৈছে। অৰ্থাৎ নিজে পুন্যহীন হৈছে। যি কাৰণে আপোনাৰ ধন লাভ হোৱা নাই। এই দাস (ৰামপাল দাস আপোনাৰ গেৰান্টিৰ (জামিনদাৰ) হৈ এই কাল লোকত এক ব্ৰহ্মাণ্ডত শক্তিৰ (ব্ৰহ্মা, বিষ্ণু, শিৱ, গনেশ, দুৰ্গা আদি)ৰ পৰা আপোনাক সকলো সুবিধা পুনঃ আৰম্ভ কৰোৱাই দিয়া হব আৰু আপোনাৰ এই মন্ত্ৰ জাপৰ দ্বাৰা এইবিলাকৰ বিল পৰিশোধ কৰি থাকিব লাগিব যি প্ৰথম মন্ত্ৰ(সৎ-সুকৃত অবিগত কবীৰ) এইটো আপোনাৰ পূজা, এওঁ পূৰ্ণ পৰমাত্মা তথা সত্যম লাভ (ফল) হব। সত্যম অৰ্থ অৱিনাশী অৰ্থাৎ আমি অৱিনাশী পদ পাব লাগে। এই মন্ত্ৰৰ চাৰি মাহৰ পিছত আপুনি সৎনাম (সত্যনাম) মন্ত্ৰ পাব, যি দুই মন্ত্ৰ হব। তাৰ এক মন্ত্ৰ কাল ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডৰ ঋণ পৰিশোধ কৰিবৰ বাবে তাৰ পুণ্য অৰ্জন কৰি আমি ব্ৰহ্ম (ক্ষৰ পুৰুষ) অৰ্থাৎ কালৰ ঋণ পৰিশোধ কৰিব লাগিব। পিছত এই কালে আমাক সকলো পাপৰ পৰা মুক্ত কৰিব।

গীতা অধ্যায় নং ১৮, শ্লোক নং ৬২, ৬৬ বৰ্ণিত ঃ-

অধ্যায় নং ১৮, শ্লোক নং ৬২

তম্, এব, শৰণম্, গচ্চ, সৰ্বভাবেন, ভাৰত,
তৎপ্ৰসাদাত, পৰাম্, শান্তিম্, স্থানম্, প্ৰাপয়স্যসি, শাশ্বতম্।।।

অনুবাদ ঃ- (ভাৰত) হে ভাৰত! তুমি (সৰ্বভাবেন) সৰ্বোতভাবে (তম) সেই অজ্ঞান আন্ধাৰত লুকাই থকা পৰমেশ্বৰৰ (এব) অৱশ্যই (নম) শ্ৰণলৈ (গচ্ছ) যোৱা। (তৎপ্ৰসাদাত) সেই পৰমাত্মাৰ কৃপাৰ দ্বাৰাই তুমি (পৰাম) পৰম (শান্তিম) শান্তিৰ (শাশ্বতম) বিনাশ নোহোৱা সৎ (স্থানম) স্থান-ধাম-লোক (প্ৰাপয়স্যসি) পাবা।।

অনুবাদঃ- হে ভাৰত ! তুমি সৰ্বোতভাবে সেই অজ্ঞান এন্ধাৰত লুকাই থকা পৰমেশ্বৰৰ চৰণলৈ যোৱা। সেই পৰমাত্মাৰ কৃপাৰ দ্বাৰাই তুমি পৰম শান্তি আৰু সদায় অৱস্থান কৰা সৎস্থান-ধাম-লোক পাৱা। (যাক সনাতন ধাম বোলা হয়)

অধ্যায় নং ১৮, শ্লোক নং ৬৬

সৰ্বধৰ্মান্, পৰিত্যাজ্যয়, মাম, একম, শৰণম, ব্ৰজ,
অহম, ত্বাম্, সৰ্বপাপেভ্যঃ, মোক্ষায়িষ্যামি, মা, শুচঃ।।

অনুবাদ ঃ- (মাম) মোৰ (সৰ্বধৰ্মা) সকলো পূজাক (পৰিত্যজ্য) ত্যাগ কৰি তুমি কেৱল (একম) এক সেই পূৰ্ণ পৰমাত্মাৰ (শৰণম) শৰণত (ব্ৰজ) যোৱা। (অহম) ম ই (ত্বাম) তোমাক (সৰ্বপাপেভ্যয়ঃ) সকলো পাপৰ পৰা (মোক্ষযিষ্যামি) মুক্ত কৰি দিম তুমি (মা, শুচঃ) শোক নকৰিবা।

অনুবাদ ঃ- মোৰ সম্পূৰ্ণ পূজাবোৰক ত্যাগ কৰি তুমি কেৱল এক সেই পূৰ্ণ পৰমাত্মাৰ চৰণলৈ যোৱা। মই তোমাক সকলো পাপৰ পৰা মুক্ত কৰি দিম। তুমি শোক নকৰিবা।

উপৰোক্ত শ্লোকৰ ভাৱাৰ্থ হল যে কালে (ব্ৰহ্ম/ক্ষৰ পুৰুষ) কৈছে যে তুমি মোৰ চৰণত থাকিব বিচৰা যদি জন্ম-মৃত্যু হৈয়ে থাকিব। যদি পৰম শান্তি তথা সৎলোক যাব খোজা তেন্তে সেই পূৰ্ণ পৰমাত্মাৰ চৰণলৈ যোৱা। তাৰ বাৰে মোৰ সকলো ধাৰ্মিক পূজাৰ অৰ্থাৎ সৎনামৰ প্ৰথম মন্ত্ৰ জপ কৰাৰ ফল মোক দি পিছত তুমি সৰ্বোতভাৱে সেই এক সৰ্ব শক্তিমান অৰ্থাৎ যাৰ সমতুল্য কোনো নাই সেই অদ্বিতীয় পৰমেশ্বৰৰ শৰণলৈ যোৱা, মই তোমাক সকলো পাপ (ঋণ)ৰ পৰা মুক্ত কৰি দিম, তুমি চিন্তা নকৰিবা আৰু সৎনামৰ দ্বিতীয় মন্ত্ৰ জপৰ ফল আমি পৰব্ৰহ্ম অৰ্থাৎ অক্ষৰ পুৰুষক দিম, কিয়নো আমি অক্ষৰ পুৰুষৰ স্থানেৰে (ধামেৰে) হৈ সৎলোকলৈ যাব লাগে, সেই কাৰণে তাৰ বাবে ব্যায় কৰিব লাগিব। পিচত তৃতীয় মন্ত্ৰ সাৰশব্দ অৰ্থাৎ সাৰনামৰ দ্বাৰা যি সৎলোকত স্থায়িত্ব পোৱাব।

যদি কোনোৱাই বিদেশলৈ গৈছে তাত তাৰ চৰকাৰৰ ঋণ হয়। পিছত যদি আকৌ স্বদেশলৈ আহে তেন্তে তাৰ প্ৰথমে সেই দেশৰ চৰকাৰৰ পৰা ঋণ মুক্ত হব লাগিব। আকৌ তাৰ পৰা (No Due Certificate) ঋণ মুক্ত প্ৰমাণপত্ৰ দিব লাগিব, তেতিয়া তাৰপৰা উভতি অহাৰ পাচপোৰ্ট প্ৰস্তুত হব, নহলে তাক স্বদেশলৈ উভতি আহিবলৈ দিয়া নহয়।

এইদৰে তোমালোকে এই কাল/ব্ৰহ্মৰ লোকত বাস কৰি শাস্ত্ৰ বিধি বিৰুদ্ধ সাধনা কৰি ভক্তিহীন হৈ ঋণী হৈছা। প্ৰথমে নিজক প্ৰতিষ্ঠিত ধনী বেপাৰী কৰা হব। তাৰ বাবে কবীৰদেৱে (কবীৰ পৰমেশ্বৰ) মোক (ৰামপাল) দাসক নিজৰ (Representative) প্ৰতিনিধি কৰি পঠাইছে। সেই পৰমেশ্বৰৰ তৰফৰ পৰা এই দাস আপোনাৰ (Guranter) জামিনদাৰ আৰু ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ আদি শক্তিৰ লগত আপোনাৰ পুনৰ সম্পৰ্ক কৰাই দিম। আপুনি ইয়াৰ মন্ত্ৰৰ জপৰ ফলৰ সহায়েৰে কিস্তিৰ বিল দিব লাগিব। যেতিয়ালৈকে আপুনি ইয়াৰ পৰা মুক্ত নহয় তেতিয়ালৈকে আপোনাৰ সকলো ভৌতিক সা-সুবিধা বহল ভাবে পাব আৰু আপুনি পুণ্য দান কৰি অধিক ভক্তিৱান হব পাৰিব। ধৰি লওক আমাৰ শৰীৰৰ ভিতৰত পদ্মফুল আছে। যেতিয়া আমি শৰীৰ ত্যাগ কৰি পৰমাত্মাৰ কাষলৈ যাম তেতিয়া আমি এই পদুমফুলৰ মাজেৰে পাৰ হৈ যাব লাগিব। যেনে - (১) মূল পদ্মত গনেশদেৱ (২) স্বাদ পদ্মত - সাবিত্ৰীব্ৰহ্মাদেৱ, (৩) নাভি পদ্মত লক্ষ্মী তথা বিষ্ণু দেৱৰ বাস (৪) হৃদয় পদ্মত পাৰ্বতী আৰু শিৱৰ বাস (৫) কণ্ঠ পদ্মত দুৰ্গা দেৱীৰ বাস। এইবোৰ পদ্মকমলৰ মাজেৰে আমি তেতিয়াই যাব পাৰিম যেতিয়া আমি ইহঁতৰ ঋণ পৰিশোধ কৰিব পাৰিম। প্ৰথম নাম উপদেশৰ দ্বাৰাই আপোনাৰ সকলো পদুম বিকশিত হৈ ফুলি উঠিব অৰ্থাৎ আপুনি ঋণ মুক্ত হব। যেতিয়া আপুনি শেষ সম য়ত দেহ ত্যাগ কৰিব তেতিয়া আপোনাৰ পথ পৰিস্কাৰ আৰু আপোনাৰ সকলো ঋণ মুক্ত প্ৰমাণ পত্ৰও যোগাৰ পাব।

কিন্তু আমি নিজৰ মূল মালিক কবীৰদেব (কবীৰ পৰমেশ্বৰ) ৰ পূজা কৰিব লাগিব। যেনেকৈ পতিব্ৰতা স্ত্ৰীয়ে নিজ পতিৰ পূজা কৰে, কিন্তু যথোচিত আদৰ-সৎকাৰ সকলোকে কৰে। যেনে দেওৰক পুত্ৰৱত তথা বৰজনাকো ডাঙৰ ভাইৰ দৰে তথা শহুৰ শাহুৰীক নিজৰ মাতা-পিতাৰ দৰে। কিন্তু যি ভাব নিজৰ পতিৰ লগত হয় সেয়া অইনৰ লগত কেতিয়াও নহয়। ঠিক কবীৰ পৰমেশ্বৰৰ ভক্তই এইদৰে নিজৰ ভক্তি সফল কৰিব লাগিব। এইবাবে অইন কাৰো ফুচুলনিত ভোল যাব নেলাগে। পূৰ্ণ বিশ্বাসৰ সৈতে এই দাসৰ দ্বাৰা উপদ্ধিষ্ট ভক্তি পথত থাকিব লাগিব। এই ভক্তি মাৰ্গ সকলো শাস্ত্ৰৰ আধাৰ।

২। দ্বিতীয় পৰ্য্যায়ত সৎনাম প্ৰদান কৰা হয়। যি দুই মন্ত্ৰ এক ওঁ (ওম)+ আনটো তৎ যি সাংকেতিক কেৱল উপদেশকাৰীক কোৱা হয়।

৩। তৃতীয় পৰ্য্যায়ত সাৰনাম দিয়া হয় যি তিনি মন্ত্ৰৰ। ওঁ + তৎ + সৎ (তত + সৎ সাংকেতিক যি উপদেশকাৰীক উপদেশ কৰা হব)।

এনেদৰে সাৰনাম (যি তিনি মন্ত্ৰ) স্মৰণৰ অভ্যাসৰ দ্বাৰাই সাধকে পৰম দিব্য পুৰুষ অৰ্থাৎ পৰমেশ্বৰ কবীৰদেবক পাব আৰু সৎলোকলৈ গৈ পৰম শান্তি আৰু পূৰ্ণমোক্ষ প্ৰাপ্ত হব।

বিশেষ ঃ- বৰ্তমানে এই বাস্তৱিক সাধনা মোৰ দাসৰ বাহিৰে কাৰো ওচৰত নাই। যদি কোনোৱাই মোৰ দাসৰ পৰা চুৰ কৰি লৈ স্বয়ং গুৰু সাজি নকল শিষ্য সজাই তেন্তে সিজন মনুষ্য জীৱনৰ শত্ৰু তেওঁৰ পৰা সাৱধান হওক। তেনে অনাধিকাৰীয়ে নিজৰ জীৱনো নষ্ট কৰিব আৰু নিৰ্বোধ অনুগত সকলকো নৰকৰ ভাগী কৰিব তাক কালে পঠোৱা দূত বুলি জানিবা।

**শঙ্কা সমাধান**

১। প্ৰশ্নঃ- উপৰোক্ত গীতা সাৰৰ পৰা বুজিব পাৰি যে ব্ৰহ্মাদেৱ, বিষ্ণুদেৱ আৰু শিৱৰ পূজা কৰা ব্যৰ্থ। কিন্তু মই ত্ৰিশ বছৰৰ পৰা শিৱৰ পূজা কৰিছো আৰু ভগৱান শ্ৰীকৃষ্ণ মোৰ অতি প্ৰিয়। মই এইবোৰ প্ৰভুক পূজা কৰা বাদ দিব নোৱাৰো; মোৰ এইবোৰৰ লগত এৰাব নোৱাৰা সম্বন্ধ আছে। শ্ৰীমদভাগৱতগীতাও নিত্য পাঠ কৰো, হৰে কৃষ্ণ, হৰে ৰাম, ৰাধেশ্যাম, সীতা ৰাম, ওঁ নমঃশিবায়, ওঁ ভগৱতে বাসুদেবায় আদি নাম জপ কৰোঁ। সোমবাৰ দিনটো ব্ৰত থাকো। শিব লিঙ্গত পানী দিবলৈ যাওঁ আৰু মন্দিৰ ধাম আদিত দান কৰিবলৈ যাওঁ। মন্দিৰত মূৰ্তি পূজা কৰিবলৈ যাওঁ। স্বৰ্গ প্ৰাপ্তিৰ ইচ্ছা কৰো আৰু পৰম্পৰাগত পূজাৰ কাৰণে এজন মহন্তৰ পৰা দীক্ষাও লৈছো।

উত্তৰ - অনুগ্ৰহ কৰি আপুনি ওপৰোক্ত গীতা সাৰ পঢ়ক, যেতিয়ালৈকে তত্ত্বজ্ঞানৰ লগত পূৰ্ণ পৰিচিত নহয়, তেতিয়ালৈ এই শংকাৰূপী কাঁইটে খুচিয়েই থাকিব। যেনে ওপৰৰ উদাহৰণত আছে যে ওলোটাকৈ ওলোমাই ৰখা সংসাৰ ৰূপী গছ আছে, যাৰ মূলত (শিপা) পূৰ্ণ পৰমাত্মা পৰমেশ্বৰ। তিনি গুণ ৰূপী (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ- শিৱ) শাখাডাল আছে। আপুনি কোনো আমৰ গছ ৰুইছে, যদি গছৰ শিপাত (মূল) পানী দিয়ে (পূজা) তেতিয়াহে বৃক্ষ হব, পিছত তাৰ ডালত ফল লাগিব। ডাল ভাঙিবলৈ কোৱা হয় জানো ? ছবিত চাওক পোনকৈ ৰোৱা ভক্তিৰূপী গছ অৰ্থাৎ শাস্ত্ৰবিধি অনুসৰি সাধনা।

এইদৰে পূজাতো পৰমাত্মাৰ অৰ্থাৎ মূলৰ কৰিব লাগে, আকৌ কৰ্মফল তিনিগুণ (ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰ) ৰূপী শাখা ডালত থাকিব। এই কাৰণে একো এৰিব নেলাগে মাথোন নিজৰ ভক্তি ৰূপী গছ পোন কৰি ৰুব লাগে অৰ্থাৎ শাস্ত্ৰবিধি অনুযায়ী ভক্তি

আৰম্ভ কৰিব লাগে।

বৰ্তমান পবিত্ৰ ভক্ত সমাজে শাস্ত্ৰবিধি ত্যাগ কৰি নিজৰ ইচ্ছামতে আচৰণ (পূজা) কৰি আছে আৰু ভক্তিৰূপী গছ ওলোটাকৈ ৰুইছে। যদি কেনোৱাই ওলোটাকৈ গছ ৰোৱে তাক মূৰ্খ বুলি কব লাগিব।

এইভাৱে গীতা অধ্যায় ৭, শ্লোক ১২ পৰা ১৮ত কৈছে যে লৈ তিনিগুণ (ৰজগুণব্ৰহ্মা, সৎগুণ-বিষ্ণু, তমগুণ - শিৱ)ৰ পূজা কৰা সকল সীমিত বুদ্ধিৰ, যি ইয়াৰ অতিৰিক্ত কাকো পূজা নকৰে, তেওঁলোকে অসুৰ, ৰাক্ষস স্বভাৱৰ মনুষ্যতকৈ নীচ, দুষ্কৰ্মকাৰী মুৰ্খ আৰু মোকো পূজা নকৰে। তদুপৰি নিজৰ পূজাক গীতাজ্ঞান দাতাই (কাল, ব্ৰহ্ম/ক্ষৰপুৰুষ) অতি বেয়া (অনুত্তমা) অৰ্থাৎ ব্যৰ্থ বুলিছে। এইবাবে গীতা অধ্যায় ১৮, শ্লোক ৬২, ৬৪, ৬৬ আৰু অধ্যায় ১৫, শ্লোক ১ৰ পৰা ৪ লৈকে কৈছে যে সেইজন পূৰ্ণ পৰমাত্মা (ওলোটাকৈ ওলোমা বৃক্ষৰ মূলৰ পূজা) ৰ শৰণলৈ যোৱা, তেখেতৰ পূজা তত্ত্বদৰ্শী সন্তই উপদেশ কৰা নিয়মেৰে কৰা (গীতা অধ্যায় ৪, শ্লোক ৩৪, তত্ত্বদৰ্শী সন্তৰ প্ৰতি দিয়া সংকেত)। সেইজন পূৰ্ণ পৰমাত্মাৰ শাস্ত্ৰ বিধি অনুসৰি সাধনা (পূজা) কৰিলে সাধকে পৰম শান্তি তথা সৎলোক প্ৰাপ্ত হয় আৰু পূৰ্ণ মোক্ষ পায়। গীতা জ্ঞান দাতা প্ৰভুৱে(ক্ষৰপুৰুষ/কাল) কৈছে যে মইও সেইজনাৰ (পূৰ্ণপমাত্মাৰ) শৰণাগত, অৰ্থাৎ মোৰ ইষ্টদেৱ পূৰ্ণ পৰমাত্মা পৰমেশ্বৰ কবীৰদেৱ। মই তেখেতকেই পূজা কৰো, সকলোৱে তেখেতক পূজা কৰা উচিত। আপুনি নিত্য গীতা পাঠ কৰে আৰু পূজা গীতাৰ বৰ্ণিত নিয়মৰ বিৰুদ্ধে কৰে। যিবোৰ মন্ত্ৰ(হৰে কৃষ্ণ, হৰে ৰাম, ৰাধেশ্যাম, সীতাৰাম, ওঁ নম ঃ শিৱায়, ওঁ নমঃ ভাগৱতে বাসুদেবায়, ক্লীং কৃষ্ণ ফট আদি মন্ত্ৰ) আপুনি জপ কৰে আৰু অন্য পূজা, ব্ৰত কৰা, শিৱ লিংগত পানী দিয়া তীৰ্থ আৰু ধামত দান দিয়া আৰু পূজাৰ বাবে গঙ্গা স্নান আদি তীৰ্থৰ পৰ্বৰ স্নান পৱিত্ৰ গীতাত বৰ্ণিত নোহোৱাৰ কাৰনে এইবোৰ শাস্ত্ৰ বিধি ত্যাগ কৰি নিজমনে আচৰন (পূজা) কৰা হয়। যিবোৰক পৱিত্ৰ গীতাই অধ্যায় ১৬ শ্লোক ২৩-২৪ ত এইয়া ব্যৰ্থ বুলি কৈছে।

## গাদী আৰু মহন্তৰ পৰম্পৰাৰ খবৰ

মহন্ত আৰু গাদী পৰম্পৰাৰ বিষয়ে :- কোনো এক নিৰ্জন ঠাইত বা চহৰ বা গাঁৱত কোনো মহান সাধু বা সাধক অৱস্থান কৰিছিল। তেওঁ দেহ ত্যাগ কৰাৰ পিছত স্মৃতি স্মৰণীয় কৰি ৰাখিবলৈ তেওঁৰ দেহৰ অন্তিম সংস্কাৰ কৰা স্থলত শিলৰ নাইবা ইটাৰে সজোৱা বেদী সজাই ৰখা হ’ল। পিছত সেই পৱিত্ৰ আত্মাৰ শিষ্য অথবা বংশধৰে তেওঁৰ শিলৰ মূৰ্তি আৰু ফটো তৈয়াৰ কৰিলে। কিছুদিনৰ পিছত তালৈ শ্ৰদ্ধাশীল ব্যক্তি অহা -যোৱা কৰে। কিছু ধনো দান কৰিবলৈ ধৰে। তাক মন্দিৰৰ ৰূপ দিয়ে আৰু সেই স্বৰ্গীয় সাধুৰ শিষ্য নাইবা বংশধৰ সকলৰ ধন উপাৰ্জনৰ লোভ ওপজে। তেওঁলোকে সৰল লোকক ফুচুলাই কয় যি ইয়াত দৰ্শন কৰিবলৈ আহে তেওঁৰ পূৰ্ণ মোক্ষ প্ৰাপ্ত হব। সকলো ফল পোৱা যাব, মহাপুৰুষৰ জীৱিত কালত শিষ্য বিলাকে পোৱাৰ দৰে। এই মূৰ্তি বা ফটোৱেই সেই মহাপুৰুষৰ সাক্ষাৎ বুলি জানিবা। ইয়ালৈ নাহিলে মোক্ষ সম্ভৱ নহয় ইত্যাদি।

সেই নিৰ্বোধক যদি কোনোৱাই কয় যে কোনো এজন বেজ (চিকিৎসক/কবিৰাজ) আছিল, তেওঁ ৰোগীৰ নাড়ী চাই ঔষধ দিছিল ৰোগী সুস্থ হৈছিল। সেই জন বেজৰ মৃত্যুৰ পিছত তেওঁৰ মূৰ্তি বা ফটো স্থাপন কৰি কোনো লোভীয়ে যদি কয় এই মূৰ্তি বা ফটো সেই স্বৰ্গীয় বেজৰ দৰেই কাম কৰে, যিয়ে ইয়াৰ দৰ্শন কৰিবলৈ আহিব তেওঁ পূৰ্ণ সুস্থ হব অথবা নিজে নকল বেজ হৈ কয় যে দৰৱ (ঔষধ) দিওঁ। কিন্তু ঔষধি গ্ৰন্থৰ

বিপৰীত দৰৰ দি থাকে। তেওঁ ঠগ কিয়নো ধন উপাৰ্জনহে তেওঁৰ উদ্দেশ্য। কোনো সাধুসন্ত বা প্ৰভুৰ স্মৰণীয় মূৰ্তি আদৰণীয় হব পাৰে কিন্তু পুজনীয় নহয়।

কোনো সাধু বা প্ৰভূৰ মূৰ্তি সাজি কোনো পূজাৰী বা মহন্তই কয় যে নাম উপদেশ দিওঁ। সেই মহানুভাৱে সকলো সাধনা পৱিত্ৰ শাস্ত্ৰৰ বিৰুদ্ধে দিছে । তেন্তে চোৱা সেইজন নকলী মহন্ত বা সাধু নিজে দোষী আৰু অনুগত শিষ্যবিলাকৰ জীৱনো ব্যৰ্থ কৰাৰ ভাৰ নিজৰ মূৰৰ ওপৰত লৈ আছে। সাধুসন্ত এটা সময়ত এজনহে আহে। তেওঁৰ মাৰ্গত কোটি কোটি নকল সন্ত, মহন্ত তথা আচাৰ্য্যই বাধাৰ সৃষ্টি কৰে।

কোনো সন্তৰ দেহ ত্যাগ কৰাৰ পিছত সন্ত বা মহন্ত পৰম্পৰা আৰম্ভ হয়। পূৰ্ব সন্তৰ স্থান ৰক্ষাৰ্থে এক প্ৰবন্ধক (সম্পাদক) নিৰ্বাচন কৰা হয়, যাক মহন্ত বুলি কোৱা হয়। তেওঁক কেৱল সেই পবিত্ৰ স্মৃতিক চোৱা-চিতা কৰিবৰ বাবে নিযুক্ত কৰা হয়। পিছত লোভৰ বশৱৰ্তী হৈ স্বয়ং গুৰু হৈ প্ৰকাশ কৰে আৰু সৎভক্তি বিচৰা সৰল আত্মাই মোক্ষ প্ৰাপ্ত হোৱাৰ আশাত তেওঁৰ ওপৰত নিৰ্ভৰ কৰি নিজৰ জীৱন ব্যৰ্থ কৰে।

মহন্ত পৰম্পৰাৰ নিয়ম কৰি থাকে যে পূৰ্বৰ মহন্তৰ প্ৰথম পুত্ৰ মহন্ত পদৰ অধিকাৰী হব, তেওঁ মদাহীয়ে হওক বা অজ্ঞানীয়ে হওক। পূৰ্ণ ভক্তি মাৰ্গত কেৱল পূৰ্ণ সন্তইহে জীৱক উদ্ধাৰ কৰিব পাৰে। দাসে দুই-তিনি মহন্ত পৰম্পৰাৰ কিতাপ পঢ়িছে। তাত দেখিছে যে

১। ১-২ বছৰৰ বয়সৰ শিশুকো গাদীত বহুৱাই থৈছে। পিছত তেওঁ ডাঙৰ হৈ নাম দান কৰিবলৈ ধৰে। দ্বিতীয় কিতাপত পঢ়ি পালে যে এটি পাঁচ বছৰীয়া শিশুৰ পিতৃ মহন্ত বা গুৰু আছিল হঠাৎ তেওঁৰ মৃত্যু হল। পিছত তাৰ সৎসঙ্গী ভকতসকলে আৰু তাৰ মাতৃয়ে সেই পাঁচ বছৰীয়া শিশুক মহন্ত পদত নিযুক্ত কৰিলে। কিছু বছৰ পিছত তেওঁ গুৰু হ'ল।

২। এক মহন্ত পৰম্পৰাৰ ইতিহাস পঢ়ি পালে যে কোনো মহন্তৰ সন্তান নাই। তেখেতৰ মৃত্যু হৈছে। ভায়েকৰ মৃত্যু আগেয়ে হৈছিল। তাৰ কোনো সন্তান নাছিল। গাদীটোকে ধৰি ৰাখিবৰ কাৰনে এজন সেৱকক সেই কুলত সন্তান হোৱালৈ অস্থায়ী ম হন্ত নিযুক্ত কৰিলে। কেই বছৰৰ পিছত মহন্ত কুলত কাৰোবাৰ লৰা সন্তান জন্ম হ'ল অস্থায়ী মহন্ত গাদী এৰি পলাই গ'ল। অন্য কোনো ঠাইত স্বয়ং গাদী স্থাপন কৰি ম হন্ত হৈ বহিল আৰু তাতে নতুন দোকান খুলি ললে আৰু পূৰ্বৰ স্থানত এক ২ ১/২ বছৰীয়া শিশুক মহন্ত কৰিলে।

৩। আন এক মহন্ত পৰম্পৰাৰ ইতিহাস পঢ়ি দেখিলো যে ডাঙৰ লৰাই ঘৰ ত্যাগ কৰিছে। তাৰ সৰু ভায়েকক মহন্ত পদত নিযুক্ত কৰিলে। কেই বছৰ পিছত তাত এক মন্দিৰ স্থাপন হল আৰু অধিক বৰঙনী/চান্দা/দান আহিবলৈ ধৰিলে। সেইজন দদাকৰ সন্তানে কলে এই মন্দিৰৰ ওপৰত আমাৰো অধিকাৰ, ইয়াক লৈ কাজিয়া আৰম্ভ হল। গাদীত বিৰাজমান থকা মহন্তক হত্যা কৰা হল। আকৌ তাৰ ডাঙৰ লৰাক মহন্ত অৰ্থাৎ গাদীৰ অধিকাৰী নিযুক্ত কৰি দিয়া হল। তাকো হত্যা কৰা হল। আকৌ তাৰ অন্য ভাইক গাদীত বহুৱালে। অন্য যি নিজকে অধিকাৰী বুলি কৈছিল তেওঁৰো নতুন স্থানত নতুন দোকান খুলি ললে। এজনে আনজনৰ ওপৰত মোকৰ্দমা কৰি সুখময় জীৱনৰ লোভত নৰক কৰিলে। সেইটো ধাম কত থাকিল ? সেইটো কুৰুক্ষেত্ৰৰ নিচিনা মহাভাৰতৰ যুদ্ধৰ ভূমিহে হল। কিছু মহন্তই সাধু সমাজ গঢ়াৰ এজেন্সি লয়। ৰঙা বস্ত্ৰ ধাৰন কৰোৱায়। পূৰ্বৰ নাম সলনি কৰি অন্য নাম ৰাখে। আকৌ সেইজন কৃত্ৰিম মহন্তৰ কৃত্ৰিম শিষ্যই আধৰুৱা সাধু সাজি সৰল আত্মাৰ জীৱনৰ লগত খেলা কৰে, অমূল্য মানৱ জীৱন নিজৰো

নষ্ট কৰে আৰু সহজ সৰল আত্মাৰ জীৱনকো নাশ কৰে আৰু মহাপাপৰ ভাগী হয়।

যি সময়ত ৰজা পৰীক্ষিতক সাপে দংশন কৰাৰ অভিশাপ আছিল সেই সময়ত পূৰ্ণ গুৰুৰ আৱশ্যক হ'ল। কিয়নো পূৰ্ণ সন্ত অবিহনে জীৱৰ আত্ম কল্যাণ অসম্ভৱ। সেই সময়ত পৃথিৱীৰ সকলো ঋষিয়েই ৰজা পৰীক্ষিতক নাম দীক্ষা দিয়া তথা সাত দিন লৈ শ্ৰীমদ্ভাগৱত সুধাসাগৰ কথা পাঠ শুনাবলৈ সাহস কৰা নাছিল। কিয়নো সপ্তম দিনত পৰিনাম আহিব আৰু কোন সাধু, ঋষিৰ কি সমৰ্থতা ওলাই পৰিব, এই কাৰণে কোনেও সাহস নকৰিলে। স্বয়ং শ্ৰীমদ্ভাগৱত সুধা সাগৰৰ লেখক মহৰ্ষি বেদব্যাস মহোদয়ে অসম ৰ্থতাও প্ৰকাশ কৰিলে। কিয়নো তেওঁ ঈশ্বৰক ভয় কৰিছিল। সেইবাবে ৰজা পৰীক্ষিতৰ জীৱনৰ লগত খেলা কৰা অনুচিত বুলি ভাৱিছিল।

ৰজা পৰীক্ষিতৰ আত্ম কল্যাণৰ কাৰণে মহৰ্ষি সুখদেৱক স্বৰ্গৰ পৰা মাতি অনা হল। তেওঁ ৰজাক নাম দীক্ষা প্ৰদান কৰিলে আৰু সাত দিনলৈ ভাগৱত পাঠ কৰি ৰজা পৰীক্ষিতক উদ্ধাৰ মহৰ্ষি সুখদেৱে কৰিছিল। বৰ্তমানৰ সাধু, গুৰু, মহন্ত তথা আচাৰ্য্য স্বয়ং ঈশ্বৰৰ সংবিধানৰ লগত অপৰিচিত এই কাৰণে তেওঁলোকে নিজৰ মনোমত জ্ঞান ভকতসকলক প্ৰদান কৰি পৰমাত্মাৰ ওচৰত মহা দোষৰ পাত্ৰ হৈ দোষী হৈ আছে।

অউৰো পন্থ বতাহী, স্বয়ং জানে ৰাহ।
অনাধিকাৰী কথা পাঠ কৰে উৰ দীক্ষা দেৱেঁ, বহুত কৰত গুনাহ

বৰ্তমান সময়ত পাঠ কৰা, গ্ৰন্থপাঠ কৰা, নামদান কৰা, তথা ভণ্ড গুৰুৰ সংখ্যা অসংখ্য। কিয়নো সৰ্ব পৱিত্ৰ ধৰ্মৰ পৱিত্ৰ আত্মাবিলাকৰ তত্ত্বজ্ঞান অপৰিচিত। সেই কাৰণে মিছা সাধু, গুৰু, মহন্তৰ আবিৰ্ভাৱ হৈছে। যি সময়ত পৱিত্ৰ ভক্ত সমাজ আধ্যাত্মিক তত্ত্বজ্ঞানৰ লগত পৰিচয় হব সেই সময়ত এই মিছা সাধু, গুৰু, মহন্ত বৈষ্ণৱ তথা আচাৰ্য্য সকলে লুকাই থকাৰো স্থান নাপাব, পলায়ন কৰিব লাগিব।

**পৱিত্ৰ তীৰ্থ তথা ধামৰ বিষয়**

কোনো মুনি, ঋষি সাধকে কোনো ঠাই অথবা জলাশয়ৰ কাষত বহি সাধনা কৰি নিজৰ আধ্যাত্মিক শক্তিৰ প্ৰদৰ্শন কৰিছিল। তেওঁ নিজৰ ভক্তি সাধনাৰ পুণ্যফল অৰ্জন আৰু দেহ ত্যাগ কৰি নিজ ইষ্ট ধাম প্ৰাপ্ত হৈছিল। সেই সাধনা স্থল পিছত তীৰ্থস্থান বা তীৰ্থধামলৈ ৰূপান্তৰ হল। এতিয়া কোনোৱাই সেই ঠাইলৈ যায় যে ইয়াত কোনো সাধক এসময়ত আছিল। তেতিয়া তেওঁ বহুতৰ কল্যাণ কৰিছিল। এতিয়া তাত সাধুজন নাই, যি উপদেশ দিব পাৰে। তেওঁ নিজৰ সাধন ভজন কৰি পূণ্য অৰ্জন কৰি গুছি গ'ল।

বিচাৰ কৰক - অনুগ্ৰহ কৰি তীৰ্থ বা ধামক খুন্দনা(ইমাম দাস্তা) বুলি ধৰি লওক। (এডাল লোহা নাইবা কাঠৰ সৰু উৰল আৰু এটা খুন্দনা যাৰ সহায়ত বেজে দৰব খুন্দে, ৰান্ধনিয়ে মচলা গুড়ি কৰে, বৃদ্ধ-বৃদ্ধাই তামোল পান খুন্দি খায় ইত্যাদি) এজন ব্যক্তিয়ে নিজৰ ওচৰৰ নিবাসীৰ পৰা এটা খুন্দনা খুজি আনিলে। তেওঁ হোম কৰা সামগ্ৰী গুড়ি কৰি পিছত সেইটো ওভোতাই দিলে। যি কোঠাত খুন্দনাটো ৰাখিছিল সেই কোঠালীৰ পৰা সুগন্ধি ঘ্ৰাণ ওলাবলৈ ধৰিলে। ঘৰৰ সদস্যই সুগন্ধি ঘ্ৰাণ পালে আৰু কৰ পৰা আহিছে তাকো গম পালে যে খুন্দনাৰ পৰা ওলাইছে। তেওঁলোকে বুজি পালে যে খুন্দনাটো প্ৰতিৱেশীয়ে খুজি লৈ গৈছিল আৰু তেওঁ সুগন্ধি যুক্ত বস্তু গুড়ি কৰিছিল। কিছু দিন পিছত সুঘন্ধি ঘ্ৰাণ ওলোৱা বন্ধ হল।

ঠিক এনেদৰে তীৰ্থ বা ধামক খুন্দনা বুলিয়েই জানিবা। কিয়নো বস্তু গুড়ি কৰোতাই নিজৰ সকলো বস্তু লৈ গৈছে। কেৱল খুন্দনাটোহে ওভোতাই দিছে। এতিয়া কোনোৱাই

সেই খুন্দনাটো শুঙি যদি ধন্য মানে তেন্তে তেওঁ এজন নির্বোধ। তাৰ কাৰণে সামগ্ৰী আনিব লাগিব, আৰু সামগ্ৰী খুন্দিলে তেতিয়াহে প্ৰকৃত লাভ হব।'

এনেদৰে কোনো কোনো ধাম বা তীৰ্থত থকা পবিত্ৰ আত্মাই ৰাম নামৰ সামগ্ৰী গুড়ি কৰি পিছত পৰিষ্কাৰ কৰি লৈ গল অৰ্থাৎ নিজৰ সৰ্ব ভক্তিৰ পূণ্যফল অৰ্জন কৰি লগত লৈ গ'ল। পিছত হোজা শ্ৰদ্ধাশীল ব্যক্তি সেই স্থানত গৈ দৰ্শন মাত্ৰ কৰি কল্যাণ হল বুলি ভাৱো। এইটো তেনে উপদেশ দিয়া গুৰুৰ শাস্ত্ৰবিধি বিৰুদ্ধ সাধনাৰ পৰিনাম। সেই মহান সাধু মহাত্মাই যেনেদৰে ঈশ্বৰৰ ভক্তি সাধনা কৰিছিল তেনেদৰে প্ৰভুক সাধনা কৰিলেহে আত্ম কল্যাণ সম্ভৱ। তাৰ বাবে তত্ত্বদৰ্শী সাধু গুৰুক বিচাৰি তেখেতৰ পৰা নাম উপদেশ লৈ আজীৱন ভক্তি কৰি মোক্ষ প্ৰাপ্তি কৰা উচিত। শাস্ত্ৰবিধি অনুকূল সৎসাধনা মোৰ (দাসৰ) ওচৰত উপলব্ধ আছে কৃপা কৰি নিঃশুল্ক প্ৰাপ্ত কৰক।

**শ্ৰী অমৰনাথ ধামৰ স্থাপন কেনেকৈ হ'ল?**

ভগৱান শংকৰে এদিন পাৰ্বতীক এক নিৰ্জন ঠাইত উপদেশ দিছিল তাৰ দ্বাৰা আই পাৰ্বতী মুক্ত হৈছিল আৰু জানিছিল যেতিয়ালৈ প্ৰভু শিৱ (তমোগুণী)ৰ মৃত্যু নহয়, তেতিয়ালৈকে উমাৰো মৃত্যু নহব। সাতজন (ৰজোগুণী) ব্ৰহ্মাদেৱৰ মৃত্যুৰ পিছত এজন ভগৱান বিষ্ণুৰ (সৎগুণী) মৃত্যু হয়। সাতজন বিষ্ণুৰ মৃত্যুৰ পিছত এজন শিৱৰ মৃত্যু হয়। তেতিয়া মাতা পাৰ্বতী দেবীৰো মৃত্যু হব, পূৰ্ণ মোক্ষ নহব। পাৰ্বতীৰ যিমান লাভ হৈছিল সেইখিনিও অধিকাৰী সন্তৰ পৰা উপদেশ মন্ত্ৰ লৈহে হৈছিল। পিছত শ্ৰদ্ধালুৱে সেই স্থান খিনিৰ স্মৃতি যুগমীয়া কৰি ৰাখিবলৈ তাক সুৰক্ষিত কৰি ৰাখিলে আৰু দৰ্শক যাবলৈ ধৰিলে।

যেনেকুৱা এই দাস (সন্ত ৰামপাল) ঠায়ে ঠায়ে গৈ সৎসঙ্গ কৰে। তাত খীৰ আৰু হালুৱাও বনোৱা হয়। যি ভক্তাত্মাই নাম উপদেশ পায়, তেওঁৰ কল্যাণ হয়। সৎসঙ্গ সমাপন হোৱাৰ পিছত তম্বু, পেণ্ডেল, লাম-লাকটু উঠাই লৈ অইন স্থানলৈ গুচি যাওঁ, পূৰ্ব স্থানত কেৱল মাটি বা ইটাৰ ভাট্টি বা চৌকাৰ শেষ থাকি যায়। পিছত সেই চহৰৰ কোনো ব্যক্তিয়ে কয় যে আহক আপোনাক সেই স্থান দেখুৱাই লৈ আহো, যত সন্ত ৰামপাল দাসজী মহাৰাজৰ সৎসঙ্গ হৈছিল, খীৰ বনাইছিল। শেষত সেই ভাটি (চৌকা) দেখা সকলে খীৰ খাবলৈ বা নাম উপদেশ নাপালে যাৰ দ্বাৰা কল্যাণ হব। তাৰ কাৰণে সাধু সঙ্গ বিচাৰি উলিয়াব লাগিব, যত সৎসঙ্গ চলি আছে, তালৈ গলেহে সকলো কাৰ্য্য সিদ্ধি হব।

ঠিক এইদৰে তীৰ্থ আৰু ধামলৈ যোৱাটো সেই স্মৰণীয় স্থানৰূপী ভাটি (চৌকা) ক দেখাহে মাত্ৰ । এইটো পবিত্ৰ গীতাত বৰ্ণিত নোহোৱা কাৰণে শাস্ত্ৰৰ বিৰুদ্ধ হল। যাৰ দ্বাৰা কোনো লাভ নহয় (প্ৰমান পবিত্ৰ গীতা অধ্যায় ১৬, শ্লোক ২৩-২৪)।

তত্ত্ব জ্ঞানহীন সন্ত, মহন্ত আৰু পণ্ডিত, আচাৰ্য্যৰ দ্বাৰা ভ্ৰমযুক্ত ভকত আত্মা তীৰ্থ আৰু ধামলৈ আত্ম কল্যাণাৰ্থে যায়। শ্ৰী অমৰনাথ দৰ্শন কৰিবলৈ যোৱা যাত্ৰাৰ সময়ত শ্ৰদ্ধালুৱে তিনি চাৰিবাৰ হিম প্ৰবাহ ধুমুহাৰ কাৰণে বৰফত পোত খাই মৃত্যুক সাৱটি লবলগীয়াও হৈছে। প্ৰত্যেক বাৰ মৃতকৰ সংখ্যা হেজাৰলৈ হৈছিল। বিচাৰ কৰিব লগীয়া বিষয় এইটো যে যদি অমৰনাথজীৰ দৰ্শন আৰু পূজা লাভদায়ক হয় তেন্তে ভগৱান শিৱই কিয় সেই শ্ৰদ্ধালু সকলক ৰক্ষা নকৰিলে? অৰ্থাৎ প্ৰভু শিৱও শাস্ত্ৰ বিৰুদ্ধ সাধনাৰ দ্বাৰা অপ্ৰসন্ন।

**বৈষ্ণো দেবীৰ মন্দিৰৰ স্থাপন কেনেকৈ হল ?**

শিৱ পত্নী সতী দেবী (উমা দেবী)ৰ নিজৰ পিতৃ দক্ষ ৰজাৰ যজ্ঞত আত্মদাহ হল।

ভগৱান শিৱই তেওঁৰ কঙ্কাল দেহক মোহৱশত (পাৰ্বতী দেবী) কান্ধত তুলি লৈ দহ হেজাৰ বছৰ পগলাৰ দৰে ঘুৰি ফুৰিবলৈ ধৰিলে। ভগৱান বিষ্ণুদেৱে সুদৰ্শন চক্ৰৰে সতী দেবীৰ কঙ্কাল দেহক ছিন্ন বিছিন্ন কৰি দিলে। যত যত দেবীৰ অঙ্গ পৰিল তাতেই মাটিৰ তলত পুতি থলে। এই ধাৰ্মিক ঘটনাক স্মৰণীয় কৰি ৰাখিবলৈ উক্ত স্থানত এক মন্দিৰ সাজি ৰাখিলে যাতে আগন্তুক সময়ত কোনেও এইবুলি নকয় পুৰাণত ভুল লিখিছে। সেই মন্দিৰৰ ভিতৰত এজনী স্ত্ৰীৰ চিত্ৰ ৰাখিলে আৰু তাকে বৈষ্ণো দেবী বুলি কবলৈ ধৰিলে। তাক চোৰা-চিতা কৰিবলৈ আৰু ভক্তক সেই স্থানৰ কাহিনী প্ৰকাশ কৰিবৰ কাৰণে এজন ভাল ব্যক্তিক নিযুক্ত কৰিলে। তেওঁক অন্য ধাৰ্মিক ব্যক্তিয়ে কিছু বেতন দিবলৈ ধৰিলে। শেষত তেওঁৰ বংশধৰ সকলে মন্দিৰৰ ভিতৰত দান, লোৱা আৰম্ভ কৰিলে আৰু মিছা কথা কবলৈ ধৰিলে, এজন ব্যক্তিৰ বেপাৰ-বাণিজ্য বন্ধ হৈ গৈছিল মাতা বৈষ্ণো দেবীক এশ টকাৰ সংকল্প কৰিলে, এটা নাৰিকল দান দিলে, কিছু দিনৰ ভিতৰত তেওঁ ধনবান হ'ল। এক নিঃসন্তান দম্পতি আছিল তেওঁ দেবীক মাথোন দুশ টকা, এখন শাড়ী, এডাল সোণৰ হাৰ দিবলৈ সংকল্প কৰিলে, তেওঁৰ পুত্ৰ লাভ হ'ল।

এইদৰে সৰল সাধাৰন মানুহবোৰে এই মুখৰ কথাৰ (কাল্পনিক গল্প/প্ৰলোভনকাৰী কথা) ওপৰত বিশ্বাস কৰি নিজৰ পবিত্ৰ গীতা আৰু পবিত্ৰ বেদ শাস্ত্ৰক পাহৰি গ'ল, য'ত উক্ত ধৰণৰ পূজা সাধনাক শাস্ত্ৰবিধি বিৰুদ্ধ বুলি বৰ্ননা কৰিছে। ইয়াৰ বাবে কোনো সুখ বা কোনো কাৰ্য্য সিদ্ধি নহয়, বা পৰম গতি অৰ্থাৎ আত্মাৰ মুক্তি নহয়। (প্ৰমাণ পবিত্ৰ গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪) এনেদৰে যত দেবীৰ চকু পৰিছে তাত নেয়না দেবীৰ মন্দিৰ, যত জিভা ছিঙি পৰিছে তাত শ্ৰী জোৱালা দেবীৰ মন্দিৰ আৰু যত দেহ পৰিছে তাত বৈষ্ণো দেবীৰ মন্দিৰ স্থাপনা হৈছে।

## পুৰীত শ্ৰী জগন্নাথ দেৱৰ মন্দিৰ অৰ্থাৎ ধাম কেনেকৈ স্থাপন হল?

পুৰণি সময়ত উৰিষ্যা ৰাজ্যত ইন্দ্ৰদমন নামৰ এজন ৰজা আছিল। তেওঁ ভগৱান শ্ৰীকৃষ্ণৰ একান্ত ভক্ত আছিল। এদিন ৰাতি শ্ৰীকৃষ্ণই ৰজাক সপোনত দৰ্শন দি কলে যে জগন্নাথ নামেৰে মোৰ এটা মন্দিৰ সাজি দিয়া। শ্ৰীকৃষ্ণদেৱে এইটোও কলে এই মন্দিৰৰ ভিতৰত মূৰ্তি পূজা কৰিব নালাগে। কেৱল এজন সাধু ব্যক্তি থাকিব যি দৰ্শকক পৱিত্ৰ গীতা অনুসৰি জ্ঞান প্ৰচাৰ কৰিব। সমুদ্ৰ পাৰৰ সেই ঠাইকো দেখুৱালে যত মন্দিৰটো সাজিব লাগিব। ৰাতিপুৱা সাৰপাই ৰজা ইন্দ্ৰদমনে নিজ পত্নীক কলে যে ৰাণী আজি নিশা টোপনিত ভগৱান শ্ৰীকৃষ্ণদেৱে দৰ্শন দিছে আৰু মন্দিৰ নিৰ্মাণৰ বাবে আজ্ঞা কৰিছে। ৰাণীয়ে কলে শুভ কাৰ্য্যত বিলম্ব নকৰিব। সকলো সম্পত্তি তেওঁৰেই দান। তেওঁকেই সমৰ্পন কৰিবলৈ চিন্তা কিয় কৰিছে? ৰজাই শ্ৰীকৃষ্ণদেৱে দেখুৱাই দিয়া ঠাইত মন্দিৰ সাজিলে। মন্দিৰ বনোৱাৰ পিছত সাগৰীয় ধুমুহা আহিল, মন্দিৰটো ভাঙি দিলে। একো চিন চাব নেথাকিল যে ইয়াত মন্দিৰ আছিল। এনেকৈ ৰজাই পাঁচ বাৰ মন্দিৰ সাজিছিল। পাঁচো বাৰেই সাগৰে ভাঙি দিছিল।

ৰজাই নিৰাশ হৈ মন্দিৰ নবনোৱাৰ সিদ্ধান্ত ললে। এইটোও ভাবিলে যে সাগৰে মোৰ ওপৰত কোন জনমৰ প্ৰতিশোধ লৈছে ? ৰাজ ভড়াল উদং হৈ গল, মন্দিৰ সজা নহল। কিছু দিনৰ পিছত পূৰ্ণ পৰমেশ্বৰ (কবীৰ দেব) জ্যোতি নিৰঞ্জন (কাল)ক দিয়া বচন অনুসৰি ৰজা ইন্দ্ৰদমনৰ ওচৰলৈ আহিল আৰু ৰজাক কলে হে ৰাজন! আপুনি মন্দিৰ সাজক। এতিয়া সমুদ্ৰই মন্দিৰ নেভাঙে। ৰজাই কলে সাধু মহাৰাজ মোৰ বিশ্বাস

নহয়। মই ভগৱান শ্ৰীকৃষ্ণদেৱৰ (বিষ্ণু) আদেশত মন্দিৰ সাজিছিলো। শ্ৰীকৃষ্ণদেৱে সাগৰক ভেটিব নোৱাৰিলে। পাঁচবাৰ মন্দিৰ সাজিছো, ভাবিছো কিজানি ভগৱানে মোৰ পৰীক্ষা লৈছে হবলা ? কিন্তু এতিয়া পৰীক্ষা দিয়াৰ যোগ্যতা মোৰ নাই, কিয়নো ৰাজ ভঁৰাল খালী হৈ গ'ল। এতিয়া মন্দিৰ সজাৰ মোৰ সাধ্যৰ অতীত। পৰমেশ্বৰে কলে ইন্দ্ৰদমন! যি পৰমেশ্বৰে সৰ্ব ব্ৰহ্মাণ্ডৰ ৰচনা কৰিছে, তেওঁৰেই সকলো কাৰ্য্য কৰিবলৈ সক্ষম, অন্য প্ৰভু নহয়। মই সেই পৰমেশ্বৰৰ বচন শক্তি প্ৰাপ্ত কৰিছো। মই সমুদ্ৰক ভেটিব পাৰো (নিজকে লুকোৱাই সত্য কৈছিল)। ৰজাই কলে সন্ত ম হাৰাজ! মোৰ বিশ্বাস নহয় শ্ৰীকৃষ্ণ দেৱতকৈ আন কোনো প্ৰবল শক্তি যুক্ত প্ৰভু আছে বুলি। তেওঁ যেতিয়া সমুদ্ৰৰ লগত ফেৰ মাৰিব নোৱাৰিলে তেন্তে আপুনি নো কোন খন খেতি পথাৰৰ মূলা ওলাল ? মোৰ বিশ্বাস নহয় আৰু মোৰ মন্দিৰ সজাৰ আৰ্থিক স্থিতিও নাই। সন্ত ৰূপত অহা কবীৰদেৱে (কবীৰ পৰমেশ্বৰ) কলে ৰাজন! যদি মন্দিৰ সজাৰ ইচ্ছা আছে তেন্তে মোৰ ওচৰলৈ আহিবা। আগলৈ সাগৰে মন্দিৰ নেভাঙে, এই কথা কৈ প্ৰভুৱে প্ৰস্থান কৰিলে।

সেই ৰাতি প্ৰভু শ্ৰীকৃষ্ণই আকৌ ৰজা ইন্দ্ৰদমনক দৰ্শন দিলে আৰু কলে ইন্দ্ৰদম ন আকৌ এবাৰ মন্দিৰ সজা। তোমাৰ ওচৰলৈ যিজন সন্ত আহিছিল তেখেতৰ লগত সম্পৰ্ক কৰি সাহায্যৰ কাৰণে প্ৰাৰ্থনা কৰা। তেওঁ সাধাৰণ সাধু নহয়। তেওঁৰ শক্তিৰ কোনো পাৰা-পাৰ নাই।

ৰজা ইন্দ্ৰদমনে টোপনিৰ পৰা সাৰ পালে। সপোনত দেখা গোটেই বৃত্তান্ত নিজৰ ৰাণীক কলে। ৰাণীয়ে কলে প্ৰভুৱে কৈছে যেতিয়া আপুনি বৈ নেথাকিব। ঈশ্বৰৰ মন্দিৰ আকৌ সাজক। ৰাণীৰ সদ ভাবনাযুক্ত বাণী শুনি ৰজাই কলে এতিয়া ৰাজ ভড়াল উদং, যদি মন্দিৰ নাসাজো তেন্তে প্ৰভু ৰুষ্ট হব। মই ধৰ্ম সংকটত পৰিছো। ৰাণীয়ে কলে মোৰ ওচৰত অলঙ্কাৰ আছে তাৰেই ধনেৰে মন্দিৰ সজা হৈ যাব। আপুনি এই অলঙ্কাৰবোৰ লৈ লওক আৰু প্ৰভুৰ আদেশ পালন কৰক, ইয়াকে কৈ ৰাণীয়ে ঘৰত ৰখা সকলো অলংকাৰ আৰু যি পিন্ধিছিল তাকো সোলোকাই ঈশ্বৰৰ নিমিত্তে নিজৰ পতিক দিলে।ৰজা ইন্দ্ৰদমন সাধুৰ বেশত অহা পৰমেশ্বৰৰ ওচৰ পালেগৈ। কবীৰ প্ৰভু অৰ্থাৎ অপৰিচিত সাধুক বিচাৰি উলিয়াই সমুদ্ৰক ভেটিবলৈ প্ৰাৰ্থনা কৰিলে। প্ৰভু কবীৰ্দেৱে কলে যে যি ফালৰ পৰা সমুদ্ৰৰ উত্তালঢৌ আহে, তাত সমুদ্ৰ পাৰত এখন বহিব পৰা ভেটি (বেদি) সাজা। তাৰ ওপৰত বহি মই ঈশ্বৰৰ ভক্তি কৰিম আৰু সমুদ্ৰক ৰখাম। ৰজাই কাৰিকৰৰ দ্বাৰাই এটা ডাঙৰ শিলৰ বহিব পৰা ভেটি সাজিলে। পৰমেশ্বৰ কবীৰদেৱে তাৰ ওপৰত আসন গ্ৰহণ কৰিলে। ষষ্টম বাৰ মন্দিৰ সজা আৰম্ভ হ'ল। সেই সময়ত এজন নাথ পৰম্পৰাৰ সিদ্ধ মহাত্মা আহিল। নাথদেৱে ৰজাক কলে, হে ৰাজন! বৰ ভাল মন্দিৰ সাজিছা, ইয়াৰ ভিতৰত মূৰ্তি স্থাপন কৰিব লাগিব। মুৰ্তি নোহোৱা মন্দিৰ কেনেকুৱা ? এইটো মোৰ আদেশ। ৰজা ইন্দ্ৰদমনে হাত জোৰ কৰি কলে হে নাথদেব! প্ৰভু শ্ৰীকৃষ্ণই মোক সপোনত দৰ্শন দি মন্দিৰ সাজিবলৈ আদেশ দিছে, আৰু কৈছে যে এই মন্দিৰৰ ভিতৰত মূৰ্তি ৰাখিব বা পূজা কৰিব নালাগে। ৰজাৰ কথা শুনি নাথে কলে সপোন কেতিয়াবা সত্য হয় নে? মোৰ আদেশ পালন কৰক আৰু চন্দন কাঠৰ মূৰ্তি স্থাপন কৰক। এই কথা কৈ নাথে জলপান নকৰাকৈ উঠি গ'ল। ৰজাই ভয়ত চন্দন কাঠ যোগাৰ কৰি অনালে আৰু কাৰিকৰক মূৰ্তি সজাৰ আদেশ দিলে। এক মূতি শ্ৰীকৃষ্ণদেৱৰ স্থাপন কৰিবলৈ নাথদেৱৰ আদ্দেশ আছিল। আকৌ অন্য সাধু গুৰুৱে ৰায় দিলে যে অকল প্ৰভু কেনেকৈ

থাকিব ? তেওঁ তো সদায় বলৰামক লগত ৰাখে। আন এজনে কলে ভনী সুভদ্রা তো ভগৱান শ্ৰীকৃষ্ণদেৱৰ অতি মৰমৰ ভন্টী আছিল, তাই কেনেকৈ ভাই নোহোৱাকৈ থাকিব পাৰিব ? তিনি মূৰ্তি সজাৰ সিদ্ধান্ত লোৱা হল। তিনি জন কাৰিকৰ নিযুক্ত কৰা হল। মূৰ্তি তৈয়াৰ হওঁতেই ভাঙি চিঙি টুকুৰা টুকুৰা হয়। এনেকৈ মূৰ্তি তিনিবাৰ ভাগিল। ৰজাবৰ চিন্তিত হ'ল। ভাৱিলে মোৰ ভাগ্যত এই যশস্যা আৰু পুণ্য কৰ্ম নাই। মূৰ্তি সাজো আৰু ভাঙি যায়। মুৰ্তিবোৰ নষ্ট হৈছে। নাথদেব ৰুষ্ট হৈ গুচি গ'ল। যদি কওঁ মূৰ্তি নষ্ট হৈছে, তেন্তে ভাবিব যে ৰজাই আওকান কৰিছে, যি হওক অভিশাপ যাতে নিদিয়ে। চিন্তাগ্ৰস্ত ৰজাই ৰাতি আহাৰ গ্ৰহন নকৰিলে আৰু টোপনি নগ'ল। ৰাতিপুৱা নিৰানন্দ মনেৰে ৰাজসভালৈ গল। সেই সময়ত পুৰ্ণ পৰমাত্মা (কবীৰদেব) কবীৰ প্ৰভু এজন আশী বছৰীয়া বৃদ্ধ কাৰিকৰৰ ৰূপত ৰাজসভাত উপস্থিত হল। কমৰত এটা মোনা ওলোমোৱা আছিল, যত যন্ত্ৰপাতি স্পষ্টকৈ দেখা গৈছিল, ধৰি লোৱা নোকোৱাকৈয়েকাৰিকৰে পৰিচয় দি আছিল আৰু আন বস্ত-বাহানিমোনাত ভৰাই আছিল। কাৰিকৰ বেশত প্ৰভুৱে ৰজাক কলে, মই শুনিছো ঈশ্বৰৰ মন্দিৰৰ বাবে মূৰ্তি পূৰ্ণ হোৱা নাই। মই ৮০ বছৰীয়া বৃদ্ধ আৰু অনুভৱ কিন্তু ৬০ বছৰৰ। চন্দন কাঠৰ মূৰ্তি যিকোনো কাৰিকৰে সাজিব নোৱাৰে। যদি আপোনাৰ আজ্ঞা হয় তেন্তে এই সেৱক উপস্থিত আছে। ৰজাই কলে হে কাৰিকৰ আপুনি মোৰ বাবে ভগৱানেই কাৰিকৰ হৈ আহিছে যেন লাগিছে। মই বহুত চিন্তিত আছিলো। ভাবি আছিলো যদি ভৱামতে কাৰিকৰ পাওঁ তেন্তে সমস্যাৰ সমাধান হব। আপুনি সোনকালে মূৰ্তি সাজক। বৃদ্ধ কাৰিকৰ ৰূপত অহা কবীৰদেৱে (কবীৰ প্ৰভু) কলে ৰাজন মোক এটা কোঠালী দিয়া, যাৰ ভিতৰত বহি মই মূৰ্তি তৈয়াৰ কৰিম। মই ভিতৰৰ পৰা দুৱাৰ বন্ধ কৰি পৰিস্কাৰ ভাবে মূৰ্তি সাজিম। এই মূৰ্তি যেতিয়া তৈয়াৰ হব তেতিয়া দুৱাৰ খুলিম, যদি মাজ সময়ত কোনোৱাই দুৱাৰ খুলে তেন্তে যিমানখিনি মূৰ্তি সজা হব সিমানতে ৰৈ যাব। ৰজাই কলে আপুনি যি উচিত ভাৱে তাকেই কৰক।

মূৰ্তি সজাৰ বাৰ (১২) দিন হোৱাত নাথদেব উপস্থিত হল। নাথদেৱে ৰজাক সুধিলে ইন্দ্ৰদমন মূৰ্তি সাজিছা নে ? ৰজাই বাধ্য হৈ কলে হে মহাত্মন, আপোনাৰ আজ্ঞা পুৰ্ণৰূপে পালন কৰা হৈছে। কিন্তু মোৰ দূৰ্ভাগ্য যে আধা হওঁতেই মূৰ্তি ভাঙি টুকুৰা টুকুৰা হয়। মূৰ্তিৰ টুকুৰা আনি নাথ দেৱৰ বিশ্বাসৰ কাৰণে দেখুৱালে। নাথদেৱে কলে মূৰ্তি অৱশ্যে সাজিব লাগিব। এতিয়া সাজক মই চাওঁ কেনেকৈ ভাগে ? ৰজাই কলে হে নাথ! বহুত চেষ্টা কৰিবলগীয়া হৈছে। ঈশ্বৰ প্ৰেৰিত এজন ৮০ বছৰীয়া বৃদ্ধ কাৰিকৰে বন্ধ কোঠালীত মূৰ্তি সাজি আছে। তেওঁ কৈছে যে মুৰ্তি সজাৰ পিছত মই নিজেই দুৱাৰ খুলি দিম। যদি কোনোৱাই মাজ সময়ত খুলি দিয়ে তেন্তে মুৰ্তিৰ কাম যিখিনি হৈছে সিমানতেই ৰৈ যাব। আজি মূৰ্তি সজা বাৰ দিন হৈ গল। তেওঁ বাহিৰলৈ ওলোৱা নাই, জলপান নাইবা আহাৰো খোৱা নাই। নাথে কলে, মূৰ্তি কেনেকুৱা হৈছে চাৱই লাগিব, কেনেকৈ সাজিছে ? সজাৰ পিছত নো কি চাব লাগে ? ভালকৈ সজা নহলে পুনৰ ভালকৈ সাজিম। ইয়াকে কৈ নাথে ৰজাক লগত লৈ সেই কোঠালীৰ সন্মুখলৈ গল আৰু কাৰিকৰক দুবাৰ খুলিবলৈ কলে। কেইবা বাৰো কোৱা হল যদিও দুৱাৰ নুখুলিলে আৰু যি খট খট শব্দ হৈ আছিল, সেইটোও বন্ধ হ'ল। নাথে কলে ৮০ বছৰীয়া বৃদ্ধই বাৰ দিন আহাৰ পানী কৰা নাই। এতিয়া শব্দ অহাও বন্ধ হ'ল, মৰিল নেকি ? জোৰে হেচা মাৰি দুৱাৰ ভাঙি দিয়া হল, দেখিলে যে তিনি মুৰ্তি আছে, তিনিও মুৰ্তিৰ হাত-ভৰিৰ গোৰোহা বনোৱা নাছিল। কাৰিকৰ অন্তৰ্ধান হ'ল।

মন্দিৰ সজা হৈ গল আৰু কোনো উপায় নেদেখি নিজৰ জেদত আকোৰ গোজ নাথদেৱে কলে এই মুৰ্তিকে স্থাপন কৰা হওক, হব পাৰে প্ৰভুৱে ইয়াকে স্বীকাৰ কৰিব, শ্ৰীকৃষ্ণদেৱে স্বয়ং মূৰ্তি সাজি গুচি গৈছে যেন লাগিছে।

মুখ্য পাণ্ডাই শুভ মুহুৰ্ত চাই পিছদিনাই মূৰ্তি স্থাপনা কৰিলে। সকলো পাণ্ডা লগত মুখ্য পাণ্ডা আৰু ৰজা, সৈনিক শ্ৰদ্ধাগণে মূৰ্তিত প্ৰাণ প্ৰতিষ্ঠা কৰিবৰ বাবে ওলাই আহিল। পূৰ্ণ

পৰমেশ্বৰ (কবীৰদেৱ) ক্ষুদ্ৰৰ ৰূপ ধাৰন কৰি মন্দিৰৰ মুখ্য দুৱাৰৰ মাজত মন্দিৰলৈ মুখ কৰি থিয় হৈ ৰ'ল। এনে লীলা কৰি আছিল যেন তেওঁৰ জ্ঞানেই নাই পিছফালৰ পৰা প্ৰভুৰ প্ৰাণ প্ৰতিষ্ঠা কৰিবৰ বাবে সৈন্যবোৰ আহি আছে। আগে আগে মুখ্য পাণ্ডা আহি আছিল। পৰমেশ্বৰ আকৌ তেনেদৰে দুৱাৰৰ মাজত থিয় হৈয়ে ৰল। ওচৰ আহি মূখ্য পাণ্ডাই ক্ষুদ্ৰ ৰূপত থিয় হৈ থকা পৰমেশ্বৰক এনেকৈ ঠেলা মাৰি দিলে যে দূৰত ছিটিকি পৰিল আৰু একান্ত স্থানত ক্ষুদ্ৰ লীলা কৰি বহি পৰিল। ৰজাৰ সৈতে সকলো শ্ৰদ্ধালু মন্দিৰৰ ভিতৰলৈ গৈ দেখিলে সকলো মুৰ্তি সেই দুৱাৰত থিয় হৈ থকা ক্ষুদ্ৰ ৰূপ পৰমেশ্বৰৰ ৰূপ ধাৰণ কৰি আছিল। এনে কৌতুক দেখি উপস্থিত ব্যক্তি আচৰিত হৈছিল। মুখ্য পাণ্ডাই কবলৈ ধৰিলে যে প্ৰভু ক্ষুব্ধ হৈ গৈছে, কিয়নো মুখ্য দুৱাৰ সেই ক্ষুদ্ৰই অশুদ্ধ কৰিছে। এই কাৰণে সকলো মূৰ্তিয়ে ক্ষুদ্ৰ ৰূপ ধাৰণ কৰিছে। বৰ অনিষ্ট হ'ল। কিছু সময় পিছত মুৰ্তিবোৰৰ বাস্তৱিক ৰূপ হ'ল। গঙ্গাৰ পানীৰে কেইবা বাৰো ধুই প্ৰাণ স্থাপনা কৰা হল। [কবীৰদেৱে কৈছে যে অজ্ঞানতা আৰু ভণ্ডামীৰ চৰম সীমা চাওক। কাৰিকৰে ভগৱানৰ মূৰ্তি সাজে পিছত পুজাৰী বা অন্য সাধুৱে সেই মূৰ্তিৰূপী ভগৱানক প্ৰান দিয়ে অৰ্থাৎ ঈশ্বৰক জীৱন দান দিয়ে। তেতিয়া সেই মাটিৰ বা কাঠৰ বা ধাতুৰ মূৰ্তিৰ ভগৱানে কাৰ্য্য সিদ্ধি কৰে, বাঃ কি ঠগ, ভণ্ডামীৰ দল খুব মূৰ্খ সজাইছা প্ৰভু প্ৰেমী সহজ সৰল আত্মাক।]



পৰমেশ্বৰ কবীৰ দেৱে জগন্নাথ মন্দিৰক সমুদ্ৰই ধ্বংস কৰাৰ পৰা ৰক্ষা কৰিলে।

মূর্তি স্থাপনা হোৱাৰ কিছুদিন পিছত প্ৰায় ৪০ ফুট ওখ সাগৰৰ ঢৌ উঠিল যাক সাগৰীয় ধুমুহা বোলে আৰু বহুত বেগেৰে মন্দিৰৰ ফালে আহিবলৈ ধৰিলে। সাগৰৰ পাৰত সজা শিলৰ বেদিৰ ওপৰত কবীৰ পৰমেশ্বৰ বহি আছিল। এখন হাত ওপৰলৈ দাঙিলে, যেনেকৈ আশীৰ্বাদ দিয়ে, সাগৰ থিয়ৈ থিয়ৈ ৰৈ গল পৰ্বতৰ দৰে , আগলৈ অগ্ৰসৰ হব নোৱাৰিলে। ব্ৰাহ্মণ ৰূপত সাগৰ আহিল আৰু বেদীৰ ওপৰত বহি থকা প্ৰভুক কলে হে ভগৱান! আপুনি মোক পথ এৰি দিয়ক মই মন্দিৰ ভাঙিবলৈ যাওঁ। প্ৰভুৱে কলে যে এইটো মন্দিৰ নহয়। এইটো তো মহল (আশ্ৰয়) হে। ইয়াত বিদ্বান পুৰুষ থাকিব আৰু পবিত্ৰ গীতাৰ জ্ঞান চৰ্চা কৰিব। আপুনি ইয়াক ধ্বংস কৰা শোভা নিদিয়ে। সাগৰে কলে মই ইয়াক অৱশ্যেই ভাঙিম। প্ৰভুৱে কলে - তেন্তে যোৱা তোম াক কোনে ৰখায় ? সাগৰে কলে মই বিৱশ হলো। আপোনাৰ শক্তি অপাৰ। মোক বাট দিয়ক প্ৰভু। পৰমেশ্বৰ কবীৰদেৱে কলে, আপুনি কিয় এনে কাম কৰিছে? ব্ৰাহ্মণ ৰূপী উপস্থিত সমুদ্ৰদেৱে কলে যেতিয়া এই শ্ৰীকৃষ্ণদেৱ ত্ৰেতা যুগত শ্ৰীৰামচন্দ্ৰ ৰূপত আহিছিল তেতিয়া এওঁ মোক অগ্নিবান দেখুৱাই ভাল-বেয়া কৈ অপমান কৰি পথ বিচাৰিছিল। মই তাৰে প্ৰতিশোধ লবলৈ গৈ আছিলোঁ।

পৰমেশ্বৰ কবীৰদেৱে কলে প্ৰতিশোধ তো আপুনি আগেয়ে লৈছে। আপুনী দ্বাৰকা নগৰীক বুৰাই ৰাখিছে। সাগৰে কলে এতিয়াও সম্পূৰ্ণ ৰূপে বুৰাই ৰাখিব পৰা নাই, আধা বাকী আছে। কোনোবা প্ৰবল শক্তি সম্পন্ন সন্ত সমুখত আহিছে যাৰ কাৰণে ম ই দ্বাৰকাক পূৰ্ণৰূপে বুৰাই ৰাখিব পৰা নাই। এতিয়াও চেষ্টা কৰো কিন্তু সিফালে যাব নোৱাৰো। সিফালে মোক বান্ধি ৰাখিছে। তেতিয়া পৰমেশ্বৰ কবীৰে (কবীৰদেৱ) কলে মই তাতো উপস্থিত হৈছিলো। মইয়ে তাত অৱশেষখিনি ৰক্ষা কৰিছিলো। এতিয়া যোৱা অৱশেষ থকা দ্বাৰকাকো গিলি লোৱা, কিন্তু সেই স্মৰণীয় চিহ্নক এৰি দিবা যত শ্ৰীকৃষ্ণদেৱৰ শৰীৰৰ অন্তিম সংস্কাৰ কৰা হৈছিল। (শ্ৰীকৃষ্ণদেৱৰ অন্তিম সংস্কাৰ স্থলৰ ওপৰত বৰ ডাঙৰ মন্দিৰ সজাই দিয়া হৈছিল। এই স্মৰণীয় চিহ্নৰ প্ৰমাণ যে বাস্তৱত শ্ৰীকৃষ্ণদেৱৰ মৃত্যু হৈছিল আৰু পঞ্চ ভৌতিক শৰীৰ ত্যাগ কৰিছিল। নহলে আগন্তুক উঠি অহা পুৰুষে কব যে শ্ৰীকৃষ্ণদেৱৰ মৃত্যু হোৱা নাছিল। প্ৰভুৰ আজ্ঞা পাই সাগৰে দ্বাৰিকাৰ অৱশেষ বুৰাই পেলালে। পৰমেশ্বৰ কবীৰদেৱে সাগৰক কলে আগলৈ আপুনি কেতিয়াও এই জগন্নাথ মন্দিৰক ভাঙিবলৈ চেষ্টা নকৰিব আৰু এই মহলৰ পৰা দুৰলৈ যোৱা। এনে আজ্ঞা পাই সাগৰে প্ৰভুক প্ৰণাম কৰি মন্দিৰৰ পৰা প্ৰায় দেৰ কিঃমি ঃ দূৰলৈ গুচি গল। এনেকৈ শ্ৰীজগন্নাথ মন্দিৰৰ অৰ্থাৎ জগন্নাথ ধামৰ স্থাপন হৈছিল।

**শ্ৰী জগন্নাথ মন্দিৰত অস্পৃশ্যতা আগৰে পৰাই নাই**

কিছু দিনৰ পিছত যি পাণ্ডাই প্ৰভু কবীৰক ক্ষুদ্ৰ ৰূপত ঠেলা মাৰিছিল তেওঁ কুষ্ঠ ৰোগত পৰিল। নানা প্ৰকাৰৰ ঔষধ আৰু চিকিৎসা কৰিও সুস্থ নহ'ল। কুষ্ঠৰোগৰ কষ্ট অধিকৰ পৰা অধিক বাঢ়ি গল। সকলো ধৰণৰ পূজা কৰিলে, জগন্নাথৰ ওচৰত কান্দি সংকট নিবাৰণৰ কাৰণে প্ৰাৰ্থনা কৰিলে, কিন্তু সকলো নিস্ফল হ'ল। সপোনত শ্ৰীকৃষ্ণই দৰ্শন দি কলে যে পাণ্ডা সেই সন্তৰ চৰণ ধুই চৰণামৃত পান কৰা যাক তুমি মন্দিৰৰ মুখ্য দুৱাৰত গতিয়াই উলিয়াই দিছিলা। তেতিয়াহে তেখেতৰ আশীৰ্বাদৰ দ্বাৰাই তোমাৰ কুষ্ঠ ৰোগ ভাল হব পাৰে। যদি তেখেতে তোমাক হৃদয়েৰে ক্ষমা কৰে তেন্তে হ'ব, অন্যথা নহয়।

সেইজন মুখ্য পাণ্ডা পুৱাই উঠিলে। কেইবাজন সহযোগী পাণ্ডক লগত লৈ সেই

ঠাইলৈ গল যত কবীৰ পৰমেশ্বৰ ক্ষুদ্ৰ ৰূপত বিৰাজমান হৈ আছিল। যেতিয়াই পাণ্ডা প্ৰভুৰ ওচৰলৈ আহিলে তেতিয়া পৰমেশ্বৰ উঠি গুচি যাবলৈ ধৰিলে আৰু কলে হে পাণ্ডা! মই তো নিম্ন বৰ্গৰ অস্পৃশ্য মোৰ পৰা দুৰৈত থাকা, যাতে অপৱিত্ৰ নোহোৱা। পাণ্ডাই ওচৰ চাপিলে, পৰমেশ্বৰ আগে আগে যাবলৈ ধৰিলে। তেতিয়া পাণ্ডাই উচুপি উচুপি কান্দিবলৈ ধৰিলে আৰু কলে হে ঈশ্বৰ! মোৰ দোষ ক্ষমা কৰি দিয়ক। তেতিয়া দয়ালু প্ৰভু থমকি ৰ'ল। পাণ্ডাই যতনেৰে সৈতে এক পৰিস্কাৰ বস্ত্ৰ মাটিৰ ওপৰত মেলি দি প্ৰভুক বহিবলৈ প্ৰাৰ্থনা কৰিলে। প্ৰভু সেই বস্ত্ৰৰ ওপৰত বহিল। তেতিয়া সেই পাণ্ডাই স্বয়ং ভৰি ধুই দিলে তথা চৰণামৃত পাত্ৰত ঢালি ললে। প্ৰভু কবীৰদেৱে কলে যে পাণ্ডা ৪০ দিনলৈ ইয়াক পান কৰিবা তথা গা ধুৱা পানীত ইয়াক অলপ মিলাই গা ধুই থাকিবা। চল্লিশ দিনত তোমাৰ কুষ্ট ৰোগ সমাপ্ত হৈ যাব আৰু কলে যে ভবিষ্যতলৈ এই জগন্নাথ দেবৰ মন্দিৰত কোনোৱাই জাতিভেদ কৰে তাৰো এনেই দণ্ড হ'ব। সকলো উপস্থিত ব্যক্তিয়ে অঙ্গীকাৰ কৰিলে যে আজিৰ পৰা এই পবিত্ৰ স্থানত কোনো জাতিভেদ নহব।

বিচাৰ কৰক - হিন্দুস্থানত এনেকুৱা এটাহে মন্দিৰ আছে যত আৰম্ভনিৰ পৰাই অস্পৃশ্যতা নাই।

মই দাসে সেই ঠাই চাবলৈ সুবিধা পালো। কেইবাজন সেৱকক লৈ উক্ত স্থান চাবলৈ গলো যাতে কিছু প্ৰমাণ পাব পাৰোঁ। তাত সেই সকলো প্ৰমাণৰ আজিও সাক্ষী পোৱা যায়। যি শিলৰ বেদীৰ ওপৰত বহি কবীৰ পৰমেশ্বৰে মন্দিৰ ৰক্ষাৰ কাৰণে সাগৰক ৰখাইছিল সেইটো আজিও আছে। তাৰ ওপৰত এক স্মৰণীয় গম্বুজ সজাই ৰখা হৈছে। তাত বহুত মহন্ত (চোৰাচিতা কৰা) পৰম্পৰাৰ এক আশ্ৰম আছে। তাত থকা ৭০ বছৰীয়া বৃদ্ধ মহন্তৰ পৰা ওপৰোক্ত মন্দিৰৰ সমুদ্ৰৰ পৰা ৰক্ষা পোৱাৰ বিষয়ে জানিবলৈ বিচৰাত তেওঁ এইটোকে কলে যে মোৰ পূৰ্বজ কেবা পুৰুষ ধৰি ইয়াত মহন্ত পদত আছে। ইয়াতেই শ্ৰীধৰ্মদাস দেব আৰু তেওঁৰ পত্নী ভক্তমতী আমনী দেবীয়ে দেহ ত্যাগ কৰিছিল। দুয়োৰে সমাধি একেলগে থকা দেখা যায়।

পিছত আমি শ্ৰীজগন্নাথ দেবৰ মন্দিৰলৈ গলো। তাত মূৰ্তি পূজা আজিও নাই। কিন্তু প্ৰদৰ্শনীৰ বাবে অৱশ্যে ৰখা আছে।

ভগৱানৰ যি তিনি মূৰ্তি শ্ৰীকৃষ্ণদেৱ তথা শ্ৰী বলৰাম, ভনী সুভদ্ৰা দেবী মন্দিৰৰ ভিতৰত স্থাপিত হৈছে তেওঁলোকৰ দুয়ো হাতৰ মুঠি নাই। দুয়ো কহীন। সিবোৰ মূৰ্তিৰ পূজাও নহয়, কেৱল দৰ্শনাৰ্থে ৰাখিছে। তাত পাণ্ডা গাইডক সুধিলো, শুনিছো যে এই মন্দিৰ সমুদ্ৰই পাঁচবাৰ ভাগিছিল আৰু পুনৰ সাজিছিল। সমুদ্ৰই কিয় ভাঙিছিল ? পিছত কোনে সাগৰ ভেটিলে? পাণ্ডাই কলে ইমান তো মোৰ জ্ঞান নাই। এই সকলো কৃপা জগন্নাথ দেবৰ আছিল, তেওঁৰেই সাগৰক আগ ভেটিছিল। শুনিছো যে সমুদ্ৰই তিনিবাৰ মন্দিৰ ভাগিছিল। মই আকৌ প্ৰশ্ন কৰিলো প্ৰথম বাৰেই কিয় সমুদ্ৰক প্ৰভুৱে ভেটা নাছিল ? পাণ্ডাই উত্তৰ দিলে ই জগন্নাথৰ লীলা।

মই আকৌ সুধিলো এই মন্দিৰত অস্পৃশ্যতা আছে নে, নাই ? মন্দিৰত ক্ষুদ্ৰ আৰু পাণ্ডাই এখন থালী অথবা পাতত আহাৰ কৰিব পাৰে জানো, কোনোৱেই মানা নকৰে ? মই প্ৰশ্ন কৰিলো পাণ্ডাজীক অন্য হিন্দু মন্দিৰত তো আগেয়ে বৰ জাতিভেদ আছিল, ইয়াত নাই কিয়? প্ৰভুতো সেইজনেই পাণ্ডাৰ উত্তৰ আছিল লীলা শ্ৰীজগন্নাথৰ।।

এতিয়া পুন্যাত্মা সকল বিচাৰ কৰক সত্যক কিমান দবাই (হেচি) ৰখা হৈছে, এই লীলা জগন্নাথৰ কথা কৈ। পৱিত্ৰ স্মৃতিচিহ্ন আদৰণীয়, কিন্তু আত্ম কল্যাণ কেৱল পবিত্ৰ গীতা আৰু পবিত্ৰ বেদত বৰ্ণিত আৰু পৰমেশ্বৰ কবীৰ দেৱে প্ৰদান কৰা তত্ত্বজ্ঞান অনুসৰি ভক্তি সাধনা কৰিলেহে সম্ভৱ হব, অন্যথা শাস্ত্ৰৰ বিৰুদ্ধ ভক্তি সাধনা কৰিলে মানৱ জীৱন ব্যৰ্থ হব। প্ৰমাণ গীতা অধ্যায় ১৬ মন্ত্ৰ২৩-২৪। শ্ৰীজগন্নাথৰ মন্দিৰত প্ৰভুৰ আদেশ অনুসৰি পবিত্ৰ গীতা জ্ঞানৰ মহিমাৰ গুণগান হোৱা শ্ৰেয়কৰ আৰু যেনেকৈ শ্ৰীমদ্ভাগৱত গীতাত ভক্তি বিধি আছে তেনেদৰে ভক্তি সাধনা কৰা মাত্ৰই আত্ম কল্যাণ সম্ভৱ, অন্যথা জগন্নাথ দেৱৰ দৰ্শন বা খিচিৰী প্ৰসাদ খোৱাৰ কোনো লাভ নাই, কিয়নো এইবোৰ ক্ৰিয়া শ্ৰীমদ্ভাগৱত গীতাত বৰ্ণিত নোহোৱাৰ বাবে শাস্ত্ৰ বিৰুদ্ধ হল, যি অধ্যায়-১৬ মন্ত্ৰ ২৩-২৪ ৰ ভিতৰত প্ৰমাণ আছে।

**স্বৰ্গৰ পৰিভাষা কি ?**

উদাহৰণ হিচাপে স্বৰ্গক এখন হোটেল বুলি (ৰেষ্টোৰেন্ট) ধৰি লওক। যেনেকুৱা কোনো ধনী ব্যক্তি গৰমৰ বতৰত শ্বিলং বা মিলা, কুল্লু বা মানালী আদি ঠাণ্ডা চহৰলৈ যায়। তাত কোনো হোটেলত কেইবাদিন কটায়। যত কোঠালীৰ ভাড়া তথা খোৱা-বোৱাৰ খৰচ আদি ভৰিব লগীয়া হয়। দুই অথবা তিন মাহত বিশ নাইবা ত্ৰিশ হেজাৰ টকা খৰচ কৰি পুনঃৰাই নিজৰ কৰ্মক্ষেত্ৰলৈ ঘুৰি আহিব লগীয়া হয়। পিছত দহ মাহলৈ মজদুৰী পৰিশ্ৰম কৰা। আকৌ দুই মাহ নিজৰ অৰ্জিত সঞ্চয় ধন খৰচ কৰি উভতি আহক। যদি কোনো বছৰ অৰ্জন ভাল নহল তেন্তে সেই দুই মাহৰ সুখৰ পৰা বঞ্চিত হব।

ঠিক এনেদৰে স্বৰ্গক জানিব - এই পৃথিবীলোকত পূজা, সাধনা আদি কৰি শৰীৰ এৰাৰ পিছত জীৱাত্মা স্বৰ্গৰূপী হোটেললৈ গুচি যায়। পিচত নিজৰ সঞ্চিত পুন্য খৰচ কৰি নৰকলৈ উভতি চৌৰাশী লাখ প্ৰাণীৰ শৰীৰত দুঃখ কষ্ট, পাপ-পুন্য আদি কৰ্মৰ আধাৰত ভুগিবলগীয়া হয়।

যেতিয়ালৈকে তত্ত্বদৰ্শী সন্তৰ সন্ধান নাপাব তেতিয়ালৈকে ওপৰোক্ত জন্ম মৃত্যু, স্বৰ্গ-নৰক তথা চৌৰাশী লাখ যোনী পৰিভ্ৰমণৰ কষ্ট চলিয়েই থাকিব। কিয়নো মাথোন পূৰ্ণ পৰমাত্মাৰ সত্যনাম আৰু সাৰনামেই পাপক বিনাশ কৰে। অইন প্ৰভুৰ পূজাৰ দ্বাৰা পাপ নষ্ট নহয়। সকলো কৰ্মৰ যেনে কৰ্ম তেনে ফল পায়।

এই কাৰণে গীতা অধ্যায় ৮, শ্লোক ১৬ কৈছে যে ব্ৰহ্মলোক ( মহাস্বৰ্গ)ৰ পৰা সৰ্বলোক বিনাশী। স্বৰ্গ-মহাস্বৰ্গ যেতিয়া নাথাকে তেতিয়া সাধক ক'ত থাকিব, অনুগ্ৰহ কৰি বিচাৰ কৰক।

প্ৰশ্ন- গীতা নিত্য পাঠ কৰাত লাভ আছে নে নাই ? যি দান কৰে যেনে কুকুৰক ৰুটী, ভোকাতুৰক আহাৰ, পিপৰাক আটা, তীৰ্থস্থানত দান কৰা, এইবিলাক ব্যৰ্থ নেকি ?

উত্তৰ :- ধাৰ্মিক সদ্গ্ৰন্থৰ পঠন-পাঠনৰ দ্বাৰা জ্ঞান যজ্ঞৰ ফল পায়। যজ্ঞৰ ফল কিছু সময়ৰ বাবে স্বৰ্গ অথবা যি উদ্দেশ্যৰে কৰা হয় তাৰ ফলহে পোৱা যায়, কিন্তু মোক্ষ নহয়। গীতা নিত্য পাঠ কৰাৰ মুখ্য কাৰণ হৈছে যে সদগ্ৰন্থত যি পুজা, সাধনা কৰা আৰু নকৰাৰ নিৰ্দেশ আছে তাক মনত সজীৱ কৰি ৰাখিবৰ কাৰণে। কেতিয়াও যাতে কোনো ভুল নহয়। যাৰ দ্বাৰা আমি বাস্তৱিক উদ্দেশ্য ত্যাগ কৰি খাম খেয়ালি কৰি শাস্ত্ৰ বিধি ত্যাগ কৰি নিজামতে পূজা কৰিবলৈ যাতে যত্ন নকৰো আৰু মনুষ্য জীৱনৰ মূখ্য উদ্দেশ্য যাতে মনত থাকে । মনুষ্য জীৱনৰ মুখ্য উদ্দেশ্য হৈছে আত্ম কল্যাণ। যি শাস্ত্ৰ অনুকূল

সাধনাৰ দ্বাৰাহে সম্ভৱ।

যেনে এজন খেতিয়কৰ বৃদ্ধাৱস্থাত পুত্ৰ জন্ম হল। তেওঁ ভাবিলে যে যেতিয়ালৈ লৰাটো যুৱক হৈ নিজৰ খেতিবাৰী কাৰ্য্য চম্ভালিব পৰা হয়, তাৰ আগতে তেওঁৰ মৃত্যু হব পাৰে। এই বাবে খেতিয়কে নিজৰ অভিজ্ঞতা লিখি থৈ দিলে আৰু নিজৰ লৰাক কলে, বোপাই যেতিয়া তই ডাঙৰ হৈ যুৱক হবি, তেতিয়া নিজৰ খেতিবাৰী কাৰ্য্য বুজিবৰ বাবে মই লিখা অভিজ্ঞতাবোৰ প্ৰতিদিন পঢ়িবা আৰু নিজৰ খেতি কৰিবা। পিতৃৰ মৃত্যুৰ পিছত খেতিয়কৰ লৰাই পিতাকে লিখা কথাখিনি পঢ়িবলৈ ধৰিলে। কিন্তু তাত যেনেকৈ লিখা আছিল তেনেকৈ নকৰে। সেই খেতিয়কৰ লৰা কেনেকৈ ধনবান হব ? কেতিয়াও নহয়। তেনেকৈয়ে কৰিব লাগিব যেনেকৈ পিতাকে নিজৰ অনুভৱ লিখি থৈ গৈছে।

ঠিক এইদৰে পবিত্ৰ গীতাৰ পাঠ শ্ৰদ্ধালুৱে নিত্য কৰে কিন্তু সাধনা সদগ্ৰন্থৰ বিপৰীতে কৰি থাকে। এই বাবে গীতা অধ্যায় ১৬ শ্লোক ২৩-২৪ অনুসৰি এইবোৰ ব্যৰ্থ সাধনা।

যেনে তিনিগুণ (ৰজগুণ-ব্ৰহ্ম, সৎগুণ-বিষ্ণুদেৱ, তমগুণ- শিৱ) ৰ পূজা কৰা গীতা অধ্যায় ৭ শ্লোক ১২-১৫ তথা ২০ ৰ পৰা ২৩ লৈ নিষেধ কৰা আছে আৰু শ্ৰাদ্ধ কম ́ কৰা অৰ্থাৎ পিতৰ পূজা, পিণ্ড দিয়া, মৃতকৰ অস্থি উঠাই গয়া গঙ্গাত পিণ্ডদান দিয়া, দহা, তেৰ দিনীয়া, সোতৰ দিনীয়া, মাহেকীয়া, ছয়মহীয়া, বছৰেকীয়া আদি ক্ৰিয়া কৰ্ম কৰা গীতা অধ্যায় ৯ শ্লোক ২৫ মতে নিষেধ। ব্ৰত পালন কৰা গীতা অধ্যায় ৬, শ্লোক ১৬ মতে বাধা। লিখা আছে যে হে অৰ্জুন যোগ (ভক্তি) একো নোখোৱাকৈ (যি ব্ৰত পালন কৰে) থাকিলে সিদ্ধ নহয়...... অৰ্থাৎ ব্ৰত পালন কৰা নিষেধ।

ভোকাতুৰক ভোজন দিয়া, কুকুৰ, জীৱ জন্তু পশু আদিক আহাৰ দিয়া একো বেয়া নহয়, কিন্তু পূৰ্ণ গুৰুৰ মাধ্যমেৰে তেখেতৰ আজ্ঞা অনুসৰি দান তথা হোম, যজ্ঞ আদি কৰা পূৰ্ণ লাভদায়ক হয়।

যেনে এটা কুকুৰ গাড়ীৰ ভিতৰত মালিক বহা ছিটত বহি যাত্ৰা কৰে। কুকুৰৰ ড্ৰাইভাৰ মানুহ জনেই। সেই পশুটোৰ সাধাৰণ মানুহতকৈ অধিক সুবিধা পায়। বেলেগে কোঠালী, ফেন আৰু কুলাৰ ফিটিং আদি আদি।

যেতিয়া সিটো নিৰ্বোধ প্ৰাণী মনুষ্য শৰীৰত আছিল, দানো কৰিছিল কিন্তু নিজমতে আচৰণ (পূজা) ৰ মাধ্যমে কৰা কাৰ্য্য যি শাস্ত্ৰ বিৰূধ হোৱা কাৰণে লাভদায়ক নহল। ঈশ্বৰৰ বিধান মতে যি কৰ্ম প্ৰাণীয়ে কৰিব তাৰ তেনে ফল অৱশ্যে পাব। এই বিধান তেতিয়ালৈ চলি থাকিব যেতিয়ালৈ তত্ত্বদৰ্শী সন্তৰ দ্বাৰা পূৰ্ণ পৰমাত্মাৰ মাৰ্গ দৰ্শন প্ৰাপ্ত নহয়।

যেনে কৰ্ম প্ৰাণীয়ে কৰে তেনে ফল পায়। এই বিধান অনুসৰি তীৰ্থস্থান আৰু ধাম ত অথবা অন্যস্থানত দান দিয়া কুকুৰ আদিক ভোজন কৰোৱা সকল কৰ্মৰ আধাৰত কুকুৰ যোনীলৈ গ'ল। তাতে কৃত কৰ্মৰ ফল পালে। কুকুৰ জীৱনত নিজৰ পূৰ্ব জনমৰ শুভ কৰ্মৰ পুণ্য ফল সমাপ্ত কৰি গাধৰ যোনীলৈ গুচি গ'ল। সেই গাধৰ জীৱনৰ পৰা সকলো সুবিধা কাঢ়ি লোৱা হব। গোটেই দিন মাটি, কেঁচা-পকা ইটা বোজা লব লাগিব। তাৰ পিছত অন্য প্ৰাণীৰ শৰীৰত কষ্ট সহিব আৰু নৰকো ভুগিব লাগিব। চৌৰাশী লাখ যোনীৰ কষ্ট ভোগ কৰি আকৌ মনুষ্য শৰীৰ প্ৰাপ্ত হব। জীৱনত কিন্তু ভক্তি মাৰ্গ পাব বা নাপায়। যেনে ধাম আৰু তীৰ্থলৈ যোৱা সকলৰ ভৰিৰ তলত অথবা যি বাহনেৰে যায় তাৰ চকাৰ তলত যিমান জীৱ জন্তু মৰে সিবিলাকৰ পাপো তীৰ্থযাত্ৰী বা ধামযাত্ৰী সকলে ভূগিবলগীয়া হয়। যেতিয়ালৈ পূৰ্ণ সন্ত বা গুৰু যি পূৰ্ণ পৰমাত্মাৰ সৎসাধনা

উপদেশ দিওঁতা প্ৰাপ্তি নহয় তেতিয়ালৈ পাপ নাশ (ক্ষমা) নহব, কিয়নো ব্ৰহ্মা, বিষ্ণু, মহেশ, ব্ৰহ্ম (ক্ষৰপুৰুষ/কাল) তথা পৰব্ৰহ্ম (অক্ষৰ পুৰুষ) ৰ সাধনাৰ দ্বাৰা পাপ নাশ (ক্ষমা) নহয়, পাপ তথা পুণ্য দুয়োৰে ফল ভুগিবলগীয়া হয়। যদি সেইবোৰ প্ৰাণী গীতা জ্ঞান অনুসৰি পূৰ্ণ সন্তৰ (পূৰ্ণ গুৰুদেব) শৰণ প্ৰাপ্ত কৰি পুৰ্ণ পৰমাত্মাৰ সৎভক্তি কৰে তেন্তে সৎলোকলৈ যাব পাৰে অথবা আকৌ মনুষ্য শৰীৰ পায়, পূৰ্ব পুণ্যৰ আধাৰত আকৌ কোনো সন্ত প্ৰাপ্তি হয় তেন্তে সেই প্ৰাণী পিছত শুভ কৰ্ম কৰি পাৰ হৈ যায়।

এইবাবে ওপৰোক্ত ইচ্ছামতে কৰা (পূজা) ফলদায়ক নহয়।

প্ৰশ্ন- গীতা অধ্যায় ৩ শ্লোক ৩৫ ত আৰু অধ্যায় ১৮, শ্লোক ৪৭, ত কৈছে যে বিবিধ আচৰণ (পূজা) আদি আন ধৰ্মতকৈ গুণৰহিত নিজৰ ধৰ্ম অতি উত্তম। নিজৰ ধৰ্মত মৃত্যুও কল্যাণকাৰক। আন ধৰ্ম ভয়ংকৰ। ইয়াৰ পৰা এইটো প্ৰমাণ হয় যে যিয়ে যেনে পূজা কৰক তাক ত্যাগ কৰা অনুচিত। নিজ ধৰ্মত মৃত্যুও কল্যাণজনক।

উত্তৰ :- যদি গীতা অধ্যায় ৩ শ্লোক ৩৫ আৰু অধ্যায় ১৮ শ্লোক ৪৭ ৰ অৰ্থ এইটোয়ে যে যিয়ে যি পূজা কৰে কৰি থাকক আৰু তাক ত্যাগ নকৰিব তেন্তে পবিত্ৰ শ্ৰীমদ্ভাগৱত গীতা জ্ঞানৰ কি আৱশ্যক ? মাথোন এটা শ্লোকেই যথেষ্ট। শ্ৰী গীতাৰ ভিতৰত থকা শ্লোকৰ ভাবাৰ্থ শুদ্ধ। কিন্তু অনুবাদকাৰী সকলে বিপৰীত অৰ্থ কৰি থৈছে। অনুগ্ৰহ কৰি নিম্ন বৰ্ণিত দুটা শ্লোকৰ বাস্তৱিক অৰ্থ পঢ়ক :

অধ্যায় ৩ ৰ শ্লোক নং ৩৫

শ্ৰেয়ান, স্বধৰ্মঃ, বিগুনঃ, পৰধৰ্মাত, স্বনুষ্ঠিতাত,
স্বধৰ্মে, নিধনম্, শ্ৰেয়ঃ, পৰধৰ্মঃ, ভয়াবহঃ।।

অনুবাদঃ- (বিগুনঃ) গুণৰহিত অৰ্থাৎ শাস্ত্ৰ বিধি ত্যাগ কৰি (স্বনুষ্ঠিতা) স্বয়ং মনেসজা ভাল দৰে ব্যৱহাৰত অনা (পৰধৰ্মাত) অইনৰ ধাৰ্মিক পূজাতকৈ (স্বধমঃ) নিজৰ শাস্ত্ৰবিধি অনুসৰি কৰা পূজা (শ্ৰেয়া) অতি উত্তম। শাস্ত্ৰানুকুল (স্বধৰ্ম) নিজৰ পূজাতে (নিধন) মৰাও (শ্ৰেয়ঃ) কল্যাণকাৰক আৰু (পৰধৰ্মঃ) অইন ধৰ্মৰ পূজা (ভয়বহঃ) ভয়ঙ্কৰ। অধ্যায় ১৮ শ্লোক ৪৭।

শ্ৰেয়ান, স্বধৰ্মঃ বিগুনঃ, পৰধৰ্মাত, স্বনুষ্ঠিতাত, ।
স্বভাৱ নিয়তম, কৰ্ম, কুৰ্বন, ন, আপ্নোতি, কিলবিষম।।

অনুবাদঃ-(বিগুণঃ) গুণ ৰহিত (স্বনুষ্ঠিতা) স্বয়ং মনেসজা অৰ্থাৎ শাস্ত্ৰবিধি বিৰুদ্ধ ভাল দৰে আচৰণ কৰা (পৰধৰ্মাত) অইনৰ ধৰ্ম অৰ্থাৎ ধাৰ্মিক পূজাতকৈ (স্বধৰ্মঃ) নিজৰ ধৰ্ম অৰ্থাৎ শাস্ত্ৰবিধি অনুসৰি কৰা ধাৰ্মীক পূজা (শ্ৰেয়ান) অতি শ্ৰেষ্ঠ (স্বভাৱ নিয়তম) স্বয়ং নিজ স্বভাৱ অনুসৰি মনেসজা আচৰনেৰে (কৰ্ম) ভক্তি কৰ্ম (ন) না (কুৰ্বন) কৰা (কিলবিষম্) যাৰ দ্বাৰা পাপক (আপ্নোতি) প্ৰাপ্ত হয়।

বিশেষ ঃ ইয়াৰ প্ৰমাণ গীতা অধ্যায় ১৭ শ্লোক ১ ৰ পৰা ৬ লৈ স্পষ্ট আছে।

ওপৰোক্ত শ্লোকত স্পষ্টকৈ আছে যে নিজৰ শাস্ত্ৰবিধি অনুসৰি কৰা পূজা (সাধনা) শ্ৰেষ্ঠ হয়। আনৰ জাক জমকতা পূৰ্ণ সাধনা যিমানে সুনিয়োজিত নহওক কিয়, সেইটো হানিকাৰক।

যেনে মাতাৰ জাগৰন কৰা, বহুত সুমধুৰ সঙ্গীতৰ সৈতে গীত গাই স্তুতি কৰা মনেসজা কবিতাৰে সম্পূৰ্ণ সাজসজ্জা কৰি কৰে। সেই (অনুষ্ঠানত) স্বয়ং নিৰ্মিত শাস্ত্ৰবিধি বিৰুদ্ধ পুজাত আকৰ্ষিত হৈ নিজৰ শাস্ত্ৰ অনুকুল পূজা, সাধনা ত্যাগ কৰিব নালাগে।

যেনে কোনো সাধক বা পুজাৰীয়ে সত্য সাধনাত (ঈশ্বৰৰ ভক্তি) লাগিলে তেওঁ আগৰ শাস্ত্র বিৰুদ্ধ পূজাক ত্যাগ কৰে, যেনেভূত, প্রেত, পিতৰ, শ্রাদ্ধ, পিণ্ড, মন্দিৰলৈ যোৱা আদি। তেতিয়া অন্য শাস্ত্রবিধি বিৰুদ্ধ পূজা কৰা বিলাকে কয় যে আপুনি সকলো পূজা ত্যাগ কৰিলে। আপোনাৰ ওপৰত সকলো দেৱতা ৰুষ্ট হব। এজন ব্যক্তিয়ে এনেকোৱা কৰাত তেওঁৰ একমাত্র পুত্র মৰিছিল। এনেদৰে অন্যৰ শাস্ত্রবিৰুদ্ধ সাধনাই ভয় দেখুৱাব, কিন্তু নিজে কৰা শাস্ত্রবিধি মতে পূজা, সাধনা জীৱনৰ অন্তিম শ্বাস লৈকে কৰি থকা পৰম কল্যাণ দায়ক হয়।

প্রশ্ন:- মই গীতা অধ্যায় ৬, শ্লোক ১০ পৰা ১৫ লৈ বৰ্ণিত বিধি অনুসৰি এক আসনৰ ওপৰত বহি মূৰ আৰু বাকী অঙ্গক সমান কৰি ধ্যান কৰোঁ, একাদৰ্শীৰ ব্ৰত পালন কৰোঁ, এইদৰে শান্তি প্রাপ্ত হম নে ?

উত্তৰ :- অনুগ্ৰহ কৰি আপুনি গীতা অধ্যায় ৬ শ্লোক ১৬ ভালকৈ পঢ়ক যত লিখা আছে, হে অৰ্জুন! এই যোগ (ভক্তি/পূজা) অধিক আহাৰ কৰা বিলাকৰ, বা একেবাৰে নোখোৱা (ব্রত পালনকাৰী সকলৰ) বিলাকৰ সিদ্ধ নহয়। অধিক জাগি থকা বিলাকৰ, অধিক টোপনি যোৱা সকলৰ সিদ্ধি নহয়, নতুৱা এক নিৰ্জন স্থানত বহি সাধনা কৰা সকলৰো সিদ্ধ নহয়। গীতা অধ্যায় ৬ শ্লোক ১০ ৰ পৰা ১৫ লৈ বৰ্ণিত বিধিৰ খণ্ডন গীতা অধ্যায় ৩ ৰ শ্লোক ৫ ৰ পৰা ৯ ত কৰিছে যে মূৰ্খ ব্যক্তিয়ে সমস্ত কৰ্ম ইন্দ্রিয় বোৰক দমন কৰে অৰ্থাৎ এক স্থানত বহি চিন্তণ কৰে তাক ভণ্ডামি বুলি কোৱা হয়। এইবাৰে কৰ্মযোগী (কৰ্ম কৰি কৰি পূজা/সাধনা কৰা সাধক) সকলোতকৈ শ্ৰেষ্ঠ। বাস্তৱিক ভক্তি বিধিৰ বাবে গীতা জ্ঞান দাতা প্রভুৱে (ব্রহ্ম) কোনো তত্ত্বদৰ্শীক বিচাৰিবলৈ কৈছে (গীতা অধ্যায় ৪ শ্লোক ৩৪ ) ইয়াৰ দ্বাৰা প্রমাণ হয় যে গীতা জ্ঞানদাতাই (ব্রহ্ম)ৰ দিয়া ভক্তি বিধি পূৰ্ণ নহয়। এই কাৰণে গীতা অধ্যায় ৬ শ্লোক ১০ পৰা ১৫ লৈ ব্রহ্ম (ক্ষৰ পুৰুষ/ কাল) দ্বাৰা নিজৰ সাধনাৰ বৰ্ণনা আছে আৰু নিজৰ সাধনাৰ দ্বাৰা হোৱা গতিক অতি বেয়া (অনুত্তমাম) বুলি কৈছে (গীতা অধ্যায় ৭ শ্লোক ১৮)। ওপৰোক্ত অধ্যায় ৬ শ্লোক ১০ পৰা ১৫ লৈ কৈছে যে মন আৰু ইন্দ্রিয়ক বশ কৰি ৰাখিব পৰা সাধকৰ এক বিশেষ আসন তৈয়াৰ কৰিব, যি অধিক ওখ, নাইবা অধিক চাপৰ নহয়। সেই আসনত বহি আৰু ইন্দ্রিয়বোৰক বশ কৰি মনক একাগ্র কৰিবলৈ অভ্যাস কৰক। পোনকৈ বহি ব্রহ্মচৰ্য্য পালন কৰা মনক শান্ত কৰিবলৈ চেষ্টা কৰিব। এইদৰে সাধনাত প্রবৃত্ত হোৱা সাধকে মোৰে গতি হোৱা (নিৰ্বাণ পৰমা) অতি নিৰ্জীৱ অৰ্থাৎ একেবাৰে নাম মাত্র শান্তি প্রাপ্ত হয়। এই বাবে গীতা অধ্যায় ৭ শ্লোক ১৮ নিজৰ সাধনাৰ পৰা হোৱা গতিক (লাভ) অতি বেয়া (অনুত্তমাম) বুলি কৈছে। আকৌ গীতা অধ্যায় ১৮ শ্লোক ৬২ তথা অধ্যায় ১৫ শ্লোক ৪ কৈছে যে হে অৰ্জুন! তুমি পৰম শান্তি তথা সৎলোক প্রাপ্ত হবা, পিছত পুনৰ জনম নহব, পূৰ্ণ মোক্ষপ্রাপ্ত হব। মই (কাল/ব্রহ্ম) সিজন আদি নাৰায়ণ সৎপুৰুষ পৰমেশ্বৰৰ শৰনত আছো। এইবাবে দৃঢ় নিশ্চিত হৈ তেওঁৰেই (পৰমেশ্বৰৰ) সাধনা আৰু পূজা কৰিব লাগে।

নিজৰ সাধনাৰ আনুমানিক জ্ঞানৰ আধাৰত বৰ্ণনা কৰা মাৰ্গক অধ্যায় ৬ শ্লোক ৪৭ ত স্বয়ং (যুক্ততমঃ মতঃ) অৰ্থাৎ অজ্ঞান আন্ধাৰে আচ্ছন্ন বিচাৰ বুলি কৈছে। অন্য অনুবাদ কৰ্তাই (যুক্ততমঃ মতঃ)ৰ অৰ্থ 'পৰম শ্ৰেষ্ঠ মান্য' বুলি কৰিছে। কিন্তু কৰিব লাগিছিল যে এইটো মোৰ অনুমান, অজ্ঞান আন্ধাৰ আধাৰৰ ওপৰত দিয়া মত।

কিয়নো যথাৰ্থ জ্ঞানৰ বিষয় কোনো তত্ত্বদৰ্শী সন্তৰ পৰা জানিবলৈ কৈছে (গীতা অধ্যায় ৪, শ্লোক ৩৪)। বাস্তৱিক অনুবাদ গীতা অধ্যায় ৬ শ্লোক ৪৭ ৰ।

অধ্যায় ৬ শ্লোক ৪৭

যোগীনাম্, অপি, সৰ্বেৰ্ষাম্, মতগতেন্, অন্তৰাত্মনা,
শ্ৰদ্ধাৱান্, ভজতে, যঃ, মাম্ সঃ, মে, যুক্ততমঃ, মতঃ।।

অনুবাদ :- মোৰ দ্বাৰা প্ৰদান কৰা ভক্তি বিচাৰ যি অনুমানভাবে ওপৰোক্ত শ্লোক ১০ ৰ পৰা ১৫ লৈ বৰ্ণিত পূজা বিধি যি মই অনুমান কৰি কৈছো, সেইটো পূৰ্ণ জ্ঞান নহয়, কিয়নো (সৰ্বেষাম) সকলো (যোগীনাম) সাধকৰ ভিতৰত (যঃ) যি জনে (শ্ৰদ্ধাবান) পূৰ্ণ আস্থাৰে (অন্তৰাত্মনা) আন্তৰিকতাৰে (মদগতেন) মোৰ দ্বাৰা দিয়া ভক্তিমত অনুসৰি (মাম) মোক (ভজতে) পূজা কৰে (সঃ) সেইজন (অপি) ও (যুক্ততমঃ) অজ্ঞান আন্ধাৰৰ জন্ম-মৰণ, স্বৰ্গ-নৰকৰ নিচিনা সাধনাত লীন হয়। এইটো (মে) মোৰ (মতঃ) বিচাৰ।।

ইয়াৰ প্ৰমাণ পবিত্ৰ গীতা অধ্যায় ৭ শ্লোক ১৮ আৰু গীতা অধ্যায় ৫ শ্লোক ২৯ আৰু গীতা অধ্যায় ৬ শ্লোক ১৫ ত স্পষ্ট আছে। এইবাবে গীতা অধ্যায় ১৮ শ্লোক ৬২ ত কৈছে যে হে ভাৰত! তুমি সৰ্বোতভাবে সিজন পৰমাত্মাৰ চৰণলৈ যোৱা ,যাৰ কৃপাৰ দ্বাৰাই তুমি পৰম শান্তি আৰু সনাতন পৰমধাম অৰ্থাৎ সৎলোক প্ৰাপ্ত হবা। গীতা অধ্যায় ৪ শ্লোক ৩৪ ত কৈছে যে গীতা অধ্যায় ৪ শ্লোক ৩৪ ত বৰ্ণিত তত্ত্বদৰ্শী সন্ত পোৱাৰ পিছত সেইজন পৰমপদ পৰমেশ্বৰক ভালকৈ বিচাৰিব লাগে, যলৈ যোৱাৰ পিছত সাধকে আকৌ এই সংসাৰলৈ উভতি নাহে অৰ্থাৎ জন্ম-মৃত্যু কষ্টৰ পৰা চিৰদিনৰ বাবে মুক্ত হৈ যায়। যিজন পৰমেশ্বৰে সংসাৰ ৰূপী বৃক্ষৰ ৰচনা কৰিছে মইও (ব্ৰহ্ম) সেই আদি পুৰুষ পৰমেশ্বৰৰ শৰণাগত। তেখেতক হে ভক্তি কৰিব লাগে।

গীতা অধ্যায় ৩ শ্লোক ৫ ৰ পৰা ৯ ত গীতা অধ্যায় ৬ শ্লোক ১০ ৰ পৰা ১৫ লৈ থকা জ্ঞানক ভুল বুলি সিদ্ধ কৰিছে। অৰ্জুনে সুধিলে প্ৰভু মনক দমন কৰা বৰ কঠিন। ভগৱানে উত্তৰ দিলে অৰ্জুন মনক দমন কৰাতো বায়ুক দমন কৰাৰ সমান। আকৌ এইটোও কৈছে যে নিঃসন্দেহে কোনো ব্যক্তিয়ে যি কোনো সময়ত অলপমানো কৰ্ম নকৰাকৈ নেথাকে। মহামূৰ্খ মনুষ্য সকলে কৰ্ম ইন্দ্ৰিয় বোৰক বাধ্য কৰি উপৰুৱাকৈ দম ন কৰে তেওঁ মনেৰে কিছু নহয় কিছু চিন্তা কৰে। এইবাবে এক স্থানত হঠযোগ কৰাৰ বাবে নবহি সাংসাৰিক কাৰ্য্য কৰি (কৰ্মযোগ) সাধনা কৰাই শ্ৰেষ্ঠ। কৰ্ম নকৰা অৰ্থাৎ হঠ যোগৰ সহায়ত এক স্থানত বহি সাধনা কৰাতকৈ কৰ্ম কৰি কৰি সাধনা কৰা শ্ৰেষ্ঠ। এক স্থানত বহি কৰা সাধনা (অকৰ্মনা) কৰিলে তোমাৰ জীৱন নিৰ্বাহ কেনেকৈ হব ? শাস্ত্ৰবিধি ত্যাগ কৰি কৰা সাধনা (হঠযোগ এক আসনৰ ওপৰত বহি থকা) কৰিলে কৰ্ম বন্ধনৰ কাৰণ হয়, সেয়ে শাস্ত্ৰ অনুকুল কৰ্ম সাধনা কৰাই শ্ৰেষ্ঠ। এইবাবে সাংসাৰিক কাৰ্য্য কৰি থকাৰ মাজতে সাধনা কৰা। গীতা অধ্যায় ৮ শ্লোক ৭ ত কৈছে যে যুদ্ধও কৰা, মোৰ স্মৰণ কৰা, এইদৰে মোক পাবা। গীতা অধ্যায় ৭ শ্লোক ১৮ আৰু অধ্যায় ১৮ শ্লোক ৬২ ত কৈছে যে মোৰ সাধনাৰ দ্বাৰা হোৱা লাভ (গতি) অতি বেয়া (অনুত্তম া)। এই কাৰণে সেইজন পৰমেশ্বৰৰ চৰণলৈ যোৱা যাৰ কৃপাৰ দ্বাৰাই তুমি পৰম শান্তি আৰু (শাশ্বত স্থান) সৎলোক প্ৰাপ্ত হবা। সিজন পৰমেশ্বৰৰ ভক্তি বিধি আৰু পূৰ্ণ জ্ঞান (তত্ত্বজ্ঞান) কোনো তত্ত্বদৰ্শী সন্তৰ সন্ধান কৰি তেওঁৰ পৰা সুধি লবা, মইয়ো (গীতা জ্ঞান দাতা ব্ৰহ্ম/কাল/ক্ষৰপুৰুষ) সেই জ্ঞানৰ বিষয়ে নাজানো।

প্ৰশ্নঃ- গীতা অধ্যায় ১৫ শ্লোক ১৮ ত কৈছে যে মই পৰম্পৰাগতভাৱে চলি অহা বিচাৰ ধাৰাতহে পুৰুষোত্তম নামেৰে প্ৰসিদ্ধ। ইয়াৰ পৰা এইটো সিদ্ধ হয় যে গীতা জ্ঞানদাতা প্ৰভু সৰ্ব শক্তিমান আৰু গীতা অধ্যায় ১২ ত গীতা জ্ঞান দাতাই পূৰ্ণভাৱে গীতা জ্ঞান দাতাৰ মহিমা কৈছে।

উত্তৰ - গীতাৰ ভিতৰত গীতা জ্ঞান দাতা প্ৰভুৱে নিজৰ সাধনা তথা সাম্যৰ্থৰ বিষয়ে কৈছে আৰু লগে লগে সিজন পূৰ্ণ পৰমাত্মাৰ মহিমাও কৈছে। আৰু সেই পৰমেশ্বৰৰ সাধনাৰ বাবে তত্ত্বদৰ্শী সন্তৰ প্ৰতিও সংকেত দিছে। গীতা অধ্যায় ১২ ব্ৰহ্ম (ক্ষৰপুৰুষ-কাল)ৰ মহিমাৰে পৰিপূৰ্ণ তথা গীতা অধ্যায় ১৩ গোটেইখিনি পুৰ্ণ পৰমাত্মা অৰ্থাৎ আদি পুৰুষ পৰমেশ্বৰৰ মহিমাৰে পৰিপুৰ্ণ। গীতা অধ্যায় ১৫ শ্লোক ১-৪ আৰু ১৬-১৭ লৈকে পূৰ্ণ পৰমাত্মা, আৰু পৰব্ৰহ্ম, ব্ৰহ্ম আদিৰ নিৰ্ণায়ক জ্ঞান দিয়া আছে।

গীতা অধ্যায় ১৫ ৰ শ্লোক ১৬ ত কৈছে যে পৃথিবী তত্ত্বৰে নিৰ্মিত লোক (ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ড তথা পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড পৃথিৱী তত্বেৰে স্ৰজিত হোৱা কাৰনে এক লোক কোৱা হয়) ত দুজন প্ৰভু আছে। এজন ক্ষৰপুৰুষ অৰ্থাৎ ব্ৰহ্ম, আনজন অক্ষৰপুৰুষ অৰ্থাৎ পৰব্ৰহ্ম। এই দুই প্ৰভুৰ অন্তৰ্গত যিমানেই প্ৰাণী আছে সিঁহতৰ তথা এই দুই প্ৰভুৰ স্থুল শৰীৰো বিনাশী আৰু জীৱাত্মক অৱিনাশী বুলি কোৱা হৈছে।

গীতা অধ্যায় ১৫ ৰ শ্লোক ১৭ ত কৈছে যে বাস্তৱত পুৰুষোত্তম অৰ্থাৎ সৰ্ব শক্তিম ান পৰমেশ্বৰ ওপৰোক্ত দুয়োৰে পৰা পৃথক, যি জনক পৰমাত্মা বুলি কোৱা হয়। যি তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে ধাৰন-পোষণ কৰে। তেওঁকেই বাস্তৱত অবিনাশী পৰমেশ্বৰ বুলি কোৱা হয়।

গীতা অধ্যায় ১৫ ৰ শ্লোক ১৮ গীতাজ্ঞান দাতাই (ক্ষৰপুৰুষ/ব্ৰহ্ম) নিজৰ স্থিতি বৰ্ণাই কৈছে যে মোক লোক বেদত (দন্তকথা/ কাল্পনিক কথা) পুৰুষোত্তম বুলি কয়, কিয়নো মই একৈশ ব্ৰহ্মাণ্ডত যিমান প্ৰাণী মোৰ অধীনত আছে, সিবিলাকে স্থুল শৰীৰতে বিনাশী হয়, বা আত্মাৰূপতে অবিনাশী, মই সিঁহতকৈ উত্তম (শ্ৰেষ্ঠ)। এইবাবে ম ই লোক বেদৰ আধাৰত পুৰুষোত্তম হিচাবে প্ৰসিদ্ধ হৈছো। বাস্তৱত পুৰুষোত্তম তো কোনোৱা আন এজন পৰমেশ্বৰে হে, গীতা অধ্যায় ১৫ শ্লোক ১৭ ত কৈছে।

প্ৰশ্ন- গীতা অধ্যায় ১০ শ্লোক ২ আৰু ৩ ত কৈছে যে মোৰ উৎপত্তি কোনেও নাজানে। যিয়ে মোক অনাদি অজন্মা তত্বেৰে জানে তেওঁ সকলো পাপৰ পৰা মুক্ত হৈ যায়। ইয়াৰ দ্বাৰা স্পষ্ট যে ব্ৰহ্মৰ জন্ম নাই আৰু সৰ্ব পাপক নষ্ট কৰে।

উত্তৰ - গীতা অধ্যায় ১০ শ্লোক ২ ত পুনৰ ভালকৈ পঢ়ক যত কৈছে যে মোৰ উৎপত্তিক দেৱতা, (ব্ৰহ্মা, বিষ্ণু, তথা শিৱ আদি) মহৰ্ষিয়ে নাজানে কিয়নো সেইবোৰ সকলো মোৰ পৰাই উৎপন্ন হৈছে।

এই শ্লোকৰ দ্বাৰা স্বতঃসিদ্ধ হয় যে গীতা জ্ঞান দাতা প্ৰভুৰ উৎপত্তি অৰ্থাৎ জন্ম হৈছে কিন্তু কাল (ব্ৰহ্ম) ৰ পৰা উৎপন্ন দেৱতা আৰু ঋষিয়ে নাজানে, কিয়নো সেইবোৰ কালৰ পৰাই উৎপন্ন হৈছে। যেনে পিতাৰ জন্মৰ বিষয়ে সন্তানে নাজানে, কিন্তু পিতাৰ পিতা - ককাদেউতাই কৈ দিয়ে। পূৰ্ণ পৰমাত্মাই স্বয়ং কাল লোকত প্ৰকট হৈ ব্ৰহ্মৰ উৎপত্তিৰ বিষয়ে কৈছে।

গীতা অধ্যায় ১০ শ্লোক ৩ ৰ অনুবাদ ভুল কৰিছে। যেনে গীতা অধ্যায় ২ শ্লোক ১২ আৰু অধ্যায় ৪, শ্লোক ৫ ত নিজে নিজক বিনাশী আৰু জন্ম-মৃত্যু বাৰ বাৰ প্ৰাপ্ত

হোৱা বুলি কৈছে আৰু অধ্যায় ২ শ্লোক ১৭ আৰু অধ্যায় ৮ শ্লোক ৩, ৮ পৰা ১০ আৰু ২০ আৰু অধ্যায় ১৫ শ্লোক ৪, ১৬-১৭ ৰ ভিতৰত কোনো অন্য অবিনাশী অনাদি পৰমাত্মাৰ বিষয়ে কৈছে।

সেইবাবে গীতা অধ্যায় ১০ শ্লোক ৩ ত কৈছে যে যি মনুষ্যৰ ভিতৰত বিদ্বান অৰ্থাৎ তত্ত্বদৰ্শী সন্তই মোক আৰু সিজন অনাদি, বাস্তৱত জন্ম ৰহিত, সৰ্বলোকৰ ম হেশ্বৰ অৰ্থাৎ পৰমেশ্বৰক তত্ত্বৰ দ্বাৰাই জানে সেইজন তত্ত্বদৰ্শী সন্তই সৎজ্ঞান উচ্চাৰণ কৰে, যাৰ দ্বাৰা সৎ সাধনা কৰি পাপৰ পৰা মুক্ত হয়। ইয়াৰ প্ৰমাণ গীতা অধ্যায় ৪ শ্লোক ৩৪ ৰ ভিতৰতো আছে।

অনুগ্ৰহ কৰি পঢ়ক গীতা অধ্যায় ১০ শ্লোক ৩ ৰ যথাৰ্থ অনুবাদ - অধ্যায় ১০ শ্লোক ২

ন, মে, বিদুঃ, সুৰগণাঃ, প্ৰভবম্, ন, মহৰ্ষয়ঃ,
অহম, আদিঃ, হি, দেবানাম্, মহৰ্ষীনাম্, চ, সৰ্বশঃ।।

অনুবাদ ঃ- (মে) মোৰ (প্ৰভৱম্) উৎপত্তিক (ন) না (সুৰগণাঃ) দেৱতালোকে জানে আৰু (ন) না (মহৰ্ষয়ঃ) মহৰ্ষি জনেই (বিদুঃ) জানে, (হি) কিয়নো (অহম) ম ই (সৰ্বশঃ) সকলো প্ৰকাৰৰ (দেবানাম) দেৱতা (চ) আৰু (মহৰ্ষির্না) মহৰ্ষি বিলাকৰো (আদিঃ) আদি অৰ্থাৎ উৎপত্তিৰ কাৰণ।

অধ্যায় ১০ শ্লোক ৩

যঃ, মাম্, অজম্, অনাদিম্, চ, বেত্তি, লোক মহেশ্বৰম্,
অসউমুঢ়ঃ, সঃ, মৰ্ত্যেষু, সৰ্বপাপৈঃ, প্ৰমুচ্যয়তে।।

অনুবাদঃ- (যঃ) যি বিদ্বান ব্যক্তিয়ে (মাম) মোক (চ) আৰু (অনাদিম) অবিনাশী অৰ্থাৎ পুৰাতন (অজম) জন্ম নোলোৱা (লোক মহেশ্বৰ) সৰ্ব লোকৰ মহান ঈশ্বৰ অৰ্থাৎ সৰ্বোচ্চ পৰমেশ্বৰক (বেত্তি) জানে (সঃ) তেওঁ (মৰ্ত্যেষু ) শাস্ত্ৰক শুদ্ধভাবে জনা অৰ্থাৎ বেদ অনুসৰি জ্ঞান জনা (অসম্মুঢ়ঃ) অৰ্থাৎ তত্ত্বদৰ্শী বিদ্বানে (সৰ্ব পাপৈঃ) সকলো পাপক (প্ৰমুচ্যয়তে) বিস্তৃত বৰ্ণনাৰে সৈতে কয় অৰ্থাৎ তেওঁ সৃষ্টিৰ জ্ঞান আৰু কৰ্মৰ শুদ্ধ বৰ্ণনা কৰে অৰ্থাৎ অজ্ঞানৰ পৰা পূৰ্ণৰূপে মুক্ত কৰে। যি কাৰণে তত্ত্বদৰ্শী সন্তৰ দ্বাৰা দিয়া বাস্তৱিক সাধনাৰ আধাৰৰ ওপৰত ভক্তি কৰোতা সকলৰ সকলো পাপ নষ্ট হয়।

**গীতা জ্ঞানদাতা ব্ৰহ্ম (কাল)ৰ উৎপত্তিৰ সংকেত**

গীতা অধ্যায় ১০ শ্লোক ২ ত কৈছে অৰ্জুন মোৰ উৎপত্তি (জন্ম) দেৱতাবোৰে, ম হৰ্ষি আদি কোনেও নাজানে। কিয়নো এই সকলো বিলাক মোৰ দ্বাৰাই উৎপত্তি হৈছে। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে ব্ৰহ্ম (কাল)ৰ উৎপত্তি হৈছে অথচ দেৱতা আৰু ঋষি বিলাকে নাজানে। যেনেকৈ পিতাৰ উৎপত্তি পুত্ৰই কব নোৱাৰে কিন্তু ককাদেউতাকে জানে। ঠিক এনেদৰে একৈশ ব্ৰহ্মাণ্ডত থকা সকলো দেব-ঋষি আদি জ্যোতি-নিৰঞ্জন-ব্ৰহ্ম অৰ্থাৎ কাল আৰু প্ৰকৃতি (দুৰ্গা)ৰ মিলনত উৎপন্ন হৈছে। এই কাৰণে কৈছে যে মোৰ উৎপত্তি একৈশ ব্ৰহ্মাণ্ডৰ ভিতৰত কোনেও নাজানে, কিয়নো সকলোৰ উৎপত্তি মে াৰ দ্বাৰাই হৈছে। কেৱল পূৰ্ণ ব্ৰহ্মই কাল (ব্ৰহ্ম)ৰ উৎপত্তিৰ কথা কব পাৰে। কিয়নো ব্ৰহ্ম (কাল) ৰ উৎপত্তি পৰম অক্ষৰ ব্ৰহ্ম (পূৰ্ণ ব্ৰহ্ম) ৰ দ্বাৰাই হৈছে। যিটো গীতা অধ্যায় ৩ শ্লোক ১৪-১৫ ৰ ভিতৰত ব্ৰহ্মৰ উৎপত্তিৰ প্ৰত্যক্ষ প্ৰমাণ আছে। অধ্যায় ১০ শ্লোক ৩ ত যি তত্ত্বদৰ্শী অৰ্থাৎ বিদ্বান ব্যক্তিয়ে মোক তথা কেতিয়াও জন্ম গ্ৰহণ নকৰা সৰ্বলোকৰ মহেশ্বৰ অৰ্থাৎ অবিনাশী পৰমাত্মক জানে তেওঁ তিনি বেদ (ঋক বেদ, সাম

বেদ তথা যজুর্বেদ) ক বিস্তৃত ভাবে জানে সেয়ে তেওঁ তত্ত্বদর্শী সন্ত হয়। তেওঁৰ দ্বাৰা বৰ্ণিত ভক্তি মাৰ্গ অনুসৰি সাধনা কৰিলে সৰ্বপাপ নষ্ট হয়। গীতা অধ্যায় ১৫ শ্লোক ১৬, ১৭, ১৮,ত আছে যে অবিনাশী পূৰ্ণ পৰমাত্মা আন এজন হে, যি তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে ধাৰণ পোষণ কৰে। মোক (কাল) কেৱল এই কাৰণে পুৰুষোত্তম বোলে, কিয়নো মই একৈশ ব্ৰহ্মাণ্ডৰ ভিতৰত মোৰ অধীন স্থূল শৰীৰৰ বিনাশী প্ৰাণী আৰু অবিনাশী জীৱতকৈ উত্তম । এই কাৰণে মোক লোকবেদ অনুসৰি অৰ্থাৎ কাল্পনিক কথাৰ আধাৰত পুৰুষোত্তম বুলি কয়, কিন্তু বাস্তৱত মই অবিনাশী অথবা পালন কৰ্তা নহওঁ। গীতা অধ্যায় ৩ শ্লোক ১৪-১৫ ত কৈছে যে সৰ্বজীৱ অন্নৰ পৰাই উৎপন্ন হয়, বৰষুণৰ পৰাই অন্ন হয়, বৰষুণ যজ্ঞৰ পৰাই হয়, যজ্ঞ শুভ কম ৰ্ৰ দ্বাৰা, কৰ্ম ব্ৰহ্মৰ পৰা উৎপন্ন হৈছে। ব্ৰহ্ম অবিনাশী পৰমাত্মাৰ পৰা উৎপন্ন হৈছে। সেই অবিনাশী সৰ্বব্যাপক পৰমাত্মাই যজ্ঞত প্ৰতিষ্ঠিত, যজ্ঞত পূজনীয় তেওঁৱেই, যজ্ঞৰ ফল দিয়ে অৰ্থাৎ বাস্তৱত অধিযজ্ঞ তেওঁৱেই।

আকৌ গীতা অধ্যায় ১০ শ্লোক ২ ত কৈছে যে মোৰ উৎপত্তি (প্ৰভৱম) কোনেও নেজানে। ইয়াতে সিদ্ধ হয় যে কালৰো (ব্ৰহ্ম) উৎপন্ন হৈছে। এইবাবে এওঁ ক'ৰবাত আকাৰতো আছে। কৃষ্ণদেব অৰ্জুনৰ সমুখতেই থিয় হৈ আছিল। তেওঁতো কবই নোৱাৰিব যে মই অনাদি অজম (অজন্মা)। এই সকলোখিনি কাল (অদৃশ্য ব্ৰহ্মই) শ্ৰীকৃষ্ণ দেৱৰ শৰীৰৰ ভিতৰত জীৱন্ত ৰূপত (প্ৰেতৱত প্ৰৱেশ কৰি) বৰ্ণনা কৰি কৰি নিজৰ প্ৰতিষ্ঠা (স্থিতি)ৰ সঠিক সূচনা গীতাৰ ৰূপত দি গ'ল।

ওপৰোক্ত বিৱৰণৰ পৰা গীতাত প্ৰমাণ হয় যে ব্ৰহ্মৰ উৎপত্তিও পূৰ্ণ ব্ৰহ্মৰ পৰা হৈছে। এই প্ৰমাণ অথৰ্ব বেদ কাণ্ড ৪ অনুবাক ১ মন্ত্ৰ ৩ আছে, অনুগ্ৰহ কৰি তলৰ মন্ত্ৰ পঢ়ক-

কাণ্ড নং ৪, অনুবাক -১ , মন্ত্ৰ নং ৩ ঃ

প্ৰ যো জজ্ঞে বিদ্ধানস্য বন্ধুৰ্বিশ্বা দেবানাম জনিমা বিৱক্তি।

ব্ৰহ্ম ব্ৰহ্মণ উজ্জভাৰ মধ্যান্নীচৈৰুচ্চৈঃ স্বধা অভি প্ৰ তস্থৌ।। ৩।।

প্ৰ-যঃ-জজ্ঞে-বিদ্যানষ্য-বন্ধুঃ-বিশ্বা-দেবানাম্-জনিমা-বিৱক্তি-ব্ৰহ্মঃ-ব্ৰহ্মণঃ উজ্জভাৰ-ম ধ্যাত্- নিচৈঃ - উচ্চৈঃ-স্বধা-অভিঃ- প্ৰতস্থৌ।

অনুবাদ ঃ- (প্ৰ) সৰ্ব প্ৰথমে (দেবানাম্) দেৱতাবিলাকৰ আৰু ব্ৰহ্মাণ্ডৰ (জজ্ঞে) উৎপত্তিৰ জ্ঞানক (বিদ্যানস্য) জিজ্ঞাসু ভক্তৰ (যঃ) যি (বন্ধু) বাস্তৱিক লগৰীয়া অৰ্থাৎ পূৰ্ণ পৰমাত্মাই নিজা সেৱকক (জনিমা) সকলো সৃষ্টি কৰ্তা নিজৰ দ্বাৰা সৃজন কৰা (বিবক্তি) স্বয়ং বিস্তাৰিত ভাবে ঠিকভাৱে কয় যে (ব্ৰহ্মণঃ) পূৰ্ণ পৰমাত্মাই (মধ্যাত) নিজৰ পৰা অৰ্থাৎ শব্দ শক্তিৰ দ্বাৰা (ব্ৰহ্মঃ) ব্ৰহ্ম ক্ষৰপুৰুষ অৰ্থাৎ কালক (উজ্জভাৰ) উৎপন্ন কৰি (বিশ্বা) গোটেই সংসাৰক অৰ্থাৎ সৰ্বলোকক (উচৈঃ) ওপৰত সৎলোক আদি (নিচৈঃ)তলৰ পৰব্ৰহ্ম আৰু ব্ৰহ্মৰ সৰ্ব ব্ৰহ্মাণ্ড (স্বধা) নিজৰ ধাৰণ কৰা (অভিঃ) আকৰ্ষন শক্তিৰ দ্বাৰা (প্ৰতস্থৌ) দুইকো ভালদৰে স্থিৰ কৰিলে।

ভাবাৰ্থ ঃ- পুৰ্ণ পৰমাত্মাই নিজৰ দ্বাৰা ৰচিত সৃষ্টিৰ জ্ঞান তথা সৰ্ব আত্মাৰ উৎপত্তিৰ জ্ঞান নিজৰ সেৱকক স্বয়ং কয় যে পূৰ্ণ পৰমাত্মাই নিজৰ মধ্য অৰ্থাৎ নিজৰ শৰীৰৰ পৰা নিজা শব্দ শক্তিৰ দ্বাৰা ব্ৰহ্ম (ক্ষৰপুৰুষ - কাল) ৰ উৎপত্তি কৰিলে তথা সৰ্ব ব্ৰহ্মাণ্ডৰ ওপৰত সৎলোক, অলখলোক, অগমলোক, অনামীলোক আদি আৰু তলত

পৰব্ৰহ্মৰ সাত শংখ ব্ৰহ্মাণ্ড আৰু ব্ৰহ্মৰ একৈশ ব্ৰহ্মাণ্ডক নিজে ধাৰণ কৰা আকৰ্ষণ শক্তিৰ দ্বাৰা স্থিৰ কৰি ৰাখিছে।

যেনে পূৰ্ণ পৰমাত্মা কবীৰ পৰমেশ্বৰ (কবীদেব) নিজৰ সেৱক অৰ্থাৎ সখা শ্ৰী ধৰ্মদাসজী, আদৰণীয় গৰীব দাসজী আদিক নিজৰ দ্বাৰা ৰচিত সৃষ্টিৰ জ্ঞান স্বয়ং শুনাইছিল। ওপৰোক্ত বেদ মন্ত্ৰই ইয়াকে সিদ্ধ কৰে।

কাণ্ড নং ৪ অনুবাক নং ১ মন্ত্ৰ ৭

য়থৌৰ্রানম্ পিতৰম্ দেৱবনন্ধুম্ বৃহ্স্পতিম্ নমসাৱ চ গচ্ছাত্।
ত্বম্ ৱিশ্বেষম্ জানিতা য়থাসঃ কৱিৰ্দেৱো ন দভায়ত্ স্বধাৱান্।।৭।।

য়ঃ - অথৱাৰ্ণম- পিতৰম - দেৱবন্ধুম- বৃহস্পতিম্- নমসা- অৱ-চ- গচ্ছাত- ত্বম-বিশ্বেষাম- জনিতা- যথা- সহঃ- কৱিৰ্দেবঃ- ন- দভায়ত- স্ব ধাবান

অনুবাদ - (য়ঃ) যি (অথৰ্বাণম) অচল অৰ্থাৎ অবিনাশী (পিতৰম) জগত পিতা (দেব বন্ধুম) ভকতৰ বাস্তৱিক সঙ্গী অৰ্থাৎ আত্মাৰ আধাৰ (বৃহস্পতিম) জগত গুৰুৱে (চ) তথা (নমসা) বিনম্ৰ পুজাৰী অৰ্থাৎ বিধিবৎ সাধকক (অব) সুৰক্ষাৰে সৈতে (গচ্ছাত) সৎলোকলৈ যোৱা বিলাকক সৎলোকলৈ লগত লৈ যোৱা (বিশ্বেষাম) সৰ্ব ব্ৰহ্মাণ্ডৰ (জনিতা) সৃষ্টি কৰোতা জগদম্বা অৰ্থাৎ মাতৃ গুনেৰেও যুক্ত (ন দভায়ত) কালৰ দৰে নঠগোৱা (স্বধাবান) স্বভাৱ অৰ্থাৎ গুণৰ (যথা) যেনে তেনে অৰ্থাৎ তেনেকুৱাই (সঃ) সেইজন (ত্বম্) আপুনি (কৱিৰ্দেবঃ কৱিৰ-দেবঃ) কৱিৰ্দেব অৰ্থাৎ ভাষা ভিন্ন ইয়াক কবীৰ পৰমেশ্বৰো বোলা হয়।

ভাবাৰ্থ ঃ- এই মন্ত্ৰত এইটো স্পষ্ট কৰি দিছে যে তেওঁ পৰমেশ্বৰ কৱিৰ্দেৱ অৰ্থাৎ কবীৰ পৰমেশ্বৰ, যি সকলোকে সৃষ্টি কৰিছে।

যি পৰমেশ্বৰ অচল অৰ্থাৎ বাস্তৱত অবিনাশী (গীতা অধ্যায় ১৫, শ্লোক ১৬ -১৭ ত প্ৰমাণ আছে) জগতগুৰু, আত্মাধাৰ, যি পূৰ্ণ মুক্ত হৈ সৎলোকলৈ গৈছে তেওঁলোকক সৎলোকলৈ লৈ যোৱা, সৰ্ব ব্ৰহ্মাণ্ডৰ সৃজনকাৰী, কাল (ব্ৰহ্ম)ৰ দৰে নঠগা, তেওঁৱেই স্বয়ং কৱিৰ্দেব অৰ্থাৎ কবীৰ প্ৰভু। এই পৰমেশ্বৰক সৰ্ব ব্ৰহ্মাণ্ডক আৰু প্ৰাণী সমূহক নিজৰ বচনৰে উৎপন্ন কৰা কাৰণে (জনি) মাতৃ বুলিও কোৱা হয় আৰু (পিতৰ) পিতা আৰু (বন্ধু) ভাই বাস্তৱত এওঁৱেই (দেব), পৰমেশ্বৰো এওঁৱেই। এইবাবে এই কৱিৰ্দেব (কবীৰ পৰমেশ্বৰ)ৰ স্তুতি, বন্দনা আদি কৰা হয়। ত্বমেব মাতা চ পিতা ত্বমেব, ত্বমেব বন্ধু চ সখা ত্বমেব, ত্বমেব সৰ্ব মম্‌দেব, দেব। এই পৰমেশ্বৰৰ মহিমা ঋকবেদ মণ্ডল নং ১, সুক্ত নং ২৪ত, বিস্তৃত বিৱৰণ আছে।

প্ৰশ্ন- বেদত কবিৰ অৰ্থাৎ কবীৰ নামৰ বিৱৰণ কেনেকৈ আহিল ? বেদ সৃষ্টিৰ আৰম্ভণিত প্ৰাপ্ত হৈছিল। কৱিৰ্দেব (কবীৰ পৰমেশ্বৰ) চন ১৩৯৮ চনত প্ৰকট হৈছিল ?

উত্তৰ :- পূৰ্ণ পৰমাত্মাৰ বাস্তৱিক নাম কৱিৰ্দেব আৰু উপমাত্মক নাম সৎপুৰুষ, পৰম অক্ষৰ ব্ৰহ্ম, পূৰ্ণব্ৰহ্ম আদি। যেনে দেশৰ প্ৰধান মন্ত্ৰীৰ শৰীৰৰ নাম বেলেগ আৰু কিছু পদবীৰ নাম প্ৰাইম মিনিষ্টাৰ, প্ৰধান মন্ত্ৰী আদি। এই পূৰ্ণ পৰমাত্মা কৱিৰ্দেৱ নাম ান্তৰণ কৰি চাৰিও যুগত অৱতৰণ কৰি আহিছিল আৰু সৃষ্টি ৰচনা আৰু বেদ ৰচনাৰ পূৰ্বেও অনামী (অনাময়) লোকত মানৱ সদৃশ শৰীৰত কৱিৰ্দেৱে নামেৰে বিদ্যমান আছিল। সেই জন কৱিৰ্দেব পিচত সৎলোকত ৰচনা কৰি সৎলোকলৈ বিৰাজমান হৈ গল। তাৰ পাছত পৰব্ৰহ্ম তথা ব্ৰহ্মৰ সৰ্বলোক আৰু বেদৰ ৰচনা কৰিছিল এই বাবে

বেদৰ ভিতৰত কবিৰ্দেব নামৰ বিৱৰণ আছে।

**কবীৰ পৰমেশ্বৰৰ দ্বাৰা বিভীষন তথা মন্দোদৰীক শৰনত লোৱা**

পৰমেশ্বৰ মুনিন্দ্ৰ অনল অৰ্থাৎ নল আৰু অনীল অৰ্থাৎ নীলক শৰনত লোৱাৰ উপৰিও শ্ৰী লংকা লৈ গ'ল। তাত এক পৰম ভক্ত চন্দ্ৰবিজয়ৰ ষোল্ল সদস্যৰ এক পুন্যৱান পৰিয়াল বাস কৰিছিল। তেওঁ ভাট জাতিত জনম লোৱা পুন্যাবান প্ৰাণী আছিল। পৰমেশ্বৰ মুনিন্দ্ৰ (কবীৰদেব) দেবৰ উপদেশ শুনি গোটেই পৰিয়ালে নাম উপদেশ গ্ৰহণ কৰিছিল। পৰম ভকত চন্দ্ৰ বিজয়ৰ পত্নী ভক্তমতী কৰ্মৰতীয়ে লংকাৰ ৰজা ৰাৱণৰ ৰানী মন্দোদৰীৰ ওচৰত দাসীৰ কাম কৰিছিল। ৰাণী মন্দোদৰীক হাঁহি-তামাচা, খুহুতিয়া কথা কাহীনি কৈ মনোৰঞ্জন কৰাইছিল। ভক্ত চন্দ্ৰবিজয় ৰাৱণৰ ৰাজসভাত ভাট হিচাবে সেৱকৰ কাম কৰিছিল। ৰজাৰ আত্ম প্ৰশংসাৰ গীত শুনাই ৰজাক প্ৰসন্ন কৰিছিল।

ভক্ত চন্দ্ৰবিজয়ৰ পত্নী ভক্তমতি কৰ্মৰতীয়ে পৰমেশ্বৰৰ পৰা উপদেশ পোৱাৰ পিছত ৰাণী মন্দোদৰীক প্ৰভু চৰ্চা (যি সৃষ্টি ৰচনা নিজ সিদ্ধ গুৰুদেব মুনিন্দ্ৰ দেৱৰ পৰা শুনিছিল তাক) প্ৰতিদিনে শুনাইছিল।

ভক্তমতী মন্দোদৰী ৰাণীৰ অতি আনন্দ লাগিছিল। কেইবা ঘন্টা ধৰি ভক্তমতি কম ৰ্বতীয়ে প্ৰভুৰ সত্য কথা ৰাণী মন্দোদৰীক শুনাইছিল আৰু তাইৰ চকুৰে চকুলো নিগৰিছিল। এদিন ৰাণী মন্দোদৰীয়ে কৰ্মবতীক সুধিলে তুমি এই জ্ঞান কৰ পৰা শুনিলা ? আগতে তুমি আবোল-তাবোল খুহুতিয়া কথা কৈ ৰং ৰহৈচ কৰিছিলা।  ইমান পৰিৱৰ্তন পৰমাত্মা তুল্য সাধু সন্তৰ অবিহনে হবই নোৱাৰে। তেতিয়া কৰ্মৰতীয়ে কলে আমি সকলোৱে এক পৰম সন্তৰ পৰা নাম উপদেশ লৈছো। ৰাণী মন্দোদৰীয়ে সেই সন্তৰ দৰ্শন পাবলৈ হাবিয়াস ব্যক্ত কৰি কলে, তোমাৰ গুৰুদেৱ তোমাৰ ঘৰলৈ আহিলে মোৰ ওচৰলৈ মাতি আনিবা। নিজৰ গৰাকীনিৰ আদেশ প্ৰাপ্ত কৰি শিৰ নত কৰি সন্মান পূৰ্বক কলে, আপোনাৰ যি আজ্ঞা, আপোনাৰ দাসীয়ে সেইটোকে কৰিব। মোৰ এক মিনতি, কথাতে আছে সন্তক আদেশ কৰি মাতিব নালাগে। স্বয়ং গৈ দৰ্শন কৰি অহা শ্ৰেয়, বাৰু আপোনাৰ আজ্ঞা যেনেকৈ কয় তেনে কৰিম। মহাৰাণী মন্দোদৰীয়ে কলে তোমাৰ গুৰুদেৱ আহিলে মোক কবা, মই নিজে গৈ দৰ্শন কৰিম। পৰমেশ্বৰে আকৌ লংকাত কৃপা কৰিলে। ৰাণী মন্দোদৰীয়ে নাম উপদেশ প্ৰাপ্ত কৰিলে। কিছু দিনৰ পিছত নিজ প্ৰিয় দেৱৰেক (বিভীষন) ক নাম উপদেশ দিয়ালে। ভক্তমতী মন্দোদৰী নাম উপদেশ প্ৰাপ্ত কৰি দিনেৰাতি অহৰ্নিশে প্ৰভুক স্মৰণ কৰি কটাইছিল। নিজৰ পতি ৰাৱণকো নাম উপদেশ লবৰ বাবে কেইৱা বাৰো অনুৰোধ কৰিছিল কিন্তু ৰাৱণে আওকান কৰিছিল আৰু কৈছিল যে মই পৰম শক্তিমান মৃত্যুঞ্জয় শিৱকহে ভক্তি কৰো। ইয়াৰ তুল্য আন কোনো নাই। আপোনাক কোনোৱাই ফুচুলাইছে।

কিছুদিন অতিবাহিত হোৱাৰ পিছত বনবাস প্ৰাপ্ত সীতা দেৱীক ৰাৱণে অপহৰণ কৰি আনি নিজৰ অশোক বনত বন্দী কৰি থলে। ভক্তমতী মন্দোদৰীয়ে বাৰে বাৰে মি নতি কৰা সত্বেও ৰাৱণে আই সীতা দেৱীক ঘূৰাই দিব নুখুজিলে। তেতিয়া ভক্তমতি মন্দোদৰী দেৱীয়ে নিজৰ গুৰুদেৱ মুনিন্দ্ৰদেৱক কলে মহাৰাজ মোৰ স্বামীয়ে কাৰোৱাৰ পত্নীক অপহৰণ কৰি আনিছে। মোৰ এই কাৰ্য্য সহ্য হোৱা নাই। তেওঁ তাইক কোনো পথ্যে ঘুৰাই দিব নোখোজে। আপুনি দয়া কৰক প্ৰভু আজিলৈকে মই জীৱনত এনে দুঃখ পোৱা নাই।

পৰমেশ্বৰ মুনিন্দ্ৰদেৱে কলে, আই মন্দোদৰী, এই স্ত্ৰী সাধাৰণ এলাপেচা নহয়। শ্ৰীবিষ্ণুদেৱ

অভিশপ্ত হৈ পৃথিৱীত জন্ম গ্ৰহণ কৰিব লগা হৈছে। তেওঁ অযোধ্যা বাসী দশৰথৰ পুত্ৰ শ্ৰীৰামচন্দ্ৰ। এখেত ১৪ বছৰ বনবাস প্ৰাপ্ত হৈছে আৰু শ্ৰীলক্ষী দেৱী স্বয়ং সীতা ৰূপত এখেতৰ লগত পত্নী হিচাপে বনবাস খাটিব লগীয়া হৈছে। তেওঁক ৰাৱণে সাধু ৱেশ ধাৰণ কৰি ছল কৰি অপহৰণ কৰি আনিছে। এওঁ স্বয়ং লক্ষী শ্ৰী সীতাদেৱী। তেওঁক অতি শীঘ্ৰে ওভোতাই দি ৰাৱণে যদি প্ৰাণ ভিক্ষা মাগে তেন্তে ই শুভ হব।

ভক্তমতী মন্দোদৰীয়ে অনেক বাৰ মিনতি কৰাতো ৰাৱণে নামানিলে আৰু কলে অ! সেই দুই বনবাসীয়ে (বহুৰা) মোৰ নো কি হানি কৰিব ? মোৰ অসংখ্য সেনা আছে। মোৰ এক লাখ পুত্ৰ আৰু ছোৱা লাখ ( ১ লাখ ২৫ হাজাৰ) নাতি আছে। মোৰ পুত্ৰ মেঘনাথে স্বৰ্গৰ ৰজা ইন্দ্ৰক পৰাজয় কৰি তেওঁৰ জীয়েকক বিৱাহ কৰিছে। তেত্ৰিশ কোটি দেৱতাক আমি বন্দী কৰি থৈছো। তই মোক সেই দুজন বনৰ বাসীক ভগৱান বুলি কৈ কিয় ভয় খুৱাবলৈ চেষ্টা কৰিছ? এই স্ত্ৰীক মই ঘুৰাই নিদিওঁ।

মন্দোদৰীয়ে ভক্তি মাৰ্গৰ জ্ঞান যি নিজ পূজ্য গুৰুদেৱৰ পৰা শুনিছিল তাৰে আলমত ৰাৱণক বহুত বুজাই ছিল। বিভীষণেও নিজৰ ককায়েকক বুজাইছিল। ৰাৱণে ওলোটাই বিভীষণক মাৰপিট কৰিছিল আৰু কৈছিল যে তই বেচিকৈ ৰামৰ পক্ষ লৈছ, তাৰেই ওচৰলৈ গুচি যা।

এদিনাখন ভক্তমতি মন্দোদৰীয়ে নিজ পূজ্য গুৰুদেৱক প্ৰাৰ্থনা কৰি কলে যে হে গুৰুদেৱ! মোৰ সধৱা সংকট হব লাগিছে। আপুনি এবাৰ মোৰ পতিক বুজাওক। যদি তেওঁ আপোনাৰ কথা নামানে তেন্তে মোৰ বিধৱা হোৱাত কোনো দুঃখ নহব।।

নিজ শিষ্য মন্দোদৰীৰ প্ৰাৰ্থনা স্বীকাৰ কৰি ৰজা ৰাৱণৰ ৰাজ সভাৰ সমুখত থিয় হৈ ৰজা ৰাৱণক সাক্ষাৎ কৰিবলৈ দুৱাৰপালক জনালে। দুৱাৰ ৰক্ষীয়ে কলে মুনিৱৰ এই সময়ত ৰজাই নিজৰ সভা আৰম্ভ কৰিছে। এই সময় ভিতৰৰ খৱৰ বাহিৰত আহিব পাৰে, বাহিৰৰ খবৰ ভিতৰত যাব নোৱাৰে। আমি অপৰাগ তেতিয়া পূৰ্ণ প্ৰভু অন্তৰ্ধান হল আৰু ৰজা ৰাৱণৰ ৰাজ সভাত প্ৰকট হল। ৰাৱণৰ দৃষ্টি মুনিৰ ওপৰত পৰিল আৰু গৰ্জন কৰি সুধিলে এই মুনিক মোৰ আজ্ঞা নোহোৱাকৈ কোনে ভিতৰলৈ আহিবলৈ দিলে? তাক লৈ আহি মোৰ সমুখত শিৰচ্ছেদ কৰা। তেতিয়া, পৰমেশ্বৰে কলে, ৰাজন আপোনাৰ দুৱাৰ ৰক্ষীয়ে মোক ভিতৰলৈ আহিবলৈ মানা কৰিছিল। তেওঁলোকে নাজানে মই কেনেকৈ ভিতৰলৈ আহিলো। ৰাৱণে সুধিলে তই কেনেকৈ ভিতৰলৈ আহিলি ? তেতিয়া পূৰ্ণপ্ৰভু মুনি বেশত অদৃশ্য হৈ পুনৰ প্ৰকট হ'ল আৰু কলে মই এনেকৈয়ে আহিলো। ৰাৱণে সুধিলে, কি কাৰণে আহিছ ক ? তেতিয়া প্ৰভুৱে কলে যে আপুনি এজন যোদ্ধা হৈ এজনী অবলাক (তিৰোতা) অপহৰণ কৰি আনিছে। এইটো আপোনাৰ মৰ্য্যাদা আৰু বীৰতাৰ বিপৰীত। এই জনী কোনো সাধাৰণ তিৰোতা নহয়। স্বয়ং লক্ষী দেবীৰ অৱতাৰ। শ্ৰীৰাম চন্দ্ৰ এওঁৰ পতি তেখেত স্বয়ং বিষ্ণু। এওঁক ওভোতাই নিজৰ প্ৰাণ ভিক্ষা কৰা। তেতিয়া আপোনাৰ মঙ্গল হব। ইয়াকে শুনি তমগুণী (ভগৱান শিৱ) উপাসক ৰাৱণ ক্ৰোধিত হৈ তৰোৱাল লৈ সিংহাসনৰ পৰা জাপ মাৰি তৰ্জন-গৰ্জন কৰি সেই নিৰ্বোধ প্ৰাণীয়ে তৰোৱালেৰে ৭০ বাৰ উধাই মুধাই মুনিক কাটিবলৈ ধৰিলে। পৰমেশ্বৰ মুনিন্দ্ৰদেৱে এটা ঝাড়ুৰ কাঠী এডাল খুলি লৈ তাকে হাতেৰে ধৰি ঢালৰ দৰে আগবঢ়াই দিলে। ৰাৱণৰ ৭০ বাৰ প্ৰহাৰ সেই ঝাড়ু ডালত লাগিবলৈ ধৰিলে। এনে শব্দ হবলৈ ধৰিলে যেন লোহাৰ খুটাত (পিলাৰ) তৰোৱালৰ আঘাত ৰাৱণ সৈমান নহল। ৰাৱণৰ

ঘাম ওলাই গল। আকৌ নিজৰ অহংকাৰৰ বাবে হাৰ নামানিলেও। এইটো জানিলে যে এওঁ কোনো সাধাৰণ মুনি নহয়। ৰাৱনে কলে যে মই আপোনাৰ একো কথা নুশুনো আপুনি যাব পাৰে। পৰমেশ্বৰ অন্তৰ্ধান হৈ গল আৰু ৰাণী মন্দোদৰীক সকলো ঘটনা বৃত্তান্ত কলে আৰু প্ৰস্থান কৰিলে। ৰাণী মন্দোদৰীয়ে কলে, গুৰুদেৱ এতিয়া মোৰ বিধৱা হোৱাত কোনো দুঃখ নাই।

শ্ৰীৰামচন্দ্ৰ আৰু ৰাৱণৰ যুদ্ধ হল। যি লংকা ৰাজ্য ৰাৱণে তমোগুণী ভগৱান শিৱৰ কঠিন সাধনা কৰি, দহ বাৰ নিজৰ শিৰচ্ছেদ কৰি প্ৰাপ্ত কৰিছিল। সেই ক্ষণিক সুখো ৰাৱণৰ গল আৰু নৰকৰ ভাগী হল। ইয়াৰ বিপৰীতে পূৰ্ণ পৰমাত্মাৰ সৎনামৰ সাধক বিভীষণ কঠিন সাধনা নকৰাকৈ পূৰ্ণ প্ৰভুৰ কৃপাত লংকাধীশ হ'ল। হেজাৰ বছৰলৈ বিভীষণে লংকাৰ ৰাজ্য ভোগ কৰিলে আৰু পূৰ্ণ প্ৰভুৰ কৃপাত ৰাজ্যতো শান্তি বিৰাজিলে। সকলো ৰাক্ষস প্ৰবৃত্তিৰ বিনাশ হৈছিল। ভক্ত মতি মন্দোদৰী আৰু ভক্ত বিভীষণ আৰু পৰম ভক্ত চন্দ্ৰবিজয়ৰ পুৰা ষোল্লজন সদস্যৰ পৰিয়ালে আৰু অইন যিবিলাক পূৰ্ণ পৰমাত্মাৰ উপদেশ প্ৰাপ্ত কৰি আজীৱন মৰ্য্যাদা পূৰ্ণ সৎভক্তি কৰিছিল সেইবোৰ সকলো সাধক ইয়াত এই পৃথিৱীত সুখী জীৱন যাপন কৰি শেষ সময়ত পৰমেশ্বৰৰ বিমানত বহি সৎলোক (শ্বাশ্বতম স্থান) লৈ গুচি গ'ল। এই কাৰণে পৱিত্ৰ গীতা অধ্যায় ৭ মন্ত্ৰ ১২ ৰ পৰা ১৫ লৈ কৈছে যে তিনিগুণ (ৰজগুণ-ব্ৰহ্মাদেব, সৎগুণ - বিষ্ণুদেব, তমগুণী - শিৱ) ৰ সাধনাৰ পৰা প্ৰাপ্ত ক্ষণিক সুখ সুবিধাৰ দ্বাৰা যি প্ৰাণীৰ জ্ঞান হৰণ হৈছে, সেইবোৰ ৰাক্ষস স্বভাৱৰ, মনুষ্যৰ ভিতৰত নীচ, দুষ্কৰ্মকাৰী মূৰ্খ, মোক (কাল/ব্ৰহ্ম) ভক্তি নকৰে। আকৌ গীতা অধ্যায় ৭ মন্ত্ৰ ১৮ ত গীতা জ্ঞানদাতাই (কাল/ব্ৰহ্ম) কৈছে যে কোনো এক উদাৰ আত্মাই মোৰ সাধনা কৰে কিয়নো তেওঁ তত্ত্বদৰ্শী সন্ত পোৱা নাই। সেই পৱিত্ৰ আত্মাও মোৰ অতি বেয়া (অনুত্তমম) অতি অশ্ৰেষ্ঠ (গতি) মুক্তিৰ স্থিতিত আশ্ৰিত হয়। সেইটোও পূৰ্ণ মুক্তি নহয়। এই কাৰণে পৱিত্ৰ গীতা অধ্যায় ১৮ মন্ত্ৰ ৬২ কৈছে যে হে অৰ্জুন! তুমি সৰ্বোতভাৱে সেই পূৰ্ণ পৰমেশ্বৰৰ শৰনলৈ (পূৰ্ণ পৰমাত্মা তৎব্ৰহ্ম)যোৱা। তেওঁৰ কৃপাৰ দ্বাৰাই তুমি পৰম শান্তি আৰু সৎলোক অৰ্থাৎ সনাতন পৰম ধামক পাবা।

এই কাৰণে পুণ্যাত্মা সকলক নিবেদন কৰো যে আজি এই দাসৰো দাসৰ ওচৰত পূৰ্ণ পৰমাত্মা প্ৰাপ্তিৰ বাস্তৱিক ভক্তি বিধি আছে। নিঃশুল্ক নাম উপদেশ লৈ জীৱন সফল কৰক।

**দ্বাপৰ যুগত ইন্দ্ৰমতীক শৰণত লোৱা**

দ্বাপৰ যুগত চন্দ্ৰবিজয় নামে এজন ৰজা আছিল। তেওঁৰ পত্নী ইন্দ্ৰমতী বৰ ধাৰ্মিক প্ৰবৃত্তিৰ তিৰোতা আছিল। সাধু-মহাত্মাক বৰ সেৱা-যতন কৰিছিল। তেওঁৰ এজন গুৰদেৱ আছিল। তেওঁক গুৰুদেৱে উপদেশ দিছিল যে সাধুসন্তৰ সেৱা কৰা উচিত। সাধু-সন্তক ভোজন কৰালে লাভ হয়। একাদশী ব্ৰত, সাধনাৰ জপ, তপ আদি যি গুৰুদেৱে উপদেশ দিছিল সেইবোৰ ভাগৱত ভক্তি দৃঢ়তাৰে পালন কৰিছিল। গুৰুদেৱে কৈছিল যে যদি সাধু-সন্তক ভোজন কৰোৱা তেন্তে তুমি আগলৈ ৰাণী হব পাৰিবা আৰু স্বৰ্গও প্ৰাপ্তি হবা। ৰাণীয়ে ভাবিছিল যে তেওঁ প্ৰতিদিন এজন সন্তক ভোজন কৰাব। তেওঁ এনে প্ৰতিজ্ঞা কৰিছিল যে প্ৰথমে এজন সাধুক ভোজন কৰাই পিছতহে আহাৰ গ্ৰহণ কৰিব। ইয়াৰ দ্বাৰা তেওঁৰ কৰ্তব্য মনত ৰব যাতে তেওঁ পাহৰি নেযায়। ৰাণীয়ে প্ৰতিদিন এজন সাধুক ভোজন কৰোৱাই পিছত স্বয়ং আহাৰ কৰিছিল। বহু বছৰলৈ এই ক্ৰম চলি আছিল।

এবাৰ হৰিদ্বাৰত কুম্ভ মেলাৰ সমাগম হল। যিমান সাধু ত্ৰিগুণ মায়াৰ উপাসক

আছিল সকলোৱে গঙ্গা স্নান কৰিবৰ বাবে প্ৰস্থান কৰিছিল। এই কাৰণে কেইবা দিনো ৰাণীয়ে ভোজন কৰাবলৈ সাধু-সন্ত পোৱা নাছিল। ৰাণীৰ প্ৰতিজ্ঞা থকা কাৰণে নিজেও ভোজন কৰা নাছিল। ৪ৰ্থ দিনা ৰাণী ইন্দ্ৰমতীয়ে নিজৰ দাসীক কলে যে হে দাসী, সাধু-সন্ত বিচৰাচোন ? নহলে আজি তোমাৰ ৰাণী জীয়াই নেথাকে। আজি মোৰ প্ৰাণ ওলাই গলেও মই আহাৰ গ্ৰহণ নকৰো। তেওঁ দীন দয়াল পৰমেশ্বৰ কবীৰে নিজৰ পূৰ্বৰ ভকতক শৰণত লোৱাৰ কাৰণে নাজানো কি কাৰণ বনায় ? দাসীয়ে ওপৰৰ ছাদত উঠি দেখিবলৈ পালে যে এজন সাধু আহি আছে। বগা কাপোৰ আছিল। দ্বাপৰ যুগত পৰমেশ্বৰ কবীৰ কৰুণাময় নামেৰে আহিছিল। দাসী তললৈ নামি আহিল আৰু কলে যে এজন ব্যক্তি আহি আছে তেওঁক সাধু যেন লাগিছে । ৰাণীয়ে কলে সোনকালে মাতি লৈ আহ। দাসী ৰাজবাৰীৰ পৰা বাহিৰ ওলাই গল আৰু সাধুক মিনতি কৰি কলে - হে মহাত্মন! আপোনাক আমাৰ ৰাণীয়ে স্মৰণ কৰিছে। কৰুণাময় পৰমেশ্বৰে কলে - ৰাণীয়ে নো মোক কেলেই স্মৰণ কৰিলে, ৰাণী আৰু মোৰ লগত কি সম্বন্ধ ? দাসীয়ে গোটেই কথা খুলি কলে। কৰুণাময় (কবীৰ) পৰমেশ্বৰে কলে যে ৰাণীৰ আৱশ্যক হলে ইয়ালৈ আহিবলৈ কোৱা, মই ইয়াতে থিয় হৈ আছো। তুমি দাসী আৰু তেওঁ ৰাণী। মই তালৈ গ'লে তেওঁ যদি কয় তোমাক কোনে মাতিছে? আৰু ৰজাই কিবা কৈ দিব আৰু পুত্ৰী, সন্তৰ অনাদৰ বহুত পাপদায়ক। দাসী আকৌ উভতি আহিল আৰু সকলো খবৰ বিবৰি ক'লে। তেতিয়া ৰাণীয়ে কলে দাসী মোৰ হাতখন ধৰা আৰু সাধুৰ ওচৰলৈ বলা। ৰাণী ওচৰলৈ গৈ দণ্ডৱত প্ৰণাম কৰি মিনতি কৰি কলে, হে ঈশ্বৰ মই ইচ্ছা কৰো আপোনাক কান্ধত তুলি লওঁ। কৰুণাময় পৰমেশ্বৰে কলে যে পুত্ৰী তোমাৰ অন্তৰত আচলতে শ্ৰদ্ধা আছেনে নাই বা এনেই ভোকত মৰি আছা জানিব বিচাৰিছিলো। ৰাণীয়ে নিজ হাতেৰে আহাৰ ৰান্ধিলে। কৰুণাময় ৰূপত অহা কবীৰদেৱে কলে মই আহাৰ নেখাওঁ। মোৰ শৰীৰ আহাৰ খোৱাৰ বাবে নহয়। তেতিয়া ৰাণীয়ে কলে মইওঁ আহাৰ নাখাওঁ। কৰুণাময় ঈশ্বৰে কলে, ঠিক আছে পুত্ৰী লৈ আহা আহাৰ খাওঁ, কিয়নো সমৰ্থ তাকে কোৱা হয়, যিয়ে যি বিচাৰে তাকেই কৰিব পাৰে। কৰুণাময় ঈশ্বৰে আহাৰ খালে, কৰুণাময় ৰূপত প্ৰকট কবিৰাগ্নিয়ে (পৰমেশ্বৰ কবীৰদেৱ) ৰাণীক সুধিলে যে এইবোৰ যি ভক্তি সাধনা তুমি কৰি আছা সেইবোৰ কোনে উপদেশ দিছে? ৰাণীয়ে কলে মোৰ গুৰুদেৱে আদেশ কৰিছে। কবীৰদেৱে কলে তোমাৰ গুৰুদেৱে কি আদেশ কৰিছে? ইন্দ্ৰমতীয়ে কলে ব্ৰহ্মা, বিষ্ণু, মহেশ্বৰৰ পূজা, একাদশী ব্ৰত, তীৰ্থ ভ্ৰমন, দেবী পুজা, শ্ৰাদ্ধ কৰ্ম কাণ্ড, মন্দিৰত যোৱা, সাধুসন্তৰ সেৱা ইত্যাদি। কৰুণাময় (কবীৰ) ঈশ্বৰে কলে যি ভক্তি সাধনা তোমাৰ গুৰুদেৱে তোমাক দিছে সেইটোৱেই জন্ম-মৃত্যু তথা স্বৰ্গ নৰকৰ চক্ৰত ৰাখিব আৰু চৌৰাশী লাখ যোনী ভ্ৰমনৰ কষ্টৰ পৰা মুক্ত হবলৈ নিদিব। ৰাণীয়ে কলে মহাৰাজ যিমান সাধুসন্ত আছে সকলোৱে নিজৰ নিজৰ প্ৰভুত্ব নিজেই কৰিছে। মোৰ গুৰুদেৱৰ বিষয়ে একো নকব। লাগিলে মই মুক্ত হওঁ বা নহওঁ।

এতিয়া কৰুণাময় (কবীৰদেৱ) ঈশ্বৰে চিন্তিলে এই সৰল জীৱক কেনেকৈ বুজাওঁ? এওঁ যিজন গুৰুক ধাৰন কৰিছে তাক এৰিব নোৱাৰে, মৰিবও পাৰে। কৰুণাময়! ঈশ্বৰে কলে পুত্ৰী তোমাৰ যেনে ইচ্ছা, মই নিন্দা নকৰো। মই তোমাৰ গুৰুদেৱৰ বেয়া কোৱা নাই বা গালি পাৰিছো নেকি ? মইতো ভক্তি পথৰ কথাহে কৈছো এই ভক্তি পথ শাস্ত্ৰ বিৰুদ্ধ। তোমাক পাৰ হবলৈ নিদিব আৰু নাইবা তোমাৰ আগন্তুক কৰ্মদণ্ড নাশ কৰিব

পাৰিব আৰু শুনা আজিৰ পৰা তিনিদিন পিছত তোমাৰ মৃত্যু হব। তোমাৰ গুৰু নাইবা তোমাৰ এই নকল ভক্তি সাধনাই তোমাক বচাব নোৱাৰে। (যেতিয়া মৃত্যুৰ সময় আহে তেতিয়া জীৱৰ ভয় লাগে। এনেয়ে নামানে।) ৰাণীয়ে ভাৱিলে সাধুসন্তই মিছা নকয়। সঁচাই এনে নহওঁক যে পৰহিলৈ মোৰ মৃত্যু হয়। এই ভয়ৰ কাৰণে কৰুণাময় ঈশ্বৰক সুধিলে যে হে ঈশ্বৰ মোৰ প্ৰাণটো বচাব পাৰিবনে? পৰমেশ্বৰ কবীৰ দেবে (কৰুণাম য়) কলে যে পাৰি । যদি তুমি মোৰ পৰা নাম উপদেশ লোৱা, মোৰ শিষ্য হব লাগিব, আগৰ সাধনা, পূজা পদ্ধতি ত্যাগ কৰিব লাগিব, তেতিয়া তোমাৰ প্ৰাণ বাচিব। ইন্দ্ৰমতিয়ে কলে মই শুনিছো যে গুৰু সলনি কৰা অনুচিত, পাপ লাগে। কবীৰদেবে (কৰুণাময়) কলে নহয় পুত্ৰী এইটো তোমাৰ ভ্ৰম। এক বেজৰ (ডাক্তৰ) ঔষধে কাম নকৰিলে অন্য বেজৰ পৰা ঔষধ নলয় নে ? এজন পঞ্চম শ্ৰেণী শিক্ষক আছে। আকৌ আন এজন উচ্চ শ্ৰেণীৰ শিক্ষক আছে। পুত্ৰী এটা শ্ৰেণীৰ পৰা আন এটা শ্ৰেণীলৈ আগুৱাই যাব লাগে। তুমি কি গোটেই জীৱন পঞ্চম শ্ৰেণীতে বহি কটাই দিবানে ? ইয়াক এৰিব লাগিব। তুমি আগলৈ পঢ়ি আগুৱাই যোৱা, মই পঢ়াবলৈ আহিছো। এনেয়ে হয়তো নামানে কিন্তু মৃত্যু দেখাত, সাধুৰে কোৱা কথা যাতে নঘটে ভাৱিলে। এনে চিন্তা চৰ্চা কৰি ইন্দ্ৰম তীয়ে কলে যে আপুনি যেনেকৈ কব মই তেনেকৈ পালন কৰিম। পিছত কৰুণাময়ে (কবীৰদেব) উপদেশ দিলে যে আজিৰ পৰা তৃতীয় দিনৰ দিনা মোৰ ৰূপত কাল-ব্ৰহ্ম আহিব, তুমি তাক একো নকবা। মই তোমাক যি নাম উপদেশ দিলো তাক দুই মিনিট জাপ কৰিবা। দুই মিনিট পিছত তাক দেখিবা। তাৰ পিছত তাক সৎকাৰ কৰিবা। এনেয়ে তো গুৰুদেৱ আহিলে অতি শীঘ্ৰে চৰণত পৰি দণ্ডৱত প্ৰণাম কৰিব লাগে। এইটো মোৰ কেৱল এইবাৰৰ উপদেশ। ৰাণীয়ে কলে ঠিক আছে গুৰুদেৱ।

এতিয়া ৰাণীৰ চিন্তা লাগিল। শ্ৰদ্ধাৰে নাম জপ কৰিবলৈ ধৰিলে। (কবীৰ পৰমেশ্বৰ) কৰুণাময় ঈশ্বৰৰ ৰূপ ধাৰণ কৰি গুৰুদেৱৰ ভেশত কালে ইন্দ্ৰমতীৰ কাষলৈ আহিল আৰু মাত লগালে ইন্দ্ৰমতী, ইন্দ্ৰমতী। এতিয়া তাইৰ আগৰে পৰাই ভয় আছিল, নাম স্মৰণ কৰিলে। কালৰ ফালে নাছালে। দুই মিনিটৰ পিছত যেতিয়া চালে তেতিয়া কালৰ ৰূপ সলনি হৈ গল। কালৰ যি প্ৰকৃত চেহেৰা তেনেকুৱা দেখিবলৈ ধৰিলে। কৰুণাম য়ৰ ৰূপ নাই। যেতিয়া কালে দেখিলে যে তাৰ ৰূপ সলনি হৈ গল তেওঁ জানিব পালে, নিশ্যয় তেওঁৰ ওচৰত কিবা শক্তিযুক্ত মন্ত্ৰ আছে। তোমাক পিছত চাই লম, এই কথা কৈ কাল গুচি গল। এতিয়া ৰক্ষা পালো। ৰাণী বহুত আনন্দিত হল কিন্তু সেয়া মুখত ফুটি নুঠিল। তেতিয়া নিজৰ দাসীক কবলৈ ধৰিলে, মোৰ মৃত্যু হব লগা আছিল, মোৰ গুৰুদেৱে মোক বচালে। ৰজাৰ ওচৰলৈ গল আৰু কলে যে আজি মোৰ মৃত্যু হব লগা আছিল, মোৰ গুৰুদেৱে মোক ৰক্ষা কৰিলে। মোক নিবলৈ কাল আহিছিল। ৰজাই কলে তুমি এনেয়ে এইবোৰ নাটক কৰিছা। কাল আহিলে তোমাক কি এৰি গলহেঁতেন নে ? যেনেকুৱাই সাধু হওক তেনেকুৱা মিছা কথা কৈ দিয়ে। ৰজাৰ কথা ৰাণীয়ে কেনেকৈ মানি লয় ? আনন্দমনে ৰাণী গৈ নিজৰ শোৱনি কোঠাত শুই পৰিল। কিছু সময় পিছত কালে সৰ্প সাজি আকৌ আহিল আৰু ৰাণীক দংশন কৰিলে। যেতিয়া সৰ্পই দংশিলে ৰাণীয়ে গম পালে। ৰাণীয়ে জোৰেৰে চিঞৰিলে। মোক সৰ্পই দংশিলে। দাসী দৌৰিল। চাওঁতে চাওঁতে কোঠালীৰ পানী ওলোৱা ফুটাৰে সাপ ওলাই গল। ৰাণীয়ে নিজ গুৰদেৱক স্মৰি চিঞৰি চিঞৰি বেহুচ হৈ গল। কৰুণাময় (কবীৰদেব) পৰমেশ্বৰ

তাত প্ৰকট হ'ল। মানুহক দেখুৱাবৰ বাবে মন্ত্ৰ মাতিলে। (তেওঁতো মন্ত্ৰৰ অবিহনেই জীৱিত কৰিব পাৰে, কোনো তন্ত্ৰ-মন্ত্ৰৰ আৱশ্যকতা নাই।) ইন্দ্ৰমতীক জীৱিত কৰি দিলে। ৰাণীয়ে বৰ কৃতজ্ঞতা যাচিলে আৰু কলে যে হে মুক্তি দাতা যদি আজি মই আপোনাৰ শৰণত নেথাকিলেহেঁতেন তেন্তে মোৰ মৃত্যু হ'লহেঁতেন। কবীৰ পৰমেশ্বৰে কলে যে ইন্দ্ৰমতী এই কালক মই তোমাৰ ঘৰত সোমাবলৈ নিদিলোহেঁতেন। তোমাৰ ওপৰত আক্ৰমণো নকৰিলেহেঁতেন। কিন্তু তোমাৰ বিশ্বাস নহলহেঁতেন। তুমি ইয়াকে চিন্তিলাহেঁতেন যে মোৰ ওপৰত কোনো আপদ আহিব লগা নাছিল। গুৰুদেৱে মোক ফুচুলাই নাম দীক্ষা দিলে। এই বাৰে তোমাক অলপ ভক্তিৰ শক্তি দেখুৱালো। নহলে পুত্ৰী তোমাৰ বিশ্বাস নহলহেঁতেন।

ধৰ্মদাস ইহাঁ ঘনা অন্ধেৰা, বিন পৰচয় জীৱ জমকা চেৰা।।

কবীৰ পৰমেশ্বৰে (কৰুণাময়) কলে যে এতিয়া মই যেতিয়াই বিচাৰিম তেতিয়াই তোমাৰ মৃত্যু হব। গৰীব দাস মহাৰাজে কয় যে -

গৰীব, কাল ডৰে কৰতাৰ সে, জয় জয় জয় জগদীশ।
জৌৰা জৌৰী ঝাড়তী, পগ ৰজ ডাৰে শীশ।।

এই কালে, কবীৰ (কবীৰ পৰমেশ্বৰ) ভগৱানক ভয় কৰে আৰু এই যমৰাজ (মৃত্যু) কবীৰ দেৱৰ জোতা পৰিস্কাৰ কৰে অৰ্থাৎ চাকৰ তুল্য। আকৌ তাৰ ধুলি মূৰত লগাই কয় যে মই আপোনাৰ ভকতৰ ওচৰলৈ নাযাও। গৰীব, কাল যো পিসৈ পিসনা, জৌৰা হ্যায় পনীহাৰ।

এ দো আসল মজুৰ হ্যায়, মেৰে সাহেব কে দৰবাৰ।।

এই কাল যি ইয়াত ২১ ব্ৰহ্মাণ্ডৰ ভগৱান (ব্ৰহ্ম) তথা ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ পিতা। এওঁতো মোৰ ঈশ্বৰ কবীৰদেৱৰ আটা পিহে অৰ্থাৎ আচল চাকৰ আৰু জৌৰা (মৃত্যু) মোৰ কবীৰ পৰমেশ্বৰৰ সভাত পানী কঢ়িওৱা এক বিশেষ চাকৰণী। এই দুই আচল মজদুৰ মোৰ কবীৰ পৰমেশ্বৰৰ সভাত আছে। কিছু দিনৰ পিছত কবীৰদেৱ আকৌ আহিল আৰু ৰাণী ইন্দ্ৰমতীক সৎনাম প্ৰদান কৰিলে।

আকৌ কিছু দিনৰ পিছত ৰাণী ইন্দ্ৰমতীৰ অতি শ্ৰদ্ধা দেখি কবীৰ পৰমেশ্বৰে সাৰনাম দিলে। শব্দৰ উপলব্ধি কৰোৱালে। কবীৰ পৰমেশ্বৰে ৰাণী ইন্দ্ৰমতীক সময়ে সময়ে দৰ্শন দিবলৈ গৈছিল তেতিয়া ইন্দ্ৰমতীয়ে প্ৰাৰ্থনা কৰিছিল যে হে গুৰুদেৱ ঈশ্বৰ মোৰ পতি ৰজাক বুজাওক যাতে তেখেতে মানে। আপোনাৰ চৰণত শৰণ লওক আৰু মোৰ জীৱন সফল হওক। ৰজা চন্দ্ৰবিজয়ক কবীৰ পৰমেশ্বৰে প্ৰাৰ্থনা কৰিলে যে চন্দ্ৰবিজয় আপুনিও নাম দীক্ষা লওক এই দুই দিনৰ ৰাজপাট আৰু ভোগ-বিলাস, পিছত আকৌ প্ৰাণী চৌৰাশী লাখ যোনীলৈ গুচি যাব। চন্দ্ৰবিজয়ে কলে ভগৱান মই নাম দীক্ষা নলওঁ আৰু আপোনাৰ শিষ্যাকো মানা নকৰো, লাগিলে গোটেই ৰাজ ভড়াল উদং কৰি দিয়ক, যি প্ৰকাৰৰ সৎসঙ্গ কৰে কৰাওক, মই আপত্তি নকৰো। কবীৰদেৱে (কৰুণাময়) কলে আপুনি কিয় নাম দীক্ষা নলয় ? ৰজা চন্দ্ৰবিজয়ে কলে মইতো ডাঙৰ ডাঙৰ ৰজাৰ সভালৈ যাব লগা হয়। কৰুণাময়ে (কবীৰদেৱ) কলে সভালৈ যোৱাত নামে কি বাধা দিব? সভালৈ যোৱা, তাত কাজু খোৱা, গাখীৰ পান কৰা, চৰবত চুহি লোৱা, মদ্যপান নকৰিবা। মদ্যপান কৰা মহাপাপ। কিন্তু ৰজাই নামানিলে।

ৰাণীৰ আকৌ প্ৰাৰ্থনা শুনাত কৰুণাময় (কবীৰ) ঈশ্বৰে ৰজাক আকৌ বুজালে যে

নাম বিনা জীৱৰ জীৱন এনেয়ে ব্যৰ্থ হয়। আপুনি নাম দীক্ষা লওক। ৰজাই আকৌ কলে গুৰুদেৱ মোক নাম লবলৈ নকব। আপোনাৰ শিষ্যক মই বাধা নকৰো লাগিলে যিমানেই দান কৰক, কিমান সৎসঙ্গ কৰে কৰক। পৰমেশ্বৰে কলে পুত্ৰী এই দুদিনীয়া সুখ দেখি ইয়াৰ বুদ্ধি ভ্ৰষ্ট হৈ গৈছে। তুমি প্ৰভূৰ চৰণত লাগি থাকা। নিজৰ আত্ম কল্যাণ কৰা। ইয়াত কোনেও কাৰো পতি নহয়, কোনেও কাৰো পত্নী নহয়। পূৰ্ব জন্মৰ সংস্কাৰৰ কাৰণে দুই দিনৰ সম্বন্ধ। নিজৰ পুণ্য অৰ্জন কৰা পুত্ৰী। এতিয়া ইন্দ্ৰমতী ৮০ বছৰীয়া বৃদ্ধা যদিও ৪০ বছৰ বয়সতে মৰিব লগা আছিল। যেতিয়া তেওঁৰ শৰীৰ থৰক-বৰক হবলৈ ধৰিলে তেতিয়া কৰুণাময় ঈশ্বৰে কলে ইন্দ্ৰমতী এতিয়া কি বিচৰা ? সৎলোকলৈ যাবানে ? ইন্দ্ৰমতীয়ে কলে যে প্ৰভু মই প্ৰস্তুত আছো। একেবাৰে যাবলৈ ইচ্ছুক, হে ভ গৱান। কৰুণাময় ঈশ্বৰে কলে তোমাৰ নাতি-নাতিনীয়েকৰ মোহ-মায়া নাইতো ? ৰাণীয়ে কলে একেবাৰে নাই পৰমেশ্বৰ। আপুনি এনেকুৱা নিৰ্মল জ্ঞান দিছে যে এই জ্বালাময় মৃত্যু সংসাৰত কি ইচ্ছা কৰো। কবীৰদেৱ (কৰুণাময়) পৰমেশ্বৰে কলে যে পুত্ৰী বলা (তথাস্থ)। ৰাণীয়ে প্ৰাণ ত্যাগিলে। পৰমেশ্বৰ কবীৰ (কৰুণাময়) মুক্তিদাতা ৰাণী ইন্দ্ৰম তীৰ আত্মাক ওপৰলৈ লৈ গল। এই ব্ৰহ্মাণ্ডৰ ভিতৰত এক মানসৰোবৰ আছে। সেই মান সৰোবৰত গৈ এই আত্মাই স্নান কৰিব লাগে। এই প্ৰাণীক কবীৰ পৰমেশ্বৰে পূৰ্ণ গুৰুৰ স্বৰূপত প্ৰকট হৈ কিছু সময় ধৰি মানসৰোবৰত ৰাখে। মুক্তিদাতা কবীৰ পৰমেশ্বৰে আকৌ ইন্দ্ৰমতীক সুধিলে এই সংসাৰত যদি কিবা ইচ্ছা আছে তেন্তে পুনঃৰাই জন্ম লব  লাগিব। যদি মনত কিবা ইচ্ছা ৰৈ গল তেন্তে সৎলোকলৈ যাব নোৱাৰিবা। ইন্দ্ৰম তীয়ে কলে হে ভগৱান আপুনিতো অন্তৰ্যামী, কোনো ইচ্ছা নাই। আপোনাৰ চৰণৰে ইচ্ছা। কিন্তু মনত মোৰ এটা শংকা লাগি আছে মোৰ পতি দেৱে মোক কেতিয়াও ধাৰ্মিক কৰ্মৰ বাবে বাধা দিয়া নাছিল। নহলেতো আজি কালিৰ পতিয়ে নিজৰ পত্নীক বাধা দিয়ে। যদি তেওঁ মোক বাধা কৰিলেহেঁতেন তেন্তে মই আপোনাৰ চৰণত স্থান নাপালোহেঁতেন। মোৰ কল্যাণ নহলহেঁতেন। তেওঁৰ এই শুভ কৰ্মত যোগদানৰ বাবে যদি কিবা লাভ পায় কেতিয়াবা দয়া কৰিব হে মোৰ ঈশ্বৰ। পৰমেশ্বৰ কবীৰে দেখিলে যে এই নিৰ্বোধ এতিয়াও তেওঁৰ মোহত আৱদ্ধ। পৰমেশ্বৰে কলে ঠিক আছে পুত্ৰী এতিয়া তুমি দুই চাৰি বছৰ ইয়াতে ৰোৱা।

দুই বছৰ পিছত ৰজাৰো মৃত্যুৰ সময় আহিল। কিয়নো নাম উপদেশ লোৱা নাই। যমদুত আহিল। ৰজাই চমক খাই মূৰ ঘূৰণি খাই পৰি গ'ল। যমদুতে তেওঁৰ কান্ধত উঠি হেঁচিলে। ৰজাই পাইখানা আৰু পেচাব কৰিলে। কৰুণাময় (কবীৰ পৰমেশ্বৰ) ঈশ্বৰে ৰাণীক কলে দেখা তোমাৰ ৰজাৰ কি দশা হৈছে। ৰাণীক মানসৰোবৰৰ পৰাই কবীৰ পৰমেশ্বৰে দেখুৱালে। এই সকলো কৌতুক দেখি ৰাণীয়ে কলে হে প্ৰভু! যদি তেওঁৰ ভক্তিৰ সহযোগৰ ফল আছে তেন্তে অলপ দয়া কৰক দয়ালু। ৰাণীৰ তেতিয়াও অলপ মোহ মমতা আছিল। কবীৰদেৱে (কৰুণাময়) চিন্তিলে যে এওঁ আকৌ কালৰ জালত বন্দী হব। ইয়াকে ভাবি মানসৰোবৰৰ পৰা তাৰৈ গল যত চন্দ্ৰবিজয় মহলৰ ভিতৰত অচেতন হৈ পৰি আছিল। যমদুতে ৰজাৰ প্ৰাণ বাহিৰ কৰিব ধৰিছিল। কবীৰদেৱ অহাৰ লগে লগে যমদুত বিলাক এনেভাৱে আকাশলৈ উৰি গল যেনেকৈ মৰা শৱৰ পৰা শগুণ উৰি যায়। চন্দ্ৰবিজয়ে চেতনা ঘুৰাই পালে। সমুখত পৰমেশ্বৰ কৰুণাময় থিয় হৈ আছে। মাথোন ৰজা চন্দ্ৰবিজয়ে দেখা পাইছিল আৰু অইন কোনেও দেখা পোৱা

নাছিল। চন্দ্ৰবিজয়ে ভৰিত পৰি কবলৈ ধৰিলে প্ৰভূ মোক ক্ষমা কৰক, মোৰ জীৱন ৰক্ষা কৰক। কিয়নো এতিয়া তেওঁ দেখিলে তাৰ প্ৰাণ যায়। (যেতিয়া জীৱৰ প্ৰাণ যাবৰ হয় তেতিয়াহে জীৱৰ চকু মেল খায়) মোক ক্ষমা কৰি দিয়ক প্ৰভু, মোৰ প্ৰাণ ৰক্ষা কৰি দিয়ক মালিক। কবীৰদেৱে কলে ৰজা আজিও তোমাৰ সেই কথা, সেই দিনাও সেই কথা আছিল, নাম দীক্ষা লব লাগিব। ৰজাই কলে মই নাম দীক্ষা লম, এতিয়াই লম। কবীৰদেৱে নাম উপদেশ দিলে তথা কলে যে এতিয়া মই তোমাক দুই বছৰ আয়ুস বঢ়াই দিম, যদি এই সময়ৰ ভিতৰত এটা উশাহো নাম স্মৰণৰ অবিহনে খালী হৈ যায় তেন্তে আকৌ কৰ্মদণ্ড হৈ যাব (পুনৰ সংসাৰৰ যন্ত্ৰণাত ভুগিব লাগিব)।

কবীৰ, জীৱন তো থোড়া ভলা , যো সত সুমিৰণ হো।
লাখ বৰ্ষ কা জীৱনা, লেখে ধৰে না কো।।

শুভ কৰ্মত সহযোগ দিয়া আৰু পিছৰ কৰ্ম আৰু শ্ৰদ্ধাৰে দুই বছৰ নাম স্মৰণ তথা তিনিও নাম প্ৰদান কৰি কবিৰদেৱে চন্দ্ৰবিজয়কো পাৰ কৰি দিলে। কওঁক সৎগুৰুদেৱ কী জয়, “বন্দী ছোড় কী জয়” (মুক্তিদাতা)।

পৰমেশ্বৰ কবীৰদেৱে সঁচাই শ্ৰদ্ধাৱান ভকতৰ আয়ুস বঢ়ায় দিয়ে আৰু তাৰ পৰিয়ালকো ৰক্ষা কৰে। ওপৰৰ বিৱৰণৰ পৰা প্ৰমাণ হ’ল। এই প্ৰমাণ বহুত পুৰণি। বৰ্তমানৰ সাধাৰণ ব্যক্তিয়ে বিশ্বাস নকৰে। বৰ্তমান পূজ্য কবীৰদেৱ পৰমেশ্বৰৰ শক্তিৰে সৎগুৰু ৰামপাল দাস গুৰু মহাৰাজৰ দ্বাৰা কষ্ট নিৱাৰণ তথা আয়ুস বৃদ্ধিৰ অনেক প্ৰমাণ পঢ়ক এই পুথিত।

## পৱিত্ৰ পুৰাণৰ ৰহস্য

পুৰাণক জানিবৰ কাৰণে অনুগ্ৰহ কৰি মনত ৰাখিব যে শ্ৰী ব্ৰহ্মা পুৰাণ, শ্ৰী বিষ্ণু পুৰাণ আৰু শ্ৰী শিৱ পুৰাণ ব্ৰহ্মৰ লীলাৰ পৰাই আৰম্ভ হৈছে, যাক প্ৰথম অব্যক্ত গীতা অধ্যায় ৭ শ্লোক ২৫ ত কৈছে গীতা অধ্যায় ১১, শ্লোক ৩২ ত কৈছে যে ‘মই কাল’। ইয়াক ক্ষৰ পুৰুষ তথা জ্যোতি নিৰঞ্জন বুলিও কোৱা হয়, এওঁকেই সদাশিষ, কালৰূপী ব্ৰহ্ম বুলিও কোৱা হয়। এওঁ ব্ৰহ্মাণ্ডত এটা ব্ৰহ্মলোকৰ ৰচনা কৰি তাৰে উপৰি ভাগত অৱস্থান কৰি থাকে।

এওঁকেই মহাবিষ্ণু, মহা ব্ৰহ্মা তথা মহাশিৱ বুলি কোৱা হয় আৰু সেই ক্ষেত্ৰক কাশী বুলিও কোৱা হয়। তাৰ ভিতৰতে ৰজগুণ প্ৰধান, সৎ গুণ প্ৰধান, তমগুণ প্ৰধান তিনি স্থান কৰি নিজ পত্নী দুৰ্গা (মহালক্ষ্মী)ক লগত ৰাখি তিনি পুত্ৰ ৰজগুণ শ্ৰীব্ৰহ্মাদেৱ, সৎগুণ শ্ৰীবিষ্ণুদেৱ, তমগুণ শ্ৰীশিৱৰ জন্ম দি অচেতন কৰে। অচেতন অৱস্থাতে এওঁ বিলাকৰ চোৱাচিতা কৰি থাকে। যুৱক হোৱাত শ্ৰীব্ৰহ্মা দেৱক পদুম ফুলৰ ওপৰত, শ্ৰীবিষ্ণু দেৱক শেষনাগৰ শয্যাৰ ওপৰত আৰু শ্ৰীশিৱক কৈলাশ পৰ্বতৰ ওপৰত চেতন কৰে। উৎপত্তি কৰ্তা সম্পৰ্কে এই তিনিও প্ৰভুৰ স্বয়ং জ্ঞান নাই। এই কালৰূপী ব্ৰহ্মই বিষ্ণু ৰূপ ধাৰণ কৰি নিজৰ নাভিৰ পৰা পদুম ফুল উৎপন্ন কৰি তাৰ ওপৰত শ্ৰীব্ৰহ্মা দেৱক ৰাখি চেতন কৰায়। এওঁ যেতিয়াই ইচ্ছা কৰে, তেতিয়াই শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু, শ্ৰীশিৱ ৰূপ ধাৰণ কৰি দৃষ্টি গোচৰ হয়। এই কাল নিজৰ বাস্তৱিক ৰূপত কেতিয়াও প্ৰকট নহয়, যি কালে শ্ৰীমদভাগৱত গীতাৰ জ্ঞান দিয়াৰ সময়ত বিৰাট ৰূপ দেখুৱাইছিল। গীতা অধ্যায় ১০ তথা ১১ ৰ ভিতৰত প্ৰমাণ আছে। শ্ৰীমদ্‌ভাগৱৎ গীতা অধ্যায় ১১ শ্লোক ৪৭-৪৮ ত কৈছে যে হে অৰ্জুন! এইটো মোৰ প্ৰকৃত কাল ৰূপ তোমাৰ বাহিৰে

পূৰ্বে কোনোৱে নাইদেখা আগলৈয়ো দেখা নাপাব। এইটো মই তোমাৰ ওপৰত দয়া কৰি দেখুৱালোঁ। মোৰ (ব্ৰহ্মৰ) হেজাৰ হাত আৰু হেজাৰ চকু আদিৰে কাল ৰূপক বেদত বৰ্ণিত বিধিৰে যেনে যজ্ঞ, ওম নামৰ জপ আদিৰে কেতিয়াও দেখা পোৱা নেযায়। ভাবাৰ্থ এইটো যে বেদত বৰ্ণিত বিধিৰে প্ৰভু প্ৰাপ্তি নহয়। এইবাবে ঋষি, মহৰ্ষি সকলে বেদত "ওঁ" নামক প্ৰভু প্ৰাপ্তি জানি প্ৰভুক পোৱাৰ বাবে যজ্ঞ তথা ওঁ নামৰ জপেৰে মোৰ সাধনা কৰিছিল, কিন্তু "ব্ৰহ্মৰ" দৰ্শন নহল। কোনোৱাই পদুম ফুলৰ জ্যোতি দেখিলে। কোনোৱাই শৰীৰৰ ভিতৰত জ্যোতি দেখিলে আৰু ধ্বনি শুনিলে, সেইয়া কাল (ব্ৰহ্ম)ৰ চলনা। কোনো কোনোৱে হাজাৰ পদ্মৰ এক হাজাৰ জ্যোতিৰ পৰা ওলোৱা পোহৰ দেখি প্ৰভু প্ৰাপ্তি বুলি ভাবিলে। যেনেকৈ কোনো এক স্থানত একে ৰঙৰ হাজাৰ বালব এটা আনটোৰ লগত গোলাকাৰ কৈ সজাই জ্বলাই ৰাখিছে। দুৰৰ পৰা দেখোতা সকলক এক পোহৰৰ সমষ্টি হৈ দেখা দিয়ে। অতি ওচৰলৈ গৈ চালে গম পোৱা যায় যে এইবোৰ বাল্বৰ পোহৰ হে।

এইদৰে কিছু সাধকে হঠযোগ কৰি শৰীৰৰ ভিতৰত অন্তৰ্মুখ হৈ, কিছুমানে আতিস বাজি (দীপাৱলী ৰ নিচিনা)চিকমিক পোহৰ দেখি প্ৰভুপ্ৰাপ্তি বুলি মানি লয়। সেই কালৰ জালক পাই আনন্দিত হৈ নিজৰ অমূল্য জীৱন নষ্ট কৰে। বেদত স্পষ্ট লিখা আছে যে পৰমেশ্বৰ সশৰীৰে আছে। যজুৰ্বেদ অধ্যায় ১ মন্ত্ৰ ১৫ তথা অধ্যায় ৫ মন্ত্ৰ ১ ৰ ভিতৰত প্ৰমাণ আছে।

অগ্নে তনুৰ অসি। বিষ্ণুৰে ত্বা সোমস্ব তনুৰ অসি।

যাৰ শব্দাৰ্থ হল পৰমেশ্বৰৰ সশৰীৰে বিদ্যমান। যিজন সকলোৰে পালন কৰ্তা অমৰ পুৰুষ (সৎপুৰুষ) ৰ শৰীৰ পৰমেশ্বৰ আকাৰত আছে। এই কাৰণে সাধু-ঋষিসকলে ঘোৰ তপস্যা কৰিছিল দৰ্শন পাবৰ বাবে। কিন্তু বেদত বৰ্ণিত বিধিৰে প্ৰভু প্ৰাপ্তি হব নোৱাৰে। এই কাৰণে আজিলৈকে সকলো সাধক, ঋষি, মুনি আদিয়ে নিজৰ অনুভৱৰ জৰিয়তে কিতাপ লিখিছিল যিবোৰ বেদ জ্ঞান বিৰুদ্ধ। এতিয়া সকলো ভকত সমাজে পৱিত্ৰ বেদৰ স্থানত অন্য সাধু, মহৰ্ষিৰ অনুভৱেৰে লিখিত পুথিৰ জ্ঞানৰ আধাৰত অভ্যস্ত হৈছে।

পৱিত্ৰ বেদ তথা শ্ৰীমদ্‌ভাগৱত গীতাৰ জ্ঞান দাতা ব্ৰহ্মই কৈছে তিনিগুণ (ৰজ গুণ- ব্ৰহ্মা, সৎগুণ- বিষ্ণু, তমগুণ-শিৱ) ইষ্ট ৰূপত পূজা কৰাৰ যোগ্য নহয়, কিয়নো এইবোৰ বিনাশী সেয়ে যেনে কৰ্ম তেনে ফল দিয়ে। পাপক নাশ (ক্ষমা) কৰিব নোৱাৰে। ইবিলাকৰ পূজাৰী ভকতে প্ৰাৰব্ধত লিখিত দুঃখ কষ্ট ভূগীব লগীয়া হয়। এই তিনিও প্ৰভুক সাধনা কৰি অকনমান সাংসাৰিক লাভ হয়, কিন্তু পূৰ্ণমুক্তি (মোক্ষ) প্ৰাপ্ত নহয়, এই তিনি প্ৰভু (শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু, শ্ৰীশিৱ)ৰ পৰা পোৱা ক্ষনিক লাভৰ ওপৰত যাৰ আস্থা থাকে সেইবোৰ ৰাক্ষস স্বভাৱ ধাৰণকাৰী, মনুষ্যৰ ভিতৰত নীচ, দুষ্কৰ্মকাৰী মুৰ্খই, মোৰো (কাল/ব্ৰহ্ম) ভক্তি নকৰে (প্ৰমাণ শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ৭, শ্লোক ১২ ৰ পৰা ১৫ লৈ)। কিয়নো ব্ৰহ্মৰ সাধক অধিক সময়লৈ ব্ৰহ্মলোকত নিৰ্মিত মহাস্বৰ্গত নিজৰ নামৰ আৰু পূণ্যৰ বলৰ আধাৰত হে থাকিব পাৰে। এই বাবে কালে কৈছে যে মই (কাল / ব্ৰহ্ম) তিনিও প্ৰভুতকৈ কিছু বেছি সহায় কৰিব পাৰো। কিন্তু এই ব্ৰহ্মলোক আৰু কালো (ব্ৰহ্ম) বিনাশী। গীতা অধ্যায় ৮, শ্লোক ১৬ ত কৈছে যে ব্ৰহ্ম লোকলৈকে সৰ্বলোক পুনৰ আবৃত্তিত আছে আৰু গীতা অধ্যায় ২, শ্লোক ১২, আৰু অধ্যায় ৪, শ্লোক ৫ ত স্বয়ং গীতা জ্ঞানদাতা ব্ৰহ্মই কৈছে যে মোৰো জন্ম-মৃত্যু হয় অৰ্থাৎ মই নাশৱান হওঁ।

এইবাবে পৱিত্ৰ গীতা অধ্যায় ৭, শ্লোক ১৮ তকৈছে যে মোৰ (কাল/ব্ৰহ্ম) যি চাৰি প্ৰকাৰৰ সাধক আছে তাৰ ভিতৰত যি জ্ঞানী তেওঁ বেদৰ জ্ঞানৰ আধাৰৰ বিষয়ে জানি লয় যে কেৱল এজন পূৰ্ণ পৰমাত্মাই ইষ্ট ৰূপত পূজ্য, তেওঁৱেঁই পাপ নাশক, পূৰ্ণ মোক্ষ দায়ক তথা এই মানৱ শৰীৰ প্ৰভু প্ৰাপ্তিৰ বাবেহে। তেওঁলোকে বেদৰ পৰা স্বয়ং নিস্কৰ্ষ বাহিৰ কৰি লৈছে যে "ওম" (ওঁ) এইটোৱে একমাত্ৰ মন্ত্ৰ প্ৰভু প্ৰাপ্তিৰ কাৰণে। এই ওম (ওঁ) জপেৰে হাজাৰ বছৰ সাধনা কৰি নিজৰ জীৱনকো বিসৰ্জন দিছে। প্ৰভু দৰ্শন নহল, আন উপলদ্ধি হল কিছু সিদ্ধি প্ৰাপ্তি হল আৰু স্বৰ্গ-মহাস্বৰ্গৰ উচ্চপদ প্ৰাপ্ত হ'ল। পিছত ভজনৰ ফল তথা অৰ্জিত পুণ্য সমাপ্ত হোৱাত পুণৰ জন্ম-মৃত্যু আৰু চৌৰাশী লাখ যোনীৰ শৰীৰত ঘোৰ দুঃখ কষ্ট আৰু নৰকত পাপ কৰ্মৰ ফল ভুগিব লগা হল।

পবিত্ৰ যজুৰ্বেদ অধ্যায় ৪০ মন্ত্ৰ ১০ আৰু পবিত্ৰ গীতা অধ্যায় ৪ মন্ত্ৰ ৩৪ ত ওপৰোক্ত দুয়ো শাস্ত্ৰৰ জ্ঞান দাতা ব্ৰহ্মই কৈছে যে সেইজন পৰমাত্মাৰ বিষয়ে মই (কালৰূপী ব্ৰহ্ম) নাজানো। সেইজন পৰমেশ্বৰৰ বিষযে পূৰ্ণ জ্ঞান অৰ্থাৎ তত্ত্বজ্ঞান আৰু সেইজন পৰমেশ্বৰক পোৱাৰ বিধি অৰ্থাৎ পূৰ্ণ মোক্ষ মাৰ্গ জানিবলৈ তত্ত্বদৰ্শী সন্তৰ অনুসন্ধান কৰা। পিছত তেওঁ যেনেকৈ পূজাসাধনা কৰাৰ উপদেশ দিব তেনেকৈ কৰা। তাৰ পিছত সেইজন পৰমপদ পৰমেশ্বৰৰ অনুসন্ধান কৰিব লাগে যলৈ যোৱাৰ পিছত সাধক আকৌ এই সংসাৰলৈ উভতি নাহে অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্ত হৈ চিৰদিনৰ বাবে জন্ম-মৃত্যু আৰু চৌৰাশী লাখ যোনীৰ কষ্ট আৰু নৰক যাতনা কষ্টৰ পৰা মুক্ত হয় আৰু পূৰ্ণশান্তি পায় (শাশ্বতম স্থানম) অৱিনাশী লোক অৰ্থাৎ সৎলোক প্ৰাপ্ত হয় (প্ৰমাণ গীতা অধ্যায় ১৫ শ্লোক ১, ৪ আৰু গীতা অধ্যায় ১৮, শ্লোক ৬২ আৰু ঋগবেদ মণ্ডল ১ শুক্ত ২৪ মন্ত্ৰ ১-২)।

তত্ত্বদৰ্শী সন্তক নোপোৱাৰ কাৰণে সকলো ঋষিয়ে বেদ অনুসৰি সাধনা কৰিও ম হাকষ্ট পায়। এই কাৰণে গীতা অধ্যায় ৭, শ্লোক ১৮ ত কৈছে যে যিজন জ্ঞানী আত্মা তেওঁ উদাৰ হয় কিয়নো প্ৰভু প্ৰাপ্তিৰ কাৰণে দেহ-মনধনেৰে বেদ অনুসৰি সাধনা কৰে, কিন্তু তেওঁলোকো মোক (কাল) ব্ৰহ্মৰ (অনুত্তমা) অতি বেয়া গতি অৰ্থাৎ সাধনাৰ দ্বাৰা পোৱা লাভতেই আশ্ৰিত হয় ,যাৰ দ্বাৰা তেওঁলোকৰ পূৰ্ণ মোক্ষ প্ৰাপ্তি নহয়। জন্ম-মৃত্যু আৰু নানা প্ৰাণীৰ শৰীৰত আৰু নৰকত কৰ্মাধাৰত পৰাও কেতিয়াও কষ্টৰ সমাপ্তি নহয়।

জ্যোতি নিৰঞ্জনে (কালৰূপী ব্ৰহ্ম) প্ৰতিজ্ঞা কৰিছে যে মই কেতিয়াও কাকো যি কোনো সাধনাৰ দ্বাৰা নিজৰ বাস্তৱিক কাল ৰূপত দৰ্শন নিদিওঁ। এই কাৰণে এই কালৰূপী ব্ৰহ্মই নিজ পুত্ৰ (ব্ৰহ্মা, বিষ্ণু, শিৱৰ ৰূপত দেখা দি নানা কৰ্তব্য পালন কৰে। যি কাৰণে সাধকে ভাৱে যে এই লীলা ভগৱান বিষ্ণুদেৱেই কৰিছে, কেতিয়াবা কয় যে এই লীলা শ্ৰীব্ৰহ্মাদেৱেই কৰিছে, কেতিয়াবা কয় যে এই লীলা শ্ৰীশিৱই কৰিছে। সাধাৰণ ব্যক্তিয়ে কয় যে শ্ৰীব্ৰহ্মাদেৱৰ জন্ম শ্ৰীবিষ্ণুদেৱৰ নাভি কমলৰ ওপৰত হৈছে। সেই সময়ত শ্ৰীবিষ্ণুদেৱৰ ৰূপত কালে নিজৰ নাভিৰ পৰা কমল প্ৰকট কৰাইছিল।

ব্ৰহ্মা পুৰাণ (সৃষ্টিৰ বৰ্ণন নামক অধ্যায়) ত শ্ৰী লোমহৰ্ষন ঋষিয়ে (যাক সুত ম ুনিও কোৱা হয়) নিজ গুৰুদেৱ শ্ৰীব্যাসদেৱ ঋষিৰ পৰা শুনা জ্ঞানৰ কথা কৈছিল। শ্ৰী ব্যাসদেৱে শ্ৰীনাৰদ মুনিৰ পৰা শুনিছিল আৰু শ্ৰীনাৰদ মুনিয়ে নিজ পিতৃ শ্ৰী ব্ৰহ্মাদেৱৰ পৰা জানিছিল। শ্ৰী ব্ৰহ্মা দেৱৰো স্বয়ং জ্ঞান নাই, তেওঁ কৰ পৰা উৎপন্ন হৈছে (শ্ৰীদেবী মহাপুৰাণ তৃতীয় স্কন্ধ)। ইয়াৰ ভাবাৰ্থ এইটো নহয় যে পুৰাণত বৰ্ণিত জ্ঞান ভুল। যি

জ্ঞান ব্ৰহ্মাই চেতনা পোৱাৰ পিছত কৈছে সেইখিনি সেই স্তৰলৈকে শুদ্ধ। কিন্তু চেতনা পোৱাৰ পূৰ্বৰ জ্ঞান হল দন্তকথা (লোক বেদ)। যি পূৰ্ণ পৰমেশ্বৰ সত্য যুগত সৎসুকৃত নামেৰে প্ৰকট হৈ তত্ত্বদৰ্শী সন্তৰ ৰূপত তত্ত্বজ্ঞান আৰু বাস্তৱ সৃষ্টি ৰচনাৰ জ্ঞান শ্ৰীব্ৰহ্মা দেৱ আৰু শ্ৰীমনুদেৱ আদিক দিছিল। এওঁলোকে শুনিও নুশুনা কৰিছিল। তাৰ পিছত যেতিয়া শ্ৰীব্ৰহ্মদেৱৰ পৰা বংশধৰ সকলে এইবিলাক শুধিবলৈ ধৰিলে তেতিয়া শুনা জ্ঞানৰ আধাৰত কিছু মিহলি কৰি পূৰ্ব জ্ঞানৰ কথা কৈছে সেই কাৰণে কোনো কোনো পুৰাণ নিৰ্ণায়ক জ্ঞানযুক্ত হয়। কোনো পুৰাণৰ আধাৰত প্ৰমাণ হয় যে শ্ৰীবিষ্ণুদেৱৰ উৎপত্তি শ্ৰীব্ৰহ্মাদেৱৰ পৰা হৈছে, কোনো পুৰানৰ পৰা প্ৰমাণ হয় যে শ্ৰীব্ৰহ্মাদেৱৰ উৎপত্তি শ্ৰীবিষ্ণুদেৱৰ পৰা হৈছে ইত্যাদি। এই কাৰণে সকলো ঋষি আৰু শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণুও আৰু শ্ৰীশিৱৰো সংশয় আছে।

**শ্ৰীব্ৰহ্মাদেৱ আৰু শ্ৰীৰিষ্ণুণদেৱৰ মাজত যুদ্ধ**

শ্ৰীশিৱ পুৰাণ (বিদ্যশ্বৰ সংহিতা অধ্যায় ৬ অনুবাদক দীনদয়াল শৰ্মা, প্ৰকাশক ৰামায়ণ প্ৰেচ মুম্বই, পৃষ্ঠা ৬৭ আৰু পণ্ডিত ৰামলগ্ন পাণ্ডে বিশাৰদ প্ৰকাশক সাৱিত্ৰী ঠাকুৰ, প্ৰকাশন ৰথযাত্ৰা বাৰানসী, ব্ৰাঞ্চনাটী ইমলী বাৰানসীৰ বিদ্যেশ্বৰ সংহিতা অধ্যায় ৬, পৃষ্ঠা ৫৪ তথা টীকাকাৰ ডাঃ ব্ৰহ্মানন্দ ত্ৰিপাঠী সাহিত্য আয়ুৰ্বেদ জ্যোতিষাচাৰ্য্য এম,এ, পি.এচ.ডি.এচ.সী.এ.। প্ৰকাশক চৌখম্বা সংস্কৃত প্ৰতিষ্ঠান, ৩৮ য়ু.এ. জবাহৰ নগৰ, বাংলো ৰোড, দিল্লী, সংস্কৃতৰ সৈতে শিৱ পুৰান বিদ্যেশ্বৰ সংহিতা অধ্যায় ৬, পৃষ্ঠা ৪৫)।

শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণুৰ ওচৰলৈ আহিল। সেই সময়ত শ্ৰীবিষ্ণুদেৱ লক্ষ্মীৰ সৈতে শেষ নাগৰ শয্যাত আছিল, লগত অনুচৰ বিলাকো বহি আছিল। শ্ৰীব্ৰহ্মদেৱে শ্ৰীবিষ্ণু দেৱক চাই কলে পুত্ৰ, উঠা চোৱা তোমাৰ পিতৃ আহিছে। মই তোমাৰ ভগৱান। ইয়াক শুনি বিষ্ণুৱে কলে আহা, বহা ময়েই তোমাৰ পিতৃ হওঁ। তোমাৰ মুখখন কিয় বিকট হৈছে ? ব্ৰহ্মদেৱে কলে হে পুত্ৰ! এতিয়া তোমাৰ বৰ অভিমান হৈছে, মই অকল তোমাৰ সংৰক্ষক নহওঁ, কিন্তু মই সকলো জগতৰ পিতা। সকলো জগত মোৰ ভিতৰতে নিবাস কৰে। তুমি মোৰ নাভি কমলৰ পৰা জন্ম হৈছা আৰু মোকেই এনেকৈ কৈছা। ইয়াকে কৈ দুই প্ৰভুৱে অস্ত্ৰৰ সৈতে যুদ্ধ কৰিবলৈ ধৰিলে। এজনে আনজনৰ বক্ষ স্থলৰ ওপৰত আঘাত কৰিবলৈ ধৰিলে। ইয়াকে দেখি সদাশিৱই (কাল ৰূপী ব্ৰহ্ম) এক তেজোময় লিঙ্গ দুয়োজনৰ মাজত থিয় কৰাই দিলে, তেতিয়া যুদ্ধ বন্ধ হল।(এই ওপৰোক্ত বিৱৰণ গীতা প্ৰেচ গোৰখপুৰৰ শিৱ পুৰাণৰ পৰা বাহিৰ কৰি ৰখা। কিন্তু মূল সংস্কৃতৰ সৈতে যি ওপৰত লিখিত তথা আন দুই সম্পাদকৰ তথা প্ৰকাশকৰ শিৱ পুৰাণত শুদ্ধ আছে।)

বিচাৰ কৰক - শ্ৰীশিৱ পুৰাণ, শ্ৰী বিষ্ণু পুৰাণ, শ্ৰী ব্ৰহ্মা পুৰাণ আৰু শ্ৰী দেবী ম হাপুৰাণত তিনিও প্ৰভু আৰু সদাশিৱ (কালৰূপী ব্ৰহ্ম) আৰু দেৱীৰ (শিৱা প্ৰকৃতী) জীৱন মহিমা আছে। এইবিলাকৰ আধাৰত সৰ্ব ঋষি জন আৰু গুৰু জনে জ্ঞান শুনাইছিল। যদি কোনোৱাই পৱিত্ৰ পুৰাণৰ পৰা ভিন্ন জ্ঞানৰ কথা কয় সেইটো পাঠ্যক্ৰমৰ বিৰুদ্ধ জ্ঞান হোৱা কাৰণে সমুলি ব্যৰ্থ।

ওপৰোক্ত যুদ্ধৰ বিৱৰণ পৱিত্ৰ শিৱ পুৰাণত আছে, যত দুই প্ৰভুৱে পাঁচ বছৰীয়া শিশুৰ দৰে কাজিয়া কৰিছে। এজনে আনজনক কয় তুমি মোৰ পুত্ৰ আনজনে কয় তুমিহে মোৰ পুত্ৰ, মই তোমাৰ পিতৃ। এইদৰে কৈ ইজনে সিজনৰ লগত কাজিয়া কৰে। এই চৰিত্ৰ ত্ৰিলোকী নাথৰ।

ওপৰোক্ত তিনিও পুৰাণ (শ্ৰীব্ৰহ্মা পুৰাণ, শ্ৰী বিষ্ণু পুৰাণ তথা শ্ৰী শিৱ পুৰাণ)ৰ

আৰম্ভণি কালৰূপী ব্ৰহ্ম অৰ্থাৎ জ্যোতি নিৰঞ্জনৰপৰাই হৈছে যি ব্ৰহ্মলোকত মহাব্ৰহ্মা, মহাবিষ্ণু, আৰু মহাশিৱৰ ৰূপ ধাৰণ কৰি থাকে আৰু নিজৰ লীলাও ওপৰোক্ত ৰূপত কৰে। নিজৰ বাস্তৱিক কাল ৰূপক লুকুৱাই ৰাখে আৰু পিছৰ বিৱৰণ ৰজগুণ ব্ৰহ্মাদেব, সৎগুণ বিষ্ণুদেব আৰু তমগুণ শিৱৰ লীলা আছে। ওপৰোক্ত জ্ঞানৰ আধাৰৰ পৰাই পৱিত্ৰ পুৰাণক বুজা অতি সহজ।

**শ্ৰীবিষ্ণু পুৰাণ**

(অনুবাদক শ্ৰীমুনিলাল গুপ্ত, প্ৰকাশক- গোবিন্দ ভৱন কাৰ্য্যালয়, গীতাপ্ৰেচ গোৰখপুৰ)

শ্ৰীবিষ্ণু পুৰাণৰ জ্ঞান শ্ৰী পৰাশৰ মুনিয়ে নিজৰ শিষ্য শ্ৰীমৈত্ৰেয় ঋষিক কৈছিল।

শ্ৰী পৰাসৰ মুনিৰ বিবাহ হোৱাত গৃহ ত্যাগ কৰি বনলৈ গৈ সাধনা কৰিবলৈ দৃঢ় সংকল্প কৰিলে। তেওঁৰ ধৰ্ম পত্নীয়ে কলে এতিয়াহে বিয়াখন হৈছে, আৰু এতিয়াই আপুনি ঘৰ ত্যাগ কৰি যাব খুজিছে। সন্তান জন্ম দি পিছত সাধনা কৰিবলৈ যাব। তেতিয়া শ্ৰীপৰাশৰ মুনিয়ে কলে যে সাধনা কৰাৰ পিছত সন্তান জন্ম দিলে উত্তম সংস্কাৰ সম্পন্ন সন্তানৰ উৎপত্তি হব। কিছুদিন অতিবাহিত হৈ যোৱাৰ পিছত মই তোম াৰ বাবে শক্তি (বীৰ্য্য) কোনো চৰাইৰ দ্বাৰা পঠাই দিম, তুমি তাক গ্ৰহণ কৰিবা। এই কথা কৈ ঘৰ ত্যাগ কৰি বাণপ্ৰস্থ হল। এবছৰ সাধনা কৰাৰ পিছত নিজৰ বীৰ্য্য বাহিৰ কৰি এখিলা গছৰ পাতত টোপোলা বান্ধি নিজৰ মন্ত্ৰ শক্তিৰে শুক্ৰানু ৰক্ষা কৰি এজনী কাউৰীক কলে যে এই পাতখন মোৰ পত্নীক দি আহা। কাউৰীয়ে সেই পাতখিলা লৈ নদীৰ ওপৰেৰে উৰি গৈ আছিল, তাইৰ ঠোটৰ পৰা পাতখিলা পানীত পৰি গল। তাক এজনী মাছে খাই পেলালে। কিছু মাহৰ পিছত সেই মাছজনী এজন নাৱৰীয়াই (ঘাটৰুৱা) ধৰি কটাত তাৰপৰা এজনী দীপলীপ ছোৱালী ওলাই পৰিল। নাৱৰীয়াই ছোৱালী জনীৰ নাম সত্যৱতী ৰাখিলে। সেইজনী ছোৱালী (মাছৰ পেটৰ পৰা উৎপন্ন হোৱা কাৰণে) মস্য গন্ধা নামেৰে জনাজাত হৈছিল। নাৱৰীয়াই ছোৱালী জনীক নিজৰ জীয়েক হিচাপে পালন কৰিছিল।

কাউৰীয়ে উভতি গৈ পৰাশৰ মুনিক সকলো বৃত্তান্ত কলে। যেতিয়া সাধনা সমাপ্ত কৰি শ্ৰীপৰাশৰ মুনি ১৬ বছৰ পিছত উভতি আহিছিল, নদী পাৰ হবৰ কাৰণে নাৱৰীয়াক মাত দি কলে যে মোক সোনকালে নদীখন পাৰ কৰি দিয়া। মোৰ পত্নীয়ে মোৰ কাৰণে অপেক্ষা কৰি আছে। সেই সময়ত নাৱৰীয়াই আহাৰ খাই আছিল আৰু শ্ৰীপৰাশৰ মুনিৰ বীজৰ পৰা মাছৰ উদৰত উৎপন্ন হোৱা চৈধ্য বছৰীয়া যুৱতী ছোৱালী জনী নিজৰ দেউতাৰ আহাৰ লৈ তাত উপস্থিত আছিল। নাৱৰীয়াৰ জ্ঞান আছিল যে সাধনা তপষ্যা কৰি অহা মুনি সিদ্ধিযুক্ত হয়।আদেশ সোনকালে পালন নকৰিলে অভিশাপ দিব পাৰে। নাৱৰীয়াই কলে মুনিবৰ! মই আহাৰ গ্ৰহণ কৰি আছো, আধা খোৱাকৈ এৰিলে অন্নদেৱৰ অপমান হয়, মোৰ পাপ লাগিব। কিন্তু শ্ৰীপৰাশৰ মুনিয়ে একো নুশুনিলে। মুনি অতি উত্ৰাৱল হোৱা দেখি নাৱৰীয়াই নিজৰ যুৱতী ছোৱালীক মুনিক পাৰ কৰাবলৈ কলে। পিতাৰ আদেশ পাই নাৱৰীয়াৰ কন্যাই মুনিক নাৱত লৈ পাৰ কৰিবলৈ গল। নাৱ গৈ নদীৰ মাজ পোৱাত পৰশৰ মুনিয়ে নিজ বীজ শক্তিৰ দ্বাৰা মাছৰ উদৰত উৎপন্ন ছোৱালী অৰ্থাৎ নিজৰ ছোৱালীৰ লগত দুস্কৰ্ম কৰিবলৈ ইচ্ছা ব্যক্ত কৰিলে। ছোৱালী জনীয়েও নিজৰ পালক পিতা নাৱৰীয়াৰ পৰা খঙাল মুনিয়ে দিয়া অভিশাপিত হোৱা দুঃখী ব্যক্তিৰ

কাহিনী শুনিছিল। অভিশাপৰ ভয়ত কপি কপি ছোৱালী জনীয়ে কলে মুনিৱৰ আপুনি ব্ৰাহ্মণ, মই এজনী শূদ্ৰৰ জীয়েক। মুনি পৰাশৰে কলে কোনো চিন্তা নাই। ছোৱালী জনীয়ে নিজৰ সন্মান বচাবৰ কাৰনে আকৌ ছল কৰি কলে যে মুনিৱৰ মোৰ শৰীৰৰ পৰা মাছৰ দুৰ্গন্ধ ওলাই আছে। মুনি পৰাসৰে নিজৰ সিদ্ধি শক্তিৰে দুৰ্গন্ধ সমাপ্ত কৰি দিলে। আকৌ ছোৱালী জনীয়ে মুনিক কলে নদীৰ দুয়ো পাৰত মানুহে চাই আছে। পৰাশৰ মুনিয়ে গঙ্গাৰ পানী হাতত উঠাই লৈ আকাশলৈ ছটিয়াই দিলে আৰু নিজৰ সিদ্ধি শক্তিৰে আন্ধাৰ কৰি দিলে। নিজৰ মনোৰথ পূৰ্ণ কৰিলে। ছোৱালী জনী নিজৰ পালক আইৰ যোগেদি পালক পিতাক সকলো ঘটনা অৱগত কৰিলে আৰু কলে যে মুনিয়ে নিজৰ নাম পৰাশৰ বুলি কৈছে আৰু তেওঁ ৱশিষ্ঠ মুনিৰ নাতি বুলি কৈছে। সময় অতিবাহিত হোৱাত কুমাৰীৰ গৰ্ভৰ পৰা মুনি ব্যাসদেৱৰ জন্ম হল।

সেইজন পৰাসৰ মুনিৰ দ্বাৰা শ্ৰীবিষ্ণু পুৰাণ ৰচনা হৈছে। শ্ৰীপৰাশৰ মুনিয়ে নিজ শিষ্য মৈত্ৰেয়ক কৈছে যে যি জ্ঞান মই তোমাক শুনাবলৈ খুজিছো, এই জ্ঞান দক্ষাদি মুনিৱৰে নৰ্মদাৰ পাৰত ৰজা পুৰুকুৎসক শুনাইছিল। পুৰুকুৎসই সাৰস্বতক আৰু সাৰস্বতই মোক কৈছিল। শ্ৰীপৰাশৰ মুনিয়ে শ্ৰীবিষ্ণু পুৰাণৰ প্ৰথম অধ্যায় শ্লোক সংখ্যা ৩১ পৃষ্ঠা সংখ্যা ৩, ত কৈছে যে এই জগত বিষ্ণুৰ পৰাই উৎপন্ন হৈছে, তেওঁতেই স্থিত আছে। তেওঁৱেই ইয়াৰ স্থিতি আৰু লয়ৰ কৰ্তা। অধ্যায় ২, শ্লোক ১৫-১৬ পৃষ্ঠ ৪ ত কৈছে যে হে দ্বিজ! পৰব্ৰহ্মৰ প্ৰথম ৰূপ পুৰুষ অৰ্থাৎ ভগৱান নিচিনা লাগে, কিন্তু ব্যক্ত (মহাবিষ্ণু ৰূপত প্ৰকট হোৱা) আৰু অব্যক্ত (অদৃশ্য ৰূপত বাস্তৱিক কাল ৰূপত এৰৈশ ব্ৰহ্মাণ্ডত থকা) তাৰ অন্য ৰূপ আৰু কাল তাৰ পৰম ৰূপ। ভগৱন বিষ্ণুঃ যি কাল ৰূপত ব্যক্ত আৰু অব্যক্ত ৰূপত স্থিত থাকে, এইটো তেওঁৰ বাল্যলীলা।

অধ্যায় ২, শ্লোক ২৭, পৃষ্ঠা ৫ ত কৈছে যে হে মৈত্ৰেয়! প্ৰলয় কালত প্ৰধান অৰ্থাৎ প্ৰকৃতি সাম্য অৱস্থাত স্থিত হৈ যোৱাৰ পিছত অৰ্থাৎ পুৰুষ প্ৰকৃতিৰ পৰা পৃথক হোৱাৰ পিছত বিষ্ণু ভগৱান কাল ৰূপত প্ৰবৃত্ত হয়।

অধ্যায় ২, শ্লোক ২৮, ৰ পৰা ৩০, পৃষ্ঠা ৫, ত তাৰ পিছত (স্বৰ্গকাল উপস্থিত হোৱাত) সিজন পৰব্ৰহ্ম পৰমাত্মা বিশ্বৰূপ সৰ্বব্যাপী সৰ্বভূতেশ্বৰ সৰ্বাত্মা পৰমেশ্বৰে নিজৰ ইচ্ছাৰ দ্বাৰা বিকাৰী আৰু অবিকাৰী পুৰুষত প্ৰৱেশ কৰি তাক ক্ষোভিত কৰিলে ।। ২৮-২৯।। যি দৰে ক্ৰিয়াশীল নোহোৱাতো গন্ধই নিজৰ সন্নিধি মাত্ৰ প্ৰধান আৰু পুৰুষলৈ প্ৰেৰিত কৰিছে।

বিশেষ ঃ- শ্লোক সংখ্যা ২৮ ৰ পৰা ৩০ লৈ স্পষ্ট কৰিছে যে প্ৰকৃতি (দুৰ্গা) আৰু পুৰুষ (কাল-প্ৰভু)ৰ পৰা অন্য কোনো আৰু পৰমেশ্বৰ আছে। যিয়ে ইহঁত দুজনক সৃষ্টি ৰচনাৰ কাৰণে প্ৰেৰিত কৰে।

অধ্যায় ২, পৃষ্ঠা ৮, শ্লোক ৬৬, ত লিখিত আছে সেইজন প্ৰভু বিষ্ণু স্ৰষ্টা (ব্ৰহ্মা) হৈ নিজৰেই সৃষ্টি কৰে। শ্লোক সংখ্যা ৭০ ত আছে। ভগৱান বিষ্ণুৱে ব্ৰহ্মা আদি অৱস্থাৰ দ্বাৰা ৰচনা কৰে। তেওঁৱেই ৰচিত হয় আৰু স্বয়ং সংহত অৰ্থাৎ মৰে। অধ্যায় ৪, শ্লোক ৪, পৃষ্ঠা ১১, ত আছে যে অইন কোনো পৰমেশ্বৰ আছে যি ব্ৰহ্মা, শিৱ আদি ঈশ্বৰতকৈও ঈশ্বৰ হয়। অধ্যায় ৪, শ্লোক ১৪, ১৫, ১৭, ২২ পৃষ্ঠা ১১, ১২ ত এই কথা আছে। পৃথিৱীয়ে কলে - হে কাল স্বৰূপ! আপোনাক নমস্কাৰ। হে প্ৰভু আপুনিয়ে জগতৰ সৃষ্টি আদিৰ কাৰণে ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰৰূপ ধাৰণকাৰী। আপোনাৰ যি ৰূপ

অৱতাৰ ৰূপত প্ৰকট হয় তাকেই দেৱগণে পূজা কৰে। আপুনিয়ে ওঁকাৰ। অধ্যায় ৪, শ্লোক ৫০, পৃষ্ঠা ১৪, ত আছে পিছত সিজন ভগৱান হৰিয়ে ৰজোগুণ যুক্ত হৈ চতুৰ্মুখ ধাৰী ব্ৰহ্মা ৰূপ ধাৰণ কৰি সৃষ্টিৰ ৰচনা কৰিলে।

ওপৰোক্ত বিৱৰণৰ পৰা এইটো সিদ্ধ হয় যে মুনি পৰাশৰে শুনি যি জ্ঞান শুনাইছে লোকবেদৰ আধাৰত শ্ৰীবিষ্ণু পুৰাণৰ ৰচনা কৰিলে। কিয়নো বাস্তৱিক জ্ঞান পূৰ্ণ পৰমাত্মাই প্ৰথম সত্য যুগত স্বয়ং অৱতৰণ কৰি শ্ৰী ব্ৰহ্মা দেৱক প্ৰদান কৰিছিল। শ্ৰীব্ৰহ্মাদেৱে কিছু জ্ঞান আৰু কিছু স্বনিৰ্মিত কাল্পনিক জ্ঞান সানমিহলি কৰি নিজৰ বংশধৰ সকলক কৈছিল। এজনে আনজনৰ পৰা শুনা লোকবেদৰ আধাৰত শ্ৰীপৰাসৰ মুনিয়ে পাইছিল। শ্ৰী পৰাসৰ মুনিয়ে বিষ্ণুও দেৱকো কাল বুলিও কৈছে আৰু পৰব্ৰহ্ম বুলিও কৈছে। ওপৰোক্ত বিৱৰণৰ পৰা এইটো জনা যায় যে বিষ্ণু অৰ্থাৎ ব্ৰহ্ম স্বৰূপ কালে ব্ৰহ্মা, বিষ্ণু তথা শিৱ ৰূপত সৃষ্টি কৰে। ব্ৰহ্ম (কাল) ই ব্ৰহ্মলোকত তিনি ৰূপত উদ্ভৱ হৈ লীলা কৰি ছলনা কৰে। তাত নিজেও মৰে (বিশেষ জানিবৰ বাবে অনুগ্ৰহ কৰি পঢ়ক প্ৰলয়ৰ জানকাৰী পুথি 'গহৰী নজৰ গীতা মেঁ' অধ্যায় ৮ শ্লোক ১৭ ৰ ব্যাখ্যাত)। সেই ব্ৰহ্ম লোকত তিনি স্থান সাজিলে। এখন ৰজগুণ প্ৰধান তাত এই কালৰূপী ব্ৰহ্ম নিজৰ ব্ৰহ্মা ৰূপ ধাৰণ কৰি থাকে আৰু নিজৰ পত্নী দুৰ্গাক লগত ৰাখি ৰজগুণ প্ৰধান পুত্ৰ জন্ম দিয়ে। তেওঁৰ নাম ব্ৰহ্মা ৰাখে। তেওঁৰে দ্বাৰাই এখন ব্ৰহ্মাণ্ডত সৃষ্টি কৰোৱায়। এইদৰে সেই ব্ৰহ্ম লোকত আন এখন সৎগুণ প্ৰধান স্থানত স্বয়ং নিজৰ বিষ্ণু ৰূপ ধাৰণ কৰি থাকে আৰু নিজ পত্নী দূৰ্গাক (প্ৰকৃতি) লগত ৰাখি এজন সৎগুণ যুক্ত পুত্ৰ জন্ম দিয়ে। তেওঁৰ নাম বিষ্ণু ৰাখে। সেই পুত্ৰৰ দ্বাৰাই এক ব্ৰহ্মাণ্ডত তিনি লোকৰ (স্বৰ্গ, মৰ্ত্য, পাতাল) স্থিতি ৰখাৰ কাৰ্য্য কৰোৱায়। (প্ৰমাণ শিৱ পুৰাণ গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত অনুবাদ হনুমান প্ৰসাদ পোদ্দাৰ চিমনলাল গোস্বামী ৰুদ্ৰ সংহিতা অধ্যায় ৬, ৭ পৃষ্ঠা ১০২-১০৩)।

ব্ৰহ্মলোকত আন এক তৃতীয় স্থান তমোগুণ প্ৰধান ক্ষেত্ৰ ৰচনা কৰি তাত স্বয়ং শিৱ ৰূপ ধাৰণ কৰি থাকে আৰু নিজ পত্নী দুৰ্গাক (প্ৰকৃতি) লগত ৰাখি পতি-পত্নীৰ ব্যৱহাৰৰ দ্বাৰাই সেই প্ৰকাৰে তৃতীয় পুত্ৰ তমোগুণ যুক্ত জন্ম দিয়ে। তেওঁৰ নাম শংকৰ (শিৱ) ৰাখে। এই পুত্ৰৰ দ্বাৰাই তিনিও লোক প্ৰাণীক বিনাশ কৰোৱায়।

বিষ্ণুপুৰাণৰ অধ্যায় ৪ লৈ যি জ্ঞান আছে সেইটো কাল ৰূপ ব্ৰহ্ম অৰ্থাৎ জ্যোতি নিৰঞ্জনৰ। অধ্যায় ৫ ৰ পৰা আগলৈ একেধৰণৰ জ্ঞান কালৰ পুত্ৰ সৎগুণ বিষ্ণুদেৱৰ লীলাৰ আৰু তেওঁৰেই অৱতাৰ শ্ৰীৰাম, শ্ৰীকৃষ্ণ আদিৰ জ্ঞান আছে।

বিশেষ বিচাৰ কৰিবলগীয়া কথা এইটোৱেই যে শ্ৰী বিষ্ণু পুৰাণৰ বক্তা শ্ৰীপৰাশৰ মুনি। এই জ্ঞান দক্ষাদি ঋষিৰ পৰা পুৰুকুৎসই শুনিছিল, পুৰুকুৎসৰ পৰা সাৰস্বতই শুনিছিল আৰু সাৰস্বতৰ পৰা শ্ৰীপৰাশৰ মুনিয়ে শুনিছিল। সেই জ্ঞান শ্ৰীবিষ্ণু পুৰাণত লিপিবদ্ধ কৰা হৈছিল যি আজি আপোনাৰ হাতত আছে। ইয়াত কেৱল এটা ব্ৰহ্মাণ্ডৰ জ্ঞানো আধৰুৱা হৈ ৰৈছে। শ্ৰীদেৱী পুৰাণ, শ্ৰীশিৱ পুৰাণ আদি পুৰাণৰ জ্ঞানো শ্ৰীব্ৰহ্মদেৱে দিয়া জ্ঞান। শ্ৰীপৰাশৰ মুনিৰ জ্ঞান শ্ৰীব্ৰহ্মদেৱে দিয়া জ্ঞানৰ সমান নহয়। এই বাবে শ্ৰীবিষ্ণু পুৰাণ বুজিবৰ বাবে শ্ৰীদেৱী পুৰাণ তথা শ্ৰীশিৱ পুৰাণৰ সহায় লোৱা হয়। কিয়নো এই জ্ঞান দক্ষাদি ঋষিৰ পিতা শ্ৰীব্ৰহ্মাদেৱে দিয়া জ্ঞান। শ্ৰীদেৱী পুৰাণ আৰু শ্ৰীশিৱ পুৰাণক বুজিবৰ বাবে শ্ৰীমদ্ভাগৱত গীতা আৰু চাৰিও বেদৰ সহায় লোৱা হয়। কিয়নো এই জ্ঞান

স্বয়ং ভগৱান কাল ৰূপী ব্ৰহ্মৰ দ্বাৰা দিয়া জ্ঞান যি ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ জন্মদাতা অৰ্থাৎ পিতৃদেব। পৱিত্ৰ বেদ তথা পৱিত্ৰ শ্ৰীমদ্ভাগৱত গীতাৰ জ্ঞানক বুজিবৰ বাবে সুক্ষ্ম বেদৰ সহযোগ লব লাগিব যি কালৰূপী ব্ৰহ্মৰ উৎপত্তি কৰ্তা অৰ্থাৎ পিতা পৰম অক্ষৰ ব্ৰহ্মই (কবীৰ্দেব) দিছে যি (কবিৰ্গীৰ্ভিঃ) কবীৰ বাণীৰ দ্বাৰা স্বয়ং সৎপুৰুষে প্ৰকট হৈ বৰ্ণনা কৰিছে। (ঋগবেদ মণ্ডল ৯, শুক্ত ৯৬, মন্ত্ৰ ১ ৰ পৰা ২০ লৈ প্ৰমাণ আছে)।

## শ্ৰীব্ৰহ্মা পুৰাণ

এই পুৰাণৰ বক্তা শ্ৰীলোমহৰ্ষণ ঋষি। যি শ্ৰীব্যাস ঋষিৰ শিষ্য যাক সুত মুনিও কোৱা হয়। শ্ৰীলোমহৰ্ষণ ঋষিয়ে (সুতমুনি) বৰ্ণাইছে যে, এই জ্ঞান প্ৰথমে ব্ৰহ্মাই ম ুনি শ্ৰেষ্ঠ দক্ষাদিক শুনাইছিল। সেইটোকে মই শুনাম। এই পুৰাণৰ সৃষ্টি বৰ্ণনা নামক অধ্যায়ত (পৃষ্ঠা ২৭৭ পৰা লৈ) কৈছে যে শ্ৰীবিষ্ণুদেব গোটেই বিশ্বৰ আধাৰ যি ব্ৰহ্মা, বিষ্ণুঃ তথা শিৱ ৰূপে জগতৰ উৎপত্তি আৰু পালন আৰু সংহাৰ কৰে। সেই ভগৱান বিষ্ণুক মোৰ নমস্কাৰ।

যি নিত্য সদা সত্য স্বৰূপ তথা কাৰণ ভূত অব্যক্ত প্ৰকৃতি তেওঁকেই প্ৰধান বুলি কোৱা হয়। তাৰে দ্বাৰাই পুৰুষে এই বিশ্বৰ নিৰ্মাণ কৰিছে। অমিত তেজস্বী ব্ৰহ্মাদেৱকেই পুৰুষ বুলি বুজিবা। তেওঁৱেই সকলো প্ৰাণীৰ সৃষ্টিকাৰী আৰু ভগৱান নাৰায়ণৰ আশ্ৰিত।

স্বয়ম্ভু ভগৱান নাৰায়ণে পানীৰ সৃষ্টি কৰিছে। নাৰায়ণৰ পৰা উৎপন্ন হোৱা কাৰণে পানীক নাৰ বুলি কোৱা হয়। ভগৱান প্ৰথমে পানীৰ ওপৰত বিশ্ৰাম কৰিছিল। এই কাৰণে ভগৱানক নাৰায়ণ বুলি কোৱা হয়। ভগৱানে পানীত নিজৰ শক্তি এৰি দিলে তাৰ পৰা এক সুবৰ্ণময় কণীৰ প্ৰকট হল। এবছৰলৈ এই কণীত নিবাস কৰি শ্ৰীব্ৰহ্মদেৱে তাক দুই টুকুৰা কৰি দিলে। এটাৰ পৰা দুৎলোক আনটো ভূলোক হ'ল।

তাৰ পিছত ব্ৰহ্মাই নিজৰ ক্ৰোধ ভাৱেৰে ৰুদ্ৰক সৃষ্টি কৰিলে। ওপৰোক্ত জ্ঞান ঋষি লোমহৰ্ষণে (সুত মুনি) শুনি কোৱা লোকবেদৰ জ্ঞানহে যিটো পূৰ্ণ জ্ঞান নহয়। কিয়নো বক্তাই কৈছে যে এনেকুৱা শুনিছো। এই কাৰণে বিতংকৈ জানিবলৈ শ্ৰীদেবী মহাপুৰাণ, শ্ৰী শিৱ মহাপুৰাণ, শ্ৰীমদ্ভাগৱত গীতা আৰু চাৰি বেদ আৰু পূৰ্ণ পৰমাত্মাৰ দ্বাৰা দিয়া তত্ত্বজ্ঞান যাক সুক্ষ্ম বেদ অৰ্থাৎ কবীৰবাণী (কবীৰ্বাণী) বুলি কোৱা হয়। তাৰ কাৰণে অনুগ্ৰহ কৰি পঢ়ক 'গহৰী নজৰ গীতা মে', 'পৰমেশ্বৰ কা সাৰ সন্দেশ', 'পৰিভাষা প্ৰভু কী' তথা পুথি 'যথাৰ্থ জ্ঞান গঙ্গা'।

(বাস্তৱিক জ্ঞানক স্বয়ং কলিযুগত প্ৰকট হৈ কবীৰ্দেৱে (কবীৰ পৰমেশ্বৰ) নিজৰ বিশ্বাসী সেৱক শ্ৰীধৰ্মদাস দেৱক (বান্ধবগড় নিবাসী) পুনৰ সঠিকভাৱে কৈছিল। যি এই পুথিৰ সৃষ্টি ৰচনাত বৰ্ণিত আছে; অনুগ্ৰহ কৰি পঢ়ক।)

শ্ৰীপৰাশৰ মুনিয়ে কাল ব্ৰহ্মক পৰব্ৰহ্ম বুলিও কৈছে আৰু ব্ৰহ্মও আৰু বিষ্ণুও কৈছে ইয়াকে অনাদি অৰ্থাৎ অমৰ বুলি। এই ব্ৰহ্ম অৰ্থাৎ কালৰ জন্মমৃত্যু হয়। ইয়াৰ দ্বাৰা মুনিৰ জ্ঞান সৰু লৰাৰ বুদ্ধিৰ দৰে প্ৰমাণিত হয়।

বিচাৰ কৰক - বিষ্ণুপুৰাণৰ জ্ঞান এজন মুনিৰ দ্বাৰা কোৱা হৈছে যিয়ে লোকবেদৰ (শুনি-শুনা জ্ঞান দন্তকথা) আধাৰত কৈছে আৰু ব্ৰহ্মা পুৰাণৰ জ্ঞান শ্ৰীলোমহৰ্ষন ঋষিয়ে দক্ষাদি ঋষিৰ পৰা শুনিছিল, সেইটোকে লিখিছে। এই কাৰণে ওপৰক্ত দুয়োকে (বিষ্ণুপুৰাণ আৰু ব্ৰহ্মাপুৰাণ) বুজিবৰ বাবে শ্ৰীদেবী পুৰাণ আৰু শ্ৰীশিৱপুৰাণৰ সহযোগ লোৱা হয়, যিটো স্বয়ং শ্ৰীব্ৰহ্মাদেৱে নিজ পুত্ৰ নাৰদক শুনাইছিল, যিটো শ্ৰীব্যাস ঋষিৰ দ্বাৰা গৃহীত

আৰু লিখিত। অন্য পুৰাণৰ জ্ঞান শ্ৰী ব্ৰহ্মাদেবৰ জ্ঞানৰ লগত সমান নহয়। এইবাবে অন্য পুৰাণক বুজিবৰ কাৰণে দেবীপুৰাণ আৰু শিৱপুৰাণৰ সহায় লোৱা হয়। কিয়নো এই জ্ঞান দক্ষাদি ঋষিৰ পিতা শ্ৰীব্ৰহ্মাই দিয়া জ্ঞান। শ্ৰীদেবী পুৰাণ আৰু শ্ৰীশিৱ পুৰাণ বুজিবৰ কাৰণে শ্ৰীমদ্ভাগৱত গীতা আৰু চাৰিও বেদৰ সহায় লোৱা হয়। কিয়নো এই জ্ঞান স্বয়ং ভগৱান কাল ৰূপী ব্ৰহ্মই দিয়া জ্ঞান। যি ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ উৎপন্ন কৰ্তা পিতৃ। পৱিত্ৰ বেদ আৰু পৱিত্ৰ শ্ৰীমদ্ভাগৱত গীতা জ্ঞান বুজিবৰ কাৰণে স্বসম বেদ অৰ্থাৎ সুক্ষ্মবেদৰ সহযোগ লব লাগিব যি কাল ৰূপী ব্ৰহ্মৰ উৎপত্তি কৰ্তা অৰ্থাৎ পিতা পৰম অক্ষৰ ব্ৰহ্ম (কবিৰ্দেব)ৰ জ্ঞান। যিটো (কবিৰ্গীৰ্ভিঃ) কবিৰবাণী দ্বাৰা স্বয়ং সৎপুৰুষে প্ৰকট হৈ বৰ্ণাইছে। (ঋগবেদ মণ্ডল ৯, শুক্ত ৯৬, মন্ত্ৰ ১৬ ৰ পৰা ২০ লৈ প্ৰমাণ আছে) আৰু শ্ৰীমদভাগৱত গীতাত ভগৱান কাল অৰ্থাৎ ব্ৰহ্মই যিটো সত্য নিজৰ স্থিতি সম্পৰ্কে স্বয়ং কৈছে।

গীতা অধ্যায় ১৫, শ্লোক ১৮ ত কৈছে যে মই (কালৰূপী ব্ৰহ্ম) নিজৰ একৈশ ব্ৰহ্মাণ্ডত যিমান প্ৰাণী আছে সকলোতকৈ শ্ৰেষ্ঠ। সেইবোৰ স্থুল শৰীৰতে বিনাশী হওক বা আত্মাৰূপী অবিনাশী হওক এইকাৰণে লোকবেদ (শুনি শুনা জ্ঞান) ৰ আধাৰ অনুসৰি মোকেই পুৰুষোত্তম বুলি মানে। বাস্তৱত পুৰুষোত্তম মই (ক্ষৰ পুৰুষ অৰ্থাৎ কাল) আৰু অক্ষৰ পুৰুষ (পৰব্ৰহ্ম)ৰ পৰা অন্য এজনহে, তেওঁকেই বাস্তৱত পৰমাত্মা অৰ্থাৎ পৰমেশ্বৰ বুলি কোৱা হয়। যি তিনিও লোকত প্ৰৱেশ কৰি সকলোৰে ধাৰণ পোষণ কৰে, তেওঁ বাস্তৱত অবিনাশী পৰমেশ্বৰ (গীতা অধ্যায় ১৫, শ্লোক ১৬-১৭)। গীতাজ্ঞান দাতা স্বয়ং ব্ৰহ্মই কৈছে যে হে অৰ্জুন! তোমাৰ আৰু মোৰ বহুত জন্ম হৈছে। তুমি নাজানা, মই জানো। শ্ৰীমদ্ভাগৱদ গীতা অধ্যায় ৪, শ্লোক ৫,অধ্যায় ২, শ্লোক ১২ ৰ ভি তৰত প্ৰমাণ আছে তথা অধ্যায় ৭, শ্লোক ১৮, ত নিজৰ সাধনাক (অনুত্তমাম) অতি অশ্ৰেষ্ঠ বুলি কৈছে। এইবাবে অধ্যায় ১৮, শ্লোক ৬২ ত কৈছে যে হে অৰ্জুন! তুমি সৰ্বোতভাৱে সেইজন পৰমেশ্বৰৰ শৰণলৈ যোৱা যাৰ কৃপাৰ দ্বাৰা তুমি পৰম শান্তি পাবা আৰু কেতিয়াও বিনাশ নোহোৱা লোক অৰ্থাৎ সৎলোক প্ৰাপ্ত হবা। অধ্যায় ১৫, শ্লোক ৪ ত কৈছে যে যেতিয়া তোমাৰ তত্ত্বদৰ্শী সন্ত প্ৰাপ্ত হব (যিটো গীতা অধ্যায় ৪, শ্লোক ৩৪ ত আৰু অধ্যায় ১৫, শ্লোক ১ ত বৰ্ণিত আছে) তাৰ পিছত সেই পৰম পদ পৰমেশ্বৰৰ সন্ধান কৰিব লাগে যলৈ যোৱাৰ পিছত সাধক কেতিয়াও সংসাৰলৈ উভতি নাহে অৰ্থাৎ পূৰ্ণ মোক্ষ প্ৰাপ্ত কৰে। যি পৰমেশ্বৰৰ দ্বাৰা এই গোটেই সংসাৰৰ উৎপত্তি হৈছে তেওঁৰেই সকলোকে ধাৰণ-পোষণ কৰে। মইও (গীতা জ্ঞানদাতা ব্ৰহ্ম/ কাল) সেইজন আদি পুৰুষ পৰমেশ্বৰৰ শৰণাগত। পূৰ্ণ বিশ্বাসৰ সৈতে তেওঁৰেই ভক্তি সাধনা অৰ্থাৎ পূজা কৰিব লাগে।

**শ্ৰীদেবী মহাপুৰাণৰ পৰা জ্ঞান গ্ৰহণ কৰক**

**শ্ৰীদেবী মহাপুৰাণৰ পৰা আংশিক লেখা তথা সাৰ বিচাৰ**

(সংক্ষিপ্ত শ্ৰীমদদেবীভাগৱত, সচিত্ৰ, ডাঠ টাইপ, কেৱল হিন্দী, সম্পাদক হনুমান প্ৰসাদ পোদ্দাৰ, চিমনলাল গোস্বামী, প্ৰকাশক- গোবিন্দভৱন- কাৰ্য্যলয়, গীতা প্ৰেচ, গোৰখপুৰ)

।। শ্ৰীজগদম্বিকায়ৈ নমঃ।।

**শ্ৰীদেবীমদ্ভাগৱত তৃতীয় স্কন্ধ**

ৰজা পৰীক্ষিতে শ্ৰীব্যাসদেৱৰ পৰা ব্ৰহ্মাণ্ডৰ সৃষ্টি বিষয়ে সুধিলে। শ্ৰীব্যাসদেৱে

কলে ৰাজন! মই এই প্ৰশ্ন মুনি নাৰদক সুধিছিলো, সেই কথা আপোনাক কৈছো। মই (শ্ৰীব্যাসদেৱ) শ্ৰীনাৰদ দেৱক সুধিলো এই ব্ৰহ্মাণ্ডৰ ৰচয়িতা কোন ? কোনোৱাই ভগৱান শ্ৰীশংকৰক ইয়াৰ ৰচয়িতা বুলি মানে, কিছুমানে শ্ৰীবিষ্ণুদেৱক আৰু কিছুমানে শ্ৰীব্ৰহ্মাদেৱক আৰু বহুত আচাৰ্য্যই আই ভৱানীক সৰ্ব মনোকামনা পূৰ্ণকাৰী বুলি বৰ্ণায়। তেওঁ আদি মায়া মহাশক্তি আৰু পৰম পুৰুষৰ লগত অৱস্থান কৰি কাৰ্য্য সম্পাদনকাৰী প্ৰকৃতি। ব্ৰহ্মৰ লগত তেওঁৰ অভেদ সম্পৰ্ক আছে। (পৃষ্ঠা ১১৪)

নাৰদ দেৱে কলে - হে ব্যাসদেৱ! প্ৰাচীন সময়ৰ কথা, এই সন্দেহ মোৰো হৈছিল। তেতিয়া মই নিজৰ পিতৃ অসীম তেজস্বী শ্ৰীব্ৰহ্মাদেৱৰ ওচৰলৈ গলো আৰু তেখেতক তুমি মোক সোধাৰ দৰে মইয়ো সুধিছিলো। মই কৈছো পিতৃ! এই সম্পূৰ্ণ ব্ৰহ্মাণ্ড কৰ পৰা উৎপন্ন হৈছে? ইয়াৰ ৰচনা আপুনি কৰিছে নে শ্ৰীবিষ্ণুদেৱে নাইবা শ্ৰীশংকৰদেৱে- অনুগ্ৰহ কৰি সত্য কওক।

ব্ৰহ্মাদেৱে কলে (পৃষ্ঠ ১১৫ পৰা ১২০ আৰু ১২৩, ১২৫, ১২৮, ১২৯) বোপাই মই এই প্ৰশ্নৰ কিনো উত্তৰ দিওঁ ? এই প্ৰশ্ন বৰ জটিল। পুৰ্ব কালত সৰ্বত্ৰ পানীয়েই পানী আছিল। তেতিয়া পদুমৰ ওপৰত মোৰ উৎপত্তি হল। মই পদুমৰ মাজত বহি চিন্তা কৰিবলৈ ধৰিলো- ইমান গভীৰ পানীত মই কেনেকৈ জন্ম হলো ? কোন মোৰ ৰক্ষক ? পদুমৰ ডালত ধৰি পানীত নামিলো। তাত মই ভগৱান বিষ্ণুক শেষ নাগৰ ওপৰত শুই থকা দেখিলো। তেওঁ যোগ নিদ্ৰাৰ বশীভূত হৈ গভীৰ টোপনিত আছিল। ইমানতে ভগৱতী যোগনিদ্ৰাৰ কথা মোৰ মনলৈ আহিল। মই তেওঁক স্তুতি কৰিলো। তেতিয়া তেওঁ কল্যাণময়ী ভগৱতী শ্ৰীবিষ্ণুৰ বিগ্ৰহৰ পৰা ওলাই অচিন্ত্য ৰূপ ধাৰণ কৰি আকাশত বিৰাজমান হল। দিব্য আভূষণেৰে তেওঁৰ চেহেৰা উজ্জলি আছিল। যেতিয়া যোগমায়া ভগৱান বিষ্ণুৰ শৰীৰৰ পৰা বেলেগ হৈ আকাশত দেখা দিলে, তেতিয়া লগে লগে শ্ৰীহৰি সাৰপাই উঠি বহিল। তেতিয়া তাত মই আৰু ভগৱান বিষ্ণু দুয়োজন আছিলো। তাতে শিৱও আৱিৰ্ভাৱ হ'ল। আমাক তিনিওকে দেৱীয়ে কলে ব্ৰহ্মা, বিষ্ণু আৰু মহেশ্বৰ তোমালোক অতি সাৱধানে নিজৰ নিজৰ কামত লাগি যোৱা। সৃষ্টি, স্থিতি আৰু সংহাৰ এইবোৰ তোমালোকৰ কাম। ইমানতে এক সুন্দৰ বিমান আকাশৰ পৰা নামি আহিল। তেতিয়া সেই দেৱীয়ে আমাক আজ্ঞা দিলে, দেৱতা সকল, নিৰ্ভীক হৈ ইচ্ছাপূৰ্বক এই বিমানত উঠা। (ব্ৰহ্মা, বিষ্ণু আৰু ৰুদ্ৰ) আজি মই তোমালোকক এক অদ্ভুত দৃশ্য দেখুৱাম।

আমি তিনিও দেৱতাই বিমানৰ ভিতৰত বহিলো, দেৱীয়ে নিজৰ সামৰ্থৰে বিমানখন আকাশত উৰুৱাই দিলে।

ইমানতে আমাৰ বিমানখন তীব্ৰ বেগেৰে চলিবলৈ ধৰিলে আৰু সেইখন দিব্যধাম ব্ৰহ্মলোকত গৈ উপস্থিত হল। তাত আন এজন ব্ৰহ্মা বিৰাজমান আছিল। তাক দেখি ভগৱান বিষ্ণু আৰু শংকৰ বৰ আচৰিত হল। ভগৱান শংকৰ আৰু বিষ্ণুৱে মোক সুধিলে চতুৰানন এওঁ অবিনাশী ব্ৰহ্মা কোন ? মই উত্তৰ দিলো - মই একো নাজানো, সৃষ্টিৰ অধিষ্ঠাতা এওঁ কোন ? হে ভগৱান মই কোন আৰু আমাৰ উদ্দেশ্য কি এই সংশয়ত মোৰ মন কপিবলৈ ধৰিলে।

এই খিনিতে মনৰ সমান তীব্ৰ বেগী সেই বিমানখন অতি শীঘ্ৰে তাৰ পৰা গতি কৰিলে আৰু কৈলাশ পৰ্বতৰ সুৰম্য শিখৰত গৈ উপস্থিত হল। তাত বিমানখন গৈ পোৱাৰ লগে লগেই ভব্য ভৱনৰ পৰা ত্ৰিনেত্ৰধাৰী ভগৱান শংকৰ ওলাল। তেওঁ নন্দী

বৃষভৰ ওপৰত বহি আছিল। ক্ষণিক সময়ৰ পিছত সেই বিমান শিখৰৰ পৰা বতাহৰ সমান বেগত উৰিবলৈ ধৰিলে আৰু বৈকুণ্ঠ লোকত উপস্থিত হল, যত ভগৱতী লক্ষ্মীৰ বিলাস ভৱন আছিল। পুত্ৰ নাৰদ! তাত মই যি সম্পত্তি দেখিলো, তাক বৰ্ণনা কৰা মোৰ পক্ষে অসম্ভৱ। সেই উত্তম পুৰীক দেখি বিষ্ণুদেৱৰ মন আচৰিত সমুদ্ৰত সাতুৰিবলৈ ধৰিলে। তাত কমললোচন শ্ৰীহৰি বিৰাজমান। তেখেতৰ চাৰি বাহু আছিল।

ইমানতে বতাহৰ দৰে বিমানখন অতি শীঘ্ৰে উৰি গল। সমুখত অমৃতৰ নিচিনা মি ঠা পানীৰ সমুদ্ৰ পালো, তাত এক মনোহৰ দ্বীপ আছিল। সেই দ্বীপত এক মঙ্গলময় ম নোহৰ পালেং সজোৱা আছিল। সেই উত্তম পালেঙৰ ওপৰত এজনী দিব্য ৰমনী বহি আছিল। আমি নিজৰ ভিতৰতে কবলৈ ধৰিলো, এইজনী সুন্দৰী কোন, নাম কি ? আমি এই বিষয়ে একেবাৰে অনভিজ্ঞ।

নাৰদ! এইবোৰ সন্দেহগ্ৰস্ত হৈ আমি তাতে ৰলোঁ। তেতিয়া ভগৱান বিষ্ণুৱে সেই গৱাকী হাস্যমুখী ভগৱতীক দেখি ভাবি স্থিৰ কৰিলে যে তেওঁ ভগৱতী জগদম্বিকা। তেতিয়া তেওঁ কলে যে এই গৰাকী ভগৱতী আমাৰ সকলোৰে আদি কাৰণ। মহাবিদ্যা আৰু মহামায়া এখেতৰ নাম। এওঁৱেই পূৰ্ণ প্ৰকৃতি। এওঁ বিশ্বেশ্বৰী, "বেদগৰ্ভা" আৰু শিৱাও।

এওঁ সেইজনী দিব্যাঙ্গনা, যাৰ প্ৰলয় প্লাবনত মোৰ দৰ্শন হৈছিল। সেই সময়ত মই বাল্য ৰূপত আছিলো। তেওঁ মোক দোলনাত দোলাই আছিল। আঁহত গছৰ পাতৰ এখন সুদৃঢ় বিছনা সজোৱা আছিল। তাৰ ওপৰত শুই থাকি মই ভৰিৰ আঙুলিক নিজৰ পদুম যেন মুখত সুমুৱাই লৈ চুহি আছিলো আৰু খেলিছিলো। দেবীয়ে নিচুকনী গীত গাই মোক দোলাইছিল। সেই গৰাকীয়েই এই দেবী। ইয়াত সন্দেহৰ কোনো কথা নাই। তেওঁক দেখি মোৰ আগৰ কথা মনত পৰিছে। এওঁৱেই আমাৰ সকলোৰে জননী।

শ্ৰীবিষ্ণুৱে সময়ানুসৰি সেইগৰাকী ভগৱতী ভুবনেশ্বৰীক স্তুতি আৰম্ভ কৰিলে।

ভগৱান বিষ্ণুৱে কলে - প্ৰকৃতি দেবীক নমস্কাৰ। ভগৱতী বিধাতৃক নিৰন্তৰ নমস্কাৰ। তুমি শুদ্ধ স্বৰূপ, এই গোটেই সংসাৰ তোমাৰেই পৰা উদ্ভাসিত হৈ আছে। মই, ব্ৰহ্মা আৰু শংকৰ আমি সকলো তোমাৰ কৃপাৰ দ্বাৰাই বিদ্যমান। আমাৰ জন্ম আৰু মৃত্যু হৈয়ে থাকে। মাথোন তুমিয়েই নিত্য, জগজ্জননী, প্ৰকৃতি আৰু সনাতনী দেবী।

ভগবান শংকৰে কলে দেবী! যদি মহাভাগ বিষ্ণু তোমাৰ পৰাই উৎপন্ন হৈছে তাৰ পিছত জন্ম হোৱা ব্ৰহ্মাও তোমাৰ সন্তান। আকৌ মই তমোগুণী লীলা কৰা শংকৰ কি তোমাৰ সন্তান নহয় জানো- অৰ্থাৎ মোকো জনম দিছা তুমিয়েই। এই সংসাৰৰ সৃষ্টি, স্থিতি আৰু সংহাৰত তোমাৰ গুণ আৰু সামৰ্থ্য আছে। সেই তিনিগুণৰ পৰা উৎপন্ন আমি ব্ৰহ্মা, বিষ্ণু আৰু শংকৰ নিয়মানুসাৰে কাৰ্য্যত তপৰ হৈ থাকো। মই, বিষ্ণু আৰু শিৱ বিমানত উঠি গৈ আছিলো। আমি পথত নতুন নতুন জগত দেখিবলৈ পালো। ভৱানী! সঁচাই এইবোৰ কোনে সৃজন কৰিছে?

এই কাৰণে এই প্ৰমাণ চাওঁক শ্ৰীমদেবীভাগৱত মহাপুৰাণ সভাষটিকম্ সমহাত্যম, খেমৰাজ শ্ৰীকৃষ্ণদাস প্ৰকাশ মুম্বই, ইয়াত সংস্কৃতৰ সৈতে হিন্দী অনুবাদ কৰা হৈছে। তৃতীয় স্কন্ধ অধ্যায় ৪,পৃষ্ঠা ১০, শ্লোক ৪২ঃ

ব্ৰহ্মা - অহম ঈশ্বৰ ফিল তে প্ৰভাত সৰ্বে বয়ং জনি যুতা ন য়দা তু নিত্যাঃ, কে অন্য সুৰাঃ শতমুখ প্ৰমুখাঃ চ নিত্যা নিত্যা ত্বমেবঃ জননী প্ৰকৃতিঃ পুৰাণা ।।৪২।।

অনুবাদঃ- হে জননী! ব্ৰহ্মা, মই আৰু শিৱ তোমাৰ প্ৰভাৱতেই জন্মিছো, নিত্য নহওঁ

অৰ্থাৎ আমি অবিনাশী নহওঁ, তেন্তে আকৌ আন দেৱতা আৰু ইন্দ্ৰাদি কেনেদৰে নিত্য হব পাৰে। তুমিয়েই অবিনাশী, প্ৰকৃতি তথা সনাতনী দেবী। (৪২)

পৃষ্ঠা- ১১-১২, অধ্যায়- ৫, শ্লোক- ৮ঃ-

যদি দয়াদৰ্মনা ন সদাসবিকে কথমহং বিহিত চ তমোগুণ
কমলজশচ ৰজগুণসম্ভৱঃ সুবিহিত কিমু সত্যগুণ হৰি ।। ৮।।

অনুবাদঃ- ভগবান শংকৰে কলে- হে মাতা। যদি আপুনি আমাৰ ওপৰত দয়াযুক্ত হৈছে তেন্তে মোক কিয় তমোগুণী কৰিছা, পদুমৰ পৰা উৎপন্ন হোৱা ব্ৰহ্মাক কি কাৰণে ৰজগুণ কৰিছা আৰু বিষ্ণুক কিয় সৎগুণযুক্ত কৰিছে ? অৰ্থাৎ জীৱৰ জন্ম-মৃতু ৰূপী দুষ্কৰ্মত কিয় লগাইছা?

শ্লোক- ১২- ৰময়সে স্বপতিং পুৰুষং সদা তব গতিং ন হি বিহ বিদম শিৱে।

অনুবাদ ঃ- নিজৰ পতি পুৰুষ অৰ্থাৎ কাল ভগৱানৰ লগত সদায় ভোগবিলাস কৰি থাকা। আপোনাৰ গতি কোনেও নাজানে।

ব্ৰহ্মাদেৱে কয় - ময়ো মহামায়া জগদম্বিকাৰ ভৰিত পৰি প্ৰণাম কৰিলো আৰু তেওঁক কলো আই! বেদে কয়, 'একমেবাদ্বিতীয়ম ব্ৰহ্ম' তেন্তে সেই গৰাকী আত্মস্বৰূপা তুমি য়ে হোৱা নে অইন কোনো পুৰুষ আছে?

দেবীয়ে কলে - মই আৰু ব্ৰহ্ম একেই। মোৰ আৰু ব্ৰহ্মৰ ভিতৰত কেতিয়াও কিঞ্চিতমাত্ৰ ভেদ নাই। গৌৰী, ব্ৰাহ্মী, ৰৌদ্ৰী, বাৰাহী, বৈষ্ণৱী, শিৱা, বাণী, কৌৱেৰী, নৰসিংহী আৰু ৱসবী সকলো মোৰেই ৰূপ। ব্ৰহ্মাদেব! এই শক্তিক তুমি নিজৰ স্ত্ৰী কৰি লোৱা। মহাসৰস্বতী নামেৰে বিখ্যাত এই সুন্দৰী সদায় তোমাৰ স্ত্ৰী হৈ থাকিব। ভগৱতী জগদম্বাই বিষ্ণুদেৱক কলে বিষ্ণু! মন মুগ্ধকাৰীনী এইজনী মহালক্ষ্মীক লৈ এতিয়া তুমিও যোৱা। ই সদায় তোমাৰ বক্ষঃস্থলত বিৰাজমান হৈ থাকিব।

পিছত দেবীয়ে শংকৰক কলে - শংকৰ! মনমোহিনী এইজনী মহাকালী গৌৰী নামেৰে বিখ্যাত। তুমি ইয়াক পত্নীৰূপে স্বীকাৰ কৰা।

এতিয়া মোৰ কাৰ্য্য সিদ্ধ কৰিবলৈ তোমালোকে সকলোৱে সোনকালে বিমানত উঠি বহা। কোনো কঠিন পৰিস্থিতি উপস্থিত হলে, মোক যেতিয়াই স্মৰণ কৰিবা তেতিয়াই মই সমুখলৈ আহিম। দেৱতাসকল মোৰ আৰু সনাতন পৰমাত্মাৰ ধ্যান তোমালোকে সদায় কৰি থাকিবা। আমাৰ দুয়োকে সদায় যদি স্মৰণ কৰি থাকা তেন্তে তোমালোকৰ কাৰ্য্য সিদ্ধি হবলৈ কিঞ্চিতমাত্ৰও সন্দেহ নাথাকিব।

ব্ৰহ্মাই ক'লে - এনেদৰে কৈ ভগৱতী জগদম্বীকাই আমাৰ সকলোকে বিদায় দিলে। তেওঁৰ শুদ্ধ আচৰণ শক্তিৰ ভিতৰত বিষ্ণুৰ কাৰণে মহালক্ষ্মী, শংকৰৰ কাৰণে মহাকালী আৰু মোৰ কাৰণে মহাসৰস্বতীক পত্নী হবলৈ আজ্ঞা দিলে। তেতিয়া সেই স্থানৰ পৰা আমি প্ৰস্থান কৰিলোঁ।

সাৰ বিচাৰ - এক ব্ৰহ্মাণ্ডৰ বাস্তৱিক স্থিতিৰ পৰা মহৰ্ষি ব্যাসদেব, মহৰ্ষি নাৰদ, আৰু শ্ৰী ব্ৰহ্মা, বিষ্ণু আৰু শ্ৰীশংকৰৰ এই সকলো অনভিজ্ঞ। এইটোও স্পষ্ট যে দুৰ্গাকেই প্ৰকৃতি বুলি কয় আৰু দুৰ্গা আৰু ব্ৰহ্ম (জ্যোতি নিৰঞ্জন কাল)ৰ পতি-পত্নীৰ সম্বন্ধও আছে। এই কাৰণে লিখিত আছে যে ব্ৰহ্মৰ লগত প্ৰকৃতিৰ অভেদ সম্বন্ধ কাৰণেই পত্নীক অৰ্ধাঙ্গিনী বুলি কোৱা হয়। স্বয়ং শ্ৰীব্ৰহ্মাদেৱেই নাজানে তেওঁ কৰ পৰা জন্ম হ'ল। হেজাৰ বছৰলৈ পানীত মাটিৰ সন্ধান কৰিও নাপালে। তেতিয়া আকাশবাণীৰ

আধাৰত হেজাৰ বছৰ তপ কৰিলে। পদুমৰ ঠাৰিত ধৰি পানীত নামিলে তেতিয়া তাত অনন্ত নাগ বিছনাৰ ওপৰত ভগৱান বিষ্ণু অচেতন হৈ আছিল। শ্রীবিষ্ণুৰ শৰীৰৰ পৰা এক দেবী ওলাল (প্রেতিনীৰ দৰে) যি সুন্দৰ ভূষন পিন্ধি আকাশত বিৰাজমান হ'ল। তেতিয়াই শ্রীবিষ্ণুৱে চেতন পালে। তেতিয়া ভগৱান শংকৰ তাত উপস্থিত হ'ল।

ওপৰোক্ত বিৱৰণৰ পৰা সিদ্ধ হয় যে তিনিও ভগৱানক অচেতন কৰি ৰখা হৈছিল। পিচত চেতন পালে। আকাশৰ পৰা বিমান আহিল। দেবীয়ে তিনিও প্রভুক বিমানত বহিবলৈ আদেশ দিলে। বিমান আকাশত উৰিল। ওপৰত ব্রহ্মলোকত থকা এক ব্রহ্মা, এক বিষ্ণু আৰু এক শিৱক দেখিলে।

বিচাৰ কৰক - ব্রহ্মলোকত অইন ব্রহ্মা, বিষ্ণু আৰু শিৱই দেখা দিছিল, এইটো জ্যোতি নিৰঞ্জন (ব্রহ্ম)ৰ চমৎকাৰ, যাদু। তেওঁৱেই অন্য তিনি ৰূপ ধাৰণ কৰি ব্রহ্মলোকত তিনি গুপ্ত স্থান (এক ৰজোগুণ প্রধান ক্ষেত্র, এক সৎগুণ প্রধান বিষয় ক্ষেত্র, এক তমগুণ প্রধান ক্ষেত্র) সাজি নিবাস কৰে আৰু প্রকৃতি (দুর্গা/অষ্টাঙ্গী)ক নিজৰ পত্নী ৰূপত ৰাখে। যেতিয়া এওঁলোক দুয়ো ৰজগুণ প্রধান ক্ষেত্রত থাকে তেতিয়া তেওঁলোকক মহাব্রহ্মা আৰু মহাসাৱিত্রী বুলি কোৱা হয়। দুয়োৰ সংযোগত ৰজগুণ প্রধান ক্ষেত্রত যি পুত্র সন্তান জন্ম হয় সেইজন ৰজগুণী প্রধান হয়; তেওঁৰ নাম ব্রহ্মা ৰাখে আৰু যুৱক নোহোৱালৈকে অচেতন কৰি ৰাখি পালন পোষণ কৰে। পিছত যুৱক হোৱাত পদুমৰ ওপৰত থৈ সচেতন কৰে। যেতিয়া এই দুজন মহাবিষ্ণু আৰু মহালক্ষ্মী ৰূপত (কাল-ব্রহ্ম তথা দুর্গা) সৎগুণ প্রধান ক্ষেত্রত নিবাস কৰে তেতিয়া পতি-পত্নীৰ ব্যৱহাৰ যোগে যি পুত্র সন্তান জন্ম হয় সিজন সৎগুণ প্রধান হয়, আৰু তেওঁৰ নাম বিষ্ণু ৰাখে। কিছুদিনৰ পিছত বালকক অচেতন কৰি যুৱক হোৱালৈকে পালন-পোষণ কৰি থাকে। পিছত অনন্ত নাগৰ শয্যাত শুৱাই দিয়ে আৰু পিচত চেতন কৰাই দিয়ে। আকৌ যেতিয়া এওঁলোক তমগুণ প্রধান ক্ষেত্রত নিবাস কৰে তেতিয়া শিৱা অর্থাৎ দুর্গা আৰু মহাশিৱ অর্থাৎ সদাশিৱ দুয়োৰ পতি-পত্নীৰ ব্যৱহাৰত যি পুত্র সন্তান জন্ম হয়, সেইজন তমগুণ প্রধান হয়। এওঁৰ নাম শিৱ ৰাখে, এওঁক যুৱক হোৱালৈকে অচেতন কৰি ৰাখে, পিচত যুৱক হোৱাত সচেতন কৰে। আকৌ তিনিজনক একেলগে কৰি বিমানত বহুৱাই ওপৰৰ লোকৰ দৃশ্য দেখুৱায়। যাতে তেওঁলোকে নিজে নিজক সর্বেশ্বৰ বুলি ধাৰণা নকৰে। গুন প্রধান ক্ষেত্রক বুজিৱৰ কাৰণে এটা উদাহৰণ হ''ল কোনো ঘৰত তিনিটা কোঠালী আছে। এটা কোঠাত দেশভক্ত বীৰ শ্বহীদৰ চিত্র লগোৱা আছে, যেতিয়া কোনোৱাই সেই কোঠালীত প্ৰৱেশ কৰিব তেতিয়া তেওঁৰ বিচাৰ দেশভক্তৰ নিচিনা হব। দ্বিতীয় কোঠালীত সাধুসন্ত, ঋষি-মুনিৰ চিত্র লগোৱা আছে। সেই কোঠালীত প্ৰৱেশ কৰাৰ লগে লগেই মন শান্ত তথা ঈশ্বৰ ভক্তিৰ ফালে যাব। তৃতীয় কোঠালীত অশ্লীল, অর্ধনগ্ন পুৰুষ-স্ত্রীৰ চিত্র লগোৱা আছে - সেইয়া দেখাৰ লগে লগে মনত অনেক বিকাৰ উৎপন্ন হব। এইদৰে ওপৰৰ ব্রহ্মলোকত কালৰূপী ব্রহ্মই তিনি স্থানত এক-এক গুণ প্রধান ঠাই সৃষ্টি কৰিছে। তিনিপ্রভুয়ে (ৰজগুণ ব্রহ্মদেব, সৎগুণ- বিষ্ণুদেব তথা তম গুণ -শিৱদেব) নিজৰ গুণৰ প্রভাৱ কেনেকৈ বিস্তাৰ কৰে ? উদাহৰণ- যেনেকৈ ৰান্ধনি ঘৰত জলকীয়াৰ গুড়ি আঞ্জাত দিলে, জলকীয়াৰ গুণে কোঠাত বহি থকা সকলো ব্যক্তিৰ নাকত ধৰে। যেনে- সাকাৰ বস্তু জলকীয়া ৰান্ধনি ঘৰতে আছিল, কিন্তু তাৰ নিৰাকাৰ শক্তি অর্থাৎ গুণে দূৰত বহি থকা ব্যক্তিকো প্রভাৱিত কৰে। ঠিক এইদৰে তিনিও প্রভু

(শ্ৰীব্ৰহ্মা- ৰজগুণ, শ্ৰীবিষ্ণু - সৎগুণ তথা শ্ৰীশিৱ তমগুণ) নিজ নিজ স্থানত থাকিয়েই তিনিও লোক (পৃথিৱী লোক, পাতাল লোক আৰু স্বৰ্গলোক)ৰ সকলো প্ৰাণীক প্ৰভাৱিত কৰি ৰাখে। যেনেকৈ মোবাইল ফোনৰ ৰেঞ্জৰ দ্বাৰা ফোনৰ কাৰ্য্য কৰে। এইদৰে অদৃশ্য শক্তিৰূপী গুণৰ দ্বাৰা তিনিও দেৱতা নিজৰ পিতৃ কালৰ আহাৰৰ বাবে সৃষ্টি ৰচনা কৰি থাকে। দুৰ্গাৰ বেলেগ স্থানো আছে, য'ত তেওঁ নিজৰ বাস্তৱিক ৰূপত দৰ্শন দিয়ে। আকৌ তেওঁলোকৰ বিমান দুৰ্গাৰ দ্বীপত উপস্থিত হ'ল। তেতিয়া জ্যোতি নিৰঞ্জন অৰ্থাৎ কালৰূপী ব্ৰহ্মই বিষ্ণুদেৱক লৰালিৰ কথা মনত পেলাই দিলে। তেতিয়া শ্ৰীবিষ্ণুদেৱে কলে যে এই গৰাকী দুৰ্গা আমাৰ তিনিওৰে জননী। মই সৰুতে দোলনাত শুই আছিলো, এওঁ মোক নিচুকনি গীত গাই গাই দোলাই আছিল। তেতিয়া বিষ্ণুদেৱে কলে যে হে মাতা! আপুনি আমাৰ মাতৃ। মই (বিষ্ণু) ব্ৰহ্মা আৰু শংকৰ জন্মবান। আমাৰ আৱিৰ্ভাব অৰ্থাৎ জন্ম আৰু তিৰোভাৱ অৰ্থাৎ মৃত্যু হয়, আমি অবিনাশী নহওঁ। আপুনি প্ৰকৃতি দেবী। এই কথা শ্ৰীশংকৰে স্বীকাৰ কৰিলে আৰু কলে যে মই তমগুনী লীলা কৰোতা তোমাৰেই পুত্ৰ। শ্ৰীবিষ্ণুদেব আৰু শ্ৰীব্ৰহ্মাদেৱ তোমাৰ পৰাই জন্ম হৈছে, তেনেহলে মই তমগুণী শিৱ তোমাৰ পুত্ৰ নহওঁ নে ?

আকৌ এই তিনিও দেৱতাৰ দুৰ্গাই বিবাহ কৰোৱাই দিলে। প্ৰকৃতি দেবীয়ে (দুৰ্গা) নিজৰ শব্দ শক্তিৰে নিজেই তিনি ৰূপ ধাৰণ কৰিলে। শ্ৰীব্ৰহ্মাৰ বিবাহ সাবিত্ৰীৰ লগত, শ্ৰীবিষ্ণুৰ বিবাহ লক্ষ্মীৰ লগত আৰু শিৱৰ বিবাহ উমা অৰ্থাৎ কালীৰ লগত কৰোৱাই বিমানত বহুৱাই বেলেগ বেলেগ দ্বীপলৈ পঠাই দিলে।।

জ্যোতি নিৰঞ্জনে নিজৰ শ্বাসৰ দ্বাৰা সাগৰৰ তলত চাৰি বেদ লুকাই ৰাখিছিল। আকৌ প্ৰথমবাৰ সাগৰ মন্থনৰ সময়ত বেদক উদ্ধাৰ কৰালে। জ্যোতি নিৰঞ্জন (কাল/ব্ৰহ্ম)ৰ আদেশত দুৰ্গাই চাৰিও বেদক শ্ৰী ব্ৰহ্মাক প্ৰদান কৰিলে। ব্ৰহ্মাই দুৰ্গাক (নিজ মাতৃক) সুধিলে যে বেদত যি ব্ৰহ্মৰ (প্ৰভু) উল্লেখ আছে। সেইয়া আপুনি নে কোনো অন্য পুৰুষ ?

দুৰ্গাই কালৰ (ব্ৰহ্মৰ) ভয়ত সত্য গোপন কৰি ৰাখিবৰ চেষ্টা কৰি কলে যে মই আৰু ব্ৰহ্ম একেই, কোনো পাৰ্থক্য নাই। কিন্তু বাস্তৱিকতা লুকাই নাথাকিল। দুৰ্গাই আকৌ কলে তোমালোক তিনিও মোৰ আৰু ব্ৰহ্মৰ স্মৰণ কৰি থাকিবা। কোনো কঠিন পৰিস্থিতিৰ উদ্ভৱ হলে আমাৰ স্মৰন কৰি থাকিবা তেতিয়া মই উপস্থিত হম।

বিশেষ ঃ- কিয়নো কালে দুৰ্গাক কৈছে যে মোৰ ৰহস্য কেতিয়াও কাকো প্ৰকাশ নকৰিবা। এই ভয়ত দুৰ্গাই গোটেই জগতক বাস্তৱতাৰ পৰা অপৰিচিত কৰি ৰাখিছে। এওঁ নিজৰ সন্তানকো ছলনা কৰি ৰাখে। ইয়াৰ কাৰণ হল কালৰ অভিশাপ আছে যে প্ৰতিদিন একলাখ মানৱ শৰীৰ ধাৰী প্ৰাণীৰ সুক্ষ্ম দেহৰ পৰা বাহিৰ কৰা বিকাৰখিনি ভে াজন কৰিব লাগে আৰু এক লাখ পচ্ছিশ হাজাৰ জন্ম দিব লাগে। এই কাৰণে নিজৰ তিনি পুত্ৰৰ দ্বাৰাই আহাৰ তৈয়াৰ কৰোৱায়। শ্ৰীব্ৰহ্মাদেৱৰ ৰজগুণৰ দ্বাৰা প্ৰভাৱিত কৰি সকলো প্ৰাণীৰ দ্বাৰা সন্তান জন্ম কৰোৱায়। শ্ৰীবিষ্ণুদেৱৰ সৎগুণৰ দ্বাৰা এজনে আনজনৰ প্ৰতি মোহ-মায়া জন্মাই স্থিতি অৰ্থাৎ কালৰ জালত আৱদ্ধ কৰি ৰাখে আৰু শ্ৰীশিৱৰ তম গুণৰ দ্বাৰা সংহাৰ কৰোৱাই নিজৰ আহাৰ তৈয়াৰ কৰে।

পিছত তিনিও প্ৰভুৰ মৃত্যু হলে তেওঁলোককো ভক্ষণ কৰে আৰু নতুন পূণ্য কৰ্মী প্ৰাণীৰ ভিতৰৰ পৰা তিনি পুত্ৰ জন্ম দি নিজৰ কাৰ্য্য চলায় আৰু পূৰ্বৰ তিনি ব্ৰহ্মা, বিষ্ণু আৰু শিৱ চৌৰাশী লাখ যোনীৰ কষ্ট আৰু স্বৰ্গ নৰকত কৰ্ম আধাৰৰ পৰিভ্ৰমণ কৰি

থাকে। এই প্ৰমাণ শিৱ মহাপুৰাণ, ৰুদ্ৰ সংহিতা, প্ৰথম (সৃষ্টি) খণ্ড অধ্যায় ৬, ৭ তথা ৮, ৯ ৰ ভিতৰতো আছে।

## শ্ৰীশিৱ মহাপুৰাণৰ পৰা সাৰ বিচাৰ

## শিৱ মহাপুৰাণ

শ্ৰীশিৱ মহাপুৰাণ (অনুবাদক ঃ শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ। প্ৰকাশক ঃ গোৱিন্দ ভ ৱন কাৰ্য্যালয়, গীতাপ্ৰেচ গোৰখপুৰ) ডাঠ টাইপ, অধ্যায়, ৰুদ্ৰ সংহিতা, প্ৰথম খণ্ড (সৃষ্টি)ৰ পৰা উদ্ধৃত।।

নিজ পুত্ৰ নাৰদে, শ্ৰীশিৱ তথা শ্ৰীশিৱাৰ বিষয়ে প্ৰশ্ন কৰাত শ্ৰীব্ৰহ্মাই কলে (পৃষ্ঠা ১০০ ৰ পৰা ১০২) পৰব্ৰহ্মৰ বিষয়ে জ্ঞান আৰু অজ্ঞান পূৰ্ণ যুক্তিৰে এইদৰে বিকল্প কৰা হয়, যি নিৰাকাৰ পৰব্ৰহ্ম তেওঁৰেই সাকাৰ ৰূপত সদাশিৱ ৰূপ ধাৰণ কৰি ম নুষ্য ৰূপত প্ৰকট হয়। সদাশিৱই নিজৰ শৰীৰৰ পৰা এজনী স্ত্ৰী উৎপন্ন কৰিলে যাক প্ৰধান, প্ৰকৃতি, অম্বিকা, ত্ৰিদেব জননী, (ব্ৰহ্মা, বিষ্ণু তথা শিৱৰ মাতা) বুলি কোৱা হয়। যাৰ আঠখন বাহু আছে।

## শ্ৰীবিষ্ণুৰ উৎপত্তি

যিজন উক্ত সদাশিৱ তেওঁক পৰম পুৰুষ, ঈশ্বৰ, শিৱ, শম্ভু আৰু মহেশ্বৰ বুলি কোৱা হয়। তেওঁ গোটেই শৰীৰত ছাই সানি অৱস্থান কৰে। সেইজন কালৰূপী ব্ৰহ্মই এক শিৱলোক নামক (ব্ৰহ্মলোকত তমগুণ প্ৰধান ক্ষেত্ৰ) ধাম সৃষ্টি কৰিলে। তাক কাশী বুলি কোৱা হয়। শিৱ আৰু শিৱাই পতি-পত্নী ৰূপত থাকি এজন পুত্ৰৰ জন্ম দিলে যাৰ নাম বিষ্ণুঃ। অধ্যায়, ৭ ৰুদ্ৰ সংহিতা, শিৱ মহাপুৰাণ (পৃষ্ঠা ১০৩, ১০৪।

## শ্ৰীব্ৰহ্মা আৰু শিৱৰ উৎপত্তি

অধ্যায় ৭, ৮, ৯(পৃষ্ঠা ১০৫-১১০) শ্ৰীব্ৰহ্মাই কলে যে শ্ৰীশিৱ আৰু শিৱা (কাল ৰূপী ব্ৰহ্ম আৰু প্ৰকৃতি-দুৰ্গা-অষ্টাঙ্গী) ই পতি-পত্নীৰ ব্যৱহাৰ যোগে মোক জন্ম দিলে আৰু মোক অচেতন কৰি পদুমৰ ওপৰত থৈ দিলে। এই কাল ব্ৰহ্মই মহাবিষ্ণু ৰূপ ধাৰণ কৰি নিজৰ নাভিৰ পৰা এটা পদুম ফুলৰ উৎপন্ন কৰি লয়। চেতনা পাই ব্ৰহ্মাই কয় যে মই পদুমৰ মূলক বিচাৰিবলৈ ইচ্ছা কৰিলো, কিন্তু অসফল হলো। আকাশবানী হল তপ কৰা বুলি, পিচত তপ কৰিবলৈ ধৰিলো। পিছত মোৰ তথা বিষ্ণুৰ লগত কিবা কথাত কাজিয়া লাগিল। তেতিয়া আমাৰ দুয়োৰে মাজত তেজোময় লিঙ্গ প্ৰকট হৈ গল আৰু ওঁ, ওঁ ৰ ধ্বনি আৰ্বিৰ্ভাৱ হল আৰু সেই লিংগৰ গাত অ-ও-ম তিনি অক্ষৰ লিখা আছিল। পিছত ৰূদ্ৰ ৰূপ ধাৰণ কৰি সদাশিৱ পাচমুখীয়া মানৱ ৰূপত প্ৰকট হল, তেওঁৰ লগত শিৱাও (দুৰ্গা) আছিল।

আকৌ শংকৰ হঠাতে উপস্থিত হল (কিয়নো ই প্ৰথমে অচেতন আছিল, পিচত চেতন কৰাই তিনিওকে একেলগ কৰি দিলে) আৰু কলে যে তোমালোক তিনিও সৃষ্টি-স্থিতি তথা সংহাৰ কাৰ্য্য চলাই থাকিবা।

ৰজগুণ প্ৰধান ব্ৰহ্মাদেৱ, সৎগুণ প্ৰধান বিষ্ণুদেৱ তথা তমগুণ প্ৰধান শিৱদেৱ। এইদৰে তিনি দেৱতাৰ গুণ আছে, কিন্তু শিৱ (কালৰূপী ব্ৰহ্ম) গুণাতীত বুলি কোৱা হৈছে। (পৃষ্ঠা ১১০ ৰ ভিতৰত)

সাৰ বিচাৰঃ- ওপৰোক্ত বিৱৰণৰ পৰা স্পষ্ট হয় যে কালৰূপী ব্ৰহ্ম অৰ্থাৎ সদাশিৱ আৰু প্ৰকৃতি (দুৰ্গা) শ্ৰীব্ৰহ্মা, শ্ৰীবিষ্ণু আৰু শ্ৰীশিৱৰ পিতৃ-মাতৃ। দুৰ্গা, এওঁক প্ৰকৃতি আৰু প্ৰধান বুলিও কোৱা হয়, আঠখন বাহু আছে। এইগৰাকীৰ সদাশিৱ অৰ্থাৎ জ্যোতি

নিৰঞ্জন (কাল)ৰ শৰীৰৰ অৰ্থাৎ পেটৰ পৰা ওলাইছে। ব্ৰহ্ম অৰ্থাৎ কাল তথা প্ৰকৃতিয়ে (দুৰ্গা) সকলো প্ৰাণীক ভ্ৰমিত কৰি ৰাখে। নিজৰ পুত্ৰকো বাস্তৱতাৰ বিষয়ে নকয়। কাৰণটো হল কাল (ব্ৰহ্ম)ৰ এৰৈকেশ ব্ৰহ্মাণ্ডৰ প্ৰাণীয়ে যাতে গম নেপায় যে সিহঁতক তপ্তশিলাৰ ওপৰত ভাজি (ব্ৰহ্ম-জ্যোতি নিৰঞ্জনে) ভক্ষণ কৰে। এইবাবে জন্ম-মৃত্যু আৰু অন্য দুঃখদায়ী যোনীৰ যাতনা দিয়ে আৰু নিজৰ তিনি পুত্ৰক ৰজগুণ ব্ৰহ্মাদেৱ, সৎগুণ বিষ্ণুদেৱ তথা তমোগুণ শিৱৰ দ্বাৰা উৎপত্তি, স্থিতি, পালন আৰু সংহাৰ কৰোৱাই নিজৰ আহাৰ তৈয়াৰ কৰোৱায়। কিয়নো কালক (ব্ৰহ্মক) একলাখ মানৱ শৰীৰধাৰী প্ৰাণীৰ সুক্ষ্ম দেহৰ বিকাৰক ভক্ষণ কৰাৰ অভিশাপ লাগিছিল। অনুগ্ৰহ কৰি শ্ৰীমদভাগৱত গীতাত চাওক কাল (ব্ৰহ্ম) তথা প্ৰকৃতি (দুৰ্গা)ৰ পতি-পত্নীৰ কৰ্মৰ দ্বাৰা ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণুঃ তথা তমগুণ শিৱৰ উৎপত্তি।

**তিনিগুণ কি ? প্ৰমাণৰ সৈতে**

"তিনি গুণ হল, ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণুঃ আৰু তমগুণ শিৱ। ব্ৰহ্ম (কাল) আৰু প্ৰকৃতি (দুৰ্গা) ৰ পৰা উৎপন্ন হৈছে আৰু তিনিও বিনাশী।"

প্ৰমাণ ঃ- গীতাপ্ৰেছ গোৰখপুৰৰ পৰা প্ৰকাশিত শ্ৰীশিৱ মহাপুৰাণ যাৰ সম্পাদক শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ পৃষ্ঠা সংখ্যা ১১০, অধ্যায় ৯, ৰুদ্ৰ সংহিতা।

"এইদৰে ব্ৰহ্মা-বিষ্ণু তথা শিৱ তিনিও দেৱতাৰ ভিতৰত গুণ আছে, কিন্তু সদাশিৱ (ব্ৰহ্মকাল) গুণাতীত বুলি কোৱা হৈছে।"

দ্বিতীয় প্ৰমাণ - গীতাপ্ৰেছ গোৰখপুৰৰ পৰা - প্ৰকাশিত শ্ৰীমদ দেৱীভাগৱত-পুৰাণ যাৰ সম্পাদক শ্ৰী হনুমান প্ৰসাদ পোদ্দাৰ, চিমনলাল গোস্বামী, তৃতীয় স্কন্ধ, অধ্যায় ৫, পৃষ্ঠা ১২৩- ভগৱান বিষ্ণুৱে দুৰ্গাৰ স্তুতি কৰি কলে যে মই (বিষ্ণু) ব্ৰহ্মা আৰু শংকৰ তোমাৰ কৃপাৰ দ্বাৰাই বিদ্যমান। আমাৰ আৱিৰ্ভাৱ (জন্ম) আৰু তিৰোভাৱ (মৃত্যু) হয়। আমি নিত্য (অবিনাশী) নহওঁ। তুমিয়েই নিত্য, জগত জননী, প্ৰকৃতি আৰু সনাতনী দেৱী। ভগৱান শংকৰে কলে ঃ যদি ভগৱান ব্ৰহ্মা আৰু ভগৱান বিষ্ণু তোমাৰ পৰাই উৎপন্ন হৈছে তেন্তে তাৰ পিছত উৎপন্ন হোৱা মই তমগুণী লীলা কৰা শংকৰ তোমাৰ সন্তান নহয় জানো, অৰ্থাৎ মোকো জনম দিছা তুমিয়েই। এই সংসাৰৰ সৃষ্টি স্থিতি-সংহাৰত তোমাৰ গুণ সৰ্বদা বিদ্যমান। এই তিনিও গুণৰ পৰা উৎপন্ন আমি ব্ৰহ্মা, বিষ্ণু আৰু শংকৰ নিয়মানুসাৰি নিজ কাৰ্য্যত তৎপৰ হৈ থাকো।

উপৰোক্ত - এই বিৱৰণ কেৱল হিন্দীত অনূদিত শ্ৰীদেৱী মহাপুৰাণৰ পৰা লোৱা হৈছে, ইয়াত কিছু তথ্য গোপন কৰা হৈছে। এইবাবে প্ৰমাণ চাওক শ্ৰীমদ দেৱীভাগৱত মহাপুৰাণ সভাষটিকম্ সমহাত্যম, খেমৰাজ শ্ৰীকৃষ্ণদাস প্ৰকাশন মুম্বাই, ইয়াত সংস্কৃতৰ সৈতে হিন্দীত অনুবাদ কৰা হৈছে। তৃতীয় স্কন্ধ অধ্যায় ৪, পৃষ্ঠা ১০, শ্লোক ৪২ঃ

ব্ৰহ্মা - অহম ঈশ্বৰ ফিল তে প্ৰভাত সৰ্বে বয়ং জনি যুতা ন য়দা তু নিত্যাঃ, কে অন্য সুৰাঃ শতমখাঃ প্ৰমুখাঃ চ নিত্যা নিত্যা ত্বমেবঃ জননী প্ৰকৃতিঃ পুৰাণা ।।৪২।।

অনুবাদঃ- হে আই! ব্ৰহ্মা, মই আৰু শিৱ তোমাৰ প্ৰভাৱৰ দ্বাৰাই জন্মিছো, আমি নিত্য নহওঁ অৰ্থাৎ অবিনাশী নহওঁ, তেন্তে অন্য ইন্দ্ৰাদি দেৱতা সকল কিদৰে নিত্য হব পাৰে। তুমিয়েই অবিনাশী, প্ৰকৃতি তথা সনাতনী দেৱী। (৪২)

পৃষ্ঠা - ১১-১২, অধ্যায় ৫, শ্লোক ৮ -

যদি দয়াদৰ্মনা ন সদাম্অবিকে কথমহং বিহিত চ তমগুণ।

কমলজশ্চ ৰজগুণসম্ভৱঃ সুবিহিত কিমু সত্বগুণ হৰি ।। ৮।।

অনুবাদ :- শংকৰে কলে :- হে আই! যদি আমাৰ ওপৰত আপুনি দয়া কৰিছে তেন্তে মোক কিয় তমগুণী কৰিলে; পদুমৰ ওপৰত জন্ম হোৱা ব্ৰহ্মাক কি কাৰণে ৰজগুণ কৰিলে আৰু বিষ্ণুক কিয় সৎগুণ কৰিলে ? অৰ্থাৎ  জীৱৰ জন্ম-মৃত্যু ৰূপী দুষ্কৰ্মত কিয় নিয়ুক্ত কৰিলে?

শ্লোক- ১২ ঃ ৰময়সে স্বপতিং পুৰুষং সদা তব গতিং ন হি বিহ বিদম শিৱে। অনুবাদঃ- নিজ পতি পুৰুষ অৰ্থাৎ কাল ভগৱানৰ লগত সদায় ভোগ বিলাসত মত্ত হৈ থাকা। তোমাৰ গতি কোনেও নেজানে।

**নিস্কৰ্ষ**

"শ্ৰীমদ্ভাগৱত গীতাৰ জ্ঞানো এই কালৰূপী ব্ৰহ্মই শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰেতৱত প্ৰৱেশ কৰি কৈছিল। ওপৰোক্ত পৱিত্ৰ পুৰাণ বিলাকে প্ৰমাণ কৰিছে যে প্ৰকৃতি হ'ল দুৰ্গা আৰু সদাশিৱ অৰ্থাৎ কাল ৰূপী ব্ৰহ্ম আৰু প্ৰকৃতিৰ পৰাই ৰজগুণ ব্ৰহ্মাদেৱ, সৎগুণ বিষ্ণুদেৱ তথা তমগুণ শিৱদেৱৰ উৎপত্তি পতিপত্নীৰ ব্যৱহাৰে জনম হৈছে। ইয়াৰ সাক্ষী শ্ৰীমদ্ভাগৱত গীতা। শ্ৰীমদভাগৱত গীতা সকলো শাস্ত্ৰৰ সাৰ, এই কাৰণে ইয়াৰ ভিতৰত সংক্ষিপ্ত বিৱৰণ আৰু সাংকেতিক শব্দ আছে। সেয়া তত্ত্বদৰ্শী সন্তই বুজিব পাৰে। এতিয়া অনুগ্ৰহ কৰি প্ৰৱেশ কৰক পৱিত্ৰ শ্ৰীমদ্ভাগৱত গীতাৰ ভিতৰত।

অধ্যায় ১৪, শ্লোক ৩ পৰা ৫ লৈ পৱিত্ৰ শ্ৰীমদ্ভাগৱত গীতা কওঁতা কাল ব্ৰহ্মই শ্ৰীকৃষ্ণৰ শৰীৰত প্ৰেতৱত প্ৰৱেশ কৰি কৈছে যে প্ৰকৃতি (দুৰ্গা) মোৰ পত্নী, মই ব্ৰহ্ম এওঁৰ যোনীত বীজ স্থাপন কৰো যাৰ দ্বাৰা সমস্ত প্ৰাণীৰ জন্ম হৈছে। মই সকলোৰে পিতা তথা প্ৰকৃতি (দুৰ্গা) সকলোৰে মাতৃ বুলি কোৱা হয়। প্ৰকৃতিৰ (দুৰ্গা) পৰা জন্ম হোৱা তিনিগুণে (ৰজগুণ-ব্ৰহ্মা, সৎগুণ-বিষ্ণু তথা তমগুণ শিৱ) জীৱাত্মাই কৰ্মৰ দ্বাৰাই শৰীৰত বান্ধে অৰ্থাৎ এই তিনিও দেৱতাই সকলো প্ৰাণীক সংস্কাৰৰ বাবে উৎপত্তি, স্থিতি আৰু সংহাৰ কৰি আৱদ্ধ ৰাখে।

অধ্যায় ১১, শ্লোক ৩২ ত কৈছে যে মই কাল, সকলোকে খাবৰ কাৰণে আবিভ ৰ্াৱ হৈছো। অধ্যায় ১১, শ্লোক- ২১ ত অৰ্জুনে কৈছে যে আপুনি ঋষিবোৰকো খাই আছে, দেৱতা আৰু সাধক সকলে আপোনাক ৰক্ষা কৰাৰ কাৰনে মিনতি কৰি আছে। বেদৰ স্তোত্ৰৰ দ্বাৰা আপোনাৰ স্তুতি কৰি আছে। কিন্তু আপুনি সকলোকে খাই আছে। কিছুমান আপোনাৰ দাঢ়িত ওলমি থকা দেখা গৈছে, কিছুমান আপোনাৰ মুখৰ ভিতৰত প্ৰৱেশ কৰি আছে।

**ৰজগুণ শ্ৰীব্ৰহ্মাদেৱ, সৎগুণ শ্ৰীবিষ্ণুদেৱ তথা তমগুণ শ্ৰীশিৱদেৱ এই ত্ৰিদেৱতাৰ পূজাক ব্যৰ্থ বুলি কৈছে।**

এই গীতা জ্ঞানদাতা প্ৰভুয়ে (কাল/ব্ৰহ্ম) (শ্ৰীমদ্ভাগৱত গীতা অধ্যায় ৭, শ্লোক ১২ পৰা ১৫ লৈ) কৈছে যে তিনি গুণ (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু আৰু তমগুণ শিৱ)ৰ পূজা কৰোতাসকলৰ জ্ঞান হৰণ কৰা হৈছে, এইবোৰে এওঁবিলাকৰ ওপৰৰ মোৰ পূজাও নকৰে। তিনি প্ৰভু (ব্ৰহ্মা, বিষ্ণু, শিৱ)ৰ পূজা সাধনা কৰা সকল ৰাক্ষস স্বভাৱ ধাৰণকাৰী, মনুষ্যৰ ভিতৰত নীচ, দুষ্কৰ্মকাৰী মূৰ্খই এই তিনি জনাৰ ওপৰৰ মোৰ (ব্ৰহ্মৰ) পূজা নকৰে।

শ্ৰীমদ্ভাগৱত গীতা জ্ঞানদাতা প্ৰভুৱে অধ্যায় ৭, শ্লোক ১৮ ত নিজৰ ভক্তিকো অতি অশ্ৰেষ্ঠ (অতিবেয়া) অনুত্তম বুলি কৈছে।

এই কাৰণে অধ্যায় ১৫, শ্লোক ৪ আৰু অধ্যায় ১৮, শ্লোক ৬২ আৰু ৬৬ ত কোনো অন্য পৰমেশ্বৰৰ শৰনলৈ যোৱাৰ বাবে উপদেশ দিছে।

যি সময়ত পৱিত্ৰ গীতাৰ জ্ঞান ব্যাখ্যা কৰি কোৱা হৈছিল, তাৰ আগেয়ে ১৮ পুৰাণ ১১ উপনিষদ আৰু ছয় শাস্ত্ৰ নাছিল। যি পিছত ঋষি সকলেহে নিজৰ নিজৰ অনুভৱেৰে পুথি ৰচনা কৰিছে। সেই সময়ত কেৱল চাৰি বেদেই মাত্ৰ শাস্ত্ৰ ৰূপত প্ৰমাণিত আছিল আৰু সেই পৱিত্ৰ চাৰিও বেদৰ সাৰাংশ পৱিত্ৰ গীতাত বৰ্ণিত হৈছে।

**শাস্ত্ৰাৰ্থ বিষয়**

**শাস্ত্ৰৰ অৰ্থই পৰমেশ্বৰৰ তত্ত্বজ্ঞানক সমস্যাত পেলাইছে**

শাস্ত্ৰাৰ্থ কেনেকৈ হৈছিল ?

দুজন বিদ্বানে প্ৰশ্নোত্তৰ চৰ্চা কৰি আছিল আৰু বহুত সংখ্যক শ্ৰোতা তাত উপস্থিত আছিল। জয়-পৰাজয়ৰ সমিধান ৰাইজৰ হাতত। কিয়নো এই দুই বিদ্বানে কৈ থকা সম্পৰ্কে তেওঁলোকৰ জ্ঞান নাই। বেচিকৈ যি সংস্কৃতৰ উদ্ধৃতি দিছিল শ্ৰোতা ৰাইজে তাকেই হাত তালি বজাই বিজয়ী হোৱাৰ প্ৰমাণ দিছিল। এইদৰে বিদ্বানৰ জয়-পৰাজয় অবিদ্বানৰ হাতত হৈছিল।

প্ৰমান - পুথি "শ্ৰীমদ দয়ানন্দ প্ৰকাশ" লিখক শ্ৰী সত্যানন্দ জী মহাৰাজ, প্ৰকাশক - সৰ্বদেশীয় আৰ্য্য প্ৰতিনিধি সভা ৩/৫ মহৰ্ষি দয়ানন্দ ভৱন, ৰামলীলা মৈদান নিউ দিল্লী-২, গঙ্গা কাণ্ড অষ্টম স্বৰ্গ পৃষ্ঠ ৮৯ সমান লিখনী ঃ- তিনি দিনলৈ, প্ৰতি সন্ধিয়া কৃষানন্দদেব আৰু স্বামীজীৰ মাজত শাস্ত্ৰাৰ্থ চৰ্চা হৈছিল। এদিন শাস্ত্ৰাৰ্থ চৰ্চাৰ সময়ত কোনোৱাই কৃষ্ণানন্দদেৱক সাকাৰ বাদৰ (আকাৰ) অৱলম্বন কৰিলে আৰু ইয়াৰে বিষয়ে শাস্ত্ৰৰ চৰ্চা আৰম্ভ হল। স্বামীজীৰ এইটো প্ৰসঙ্গ মনে বিচৰা বিষয় আছিল। তেখেতে ধাৰাবাহিক ভাৱে সংস্কৃত উচ্চাৰণ কৰি নিৰাকাৰ সিদ্ধান্তৰ ওপৰত বেদ আৰু উপনিষদৰ প্ৰমাণৰ দীঘলীয়া ভাষণ দিলে, আৰু কৃষ্ণানন্দ দেৱক তাৰ অৰ্থ স্বীকাৰ কৰিবলৈ বাধ্য কৰিলে। কৃষ্ণানন্দদেৱে কোনো প্ৰমাণ দিব নোৱাৰিলে। কেৱল গীতাৰ এটা শ্লোক "য়দা য়দা হি ধৰ্মস্ব গ্লানিভৱতি ভাৰত" শ্ৰোতাৰ ফালে মুখ কৰি পঢ়িবলৈ ধৰিলে। স্বামীজীয়ে গৰ্জন কৰি কলে "আপোনাৰ বিতৰ্ক মোৰ লগত, এই কাৰণে মোৰ ফালে অভিমুখ কৰি কওঁক"। তেতিয়া থৰ কাচুটি হেৰোৱা নিচিনা হল, ওপৰা উপৰি কৰি কবলৈ পাহৰিলে। মুৰ্খ বিবৰ্ণ হল। ডিঙি শুকাল। চেহেৰা শেতা পৰিল। কোনো প্ৰকাৰে সন্মান ৰাখিৱৰ কাৰণে তেখেতে তৰ্ক শাস্ত্ৰৰ শৰণ লৈ স্বামীজীক কলে - "বাৰু, লক্ষণৰ লক্ষন কওকচোন ? স্বামীজীয়ে উত্তৰ দিলে 'যেনেকুৱা কাৰণৰ কোনো কাৰণ নাই ঠিক তেনেকুৱাই লক্ষণৰও কোনো লক্ষন নাই। ৰাইজে হাঁহিলে কৃষ্ণানন্দৰ পৰাজয় প্ৰকাশ কৰি দিলে আৰু তেখেত চিন্তিত হৈ তাৰ পৰা গুচি গ'ল।

ওপৰৰ বিৱৰণত এইটো স্পষ্ট যে বিদ্বান ব্যক্তিৰ জয় পৰাজয়ৰ সিদ্ধান্ত অবিদ্বান ব্যক্তিৰ ওপৰত আছিল। স্বামী দয়ানন্দ জীয়ে লানি নিছিগাকৈ সংস্কৃত কৈছিল আৰু শ্ৰোতাই হাঁহিছিল আৰু মহৰ্ষি দয়ানন্দকে বিজয়ী ঘোষণা কৰিছিল আৰু পৰমাত্মা নিৰাকাৰ বুলি মানি লৈছিল। কিন্তু যি নহওক, য়জুৰ্বেদ অধ্যায় ১, মন্ত্ৰ ১৫, তথা য়জুৰ্বেদ অধ্যায় ৫, মন্ত্ৰ ১ স্পষ্ট আছে যে পৰমাত্মা সশৰীৰে আৰু আকাৰত বিদ্যমান।

স্বামী দয়ানন্দ মহাশয়ে সংস্কৃত ভাষাত পাঠ কৰিছিল, তাৰ প্ৰমাণ ঃ 'সত্যাৰ্থ প্ৰকাশৰ ভূমিকা পৃষ্ঠা ৮, স্বামী দয়ানন্দ মহাশয়ে কৈছিল যে প্ৰথম বাৰ সত্যাৰ্থ প্ৰকাশ ছপাইছিলো। সেই সময়ত মই হিন্দী ভালদৰে কব পৰা নাছিলো। কিয়নো লৰালি কালৰ

পৰা ১৮৮২ চন (সম্বতঃ ১৯৩৯) লৈ সংস্কৃতত ভাষণ দিছিলো। ইয়াৰ দ্বাৰা প্ৰমাণিত হয় যে স্বামী দয়ানন্দ মহাশয় সংস্কৃত ভাষাত শাস্ত্ৰাৰ্থ কৰিছিল। সম্বত ১৯৩৯ (চন ১৮৮২) সত্যাৰ্থ প্ৰকাশক পুনঃৰাই ছপোৱা এক বছৰ পিছত চন ১৮৮৩ ত স্বামীজীৰ মৃত্যু হ'ল। স্পষ্ট হৈছে যে স্বামীজীয়ে মৃত্যুৰ এবছৰ পূৰ্বেই হিন্দী ভাষা জানিছিল। ইয়াৰ আগেয়ে তেখেতে সংস্কৃততহে পণ্ডিত আছিল। শ্ৰোতাগন সংস্কৃতৰ লগত অপৰিচিত আছিল আৰু সিবিলাকেই বিদ্বানৰ জয়-পৰাজয়ৰ নিৰ্ণয় কৰিছিল।

এতিয়া এই দাসৰো দাসে (ৰামপাল দাস) বিচাৰে যে সকলো পৱিত্ৰ ধৰ্মৰ প্ৰভুপ্ৰেমী পুণ্যাত্মা তত্ত্বজ্ঞানৰ লগত পৰিচিত হওক, তেতিয়া স্বয়ং আচল ৰত্ন আৰু কষ্টিক পাথৰ চিনিব পাৰিব।

কাহিনী - এজন মহাজনৰ দুজন পুতেক আছিল। এজন ১৬ বছৰৰ আনজন ১৮ বছৰৰ। দেউতাকৰ মৃত্যু হ'ল। লৰাৰ মাকে এখন কাপোৰত কিছু ৰত্ন বান্ধি লৰাৰ হাতত দি কলে বোপাই! এই অকনমান ৰত্ন লৈ নিজৰ বৰদেউতাৰ (বাপেকৰ ডাঙৰ ভাই) ওচৰলৈ গৈ কবা আমাৰ লগত টকা পইচা নাই। এই অকনমান ৰত্ন আপোনাৰ ওচৰত ৰাখক আৰু আমাক বেপাৰত অংশীদাৰ কৰি লওক। আমি ল'ৰা মানুহ বেপাৰ কৰিব নোৱাৰিম। দুয়ো লৰাই মাকে দিয়া ৰত্নৰ টোপোলাটো লৈ নিজৰ বৰদেউতাকৰ ওচৰলৈ গল আৰু মাকে শিকাই দিয়া কথা কলে। বৰদেউতাকে ৰত্ন খিনি ললে আৰু কলে বোপাইহঁত, এই ৰত্ন থকা টোপোলাটো নিজৰ মাতৃক ঘুৰাই দি আহা, সযত্নে ৰাখিবলৈ কবা। তোমালোকে মোৰ লগত আহা আমি চহৰলৈ য়াওঁ। মই বহুত মাল ধাৰে লব পাৰো, উভতি আহি এই হীৰাৰ প্ৰয়োগ কৰিম।

দুয়ো লৰাই বৰদেউতাকৰ লগত আন এক চহৰলৈ গল। এদিনাখন বৰদেউতাকে অলপ হীৰা ভতিজাকক দি কলে, বোপাই। এইখিনি হীৰা, ইয়াক সৌ মহাজনক দি আহা, যাৰপৰা যোৱাকালি পঞ্চাচ হেজাৰ টকাৰ মাল ধাৰে আনিছিলো আৰু কবা যে এই হীৰাখিনি ৰাখি থোৱা, আমি উভতি আহি আপোনাৰ ঋণ পৰিশোধ কৰিম আৰু নিজৰ হীৰা ঘুৰাই লৈ যাম।

দুয়ো ল'ৰাই মহাজনক উক্ত বিৱৰণ কলে তেতিয়া মহাজনে এজন সোণাৰিক ম াতিলে। সোণাৰিয়ে হীৰা খিনিক পৰীক্ষা কৰি কলে এইবোৰ হীৰা নহয়, ই তো কষ্টিক পাথৰহে, যি এশ টকা মূল্যৰো নহয়, হীৰাৰ দাম ন লাখ টকা। মহাজনে ভাল-বেয়া দুই চাৰিষাৰ কথা কৈ সেই কষ্টিক পাথৰ খিনি বাটলৈ দলিয়াই দিলে। লৰাহঁতে কষ্টিক পাথৰ খিনি বাটৰ পৰা তুলি নি নিজৰ বৰদেউতাকৰ কাষলৈ আহিল। কান্দি কাটি সকলো বৃত্তান্ত শুনাই কলে যে এক ব্যক্তিয়ে পৰীক্ষা কৰি কৈছে যে এইবোৰ হীৰা নহয় এইবোৰ কষ্টিক পাথৰ।

বৰদেউতাকে কলে বোপাই! সেইজন স্বৰ্ণকাৰ আছিল। তেওঁ ঠিক কথাই কৈছিল, আচলতে এইবোৰ কষ্টিক পাথৰ, ইয়াৰ দাম এশ টকাও নহয়। বোপাই মোৰেই ভুল হৈছে। ৰত্ন বুলি এইবোৰ, ভুল কৰি মই তোমালোকক কষ্টিক পাথৰ দিছিলো। এতিয়া যোৱা আৰু মহাজনক কবা আমাৰ বৰদেউতা প্ৰৱঞ্চক নহয় আকৌ সেই মহাজনৰ ওচৰলৈ গ'ল আৰু কলে যে আমাৰ বৰদেউতা এনেকুৱা প্ৰৱঞ্চক ব্যক্তি নহয় মহাজন, ভুলতে ৰত্নৰ ঠাইত কষ্টিক পাথৰ দিছিল। এতিয়া এই ৰত্নখিনি লওক। সোণাৰিয়ে কলে যে সঁচাই এইবোৰ ৰত্ন আগৰ খিনি কষ্টিক পাথৰ আছিল।

তেওঁলোকে বস্তু বাহানি লৈ নিজৰ চহৰলৈ উভতি আহিল। তেতিয়া বৰদেউতাকে

কলে বোপাই! মাৰ পৰা ৰত্ন খিনি লৈ আহা, ঋণ বেছি হৈছে। দুয়ো লৰাই নিজৰ মাকৰ পৰা ৰত্ন থকা টোপোলাটো লৈ খুলি চাই দেখিলে যে সেইবোৰ কষ্টিক পাথৰ, ৰত্ন অকণো নাই। বৰদেউতাকে লৰাহঁতক ৰত্ন আৰু কষ্টিক পাথৰৰ প্ৰভেদ বুজাই দিছিল। দুয়ো লৰাই নিজৰ মাকক কলে আই! এইবোৰ ৰত্ন নহয়, কষ্টিক পাথৰ। দুয়ো লৰাই ঘৰৰ পৰা ঘূৰি আহি বৰদেউতাকক কলে যে আমাৰ মাতৃ বৰ নিৰ্বোধ। তেওঁৰ ৰত্ন আৰু কষ্টিক পাথৰৰ জ্ঞান নাই। সেইবোৰ ৰত্ন নহয় কষ্টিক পাথৰহে। বৰদেউতাকে কলে লৰাহঁত সেইদিনাও এইবোৰ কষ্টিক পাথৰ আছিল যিদিনা মোৰ ওচৰলৈ লৈ আহিছিলা। যদি মই কষ্টিক পাথৰ বুলি কৈ দিলো হেতেন তেন্তে তোমালোকৰ মাতৃয়ে কলেহেঁতেন যে মোৰ পতি নাই, এইকাৰণে মোৰ ৰত্ন খিনিকো কষ্টিক পাথৰ বুলি কৈছে। বোপাহঁত, আজি মই তোমালোকক ৰত্ন আৰু কষ্টিক পাথৰৰ প্ৰভেদ জানিবৰ যোগ্য কৰি তুলিলো। তোমালোকে নিজেই নিৰ্ণয় কৰিব পাৰিছা।

বিশেষ ঃ- এইদৰে আজি এই দাসে এয়া বিচাৰে যে তত্ত্বজ্ঞানক প্ৰতি জনে বুজি পাওক আৰু শাস্ত্ৰৰ প্ৰমাণ চাই স্বয়ং বুজিব পৰাৰ যোগ্য হৈ সাধুঅসাধুক চিনি পাওক।

শাস্ত্ৰাৰ্থ বিদ্বান সকলে কৰিছিল আৰু জয়-পৰাজয়ৰ সিদ্ধান্ত অবিদ্বানৰ হাতত হৈছিল। এই দাসে বিচাৰে যে প্ৰথমে প্ৰভুপ্ৰেমী পুণ্যত্মাই শাস্ত্ৰ বুজি পাওক পিছত স্বয়ং জানিব এইবোৰ সাধু মুনি, মহৰ্ষিয়ে কি পাঠ পঢ়াই আছে।

## শাস্ত্ৰাৰ্থ মহৰ্ষি সৰ্বানন্দ তথা কবীৰ (কবিৰ্দেব)ৰ

এজন সৰ্বানন্দ নামৰ মহৰ্ষি আছিল। তেওঁৰ পূজনীয় আই শ্ৰীমতী শাৰদা দেবী পাপ কৰ্ম ফলৰ দ্বাৰা পীড়িত আছিল। তেওঁ সকলো ধৰণৰ পূজা-পাতল আৰু তন্ত্ৰ-মন্ত্ৰ কষ্ট নিবাৰণৰ বাবে কৰিছিল। শাৰীৰিক কষ্ট নিবাৰণৰ কাৰণে বেজৰ ঔষধ খাইছিল কিন্তু ভাল নাপাইছিল। সেই সময়ৰ মহৰ্ষিৰ উপদেশো গ্ৰহন কৰিছিল, কিন্তু সকলো মহৰ্ষিয়ে কৈছিল যে পুত্ৰী শাৰদা! এইটো তোমাৰ পাপ কৰ্মৰ শাস্তি প্ৰাৰব্ধ কৰ্ম- এইটোৰ ক্ষমা নহব, এইটো ভুগিবই লাগিব। ভগৱান শ্ৰীৰামেও বালীক বধ কৰিছিল, সেই পাপ কৰ্মৰ শাস্তি শ্ৰীৰাম (বিষ্ণু)ৰ আত্মাই শ্ৰীকৃষ্ণ হৈ ভুগিছিল। বালীৰ আত্মা চিকাৰী হৈছিল। যিয়ে শ্ৰীকৃষ্ণদেবৰ ভৰিত বিষাক্ত তীৰ মাৰি বধ কৰিছিল। এইদৰে গুৰুদেৱ, মহন্ত, সাধু, বৈষ্ণৱ, ঋষিৰ বিচাৰ শুনি দুঃখিত মনেৰে ভক্তমতী শাৰদাই নিজৰ প্ৰাৰব্ধ পাপ কৰ্মৰ কষ্ট কান্দি কান্দি সহ্য কৰিছিল। এদিন কোনোৱা নিজ আত্মীয়ৰ কথাত কাশীত (স্বয়ম্ভু স্বয়ং স্বশৰীৰে অৱতৰণ কৰা (কবীৰদেৱ) কবীৰ পৰমেশ্বৰ অৰ্থাৎ কবীৰ প্ৰভুৰ পৰা নাম উপদেশ প্ৰাপ্ত কৰিলে আৰু সেই দিনৰ পৰা কষ্টৰ পৰা মুক্তি পালে। কিয়নো পৱিত্ৰ যজুৰ্বেদ অধ্যায় ৫ মন্ত্ৰ ৩২ লিখা আছে যে "কবিৰংঘাৰিৰসি" অৰ্থাৎ (কবিৰ) কবীৰ (অংঘাৰি) পাপৰ শত্ৰু (অসি) হয়। আকৌ এই পবিত্ৰ যজুৰ্বেদ অধ্যায় ৮ মন্ত্ৰ১৩ ত লিখা আছে যে পৰমাত্মাই (এনসঃ এনসঃ) অধৰ্মৰ ওপৰত অধৰ্ম অৰ্থাৎ পাপৰ ওপৰত পাপ ঘোৰ পাপকো সমাপ্ত কৰে। প্ৰভু কবীৰদেৱে (কবীৰ পৰমেশ্বৰ) কলে পুত্ৰী শাৰদা, এই সুঃখ তোমাৰ ভাগ্যত নাছিল, মই নিজৰ ভঁড়ালৰ পৰা প্ৰদান কৰিছো আৰু পাপ বিনাশক হোৱাৰ প্ৰমাণ দিছো। তোমাৰ পুত্ৰই, মহৰ্ষি সৰ্বানন্দই কৈ ফুৰে যে প্ৰভুৱে পাপ ক্ষমা (নাশ) কৰিব নোৱাৰে আৰু তুমি মোৰ পৰা নাম উপদেশ প্ৰাপ্ত কৰি আত্ম কল্যাণ কৰা। ভক্তমতি শাৰদা দেবী স্বয়ং আহি পৰমেশ্বৰ কবীৰ প্ৰভুৰ পৰা (কবীৰদেব) নাম উপদেশ লৈ নিজৰ আত্ম কল্যাণ কৰিলে। মহৰ্ষি সৰ্বানন্দ যি ভক্তমতি শাৰদা দেবীৰ পুত্ৰ আছিল, শাস্ত্ৰাৰ্থৰ প্ৰতি বৰ আগ্ৰহ আছিল। তেওঁ নিজৰ সমকালীন

সকলো বিদ্বান পণ্ডিতক শাস্ত্ৰাৰ্থ কৰি পৰাজিত কৰিছিল। পিচে ভাৱিলে যে প্ৰত্যেককে কবলগীয়া হয় যে মই সকলো বিদ্বানৰ ওপৰত বিজয় প্ৰাপ্ত কৰি লৈছো। কিয়নো নিজৰ মাকৰ দ্বাৰাই নিজৰ নামটো সৰ্বাজীত কৰাই নলওঁ কেলেই ? ইয়াকে ভাৱি নিজৰ মাকৰ ওচৰলৈ গৈ প্ৰাৰ্থনা কৰি কলে যে আই মোৰ নিজৰ নামটো সলনি কৰি সৰ্বাজিত কৰা। মাকে কলে বোপাই, সৰ্বানন্দ নামটো কিনো বেয়া ? মহৰ্ষি সৰ্বানন্দই কলে আই! মই সকলো বিদ্বানক শাস্ত্ৰাৰ্থ কৰি পৰাজিত কৰিছো, এইকাৰণে মোৰ নামটো সৰ্বাজিত ৰাখা। মাকে কলে বোপা! এজন বিদ্বান মোৰ গুৰু মহাৰাজ কবীৰ্দেব (কবীৰ প্ৰভু), তেওঁক পৰাজিত কৰি দিয়া, পিচত সৰ্বাজিত ৰাখিম। মাকৰ বচন শুনি শ্ৰীসৰ্বানন্দই আগেয়ে হাঁহি দিলে, পিচত কলে আই তুমিও নিৰ্বোধৰ নিচিনা। সেইজন তাঁতী (কাপোৰ বোৱা) কবীৰ এজন অশিক্ষিত তেওঁকনো কি পৰাজিত কৰিব লাগে ? ৰবা, এতিয়াই গৈ আছো।

মহৰ্ষি সৰ্বানন্দই সকলো শাস্ত্ৰ এখন গৰু গাড়ীত তুলি লৈ কবীৰ্দেব (কবীৰ পৰমেশ্বৰ)ৰ জুপুৰী ঘৰৰ সমুখলৈ গল। পৰমেশ্বৰ কবীৰদেবৰ ধৰ্ম জীয়েক কমালীক প্ৰথমে কুঁৱাৰ পাৰত দেখা পালে, পিচত দুৱাৰ মুখলৈ আহি তাই কলে আহক মহৰ্ষি এইটোৱে পৰম পিতা কবীৰদেবৰ ঘৰ। সৰ্বানন্দই ছোৱালী কমালীৰ দ্বাৰা এক লোটা পানী পূৰ্ণকৈ ভৰাই যত আৰু পানী ভৰাবলৈ অকনমানো ঠাই নাই আৰু কলে যে পুত্ৰী এই পানীৰে ভৰপুৰ লোটা টো লাহে লাহে লৈ গৈ কবীৰক দিয়া আৰু যি উত্তৰ দিব সেইটো মোক আহি কোৱা। কমালীয়ে অনা পানীৰ লোটাত পৰমেশ্বৰ কবীৰ (কবীৰদেব) দেবে এটা কাপোৰ চিলোৱা ডাঙৰ বেজী পেলাই দিলে, কিছু পানী উপচি মাটিত পৰিল আৰু কলে পুত্ৰী এই পানীৰ লোটা সৰ্বানন্দক ঘুৰাই দিয়া। পানীৰ লোটা ছোৱালীজনীয়ে ঘুৰাই অনাত সৰ্বানন্দই সুধিলে যে কবীৰে কি উত্তৰ দিলে। কমালীয়ে প্ৰভু দ্বাৰা লোটাত ডাঙৰ বেজী পেলাই দিয়াৰ বৃত্তান্ত ক'লে। তেতিয়া সৰ্বানন্দ মহৰ্ষিয়ে পানীত বেজি পেলাই দিয়া মহত্ব বুজিব নোৱাৰি পৰম পূজ্য কবীৰ পৰমেশ্বৰ (কবীৰ্দেব)ক সুধিলে আপুনি মে াৰ প্ৰশ্নৰ কি উত্তৰ দিলে ? প্ৰভু কবীৰদেবে সুধিলে আপোনাৰ নো কি প্ৰশ্ন আছিল ?

শ্ৰীসৰ্বানন্দ মহৰ্ষিয়ে কলে মই সকলো বিদ্বান পণ্ডিতক শাস্ত্ৰাৰ্থ কৰি পৰাজিত কৰিছো। সেই কাৰণে মাৰ ওচৰত অনুৰোধ কৰিছো যে মোৰ নাম সৰ্বাজিত ৰাখা। মোৰ মায়ে আপোনাক পৰাজিত কৰাৰ পিচত মোৰ নাম সলনি কৰাৰ কথা কৈছে। আপোনাৰ ওচৰত পৰিপূৰ্ণ পানীৰে ভৰা লোটা পঠোৱাৰ তাৎপৰ্য্য হল যে পানীৰে ভৰা লোটাটোৰ দৰে মই জ্ঞানেৰে পৰিপূৰ্ণ। ইয়াত আৰু পানী ভৰোৱা নেযাব, ভৰালে বাহিৰত পৰিব অৰ্থাৎ মোৰ লগত জ্ঞান চৰ্চা কৰি কোনো লাভ নহব। আপোনাৰ জ্ঞান মোৰ ভিতৰত নোসোমাব, অনৰ্থক বাক্য ব্যয়। এইবাবে পৰাজয় মানি ল'লে ইয়াতে আপোনাৰ হিত হব।

পূজনীয় কবীৰ পৰমেশ্বৰে (কবীৰদেব) কলে যে আপোনাৰ পানীৰে ভৰা লোটাত লোহাৰ বেজী (শুই) পেলাই দিয়াৰ তাৎপৰ্য্য হল যে মোৰ জ্ঞান (তত্ত্বজ্ঞান) ইমান গধুৰ (সত্য) যে যেনেকৈ বেজীটোৱে লোটাৰ পানী বাহিৰত ওপোচাই পেলাই তলত গৈ পৰিল, এনেদৰে মোৰ তত্ত্বজ্ঞানে আপোনাৰ অসত্য জ্ঞানক (লোকবেদ) ভেদ কৰি আপোনাৰ হৃদয়ত সোমাই যাব।

মহৰ্ষি সৰ্বানন্দই কলে তেন্তে প্ৰশ্ন কৰক। এক বহু চৰ্চিত বিদ্বান তাঁতী ওচৰলৈ অহাৰ কাৰণে ওচৰ চুবুৰীয়া সহজ সৰল অশিক্ষিত তাঁতী সকলে শাস্ত্ৰাৰ্থ শুনিবলৈ একত্ৰিত হ'ল।

পূজ্য কবীৰদেবে প্ৰশ্ন কৰিলে -

কোন ব্ৰহ্মাৰ দেউতা, কোন বিষ্ণুৰ আই! শংকৰৰ ককাইদেউ কোন, সৰ্বানন্দ দিয়া শুনাই।

মহৰ্ষি সৰ্বানন্দৰ উত্তৰ :- শ্ৰীব্ৰহ্মাদেৱ ৰজগুণ, শ্ৰীবিষ্ণুদেৱ সৎগুণ আৰু শিৱশংকৰ তমগুণ যুক্ত। এই তিনিও অজৰ অমৰ অবিনাশী, সৰ্বেশ্বৰ-মহেশ্বৰ মৃত্যুঞ্জয়। এওঁলোকৰ পিতৃ-মাতৃ নাই। আপুনি অজ্ঞানী, এই প্ৰশ্ন কৰিছে। সকলো উপস্থিত শ্ৰোতাই তালি বজালে আৰু মহৰ্ষি সৰ্বানন্দক সমৰ্থন কৰিলে।

পূজ্য কবীৰ প্ৰভুৱে (কবিৰ্দেব) কলে মহৰ্ষি আপুনি শ্ৰীমদদেবী ভাগৱত পুৰাণৰ তৃতীয় স্কন্ধ আৰু শ্ৰীশিৱ পুৰাণৰ ষষ্ঠ আৰু ৰুদ্ৰ সংহিতাৰ সপ্তম অধ্যায় প্ৰভুক সাক্ষী ৰাখি গীতাৰ ওপৰত হাত থৈ পঢ়ক আৰু অনুবাদ শুনাওক। মহৰ্ষি সৰ্বানন্দই গীতাৰ ওপৰত হাত থৈ শপত লৈ কলে সত্য শুনাম।

পৱিত্ৰ পুৰাণক প্ৰভু কবীৰ (কবিৰদেব) দেবে কোৱাৰ পিছত মনযোগেৰে পঢ়িলে। শ্ৰীশিৱপুৰাণ (গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত, যাৰ অনুবাদক শ্ৰীহনুমান প্ৰসাদ পোদ্দাৰ) পৃষ্ঠা নং ১০০ পৰা ১০৩ লিখিত আছে যে সদাশিৱ অৰ্থাৎ কালৰূপী ব্ৰহ্ম আৰু প্ৰকৃতি (দুৰ্গা)ৰ মিলনৰ (পতি-পত্নী ব্যৱহাৰ) পৰাই সৎগুণ ৰূপী শ্ৰীবিষ্ণুদেৱ, ৰজগুণ শ্ৰীব্ৰহ্মাদেৱ তথা তমগুণ শিৱৰ জন্ম হৈছে। এইগৰাকী প্ৰকৃতি (দুৰ্গা) যাক অষ্টাংগী বোলা হয়, ত্ৰিদেৱ জননী (তিনি ব্ৰহ্মা, বিষ্ণু, শিৱৰ) অৰ্থাৎ মাতৃ বুলি কোৱা হয়।

পৱিত্ৰ শ্ৰীমদদেবী পুৰাণ (গীতা প্ৰেচ গোৰখপুৰৰ পৰা প্ৰকাশিত, অনুবাদক শ্ৰীহনুম ান প্ৰসাদ পোদ্দাৰ তথা চিমনলাল গোস্বামী) তৃতীয় স্কন্ধত পৃষ্ঠা নং ১১৪ ৰ পৰা ১২৩ লৈ স্পষ্ট বৰ্ণনা আছে যে, ভগৱান বিষ্ণুৱে কৈছে এইজনী প্ৰকৃতি (দুৰ্গা) আমাৰ তিনিও জনৰ মাতৃ। মই এখেতক সেই সময়ত দেখিছিলো যেতিয়া মই সৰু আছিলো। আইক প্ৰণাম কৰি শ্ৰী বিষ্ণুৱে কলে যে হে আই। মই (বিষ্ণু), ব্ৰহ্মা আৰু শিৱ বিনাশী। আমাৰ আবিৰ্ভাৱ অৰ্থাৎ জন্ম আৰু তিৰোভাৱ (মৃত্যু) হয়। আপুনি প্ৰকৃতী দেবী।ভগৱান শংকৰে কলে হে মাতৃ! যদি ব্ৰহ্মা আৰু বিষ্ণু আপোনাৰ পৰাই জন্ম হৈছে তেন্তে মই শংকৰো আপোনাৰ পৰাই জন্ম হৈছো অৰ্থাৎ আপুনি মোৰো মাতৃ।

মহৰ্ষি সৰ্বানন্দই আগেয়ে আধৰুৱা শাস্ত্ৰ বিৰুদ্ধ জ্ঞান (লোক বেদ)ৰ আধাৰত তিনি (ব্ৰহ্মা, বিষ্ণু, শিৱ) দেৱক অবিনাশী তথা অজন্মা বুলি কৈ ফুৰিছিল। পুৰাণ পঢ়িছিল কিন্তু আকৌ অজ্ঞানী হৈয়ে আছিল। কিয়নো ব্ৰহ্মাই (কাল) পৱিত্ৰ গীতাত কৈছে যে মই সকলো প্ৰাণীৰ (যি মোৰ একৈশ ব্ৰহ্মাণ্ড মোৰ অধীন) বুদ্ধি হওঁ। যেতিয়াই বিচাৰো তেতিয়াই জ্ঞান প্ৰদান কৰো আৰু যেতিয়াই ইচ্ছা কৰো তেতিয়াই অজ্ঞানতাৰে ভৰাই দিওঁ। সেই সময়ত পূৰ্ণ পৰমাত্মাই কোৱাৰ পিছত কাল ব্ৰহ্মৰ প্ৰভাৱ সৰ্বানন্দৰ পৰা আঁতৰি গৈছিল আৰু তাৰ স্পষ্ট জ্ঞান হৈছিল। বাস্তৱত এনেকৈয়ে লিখিত আছে। কিন্তু মান হানি হোৱাৰ ভয়ত কলে মই সকলো পঢ়ি লৈছো এনেকুৱা ক'তো লিখা নাই। কবিৰদেব (কবীৰ পৰমেশ্বৰ) ক ক'লে তুমি মিছলীয়া! তুমি কি জানা শাস্ত্ৰৰ বিষয়ে। আমি প্ৰতিদিনে পঢ়ো। সৰ্বানন্দই মানুহক দেখুৱাই অনৰ্গল সংস্কৃত কোৱা আৰম্ভ কৰিলে। বিশ মিনিট মুখস্থ থকা কোনো কোনো বেদবাণী কবলৈ ধৰিলে, পুৰাণ নুশুনালে।

সকলো উপস্থিত অশিক্ষিত সহজ-সৰল শ্ৰোতাগণ যিয়ে সেই সংস্কৃতক বুজিব পৰা নাছিল, প্ৰভাৱিত হৈ মহৰ্ষি সৰ্বানন্দৰ সমৰ্থনত বাহ বাহ মহাজ্ঞানী বুলি কবলৈ ধৰিলে। ভাবাৰ্থ এইটো যে পৰমেশ্বৰ কবীৰদেবক পৰাজিত কৰিলে আৰু মহৰ্ষি সৰ্বানন্দক বিজয়ী ঘোষণা কৰিলে। পৰম পূজ্য কবীৰ পৰমেশ্বৰে (কবীৰদেব) কলে যে সৰ্বানন্দ তুমি পৱিত্ৰ গীতাৰ শপত খাইছা, সেইটোও কি পাহৰি গৈছা ? তুমি যেতিয়া সন্মুখত

লিখিত থকা শাস্ত্ৰৰ সত্যতাকে নামানা তেন্তে মই হাৰিলো তুমি জিকিলা।

এজন খেতিয়কৰ লৰা সপ্তম শ্ৰেণীত পঢ়িছিল। তেওঁ অলপ কিছু ইংৰাজী জানিছিল। এদিনাখন দুই পিতা-পুত্ৰই গৰু গাড়ীত উঠি পথাৰলৈ গৈ আছিল। সন্মুখত এজন ইংৰাজ আহিল। তেওঁ গৰু গাড়ীত থকা বাপেক-পুতেকৰ পৰা ইংৰাজী ভাষাত কোন পথ কোন ফালে গৈছে জানিব খুজিলে। পিতাকে পুতেকক কলে, বোপাই এইজন ইংৰাজে নিজে নিজক বৰ শিক্ষিত বুলি ভাৱে। তুমিয়ো তো ইংৰাজী জানা। ইয়াৰ ইংৰাজী বাহাদুৰি কমাই দিয়াচোন ? ইংৰাজী কৈ শুনাই দিয়া। খেতিয়কৰ লৰাই মুখস্থ থকা ইংৰাজী ভাষাত বেমাৰৰ বাবে ছুটিৰ দৰখাস্ত সৰ সৰকৈ শুনাই দিলে। ইংৰাজে সেই নিৰ্বোধ লৰাৰ নিৰ্বুদ্ধিতা দেখি কলে, সুধিছো পথৰ বিষয়ে শুনাইছা বেমাৰৰ ছুটিৰ আবেদন- বোপাই! কপালত চপৰিয়াই নিজৰ গাড়ীত উঠি গুচি গল। খেতিয়কে নিজৰ বিজয়ী লৰাক পিঠিত চপৰিয়াই বাঃ বাঃ দি কলে - বাহঃ বোপাই বাঃ মোৰ জীবন ধন্য কৰি দিলা। আজি তুমি ইংৰাজক ইংৰাজী ভাষাৰে পৰাজিত কৰি দিলা। তেতিয়া লৰাটোৱে কলে পিতাই “মাই বেষ্ট ফ্ৰেন্ড” (মোৰ প্ৰিয় বন্ধু) নামৰ ৰচনাখন মুখস্থ আছে। সেইখন যদি শুনাই দিলোহেঁতেন ইংৰাজে গাড়ী এৰি পলালহেঁতেন। এইদৰে পৰমেশ্বৰ কবীৰদেৱে সুধি আছে এটা আৰু সৰ্বানন্দই উত্তৰ দিছে অন্য এটা। এনেকুৱা শাস্ত্ৰাৰ্থই সমাজক প্ৰকৃত জ্ঞানৰ পৰা আঁতৰাই ৰাখিছে।

পৰম পূজ্য কবীৰ পৰমেশ্বৰে (কবীৰদেৱ) কলে যে সৰ্বানন্দ মই হাৰিলো, তুমি জয়ী হলা। মহৰ্ষি সৰ্বানন্দই কলে লিখি দিয়া, মই কেচা কাম নকৰো পৰমাত্মা কবীৰদেৱে কলে এইটো কৃপা তুমিয়ে কৰা। লিখা যি লিখিবৰ ইচ্ছা, মই টিপ চহী কৰি দিম। মহৰ্ষি সৰ্বানন্দই লিখিলে যে শাস্ত্ৰাৰ্থত সৰ্বানন্দ বিজয়ী হল আৰু কবীৰ দেৱ পৰাজিত হল আৰু কবীৰ দেৱৰ দ্বাৰাই টিপ চহী লগাই ললে। নিজৰ মাকৰ ওচৰত গৈ সৰ্বানন্দই কলে, আই লোৱা এইখন তোমাৰ গুৰুদেৱ পৰাজয় হোৱাৰ প্ৰমাণ পত্ৰ। ভক্তমতি শাৰদা দেৱীয়ে কলে বোপাই! পঢ়ি শুনোৱা। যেতিয়া সৰ্বানন্দই পঢ়িলে তাত লিখা আছিল যে শাস্ত্ৰাৰ্থত সৰ্বানন্দৰ পৰাজয় আৰু কবীৰদেৱ বিজয়ী হৈছে। সৰ্বানন্দৰ মাকে কলে, বোপাই! তুমি তই কৈছা যে মই বিজয়ী হৈছো, তুমি তো পৰাজয় হৈ হে আহিছা। মহৰ্ষি সৰ্বানন্দই কলে আই! মই কেবাদিন ধৰি শাস্ত্ৰাৰ্থ কৰি ব্যস্ত আছিলো, এই কাৰণে টোপনিৰ বাবে মোৰ লিখাত ভুল হৈ গৈছে। আকৌ গৈ শুদ্ধ কৰি লিখি লৈ আহো। মাকে চৰ্ত ৰাখি কলে য়ে বিজয়ী হোৱাৰ কোনো প্ৰমাণ লিখিত আনিলে মই বিশ্বাস কৰিম, এনেয়ে মুখৰ কথা নচলিব। মহৰ্ষি সৰ্বানন্দ আকৌ গল আৰু কলে যে কবীৰদেৱ মোৰ প্ৰমান পত্ৰখন লিখাত অলপ ক্ৰুটি হৈ গৈছে, দুনাই লিখিব লাগে। কবীৰদেৱে কলে আকৌ লিখা। সৰ্বানন্দই আকৌ লিখি কবীৰ পৰমেশ্বৰৰ টিপ চহী লৈ মাকৰ ওচৰলৈ আহিলে, তেতিয়া আকৌ একে কথাকে পালে। কলে, আই! আকৌ যাওঁ। তৃতীয়বাৰ সৰ্বানন্দই সেই লেখাৰ ওপৰত দৃষ্টি ৰাখি নিজৰ ঘৰত প্ৰৱেশ কৰি কবলৈ ধৰিলে আই শুনাইছো, ইয়াকে কৈ পঢ়িবলৈ ধৰিলে তেতিয়া তাৰ চকুৰ সমুখতেই আখৰ বিলাক সলনি হৈ গল। তৃতীয় বাৰ এই প্ৰমাণ লিখা হৈছে যে শাস্ত্ৰাৰ্থত সৰ্বানন্দ পৰাজিত হৈছে আৰু কবীৰদেৱ বিজয়ী হৈছে। সৰ্বানন্দই কবলৈ নেপালে। তেতিয়া মাকে কলে, বোপাই একো নোকোৱা কিয় ? মাকে জানিছিল যে নিৰ্বোধ লৰাই পৰ্বতৰ লগত ফেৰ পাতিবলৈ গৈছে। মাকে সৰ্বানন্দক কলে যে বোপাই, পৰমেশ্বৰ আহিছে, তালৈ গৈ চৰণত পৰি প্ৰণাম কৰি নিজৰ ভুলৰ ক্ষমা বিচৰা আৰু নাম উপদেশ লৈ নিজৰ জীৱন

সফল কৰা। সৰ্বানন্দই মাকৰ ভৰিত পৰি কান্দিবলৈ ধৰিলে আৰু কলে, সঁচাই এখেত স্বয়ং প্ৰভু আহিছে। আপুনি মোক লগত লৈ বলক, মোৰ বৰ লাজ লাগিছে। সৰ্বানন্দৰ মাকে তাক লগত লৈ প্ৰভু কবীৰৰ ওচৰলৈ গল আৰু সৰ্বানন্দকো নাম উপদেশ দিয়ালে। তেতিয়া সেই মহৰ্ষি উপাধি ধাৰী নিৰ্বোধ প্ৰাণী পূৰ্ণ পৰমাত্মাৰ চৰণত শৰণ লোৱাতহে উদ্ধাৰ হল। পূৰ্ণ ব্ৰহ্ম কবীৰ পৰমেশ্বৰে (কবীদেব) কলে সৰ্বানন্দ নিজৰ অক্ষৰ জ্ঞানৰ আধাৰতো শাস্ত্ৰক নুবুজা। কিয়নো মোৰ শৰণত নহালৈকে ব্ৰহ্মই (কাল) কাৰো বুদ্ধি পূৰ্ণ বিকশিত হবলৈ নিদিয়ে। এতিয়া আকৌ পঢ়া এই পৱিত্ৰ বেদ, গীতা আৰু পৱিত্ৰ পুৰাণ। এতিয়া তুমি ব্ৰাহ্মণ হলা। “ব্ৰাহ্মণ সেইজন, যিজনে ব্ৰহ্মক জানিছে” বিদ্বান সেইজন যিয়ে পূৰ্ণ পৰমাত্মাক চিনিব পাৰে, পিচত নিজৰ আত্ম কল্যাণ কৰিব পাৰে।

বিশেষ ঃ- আজিৰ পৰা ৫৫০ বছৰ আগৰ কথা। এই পৱিত্ৰ বেদ, পৱিত্ৰ গীতা আৰু পৱিত্ৰ পুৰাণৰ লিখা জ্ঞান কবীৰ পৰমেশ্বৰে (কবিৰদেৱ) নিজৰ সাধাৰণ বাণীত জন সাধাৰণক শুনাইছিল। যিটো সেই সময়ত আৰু আজিলৈ মহৰ্ষিবোৰে ব্যাকৰণ ত্ৰুটিযুক্ত ভাষা কৈ পঢ়াও আৱশ্যক বুলি ভবা নাছিল আৰু কৈছিল যে কবীৰ অজ্ঞানী, তেওঁৰ আক্ষৰিক জ্ঞানেই নাই, কি জানে সংস্কৃত ভাষাত লিখিত শাস্ত্ৰত লুকাই থকা গুঢ় ৰহস্য। আমি বিদ্বান, আমি যি কওঁ সেই সকলো শাস্ত্ৰত লিখা আছে আৰু শ্ৰীব্ৰহ্মাদেৱ, শ্ৰীবিষ্ণুদেৱ আৰু শিৱৰ কোনো মাতা-পিতা নাই। এইবোৰ অজৰ-অমৰ-অজন্মা অবিনাশী তথা সৰ্বেশ্বৰ, মহেশ্বৰ, মৃত্যুঞ্জয়। তিনিগুণ যুক্ত সকল সৃষ্টিৰ সৃষ্টিকৰ্তা। আদি আদি ব্যাখ্যা ঠিক কৰি আজিলৈকে সহজ সৰল মানুহক ঠগি আছে। আজি সেই সকলো পৱিত্ৰ শাস্ত্ৰ আমাৰ নিজৰ ওচৰত আছে, যত তিনিও প্ৰভুৰ (ৰজগুণ ব্ৰহ্মা, সৎগুণ বিষ্ণু, তমগুণ শিৱ) মাতা-পিতাৰ স্পষ্ট বিৱৰণ আছে। সেই সময়ত আমাৰ পূৰ্বজ অশিক্ষিত আছিল আৰু শিক্ষিত শ্ৰেণীৰ সিমান শাস্ত্ৰৰ পূৰ্ণজ্ঞান নাছিল। ইয়াৰ পিছতো কবীৰ পৰমেশ্বৰৰ দ্বাৰা দিয়া সত্যজ্ঞানক জানি বুজি অনৰ্থক কৰিছিল আৰু কবীৰে মিছা কৈছে কোনো শাস্ত্ৰত লিখা নাই যে ব্ৰহ্মা, বিষ্ণু আৰু শিৱৰ কোনোৱা মাতা-পিতা আছে। অথচ পৱিত্ৰ পুৰাণ সাক্ষী আছে যে শ্ৰী ব্ৰহ্মা, বিষ্ণু তথা মহেশ্বৰৰ জন্ম-মৃত্যু হয়। এইবোৰ অবিনাশী নহয় তথা এই তিনিও দেৱতাৰ মাতা প্ৰকৃতি (দুৰ্গাদেবী) আৰু পিতা জ্যোতি নিৰঞ্জন কাল ৰূপী ব্ৰহ্ম।

বৰ্তমান প্ৰায় সকলো মানৱ সমাজ, ভাই-ভনী, বালক-যুৱক আৰু বয়সীয়াল, পুতেক আৰু জীয়েক শিক্ষিত হৈছে। আজি কোনেও কাকো বিভ্ৰান্ত কৰিব নোৱাৰে যে শাস্ত্ৰত এনেকুৱা লিখা নাই যেনেকুৱা কবীৰ পৰমেশ্বৰ (কবিৰদেৱ) ৰ অমৃতবাণীত লিখা আছে।

**অমৃত বাণী পূজ্য কবীৰ পৰমেশ্বৰ (কবিৰদেৱ)ৰ ঃ-**

ধৰ্মদাস ইয় জগ বৌৰানা। কোই ন জানে পদ নিৰৱানা।।
অব ম্যাঁয় তুমসে কহোঁ চিতাই। ত্ৰিদেবন কী উৎপত্তি ভাই।।
জ্ঞানী শুনে সো হৃদয় লগাই। মুৰ্খ শুনে সো গম্য না পাই।।
মা অষ্টাংগী পিতা নিৰঞ্জন। ওয়ে জম দাৰুণ বংশন অঞ্জন।।
পহিলে কিনহা নিৰঞ্জন ৰাই। পিছে সে মায়া উপজাই।।
ধৰ্মাৰায় কিনহাঁ ভোগ বিলাসা। মায়া কো ৰহী তব আসা।।
তিনপুত্ৰ অষ্টাঙ্গী জায়ে। ব্ৰহ্মা বিষ্ণু শিৱ নাম ধৰায়ে।।
তিনদেব বিস্তাৰ চলায়ে। ইনমে ইয় জগ ধোখা খায়ে।।
তিনলোক অপনে সুত দিনহা। সুন্ন নিৰঞ্জন বাসা লীনহা।।

অলখ নিৰঞ্জন সুন্ন ঠিকানা। ব্ৰহ্মা বিষ্ণু শিৱ ভেদ ন জানা।।
অলখ নিৰঞ্জন বড়া বটপাৰা। তীন লোক জীব কীনহা অহাৰা।।
ব্ৰহ্মা বিষ্ণু শিৱ নহী বচায়ে। সকল খায় পুন ধুৰ উড়ায়ে।।
তিনকে সুত হ্যাঁয় তীনো দেবা। আন্ধৰ জীব কৰত হ্যাঁয সেবা।।
তিনোঁ দেব অউৰ অৱতাৰা। তাকো ভজে সকল সংসাৰা।।
তিনোঁ গুণকা ইয় বিস্তাৰা। ধৰ্মদাস ম্যাঁয় কহোঁ পুকাৰা।।
গুন তিনোঁ কী ভক্তি মে, ভুল পৰো সংসাৰ।
কহৈ কবীৰ নিজ নাম বিন, কৈসে উতৰে পাৰ।।

উপৰোক্ত অমৃত বাণীত পৰমেশ্বৰ কবীৰদেৱে নিজৰ সেৱক (শিষ্য) শ্ৰী ধৰ্মদাস দেৱক কৈছে যে ধৰ্মদাস এই সংসাৰ তত্ত্বজ্ঞানৰ অভাৱত বিচলিত হৈছে। কাৰো পূৰ্ণমুক্তি মাৰ্গ (মোক্ষ) আৰু পূৰ্ণ সৃষ্টি ৰচনাৰ জ্ঞান নাই। এই কাৰণে মই আপোনাক মোৰ দ্বাৰা স্ৰজা সৃষ্টিৰ কথা শুনালো। বুদ্ধিমান ব্যক্তিয়ে সোনকালে বুজি পাব। কিন্তু যি সকলো প্ৰমাণ দেখিও নামানিব তেতিয়া সেইজন নিৰ্বোধ প্ৰাণী কালৰ প্ৰভাৱৰ দ্বাৰা প্ৰভাৱিত আৰু সেইজন ভক্তিৰ যোগ্য নহয়। এতিয়া মই কওঁ তিনিও ভগৱান (ব্ৰহ্মা, বিষ্ণু তথা শিৱ) ৰ উৎপত্তি কেনেকৈ হল এওঁলোকৰ মাতৃ হল অষ্টাংগী (দুৰ্গা) আৰু পিতা জ্যোতি নিৰঞ্জন (ব্ৰহ্ম-কাল)। প্ৰথমে ব্ৰহ্মৰ উৎপত্তি কণীৰ পৰা হল। পিচত দুৰ্গাৰ উৎপত্তি হল। দুৰ্গাৰ ৰূপত আসক্ত হৈ কালে (ব্ৰহ্ম) (অশালীন ব্যৱহাৰ কৰিলে, তেতিয়া দুৰ্গাই ইয়াৰ পেটত শৰণ ললে। মই তালৈ গলো যত জ্যোতি নিৰঞ্জনকাল আছিল। তেতিয়া ভৱানীক ব্ৰহ্মৰ উদৰৰ পৰা বাহিৰ কৰি একৈশ ব্ৰহ্মাণ্ডৰ সৈতে ১৬ শংখ ক্ৰোশ দূৰলৈ পঠাই দিলো। জ্যোতি নিৰঞ্জনে প্ৰকৃতি দেবীৰ (দুৰ্গা) লগত ভোগ বিলাস কৰিলে। এই দুয়োৰে মিলনত তিনিগুণৰ (শ্ৰীব্ৰহ্মাদেব, শ্ৰীবিষ্ণুদেৱ আৰু শিৱ দেৱৰ) জন্ম হল। এই তিনি গুণৰ (ৰজগুণ ব্ৰহ্মাদেব, সৎগুণ বিষ্ণুদেব আৰু তমগুণ শিৱদেব) সাধনা কৰি সকলো প্ৰাণী কালৰ জালত আৱদ্ধ হৈছে। যেতিয়ালৈকে বাস্তৱিক মন্ত্ৰ নাপাব, পূৰ্ণ মোক্ষ কেনেকৈ হব ?

## পথভ্ৰষ্ট সকলক সৎমাৰ্গ দৰ্শন

## ভনী ঈশৰঁতীৰ দুঃখভৰা আত্ম কথা

মই ভক্তমতী ঈশৰঁতী দেবী পত্নী শ্ৰীভক্ত সুৰেশ দাস অহলাৱত পুত্ৰ শ্ৰী প্ৰতাপ সিংহ অহলাৱত, পানা গঞ্জা, গাওঁ- ডীঘল, জিলা- ঝজ্জৰ নিবাসী। হে মুক্তিদাতা সদগুৰু ৰামপাল জী! মই আৰু মোৰ পৰিয়াল আপোনাৰ চৰণৰ ধুলি। আপুনি আমাক সেই সুঃখ দিছে যাক আমি নিজৰ এই জীৱনত কেতিয়াও কল্পনা কৰা নাছিলো। আজি মই নিজৰ বিগত দিনৰ কথাবোৰ লিখি আছো। আপুনি আমাক কৃপা কৰিছে সেই দুঃখভৰা কাহিনী পঢ়ি আমাৰ দৰে দুঃখী পৰিয়ালো আপোনাৰ আশীৰ্বাদৰ দ্বাৰা কল্যাণ হব পাৰে। আমাৰ জীৱন একেবাৰে অন্ধকাৰময় আছিল, যদি আপোনাৰ চৰণৰ শৰণ নললোহেঁতেন তেন্তে আজি আমি জীয়াই নাথাকিলোহেঁতেন।

মই দুৰাৰোগ্য ৰোগৰ দ্বাৰা পীড়িত আছিলো। মোৰ ভাই ভাপড়ৌদা নিবাসী ওম প্ৰকাশ পুত্ৰ শ্ৰীদয়ানন্দ ৰাঠী হাৰিয়ানা পুলিচত চাকৰি কৰিছিল, তেওঁৰো এই বেমাৰত ম ৃত্যু হৈছিল। ময়ো সেই পৰ্য্যায় প্ৰায় পাইছিলোৱেই। মই এনে অৱস্থা পাইছিলো যে মোৰ হাত ভৰি অৱশ হৈছিল। মাত ওলোৱা বন্ধ হৈছিল। ঠায়ে ঠায়ে ডাক্তৰ আৰু কবিৰাজক দেখুৱাইছিলো কিন্তু সকলো ঠাইত নিৰাশ হৈছিলো। মোৰ স্বামী এনে মদাহী আছিল, তেওঁ ঘৰলৈ অহাৰ সময়ত শিশুবোৰে ভয়তে বিছনাৰ তলত লুকাইছিল। মদৰ কাৰনে ঘৰৰ

কাহী বাটিও বিক্রী কৰি দিছিল আৰু মূৰৰ ওপৰত ঋণৰ বোজা লৈছিল। প্রতিবেশীও অশান্তিত আছিল। এদিন নিচা অৱস্থাত এওঁমোক উঠাই লৈ কুৱাত পেলাই দিবলৈ গৈছিল। মহাপাপী প্রেতাত্মাই কলে যে কাৰ কিমান বাহাদুৰি চলিব মই এই ঘৰক ধ্বংস কৰি এৰিম। মোৰ ভাইটিয়ে বহুত টকা-পইচা ডাক্তৰ, কবিৰাজৰ কাৰণে ব্যয় কৰিছিল কিন্তু মোৰ একো উপকাৰ নহল। মোৰ পতিয়ে মদ খাইছিল আৰু শিশুবোৰ সৰু আছিল। শহুৰৰ ঘৰত কোনো আশ্রয় নাছিল মোৰ ভাই সুখবীৰ যি ডি.টি.সি ৰ ড্রাইভাৰ, তেওঁ পৰম পূজ্য সৎগুৰু ৰামপাল দাস মহাৰাজৰ পৰা নাম উপদেশ লৈছে। তেওঁ কলে যে ভন্টী, সন্ত ৰাম পাল দাস মহাৰাজৰ ওচৰলৈ গৈ নাম উপদেশ লৈ আহা। এওঁ তো মৰিবই শেষ উপায় চাই লওঁ এবাৰ। ইয়াতে মোৰ পিতাই শ্রী দয়ানন্দ ৰাঠীয়ে কলে যে নাম দীক্ষা ললে বেমাৰ ভাল হয় ? এই বিষয়ে মোৰ ভাইয়ে নাম উপদেশৰ মহিমা কৈ শুনালে। ইয়াৰ পিছত সকলোৱে কলে ঠিক আছে দেখা যাওক এবাৰ। ইয়াকে কৈ মোক সন্ত ৰাম পাল দাস মহাৰাজৰ চৰনত পোৱালেগৈ। সেই সময়ত সদগুৰু দেৱ গাওঁ পঞ্জাব খোড় দিল্লীত সৎসঙ্গ কৰি আছিল। গোটেই পৰিয়ালে মোক লৈ ৰাতি ১০ বজাত মহাৰাজৰ চৰণলৈ লৈ গল। এই ঘটনা ২৫ ডিচেম্বৰ ১৯৯৬ চনৰ।

মোৰ ভাইটিয়ে পূজ্য ৰামপাল দাস গুৰু মহাৰাজক মোৰ সকলো দুঃখদায়ী কথা কলে। গুৰুদেৱে ৰাতি ১০ বজাৰ সৎসঙ্গতে নাম দীক্ষাৰ কৃপা কৰিলে। তাৰ আগেয়ে মোৰ মুখৰ মাত বন্ধ হৈ আছিল, জিভাৰ লৰচৰ বন্ধ হৈছিল। ২৬ ডিচেম্বৰ পুৱা বেলা সাৰ পাই নিজে নিজক বহুত সুস্থ আৰু কথা কব পাৰিলো আৰু নিজৰ ভাইক কলো যে ইমান বছৰৰ পিছত মোৰ এনে লাগিছে যেন মোৰ শৰীৰৰ পৰা এটা ডাঙৰ বোজা আঁতৰি গৈছে। মোক কথা কোৱা দেখি মোৰ ভাই আচৰিত হল আৰু কলে যে মহাৰাজ ৰাম পাল সাক্ষাৎ কবীৰ পৰমেশ্বৰ হৈ আহিছে। মই বিড়ি হুপিছিলো। সেই দিনৰপৰা এৰি দিলো। ঘৰলৈ অহাত মোৰ পতি ভক্ত সুৰেশে কলে যে তুমি কি নাম লৈ আহিছা, মইও চাওঁ, তোমাৰ নামত ইমান কি শক্তি আছে? নিজৰ আইক কলে যে ই ভাল নাম লৈ আহিছে, শিশুয়ে পুৱা গুড মৰ্নিংৰ ঠাইত সৎ চাহেব বুলি কৈছে। ভক্ত সুৰেশে এবছৰলৈ এনেকৈ মদ্যপান আৰু ঘৰত কাজিয়া কৰিছিল।

এদিন এওঁ মুক্তিদাতা কবীৰ পৰমেশৰ, গৰীবদাস জী মহাৰাজ আৰু সৎগুৰু দেৱ সন্ত ৰামপাল গুৰু মহাৰাজৰ ফটো ফালি পেলাবলৈ উদ্যত হ'ল। তেতিয়া মই হাত জোৰ কৰি মুক্তি দাতাক প্রার্থনা কৰিলো যে আপুনিহে কেৱল ইয়াৰ বুদ্ধিক চম্ভালিব পাৰিব। তেতিয়া মুক্তিদাতাই এনেকুৱা চমৎকাৰ দেখুৱালে যে মোৰ পতি সুৰেশ পূজা স্থললৈ উভতি গৈ ফটো যথাস্থানত থৈ দিলে আৰু দণ্ডৱত প্রণাম কৰিলে, তেতিয়াৰ পৰা আজিলৈকে তেওঁ মদ, বিড়ি আদি সকলো বেয়া অভ্যাস ত্যাগ কৰিছে। এই সকলো বিলাকৰ সাক্ষী পাব, গাওঁ-গঞ্জা আৰু ডীঘলত। মোৰ পুনৰজন্ম হোৱা দেখি মোৰ দুঃখত দুঃখী মোৰ ভাই ৰাজেন্দ্র সিংহ ৰাঠী ডি.এচ.পি. (হাৰিয়ানা) আৰু ভাই প্রেম প্রকাশ (ৰাঠীৰ এডভোকেট, দিল্লী)ৰ সৈতে গোটেই পৰিয়ালে নাম দীক্ষা ললে। নাম দীক্ষা লোৱাৰ পিছত পৰমেশ্বৰ কবীৰদেৱে এনে সুঃখ দিছে যাৰ কল্পনাই কৰিব নোৱাৰি। আমাৰ ম'হ বোৰক সাপে দংশন কৰিছিল। ম'হৰ অৱস্থা একেবাৰে বেয়া হৈছিল। ডাক্তৰক দেখুৱালো, তেখেতে কলে যে ই কোনো বিষাক্ত বস্তুৱে দংশন কৰিছে আৰু দহটা ইনজেকছন লগালে। পিছ দিনাৰ পৰাই ম'হৰ চকুৰে নীলা পানী ওলাবলৈ ধৰিলে তথা মহটো অন্ধ হল। ডাক্তৰে ভাল কৰিব নোৱাৰিলে। তেতিয়া ৰাতি সপোনত সদগুৰুদেৱ ৰামপাল দাস ম

হাৰাজৰ দৰ্শন পালো, তেখেতে ম'হৰ শৰীৰত হাত ফুৰালে। ৰাতিপুৱা উঠি আমি আৰু ওচৰৰ নিবাসীবোৰে নিজ চকুৰে দেখিবলৈ পালো ম'হৰ মুখত সাপ আছিল তাক বাহিৰ কৰিলো। মহটো সুস্থ হল আৰু পূৰা গাখীৰ দিবলৈ ধৰিলে। এনেকুৱা অসংখ্য কিমান সুখ গুৰুদেৱে আমাক দিছে। কালিলৈকে আমাৰ ওচৰত দহ টকাও নাছিল, কিন্তু আজি সেই খেতিৰ পৰা ধন উপজে আৰু আমি কাৰো আগত হাত পাতিব নেলাগে। চুবুৰীয়াই কয় যে তোমালোকৰ গুৰুদেৱ তোমালোকৰ বাবে ৰাম। অজ্ঞানৰ দ্বাৰা ভোল যোৱা সমাজে কি জানিব আপোনাৰ মহিমা। সন্ত ৰামপাল দাস মহাৰাজৰ বিৰোধীয়ে অপযশ দিব। যাৰ ৰামপাল দাস মহাৰাজৰ লগত সংযোগ হৈছে তেওঁৱেই কব পাৰিব যে আপোনাৰ পৰা কি পাইছে। আমি আপোনাক এইয়ে প্ৰাৰ্থনা কৰো যে আমাক আপোনাৰ শৰণত ঠাই দিব আৰু আপুনি হেজাৰ বছৰলৈ এনেকৈ দুঃখীৰ আশ্ৰয়দাতা হৈ থাকিব। সদগুৰু ৰাম পালজী মহাৰাজ পূৰ্ণ পৰমাত্মাৰ অবতাৰ হৈ আহিছে।

আপোনাৰ পৰা নাম লোৱাৰ পিছত আমাৰ ঘৰত ইমান সুখ হৈছে। পৰমেশ্বৰক আমি বৰ্ণনা কৰিব নোৱাৰো। কিন্তু আকৌ বৰ্ণনা কৰিবলৈ চেষ্টা কৰি আছো। মই আপোনাৰ পৰা ১৯৯৬ চনত নামদীক্ষা লৈছো। তাৰ ডেৰ বছৰ পিছত এটা ঘটনা ঘটিল, ঘটনাটো এনে ধৰণৰঃ-

এদিন ৰাতি মই সপোনত দেখা পালো যে মই সুধি আছো গাৱঁত শ্মশান কত ? মোক দেখুৱাই দি কলে যে কালিলৈ আপুনি ইয়ালৈ আহিব লাগিব। সেই শ্মশানত কালীৰ থান আছিল। যেতিয়া ৰাতিপুৱাল, মোৰ হাইজা বেমাৰ হল, মোৰ ইমান মূৰ বিষাবলৈ ধৰিলে যে মৰি যাওঁ যেন অৱস্থা। মৃত্যুৰ সকলো সম্ভাৱনা দেখা গল। ডাক্তৰক মতা হল তেখেতে বেজি দিলে। তাৰ পিছত ডাক্তৰে কলে যে এওঁৰ মৃত্যু হৈছে, তাৰ পিছত চাৰিজন দূতে দেখা দিলে। পিছত তেওঁলোকে মোক দুয়োফালে ধৰিলে আৰু কলে আমাক ভগৱানে পঠাইছে, আপোনাক লৈ যাম, আপোনাৰ সময় পূৰ্ণ হৈছে। মই কলো মোৰ গুৰুদেৱে লৈ যাবলৈ নিদিয়ে। পিছত সিহঁতে কলে আপোনাৰ গুৰুদেৱে কি কৰিব ? আপোনাৰ সময় সম্পূৰ্ণ হৈ গল। আমি এনে কৰিম আপোনাৰ হাতেৰে আপোক মৃত কৰাই দিম। তাৰ পিছত মোৰ দুইয়ো হাতেৰে মোৰ ডিঙিত জোৰে চেপি ধৰিলে যত মোৰ প্ৰাণ যাওঁ যাওঁ হ'ল। মই কাকো কব নোৱাৰিলো। মুক্তিদাতাই কয় যে আহা যম তোমাৰ শৰীৰে ঘেৰিছা, তুমি ৰাম কবলৈ নাপাবা সেই স্থিতি মোৰ লগত হল। তাৰ পিছত পৰমেশ্বৰ কবীৰদেৱ পদুম ফুলৰ ওপৰত বহি মোৰ কাষত উদ্ভৱ হল। তাৰ পিছত মোৰ ভিতৰৰ পৰা পূজ্য গুৰুদেৱ ৰামপাল দাস মহাৰাজৰ মাত আহিল যে এই ছোৱালীক তুমি কেনেকৈ লৈ যাবা, এওঁক আমি যাবলৈ নিদিওঁ, এওঁক আমি যেতিয়া বিচাৰিম তেতিয়া লৈ যাম। যদি ইয়াৰ ভৰি কাটি দিয়া তেতিয়া আমি সেইটোও জোড়া দিম লগতে গুৰুদেৱেও আৰু কিছু কৈছে যিবোৰ বৰ্ণনা নহল। ইয়াৰ পিছত যম দূতবোৰ গুচি গল। তাৰ পিছত গুৰুদেৱে মোক কলে পুত্ৰী ভয় নকৰিবা তোমাক মৃত্যুৰ পৰা আমি ৰক্ষা কৰিলোঁ, আমি যেতিয়া বিচাৰিম তেতিয়াহে লৈ যাম।

আমাৰ পোৱালী জগাৰ সময় হোৱা এজনী ম'হ আছিল । তাই এদিনাখন মূৰ্তিৰ দৰে নিশ্চুপ হৈ ৰল। ডাক্তৰক মাতি অনা হল তেতিয়া ডাক্তৰে সময়ৰ আগতে হাতেৰে পোৱালী বাহিৰ কৰিলে, তাৰ পিছত ম'হে ফুল নেপেলালে, কোনোৱাই কোৱাত যি অলপ ফুলৰ নাড় বাহিৰ হৈছিল তাতে আমি ইটা বান্ধি দিলো, তাতে ফুলৰ নাড়ী ছিঙি গল, ফুলৰ নাড়ী ছিঙি যোৱাত ম'হৰ অৱস্থা বেয়া হল, সকলোৱে কবলৈ ধৰিলে এই ম'হ মৃত্যুৰ পৰা বাচিব নোৱাৰে। আমি ভয়খাই পাঁচ জন ডাক্তৰৰ ওচৰলৈ গলো। কিন্তু

এজনো ডাক্তৰ নাহিল, কলে ভাল কৰি দিয়াৰ সমৰ্থৰ বাহিৰত। এতিয়া পৰমাত্মাই বচাব পাৰে। তাৰ পিছত বহুত দুঃখিত হৈ মই আশা এৰি দিলো যে মহজনীক কোনেও বচাব নোৱাৰে। আকৌ মই কলো ভক্তমতী আশা নেৰিবা, আমাৰ মুক্তি দাতাই সকলো ঠিক কৰিব, তাৰ পিছত মুক্তিদাতাৰ সমুখত দণ্ডৱত প্ৰণাম কৰিলো আৰু মিনতি কৰিলো। তাৰ পিছত ৰাতিপুৱা এজন ডাক্তৰৰ ওচৰলৈ গলো, তেওঁ আহি কলে এইটো নাবাচে। এনেকুৱাই আমাৰ ম'হৰ লগত হৈছিল ডাঙৰ ডাক্তৰেও বহুত চেষ্টা কৰিও ফুলক বাহিৰ কৰিব নোৱাৰিছিল। তেওঁ কবলৈ ধৰিলে যে পৰমেশ্বৰৰ দয়াত যদিও বাচে গাখীৰ নিদিব। তাৰ সাত দিনৰ পিছত গুৰুদেৱে সপোনত দেখা দিলে আৰু ম'হৰ গৰ্ভাশয়ৰ পৰা ফুল বাহিৰ হৈ আহে। ৰাতিপুৱাই মহে ফুল পেলালে আৰু সুস্থ হল আৰু পিছত পোন্ধৰ কিলোকৈ গাখীৰ দিলে। এইটো মুক্তি দাতাৰ কৃপা। তেনেকৈ চাৰি পাঁচ প্ৰতিবেশীৰ ম'হ এনে বেমাৰত মৰিছিল।

মোৰ সৰু লৰা যাৰ বয়স ১৪ বছৰ, নাম নবনীত। ইয়াৰ কেচুৱাৰ সময়তে (যেতিয়া ছমহীয়া আছিল) নিমোনীয়া হৈছিল আৰু পাঁচ বছৰলৈ বেমাৰ ভাল হোৱা নাছিল। মই সকলো প্ৰকাৰে চেষ্টা কৰিছিলো আৰু ডাক্তৰে মানা কৰাতো মই হাৰ মনা নাছিলো। এদিন মই তাক সৎগুৰুদেৱ ৰামপাল মহাৰাজৰ ওচৰত নাম দীক্ষা দিয়ালো। সেই দিনৰ পৰা লৰাটোৰ কোনো বেমাৰেই নাই। আজি সেই লৰা একে বয়সৰ সকলো লৰাৰ সমানে সুস্থ। এই সকলো চমৎকাৰ আমাৰ সদগুৰুদেৱ ৰামপাল দাস মহাৰাজৰ অসীম কৃপাৰ দ্বাৰাই হৈছে।

এদিন পূৰ্ণিমাৰ সৎসঙ্গৰ সময়, চন ২০০৪, বৰষুণ নোহোৱাৰ কাৰণে আমাৰ ধান খেতি শুকাবলৈ লৈছিল আৰু নলাৰ পানী বন্ধ হৈছিল। এক মাহ পিছতো নলাৰ পানী নাহিল। তাত টিউৱেলৰ দ্বাৰা পানী দিয়াৰ ব্যৱস্থা নাছিল, আমি মাথোন নলাৰ পানীৰ ওপৰত নিৰ্ভৰ আছিলো।

কিন্তু পূৰ্ণিমাৰ দিনা আমি আশ্ৰমৰ পৰা সৎসঙ্গ সমাপনৰ পিছত যেতিয়া খেতি পথাৰ চাবলৈ গলো তেতিয়া আমাৰ দুই একৰ মাটি (প্ৰায় চাৰে সাত বিঘা)ৰ ধান থকা পথাৰত এক আঠুলৈ পানী ভৰি আছিল। এইটো কেতিয়াও সপোনত নহবলগীয়া কাৰ্য্য আমাৰ সদগুৰু দেৱৰ কৃপাৰ দ্বাৰা হৈ গল আৰু গোটেই খেতি ওচৰৰ নিবাসী বিলাকে চাই অনুভৱ কৰিলে যে এই নলাৰ পানী তোমাৰ গুৰুদেৱ তোমালোকৰ কাৰণেই আনিছে। সকলো মানুহৰ খেতিৰ ফচল অতি বেচি ১০ মোন হল যত আমাৰ সদগুৰুদেৱৰ কৃপাত আমাৰ প্ৰতি একৰত ৪০ মোন হৈছিল।

অনেক সুখ আমাৰ মুক্তিদাতা সদগুৰুদেৱ ৰামপাল দাস মহাৰাজে দিছে। মোৰ দুই পুত্ৰই (ভক্ত- অমিত আৰু নবনীত) মে ২০১০ চনত দিল্লী পুলিচৰ চাকৰি পাইছিল। মোৰ আৰু মোৰ পৰিয়ালৰ তৰফৰ পৰা সকলো পাঠক বৃন্দলৈ বিনতী যে আপোনালোক অতি সোনকালে সৎলোক আশ্ৰম কৰৌঠালৈ আহি সন্ত ৰামপাল দাস মহাৰাজৰ পৰা বিনামুলীয়া নাম উপদেশ প্ৰাপ্ত কৰক। মনুষ্য জীৱন ব্যৰ্থ নকৰিব। কবীৰ পৰমেশ্বৰে কয় যে -

কল কৰে সো আজ কৰ, আজ কৰে সো অব। পল মে প্ৰলয় হোয়েগী বহুৰ । কৰোগে কব।।

সৎ চাহেব। মুক্তি দাতাৰ জয়! সদগুৰু ৰামপালজী মহাৰাজ কী জয়।

**অশান্তিৰ পৰিয়ালত শান্তি**

মই ভকত ৰমেশৰ পুত্ৰ শ্ৰী উমেদ সিংহ, গাওঁ- পেটবাড়, তহসিল - হাঁসী, জিলা- হিসাৰ নিবাসী। বৰ্তমানে এমপ্লয়িজ কলোনী, জেলৰ সমুখত জীন্দত সপৰিয়ালে বসবাস কৰো।

নাম উপদেশ লোৱাৰ আগতে মই ভূতৰ পূজা কৰিছিলো। আমাৰ গাৰত বাবা সৰিয়াৰ মান্যতা আছিল। যত আমি প্ৰত্যেক মাহৰ পূৰ্ণিমাত বন্তি প্ৰজ্জলন কৰিবলৈ গৈছিলো। আমি শুক্ৰবাৰ, জন্মাষ্টমী, শিৱ ৰাত্ৰিৰ ব্ৰতও কৰিছিলো। পিতৃৰ পিণ্ডদান আৰু শ্ৰাদ্ধ কৰ্ম আদি কৰিছিলো। ইয়াৰ পিছতো আমাৰ ঘৰত অশান্তি হৈছিল। যেতিয়া মই ১২ বছৰ বয়সৰ আছিলো তেতিয়া দেউতাৰ মৃত্যু হৈছিল। ঘৰত তিনিজন সদস্য আছিল। তিনিও জনৰ ভিতৰত কাজিয়া মৰামৰি হৈছিল, তিনিওকে ভূত প্ৰেতে বৰ দুঃখ দি আছিল আৰু তিনিও বৰ ডাঙৰ বেমাৰত ভুগিছিলো। প্ৰথমে ডাক্তৰক দেখুৱালো কোনো আৰাম নহল, পিছত কবিৰাজৰ ওচৰত গলো, কোনোৱে কয় তুমি ৫০০০ টকা দিয়া মই তোমাক একেবাৰে ভাল কৰি দিম, কিছুমানে কয় ১০,০০০ টকা দি দিয়া।

আমি সম্পুৰ্ণ বৰ্বাদ হৈ গৈছিলো। কিন্তু কোনো আৰাম নহল। মোৰ আত্মীয় ভকত ৰঘুবীৰ সিংহ গাওঁ- কোস্থকঁলা, বাৰে বাৰে কোৱাত মোৰ আইয়ে ১৯৯৬ চনত সন্ত ৰাম পাল দাস মহাৰাজৰ পৰা নাম উপদেশ লৈছিল। মোৰ পত্নীৰ পাঁচ বছৰলৈকে কোনো সন্তান হোৱা নাছিল। মোৰ মায়ে কোৱাত মোৰ পত্নীয়ে সন্ত ৰামপাল দাস মহাৰাজৰ পৰা নাম উপদেশ ললে। নাম দীক্ষা লোৱাৰ এবছৰ ভিতৰত মোৰ পত্নীয়ে এটা লৰা সন্তান জন্ম দিলে। মোৰ ভগৱানৰ ওপৰত বিশ্বাস নাইকিয়া হৈছিল। এই কাৰণে মই নাম দীক্ষা লোৱা নাছিলো আৰু নিজৰ মা আৰু পত্নীক সন্তৰ ওচৰলৈ যোৱাত বাধা দিছিলোঁ। মোৰ লৰাটো ১৫ দিনত বৰ ডাঙৰ বেমাৰ হৈছিল। ডাক্তৰে কলে এই লৰা পুৱাই মৃত্যু হব, ইয়াক লৈ যোৱা। সন্ধিয়া এজন ভকতে সদগুৰু মুক্তিদাতা ৰামপাল দাস মহাৰাজৰ বিষয়ে কলে যে আশ্ৰম জীন্দলৈ আহিছে, তেওঁ পূৰ্ণ সন্ত আৰু তেওঁৰেই এই শিশুক ভাল কৰিব পাৰিব। আমি ডাক্তৰ আৰু কবিৰাজৰ ওচৰলৈ গৈ হায়ৰান হৈ গৈছিলো। মোৰ ভগৱানৰ ওপৰত বিশ্বাস নোহোৱা হৈ গৈছিল। মই ভক্তক মানা কৰিলো। কিন্তু তেওঁ আকৌ পুনৰাই আগ্ৰহ কৰি কলে যে তেখেত স্বয়ং মুক্তিদাতা ভ গৱান পৃথিৱীলৈ আহিছে। যদি তেওঁ দয়া কৰে তেন্তে এই সন্তান ঠিক হৈ যাব। সেই ভক্তজনে ইমান বিশ্বাসেৰে কোৱাত মই মাক অনুমতি দিলো। মোৰ মায়ে লৰাটোক লৈ গৈ ৰামপাল মহাৰাজৰ চৰণত থৈ দিলে আৰু কান্দি কান্দি কলে যে মহাৰাজ! এই শিশুটো মৃত্যু হৈছে আপুনিয়ে ইয়াক ঠিক কৰিব পাৰিব। তেতিয়া মুক্তিদাতা সদগুৰু ৰামপাল দাস মহাৰাজে কলে যে কবীৰ পৰমেশ্বৰৰ কৃপাত এইটো ভাল হৈ যাব। অহা কাইলৈ মৃত্যুৰ কথা আছিল কিন্তু লৰাটো ভাল হৈ গল। কোৱা মুক্তিদাতা সদগুৰু ৰাম পাল গুৰু মহাৰাজ কী জয়।

আমাৰ অশান্তি হোৱা ঘৰলৈ মুক্তিদাতা সদগুৰু ৰামপাল দাস মহাৰাজৰ কৃপাত পুনৰাই শান্তি আহিল। ইমান চমৎকাৰ দেখা পাইয়ো মই পাপ কৰ্মৰ কাৰণে নাম উপদেশ লোৱা নাই আৰু পূৰ্বৰ পূজা তথা ভূত প্ৰেতৰ পূজা কৰি আছিলো। আমাৰ ঘৰত মুক্তিদাতা গৰীব দাস মহাৰাজৰ বাণীৰ পাঠ সন্ত ৰামপাল দাস মহাৰাজে কৰিছিল আৰু মই বাহিৰত মদ্যপান কৰিছিলো। আকৌ এবছৰ পিছত আমাৰ ঘৰত পাঠ হৈ আছিল তেতিয়া সন্ধিয়া মুক্তিদাতা ৰামপাল দাস মহাৰাজে সৎসঙ্গ কৰিলে। তেতিয়া মই সৎসঙ্গ শুনিলো আৰু নাম দীক্ষাও ললো আমাৰ মায়ে কাৰোবাৰ ডচটনিত নাম খণ্ডন কৰিলে। কিছু দিনৰ পিছত ২০০০ চনত মোৰ মাৰ হঠাৎ ভৰিত জ্বলন হবলৈ ধৰিলে। ডাক্তৰক দেখুৱালো, তেখেতে কলে যে এওঁৰ ব্লাড কেন্সাৰ হৈছে। এওঁৰ দহ পোন্ধৰ দিনৰ পিছত মৃত্যু হব। যদি পি.জি.আই. চণ্ডিগড়লৈ যোৱা তাত ডেৰলাখ টকা খৰচ হব আৰু অতি

বেচি এবছৰলৈ বাচি থাকিব পাৰিব। কিন্তু বিষ কম নহব। মুক্তিদাতা সদগুৰু ৰামপাল গুৰুমহাৰাজে কলে যে আপোনাৰ মাতৃয়ে নাম খণ্ডন কৰিছে। যেনেকুৱা লাইটৰ বিল নিদিলে আৰু কানেকশন কাটি গলে বিদ্যুৎ পোৱা লাভ বন্ধ হৈ যায়। তাক আকৌ বিল ভৰাই সংযোগ কৰাব লাগে। মোৰ মায়ে তেওঁৰ ভুলৰ ক্ষমা বিচাৰিলে। মহাৰাজে পুনৰাই নাম উপদেশ দিলে আৰু মূৰৰ ওপৰত হাত থলে। মূৰৰ ওপৰত হাত ৰখা মাত্রেই ভৰিৰ জ্বলন আৰু বিষ বন্ধ হৈ গল। আকৌ প্ৰায় দুই বছৰৰ পিছত দাঁতৰ আলুৰ পৰা তেজ ওলাববৈ ধৰিলে। ডাক্তৰে ঔষধ লগাই দিলে, কিন্তু তেজ ওলোৱা বন্ধ নহল। পিছত ডাক্তৰে তেওঁৰ বেমাৰ চালে আৰু কলে যে তেওঁৰ ব্লাড কেন্সাৰ হৈছে আৰু এতিয়া সেইটো ফুটিছে। এতিয়া এওঁ ঠিক নহব। এওঁক ঘৰলৈ লৈ যাওক। এই তেজ ওলাই থাকিলে ২ দিনৰ ভিতৰত মৃত্যু হব। আকৌ ২ দিন পিছত পেচাব আৰু পাইখানাৰ লগত তেজ ওলাবলৈ ধৰিলে। তেতিয়া মই ফোন কৰি সদগুৰু ৰামপাল ম হাৰাজক কলো যে ডাক্তৰে কৈছে এওঁৰ দুই দিনৰ পিছত মৃত্যু হব। তেতিয়া সদগুৰু ৰামপাল মহাৰাজে কলে যে মুক্তিদাতাই যি কৰিব ঠিকেই কৰিব। পিছত পিচদিনা ২ বজাত যমদূতে তেওঁক নিবলৈ আহিল। মোৰ মাতৃয়ে কলে যে তোমাৰ দেউতাই (যি দহ বছৰ আগেয়ে মৃত্যু হৈছে) মোক নিবলৈ আহিছে। ইয়াকে কৈ যমদূতে মাৰ শৰীৰত প্ৰৱেশ কৰিলে আৰু কবলৈ ধৰিলে মই এওঁক লৈ যাম, এওঁৰ সময় সম্পূৰ্ণ হল। মে াক চাহ দিয়া। তেতিয়া আমি তেওঁৰ বাবে চাহ কৰিবলৈ লৈছিলো, ইমানতে সেই যম দূতে কবলৈ ধৰিলে জানানে তোমালোকৰ ঘৰত কিমান ডাঙৰ শক্তি আছে, তেওঁ মে াক কোৱাই আছে, মই আৰু থাকিব নোৱাৰো, মোক সোনকালে চাহ খুওৱা, মই যাওঁ বুলি চাহ খাই আঁতৰিল। যোৱাৰ আগত কলে যে তোমাৰ ঘৰত পূৰ্ণ পৰমাত্মা থিয় হৈ আছে। মই এওঁক লৈ যাব নোৱাৰো, ইয়াকে কৈ তেওঁ গুচি গল। এক মিনিটৰ পিছত তেজ ওলোৱা বন্ধ হৈ গল, জিভা আৰু দাঁত কলা পৰি গৈছিল, একেবাৰে পৰিস্কাৰ হৈ গল। মুক্তিদাতা সদগুৰু ৰামপাল গুৰু মহাৰাজৰ কৃপাত তেওঁ পূৰ্ণৰূপে সুস্থ হল। পৰমাত্মা কবীৰ পৰমেশ্বৰে মোৰ মাক পাঁচ বছৰ আয়ু বঢ়াই দিলে। ২৪ জুলাই ২০০৫ চনলৈকে সত্য ভক্তি কৰি সৎলোকলৈ প্ৰস্থান কৰিলে। কওকচোন বন্দি ছোড় সৎগুৰু ৰামপালজী মহাৰাজ কি জয়। সৎ চাহেব।

ভক্ত ৰমেশ দাস

মোবাইল নং - ৭৪০৪৪৩৮০০০

**মুত্ৰাশয় ঠিক কৰা আৰু চয়তানক মানুহ কৰা**

মই ভক্ত জগদীশ পুত্ৰ শ্ৰী প্ৰভুৰাম, গাওঁ-পাঞ্জাব খোড় দিল্লী - ৮১। ডি.টি.সি. (দিল্লী ট্ৰান্সপোৰ্ট, কৰ্পোৰেশন)ৰ মেকানিক। মদে মোক ৰাক্ষস প্ৰকৃতিৰ মানুহ বনাইছিল। মদ্যপান কৰা, মাংস খোৱা, ছিগাৰেটখোৱা আদি বেয়া অভ্যাস আছিল।

মই চাকৰিৰ পৰা ৰাতি ৭ অথবা ৮ বজাত আহিছিলো। কেতিয়াবা মদ্যপান বেচি হলে নিজা ঘৰ পাওঁতে ৰাতি ৯ অথবা ১০ বাজি গৈছিল। মদৰ নিচাত পগলা হৈ থৰক-বৰক ভৰিৰে ই ফালৰ পৰা সিফাল কৰি ঘৰত সোমাইছিলো। ঘৰ আহি পত্নী আৰু সন্তানক মাৰ পিট কৰাত প্ৰতিদিন কাজিয়া হৈছিল। যি শিশুক মৰমেৰে বুকুত আকোৱালি লব লাগিছিল সেই নিস্পাপ শিশুৱে মোক দেখি বিছনাৰ তলত লুকাইছিল। শিশুৱে পিতাকৰ বাবে বাট চাই থাকে, দেউতা আহিব, আমাৰ বাবে খোৱা বস্তু আনিব। কিন্তু খোৱা বস্তু অনাৰ বিপৰীতে মদ খাই চকু ৰঙা কৰি সিহঁতক মাৰপিট কৰিছিলো।

আনফালে মোৰ ধৰ্মপত্নী সুমিত্রা দেবীও নিজৰ দুঃখী জীৱনৰ লগত ভয়ঙ্কৰ বেমাৰৰ সৈতে যুজি অন্তিম ক্ষণলৈ বাট চাই আছিল। তেওঁৰ দুয়ো মুত্রাশয় বেয়া হৈ গৈছিল। ডাক্তৰে ঔষধ খাই থাকিবলৈ কৈছে। কিন্তু ছমাহতকৈ বেচি দিন জীয়াই নাথাকিব। অল ইণ্ডিয়া মেডিকেল আৰু ডাঃ ৰাম মনোহ লোহিয়া হস্পিটেল দিল্লীৰ পৰা ৰিপোট পোৱা হৈছে যে মুত্রাশয় বেয়া হৈছে আৰু ছয় মাহৰ বেচি দিন জীয়াই নাথাকিব আৰু লগতে অন্তিম সময়লৈকে ঔষধ খাই থাকিব লাগিব। সেই নিৰ্বোধ শিশুবোৰ কি হব ? যাৰ পিতৃ মদাহী আৰু মাতৃ মৃত্যুশয্যাত। কোনো গধুৰ কাম কৰিব নোৱাৰে। যেতিয়া শিশুবোৰে গম পালে যে সিহঁতৰ মাক ছয় মাহতকৈ বেচি দিন জীয়াই নাথাকে তেতিয়া সিহঁতৰ চকু পানী বন্ধ হোৱা নাছিল। এফালে পিতা মদাহী আনফালে কঠিন বেমাৰত পীড়িত, আমাৰ কি হব ? তিনিটা লৰা, এজনী ছোৱালী নিজৰ মাকৰ ওচৰলৈ গৈ কান্দিবলৈ ধৰিলে আৰু কলে হে ভগৱান! আমাক সকলোকে মাৰ লগতে নিজৰ ওচৰলৈ লৈ যাওক। ইয়াত কাৰ ভৰসাত জীয়াই থাকিম ?

পৰমাত্মাই শিশু বিলাকৰ মিনতি শুনিলে আৰু আমাৰ শুভ কৰ্মৰ উদয় হল যে আমাৰ ওচৰৰ নিবাসী ভক্ত মতি নিহালী দেবীয়ে নিজ গুৰুদেব সন্ত ৰামপাল মহাৰাজৰ আজ্ঞানুসৰি ৩০-৩১-১জানুবাৰী ১৯৯৭ চনত সদগুৰু গৰীবদাস মহাৰাজৰ অমৃত বাণীৰ তিনিদিনৰ অখণ্ড পাঠ নিজৰ ঘৰত কৰোৱালে। যত সন্ত ৰামপালজী মহাৰাজে ৩১ ডিচেম্বৰ ১৯৯৬ চনত ৰাতি ৯ বজাৰ পৰা ১১ বজালৈ সৎসঙ্গ কৰিছিল। মোৰ ধৰ্মপত্নী সুমিত্রা দেবীও ওচৰ চুবুৰীয়াৰ ঘৰত সৎসঙ্গ শুনিবলৈ গ'ল। অলপ পিছত মই (জগদীশ) চাকৰিৰ পৰা ঘৰলৈ আহিলো। ঘৰ আহি সন্তানৰ পৰা জানিলো যে ওচৰ চুবুৰীয়াৰ নিহালী দেবীৰ ঘৰত সৎসঙ্গ শুনিবলৈ গৈছে। ইয়াকে শুনি মই বৰ ক্রোধিত হলো আৰু কলো কৰ ভণ্ডৰ ওচৰলৈ গৈছে? মই এতিয়াই কোবাই লৈ আহো। ইয়াকে চিন্তা কৰি মই নিহালী দেবীৰ ঘৰলৈ গলো। মই মদৰ নিচাত আছিলো, যেতিয়া মই নিহালী দেবীৰ ঘৰ পালো তেতিয়া সন্ত ৰামপালজী মহাৰাজ দেবে সৎসঙ্গ কৰি আছিল। বহুত সংখ্যক ভক্তজন সৎসঙ্গ শুনি আছিল। সেই সকলক দেখি মই একো নকলো আৰু চুপচাপ পিচফালে বহি পৰিলো মই সৎসঙ্গ শুনিবলৈ ধৰিলো। সৎসঙ্গত মহাৰাজে কলে-

শৰাব পিৱৈ কড়ৱাপানী, সত্তৰ জনম সৱান কে জানী।
গৰীব, সোনাৰী জাৰী কৰৈ, সুৰাপান সে বাৰ।
এক চিলুম হুক্কা ভৰৈ, ডুবে কালী ধাৰ।।
কবীৰ, মানুষ জন্ম পায় কৰ, নহীঁ ভজৈ হৰি নাম।
জৈসে কুৱা জল বিনা, খুদৱায়া কিস কাম।।

মহাৰাজে সৎসঙ্গতে কলে যে যি সন্তানক পিতাকে বুকুত আকোৱালি লব লাগে, সেই মদাহী পিতৃক দেখি শিশুৱে বিছনাৰ তলত লুকায়। মদাহী ব্যক্তিৰ নিজৰো কষ্ট, ধন হানি, সমাজত মান সন্মান নাই আৰু পৰিয়াল আৰু প্ৰতিৱেশী, আত্মীয় স্বজনকো বিৰক্ত কৰি অভিশাপ পায়। যেনে- মদাহীৰ পত্নী আৰু সন্তান তাণ্ডৱৰ চিকাৰ হয়েই। ইয়াৰ উপৰি পত্নীৰ পিতা-মাতা, ভাই-ভনী আদিও দিন ৰাতি চিন্তা কৰি থাকে। সকলো পাপৰ ভাৰ সেই নিৰ্বোধ মদাহীৰ মূৰৰ ওপৰত পৰে। মনুষ্য জনম ঈশ্বৰে ভক্তি কৰি আত্ম কল্যাণ কৰিবলৈ দিছে, ইয়াক মদ্যপান আদিত নষ্ট কৰা অনুচিত। যেনেকৈ শিশুৱে বিদ্যালয়ত পাঠ গ্ৰহণ নকৰে, এনেয়ে ঘুৰি ফুৰে, তেওঁ শিক্ষাৰ পৰা বঞ্চিত হয়। পিছত গোটেই জীৱন চাকৰ কৰি জীৱন নিৰ্বাহ কৰিব লগীয়া হয়। পিচত তাৰ মনলৈ

আহে যদি মই বিদ্যালয়ত গাফিলতি নকৰিলোহেঁতেন তেতিয়া আজি অন্য সহপাঠীৰ দৰে কিবা এটা হব পাৰিলোহেঁতেন। কিন্তু এতিয়া কি হল এইটো তো সেই সময়ত ভাবিব পৰা নাছিলো।

পৰমেশ্বৰ কবীৰদেৱে কয় যে - *অচ্ছে দিন পিছে গয়ে, গুৰু সে কিয়া ন হেত। অব পছতাৱা ক্যায়া কৰে, জব চিড়িয়া চুগ গই খেত।।*

এইদৰে মনুষ্য জনমত যি প্ৰাণীয়ে ঈশ্বৰ ভক্তি নকৰে তেওঁ পশু-পক্ষীৰ যোনী প্ৰাপ্ত হয়। যি ব্যক্তিয়ে মদ খায়, তেওঁ মদৰ নিচাত ভৰা থালীৰ আহাৰ লথিয়াই পেলাই দিয়ে। ভক্তি নকৰা কাৰণে ভিন-ভিন প্ৰাণীৰ শৰীৰত দুঃখ কষ্ট সহিবলগীয়া হয়। কেতিয়াবা সি কুকুৰৰ শৰীৰ ধাৰণ কৰে। কুকুৰে গোটেই ৰাতি ঠাণ্ডাৰ বতৰত পথত পৰি থাকে। ওপৰৰ পৰা বৰষুণ আৰু শীতত মহাকষ্ট সহ্য কৰে। পুৱাবেলা ভোক লাগে। কাৰোবাৰ ৰান্ধনি ঘৰত সোমাবলৈ চেষ্টা কৰে। গৃহস্থই তাক বাধা দিবলৈ গৈ অপদস্থ কৰে, বহু সময়লৈ ভোকত আহাৰ বিচাৰি থাকে। আকৌ অইন ঘৰত সোমাবলৈ চেষ্টা কৰে, নেজানে তাত আহাৰ পাবনে নাই কিন্তু মাৰ খাব। যদি তাতো ভাগ্যত মাৰ খায় তেতিয়া সেই কুকুৰটো গাৱঁৰ বাহিৰৰ হাবিলৈ গৈ ভোকত ব্যাকুল হৈ মল আহাৰ হিচাপে গ্ৰহণ কৰিব লগীয়া হয়। যদি সেই নিৰ্বোধ প্ৰাণী যেতিয়া মনুষ্যৰ শৰীৰত আছিল তেতিয়া সৎসঙ্গলৈ যদি আহিলেহেঁতেন, ভাল বিচাৰ শুনি বেয়া অভ্যাস ত্যাগ কৰি নিজৰ কল্যাণ কৰিলেহেঁতেন আৰু সন্তানক ভাল শিক্ষা তথা প্ৰভুৰ দীক্ষা প্ৰদান কৰালেহেঁতেন, চিৰসুখী হলহেঁতেন। মদৰ নিচা কিছু সময় থাকে। পৰমাত্মাৰ নাম ভজনৰ পৰা হোৱা সুখৰ আনন্দ সদায় লগত থাকে।

উপৰোক্ত সৎসঙ্গ আদৰণীয় সন্ত ৰামপাল গুৰু মহাৰাজৰ পৰা শুনি মোৰ মদৰ নিচা নাইকিয়া হল। চকুৰে পানী নিগৰিবলৈ ধৰিলে। ঘৰলৈ গুচি গলো, ৰাতি টোপনি নাহিল। ১ জানুৱাৰী ১৯৯৭ চন দুপৰীয়া ১.৩০ বজাত নিজৰ পত্নীক লগত লৈ সন্ত ৰামপাল দাস মহাৰাজৰ ওচৰলৈ গলো, তেখেতৰ পৰা আত্ম কল্যাণৰ বাবে নাম দীক্ষা ললো। তাৰ পিচত আজিলৈ ২০০৫ চনলৈ মদ, ধুমপান, মঙহ ছুই চোৱা নাই। মোৰ পত্নীয়েও সদগুৰু ৰামপাল মহাৰাজৰ পৰা নাম দীক্ষা লৈছে। সেই দিনৰ পৰা তেওঁ একেবাৰে সুস্থ। ডাক্তৰৰ চিকিৎসা আৰু বেমাৰৰ এক্সৰে আদিৰ ৰিপোৰ্ট আজিও আমাৰ ঘৰত ৰখা আছে।

মোৰ সকলোৰে ওচৰত মিনতি যে আপোনালোকেও প্ৰভুৰ শৰন লওক। সাধুৰূপত অহা পৰমেশ্বৰৰ বাৰ্তা বাহক সন্ত ৰামপাল দাসক চিনক। নিঃশুল্ক নাম উপদেশ প্ৰাপ্ত কৰি অনুগ্ৰহ কৰি নিজৰ আত্ম কল্যাণ কৰক। সৎ চাহেব।

(ভক্ত জগদীশ)

মোবাইল নং-৯২৬৮৪৭৫২৪২

**ভকত সতীশৰ আত্মকথা**

মই ভকত সতীশ দাস ১৯৩ ছেক্টৰ ৭, আৰ.কে. পুৰম. নতুন দিল্লীৰ নিবাসী। নিম্নবৰ্নিত পদাবলী আমাৰ জীৱনত কাৰ্যকৰী হৈছে। কিয়নো মুক্তিদাতা সদগুৰু ৰাম পাল গুৰু মহাৰাজৰ সৎসঙ্গ প্ৰিতমপুৰা দিল্লীত ১৯৯৭ চনত হৈছিল। মই মোৰ এজন বন্ধুৱে কোৱাত সৎসঙ্গ শুনিবলৈ গৈছিলো, পাৰস্পৰিক পূজাপাতলক বাদ দিয়া কথা শুনাৰ পিছত সৎসঙ্গত মনটো নবহিল। সদগুৰুদেৱে শাস্ত্ৰ পঢ়ি-পঢ়ি আমাক বুজাই আছিল আমাৰ মনত ভাবিলোঁ যে কিতাপখন আমি ঘৰতে পঢ়ি বুজি লম। এইদৰে

জ্যোতি নিৰঞ্জনে (কাল) আমাৰ বুদ্ধিক স্থিৰ কৰি দিছে আৰু আমাৰ ভক্তি থকা মাৰ্গ বন্ধ কৰি দিলে। সৎগুৰুৱে আমাক বুজায় যে ঃ-

গুৰু বিন কিনহে ন পায়া জ্ঞানা, যোঁ থোথা ভুস ছোড়ে কিসানা।
গুৰু বিন ভ্ৰম ছুটে না ভাই, কোটী উপায় কৰো চতুৰাই।।

